

# ধন্য নৰ তনু ভাল



মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ
জীৱনৰ আধাৰত
ৰচিত উপন্যাস

Accession No. 1276

PASCHIM GUWAHATI MAHAVIDYALAYA
DHARAPUR, GUWAHATI - 781017
LIBRARY

1 Books may be retained for a period not exceeding 15 days by the Members.
2 Books may be renewed on request at the discretion of the Librarian.
3 Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4 Any such injury to a book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he /she shall be required to replace the book or pay its price.

Help to Keep the Book fresh & clean.

'ধন্য ধন্য কলিকাল
ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বৰিষে ।'

Paschim Guwahati Mahavidyalaya
Guwahati-17
Date 1276.02
Dharapur, Chariali

'অধমে কেৰলে দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ ।
উত্তমে কেৰলে গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ ॥'

PASCHIM GUWAHATI MAHAVIDYALAYA
P.O. : Dharapur : Guwahati-781133
LIBRARY
Acc. No. 1276
Class No. '02 Book No.
Author
Title [illegible]

Accession No. 1276
PASCHIM GUWAHATI MAHAVIDYALAYA
P.O. : Dharapur : Guwahati-781133
LIBRARY
1. Books may be retained for a period not exceeding 15 days by the Members.
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog - earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence; Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price.
Help to keep the Book fresh & clean

ৰ'দজাক টান আছিল।

নৈ-পৰীয়া বতাহজাক কোমলকৈ বৈ আছিল। হাবিৰ গছ-গছনি-ৰ পাতবোৰে সামান্য জিৰ্‌জিৰণি শব্দ তুলি নাচি আছিল। গোম বৰগছজোপাৰ গধূৰ পাতবোৰো অলপ অলপকৈ কঁপিছিল। দেহিৰামে এবাৰ আগলৈ মূৰ দাঙি চালে। আৰু বৰ বেছি দূৰ কিজানি। কাউৰী-কুকুৰা মাটিত নৌ পৰোতেই উঠি কান্ধত ভাৰখন সি খোজ দিছিল। এতিয়া বেলি দুপৰ হ'লহি। তাৰ ভোক গা যেন লাগিছিল।

সি কান্ধৰ পৰা ভাৰখন নমালে। আৰু মাটিৰ ওপৰতে থলে। গছজোপাৰ ওলাই থকা শিয়াডালৰ ওপৰতে বহিল আৰু পিন্ধি অহা টি বৰণীয়া কপাহী চুৰিয়াখনৰ আগটোৰে মুখখন মচিলে। সি নিছিল। ঘামবোৰ তাৰ ডিঙিয়েদি বুকুলৈ বৈ গৈছিল। তাৰ শুদা টোত ধূলি-মাটি লাগি লাগি আহিছিল। গাৰ ঘামত তিতি সেই লি-মাটি এটা চামনিৰ নিচিনা হৈছিল। তাৰ গাটো খজুৱাইছিল। ট ঠৰঙা চুলিকোচাৰ গুৰিৰ পৰাও ঘাম ওলাইছিল। তাৰ মূৰটোও জুৱাইছিল। তাৰ কঁকালত খুচি-অনা কটাৰিখন উলিয়াই, তাৰ পিঠিটোৰেই সি তাৰ পিঠিটো খজুৱালে। আৰু বাওঁহাতৰ নখেৰে মূৰটোও খজুৱাই ললে।

গাত বতাহজাক লাগি তাৰ ভাল লাগিল। গছজোপাৰ ছাঁটোও ভাল লাগিল। সি এবাৰ কেউফালে চালে। উত্তৰৰ ফালে ওখ ওখ শকত শকত গছবোৰেৰে ভৰিথকা হাবিখন। ইয়াৰ পৰা নৈৰ পাৰলৈকে ভালেমান ঠাই জুৰি আছে। দক্ষিণৰ ফালে আৰু আগলৈ পশ্চিমৰ ফালেও মুকলি ধাননি পথাৰ। তাৰো মাজে মাজে একোডৰা আৰু পাতলীয়া হাবি নাইবা একোজোপা ঠাল-ঠেঙুলি মেলা বুঢ়াগছ।

হাবিৰ কাষলৈকে পথাৰ। পথাৰত এতিয়া কোনো শস্য [illegible] ছাগলীবোৰ জাকে জাকে চৰি আছে। কোনো গৰখীয়া নাই, উদং পথাৰত আপোনমনে চৰি আছে।

চৰিথকা গৰু-ছাগলীবোৰ দেখি দোহিৰামৰ ভাল লাগিল। অলপ দূৰতে গাঁও আছে চাগে। মুকলি পথাৰতকৈ হাবিবোৰত ঘাঁহ-পাত বেছি আছে। তথাপি গৰু-ছাগলীবোৰ হাবিলৈ সোমোৱা নাই। হাবিত বাঘ থাকিব পায়। ইয়াত জাকে জাকে পহুও থাকে বোলে। একেখন হাবিতে বাঘে-ভালুকে-পহুৱে-চৰায়ে সকলোবোৰ থাকে। কাৰো ওচৰত কোনোৱে ডিঙি পাতি নিদিয়ে। হৰিণাৰ কাৰণে বাঘে চোপ লৈ থাকে। পিছে হৰিণায়ো বাঘৰ গোন্ধ বুজি পায়, বাঘৰ খোজ চিনি পায়। বাঘ হাবিৰপৰা মুকলিলৈ নোলায়। গৰু-ছাগলী, বাঘ-ভালুক থকা হাবিৰ মাজলৈ নোসোমায়।

দোহিৰামৰ পিয়াহ লাগিছিল। ভোকো লাগিছিল। ভাৰখন তাতে থৈ সি উত্তৰৰ হাবিখনৰ ফালে আগবাঢ়িল। গছ-গছনিৰ মাজেদি সৰু লুংলুঙীয়া বাট এটা থকা যেন লাগিল তাৰ।

হাবিৰ মাজৰ পৰা কথা পাতি পাতি দুটা মানুহ আহি আছিল। হাবিৰ মাজত মানুহৰ মাত শুনি তাৰ ভাল লাগিল। সি অলপ ৰৈ দিলে। এতিয়াহে তাৰ কাণত পৰিল—হাবিখনত চৰাইবোৰে চিঁঞৰি আছে; নানা বৰনীয়া চৰাইৰ নানা মাত। মুকলি পথাৰখনত ৰ'দবোৰ বিয়পি পৰিছে, কিন্তু হাবিখনৰ মাজত পোহৰ কম। ক'ৰবাত ক'ৰবাতহে গছ পাতৰ মাজেদি আহি একোছাটি ৰ'দ মাটিত পৰিছেহি। চৰাইবোৰ পিছে ক'ত গছ-গছনিৰ মাজত সোমাই আছে চালেও নেদেখি—সিহঁতৰ মাতবোৰহে শুনা যায়।

মানুহ দুটা আহি তাৰ ওচৰ পালেহি। দুয়োটাৰে গা উদি। সিহঁতৰ কঁকালত একোডোখৰ মাটি বৰণীয়া গামোচা, তিতি আহিছে। সিহঁতৰ দুয়োটাৰে কান্ধত বেতৰ টোনাত দুটোনা মাছ। এটাৰ টোনাটোৰ ওপৰত এখন জাল। তাৰপৰা পানী বৈ আহিছে। এটা মানুহ অলপ [illegible], ওখ, আনটো অলপ চাপৰ, থাউকাল। দুয়োটাৰে গাৰ বৰণ ক'লা মাটি বৰণীয়া।



সিহঁত আহি দোহিৰামৰ মুখামুখি হ'লহি। সিহঁত দুয়োটাই মূৰ দাঙি তাৰ মুখলৈ চালে। সিও চালে।

"এইপিনে নৈ পামনে?" দোহিৰামে সুধিলে।

"আমি নৈৰ পৰাই আহিছো। এইপিনে গৈ থাকিলেই পাবিগৈ। ক'ৰ পৰা আহিছ?"

"আহিছো ভালেমান দূৰৰ পৰা। এইখননো কি গাঁও?"

"গাঁও আগলৈ আছে। এইখন বাৰভুঞাৰ হাবি। হাবিখন পাৰ হলেই বৰনৈ, লুইত।"

"মাছ হ'বলা বৰনৈতে মাৰিলি?"

"বৰনৈত নহয়। তাত এতিয়াও বহুত পানী আছে। হাবিৰ মাজতে মৰিসুঁতি এটা আছে। তাতে টাঙনি বাই মাছ এসাজৰ ধৰি আনিলো।"

"গাঁৱলৈকে নেযাবিহঁত জানো? অকণমান ৰ'ব পাৰিবিনে? লগেভাগে গলোহেঁতেন। মই হাত মুখ ধুই পানী এটোপা খাই আহো বুলিছিলো।"

"আমি বাৰু বৰতলতে ৰওঁ—তই পানী খাই আহ—পোনে পোনে গৈ থাকিলেই বৰনৈ পাবিগৈ, পলম হলে নৰ্কাবিবি, নহলে টোনাৰ মাছ বেয়া হ'ব।"

"ডিঙিটো শুকাই গৈছে। দোকমোকালিতে আহিলো। ইপিনে কানত ভাৰখন—"

"বেগতে যা। আমি বাৰু ৰৈছোৱেই।"

দোহিৰাম হাবিৰ মাজৰ গছতলীয়া লুংলুঙীয়া বাটটোৰে খৰ খুজীয়াকৈ আগবাঢ়িল।

"চাইচিতি যাবি, বাটৰ কাষত ক'বাত ক'বাত চোৰাত আছে, লাগিলে গা ডাকিব—" এটাই দোহিৰামৰ ফালে চাই চিঞঁৰি ক'লে।

ইটোৱে ক'লে, "চোৰাতে পাবলৈ হলে শিকনিটো পাব—"

দুয়োটা বৰগছ জোপাৰ শিয়া এডালৰ ওপৰতে বহিল। টোনাকেটা কান্ধৰপৰা নমাই বননিতে থলে। তেতিয়াও দুটামান মাছে কাণ

জোকাৰি আছিল। সিহঁতৰ ফালে চাই এটাই ক'লে, "পাচিতনো এইবোৰ কি আনিছে ই?"

"কিবা গছৰ বাকলি। ভাৰ-পাচিত ভৰাই এইবোৰ সি ইয়ালৈ কি কৰিবলৈ আনিছে বা—"

"বাকলিৰ তলত কিবা ঢাকি আনিছে বা?"

"এঃ তেতিয়াহলে এনেকৈ এৰি গ'লহেতেন নে? একো নাই, এইবোৰ কিবা গছৰ ছাল। কোনোবা বেজৰ ওচৰলৈ আনিছে চাগে। ঔষধ-তোষধ কৰিব চাগে।"

"ৰচোন বাৰু সি আহক। সি ক'ৰপৰা আহিছে, এইবোৰ কি, কালৈ আনিছে—সুধিম।"

"নৈৰ পানীত তিয়াই সি জলপান খাবলৈ বহিল চাগে। মোৰো ভোক লাগিছে।"

"মোৰো ভোক লাগিছে। দেখা নাইনে বেলিটো টৌ-টৌ কৰে মূৰৰ ওপৰ পালেহি। ভোক নলগা হলে বামুণ গাঁও আৰু ভূঞাখাটৌদি নগৈ, ঘূৰি পকি ঘৰলৈহে গলোহেঁতেন।"

"ঐ, এদিন দুটা মাছ বাপুৰ ঘৰত নিদি বা ভূঞাৰ ঘৰত নিদি লুকুৱাই খাই কি গা শকত কৰিবি? আৰু নেপায় নহয়। ভূঞাৰ পৰজা হৈ, সিবোৰৰে খাল-বিলৰ মাছ মাৰি দুটা নিদিয়াকৈ খোৱা অধৰম হব। আমিয়েই মাছ-পুঠি দুটা মাৰি-ধৰি নিদিলে, বামুণে জালবাই মাছ মাৰি খাবনে? আৰু ভূঞাৰ ভাগটো দিবই লাগে। আমিনো কি ধন-সোণ, কৰ-কাতলবোৰ দিও? সিবোলাকৰে হাবিৰ খৰি দুডাল কাটি নি দিবলৈ, বিলৰ মাছ দুটা ধৰি দিবলৈ টান পাব নেপায়।"

'দোঁহৰাম ঘূৰি আহিল—গামোচাখনেৰে মুখখন মচি মচি। একেবেলিয়ে পৰ্বতীয়া জান

"বৰনৈৰ পানীটোপা বৰ চিকুণহে। জুৰিৰ নিচিনা, ফটিকৰ ধাৰ যেন।" দোহিৰামে ক'লে, "তেনেহলে যাওহক—" সি ভাৰ-পাচিজোৰ কান্ধত ললে।

"ভাৰকৈ এইবোৰনো কি আনিছ? গছৰ ছাল-বাকলি এসোপাহে দেখোন—"



"চিনিব পৰা নাইনে? এইবোৰ সাঁচি গছৰ ছাল। এইফালে বোলে সাঁচিগছ বৰকৈ নাই। মই মিকিৰ পৰ্বতৰ পৰা সাঁচি গছৰ ছাল বখলিয়াই আনিছো। আজি তিনি দিন হ'ল। পৰ্বতত গছ বিচাৰি বাকলি বখলিয়াওতে গ'ল এদিন। ঘৰ পোৱাওতে গ'ল এদিন। আৰু আজি কাউৰীয়ে-কা-নো-কৰোতেই আহিলো। এতিয়াও এদিন এবেলাৰ বাট আছে।"

তিনিওটাই খোজ ললে। এটাৰ কান্ধত ভাৰপাচি। ই দুটাৰ কান্ধত মাছৰ টোনা আৰু জাল।

"এই ছালবোৰনো কাক দিবলৈ আনিছ?"

"কাকো চিনি-জানি নেপাও। বাৰভূঞাৰ ঘৰৰ কোনোবা এজনাই বোলে কন্দলিৰ তলত পঢ়ে। সিয়ে বোলে সাঁচিপাতত কিবা লেখে। তাকে লাগে।" দোহিৰামে ক'লে।

"কথাষাৰ ভু পালিনে এতিয়া?" কণপাই নামৰ খীণ মানুহটোৱে ক'লে। "কন্দলিৰ তল নহয়, কন্দলিৰ টোল। এনেই তাত বামুণৰ ল'ৰাইহে কিবা লেখা-পঢ়া শিকে। তাতে আমাৰ কুসুম ভূঞাৰ পুতেকেও লেখা-পঢ়া শিকিছে বোলে। তালৈকে আনিছ এই সাঁচি ছালবোৰ, নহয় জানো?"

"এৰা, হব পায়। মই ভালকৈ ভু নেপাওঁ। ক'লে বোলে, তালৈকে গলেই পাবিগৈ, কন্দলি তললৈ গলেও হ'ব। বাৰভূঞাৰ ঘৰলৈ নিলেও হ'ব। এইপিনে গলে নেপামগৈ জানো? বাটৰ মানুহক সুধি সুধি আহি আছো।"

গাঠলু নামৰ চাপৰ মানুহটোৱে ক'লে, "আমিও সেইফাললৈকে যাম। ভালকৈ বিচৰোৱা হলে চাগে সাঁচিগছ এইফালৰ ক'ৰবাৰ হাবিতো পালোহেঁতেন। বাৰু, তই আনিছ ভালেই কৰিছ। আনিলি যেতিয়া পেলনি নেযায়। বাৰভূঞাৰ ঘৰ ৰজাৰ ঘৰ। এভাৰ গছৰ ছাল পেলনি গলেও কাৰো গাত নেলাগে। কন্দলিৰ টোললৈ যোৱা যি, ভূঞাৰ ঘৰলৈ যোৱাও সি।"

কণপায়ে ক'লে, "আমি বামুণ গাঁৱত সোমাই যাম। তাতে দুঘৰত

ইয়াৰেঃৰৌ মুৰুলি, ভকুৱা পোৱালি যি হয় দি যান। তাৰ পিছত ভুঞাৰ ঘৰলৈ যাম। আমাৰ নো কি? নদীয়াল মানুহ। বাৰভুঞাৰ বিল, লুইত, টেম্বুৰানী এইবোৰতে মাছ-পুঠি ধৰি, তাকে ধান-পাতলৈ সলাই পোহ যাও। আমাৰ ল'ৰা ছোৱালীয়ে সদায় ৰৌ বাহু খাবলৈ ক'ৰপৰা পাব? ভেকুৰি গুটি এমুঠি পাতত দি, জলকীয়া এটা ভাততে মোহাৰ মাৰি লৈ, খাৰ অকণ চেলেকি তাৰেই ভাত একোমুঠি খাই ডাঙৰ দীঘল হৈছে।"

"তহঁত দুয়ো হবলা নদীয়াল, মাছমৰীয়া মানুহ? তহঁতৰ গাঁও-খননো কোন ফালে?"

"আমাৰখন ডাঙৰ গাঁও—কোনোবা অকহি কালৰ পুৰণি গাঁও। নৈ মানুহবোৰৰহে ছিৰি বিধি নাই। খেতিবাতিও কৰাৰ সজ নাই। নৈ বিলৰ মাছ-কুচিয়া ধৰি তাকে বেচি, সলাই চলো আৰু। আমাৰ গাঁওখন নৈৰ পাৰৰ ফালে। টেম্বুৰানীৰ সিপাৰে অলপ নিলগলৈ আৰু এখন মাছমৰীয়াৰ গাঁও আছে। আমাৰ গাঁওৰ পৰা কিছু নিলগত, ভুঞাৰ মাটিতে দুঘৰমান বিৰতিয়াল মানুহৰ চুবুৰি এটা আছে। তাৰ সিফালেই বামুণ গাঁও। ভালেকেঘৰ বামুণ আছে। সিবোলাকেই লেখা-পঢ়া জানে। শাস্ত্ৰও জানে, মঙ্গল চাবও জানে অৱস্থা পাতিও ৰহৰহীয়া। আনহে নেলাগে মাটিগিৰী ভুঞাকেঘৰেও মানে, সেৱা-সত্কাৰ কৰে। সিবোলাকৰো পিছে ৰাইজখনলৈ বৰ দয়া-চেনেহ। দেৱী পূজা কৰে, শিৰপূজা কৰে—নিজৰ কাৰণেহে কৰেনে কিবা? গাঁৱৰ ৰাইজখনৰ ভালৰ কাৰণেহে কৰে। বামুণ-সজনে পূজা-পাতল কৰি নথকা হ'লে, গাঁওবোৰ থাকিলহেঁতেন বুলি ভাবিছ নেকি? উজন গ'লহেঁতেন। এইপিনে সাপ, সেইপিনে বাঘ, ওপৰৰ পৰা পৰিব চৰগ, তলত জোকাৰিব বৰভুইকঁপে—কিহে জাহ নোযোৱাকৈ ৰাখিছে জান? এই দেৱী-দুৰগাই, এই কালী গোসাঁনীয়ে, এই শীতলা আয়ে, এই মহাদেউ—পাৰ্বতীয়ে—এৱা—"

গাঁৱলৈ দুৰ্ণিৰ এটা আচহুৱা নতুন মানুহ আহিছে। এইখন গাঁৱৰ আওভাও নেপায়। কণপায়ে নিজৰ গাঁওখনৰ, নিজৰ ঠাইখনৰ কথা কৈ



ৰং পাইছিল, মনতে গৰ্ব্বও অনুভৱ কৰিছিল। সেয়েহে কথাবোৰ কৈ গৈছিল। দোহিৰাম বা গাঠলুৱে মুখ মেলিবলৈকে সুবিধা নেপাইছিল। পিছে সিহঁতে বৰ বেয়া পোৱা নাছিল। দুপৰীয়াৰ ৰ'দজাক চেংচেংকৈ মুৰে-পিঠিয়ে পৰিছিল। গাঠলুৰ ভোকো লাগিছিল। টোনাৰ মাছবোৰ লৰে বুলিও চিন্তা হৈছিল। সিহঁতে সোনকালে গাঁও পাওঁগৈ বুলি খোজবোৰ খৰকৈ দিছিল।

গৈ গৈ সিহঁতে এটা ডাঙৰ পুখুৰীৰ পাৰত ওলালগৈ। পুখুৰীটোৰ চাৰিওপাৰে ওখ ওখ গছ আছিল—শাৰী শাৰীকৈ ৰোৱা বুঢ়া গছ। দুটা পাৰত দুখন দলঙো আছিল। এখন পুৰণি, এখন নতুন। বাঁহৰ দলং।

"এইটোনো কাৰ পুখুৰী? বৰ ডাঙৰ পুখুৰী দেই। দ' বা কিমান জানহঁতনে?" দোহিৰামে এনেয়ে সুধিলে। পুখুৰীৰ ফট্ফটীয়া পানীবোৰ দেখি তাৰ আকৌ পিয়াহ লগা যেন লাগিল। কান্ধৰ ভাৰখনো তাৰ আগতকৈ গধুৰ গধুৰ যেন লাগিছিল।

কণপায়ে ক'লে, "এইটো কোনোবা ৰজাদিনীয়া পুখুৰী। কেতিয়া কোনে খনাইছিল কোনেও ক'ব নোৱাৰে। অলপ কাষবোৰ পোত গৈছে যদিও, মাজখন এতিয়াও বৰ দ, হাতীয়ে-মাউতে তল যোৱা। পিছে দেওলগা পুখুৰী—আমাৰ নিচিনা সৰু মানুহে পুখুৰীত নামি পানী খাব নাপায়। এবেলি হেনো কোনোবা চণ্ডাল এটাই পুখুৰীত নামি পানী খাইছিল। পিছে সেই বেলি বোলে কোনো দিন নুশুকুৱা পুখুৰীটোৰ পানী শুকাই তলি ওলাই গৈছিল। পিছে হেনো গাঁওৰ সকলো ৰাইজে লগ লাগি মেঘদেৱতাক সাদিন সাতৰাতি পূজা দিয়াৰ পিছতহে মেঘ আহি বৰষুণ দিলে। তেহে পুখুৰীটোত পানী হ'ল। এইটো আৰিমত্ত ৰজাৰ পুখুৰী হেনো।"

"কোনোবাই ইয়াৰ পানী খাও বুলিলে পিছে?"

"পানী নেখাবলৈ কোনোবাই পুখুৰী খনায়নে? সেই বুলি আৰু তই মই সকলোৱে, সৰুৱে-বৰে নামি লৈ পানী খালে পানী অশুচি নহবনে? বামুণ গোসাঁয়ে তেনেকৈ খোৱাটো সুকীয়া কথা। এইটো উছৰগীয়া পুখুৰী।"

পিয়াহ লাগিছিল যদিও, আৰু পৃথিৱীটোৰ পানী খাবৰ মন গৈছিল যদিও, দেঁহিৰামে তাৰ পানী নোখোৱাটোকে ঠিক কৰিলে। সিহঁতে আকৌ গাঁৱৰ ফালে খোজ ল'লে, আৰু কিছুপৰৰ মূৰত গৈ বামুণ গাঁও পালেগৈ।

এঘৰ মানুহৰ নঙলামুখতে বৈ গাঠলুৱে চিঞৰিলে, "দেউ, মাছ এসাজৰ থৈ গলো। নিবলৈহে ক'ব লাগে।"

এইবুলি কৈ টোনাটোৰ মুখখন মেলি বাহু পোৱালি দুটাই আৰু বৰালি এটাই পদূলিমুৰতে থৈ খোজ ল'লে।

আৰু অলপ দূৰ গৈ আৰু এঘৰ মানুহৰ নঙলামুখত বৈ কণপায়ে চিঞৰিলে, "আজি হলে ডাঙৰ মাছ জালত নপৰিল, এসাজৰ দি গলো, নিবিঅ' গোপাল, নহলে কাউৰীয়ে নিব—" লঙলা মুখতে মাছকেটা থৈ বাটেদি আকৌ সিহঁত আগবাঢ়িল।

কিছুপৰৰ মূৰত বামুণ গাঁও পাৰহৈ, এডোখৰ মুকলি ঠাই পাৰ হৈ, সিহঁত এখন বৰ ডাঙৰ বাৰীৰ মাজত থকা বৰ ডাঙৰ ডাঙৰ ঘৰেৰে এঘৰ মানুহৰ আহল-বহল পদূলিমুৰত ৰ'লগৈ।

কণপায়ে ক'লে, "এইয়াই বাৰভূঞাৰ হাউলি ঘৰ। আমাৰ ৰজাঘৰ বুলিয়ে ধৰ। ব'ল, আমি ভিতৰ চোতাললৈ যাওঁ। আমিও মাছ দিওঁগৈ, তয়ো ভাৰত যি আনিছ ইয়াতে দিব পাৰিবি। ৰজাঘৰ বুলি ভয় খাব নেলাগে। ইয়াতে থাকিবি। সউটো ঘৰতে ভূঞাৰ লগুৱা লিকচৌবোৰ থাকে, বান্দী-বন্ধুৱাবোৰ থাকে। তাতে পৰি থাকিবি। জলপান ভাতো খুৱাব। আমি তেনেহলে যাওঁগৈ।"

দুয়োটাই টোনাত দুটামান দুটামান মাছ ৰাখি বাকীবোৰ বৰচালনি এখনত বাকি দি গ'লগৈ, দেঁহিৰাম থাকিল। পিছফালৰ পৰা ছোৱালী এজনী আহি মাছ-চালনি লৈ গ'লহি। অলপ পৰৰ পিছত মানুহ এটা আহি দুই এটা কথা সুধি ভাৱে সতে দেঁহিৰামক পিছ ফাললৈ মাতিলৈ গ'লহি।





কলমৌৰ ঘৈণীয়েক আইচেনাই টেংদুৰনীৰ ঘাটত গা ধুবলৈ গৈছিল। আগেও যায়। কেতিয়াবা কেইবাজনীও লগ লাগি যায়, কেতিয়াবা লগ নেপালে অকলেই যায়। সাঁতুৰি নাদুৰি গা ধুই, কলহত পানী ভৰাই লৈ, তিতা কাপোৰ নসলোৱাকৈয়ে ঘৰলৈ উভতি আহে। তিতা কাপোৰ গাত লিপিত খাই লাগি ধৰিলেও, তাই ভালকৈ ৰিহাৰে গা ঢাকি মূৰত ওৰণি লৈ আহে। ন-বোৱাৰীয়ে গাঁওৰ বুঢ়ামেথা, শহুৰ বৰজনাক মান কৰি চলিব লাগে। তাতে কলমৌ, ভূঞাৰ ঘৰৰ গৰখীয়া—অইনে ভূঞা পৰিয়ালৰ অন্য লগুৱা-বনুৱাক ধৰাৰ দৰেই তাকো এটা লেখৰ মানুহ বুলি গণ্য কৰে।

তাৰেই ঘৈণীয়েক আইচেনা। শকতে-আৰতে, খোজে-কাটলে গাই গাৰিয়ে চকুত লগা ছোৱালী। বিয়া হোৱাৰ পাঁচ মাহ হৈছে। উত্তৰ পাৰৰ কলিতাৰ ঘৰৰ জীয়াৰী। পাঁচ মাহৰ আগতে কিবা সকামত কলমৌ দুদিনমানৰ কাৰণে বৰনৈৰ সিপাৰলৈ গৈছিল। তাৰে শিৱদ'লৰ ওচৰৰ চিনাকি মানুহ এঘৰতে আছিল। তাৰে পৰা ঘূৰি আহিবৰ সময়ত আইচেনাক নাৱত তুলি লৈ আহিছিল। গৰখীয়া হলেও, বাৰভূঞাৰ ঘৰৰ গৰখীয়া। দায় জগৰ ধৰিবলৈ বা বেয়া বুলিবলৈ কোনোৱে সাহ নকৰিলে। কলমৌও দেখাই-মেলাই এটা ভাল ডেকা ল'ৰা। গাত বল-শক্তিও আছে। অকলে নাওবাই বৰনৈ ইপাৰ-সিপাৰ হয়। এলাপেচা ডেকা ল'ৰাই দাঙিবকে নোৱাৰা খৰি একোভাৰ সি যিদৰে হেলাৰঙে কান্ধতকৈ আনিব পাৰে, অইন ডেকাই নোৱাৰে। আৰু যুঁৱলি পেলাই, নেজ দাঙি লৰ মৰা বলধ একোটাক সি যিদৰে ডিঙিত গৰা মাৰি ধৰি বশ মনাব পাৰে, আনে নোৱাৰে। আইচেনাই তাক

তেলেৰে মাটিৰ চাকি জ্বলায়। কোনো কোনোৱে নাহৰগছটি জ্বলায়। সৰহভাগ মানুহে সাঁজ লাগি ভগাৰ পিছতে, জুইৰ কাষতে বহি ভাত পানী খাই শুই থাকে। পূৰ্ণিমাৰ ৰাতি দুই চাৰি ডেকা, ল'ৰা জোনাকত ইফালে সিফালে যায়। আন্ধাৰত কোনো ঘৰৰ বাহিৰলৈ নোলায়। বাঘৰ ভয়, সাপৰ ভয়, ভূত-প্ৰেতৰ ভয়। ৰাতি অলপ বেছি হলে কোনোবা ক'ৰবালৈ গলেও কেৱে দেখা নেপায়। অকলে ৰাতি কোনো কলৈকো নেযায়।

কলমৌ ঘৰত নাই। ভুঞাৰ ঘৰৰ গৰু-গাইবোৰ আনকেটা গৰখীয়াই চৰাই-মেলি আনি বান্ধিবহি। তাৰ কাৰণে চিন্তা নাই। আইচেনাক যে আজি জল-কুঁৱৰীয়ে ভৰিত ধৰি টানিছিল, সেইটোহে ডাঙৰ কথা হ'ল। কাইলৈ পুৰণ বেজৰ হতুৱাই জৰাব লাগিব। নহলে আইচেনাই টেম্বুৱানীৰ এই ঘাট এৰিব লাগিব, নহলে তাইক জলকুঁৱৰীয়ে নি পতাল পোৱাবগৈ। নৈখনত কেইবাজনাও জলকুঁৱৰী আছে বুলি গাঁওৰ সকলোৱে জানে। বেছি নহলেও, পুৰণ বেজক ছাগলী এটাই চাউল এদোণে দিব লাগিব, নহলে জৰা-ফুকাই কাম নিদিয়ে। জলকুঁৱৰীৰ চকু পৰিছে, ৰক্ষা নাই।

কথাটো হেলচে আইচেনাক ক'লে। আইচেনাই ক'লে, "কথাটো অইনক নেলাগে ক'ব। গাঁওখনে গম পালে ৰৌজাল-বৌজাল কৰিব। ভায়েৰ ঘূৰি আহিলে বাৰু বেজৰ হতুৱাই অলপ তেলপানীকে জৰাই অনাম। কাইলৈ দোকমোকালিতে উঠি পাৰ পোৱালি নহলে, কোমোৰা দুটাই নৈত পূজা দি থৈ যামহি। মই আৰু থিয় দি ৰ'ব নোৱাৰো। বৰ থৰক্-বৰক্ লাগিছে। আৰু অলপ এন্ধাৰ বেছি হলেই আমি যাম। অকণমান ইয়াতে বহো।"

"জানোচা সাপ-চাপ ওলায়। এনেকুৱা বিৰিণানি খাগৰিয়নিৰ মাজত শংখচূড়, পানী-মড়লীয়া সাপ থাকে।"

আইচেনাই হেলচলৈ বাট নেচালে। তাৰ হাতখনত ধৰিয়ে তাই বিৰিণাপাত এসোপাৰ ওপৰতে বহি দিলে। অলপ পৰ থিয় হৈ থাকি হেলচে তাইৰ গাৰ কাষতে বহিল।

"জোনাক নাই যদিও তৰাবোৰ আছে হ'বলা। এন্ধাৰতে তোৰ



গাটো জিলিকি আছে—" হেলচে তাৰ গাৰ কাষতে বহি থকা আইচেনাৰ বগা গাটোৰ ফালে চাই ক'লে।

নিজৰ বাহু-বুকু হাতেৰে মোহাৰি মোহাৰি আইচেনাই ক'লে, "বিৰিণাপাতে গাটো কাটিলে, বৰ চেক্‌চেকাইছে।"

"মোৰ গাও কাটিলে," হেলচে ক'লে। তাৰ পিছত সেই কাহিলি পোহৰতে আইচেনাৰ গাটো হাতেৰে মোহাৰি দিব ধৰিলে। যেন তাই এজনী সৰু ছোৱালীহে!

"ককাই, তোৰ চেঁচা লাগিছে নেকি? তই কঁপিছনেকি?" আইচেনাই ক'লে।

"ওহোঁ, তই বাৰু সঁচাকৈ কচোন, নৈত তোক জলকুঁৱৰীয়ে টানিছিল নে তই জলকুঁৱৰীক টানিছিলি? তোক যেতিয়া মই বিচাৰি পাই পানীৰ তলৰ পৰা তুলি আনিছিলো, তেতিয়া তোকহে মোৰ এজনী জলকুঁৱৰী যেন লাগিছিল। সঁচাকৈ কৈছো"।

"আগে পিছে অইন জলকুঁৱৰী তই ক'ৰবাত দেখিছ জানো?" আইচেনাই ক'লে।

"ধেমালি নকৰিবি জানিছ আইচেনা। তই হ'বলা জলকুঁৱৰী, বনকুৱৰী, জলদেৱতা, বনদেৱতা একো নাই বুলি ভাবিছ? এতিয়া তিনি গধূলিখন নাম লবলৈকে ভয় লাগে। নৈৰ পাৰৰ এই হাবিত, বিৰি-বিলত, এৰাবাৰীত কত কি থাকে! ডাইনী, যখিনী, দ'ত, বাঁক, দানহ, ভূত, পেৰেত, খেতৰ, কন্ধ, ম'হযখ, বুঢ়া ডাঙৰীয়া আৰু যে কত দেউ-দেৱতা আছে। চল পালেই সেইবোৰ যাৰে-তাৰে গাত লম্ভে। পুৰণ বেজে কত দেও লগা মানুহ ভাল কৰিছে।"

"আৰু সেইবোৰৰ নাম কৈ নেথাকিবি ককাই, আমি যাও ব'ল। কোনোবাই দেখিলেও দেখিব। কাপোৰ-কানি নেথাকিলে গাটো আন্ধাৰেৰে নেঢাকি আৰু কিহেৰে ঢাকিম?"

"এৰা অ', ক'লে দায় জগৰ লাগে, পিছে দুৰ্গা গোসাঁনী, কালী গোসাঁনীৰ গালৈ দেখোন সকলোৱে চায়। দেৱীৰ গাতনো ক'ত ৰিহা-ঢাকনি কিবা দেখিছ?"

দুয়ো বহাৰ পৰা উঠিল আৰু খোজ ললে।

আইচেনাই ক'লে, "দেৱী গোসাঁনীৰ কথাও সুকীয়া, আমাৰ কথাও সুকীয়া। দেৱীৰ গাত কাপোৰ নথকাটো দোষৰ কথা নহয়। আমি সমাজৰ মানুহ, শুদা গাৰে ওলালে সকলোৱে বেয়া পাব। মোৰ গাৰ কাপোৰ জলকুঁৱৰীয়ে নিলে বুলি ক'লে জানো কোনোবাই মানিব ?"

"পাপ কাম কৰিলেহে পাপে চুব। পাপ নকৰিলে, নাঙঠ হৈ ওলালেও তই দেৱী যেন হৈ থাকিবি।"

'মানুহক দেৱী বুলি ক'ব নেপায়।'' আইচেনাই ক'লে, আৰু বৰজনাকৰ হাতত ধৰি খাগৰিয়নিৰ পৰা ওলাই আহিল।

সিহঁত দুয়োটাকে তেতিয়া ঘন, ডাঠ আন্ধাৰে ঢাকি পেলাইছিল, তেতিয়া সাজ লাগি ভাগিছিল।



"......কেঁচা শিলিখা পাচি অলপ থেতালি ললে। টেকেলিকেটা ধুই উবুৰিয়াই থোৱা আছিল। মলাচৰুকেটাও ধুই থোৱা আছিল। এটা ডাঙৰ মাটিৰ চৰুত বাঁহৰ চুঙাকেটাও ধুই-মেলি থোৱা আছিল। কেঁহৰাজবোৰ খুন্দি পানীত তিতাই থোৱা আছিল।

আৰু দুটা বস্তু লাগে। তাৰো এটা একাষে এটা চৰিয়াত ভৰাই থোৱা আছিল ঃ এচৰীয়া গৰুৰ মুত। আনটো বস্তুও পাবলৈ নোহোৱা নহয়—কেইটামান জীয়া কুচিয়া লাগে। কুচিয়া নহলেও হয়, পিছে হ'লে চিকমিকনিটো উঠে ভাল। নহলে বোন্দা কেঁচু হলেও হয়।

থেতেলা শিলিখাবোৰ কমেও সাতদিন এটা চৰুত তিয়াই থব লাগে। এই শিলিখা তিয়াই থোৱা মাটিৰ চৰুটো তাৰ পিছত ৰাতি নিয়ৰত থব লাগে—পাঁচ দিন, সাত দিন বা দহ দিন। তিওৱা শিলিখা থোৱা মাটিৰ চৰুটোৰ তলত পানী সৰকিব নোৱাৰা এটা কাঁহৰ বা পিতলৰ চৰু থব লাগে। শিলিখাবোৰ তিয়াই থোৱা চৰুৰ পানীবোৰ ক'লা হৈ ওলাব। তাতে খুন্দা কেঁহৰাজবোৰ দিব লাগে। তাতে লো এডোখৰ বা দুডোখৰ পেলাই দিলে ভাল। নহলেও দা বা কটাৰি এখন পেলাই থলেও হয়। শিলিখা আৰু কেঁহৰাজ গেলাই থোৱা চৰুৰ পানীখিনিত কুচিয়া কাটি তাৰ তেজ দিব পাৰিলে ভাল। লগতে দিও বুলিলে গৰুৰ মুতো কিছু দিব পাৰি।

লাহে লাহে তলৰ চৰিয়াটোৰ ওপৰত বহুৱাই থোৱা মাটিৰ চৰুটোৰ গাই দি বিৰিঙি-বিৰিঙি এটোপাল দুটোপালকৈ কাতি-আঘোণ মহীয়া নিয়ৰ পৰাদি ক'লা ক'লা ৰস নিগৰি তলৰ কাঁহৰ চৰিয়াটোত পৰিব। এনেকৈ সাতদিন বা দহদিন দিনত ৰ'দত আৰু ৰাতি নিয়ৰত থৈ, শিলিখা, কেঁহৰাজ, কুচিয়াৰ তেজ আৰু গৰুৰ মুত বা কেচুঁৰ ৰস একেলগ কৰি মাটিৰ চৰুৰ গাই দি নিগৰাই যিখিনি ক'লা পানী উলিয়াব, সেইয়াই কালি বা মহী বা চিয়াহী। ৰস নিগৰাই লৈ সিতাবোৰ পেলাই দিয়া হয়। ক'লা-মিহলি ৰসখিনি কাপোৰেৰে চেকি ভুৰুকাত বা বাঁহৰ পৰীয়া চুঙাত ভৰাই থোৱা হয়। সেইয়ে মহী-চুঙা।

এইবোৰ সকলোৱে কাম নহয়। কালি বা মহী তৈয়াৰ কৰিব জনা দুই চাৰিয়েহে সকলো বস্তু যতনাই লৈ, এনেকৈ কালি তৈয়াৰ কৰে। কালি বা মহী যেই কোনো মানুহক নেলাগে। যি মানুহে লেখা-পঢ়া জানে, আৰু লেখা-পঢ়া কৰে, তেনে মানুহকহে লাগে। এই কালি বৰষুণত তিতিলেও বা পানী পৰিলেও বিয়পি নেযায়। তাৰ চিকমিকনি বহুত দিনলৈ থাকে। কোনোবাই গৰুৰ মুত নিমিহলায়, কোনোবাই কুচিয়াৰ তেজ বা কেঁচুৰ ৰসো নিদিয়ে, কোনোবাই কেঁহৰাজো নিদি অকল শিলিখাৰ ৰসেৰেই কালি তৈয়াৰ কৰে। পিছে লেখনি যুগমীয়া হ'ব লাগিলে কালিখিনি ডাঠ আৰু ভাল হ'ব লাগে।

তাঁতৰ ব'-তোলা চুঙাত ফুল কটাদি মহীচুঙাতো ধুনীয়াকৈ ফুল কটা

হয়। তাত বাঁহৰ বা কাঠৰ সাফৰ মাৰি থোৱা হয়। সৰু সৰু ভুৰুকা বা চুঙাত কালি ভৰাই থোৱা হয়। আৰু তাৰ পৰাই লেখকে কাপ তিয়াই তিয়াই লেখে।

প্ৰায় সকলো মানুহৰ বাৰীতে আৰু হাবিবোৰতো শিলিখা, আমলখি, পৰা-আমলখি, থেকেৰা, টেঁপৰ, বনপিঠাৰ গছ আছে। বাৰীত আম, কঁঠাল, লেটেকু, পনীয়ল, ক'লা জামু, বৰ জামু, কোটাই জামু, বগী জামু বা গোলাপী জামুৰ গছ নথকা মানুহ অতি কমেই আছে। প্ৰায় মানুহৰ বাৰীতে আৰু হাবিবোৰত প্ৰকাণ্ড প্ৰকাণ্ড ঔ-টেঙাৰ গছ আছে। তেঁতোলি গছো নোহোৱা নহয়। মধুৰীআম, নৰা-বগৰী, আহোম-বগৰী, নগা টেঙা, থেৰেজুৰ গছো ঘৰে ঘৰে। এইবোৰ নুৰুলেও এনেয়ে য'তে ত'তে হয়। তামোল পুলিহে যতন কৰি ৰুব লাগে। সাতত পাতল, পাঁচত ঘন, ছয়ত তামোল নদন-বদন। ছহাতৰ আঁতৰে আঁতৰে তামোল পুলি ৰুব লাগে। তামোলৰ গাত লগায় পাণ। ভাত নহলেও এবেলা থাকিব পাৰি, তামোলখন নহ'লে হামিয়াই, হিকটিয়াই আধামৰা হ'ব লাগে।

শিলিখা গছ বহুত দিন জীয়ে। এটা মানুহৰ আয়ুস যদি এশ বছৰ, এজোপা শিলিখাৰ আয়ুসো এশ বছৰ। শিলিখা গুটিৰ পৰাও হয়, শিয়াৰ পৰা গজালি ওলায়ো হয়। আমলখি আৰু ভোমোৰ গুটিৰ লগৰে। শিলিখা ত্ৰিফলাৰ এফলাৰ এটা ফাল—ঔষধৰ গুটি। ভাত খাই উঠি যি খায় তিনি শিলিখা, তাৰ মানত ৰোগ টিলিকা। শিলিখা ঔষধ, শিলিখাৰ ৰস লেখনিৰ মূল বস্তু—কালি, চিয়াঁহী, মহী।

কালি সকলোকে নেলাগে, শিলিখা সকলোকে লাগে।

পিছে কালি হলেই লেখা নহয়, লেখিবা কিহত ?

তাল পাতত ?

সৰহ দিন ভালে নেথাকে। শুকালে তাল পাত মচমচীয়া হয় ; খৰমৰীয়া হয়। ভাগি যায়। তাতে সিৰবোৰো আছে তাল পাতত। লেখিবলৈ অলপ আহুকাল।



বুঢ়া বাঁহৰ চটাচট্ ফাল, পাতলকৈ তুলাই, চুচি সমান কৰি, ৰ'দত শুকুৱাই তাৰ ওপৰতো লেখিব পাৰি। পিছে এনেকুৱা বাঁহৰ ফালিৰ ওপৰত সৰহ লেখা নধৰে। এখন পুথি লেখিবলৈ সৰুসুৰা এখন বাঁহনিৰ বাঁহ লাগিব। তাতে বাঁহৰ চটাবোৰ বৰ অঁহীয়া। তাৰ ওপৰৰ লেখাবোৰ আঁহে আঁহে বিয়পি যায়। আৰু বাঁহৰ ছালিবোৰ জাপি সামৰি থবলৈকো অসুবিধা।

সকলোৰে বাৰীত নহলেও, বহুতৰে বাৰীত শিমলু গছ থকাৰ দৰে, কপাহৰ গছো থাকে। শিমলুৰ তুলাও তুলা, কপাহৰ তুলাও তুলা। তাৰেই তুলি, গাৰু সাজে। তুলাৰ পৰা তুলি।

শিমলুৰ গছ নৈৰ পাৰতেই হয় বেছি। কপাহৰ গছ ৰোৱা হয় বাৰীৰ ঢাপত, বাৰীৰ ভিতৰত। বামুণ সকলৰ বাৰীত কপাহৰ গছ নহলেই নচলে। লগুণ ডালৰ কাৰণেই হলেও দুজোপা কপাহৰ গছ থকা দৰকাৰ। নহ'লে গাত টাঁৰিবলৈকে কাপোৰ দুকাঠি নো কিহেৰে বৈ উলিয়াব ? মুগা, এড়ি, পাট, মেজাংকৰি কাপোৰ সকলোৰে কাৰণে নহয়। ৰজা মহাৰাজা, ৰাণী ৰাজকুঁৱৰী, ধনী সকলৰ কাৰণেহে, গোসাঁই মহন্ত মহাজনৰ কাৰণেহে। যাক যিহে শুৱায়।

নেওঠনীৰে নেওঠি কপাহৰ মেৰাবোৰৰ পৰা গুটিবোৰ গুচাই লোৱা, তাৰপিছত হাতেৰে ফঁহিয়াই, ধুনাৰে ধুনি কপাহবোৰ শিমলুৰ তুলা যেন কৰি লোৱা। তাৰপিছত ঢাৰি, পাটি বা কঠ এখন পাৰি তাতে ধুনা কপাহবোৰ সমানকৈ মেলা—পাতলকৈ, সমানে ডাঠকৈ। তাৰপিছত অইন এখন পাটি বা ঢাৰিৰে ঢাকি দিয়া, তাৰ ওপৰত ওপৰৰ পাটিখনত শিল বা কাঠ কিবাৰে হেঁচা দি থোৱা। বৰষুণ যদি নাই, ৰাতি ইয়াক নিয়ৰত তিয়াই থোৱা, যাতে পাটিৰ ওপৰৰ ধুনা কপাহখিনি বা তুলাখিনি এচটা পাতল কাপোৰ যেন হয়। এনেকৈ পাতলকৈ মেলি দিয়া তুলা একোখন তুলাপাত হয়। কিন্তু লেখিব লাগিলে তাৰ ওপৰত মাটিমাহ বাটি তাৰে এটা পাতলীয়া লেও দিব লাগে। এনেকুৱা লেও দিয়া তুলাপাত ৰ'দত শুকুৱাই তাৰ ওপৰত কালিৰে লেখিব পাৰি, হেঙুল হাইতালেৰে কিবা ছবিও আঁকিব পাৰি। এনেবোৰ তুলাপাতো সকলো

মানুহকে নেলাগে, লেখা পঢ়া কৰা মানুহকহে লাগে। আৰু লেখা পঢ়ানো কৰে কেইজনে ?

বামুণসকলে পুথি-পাঁজি লেখে। কায়স্থ সকলে পুথি-পাঁজি লেখে। ভুঞাসকলে কিবা পুথি-খট-পত্র লেখে। অইন হালোৱা-জালোৱাক তুলাপাত কেলেই ? কন্দলিৰ টোলৰ ছাত্ৰ কেটাক মহী তুলাপাত লাগে, তাত কিবা শাস্ত্র লেখিবলৈ শিকায়। আৰু কোনোবাই যদি কিবা মন্ত্রৰ পুথি, বেজালি পুথি, কৰতী পুথি কাৰোবাৰ হতুৱাই লেখাই থব খোজে, তাৰ কাৰণে আটাইতকৈ ভাল পাত হ'ল সাঁচিপাত।

সকুলো হাবিতে নহলেও, কিছুমান হাবিত, পূবৰ মিকিৰ পৰ্বতত, নামবৰ হাবিত, কলিয়াবৰৰ ফালৰ হাবিত, দখিণ কুলৰ মিকিৰ পৰ্বতত আৰু জয়ন্তীয়া পৰ্বততো সাঁচি গছ হয়। য'তে এজোপা বয়সীয়া সাঁচি গছ আছে তাৰে ওৰে-পাজৰে গুটি পৰি পৰি আৰু গছ হয়। ভীমকল যেন কাঠ হিচাপে সাঁচি গছৰ মূল্য নাই বুলিলেও হয়। ভাল খৰিও নহয়, জুইত দিলে ফেৰ্‌ফেৰ কৰে পোৰে, অঙঠা নৰয়। সাৰ নাই, কোমল কাঠ, কুঠাৰহে নেলাগে, দাৰেও ফালিব পাৰি। খুটা লগাব নোৱাৰি, কোনোবাই ঘৰৰ চটি-মাৰলি লগায়। পানীত নিতিতিলে, আলাসতে থাকিলে দিন যায়। নহ'লে সাঁচি গছ একো কামৰ গছ নহয়।

পিছে এই সাঁচি গছৰ বুকতে হয় সুগন্ধি অগৰু চন্দন। কস্তুৰীৰ পেটত মৃগনাভি হোৱাদি সাঁচি গছৰ বুকত জন্মে ক'লা ক'লা 'আগৰ' বা অগৰু। এনেয়ে দূৰৰ পৰা গোন্ধ পোৱা যায়। জুইত দিলে তাৰ মন মতলীয়া কৰা গোন্ধ চৌদিশে বিয়পি যায়। অগৰুৰ ধোঁৱা কাপোৰত সোমালে কাপোৰ খনেই কেইবা দিনলৈকে গোন্ধাই থাকে।

সাঁচি গছৰ এই ক'লা অগৰুৰ পৰাই জুইত পাগ দি উলিওৱা হয় 'আতৰ' তেল। সি ঠাই পায় ৰজা-মহাৰাজৰ ৰাজসভাত হেৰেমত, উৎসৱত, ধৰ্মীয় অনুষ্ঠানত, অভিষেকত, মুছলমানৰ মৃতকৰ কফিনৰ কাপোৰত।

1276.02
3.6.87



এলাগী সাঁচি গছৰ বুকৰ মাজতে ওপজে ৰজা-ৰাণীৰো মন বলিয়া কৰা 'আগৰ'। তাৰেপৰা হয় 'আতৰ'—সুগন্ধি তেল।

সকলো গছৰে ডাঠ হওক, পাতল হওক, বাকলি থাকে। মানুহ, গৰু, পহুৰ ছাল,—গছৰ বাকলি। ভিতৰৰ গাটোক ৰক্ষা কৰিবৰ কাৰণে বাহিৰত এটা খোলা, এখন ছাল। মাছৰো ছাল বাকলি থাকে, সাপৰো থাকে, ঘৰিয়ালৰো থাকে।

আম, আমলখি, বহঁত, নাহৰৰো ছাল থাকে। পিছে সেইবোৰ ছালৰ লেখ কোনে লয় ? সিহঁতৰ মূল্যই বা কি ? ছাল-বাকলিৰ নহয়, ভিতৰৰ সাহকণৰহে মূল্য।

সাঁচিৰো ছাল থাকে, বাকলি থাকে।

সাঁচিৰ গা-গছ ডালতকৈ ছালখনহে বেছি মূল্যবান।

গছজোপা হ'ব লাগে দুয়োহাতে গবা মাৰি পোৱা শকত। বয়সত হ'ব লাগে পোন্ধৰ-কুৰি বছৰীয়া। সৰহ হয় মানে ভাল। গছজোপা হ'ব লাগে পুৰঠ। ছালখনত ঘা-ঘুণ নেথাকিলে ভাল।

গছডাল গুৰি কাটি পেলাব নেলাগে। য'ত আছে, ত'তে থিয়দি থাকক। চোকা দা'ৰে মাটিৰ পৰা মূৰৰ সমান ওখলৈকে চাৰিহাত, ছহাত মানলৈকে চটাচটকৈ জীয়া সাঁচি গছৰ বাকলিবোৰ কাটি এৰুৱাই আনা। অঁহীয়া বাকলি চটাচটে এৰাব। সাঁচিৰ ছালৰ বাহিৰটো সেউজীয়া বা ভীম কলৰ পটুৱাৰ বাহিৰ ফালটোৰ বৰণৰ, ভিতৰ ফালটো বগা আৰু মিহি, নিমজ। গছৰ পৰা কাটি এৰুৱাই আনি সাঁচিৰ ছালবোৰ ভিতৰৰ বগা ফালটো বাহিৰলৈ দি, আৰু বাহিৰটো ভিতৰলৈ দি পকাই মুঠা বান্ধা। এই নুৰিওৱা মুঠাবোৰ ৰ'দত শুকাবলৈ দিব লাগিব—সাদিন, আঠদিন, দহ-বাৰ দিন। ছালৰ পানীবোৰ নোহোৱা হ'ব লাগিব। তাৰপিছত শিলত বা কাঠৰ পীৰাত হাতেৰে ঘঁহি ঘঁহি বাকলিৰ সেউজীয়া বাহিৰ ফালটোৰ সেউজীয়াবোৰ আৰু খহটা ঘা-ফোঁহোৰাবোৰ নোহোৱা কৰিব লাগিব। তাৰপিছত মুকলিকৈ মেলি, সাঁচিৰ ছালবোৰ এৰাতি নিয়ৰত থব লাগিব। তাৰপিছত ঘঁহি পিহি ছালখনৰ খহটা ফালৰ নিকৰিবোৰ নোহোৱা কৰিব লাগিব। এতিয়া

জানিবা পাত এটা ওলাল। তাকে আকৌ পুথি লেখিবৰ আকাৰেৰে জোখ কৰি, চাৰি পাঁচ বেগেতমান দীঘলকৈ আৰু এক দুই বেগেত বহলকৈ সমান জোখৰ পাত খনখনকৈ কাটি উলিয়াব লাগিব। তেহে পিছত এই পাতবোৰ এপৰমান চেঁচা পানীত তিয়াই থব লাগিব। তেহে তাৰ খাৰবোৰ যাব। তাৰপিছত এখন চোকা কটাৰি বা সৰু দাৰে চুচি চুচি পাতখনৰ দুয়ো পিঠি সমান আৰু নিমজ কৰিব লাগিব। তাৰপিছত ৰ'দত দি পাতবোৰ ভালকৈ শুকুৱাব লাগিব। তাতো এপৰমান সময় লাগে। তাৰপিছত এডোখৰ শুকান ইটাৰে বা এচটা শিলেৰে ঘঁহি ঘঁহি পাতবোৰ মানুহৰ গা যেন মিহি আৰু নিমজ কৰিব লাগিব, যেন পাতবোৰ তামৰ ফলি বা সোণৰ ফলিৰ নিচিনা মিহি হয়। তাৰপিছত মাটিমাহ বাটি, লেও কৰি, পাতবোৰৰ ওপৰত ভালকৈ ঘঁহিব লাগিব। তাৰপিছত সেই বগা সাঁচি পাতবোৰত জৰধৰ বং সানি বা হেঙুলৰ বোল সানি সোণবৰণীয়া কৰিব লাগিব। তাৰপিছত পাতবোৰ আকৌ ৰ'দত ভালকৈ শুকুৱাব লাগিব। অৱশেষত ঘঁহি ঘঁহি, মোহাৰি মোহাৰি, পাতবোৰ মানুহৰ গা যেন, তামৰ ফলি যেন সমান, মিহি কৰিব লাগিব। তেতিয়াহে সাঁচি গছৰ বাকলি শাস্ত্ৰ লেখিব পৰা, মন্ত্ৰ লেখিব পৰা সাঁচিপাত হ'ব। মাটিমাহৰ লেওদি, ৰ'দত শুকুৱাৰ পিছত ভালকৈ জাউ নিদিলে, মোহাৰি মোহাৰি পাতবোৰ সমান নকৰিলে, লেখিবলৈ ভাল নহয়। কালি বিয়পে, হেঙুল বিয়পে। লেখাবোৰ বৰ সৰহ দিন ভালহৈ নেথাকে। জীয়া সাঁচি গছৰ পৰা চটাচটে বাকলি এৰুৱাই আনিলেই সাঁচিপাত নহয়।......"

শিৱৰাম বৰকলিতাই কথাবোৰ দেহিৰামক বুজাই কৈছিল। দেহিৰামে সাঁচি গছৰ বাকলি লাওে-লাওে এৰুৱাই পাচিত জাপি লৈ আহিছিল। পিছে সাঁচি ছালবোৰ পেলনি নেযায়। তাতে ইমানখন দূৰবাট কান্ধত কৈ ভাৰ বৈ আনিছে, নেলাগে বুলি ওভতাই পঠিয়াব নোৱাৰি। ভুঞাৰ মানুহ আছে—সাঁচিৰ ছালৰ সাঁচিপাত কৰিব জানে। আৰু দেহিৰামে অনা ছালবোৰো বুঢ়া গছৰ পুৰঠ ছাল, ভাল পাত হ'ব।

শিৱৰামৰ মুখলৈ চাই দেহিৰামে ক'লে, "আমি লেখাপঢ়া নজনা



মানুহ। ইমানবোৰ কথা নেজানো। কোৱা শুনিলো বোলে এইফালে বহুত বামুণ আৰু কায়স্থ কলিতা মানুহ আছে। সিবিলাকে লেখা-পঢ়া কৰে, সাঁচিপাতত কিবা শাস্ত্ৰৰ কথা, তন্ত্ৰমন্ত্ৰ লেখি থয়। বাৰভূঞাৰ ঘৰবো সৰুজনা ডেকাই বোলে কদলি তল নে ক'ৰবাত লেখাপঢ়া কৰিছে। তাতো বোলে সাঁচিপাত লাগে—"

"কদলি তল নহয়, কন্দলিৰ টোল - পঢ়াশালী"—শিৱৰামে ক'লে।

"হ'ব পায়। আমিনো কি জানো? কদলিয়েই নে কন্দলিয়েই, টোলেই নে তলেই আমিনো কি বুজি পাওঁ? আমাৰ ফালে তল—পঢ়াশালী একো নাই। আমাৰ কণাৰনো কি দিন ৰাতি? পিছে আমি বিদায় কৰোহে বুলিছিলো।"

"তোক ৰাখি নথও, যাবি। জা-জলপান খাইছ নহয়? তোক পিছে কি লাগে, অত দূৰ ভাৰ বৈ আনিছ সাঁচিৰ বাকলিবোৰ। ভাৰ-পাচি জোৰ এনেয়ে লৈ ঘূৰি যাবিনে? ধানপাত নিবি জানো?"

'হওতে দুপুৰা মাটিত খেতি কৰো। ভঁড়ালত ধান দুমুঠিমান আছে। সিকি, আধলি এটামান পোৱা হলে—"

"টকা পইচা নিছ বুলি গম পালে জানোচা বাটত ধৰি কোনোবাই কাঢ়ি নিয়ে?"

দেহিৰামে কথাটো ভাবি চালে। হওতে তাৰ নিচিনা নিচলা মানুহ এটাই চুৰিয়াৰ খোঁচোনাত ভৰাই টকা এটা নিয়া বুলি সতকাই কোনোৱে নেভাবে। ঘৰত কোনোবা চোৰে গম পালেহে বিপদ, বাটত ডকাইতলৈ বৰ ভয় নাই।

দেহিৰামে নিজে একো ঠিৰাং কৰিব নোৱাৰিলে। তাৰ অৱস্থাটো বুজি শিৱৰামে ক'লে, "এটা কাম কৰো। সাঁচিৰ ছালখিনিৰ কাৰণে তোক গাই পোৱালি এজনী দিও। আৰু এটকা ৰূপো দিও। ৰূপ টকা ভালকৈ লুকুৱাই নিবি। গাই পোৱালি জনী আগে-আগে খেদাই লৈ গৈ থাকিবি। কোনোৱে একো নেভাবে। হবনে বাৰু, তই ভাবি চা।"

"হ'ব হ'ব বহুত হ'ব। আমি জীৱনতে চিকাৰূপ এটকা হাতেৰে

চুই পোৱা নাই। আমাৰে ভাইগ বুলিছো। মই বুঢ়া-বুঢ়ীৰ দোলনৈ পুজা এভাগকে আগবঢ়াম। পিছে ককাই, আমাৰ সেইফালে বাৰভুঞাৰ ৰাজ্যৰ কথা বহুত শুনিছো। কপালত আছিল নিজ চকুৰেই দেখা পালোহি। পিছে ভুঞাৰ পৰিয়ালৰহে কাকো চকুৰে দেখা নেপালো। আমি কোনোবা এজনক সেৱা এটি কৰি যাবলৈ পোৱা হ'লে—"

"কেলেইনো দেখা নেপাবি? পিছে বাৰভুঞা পৰিয়ালত এতিয়া মানুহ বৰ বেছি নাই। কিবা মাটি ভেটি বিচাৰিম বুলি ভাবিছ নেকি?" শিৱৰামে সুধিলে।

"মাটি বাৰী বিচৰা নাই। আছে। ঘৰ থাকিল উজনিত, ইয়াত ভুঁই লৈ কি কৰিম? সাঁচি গছ আমাৰ সিফালে য'তে ত'তে আছে। আৰু ছাল যদি লাগে দিব পৰা যাব। তাকে পিছে এনেকৈ গছৰপৰা বখলিওৱা বাকলিহে আনি দিব পাৰিম। লেখিব পৰাকৈ সাঁচিপাত সাজি দিব নোৱাৰিম। বোলো সাঁচিপাত লাগেনো কাক, তাত লেখিবনো কোনে, কি-বা লেখিব, আমি জানিব নেপায় জানো?"

"বৰ ডেকাঁগিৰীয়ে মহেন্দ্ৰ কন্দলি পণ্ডিতৰ টোলত কিবা শাস্ত্ৰ পঢ়িছে। সৰুজনা বনগঞা গিৰী আছে। পিছে সাঁচিপাতত লেখামেলা কৰে সিজনেহে।"

এইবোৰ কথা-বতৰাৰ মাজতে এটা মানুহে এমুঠা খাগৰি আনি শিৱৰামৰ আগত দিলেহি। আৰু ক'লে, "মোমাই এটা থাকে কলঙৰ পাৰৰ খাগৰিজানত। তাতে শুনিলে বোলে ইয়াত কিবা লেখনিমাৰি কৰিবলৈ খাগৰি লাগে, এমুঠা লৈ আহিছিল। মোক বোলে তয়ে বাৰভুঞাৰ তাত দি থৈ আহগৈ। লৈ আহিলো। এইবোৰেৰে কিবা কাম হ'বনে বাৰু?"

"আমাৰ ইয়াৰ নৈৰ পাৰতে খাগৰিয়নি ডবাডৰে আছে। ইকৰা, বিৰিঙা, খাগৰিৰ গেজেপনি। আনহে নেলাগে আমাৰ বাৰভুঞাৰ পৰিয়ালৰ দেৱী মন্দিৰৰ বেৰবোৰো ইকৰাৰ। বাৰু, খাগৰি মুঠা আনিলি যেতিয়া থৈ যা। বুঢ়া খাগৰিৰ কাপ ৰাজহাঁহৰ পাখীৰ কাপতকৈ ভাল। দিন যায়।"



"এৰা, শাস্ত্ৰ-মন্ত্ৰৰ কথা লেখিব লাগিলে সাঁচিপাত, তুলাপাত, কাপ, লেখনি সকলো' জোখৰ হ'ব লাগে। ইয়াত নাই বুলি অনা নাই। শাস্ত্ৰৰ কথা লেখনি-সাঁচিপাতে লেখেনে হাতে লেখে? আঙুলিয়ে লেখে? ইকৰা খাগৰিৰ বেৰ-পোলা সকলোৱে কৰে। বেৰ দিবি পচিব খৰি পুৰিলে ছাই হ'ব। চণ্ডী গোঁসানীৰ মন্দিৰ সাজিবি, ইকৰাৰ মান বাঢ়িব। খাগৰিৰ কাপেৰে শাস্ত্ৰ লেখিবি, পাপী-অধমে নিস্তাৰ পাব, কালে কালে থাকি যাব। সেই বুলিহে বোলো সামাইন খাগৰি হ'ল কি হ'ল? লেখিব-আঁকিব জানোতাৰ হাতত পৰিলে সেয়ে তুলসী চন্দন যেন হ'ব। আমি বোৰেচোন মাটিৰে সজা দেৱী গোঁসানীকে পুজা সেৱা কৰো, শিল মাটিৰ হ'ল বুলি গোঁসানী গোঁসানী নহবনে?"

মানুহটোৱে দেখাতে কথা অলপ বেছি কয়। সেইবুলি ভুঞাৰ ঘৰলৈ সি এনেই শুদাহাতে অহা নাই। খাগৰি এমুঠিকে লৈ আহিছে। তাকো শুদা হাতে ঘূৰাই পঠিওৱা ভাল কথা নহ'ব। পিছে বনৰীয়া খাগৰি মুঠিৰনো কি মোল আছে? তাতকৈ সি যদি ছাগ এটা বা পাৰ দুজোৰ, নহ'লে কাছ এটাকে আনি দিলেহিহেঁতেন, একো নহলেও গোসাঁনীৰ পুজাতে লগাব পৰা হ'লহেতেন!

শিৱৰামে ক'লে, "কলংপৰীয়া, জলপান এটা খাই যাবি। মালভোগ কলে, এঁৱা গাখীৰে, ভজা পিঠাগুৰিয়ে চলিবনে?"

"কেলেই নচলিব? হওঁতে আহোঁতে আমিও কোমল-চাউল এটুপুলিয়ে, গুৰ এচিকটাই আনিছিলো। পিছে টোপলাত কোমল-চাউল থকাৰ কথা গম পাই লাজ নাইকিয়া পেটে কোৰকোৰণি জুৰিলে আৰু ৰইখা আছেনে? বাটতে সেইমুঠি সামৰা হ'ল। এতিয়া হওতে পেট মনে মনে আছে। পিছে মালভোগ কলৰ নাম শুনি হাড় নাইকিয়া জিভাইহে ইলুটি সিলুটি কৰিবলৈ লৈছে। আছে যদি কিবা এটা মুখত দিবলৈ পালে বেয়া নহয়; এৰা।"

শিৱৰাম ভিতৰলৈ গ'ল। দেহিৰাম আৰু কলংপৰীয়া বাৰভুঞাৰ দোপদৰৰ বাহিৰ চৰাতে মাটিত ঢৰা পাৰি বহি থাকিল। ইটোৱে সিটোৰ মুখলৈ চালে।

"মোৰ কথা শুনিলিয়েই। তই পিছে ক'ৰপৰা আহিছ? ইয়াৰেনে?"

"নহয়। ময়ো সেইফালৰে। কলিয়াবৰীয়া লালুংগাঁৱৰ।"

'কেতিয়া আহিছিলি?"

"হ'ল দিনচেৰেক। ইয়ালৈকে বুলি সাঁচিছাল এভাৰ আনিছিলো। যাও যাও বোলোতেই কেইবাদিনো হ'ল। খুৱাই বুৱাই ৰখাই থৈছে। বোলো কাইলৈনে পৰহিলৈ কুসুম ভুঞাৰ বৰপুতেক ঘৰলৈ আহিব। বোলো হাতে হাতে সাঁচিছাল কেচলা দি থৈ যাও। তয়ো হ'বলা খাগৰি আনিলি?"

"এৰা। ৰজাৰ ঘৰত কি নাই, কচুশাকৰ ভেটী। মোক গৰু গাই ধান চাউল একো নেলাগে। দুকঠীয়া কপাহী কাপোৰ এডোখৰ হলেই বহুত। আমাৰ কাৰ্টীন গাঁৱৰ ফালে আকৌ মুগাৰেহে বোৱা কটা কৰে। কপাহী বৰকৈ পাবলৈ নাই। এইফালে পিছে মুগা, পাট, কপাহী, এৰী—সকলো বিধৰে কাপোৰ পাবলৈ আছে। খাগৰি মুঠা দিছো বুলি নহয়, বোলো ৰজাঘৰৰ চিন এটাকে দিয়ে যদি লৈ যাও। মোৰ আকৌ বস্ত্ৰ বুলিবলৈ এই টিকাত ওলমি থকা এৰীয়া চুৰিয়া ডোখৰেই যি।"

"হাজো কমতাৰ ফালে বোলে গৰীয়া দৰজিয়ে কাপোৰ সীয়ে, সঁচানে বাৰু?"

"মোৰ হ'লে বৰ বিছোৱাচ নহয় দেই। আমাৰ এই তিয়নি, দুকঠীয়া, চাৰিকঠীয়া, ছকঠীয়া, বৰ-কাপোৰ—এইবোৰেই অতকাল চলি আহিছে। সুতাৰে কাপোৰ বয়হে—সীয়েনো কেনেকৈ? ভালকৈ ল'ব জানিলে কাপোৰ গাত লাগি ওলমি থাকে। তাকে আকৌ সী পুটকি কিনো কৰে, আমি হ'লে নেজানো।"

"কিছুমান গৰীয়াই বোলে জানে। লোৰ নে তামৰ কাঁইট এডাল কৰে। এমুৰে জোঙা। সিটো মুৰে ফুটা এটা কৰি, তাতে বটিয়া এডাল সুমুৱাই বোলে, তাৰেই সী দুখন কাপোৰ জোৰা লগাই এখন কৰে।"



"আমাৰ আকৌ বস্ত্ৰ এডুখুৰিয়েই। জোৰা দিও বুলিলেও কিহৰ লগত জোৰা দিবি? ফালি দুডোখৰ কৰি, সী, জোৰা লগালেহে হ'ব আৰু—নহয় জানো?"

ভিতৰৰ পৰা মানুহ এটা আহি সিহঁতক মাতি নিলেহি। দুয়ো উঠি মানুহটোৰ পিছে পিছে ভিতৰলৈ গ'ল। সিহঁত দুয়োটাৰে ভোক লাগিছিল হ'বলা। পেট ভৰাই জা-জলপান খাই কলংপৰীয়া আৰু দেহিৰামে বিদায় লৈ নিজ ঘৰমুৰা হোৱাৰ দিহা কৰিলে।



বামুণগাঁৱৰ পুৰণ বৰপূজাৰী অঞ্চলটোৰ জনাজাত আৰু সৰবৰহী মানুহ। সকামে-নিকামে, পূজাই-পাৰ্বণে সকলো কামতে ৰাইজৰ লগত লাগি থাকে। দেখাই মেলায়ো থুলন্তৰ। গাৰ বৰণ বগা, নাকটো জোঙা, মুৰত শকত একোচা টিকনি, তাত সদায় একোপাহ ফুল গোজা থাকে। পিতাকে যদিও মুখভৰা ডাড়ি ৰাখিছিল, পুৰণৰ মুখখনত কিন্তু ডাড়ি নাই। নেৰাখে। সদায় ডাড়ি গোঁফ চুচি খুড়ায়। সেইকাৰণেই বয়স হৈছে যদিও চেহেৰাই পানীয়ে মানুহজনক ডেকা যেন দেখি। মানুহজনৰ খোজ-কাটল গহীন, কথা বতৰাও গহীন। দৰকাৰ নেথাকিলে যাৰে-তাৰে লগত কথা নেপাতে, যলৈকে তলৈকে নেযায়ো। ককাকৰ দিনৰে কেইবাপুৰাও ৰুপিত মাটি আছে। কলিতা গাঁওৰ চাৰিঘৰ মানুহে ৰুই-দাই দিয়ে। ভাতৰ আকাল নহয়। ঘৰৰ চোতাল-খনৰ দুয়োফালে দুটা ভঁড়াল, ধানেৰে ভৰি থাকে। কোনো দিন তলি ওলাবলৈ নেপায়। আকালৰ দিনত গাঁওৰ মানুহে বিচাৰি আহিলে এদোণৰ কম কাকো নিদিয়ে। ঈশ্বৰে মাটি গঢ়িছে, ঈশ্বৰে কণ-কঠীয়া-শইচ গঢ়িছে, ৰাইজে খেতি কৰিছে, টানে-আপদে ৰাইজেই নেখালে কোনে



যোৱা মাঘ মাহৰ পৰা এই বহাগমাহৰ ভিতৰত তিনটা ডাঙৰ ডাঙৰ অঘটন ঘটিল। লেখৰ অঘটন। মানুহবোৰৰ ভালেমান বিপদ আৰু লটিঘটি হ'ল। হানি-বিঘিনিও হ'ল বহুত।

মাঘ মাহৰ শেষৰ ফালে মিকিৰ পৰ্বতৰ ফালৰ পৰা এপাল বনৰীয়া হাতী আহি কেইবাখনো গাঁৱৰ ঘৰবাৰী ভাঙি তহিলং কৰিলে। ছটা মানুহো মাৰিলে। তাৰে এজনী গাভৰু বোৱাৰী আৰু তাইৰ কোলাৰ এটা দুবছৰীয়া কেঁচুৱা। দুখন গাঁওৰ সকলো মানুহ গাঁও এৰি, ঘৰবাৰী এৰি অইন গাঁওত সোমালগৈ। গঞা ৰাইজে কল-কুঁহিয়াৰ-তামোল-পাণ দি হাতীৰ মাননী ধৰিলে। হাতীয়ে কেৰেপকে নকৰিলে। কোনোবা কোনোবাই বৰ আঁহত গছৰ গুৰিত গণেশৰ পূজাও কৰালে। বলিয়া হাতী তেওঁ শান্ত নহ'ল। অৱশেষত গাঁওৰ ডেকা ল'ৰা এদল লগ লাগি ঢোল বজাই, ডবা কাঁহ বজাই, দীঘল দাৰে ঘপিয়াই, হোলোঙাৰে খুচি হাতীজাক খেদালে।

বাৰিষা নো হওঁতেই মানুহবোৰে নতুনকৈ কাঠ বাঁহ কাটি, উলু খেৰ কাটি ঘৰ সাজি ললে। কোনোবাই খেৰ নেপাই বৰ ধানৰ নৰাৰেই ঘৰ চালে। পিছে ভঁৰাল ভাঙি ধানবোৰ খাই গচকি নষ্ট কৰিহে হাতীয়ে মানুহবোৰক ডাঙৰ অথন্তৰত পেলালে। মানুহবোৰৰ বহুতৰে খাবলৈ নোহোৱা হ'ল। গাঁও সোমাই উৎপাত কৰা হাতীবোৰ খেদাবলৈ বাৰভুঞাৰ হাতীশালৰ কেইটামান শিকোৱা হাতী আৰু অন্য দুজনমান হাতী গিৰীয়াৰ হাতী কামত খটোৱা হৈছিল। খাবলৈ নোহোৱা হোৱা কিছুমান মানুহক ধান চাউল দি সহায় কৰিছিল।

পিছে পুৰণ বৰপূজাৰী আৰু কালীৰাম দৈৱজ্ঞই ৰাইজক ন দি বুজাই ক'লে যে সেইঠাইৰ কিছুমান মানুহে নিয়মমতে গণেশৰ পূজা নকৰাৰ



কাৰণেহে গণেশ দেৱতাৰ খং উঠি বনৰীয়া হাতীৰ ৰূপ লৈ আহি, ৰাইজৰ ঘৰ দুৱাৰ ভাঙি পোতক তুলিলে। আগলৈ দেৱতাৰ এনেকুৱা ক্ৰোধৰ পৰা ৰক্ষা পাবৰ কাৰণে নতুনকৈ কেইটামান গণেশ মন্দিৰ পাতি, নিয়ম মতে পূজা দিবলৈ ল'ব লাগে। আৰু হাতীক বনৰীয়া কলগছ দিয়াৰ উপৰিও ভঁৰালৰ ধান খাবলৈ দিব লাগে। গণেশৰ মন্দিৰ সাজি নিয়মীয়াকৈ পূজাপাতল কৰিলে ৰাইজৰ অৱস্থাও ভাল হ'ব। ৰাইজে বিশ্বাস কৰিলে।

দ্বিতীয় ডাঙৰ ঘটনাটো হ'ল —কেইবাখনো গাঁও জুৰি হোৱা মানুহ-বোৰৰ বেমাৰ। ফাগুনৰ কেইদিনমান গৈছিল, প্ৰথমে যুগী গাঁৱত, তাৰ পিছত মাছমৰীয়া গাঁৱত, তাৰপিছত ইখন সিখনকৈ সেই অঞ্চলটোৰ আটাইবোৰ গাঁৱতে আইসকলে দেখা দিলে। প্ৰথমে সৰু আই, তাৰ পিছত বৰ আই ওলাল। আইসকলে দেখা দিলে দৰৱ জাতি কৰিলে বেছি হয়। সেই দেখি আইনাম গাই আইক স্তুতি কৰি সন্তুষ্ট কৰিবৰ কাৰণে সকলো আয়তীয়ে নানা সকাম-নিকামৰ দিহা কৰিলে, বেজে জাৰিলে। গঞা ৰাইজৰ হৈ কেইজনমান মানুহ দেৱগাঁৱৰ শিতলাপথাৰত ভাৰম্ভিৰে কল কুঁহিয়াৰ, মাহ নৈবেদ্য আগবঢ়াই শীতলা পূজা দিলেগৈ।

তথাপি বৰ আই ওলাই ভালেমান মানুহ মৰিল। ল'ৰা-ছোৱালীও মৰিল। কিছুমান ঘুণীয়া হ'ল। কাৰোবাৰ চকু বেয়া হ'ল, কাৰোবাৰ হাত বেয়া হ'ল। কাৰোবাৰ ঘা শুকাই মুখ গা সকলোতে নানা ক'লা ক'লা দাগ হ'ল। ঘৰে ঘৰে ৰোগী। মানুহৰ মুখত পানী নাই। 'আইসকলে' দেখা দিলে, অন্য দেৱদেৱীৰ পূজা কৰি লাভ নাই। আই শীতলাক সন্তুষ্ট কৰিবৰ কাৰণে গীত মাতেৰেহে আই সেৱা কৰিব লাগে। কৰিলে। পিছে আই শীতলাই সকলোকে খেমা নকৰিলে। বৰনৈৰ পাৰত, টেম্বুৱানীৰ পাৰত, সোনাই, কপিলী, কলঙৰ পাৰত দিনে ৰাতিয়ে চিতা জ্বলিল। মানুহৰ মুখত পানী নোহোৱা হ'ল। কিছুমানক গাঁত খানি পুতি থোৱা হ'ল।

গাঁৱৰ কোনোবাই কিবা ডাঙৰ পাপ কৰিলে, আই গোঁসানীৰ জগৰ লগালে। এইয়া দেৱীক লগোৱা অপৰাধৰ শাস্তি। দেৱগাঁৱৰ

নেঘেৰিটিঙৰ শিৱদ'লত আৰু শীতলা পথাৰৰ আই শীতলাৰ থানত পুজা নিদিয়া হলে গাঁওবোৰ উছন গ'লহেঁতেন।

আগলৈ আইৰ কোপৰ পৰা ৰক্ষা পাবৰ কাৰণে শীতলা পুজা নিয়মমতে পতাৰ দিহা কৰিবলৈ পৰামৰ্শ দিয়া হ'ল। ঠায়ে ঠায়ে শীতলা খোলা পতা হ'ল। সৰু আই, মাজু আই, বৰ আই, পানী চমৰি আইৰ কোপৰ পৰা ৰক্ষা পাবৰ কাৰণে ঘৰে ঘৰে আইতুতি। আইনাম গোৱাৰ দিহা কৰিবলৈ কোৱা হ'ল। ৰাইজে মহামাৰীৰ পৰা ৰক্ষা পৰাৰ অন্য উপায় নাই বুলি মানি লৈ, জৰা ফুকা কৰোৱা, মন্দিৰলৈ বলি আগবঢ়োৱা, বামুণ দৈৱজ্ঞলৈ দান-দক্ষিণা আগবঢ়োৱাৰ নিচিনা আগৰ দিনৰ পৰা চলি অহা অনুষ্ঠানবোৰ পতাত লাগিল। তথাপি আই মহামাৰীয়ে বহুত মানুহ মাৰিলে। বহুতকে জীৱনলৈ ঘূণীয়া কৰিলে।

আৰু এটা অঘটন ঘটিল চ'তমহীয়া। মাঘৰ শেষতে তিনিদিনমান ভাল বৰষুণ দিছিল। তাৰপিছত গোটেই ফাগুন মাহ আৰু চ'তৰো দুপৰমান বৰষুণ নহ'ল। পথাৰবোৰ খৰত শুকাই চিৰালফটা দিলে। গছবোৰৰ পাত পকি, সৰি লঠৰা হ'ল, পুখুৰীবোৰৰ পানী শুকাই কিছুমানৰ তলি ওলাল। জান-জুৰিবো পানী শুকাল। অকল বৰনৈতহে পানী থাকিল। তাৰো ঘাই সোঁতা ভালেমান দূৰলৈ আঁতৰি গ'ল। মানুহ আৰু গৰু-ছাগলী সকলোৱে পানী বিচাৰি হাবাথুৰি খাই ফুৰিবলগীয়া হ'ল। তিৰোতাবোৰে মূৰে কাষে কলহ লৈ দূৰ দূৰণিৰ পৰা পানী আনি ভাত পানী ৰান্ধিব লগীয়া হ'ল।

আগেও মাজে মাজে এনেকুৱা খৰাংবতৰ নোহোৱা নহয়। পিছে মাজে মাজে একোজাক বৰষুণো দিয়ে। গছ বনে অকণ ৰস জীপ পায়। এই বেলি বৰষুণ নোহোৱাই হ'ল। আঁকাশৰ বুকুত ডাৱৰ আছেনে নাই চাই চাই মানুহৰ চকু বিষাল। গৰুবোৰে এনেয়ে হেম্বেলিয়াই হেম্বেলিয়াই পথাৰত ঘাঁহ বিচাৰি ফুৰিলে। গাঁৱৰ প্ৰায় সকলো মানুহৰ গা-কাপোৰ ধুবৰ কাৰণে বৰনৈ বা টেম্বুৱানীলৈ যাবলগীয়া হ'ল। গাঁৱত কেইবাখনো ভেকুলী বিয়া পাতিলে। বৰষুণ নাহিল। কাৰোবাৰ



ঢেঁকীশালৰ পৰা ঢেঁকী চুৰকৈ নি ঠোৰা ওপৰলৈ মুকৈ পথাৰৰ মাজত পেলাই থলে। বৰষুণ নাহিল। পাতলকৈ বাঁহৰ পাত উলিয়াই, ৰচিৰ মূৰত বান্ধি, সেই ৰচি মাৰি একোভাগৰ মূৰত বান্ধি লৈ বাঘধেনু বজালে—গোঁ গোঁ শব্দ হ'ল, বৰষুণ নহ'ল। কোনোবা গাঁৱৰ ল'ৰা-ছোৱালীয়ে পিতলৰ কলহ বজালে, কোনোবাই কাঁহৰ কাঁহী-বাটি বজালে, আকাশৰ বুকলৈ এপাহো ডাৱৰ নাহিল। আগেও খৰ হয়—পিছে ইমান নহয়। গাঁৱৰ মানুহবোৰৰ পাপৰ কাৰণে হৈছে। মানুহৰ ধৰমলৈ মতি নোহোৱা হ'ল। দেৱ-দেৱী, দৌল-দেৱালয়লৈ ভয় নোহোৱা হ'ল। বামুণ গোঁসাই নমনা হ'ল। চোৰে চুৰ কৰিবলৈ ভয় নকৰা হ'ল। দেশত অপায় অমঙ্গল নহব কেলেই? পানী খাবলৈ নেপাই, ভাত খাবলৈ নেপাই মানুহ-গৰু-চৰাই-চিৰিকতি নমৰিব কেলেই?…
…মানুহে কোৱাকুই কৰিলে।

এনেকৈ খৰাং বতৰ চলি থাকোতেই এদিন কেনেবাকৈ এঘৰত জুই লাগিল। ৰাতি। নুমুৱাব নোৱাৰিলে। ইঘৰৰ পৰা সিঘৰত লাগিল। গাঁও ছানি পেলালে। মানুহৰ হায়ো-বিয়ো লাগিল। ল'ৰা-ছোৱালী, তিৰোতাবোৰে চিয়ঁৰি বাখৰি হুলস্থুল লগালে। ওচৰে-পাজৰে পুখুৰী, খাল-বিল ক'তো পানী নাই। কলহ লোটাৰ তলিত থকা পানীৰে ঘৰত লগা জুই নুমুৱাব নোৱাৰি। যি পাৰে মৰো জীওঁ কৰি ঘৰৰ ভিতৰ সোমাই যি লাম-লাকটু বাহিৰ উলিয়াব পাৰে উলিয়ালে। কোনোৱে একোকে উলিয়াব নোৱাৰিলে। গৰু গোহালি, হাঁহ-ছাগলীৰ গড়ালৰ দুৱাৰ মেলি গৰু ছাগলীবোৰ দূৰৰ পথাৰৰ মাজলৈ জাকে জাকে খেদি পঠিয়ালে। নহলে সেইবোৰো সকলো জুয়ে পুৰি মাৰিব। গৰুবোৰেও ভয় খাই বেবাই ঢপলিয়াই ফুৰিব ধৰিলে। কোনোবা বেজে মন্ত্ৰ পঢ়ি পানী জাৰি জুইলৈ চটিয়ালে—জুই নুনুমাল। দপদপকৈ জ্বলিহে উঠিল। তামোলৰ আগলৈকে জুই উঠিল। খাওঁ খাওঁ মূৰ্তি। চকুৰ আগতে ঘৰ বাৰীবোৰ জ্বলিব ধৰিলে। কোনোবাই কোৰেৰে চবিয়াই জুইলৈ মাটি দলিয়ালে। পিছে জুই নুমুৱাব নোৱাৰিলে।

মানুহৰ ঘৰ পুৰি ছাই হ'ল। গাঁৱৰ মাজত থকা খেৰেৰে ছোৱা

কাঠ-বাঁহৰ শিৱমন্দিৰ, কালীমন্দিৰ, দুৰ্গা গোঁসানীৰ মন্দিৰ, অন্য পূজা-ঘৰো কেইবাটাও পুৰি ছাই কৰিলে। পুৰোহিত, পূজাৰী, দৈৱজ্ঞ—সেৱাইত সকলোৱে বৰ ভয় খালে। ঠাইখনত কোনোবা মহাপাপী সোমাল। অধৰমী সোমাল। কাৰোবাৰ ঘৰৰ ভিতৰত থকা শাস্ত্ৰৰ পুথি, মন্ত্ৰৰ পুথি, সাঁচিপতীয়া পুথিও পুৰিলে। ঘোৰ কলিকাল! নোহোৱা-নোপোজা অঘটনবোৰ ঘটিবলৈ লৈছে! শিৱ বাবাকো যেতিয়া জুয়ে ভয় নকৰা হ'ল, আৰু কি হবলৈ বাকী থাকিল?

তিনি চাৰি মাহৰ ভিতৰতে ইমানবোৰ অঘটন ঘটিল! আৰু বা কি হয়—কোনে জানে? গাঁও উছন গৈছে। মানুহ মৰিছে। গৰু-ছাগলী মৰিছে। ঘৰ পুৰিছে। ভঁড়াল পুৰিছে। পূজা-পাৰ্বনেও একো কাম নিদিয়া হৈছে। বনপোৰা জুয়ে ঘৰ-বাৰী পুৰি ছাই কৰিলে। এতিয়া মানুহবোৰে খাব কি? সিহঁত থাকিব ক'ত? সিহঁত যাব কলৈ? কৰিব কি?

পূজা পাৰ্বন, বলি-বিধানেও এইবোৰ নোহোৱা নোপোজা বিপদ-অঘটন বন্ধ কৰিব পৰা নাই, শাম কটাব পৰা নাই। বেজ ওজাই বলিয়া, বনৰীয়া হাতীৰ উৎপাতক ভেটা দিব নোৱাৰা হৈছে। বসন্ত মহামাৰীক আৰোগ্য কৰিব নোৱাৰা হৈছে, বনজুই নুমুৱাব নোৱাৰা হৈছে। পুৰণ বেজৰো কামে গুণ নিদিয়া হ'ল। দেশত পাপ হৈছে। এইবোৰ পাপৰ ফল।

সকলো মানুহে ভয় খাইছে।

এইবোৰ ইটোৰ পিছত সিটো হৈ আছে যেতিয়া, আৰু যে ভয়ংকৰ কিবা নহব, বুকুত হাত দি কোনে ক'ব পাৰিব?

কিজানিবা এটা বৰ ভুইকঁপ হয়!

কিজানিবা ধুমুহা, বজ্ৰপাত, বৰদৈচিলা আহে!

কিজানিবা বৰনৈত বৰ-বান আহে!

কিজানিবা উজনিৰ আহোম, ভাটিৰ কোঁচ-মোগলৰ লগত ৰণ লাগে!

কিজানিবা উত্তৰৰ পৰা ভোটে মাৰিবলৈ আহে!!

কিজানিবা দখিণৰ পৰা কছাৰীয়ে মাৰিবলৈ আহে!!



কোনোবা গুৰু-গোসাঁই নমনা আধাকটা ডেকা ল'ৰাই ক'লে, "এই বেছা, বৰদৈচিলালৈ আৰু ভয় নাই। ঘৰবাৰীবোৰ জুয়ে পুৰি শেষেই কৰিলে, আৰু নো কিটো ভাঙিব? মানুহবোৰ ইয়াৰ পৰা ক'ৰবালৈ উৰুৱাই নিয়ে যদি নিয়ক দে। পাখি নোহোৱাকৈ চৰাই উৰাদি আকাশত উৰি ফুৰিবি! কিয়ে সোৱাদ লাগিব।"

অইন এটাই ক'লে, "বৰ ভুইকঁপ আহিলে পিছে কি কৰিবি?"

"ভালেই হ'ব। ভৰিৰ তলৰ পিথিপিখনে তলংভটং কৈ নাচিব, আমাৰ নেনাচিলেও হ'ব। এনেয়ে মাটিৰ লগতে মানুহেও মুৰ-হাত-ভৰি জোকাৰি জোকাৰি মহাদেৱে নচা দি নাচিব।"

"বৰ নৈত বৰ বান আহিলে একা?"

"তেতিয়াযে বেচ ৰহইচ লাগিব। ভীমকলৰ গছৰ ভুৰ সাজি পানীৰ ওপৰত বেউলা লখীন্দৰ ওপঙাদি ওপঙি গৈ গৈ কোনোবা সদাশিৱৰ ৰাজসভাত ওলাবগৈ। তাতে হৰ পাৰ্বতিক পূজা সেৱা কৰি মৰাবোৰক জীয়াই ভুৰত তুলি লৈ আহিব পাৰিবি।"

কোনোবাই ক'লে, "তহঁতবোৰ বৰ নিধক অ'। অমঙ্গলীয়া কথাবোৰ মুখত আনিবলৈ তহঁতৰ বেয়া লগা নাইনে?"

"আমি কলো বুলিয়ে আৰু অমঙ্গলীয়া ঘটনাবোৰ নঘটি থাকিবনে? কান্দিলে যেনেকৈ একো নহয়, হাঁহিলেও একো নহয়। বনজুয়ে আমাৰ ঘৰ যেনেকৈ পুৰিলে, দেৱী দেৱতাৰ ঘৰো পুৰিলে। পিছে বনপোৰা জুইক কোনেনো কি কৰিব পাৰিলে? সেয়েহে বোলো দুখ কৰি চকুপানী টুকি বহি থাকিলে গাৰ ৰসহে কমিব—"

"তহঁতবোৰ সকলো বোধ হলিহঁক। তহঁতৰ পৰাই যতমানে অমঙ্গলবোৰ হৈছে। তহঁতৰ মুখ চাব নেপায়।"

"মুখ নেচাৱ যদি আৰুনো কি দেখুৱাম?" এটাই ক'লে, "এৰা, ডেকা ল'ৰাবোৰ বেয়া হ'ল। ইয়াৰ পিছত ভালেমান দিনলৈকে পুৰণ বৰপূজাৰীক অঞ্চলটোত দেখা পোৱা নগৈছিল। তেওঁ বোলে ৰাইজৰ কাৰণে পূজা দিবলৈ কামাখ্যাৰ ফালে আছিলগৈ।



পাঁচোটা শকত নোদোকা ক'লা ছাগলী—নিঘূণী, বয়স ছমহীয়া বছৰেকীয়া। সাতোটা ৰৌমাছ, প্ৰতিটো পাঁচসেৰ-সাতসেৰ গধুৰ। দুহাত আঢ়ৈ হাত দীঘল। সেই অনুপাতে শকতো। এইমাত্ৰ বিলৰ পৰা মাৰি আনিছে, দুটামানে তেতিয়াও কাণ মাৰি ধৰফৰাই আছে। প্ৰতিটোতে পাঁচসেৰ মানকৈ ধৰা মজলীয়া আকাৰৰ কলহত সাত কলহ মদ—লাওপানী, শুকান কলপটুৱাৰে কলহবোৰৰ মুখবোৰ বন্ধ কৰি বাঁহৰ টঙালেৰে বন্ধা আছে। দুটা পাচিত দোনমুৰীয়াকৈ দুপাচি ভজা পিঠা, বৰা চাউলৰ পিঠা-গুৰিৰে সজা পিঠা ; তিল, নাৰিকল, গুৰ দি এফলীয়া জোনৰ আকাৰে সজা। লগতে এখন কাঠৰ শৰাইত এখিনি সোণৰ মুদ্ৰা আৰু কড়ি।

অমাৱস্যাৰ ৰাতি। চৌদিশে ঘিটমিটিয়া আন্ধাৰ, চোৰে চৰিয়ালেও নেদেখি। ডাঠ হাবিখনৰ মাজৰ এটা চাপৰ চাৰি-কোণীয়া আহল-বহল ঘৰ। আগফালে আৰু পিছফালে ঠেক, চাপৰ, দুখন দুৱাৰ। আৰু কোনো জলঙা-সুৰুঙা নাই। ঘৰটোৰ ভিতৰখন দুৱাৰ দুখন বন্ধ কৰি থলে দিনতে আন্ধাৰ হৈ থাকে। ঘৰটোৰ পৰা অলপ নিলগতে এটা বহুত দিনীয়া ডাঙৰ পুখুৰী আছে। তাৰো চাৰিওপাৰত বহুত পুৰণি ওখ ওখ গছ। ঘৰটোৰ পৰা পুখুৰীলৈ আৰু পুখুৰীটোৰ পৰা ঘৰটোলৈ অহাযোৱা কৰা এটা ঠেক লুংলুঙীয়া বাট আছে। তাৰ সিফালে যাব লাগিলে হাবিৰ মাজেদি যাব লাগে। ঘৰটোৰ বেৰবোৰ মাটিৰে ডাঠকৈ লিপা। চাৰিকোণীয়া মূল ঘৰটোৰ পৰা অলপ নিলগতে পুখুৰীৰ ফালে আৰু এটা কিছু সৰু ঘৰ আছে। তাৰ চোতালতে বৰ এদ'ম



আম-নাহৰ-ধুনা আদি গছৰ শুকান ফলা খৰি জাপি থোৱা আছে। তাৰ কাষতে জাপ জাপকৈ জাপি থোৱা আছে কেইটামান ডাঙৰ ডাঙৰ পিতলৰ টৌ, কেইটামান কলহ আৰু লোটা, মাটিৰ মলাচৰু আৰু কেইবাজাপো কলপটুৱাৰ ডাঙৰ ডাঙৰ খোল আৰু কলপাত। এটা খৰাহিত এখৰাহি পকা আৰু আধাপকা জলকীয়া। এপাচি আদা, আৰু এপাচি মালভোগ আৰু বৰতমাণি কল। ঘৰটোৰ ভিতৰত বেৰৰ কাষতে দুটা টৌ—তাৰে এটাত পগোৱা এঁৱা গাখীৰ, আনটোত চুণযেন ডাঠ দৈ গাখীৰ।

চাৰিকোণীয়া ঘৰটোৰ ভিতৰত চাৰি চুকত চাৰিটা সৰিয়হৰ তেলেৰে জ্বলোৱা মাটিৰ চাকি জ্বলি আছে। আনটো ঘৰৰ সোঁ-মাজতে আছে একুৰা জোঁৰ। ডাঙৰ ঘৰটোৰ মজিয়াত পাটিদৈৰে সজা কেইখনমান ঢাৰি গোটেই মজিয়াখনত ভালকৈ পাৰি থোৱা আছে। তাৰ ওপৰতে কিছু আঁতৰা আঁতৰিকৈ সাতোটা মানুহ বহি আছে—আসন পাতি। আটাইকেটাৰে মূৰত দীঘল চুলি, গা উদি, কঁকালত একোজোখৰ ঠেক চুৰিয়া। তাৰে এটা বৰ শকত-আৱত আৰু ওখ-পাখ। মুখত এমুখ আধা পকা ডাড়ি-গোঁফ। তাৰ আগত এটা ডাঙৰ মদৰ বাটি আছে আৰু কিছুপৰৰ মূৰে মূৰে সি তাৰে একো শোহা পি পি খাইছে। এই কাৰণেই কিজানি তাৰ চকু মুখ ৰঙা পৰি আছে। আৰু সি ঘামিছেও। তাৰ আগত এখন পীৰাত এখন শকত আৰু ডাঙৰ পুৰণি সাঁচিপাতৰ পুথি। পাতবোৰ গাঁথি সুলকি এখিলা এখিলা হৈ আছে। মাজে মাজে মানুহটোৱে একোখন পাত হাতত লৈ, চকুৰ আগলৈ আনি চাইছে। কিন্তু তাৰ ওঁঠ লৰচৰ হোৱা নাই। বাকী মানুহকেটা বৰ বেছি বয়সীয়া নহয়—ত্ৰিশ আৰু পঞ্চাশৰ ভিতৰৰে। সিহঁতেও নিজৰ নিজৰ আগত থকা বাটিৰ পৰা মদ খাইছে আৰু আধা চকু মুদাকৈ বা সম্পূৰ্ণ চকু মুদি মনে মনে বহি আছে। দূৰণিত ঢোলৰ মাত শুনা গ'ল, সৰু ঢোলৰ লগতে বৰঢোলৰ মাতো শুনা গ'ল। তাৰ লগে লগে কাঁহৰ কাঁহী বজোৱাৰ নিচিনা মাতো শুনা গ'ল। ঢোলৰ মাতৰ লগত কাঁহীৰ মাতৰ তাল মিলি যোৱা যেন লাগিল। আচলতে মাতটো তালৰেই।

মানুহকেটা নিজ নিজ কামত লাগি থাকিল। লাহে লাহে প্ৰায় মাজৰাতি পালেহি। ইমানপৰে মানুহবোৰে ভজা পিঠা আৰু লাওপানী খায়েই আছিল। এতিয়া মাংস, মাছ আৰু ভাত সিজিল। মতা মাইকী, ঢুলীয়া বায়ন সকলো চাৰিকোণীয়া ঘৰটোৰ ভিতৰলৈ সোমাই আহিল। আৰু মজিয়াতে শাৰী পাতি বহিল। প্ৰত্যেকৰে আগে আগে কলপাতত বাটি ভাত, মাছ, আৰু মাংস দি যোৱা হ'ল। একোটা বাটিত একোবাটিকৈ লাওপানী বাকী দিয়া হ'ল। মাংসৰ টৌ, মাছৰ টৌ, পিঠাৰ পাচি আৰু লাওপানীৰ কলহবোৰ মাজতে থোৱা হ'ল, খাবলৈ আৰম্ভ কৰাৰ আগতে সেই শকত আৰু ওখপাখ গুৰু বা পকাওজা জনে চকুমেলিলে আৰু তাত গোটখোৱা মানুহখিনিৰ মুখলৈ ভালকৈ চালে। আটাইকেটা পকাভকত আহিছেনে নাই, আটাইকেটা আদ ভকত আহিছেনে নাই, পকাভকতনীৰ লগত ন' ভকতনী কেজনী যে আহিছে সিহঁত কোন আৰু ক'ৰপৰা আহিছে। তাৰ মাজত আছিল কিৰাটৰ গোসাঁই, কছাৰীৰ বিকো আৰু বাথুদাস, খাছীৰ খিংখুৱা, গাৰোৰ তুৰাই, মিৰিৰ লুইত আৰু বগাই, তুৰুকৰ চিপাহী, কংকৰ কলিমন, গোৱালৰ ঘাছিৰাম, আহোমৰ চুবিন আৰু ৰত্নফা, ৰজকৰ ৰূপৰাম, কোঁচৰ মেৰ আৰু মনাহী, মেচৰ ধন, ঔৱা, আৰু, আৰু আৰু—ওঁ কালীপ্ৰসাদ, দুৰ্গাধৰ, পাৰ্বতী, মনসা, চণ্ডীদাস, ওঁ আৰু, আৰু, আৰু...

ডাঙৰকৈ ৰঙা পৰা চকুহাল মেলি পকা ওজাই কেউফালে চালে। তাৰপিছত সকলোৰে মাজত থোৱা মাংস, মাছ, পিঠা, ভাত আৰু মদৰ কলহৰ ওপৰত চকু ফুৰালে। তাৰপিছত ডাঠীয়া, ৰঙাপৰা মুখখনত এটা সন্তোষৰ হাঁহি ফুলাই এবাৰ মন্ত্ৰ জোকাৰিলে। তাৰপিছত মুখৰ ভিতৰতে বিৰবিৰালে ঃ

"মদ্যং মাংসঞ্চ মুদ্ৰা মৎস্যঞ্চ মিথুনমেৱ চ..." ওঁ, ওঁ, ওঁ—

মদ্যপানেন মনুজো সিদ্ধিং লভেত বৈ,

মদ্যপানৰতা সৰ্ব্বে সিদ্ধিং গচ্ছন্তু পামৰা..."

পকাওজাই মন্ত্ৰ দুপিয়াই ইঙ্গিত কৰিলে, সকলোৰে মদৰ বাটি হাতত তুলি ললে, আকৌ ওজাই ভুনভুনালে ঃ



"মাংস ভক্ষণমাত্ৰেণ পুণ্য গতিৰ্ভৱেৎ।

মাংসাশিনঃ সৰ্ব্বে পুণ্যভাজো ভৱন্তিহি। ওঁ-ওঁ-ওঁ—"

দেউৰীয়ে খোলবোৰত মাংস আৰু কলপাতত ভাত আৰু মাছ দি যাব ধৰিলে। প্ৰথমে ওজাই চকুদুটা মুদি শকত মাংস এডোখৰ মুখলৈ নিলে। অন্যবোৰেও মাংস খাবলৈ আৰম্ভ কৰিলে। লগে লগে ভাত, মাছ আৰু মদ। মানুহবোৰৰ বৰ ভোক লাগি আছিল হ'বলা। সিহঁতে গোগ্ৰাসে খাব ধৰিলে।

বৰওজাই মাজতে কথা আৰম্ভ কৰিলে ঃ "ইয়ালৈ বাহিৰৰ কোনো অহা নিষেধ। ইয়াৰ পৰা কোনো বাহিৰলৈ যোৱা নিষেধ। ইয়াত গুপুত পৰমাৰ্থ লাভৰ কাৰণে পঞ্চমকাৰৰ সাধনা কৰিবলৈ আমি একেলগ হৈছো। আমি একেটা গোট, একেটা ফৈদ, একেখন সমাজ। আমাৰ জাতিভেদ নাই, বামুণ, শূদ্ৰৰ, ম্লেছ, যৱন, ডেকা, বুঢ়া, মতা, তিৰোতা নাই। আমি সকলো ভকত, আমি সকলো গুৰু। আমি একেলগে খাও, একে বস্তু খাও, একেলগে শোও—আমাৰ পাপ নাই, পুণ্য নাই, ধৰ্ম নাই, অধৰ্ম নাই· আমাৰ সকলো কথা গুপুত। অইনে ইয়াৰ ভেদ পাব নোৱাৰে। পিছে আমাৰ মাজত, ভকত ভকতনীৰ মাজত কোনো আচুতীয়া কথা নাই, কোনো গোপন কথা নাই। আমি সকলো এক দেহ, এক আত্মা, এক জীৱ, একে ৰাতিখোৱা ভকত, ৰাতিসেৱা ভকত "

সকলোৱে খোৱাৰ মাজতে হৰ্ষধ্বনি কৰিলে। ঢুলীয়াহঁতে ঢোল বজালে। প্ৰথমে এজনী, তাৰ পিছত আন এজনী গাভৰু বহাৰ পৰা উঠিল আৰু ঢোলৰ ছেৱে ছেৱে নাচিব ধৰিলে। ওজায়ো মন্ত্ৰ জোকাৰিলে। আনবোৰেও তেনেকৈয়ে মন্ত্ৰ জোকাৰিলে। সকলোৱে মাংস আৰু মদ গিলিব ধৰিলে।

কিছুপৰ এনেদৰে নৃত্যবাদ্য চলি থাকিল। খোৱাৰ অন্ত পৰি আহিল। দেখাতেই এই ৰাতিখোৱা সম্প্ৰদায়ৰ পুৰোহিতজন বা ওজাজন এজন ভাল পণ্ডিত। তেওঁ সংস্কৃত শাস্ত্ৰ পঢ়িব জানে। তাৰ অৰ্থও কিজানি বুজি পায়। কিবা ভুলকৈ মাতিলেও জানি শুনিহে ভুলকৈ

মাতে, যাতে নিজৰ স্বাৰ্থমতে কাৰ্য্য সমাপন কৰিব পাৰে। পুৰোহিতে মুখৰ ভিতৰতে গাই যাব ধৰিলে ঃ

সোমধাৰা ক্ষৰেং যা তু ব্ৰহ্মতন্ত্ৰাৎ বৰাণনে,

পীত্বানন্দময়ীং তাং যঃ স এবঃ মদ্যসাধক ।...

বাটিত বাকি বাকি আকৌ সকলোৱে মদ খাব ধৰিলে। সকলোৰে গাত তেতিয়া মদৰ ৰাগী লাগিছে। মন্ত্ৰ চলি থাকিল ঃ

মুদ্ৰাপি ত্ৰিবিধা প্ৰোক্তা উত্তমাদিবিভেদতঃ

চন্দ্ৰবিম্বানিভং শুভং শালিতণ্ডুল সম্ভৱং ।...ওঁ-ওঁ-ওঁ...

ক্ৰমে ভাত মাংস মাছ পিঠা শেষ হৈ আহিব ধৰিলে। ৰাতি গভীৰ হৈ আহিব ধৰিলে। ৰান্ধনীঘৰৰ জুইবোৰ নুমাই আহিব ধৰিলে, ঢুলীয়া-নাচনিৰ হাতভৰিবোৰ মদৰ ৰাগীত লেউসেউ হৈ আহিব ধৰিলে। পুৰোহিতৰ ( ওজাৰ ) মুখৰ মাত দোৰোল নোখোৱা হৈ আহিব ধৰিলে। বটাৰ পৰা তামোল লৈ সকলোৱে মুখত ভৰাই চোবাব ধৰিলে। পুৰোহিতে কৈ গ'ল ঃ "তত্ত্ব কথা গভীৰ আন্ধাৰত সোমাই লুকাই আছে। জোঁৰ-চাকি-বত্তিৰ-চন্দ্ৰ সুৰ্য্যৰ পোহৰত সেই গুঢ় বস্তু পাব নোৱাৰি।...

আশা-তৃষ্ণা-জুগুপ্সা-ভয়-বিশদ ঘৃণা

মান-লজ্জাভিষঙ্গাঃ ।

ব্ৰহ্মাণ্ণবিষ্ট মুদ্ৰাঃ পৰা সুকৃতিণঃ

জপাস্যমামঃ সমন্তাৎ !!...

গুঢ় বস্তু লাভ কৰিবলৈ হ'লে আমি এক দেহ, এক প্ৰাণ, এক মন, এক সমাজ হ'ব লাগিব, এক হ'ব লাগিব। আমাৰ নিজৰ মাজত কোনো গুপুত, গোপন কথা নেথাকিব..."

ভকতৰ মাজৰ পৰা একবাক্যে চিয়ঁৰ ওলাল—"আমাৰ মাজত কোনো লুকুৱাই ৰখা গোপন বস্তু নাই। আমি সকলোৱে সকলোকে চাম, সকলোৱে সকলোকে দেখিম। আমাৰ এটা মন, এটা দেহ। আমি সকলো এক হৈ যাম।..." কথাবোৰ ক্ৰমে অস্পষ্ট হৈ আহিব ধৰিলে।



পুৰোহিতে মন্ত্ৰ আওঁৰালে ঃ

"সহস্ৰাৰোপৰি বিন্দৌ কুণ্ডলাৎ মিলনাৎ শিৱে,

মৈথুনং পৰমং দিব্যং যতীনাং পৰিকীৰ্ত্তিতং ।"

ভকত বিলাকে খোৱা খোল, বাটি, পাত, হাড়, কাঁইট, য'ত যি আছিল সকলো ভিতৰৰ পৰা বাহিৰ উলিয়াই নি দূৰণিত পেলালেগৈ। মদৰ কলহ আৰু বাটিবোৰ উলিয়াই চোতালৰ মাজত থলে। পানীৰ লোটা, তামোল-পাণৰ বটাবোৰো একাষৰীয়া কৰি থলে। জোঁৰ নুমাই আহিব ধৰিলে। পুৰোহিতে আৰু থৰকবৰক মাতেৰে গালে ঃ

"মৈথুনং মহেশানি নিৰ্ব্বীৰ্য্যে প্ৰবলে কলৌ

স্বকীয়ং কেৱলং জ্ঞেয়ং সৰ্বদোষ বিবৰ্জ্জিতং ।..."

সকলোৱে আকৌ কলহৰ পৰা বাকি লৈ লৈ লাওপানী খালে। কোনোবা ভিতৰলৈ সোমাই আহিল, কোনোবা বাহিৰলৈ ওলাই গ'ল। আকৌ এবাৰ ডাঙৰ শব্দ কৰি ঢোলকেটা বাজি উঠিল। সকলোৱে গাৰ পিন্ধি থকা কাপোৰ খহাই পেলাব ধৰিলে। পুৰোহিতে নিজেই তিৰোতাকেজনীৰ গাৰ কাপোৰবোৰ টানি সোলোকাই দিলে। কোনোবাই ফু মাৰি জ্বলি থকা শেষ চাকিটোও নুমাই দিলে। ঘন, ক'লা আন্ধাৰে সকলোকে ঢাকি ধৰিলে। কাক কোনে ওচৰ চপাই ললে, কাৰ লগত কোন কোনফালে গ'ল, আন্ধাৰত কোনোৱে দেখা নেপালে। ঘিটমিটিয়া ঘোৰ আন্ধাৰৰ মাজত, মদৰ ৰাগীত মতলীয়া হোৱা মানুহবোৰ ঢলংপলং কৰি ইফালে-সিফালে ঢলি পৰিব ধৰিলে।

ঢোলৰ মাত নোহোৱা হৈ আহিল। মাছ, মাংসৰ গোন্ধ পাই ক'ৰবাৰ পৰা অহা কুকুৰ কেইটামান বাহিৰত পেলনীয়া হাড় চোবাব ধৰিলে। মাজে মাজে গেড়োঁৰ দি কেংকেঙালে।

শেহৰাতি মানুহবোৰ সকলো ভাগৰি পৰিল। সিহঁতক টোপনিয়ে হেঁচা মাৰি ধৰিলে। কিন্তু সিহঁতে টোপনি নোযোৱাকৈ থাকিবৰ যত্ন কৰিলে, কাৰণ ৰাতি নৌ পুৱাওতেই গুঢ় বস্তুৰ ভেদ লৈ সিহঁত ঘৰাঘৰি যাব লাগিব। ৰাতিপুৱালে, কোন কোন আহিছিল অইন কোনোৱে জানিব নেলাগিব। এইয়া ৰাতিসেৱা। ভোগেই সেৱা, পঞ্চমকাৰৰ

সেৱনেই গূঢ়তত্ত্ব উপলব্ধিৰ পথ। ৰাতিৰ নিৰন্ধ্ৰ আন্ধাৰত পুৰুষ-নাৰী একাকাৰ, ব্যাভিচাৰেই পূজা, সেৱা। সকলো মুকলি, সকলো গোপন, এইয়া বিকৃত মহাযান…।



মহেন্দ্ৰ কন্দলি এজন বিদগ্ধ শাস্ত্ৰজ্ঞ, সংস্কৃত পণ্ডিত। তেওঁ এজন নৈষ্ঠিক ব্ৰাহ্মণ। তেওঁ এজন শিক্ষক, পণ্ডিত, ওজা। তেওঁৰ টোলত ব্ৰাহ্মণ ছাত্ৰৰ উপৰিও কায়স্থৰ ছাত্ৰকো পঢ়োৱা হয়। আলিপুখুৰী-বৰদোৱা, আলি-টাঙনি, কৰতিপাৰ, কলিয়াবৰ আদি ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ; কলং কপিলীৰ বুকুৰ পুৰণি গাওঁবোৰত নানা জাতিৰ, নানা সম্প্ৰদায়ৰ মানুহৰ বাস। সৰহভাগ মানুহ খেতিয়ক। খেতিৰ কাৰণে শাস্ত্ৰ-মন্ত্ৰ নপঢ়িলেও হয়, নেজানিলেও হয়। নৈপৰীয়া নদীয়াল, মাছমৰীয়া মানুহে মাছ ধৰি বেচি, সলাই খায়। কোনোৱে খেতিও কৰে। মাছুৱৈ গুছৰৈৰ নিজ বিদ্যাৰ বাহিৰে অন্য পণ্ডিতৰ বিদ্যা নহলেও ক্ষতি নহয়। বনিয়া সম্প্ৰদায়ৰ মানুহে সোণৰ অলংকাৰ-পাতি গঢ়ায়। সোণোৱালে সোৱনশিৰি, ধনশিৰি, সোণাৰী, কলং, কপিলীৰ বালিৰ পৰা সোণ কমায়। তাৰেই ৰজাঘৰত কৰ দিয়ে। সুতাৰে কাঠৰ বস্তু সাজে। পীৰা, চালপীৰা, তামুলীপীৰা সাজে। কাঠৰ খুটা, চটি, মাৰলি, ডমৰা, ফুলচটি সাজে। তাঁত শালৰ সঁজুলি টোলোঠা, দোৰপতি, নাচনি, যঁতৰ, নেওথনি সাজে, ঢেঁকী সাজে, গাৰিশলি, কাঠৰ চৰিয়া সাজে। তাৰ কাৰণেও পুথি-বিদ্যা নেলাগে, নহলেও চলে। চমাৰে মৰা গৰু ম'হৰ ছাল চেলিয়াই, ৰ'দত মেলি দি শুকুৱাই, টান হলে তাৰে ঢোল চায়। কাৰোবা-কাৰোবাৰ ভৰিৰ ফান্দতি সাজি দিয়ে। কমাৰে দা-কটাৰি-কাচি-যাঠি গঢ়ে। ধেনুৰ



কাঁড়ৰ মূৰত লগোৱা লোৰ জোঙা টুপ গঢ়ায়। কুমাৰে কলহ, টেকেলি, মলাচৰু, বাটি, চাকি গঢ়ে। এইবোৰ বৃত্তিয়াল মানুহৰ নিজৰ বৃত্তি চলাই খাব পাৰিলেই হয়। সিহঁতৰ পণ্ডিতৰ পুথি বিদ্যাৰ আৱশ্যক নাই। যুগীয়ে ( যোগী ) সাপ পোহে, সাপ জীয়াই জীয়াই ধৰে, বাঁহী বজায় সাপ নচুৱায়, কাৰোবাক সাপে খুটিলে জাৰে, ভাল কৰে। কাটনি যুগীয়ে মুগা-পাট, এৰী-পলু পোহে, সূতা কাটে, বেচে, অইন বস্তুলৈ সলায়। অঞ্চলটোত এঘৰ দুঘৰ ধোবা আৰু নাপিতো আছিল। ব্ৰাহ্মণ, কায়স্থ আদি ওপৰ শ্ৰেণীৰ মানুহে আনৰ হাতৰ ৰন্ধা বস্তু নেখায়। ধোবা, চমাৰক সমাজৰ একেবাৰে তলৰ শ্ৰেণীৰ বুলি গণ্য কৰা হয়। হালৈয়ে মিষ্টান্ন সাজে। মুছলমানবিলাকে হালোৱা—( এবিধ ঘিউত ভজা চুজিৰ মিঠাই ) বনায়, তাত শুকান ফল কাটি দিয়ে। তাকে হালোৱা বোলে। থলুৱা মিঠাই তৈয়াৰ কৰা মানুহকো হালোৱৈ বা হালৈ ( শালৈ ) বোলা হ'ব ধৰিলে। এই হালৈ সম্প্ৰদায়টোৱেও লিখা পঢ়া কৰাৰ দৰকাৰ নহয়। হাবিৰ গছ কাটি আনি, খৰি ফালি অন্য মানুহক বেচা মানুহক খৰিভাৰী, খাৰ তৈয়াৰ কৰি যোগান দিয়া মানুহক খৰীয়া বুলিছিল। ইহঁতবোৰৰো পঢ়া-শুনা কৰাৰ কোনো দৰকাৰ নাছিল। কোনো সুবিধাও নাছিল। আনকি যিবোৰ মানুহে নাৱেৰে নৈয়েদি বেহা-বেপাৰ কৰিছিল সিহঁত-বোৰৰো পুথি বিদ্যা নাছিল। এই বেপাৰী বা বেহেৰুৱাবোৰে টকা, আধলি, সিকি, আদুমহীয়া, পইচা আৰু কড়িৰ গণনা জানিলেই কাম চলিছিল।

সংস্কৃত টোলৰ বা ছাত্ৰশালিৰ বাহিৰে অন্য কোনো বিদ্যালয় নাছিল। এজন বা দুজন ওজা, পোন্ধৰটা বা কুৰিটা ছাত্ৰ,—সংস্কৃত পাঠ্যপুথি। বেদপুৰাণ, ৰামায়ণ, মহাভাৰত তাতে পঢ়োৱা শিকোৱা হয়। তাতেই হিন্দু দৰ্শন, তৰ্কশাস্ত্ৰ, সাহিত্য অলংকাৰ শাস্ত্ৰ, ব্যাকৰণ আদি শিকোৱা হয়। ব্ৰাহ্মণ, কায়স্থ আদি উচ্চ বৰ্ণৰ, উচ্চ বংশৰ ল'ৰাৰ কাৰণেহে টোলৰ বিদ্যাৰ দৰকাৰ। ইবোৰ মানুহৰ ল'ৰাই দেখি মেলি যি শিকে, সেয়ে বিদ্যা। বিদ্বান-পণ্ডিত-ব্ৰাহ্মণ-দৈৱজ্ঞৰ সমাজ সুকীয়া, আনবোৰ মানুহৰ সমাজো সুকীয়া। তিৰোতা বিদ্যালয়লৈ যোৱা বা শাস্ত্ৰৰ কথা শুনাৰ

ভাগী হ'ব নোৱাৰে। ব্ৰাহ্মণে পূজা-পাৰ্বণ, যজমানি কৰে, মৃতকৰ প্ৰেতকৰ্ম কৰে, হিন্দুমতে বিয়া হোৱা সকলৰ বিয়াত হোম কাৰ্য্য সমাপন কৰে। অন্য ঠাইৰ নিচিনাকৈয়ে এই অঞ্চলৰ ব্ৰাহ্মণসকলো বিদ্যা-শিক্ষাত পটু, সমাজৰ নিয়ম ৰীতি প্ৰৱৰ্তনৰ ক্ষেত্ৰতো সিসকলে আগভাগ লয়। বিদ্বান বুলি অইন সকলোৱে তেওঁলোকক মান-সন্মান কৰে। যুদ্ধ-বিগ্ৰহ, সংগ্ৰাম-সংঘৰ্ষৰ কালত অন্য মানুহৰ ভাগ্য মলিন হলেও, ব্ৰাহ্মণ সকলৰ সাধাৰণতে নহয়। গাৱঁলীয়া মানুহৰ সমাজত তেওঁলোকৰ প্ৰভাৱ প্ৰতিপত্তি আছিল যথেষ্ট। ৰজাঘৰ আৰু থলুৱা সামন্ত শাসকৰ ওচৰতো তেওঁলোকৰ প্ৰভাৱ কম নাছিল।



মুকলি আকাশে মাতে। সেউজীয়া অৰণ্যই মাতে। মাটিৰ বুকুত আদিম গন্ধ বতাহৰ বুকুৰ শীতল স্পৰ্শত মাদকতাভৰা সুৰভিৰ উন্মাদনা।

মন বন্ধনহাৰা। ঘৰৰ চাৰিবেৰে আগুৰি ৰাখিব নোৱাৰে। মনৰ মাজৰ ভাষা নোহোৱা কথাবোৰ সুৰ হয়, সুৰবোৰ গীত হয়, গীতবোৰ নৈৰ কলধ্বনি হয়, অৰণ্যৰ বাঙময় ছন্দ হয়।

দিন কেতিয়া ৰাতিৰ বুকুত হেৰাই যায় কোনোৱে গম নেপায়। ৰাতিয়ে কেতিয়া তৰাৰ সোণালী বুটা বছা নীলাভ কাপোৰ সলাই, হিৰণ্যগৰ্ভা উষাৰ দুৱাৰেদি বগা পোহৰৰ পাট কাপোৰ পিন্ধি ওলাই আহে কোনেও মনত নেৰাখে।

কিবা গীত এটা গুণগুণাই ক'ৰবাৰ পৰা আহি বাৰ বছৰীয়া মুকলি দুৱাৰ। মজিয়াত এটা চেঙেলীয়া ল'ৰা এটা ঘৰ সোমালহি। গছাৰ ওপৰত শান্তভাৱে জ্বলি আছে সৰিয়হৰ তেল শলিতাৰে জ্বলোৱা



এটা চাকি। তাৰ সোণ বৰণীয়া পোহৰে কোঠাটোৰ ভিতৰখন পোহৰাই তুলিছে।

"আইতা, অ' আইতা—"

"কোন অ' ?"

"এইয়া মই, কি আনিছো চোৱাহিচোন—"

ৰান্ধনীশালৰ পৰা আইতাই অলপ চিয়ঁৰিয়ে ক'লে, "মই এতিয়া ওলাই যাব নোৱাৰো। কি আনিছ ইয়ালৈকে লৈ আহ—চাও—"

"আহাচোন চোৱাহি—"

অলপ পৰৰ পিছত ভিতৰৰ পৰা আইতা ওলাই আহিল। ধুনীয়া চকু নাকেৰে, শুদ্ধ বগা পকা চুলিৰে ; ঋজু দেহাৰ এগৰাকী বুঢ়ী। হাতত ভাত লৰোৱা তাৰু ডাল।

"এইয়া চোৱা—মই নিজে হাবিৰ পৰা ধৰি আনিছো—সোণ মইনাৰ পোৱালি, পুহিম। আমাৰ বাবু চৰাই পোহা সঁজা আছেনে আইতা ?"

ল'ৰাটিৰ হাতত এহাল মইনা চৰাইৰ পোৱালি। গেৰ পাখি পুৰ হৈছে। ঘৰৰ ভিতৰৰ চাকিৰ পোহৰত সৰু সৰু চকু মেলি পিৰিক-পাৰাককৈ চাইছে। ল'ৰাটিৰ চকুৱে-মুখে আনন্দৰ পোহৰ।

আইতাই ক'লে, "মইনা পোৱালি ! ক'ৰ পৰা আনিলি ?"

"নৈৰ পাৰৰ বৰগছ জোপাৰ খোৰোঙতে আছিল। মই কণী পৰাৰ পৰা চাই আছিলো। আজি লৈ আহিলো। গেৰ-পাখি পুৰ হৈছে, নহ'লে উৰি গলহেঁতেন।"

"পোৱালি হাল যে তই লৈ আহিলি, মাক বাপেক হালে বেজাৰ নেপাবনে ?" আইতাই ক'লে।

"মই সিহঁতক মাত শিকাম। গীত গাবলৈ শিকাম। মইনা-চৰায়ে বৰ ধুনীয়া মাত লয়—"

"চৰাইয়ে চৰাইৰ মাত শিকে, মানুহে মানুহৰ মাত কথা শিকে। তইনো কি গীত শিকাবি ? শিৰোমণি ভুঞাৰ ঘৰৰ ল'ৰা। ককাৰ আজোককাৰ সকলোৱেই শাস্ত্ৰ ভাগৱতৰ মহাপণ্ডিত আছিল। তোৰ লগৰ অন্য বামুণ কায়স্থৰ ল'ৰাই তোৰ বয়সত কন্দলিৰ ঘৰত পঢ়ি

পণ্ডিত হৈছে। আৰু তই হাবিয়ে-বননিয়ে, দিনে-ৰাতিয়ে পিংপিঙাই ফুৰি—ক'ত মাছ ধৰিবি, ক'ত পহু ধৰিবি। এনেকৈ ভূঞাৰ বংশৰ নাম কেনেকৈ ৰক্ষা কৰিবি। মইনা পোৱালি যে পুহিবলৈ ধৰি আনিছ, তাক কি শিকাবি? গৰখীয়া গীত 'নে মাছমৰীয়াৰ গীত? হৰিনাম এষাৰ শিকাব পাৰিবি জানো?”

ল'ৰাটিয়ে আইতাৰ মুখলৈ চালে। আইতাকৰ কথাবোৰত যেন কিবা এটা দুখৰ সুৰ।

“সদায় এনেকৈ হাবিয়ে-বননিয়ে টল্লো টলৌকৈ ঘূৰি ফুৰিলেই চলিবনে? তোৰ বয়স যে বাৰ বছৰ হলহি মনত আছেনে নাই? চণ্ডীবৰৰ ঘৰৰ ল'ৰা হৈ কুসুমবৰৰ ল'ৰা হৈ লেখা-পঢ়া একো নিশিকি, এনেকৈ থাকিলে সংসাৰখনে মোকহে দোষ দিব। বুলিব, মাক বাপেক নাই দেখি মইহে তোক নপঢ়ালো, নুশুনালো, আৰু আজিৰ বাদে কাইলৈ আমাৰ ভূঞা বংশৰ খেত পাম, মাটিবাৰী তয়ে চাব চিতিব নেলাগিব জানো? আমাৰ পিতৃ-পুৰুষৰ মাটি-ভেটি, সা-সম্পত্তিবোৰ ৰক্ষা নকৰি উটি যাবলৈ দিবিনেকি?”

ল'ৰাটিয়ে ক'লে, “কন্দলিৰ টোলত শাস্ত্ৰহে পঢ়ায়। তাত হবলা মাটিবাৰী, জমিদাৰী চলাবলৈ শিকায় নেকি?”

“বিদ্যা শিক্ষা কৰিলেই ধৰ্ম'ৰ কথাও শিকা হয়; সংসাৰৰ কথাও শিকা হয়। বিদ্যা নেথাকিলে জ্ঞান নহয়, জ্ঞান নহ'লে ঈশ্বৰ মানুহ কাকো চিনিব বুজিব নোৱাৰি।”

“বাৰু বাৰু আইতা, মই বাৰু যাম। কন্দলিৰ টোলতে মোৰ নামটো লেখোৱাই দিয়া। পুথি পাঁজিও গোটাই মেলি দিয়া, মই বাৰু পঢ়াশুনা কৰিম। পিছে পঢ়াশুনা কৰিলে মই পঢ়াশুনাহে কৰিম। আৰু একো নকৰো।”

“আৰুনো তই কিটো কৰিব লাগিছে? ঘৰত চাকৰ-নাকৰ, বন্দী-বেটী নোহোৱা হৈছেনে কিবা? আমাৰ ভূঞাৰ ঘৰৰ ল'ৰা হৈ দহৰ আগত থোৱা হ'ব লাগে। মহেন্দ্ৰ কন্দলিৰ টোলতে নাম লেখোৱাই দিম। তাত বামুণৰ ল'ৰাৰ ল'গতে আমাৰ নিচিনা শুদিৰ কায়স্থৰ ল'ৰাকো শাস্ত্ৰ



পঢ়ায়। আগৰে পৰা আমাৰ চণ্ডীবৰ পৰিয়ালটো পণ্ডিতৰ পৰিয়াল বুলি উজনি নামনিৰ সকলোৱে জানে। তয়ো নোৱাৰিবৰ কোনো কথা নাই। পিছে মইনা চৰায়ে মাত লোৱা দি মাত ললে জ্ঞান নহয়। শিকিবও লাগে, বুজিবও লাগে। বুজি শিকিলেহে বিদ্যা কামত আহে। আৰু তোৰতো কথাবোৰ মনত ৰয়েই।”

ল'ৰাটিয়ে ক'লে, “বাৰু আইতা, তুমি অকণো চিন্তা নকৰিবা। কামটোতো হাবিত খেদি খেদি পহু পোৱালি ধৰাৰ নিচিনা বা গছৰ ডাল বগাই-বগাই চৰাই পোৱালি ধৰাৰ নিচিনা টান নহয়। পঢ়িব লাগিব, শিকিব লাগিব, বুজিব লাগিব, আৰু মনত ৰাখিব লাগিব—নহয় জানো? কাইলৈৰ পৰা মই পঢ়িবলৈ যাম।”

আইতা খেৰসুতীৰ মুখখন উজ্জ্বল হৈ উঠিল।



মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষালাভ কৰা ছাত্ৰবিলাক থাকিবৰ কাৰণে এটা ছাত্ৰাবাস আছিল। গাঁওখনৰ এমুঠিমান ল'ৰাই মুঠেই টোলত পঢ়ে, বাকীবোৰে পথাৰে চাপৰিয়ে গৰু ৰখে, জঁপিয়াই জঁপিয়াই নৈত গা ধোৱে, গছৰ গুটি বিচাৰি হাবিয়ে বননিয়ে পিংপিঙাই ফুৰে। ঘিলা খেলে, ভটাগুটি খেলে, কোটোৰা খেলে, দুগুদুগলি খেলে, নাইবা দল বান্ধি হাবিত সোমাই চৰাই ধৰে, পহু ধৰে, নৈত কাছ ধৰে, শিহু ধৰে, কেতিয়াবা চিতল বৌ বাহুৰ নিচিনা ডাঙৰ মাছো ধৰে। মাছ কাছ চৰাই ধৰাটোও খেল—চেমনীয়া আৰু ডেকাল'ৰাবোৰৰ কাৰণে দেহ-মন ভালে ৰাখিবলৈ ওমলা ধেমালি।

উন্মুক্ত প্ৰকৃতি। বহল, নীলা আকাশ, আপোনমনে নিজৰ গতিৰে বৈ-থকা নদী, বিস্তীৰ্ণ মুকলি পথাৰ, সেউজীয়া অৰণ্য, বনৰীয়া চৰাইৰ

কল কাকলি ; দিনৰ মাত-কথা, চিয়ঁৰ-বাখৰ, ৰাতিৰ শান্তি নিৰৱতা, মাজে মাজে বিয়া-ভোজ-উৎসৱৰ আনন্দ-মুখৰ কোলাহল, কাৰোবাৰ মৃত্যুত কাৰোবাৰ হিয়া ভঙা কান্দোন, কাৰোবাৰ দন-হাই, চিয়ঁৰ-বাখৰ। কাৰোবাৰ জীৱন সহজ, মধুৰ, কাৰোবাৰ জীৱন কঠিন, অভাৱ-অনাটন, দুখ বেদনাৰে ভৰা। কোনোবা ধনীৰ, দুৱাৰত কোনোবা দৰিদ্ৰৰ ; ভিকহুৰ, মগনীয়াৰ বিননি ! সকলো অদৃষ্ট, সকলো ভাগ্য, সকলো কপালৰ লিখন ! অভিযোগৰ ঠাই নাই, লাভো নাই অভিযোগ কৰি। দেৱী আৰু দেৱতাক তুতি প্ৰাৰ্থনা কৰি, বিপদতাৰণ বিপদ ভঞ্জনক কাকুতি কৰি জীৱনৰ দিনকেটা সুখে-দুখে পাৰ কৰিব লাগে—সেয়ে জীৱন দৰ্শন। সহজ, অজটিল।

মহেন্দ্ৰ কন্দলিৰ টোলত জটিল, কঠিন, বুজিব নোৱাৰা প্ৰাচীন দেৱ-ভাষাৰ অধ্যয়ন-অধ্যাপনা হয়। ছাত্ৰৰ মন ঘূৰি যায় অচিনাকি এখন প্ৰাচীন পৃথিৱীলৈ, হাজাৰ হাজাৰ বছৰ আগৰ পুৰণি যুগৰ বুকুলৈ। শিশুৰ মনৰ চকুৰ আগত এক নানা-বৰণীয়া, বুজিব নোৱাৰা অথচ চিনাকি-চিনাকি যেন লগা জগতৰ এখন বিচিত্ৰ চিত্ৰ জিলিকি উঠে। তাত মানুহ আৰু দেৱতা, শৰীৰী আৰু অশৰীৰী, বাস্তৱ আৰু অবাস্তৱ একে ঠাই হয়। পাখি নথকাকৈয়ে হনুমানে হাতত পৰ্বত দাঙি লৈ আকাশেদি উৰি যায়। অপ্সৰাবোৰে নাচে, দেৱতাবোৰে যুদ্ধ কৰে। কোনোবা সদাশিৱই মূৰত এটা ফেটি সাপ লৈ ফুৰায়। মানুহবোৰ দেৱতা হয়, দেৱতাবোৰ মানুহ হয়। সকলোতে একোজনা দেৱতা থাকে, বতাহত, মেঘত, বায়ুত, সূৰ্য্যত, চন্দ্ৰত, নদীত, অৰণ্যত। ভাল দেৱতা আছে, বেয়া দেৱতাও আছে, খঙাল দেৱতা আছে, মৰমিয়াল দেৱতাও আছে। টেঁকীত উঠি আকাশত উৰি ফুৰা ধেমেলীয়া দেৱতাও আছে। টুটকীয়া লগনীয়া দেৱতাও আছে।

শিশুৰ মনত স্বপ্নৰ সৃষ্টি কৰা সেই যাদুৰ পৃথিৱীখন। যাক বিশ্বাসো কৰিব নোৱাৰি, অবিশ্বাসো কৰিব নোৱাৰি। সঁচা বুলিও ধৰিব নোৱাৰি, মিছা বুলিও ক'ব নোৱাৰি।

ওজা মহেন্দ্ৰ কন্দলিৰ ছাত্ৰশালিৰ পুথিৰ মাজত, হালধীয়া সাঁচিপাতৰ



মাজত শুই থাকে হেজাৰ-হেজাৰ বছৰ। অকোৰা-পকোৰা আখৰৰ শাৰীবোৰৰ মাজে-মাজে দেৱতা, অসুৰ, মানুহ, সাপ, বাঘ, সিংহ, মাছ সকলোবোৰে পিংপিঙাই ফুৰে। অতীত সোমাই আছে বৰ্তমানৰ বুকুলৈ, বৰ্তমান অতীতৰ বুকুলৈ।

ছাত্ৰবোৰ সেইখন অচিনাকি জগতৰ মাজত সোমাই থাকে—পুৱাৰ পৰা গধূলিলৈ, সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যাস্তলৈ।

কিন্তু মাজে মাজে সেই অচিনাকি জগতখন বৰ আচহুৱা যেন লাগে, অবিশ্বাস্য যেন লাগে। সঁচাকৈয়ে বাৰু অপ্সৰাৰ পাখি থাকেনে? ছোৱালীবোৰৰ পাখি থাকিলে বাৰু দেখিবলৈ কেনেকুৱা হ'ব? সঁচাকৈয়ে বাৰু শুঁৰ লগা মানুহ থাকেনে? হাত যদি নেথাকে সেই শুঁৰ লগা দেৱতাই বাৰু কেনেকৈ খাব? নে দেৱতাই একো নেখায়নেকি? স্বৰ্গখন সঁচাকৈয়ে কেনেকুৱা বাৰু? স্বৰ্গত বাৰু ভুইকঁপ আৰু বানপানী হয়নে নহয়?

শিশুমনৰ হাজাৰ আগগুৰি নোহোৱা প্ৰশ্ন। হাজাৰ অৰ্থ ভঙাব নোৱাৰা সাঁথৰ।

মাজে মাজে সাঁচিপাতৰ মাজত সোমাই থকা সপোনৰ পৃথিৱীখনে আমুৱায়। টোলৰ বাহিৰৰ ৰ'দ-বৰষুণে, নানা ৰহনেৰে সজোৱা সঁচাসঁচি পৃথিৱীখনে হাত বাউল দি মাতে। বৰনৈয়ে মাতে, টেম্বুৱানীয়ে মাতে, মুকলি পথাৰে মাতে, বতাহত হালিজালি থকা গছ-গছনিবোৰে মাতে। সাঁচিপাতৰ বুকুৰ পৃথিৱীখন এৰি থৈ কোনোবা শিশুৱে ঢাপলি মেলে, এই হাতেৰে-চুব-পৰা, চকুৰে দেখা পোৱা পৃথিৱীখনৰ বুকুলৈ। আকাশখনে হাঁহি আছে, নৈখনে নাচি আছে, কুলিটোৱে জোকাই আছে, গৰু পোৱালিবোৰে জঁপিয়াই, হেৰ্বোলিয়াই ফুৰিছে। সকলোৱে মাতিছে—আহা, আহা, আহা। চকু মুদি কাণত আঙুলি সুমুৱাই, টোলৰ দুৱাৰ বন্ধ কৰি এই আহ্বানলৈ কাণ নিদি সোমাই থাকিব নোৱাৰি।

কন্দলিয়ে গণনা কৰি চায়,—আজি চোন ল'ৰা কম কম লাগিছে। কোনোবা আজি নাহিলনেকি? কোনোবা মনে মনে পলাই ক'ৰবালৈ গ'লনেকি?

এইখিনিত এই ক'বলৰ ওপৰত যে বহে সুন্দৰ সুঠাম চেহেৰাৰ, বগা, ধুনীয়া, দেখিলে মৰম লগা ল'ৰাটি কলৈ গ'ল? গোৰ কলেৰৰ, তেজাল চকু, জোঙা নাক, গঢ়িত মুখ, দীঘল হাত, জোঙা আঙুলিৰে সেই ল'ৰাটি আজি পাঠলোৱাত নাই দেখোন, ল'ৰাটিয়েতো পঢ়ালৈ ভয় নকৰে! এবাৰ এবাৰ কথা বুজাই দিলেই বুজে, কাহানিও নেপাহৰে, কাহানিও ভুল নকৰে। নুবুজা কথা সুধি বুজি লবলৈ ভয় সংকোচ নকৰে। মাজে মাজে একোটা কথা সুধি মোকে থতমত খুৱাই দিয়ে। আজি দেখোন ছাত্ৰশালিৰ ভিতৰত নাই। কলৈ গ'ল? ঘৰলৈ গ'লগৈনে কি?

মইমতীয়া নহয়, বাধ্য, মনোযোগী।

মইমতীয়া নহয়, স্বাধীনমনা, নিৰ্ভীক।

পাঠদানলৈ ভয় কৰি পলোৱা নাই। নৈৰ পাৰত বা হাবিৰ মাজত কিবা চাই বা কিবা ফুল দেখিলে চাগৈ। চৰাইৰ মাতৰ লগত মাত মিলাই ক'ৰবাত গীত গাবলৈ গ'লগৈনেকি? ল'ৰাটোৰ মাতটো যে ইমান মিঠা! যেন হাবিৰ বনৰীয়া মইনা কুলি চৰাইৰহে মাত!

ক'ৰবাত হাবিৰ হৰিণা পহু খেদি ধৰিবলৈ গ'লনেকি? অকণমান ল'ৰাটিৰ গাত যে ইমান বল, ইমান শক্তি! একোলৈকে ভয় নাই। হাবিৰ বনৰীয়া পহুৰ পিছে পিছে লৰে! সাপ বাঘলৈকো ভয় নকৰে। সাপেও আকৌ মৰমহে কৰে, যেন মনসাই শিকাইহে পঠিয়ায়—মৰম লগা ল'ৰাটিক মৰম কৰিবলৈ!

নে, বৰনৈত সাঁতুৰিবলৈ গ'লনেকি? কি যে সাহ, কি যে বল। বুৰনৈ খনলৈও অকণো ভয় নকৰে। ভয়নো কৰিব কিয়? নৈৰ কোলাতে ডাঙৰ-দীঘল হৈছে। নৈৰ লগতে হাঁহিছে, নৈৰ লগতে কান্দিছে, নৈৰ লগতে কথা হৈছে, নৈৰ কলকলনি শুনি শুনি টোপনি গৈছে! নৈৰ সোঁতৰ লগত মিতিৰালি পাতি, নৈৰ বুকুত সাঁতুৰি নাদুৰি ৰং ৰহইচ কৰিছে। চিলনী-সাঁতোৰ দিছে, বুকু-সাঁতোৰ দিছে, থিয়-সাঁতোৰ দিছে। পকনীয়া, চাকনৈয়ালৈ কেৰেপ নকৰি, নৈৰ বুকুৰ দুৰৈৰীয়া চিতল মাছ ধৰি আনিছে। বুৰ মাৰিছে, খৰ মাৰিছে!



পঢ়া শুনালৈ অমনোযোগী নহয়, পিছে মনটোক কিমাননো পুৰণি সাঁচিপাতৰ বুকুত সুমুৱাই ৰাখিব?

বৰ তজবজীয়া ল'ৰাটি। দেখাই মেলাই যেনে চকুতলগা জাকত-জিলিকা, কথাই বতৰাই যেনে নম্ৰ, বিনয়ী, সৰল, জ্ঞান বুদ্ধিতো তেনে বিচক্ষণ চোকা, যুক্তি তৰ্কতো তেনে কেৱে পেলাব নোৱাৰা। বৰ সুলক্ষণীয়া এই কায়স্থৰ ঘৰৰ ল'ৰাটি। যেনে কোনো সদ্ গোত্ৰৰ সদ্ ব্ৰাহ্মণৰ পৰিয়ালৰহে সন্তান! এনে এটি সৰ্ব্বগুণী ল'ৰা কেনেকৈ যে ইয়াত জন্মিল!

এনে এটি ল'ৰাক নিজ ছাত্ৰশালিৰ ছাত্ৰ হিচাপে পোৱাটো সৌভাগ্যৰে কথা, বৰ আনন্দৰ কথা—মহেন্দ্ৰ কন্দলিয়ে ভাবে।

এই অকণমান ল'ৰাটিয়ে শিকাই দিলেই ব্যাকৰণ, অলংকাৰ, কাব্য সকলো নিয়াৰিকৈ বুজে। পূৰ্বৰ কবিসকলৰ নিচিনাকৈ পদ্য ৰচিবৰ যত্ন কৰে। সাঁচিপাতত নিজৰ কিবা কথা লিখে, ছবি আঁকে। অন্য ছাত্ৰইতো এইবোৰ কৰিবলৈ নিবিচাৰে। আখৰবোৰো ধুনীয়া, যেন বয়সস্থ কোনোবা পণ্ডিতৰ হাতৰ আখৰহে। অথচ বয়স হৈছে মাত্ৰ বাৰ বছৰ।

নল মৰে, গজালি ওলায়। বাৰভূঞাৰ ঘৰৰ সন্তান। পৰম চণ্ডীভক্ত, পৰম শক্তি, পৰম দেৱীভক্ত, বিখ্যাত বাৰভূঞা পৰিয়ালৰ কুসুমবৰ ভূঞাৰ সন্তান শংকৰ। সাত বছৰীয়াতে বাপেক ঢুকাল, তাতোকৈ আগে ঢুকাল মাক। বুঢ়ীমাক খেৰসুতীয়ে বুকুত সুমুৱাই এই মাউৰা ল'ৰাটিক তুলিছে। ছাত্ৰশালীত দিছে, যাতে পঢ়ি শুনি জ্ঞানী পণ্ডিত হৈ বাৰভূঞা পৰিয়ালৰ নাম উজলাই ৰাখিব পাৰে। ল'ৰাটিক মানুহ কৰাৰ দায়িত্ব মোৰ—ওজা কন্দলিৰ।

মোৰ ছাত্ৰবোৰৰ মাজত এটাকো যদি মই, মই জনা সকলো বিদ্যা, সকলো শাস্ত্ৰৰ জ্ঞান দি পণ্ডিত কৰি তুলিব পাৰো, সেয়ে মোৰ জীৱনৰ চৰম সাৰ্থকতা হ'ব।

মোৰ ছাত্ৰবোৰক মানুহ কৰাৰ দায়িত্ব মোৰ—ওজা মহেন্দ্ৰ কন্দলিৰ, ভগৱান মোৰ সহায় হওক।



নৈৰ পাৰৰ চাপৰিত চৰিবলৈ গৰু এৰি দি ল'ৰাকেটাই গছতলত বহি কলপাতত ফুটিয়াই লৈ ৰবাব টেঙা খাইছিল। কোনোবা এটাই কোনোবা এঘৰৰ পৰা খুজি লোণো আনিছিল এজেবামান। গৰু গাই আপুনি চৰে। আনোতে গিৰিহঁতৰ গোহালিৰ পৰা মেলি আনি গধূলিপৰত হাবি-পথাৰ-নৈৰ পাৰৰ পৰা বিচাৰি নি গোহালিয়ে গোহালিয়ে বান্ধি যাব লাগে। মাজতে গৰুবোৰ গোটাই লৈ নৈ ঘাটত নমাই পানী খুৱাব লাগে। অন্য কাম নাই। চিৰা সান্দহ কড়াইগুৰি টোপোলা বান্ধি আনে। নৈ পাৰত বহি জলপান খায় আৰু আজলিয়ে-আজলিয়ে নৈৰ পানী খাই পেট পুৰায়। দুপৰীয়া নৈত নামি গা ধোৱে। ইটোৱে সিটোৰ গা-পিঠি ঘঁহি দিয়ে। আগগুৰি নোহোৱা বাৰে-ভচহু কথা পাতি দিনটো কটায়। সাধুকথাবোৰ সিহঁতৰ সঁচা কথা যেন লাগে, সঁচাকথাবোৰ সাধুকথা যেন লাগে।

ৰমাই, দেউকণ, ভোলা, টেটেৰা, আৰু ন'ৰামে তেতিয়া টেঙা খাই উঠি হাত চেলেকিছিল। সিফালৰ পৰা আহিল ক'লাই।

"হেৰ, মোৰ ভাগৰ আছেনে নাই? শেষেই কৰিলিনেকি?" দূৰৰ পৰাই সি চিঞৰিলে।

বয়সত সি ইহঁতকৈ ভালেমান ডাঙৰ। শকত-আৱতো। মুখখন থোপোকা। মূৰত একোচা জপৰা চুলি। পিন্ধনত এখন কপাহী চুৰিয়া। হাতত এখন নালীয়া কটাৰি আৰু দুটা বৰশী, আৰু এটা সৰু খালৈ। খালৈত এটোপোলা টোপ—আমৰলি পৰুৱাৰ বাঁহ ভাঙি অনা।

"টেঙা আনিছিলো পাঁচোটা। এটা আছেগৈ। খাবিনেকি? খাব যদি কাটো।"



"লোণ জলকীয়া আছেনে নাই।"

"জলকীয়া আছে। লোণ এচিকটামান আনিছিলো। শেষ হ'ল। লোণ কিবা য'তে ত'তে পাবলৈ আছেনে?"

"এৰা সোণকে যদি পাবলৈ আছে লোণ পাবলৈ নাই। লোণ বোলে নগাই আনে।"

"ভাটিৰ পৰা বেহেৰুৱায়ো আনে। পিছে সেইবোৰ আৰু তোৰ মোৰ নিচিনা মানুহৰ বস্তুনে? বামুণ-গোসাঁয়ে পায়, ভূঞা-কাইথে পায়—আমাৰ আৰু কলাখাৰ। পিছে কেইবাদিনো চোন দেখা নাই, কেনিবা দূৰলৈ গৈছিলিনেকি?" টেটেৰাই সুধিলে।

"কিনো দূৰলৈ ওচৰলৈ যাবি? ক'ৰবালৈ গলেও আৰু ঘূৰি নাহিলে হয়নে?"

"তইও বোলে কোনোবা ওজাৰ টোলত নাম লেখাই কিবা পঢ়িছিলি? সঁচানেকি কথাষাৰ?"

"সঁচানো নহয় বুলিবি কেনেকৈ? মিছানো নহয় বুলিবি কেনেকৈ? গৈছিলো পঢ়িবলৈ। দুৰ্গাধৰ বাপুৰ টোলত নামো লেখোৱাইছিলো। বোলো দুখীয়া মানুহৰ ল'ৰা। অইন একো দিব নোৱাৰো। গুৰু-মাননি দিবলৈ ধন-সোণ নাই। মজিয়া-চোতাল লিপি মচি দিম। বাপুৰ গৰু ৰখি দিম। মাছ পুঠি ধৰি আনি দিম। খৰি-খেৰ লুৰি গোটাই দিম। আৰু লাগিলে বাপুৰ পথাৰত ৰোৱা তোলাও কৰি দিম।"

"পঢ়াশুনা কৰিলে সেইবোৰ সকলোৱেই কৰিব লাগে। শিৰোমণি ভূঞাৰ ঘৰৰ শংকৰকহে বোলে সেইবোৰ কৰিব নেলাগে বুলি কৈছে। পিছে ইয়াৰ কন্দলি ওজাও বেলেগ। অইন ওজাও বেলেগ। নহয় জানো?"

"পিছে পঢ়োৱা কথা এঁকেবাৰেই। প্ৰথমে অং অঃ বোৰ শিকিব লাগে। পিছে মোৰ আকৌ মূৰৰ ভিতৰৰ দুৱাৰবোৰ মুকলি, এপিনে সোমাই সিপিনে আং বাং বোৰ ওলাই যায়। আটাইবোৰ মাতো মুখত ভালকৈ নুফুটে। সেইবোৰ তোৰ মোৰ নিচিনা সেধাৰণ নৰ-মনিষৰ মুখৰ কথা নহয়, নহয়। দেৱতাৰ মুখৰ কথা। আমাৰ আজিকালিৰ

কোনো মানুহেই সেইবোৰ কথা নেমাতে। এদিন ইয়াৰ কন্দালি ওজাৰ টোলত পঢ়া বাৰভুঞাৰ ঘৰৰ ডেকাগিৰী শংকৰক পাই বোলো, তোমালোক বৰ মানুহৰ ঘৰৰ ল'ৰাই ৰজা-মহাৰজা, দেৱতা, ঋষি মুনিৰ মাত-কথা শিকিছা ; পাছে আমাৰ নিচিনা হালোৱা, হজুৱা, ইতৰ মানুহৰ কাৰণে আমি বুজিব পৰা মাত-কথাৰে কিবা লেখিলেহে আমাৰ কামত আহিব। তুমিয়ে দেখোন আমাৰ মাত-কথা সকলো জানা। তুমিয়ে লেখাচোন, আমিবোৰে নিজৰ কথাৰে শাস্ত্ৰৰ কথা দুআষাৰ শিকো।"

"শংকৰে পিছে কি ক'লে ?"

"মই বোলো মোক খংহে কৰিব। কিবা দেৱতাৰ মাত কথা লৈ পেংলাই কৰিছা বুলি। পিছে তেওঁ ভাবি চিন্তি ক'লে, "তই ভালেই কৈছ ক'লাই। কথাটো ময়ো ভাবি চাইছো। আমাৰ মানুহৰ মুখৰ মাতকথা থকা পুথি-পাঁজি নাই দেখিহে, আমি আগৰ দিনৰ মাতকথাৰে লেখা পুথি-পত্ৰ পঢ়িবলগীয়া হৈছে। ঈশ্বৰে সকলোৰে মুখৰ মাত কথা বুজি পায়, আমিহে নেপাওঁ। আমি কি কৈছো আমিয়ে যদি বুজিব নোৱাৰো, ভগৱানে বুজিছে বুলি বহি থাকিলেই হ'বনে ? মই বাৰু সকলোৱে বুজিব পৰাকৈ আমাৰ মাত-কথাৰেই শাস্ত্ৰৰ কথা বুজাই লেখিম। আগে পণ্ডিতৰ এচৰত শাস্ত্ৰবোৰ পঢ়ি-শুনি বুজি বাজি লওঁ— তাৰ পিছত কৰিম।"

"হেৰ' সঁচাকৈয়ে সেই বুলি কৈছেনে, ক'লাই ? তেতিয়া হলেচোন শাস্ত্ৰৰ কথা আমিও বুজি পাম। শংকৰে যদি কৰে, এইটো বৰ ডাঙৰ কাম হ'ব দেই। পিছে তয়ো শাস্ত্ৰ পঢ়ি তেনেকুৱাকৈ আমাৰ মাত-কথালে ভঙাই লেখি উলিয়াব নোৱাৰিবি জানো ? তয়ো টোলত শাস্ত্ৰ পঢ়া নাই জানো ?"

টেকটেকাই হাঁহি ক'লায়ে ক'লে, "হেৰ' কালিতাৰ ঘৰত উপজিলো, আই বোপায়ে নাম দিলে ক'লাই। হওঁতে ছালখনৰ বৰণটো গাখীৰ যেন নহয়, আৰু পিছে এতিয়া ঘঁহিপিহি গাৰ বৰণটো অলপ ফৰকাল কৰিব পাৰিলেও ; নামটো আৰু সলাব পাৰিম নে ? দ্বাৰকাৰ দেৱকী আইৰ



পুতেকৰ নামটো বোলে কৃষ্ণ দিছিল। পিছে সেইয়া ঈশ্বৰ বিষ্ণুৰ কথা। সেইবোৰৰ মাহাত্ম্য তই মই নৰমানিষে নুবুজোঁ। আমাৰ, নামো ক'লাই, গাৰ বৰণো ক'লা !"

"সেইটোৱেই হবলা তোৰ দুখ—?" ভোলাই সুধিলে।

"এ, দুখ এটা নহয়, এশ এবুৰি। তহঁতে নুবুজিবি।"

"সঁচানে বাৰু ? কচোন শুনো—"

"টেঙাটো নেকাটনেকি ? গোন্ধ পাই অতখন বাটকুৰি বাই আহিলো। অতপৰে কথা চোবায়ে কটালো। এতিয়া আকৌ দুখৰ বকলা মেলিব লাগে। কওঁ বাৰু শুন। এদিন আমাৰ ওজাই শুধিলে, "পণ্ডিত কাক বোলে কচোন ক'লাই ?"

"মই মুৰ খজুৱাই ক'লো, "যিয়ে সকলো পণ্ড কৰে সিয়ে পণ্ডিত।"

ওজাই বোলে, "মূৰ্খ কাক বোলে কচোন।"

মই ক'লো, "কোন বিধৰ কথা সোধা হৈছে ?"

"তই জনা তোৰ নিচিনা বিধৰ কথা সুধিছো, মূৰ্খনো কেইবিধৰ ?"

মই আঙুলিৰ মূৰত গণনা কৰি ক'লো, "গুৰুদেউ, মূৰ্খ ভালেমান বিধৰ আছে! তাৰ ভিতৰত ন দহবিধমানৰ কথাহে মই ক'ব পাৰো—"

"কচোন। ইমানবিধৰ মূৰ্খৰ কথা তোৰ বাদে অন্য সাধাৰণ মূৰ্খই ক'ব নোৱাৰে।"

মই ক'লো. "মোৰ লেখত মূৰ্খ হৈছে ঃ অজ-মূৰ্খ, গজ-মূৰ্খ, গো-মূৰ্খ, খন্দ-মূৰ্খ, গণ্ড-মূৰ্খ, চণ্ড-মূৰ্খ, অণ্ড-মূৰ্খ, পণ্ড-মূৰ্খ। ষণ্ড-মূৰ্খ, লণ্ড-মূৰ্খ, ভণ্ড-মূৰ্খ।"

"তাৰ ভিতৰত তই কোন বিধৰ মূৰ্খ ?" ওজাই সুধিলে।

"মই ক'লো, "দেউ, সেয়েঁহে মোৰ দুখ। মই মহামূৰ্খটোকে হব খুজিছিলো। পিছে তেনেকুৱা মূৰ্খ হেনো ক'ৰবাত ক'ৰবাত আৰু আছে। মোৰ সুবিধা নহব—"

ন'ৰামে ক'লে, "মূৰ্খ ইমান কিবিধ আছে বুলি আমিও নেজানিছিলো। আৰু জধা-মূৰ্খ বুলি এবিধ থকা বুলিহে জানিছিলো। আমাৰ মাজত

ইমানবিধৰ ডাঙৰ ডাঙৰ মূৰ্খ আছে বুলি তই ভাবনে বাৰু ক'লাই ? ক'ত আছে বাৰু, হয়নে ?”

“সকলোবোৰ মূৰ্খৰ কথা মহামূৰ্খৰ বাহিৰে আনে ক'ব নোৱাৰে। হাতীৰ নিচিনা মূৰ্খটো গজ-মূৰ্খ, গাধৰ নিচিনাটো জধা-মূৰ্খ, গঁড়ৰ নিচিনাটো গণ্ড-মূৰ্খ, পিছে অণ্ড মূৰ্খটোহে ভালকৈ বুজি নেপালো। অণ্ড হ'ল কণী, ডিমা। কণীটোনো কেনেকুৱা মূৰ্খ ? মোৰ মনেৰে কণীটোও মূৰ্খ বুজিছনে ? কণীটোৰ চোকোৰাৰ ভিতৰতে বিজলবোৰ হয়। বিজলৰ পৰা পোৱালি হয়। চোকাৰাটো ভাঙি পোৱালিটো বাহিৰ ওলাই আহে। তাৰপিছত ভুৰুং কৰি ক'ৰবালৈ উৰা মাৰে। কণী চোকোৰাটোৰ ফালে উভটি নেচায়। কণী চোকোৰাটো এটা মূৰ্খ নহয় আৰু কোন ?”

“হেৰ', এইবোৰ কিবা শাস্ত্ৰৰ কথানে, তোৰ নিজ মূৰখৰ কথা ?”

“শাস্ত্ৰত জ্ঞানীৰ কথাহে থাকে মূৰ্খৰ কথা নেথাকে। পিছে যাওঁ দে। বৰশি বাম বুলিহে ঘৰৰ পৰা ওলাই আহিছিলো। মেল মাৰি থাকোতে পলমেই হ'ল।”

“পলম হলে ভালেই জানিছ। তই পলমকৈ বৰশি বাবলৈ গ'লে, মাছবোৰৰ ভোক বেছিকৈ লাগিব। তেতিয়া বৰশি পেলাবলৈকে নেপাবি, টপাটপ্ টোপ গিলিবলৈ মাছবোৰ লৰি আহিব।”

ক'লায়ে ক'লে, “মাছবোৰো মূৰ্খ জানিছনে ? নহলে সিহঁতে টোপটোহে দেখে, বৰশিটো নেদেখে, এনেকুৱা দিনকণা হ'ব লাগেনে ?”

“পিছে মাছৰ নিচিনা মূৰ্খটোক কি মূৰ্খ বোলে জাননে ?”

“সেইটোও এলাপেচা মূৰ্খই ক'ব নোৱাৰিব। পুঠি মূৰ্খ বা কাৰৈ মূৰ্খই নেজানিব, জানিলে বৌ-মূৰ্খ বা ৰাঘবৰালি মূৰ্খইহে জানিব।”

“তই পিছে আজিকালি ওজাৰ তালৈ নোযোৱা হলিনেকি ?”

“আভোকৰ ন মুঠিয়েই আঁটিছে। যিখিনি শিকিলো, তাৰেই ফাংফুং কৰি ক'ৰবাৰ দুৰ্ণিলৈ গৈ চাউল একঠা উলিয়াব পাৰিম। গুপুতে মন্ত্ৰটো শিকিছো নহয়। সকলো মুখৰ ভিতৰতে ভুনভুনাব লাগে। কিবা সুধিলে মূৰ দুপিয়াব লাগে। মুৰুখৰ মন্ত্ৰ হুৰুষাই ফাপে।



পুতে নুবুজিলে বুজিব বাপে। জাৰিছো ফুকিছো মই মহাভণ্ড, তই মন্দ কন্ধ, মই পাষণ্ড। এনেকুৱা মন্ত্ৰ কেইবাটাও শিকি থৈছো।”

“এইটোনো কিহৰ মন্ত্ৰ ক'লাই ?”

“কন্ধটোনো কি ?”

“চিঙনা ল'ৰাই কন্ধৰ বাৰ্তাৰ সুধিছ ? হেৰ', এহেজাৰটা মূৰ কাটি মানুহ বধ কৰিলে, তাতে এটা কন্ধ ওপজে। আইন ভূতৰ মূৰ থাকে, কন্ধৰ মূৰ নাই। হাত ভৰিও নাই। কোমোৰা বগৰা দি বাগৰি যায়—ভালকৈ ঘূৰা পকা কৰিবহঁত। ভূত খেতৰবোৰ মোতকৈও ক'লা। হাবিৰ মাজৰ জৰি গছৰ ডালৰ পৰা তললৈ মূৰ কৰি ওলমি থাকে। চকুদুটা ৰঙা, ট-ট-কৈ জিলিকি থাকে। কন্ধবোৰ আকৌ মাটিত বাগৰি ফুৰে। পেটতে চকুদুটা, হাত-ভৰি-নাক-কাণ নাই। পিছে তেনেকৈয়ে খেদি আহে। অলপ চাইচিতি ফুৰিবি। মন্ত্ৰটো তহঁতৰ মনত ৰ'লনে ? জাৰিছো ফুকিছো মই ওলোটা বেজ, কন্ধৰ গজক তিনডাল নেজ।”

কৈ কৈ ক'লাই গ'লগৈ। ল'ৰাকেইটায়ো বিশ্বাস অবিশ্বাসেৰে তাৰ কথাবোৰ মনত পেলালে আৰু কোনোবা কন্ধ বা ভূত খেতৰ ওলায়নেকি, চাৰিওফালে চালে। যাবৰ সময়ত ক'লায়ে ৰেবাব টেঙাটো হাততে লৈ গ'লগৈ।



কেইবাটাও শীতকা পাৰ হৈ গৈছে।

নানান উত্থান-পতন হৈছে।

হিমালয়ৰ টিঙত বহুত বৰফ জমা হৈছে, আৰু গলি পানী হৈ নৈ-নিজৰাৰ বুকেদি তললৈ বৈ আহিছে, সাগৰ বিচাৰি।

বৰনৈ বৈ আছে। বাৰিষা ফেনে-ফোটোকাৰে ভৰা উত্তাল, উদ্দাম

গতি, খৰালি শীৰ্ণ, শান্ত, ধীৰ। এই বৰনৈৰ বুকুত ব্ৰহ্মপুত্ৰৰ বুকুত হেজাৰ শতিকাৰ অলিখিত ইতিহাস আৰু পাৰৰ গৰাত মচ-গৈ-গৈও- নোযোৱা লুইত পৰীয়া মানুহৰ জীৱনৰ হাঁহি কান্দোনৰ হেজাৰ সাধুকথা।

আৰু সউ সিদিনা—সাতশ পঞ্চাশ বছৰৰ আগতে। এই বৰনৈৰ গৰাত নতুন নতুন অভিযাত্ৰীৰ ভৰি খোজ পৰিছিল। পুবৰ পৰা পাটকাই পৰ্বত বগাই আহিছিল আহোমসকল আৰু পশ্চিমৰ পৰা আহিছিল ইছলাম ধৰ্মাৱলম্বী মুছলমান সকল। এই ভুখণ্ডৰ ইতিহাসত নতুন অধ্যায় যোগ হৈছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰূপ সলনি হৈছিল।

তেতিয়া—

কামৰূপ নামৰ এই ভুখণ্ডৰ ভিতৰতে—পুবলৈ আছিল চুটিয়া ৰাজ্য। তাৰ পশ্চিমে কছাৰীৰ ৰাজ্য, দক্ষিণ ফালে জয়ন্তীয়া আৰু খাইৰেম আৰু গাৰো ৰাজ্য। উত্তৰ ফালে ভোটৰ ৰাজ্য আৰু পশ্চিমে কোচ ৰাজ্য। চুটিয়াৰ ৰাজ্য আৰু কছাৰীৰ ৰাজ্য ক্ৰমে সোমাই পৰিছিল বিজয়ী আহোমৰ আহোম ৰাজ্যৰ ভিতৰত। লুইতৰ দুয়োপাৰে এই ৰাজ্য বহল হৈ গৈছিল পশ্চিমৰ ফালে। কোনোবা পৰ্বত হৈছিল দুখন ৰাজ্যৰ সীমা, কোনোবা অৰণ্য থিয় হৈছিল দুখন ৰাজ্যৰ সীমা হৈ।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আহোমৰ ৰাজ্যৰ সীমাই পশ্চিমে সোৱণশিৰিক চুইছিলগৈ। দিখৌৰ পশ্চিমৰ পৰা কলঙলৈকে বিয়পি থকা কছাৰী ৰাজ্যখণ্ডও আহোম ৰাজ্যৰ মাজত সোমাই পৰিছিল। মাজেদি বৈছে ব্ৰহ্মপুত্ৰ। চুটিয়া ৰাজ্য আৰু কছাৰী ৰাজ্যৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে কিছুমান সৰু সৰু ৰাজ্য—ৰাজ্যৰ শাসক ভূঞা সকল। এইবোৰ ভূঞাৰাজ্য। তাৰ পশ্চিমে কামৰূপ—কমতা ৰাজ্য। ইয়াত কোচ সকলৰ প্ৰভুত্ব। ভূঞা সকল কামৰূপ কমতা ৰজাসকলৰ অধীনস্থ শাসক। কিন্তু কমতাৰ ৰজাক দুৰ্বল যেন দেখিলে ভূঞা সকল স্বাধীন হৈ পৰে।

ভূঞা ৰজাসকলে স্বতন্ত্ৰভাৱে নিজৰ সৰু সৰু ৰাজ্যবোৰ শাসন কৰে। পিছে মাজে মাজে বাহিৰ শত্ৰুৰ মুখামুখি হ'বলগীয়া হয়।



তেতিয়া ভূঞাসকল একগোট হয়। তাৰ মাজৰে এজনক নেতা বাছি লয়। এই নেতাজনেই হয় গোমাস্তা। গোমাস্তাজন শাসক নহয় মাটিৰ গৰাকী বা ভূঞাৰ তলত কাম কৰা কৰ্মচাৰী—প্ৰজাৰ পৰা মাটিৰ ৰাজহ সংগ্ৰহ কৰা বিষয়া। প্ৰতিপত্তি কম নহয়। ৰাজহৰ খতিয়ানো গোমস্তায়ে ৰাখে ; গতিকে লেখা পঢ়া জনা মানুহ। ৰাইজে কয় গোমথা, গাম'থা, গামথা।

সৰু সৰু ৰাজ্যখণ্ডৰ অধিপতি এই ভূঞাসকল, নিজ এলাকাৰ ভিতৰৰ নৃপতি, ৰজা। নিজ নিজ আদালত বা বিচাৰালয়ত গোচৰ নিষ্পত্তি কৰা হয়। এইবোৰ আদালতক বুলিছিল কাৰখানা—কাৰ্য্যালয় বা কৰ্মশালা। একপ্ৰকাৰৰ পঞ্চায়তৰ যোগেদি শাসন চলোৱা হয়। মুক্তিয়াৰ ( মোখতাৰো ) থাকে।

লুইতৰ দুয়োপাৰৰ কোচ ৰাজ্যৰ পুবৰ এই ভূঞা ৰাজ্যবোৰৰ শাসন 'কাৰখানা'ৰ যোগেদি, 'পঞ্চায়ত'ৰ যোগেদি, 'গোমস্তা', 'মুক্তিয়াৰ'ৰ নিচিনা ৰাজহ বিষয়া দি চলোৱাৰ বুৰঞ্জী আছে।

খৃষ্টীয় ১১৯২ চনৰ কথা। দিল্লী আৰু আজমীৰৰ ৰজা পৃথ্বীৰাজ আৰু কণৌজৰ ৰজা জয়চন্দ্ৰৰ মাজত বিৰোধ। গজনীৰ ৰজা চুলতান মোহম্মদ ঘোৰীয়ে যুদ্ধত পৃথ্বীৰাজক পৰাজিত কৰি বধ কৰিলে। সেইয়াই ভাৰতত ইছলাম ধৰ্মাৱলম্বী মুছলমানৰ শাসনৰ আৰম্ভণি। এই নতুন শাসন হস্তিনাপুৰ বা দিল্লীত সীমাবদ্ধ নেথাকিল। মোহম্মদ ঘোৰীৰ অনুগত আৰু বিশ্বাসভাজন সেনাপতি কুতুবুদ্দিনে কিছুদিনৰ ভিতৰতে দিল্লীৰ উপৰিও গুজৰাট, গোৱালিয়ৰ, মিৰাট আদি ঠাই দখল কৰিলে। ইয়াৰ দুবছৰৰ পিছত মোহম্মদ ঘোৰীয়ে জয়চন্দ্ৰৰ কণৌজ ৰাজ্যও নিজ ৰাজ্যৰ অন্তৰ্গত কৰিলে।

মোহম্মদ ঘোৰী ঘূৰি গ'ল নিজ ৰাজ্য গজনীলৈ। কুতুবুদ্দিনক পাতি থৈ গ'ল ভাৰতত অধিকাৰ কৰা নতুন মুছলমান ৰাজ্যখনৰ শাসনকৰ্তা। কুতুবুদ্দিন হ'ল দিল্লীৰ ৰজা।

মুছলমান শাসক সকলৰ সাহস বাঢ়িল। উত্তৰ ভাৰতৰ ৰজা সকল দুৰ্বল। কুতুবুদ্দিনৰ অধীনস্থ সেনাপতি মোহম্মদ ইৱনে বখ্তিয়াৰ

সৈন্য সামন্ত লৈ বাহিৰ ওলাল পূবৰ ফালে ৰাজ্য জয় কৰিবৰ কাৰণে। প্ৰথমে জয় কৰিলে বিহাৰ। তাৰ কেইবছৰমানৰ পিছত জয় কৰিলে বঙ্গদেশ। তেতিয়াৰ বঙ্গৰ ৰজা লক্ষণ সেনে ৰাজধানী নদীয়াৰ পৰা পলাই গৈ বিক্ৰমপুৰ পালেগৈ। মোহম্মদ ইবনে বখ্তিয়াৰ হ'ল বিহাৰ-বঙ্গৰ অধিপতি—নতুন উপাধি ললে ইখ্তিয়াৰুদ্দিন।

বিহাৰ আৰু বঙ্গৰ গাতে লগা তেতিয়াৰ কমতা ৰাজ্য। বঙ্গৰ অধিপতি বখ্তিয়াৰ খিলজীয়ে ৰাজধানী লক্ষণাৱতীৰ পৰা কমতা ৰাজ্য অভিমুখে সশস্ত্ৰ অভিযান আৰম্ভ কৰিলে, কেইবা হাজাৰো যুঁজাৰু সৈন্যলৈ। মুছলমান সেনাবাহিনীৰ শক্তিশালী বাহু আছিল অশ্বাৰোহী সৈন্য। বখ্তিয়াৰৰ বিশ্বস্ত পথ-প্ৰদৰ্শক আছিল এজন মেচ-বংশীয় থলুৱা ৰজা। বখ্তিয়াৰে এওঁক ইছলাম ধৰ্মত দীক্ষিত কৰি নাম ৰাখিলে আলি মেচ। এই আলি মেচেই কামৰূপ ৰাজ্যলৈ বাট দেখুৱাইলৈ আহিছিল বখ্তিয়াৰ খিলজীক।

উত্তৰ-পূবমুৱা হৈ আহি আহি বখ্তিয়াৰৰ সৈন্যই বেগমতী নৈ পালেহি। সেই নদী পাৰহৈ আৰু দহ দিনৰ বাট আহিল—উত্তৰলৈ উজাই—নদীৰ সোঁত অনুসৰণ কৰি। পালেহি এখন শিলৰ সাঁকো। তাৰ ইপাৰেই কামৰূপ ৰাজ্য।

বঙ্গ আৰু কামৰূপৰ উত্তৰ সীমাত দুৰ্লংঘ্য হিমালয়। পৰ্বত। তাৰ সিপাৰে চীন দেশ। তুৰ্কীস্থান। তিব্বতৰ ওপৰেদি পাৰহৈ চীনলৈ যাব পৰা যায়। তাৰ কাৰণে প্ৰথমে জয় কৰিব লাগিব তিব্বত দেশ।

কাপৰূপ কমতালৈ আগবঢ়াৰ ইচ্ছা বখ্তিয়াৰৰ নাছিল। এই কথা বখ্তিয়াৰে কামৰূপৰ ৰজাক জনাইছিল। ৰজায়ো শত্ৰুক অন্যফালে আঁতৰাই পঠিয়াবৰ এটা সুচল পালে। কামৰূপৰ ৰজাই বখ্তিয়াৰক পৰামৰ্শ দিলে তেতিয়াই চীন দেশৰ ফালে অভিযান আৰম্ভ নকৰিবৰ কাৰণে—এইটো তাৰ কাৰণে উপযুক্ত সময় নহয়।

ৰজাই আৰু আশ্বাস দিলে—এবছৰ মান বখ্তিয়াৰে বাট চাওক তাৰ পিছত তিব্বত চীনলৈ অভিযান আৰম্ভ কৰক। তেতিয়া কামৰূপৰ



ৰজাও তেওঁৰ লগ লাগিব আৰু চীন অভিযানত বাহিৰ ওলাব। কামৰূপৰ ৰজাই চীন দেশলৈ যোৱা বাট চিনি পায়।...

কামৰূপৰ ৰজাৰ কথাত বখ্তিয়াৰ পতিয়ন নগ'ল। চীনলৈ বুলি আগবাঢ়িল কামৰূপৰ ফালে। আহি আহি এখন নদন-বদন গাঁও পালেহি। বখ্তিয়াৰৰ তুৰ্কী সৈন্যই গাঁওৰ ওপৰত আক্ৰমণ চলালে। এই ঠাইত এটা দুৰ্গ আছিল। তাত কামৰূপীয়া সৈন্য আছিল। স্থানীয় গাঁওৰ মানুহ আৰু দুৰ্গৰ সৈন্য লগলাগি বখ্তিয়াৰৰ তুৰ্কী সৈন্যৰ লগত ৰণ দিলে। জয়-পৰাজয় নিৰ্ণয় নৌ হওতেই উত্তৰৰ পৰা আহি পালে এদল মঙ্গোলীয় সৈন্য—বখ্তিয়াৰৰ সৈন্য তিব্বতৰ ফালে আগবঢ়াত বাধা দিবৰ কাৰণে। এই ঠাইৰ পৰা পূবলৈ এদিনৰ বাটত কুমাৰীকাটাত আৰু এটা দুৰ্গ আছিল কামৰূপীয়া সৈন্যৰ। ইয়াৰ সৈন্যও বখ্তিয়াৰৰ সৈন্যৰ লগত ৰণ দিবলৈ পশ্চিমমুৱা হোৱাৰ বাতৰি গৈ বখ্তিয়াৰৰ কাণত পৰিলগৈ। পৰিস্থিতি অনুকূল নোহোৱা যেন অনুভৱ কৰি তীব্বত আৰু চীনদেশ জয় কৰাৰ আশা পৰিত্যাগ কৰি বখ্তিয়াৰে নিজ ৰাজ্যলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত কৰিলে। এই সুযোগতে কামৰূপী সৈন্যই আক্ৰমণ কৰি বখ্তিয়াৰৰ বহু সৈন্যক বধ কৰিলে আৰু বহুতকে বন্দী কৰিলে। যি শিলৰ সাঁকোৱেদি মুছলমান সৈন্য কামৰূপ ৰাজ্যত সোমাইছিলহি সেই সাঁকোও কামৰূপীয়াই ভাঙি দিলে। বখ্তিয়াৰৰ লগৰ সৈন্যবোৰে সিপাৰ হবৰ কাৰণে নৈত জাঁপিয়াই পৰিল। বহুত এনেকৈ নৈত বুৰি মৰিল। বখ্তিয়াৰ সাঁতুৰি পাৰ হৈ ৰক্ষা পৰিল। নমৰাকৈ বাচি থকা বখ্তিয়াৰৰ লগৰ তুৰ্কী সৈন্যখিনি লৈ বখ্তিয়াৰে কোচবিহাৰ হৈ গৌড়লৈ ঘূৰি গ'ল। তাৰ কিছুদিনৰ পিছত বখ্তিয়াৰৰ মৃত্যু হ'ল।

এইয়া খ্ৰীষ্টীয় ১২০৫/৬ চনৰ ইতিহাসৰ কাহিনী। এইয়াই অসমৰ লগত ইছলাম ধৰ্মাৱলম্বী মুছলমান লোকৰ প্ৰথম সম্পৰ্ক। বখ্তিয়াৰৰ লগৰ যিখিনি তুৰ্কী মুছলমান সৈন্য বন্দী হৈ কামৰূপত ৰৈ গ'ল, সেইয়াই ব্ৰহ্মপুত্ৰৰ পাৰৰ প্ৰথম মুছলমান অধিবাসী। এনে কিমান তুৰ্কী সৈন্য ৰৈ গৈছিল জনা নেযায়। বখ্তিয়াৰৰ লগত অহা বাৰ হেজাৰ তুৰ্কী

অশ্বাৰোহীৰ লগত হয়তো অনুগত আলি মেচৰ মেচ সৈন্যও কিছু আছিল। শিলৰ সেঁতু ভাঙি ঘূৰি যোৱাৰ বাটপথ, বন্ধ কৰি দিয়াৰ পিছত, আৰু কামৰূপীয়া সৈন্যৰ হাতত নিহত হোৱাৰ পিছত, আৰু বখতিয়াৰ নৈৰে সাঁতুৰি গুচি যোৱাৰ পিছত, কেই হাজাৰমান তুৰ্কী সৈন্য বন্দী হৈ ৰৈ যোৱাটো সম্ভৱ। এই সৈন্যখিনি পিছত কামৰূপৰ সাধাৰণ প্ৰজা হৈ ক'ত থিতাপি হ'ল জনা নেযায়। কিন্তু দৰং কামৰূপৰ সীমা-মূৰলীয়া কোনো অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰতে ৰৈ যোৱা বুলি ধাৰণা কৰিব পাৰি।

ইয়াৰ বাইশ-তেইশ বছৰৰ পিছত পুবৰ পৰা আহোম সকল যেতিয়া আহি কামৰূপ সোমাইছিলহি, ঠিক সেই সময়তে পশ্চিমৰ পৰা আৰু এটা মুছলমান অভিযান আৰম্ভ হৈছিল পশ্চিম কামৰূপলৈ। পৃথু ৰজাৰ ৰাজ্যলৈ।

তেতিয়া দিল্লীৰ শাসনকৰ্তা আছিল চুলতান ইলতুৎমিচ। বঙ্গৰ শাসনকৰ্তা আছিল চুলতান চাহাবুদ্দিন আইৱাজ। এওঁক চুলতান গিয়াচুদ্দিন নামেৰেও জনা গৈছিল। দিল্লীৰ শাসকৰ বিৰুদ্ধে গৈ চাহাবুদ্দিনে প্ৰথমে বিহাৰ জয় কৰে, তাৰ পিছত আৰম্ভ কৰে কামৰূপলৈ সশস্ত্ৰ অভিযান।

এনে সময়তে দিল্লীৰ শাসক ইলতুৎমিচৰ পুতেক নাচিৰুদ্দিনে বঙ্গ আক্ৰমণ কৰিলে। কামৰূপ এৰি থৈ চাহাবুদ্দিন বঙ্গলৈ ঘূৰি গ'ল। নাচিৰুদ্দিনৰ লগত হোৱা সংঘৰ্ষত চাহাবুদ্দিনে প্ৰাণ হেৰুৱালে। নাচিৰুদ্দিন বঙ্গৰ শাসনকৰ্তা হ'ল।

চাহাবুদ্দিনে বঙ্গ ৰক্ষা কৰিবৰ কাৰণেহে কামৰূপৰ পৰা ঘূৰি গৈছিল। সকলো সৈন্য যে লগত লৈ যোৱা নাছিল সেই কথা সহজে ধাৰণা কৰিব পাৰি। চাহাবুদ্দিনৰ সৈন্যবোৰৰ কিছু সংখ্যক যে কামৰূপত ৰৈ গৈছিল সেই কথাও বুজিব পাৰি।

এইদৰে আকৌ ব্ৰহ্মপুত্ৰৰ পাৰৰ গাঁও অঞ্চলত এদল নতুন মুছলমান প্ৰজাৰ অৱস্থান হ'ল। দেখদেখ কথা এই নতুন কামৰূপীয়া প্ৰজাসকল আছিল তুৰ্কী সৈন্য আৰু কাৰ্যত মুছলমান। এওঁলোকৰ সৰহ ভাগেই



প্ৰজাৰ লগত নিজৰ পৰিচয় মিহলাই পেলালে। কোনোবাই নিজৰ চিনাকি ৰাখি থলে 'লস্কৰ'। পিছলৈ হ'ল লহকৰ। আজিও আছে এই উপাধি। লস্কৰ মানে সৈন্য।

চাহাবুদ্দিনৰ ঠাইত বঙ্গৰ শাসনকৰ্তা হৈ দুবছৰ থকাৰ পিছত নাচিৰুদ্দিনে কামৰূপ আক্ৰমণ কৰিলে। তেতিয়াৰ কামৰূপৰ ৰজা পৃথু এইবাৰ নাচিৰুদ্দিনৰ হাতত পৰাজিত আৰু নিহত হ'ল। পৃথুৰ ৰাজ্যৰ অধিপতি হ'ল বঙ্গৰ শাসনকৰ্তা নাচিৰুদ্দিন। কিন্তু নতুনকৈ অধিকাৰ কৰা কামৰূপ ৰাজ্যত নিজে থাকি শাসন কৰি নেথাকি, ৰজা পৃথুৰ কোনোবা এজন উত্তৰাধিকাৰীক শাসনকৰ্তা পাতিলে আৰু কামৰূপৰ পৰা ৰাজহ, কৰ-কাটল পাই থকাৰ ব্যৱস্থা কৰি বঙ্গলৈ উভতি গ'ল।

এই ব্যৱস্থাৰ ফলত নাচিৰুদ্দিনৰ কিছু বিষয়া কৰকাটল তুলিবৰ কাৰণে ইয়াত ৰৈ গ'ল। ফৌজদাৰ, থানাদাৰ, তহচিলদাৰ শ্ৰেণীৰ বিষয়া আছিল নে নাই জনা নেযায়। কিন্তু বঙ্গৰ শাসকৰ কৰতলীয়া হিচাপে কামৰূপৰ শাসকজনে যে প্ৰজাৰ পৰা কৰকাটল তুলি নাচিৰুদ্দিনক দি থাকিবলগীয়া হৈছিল আৰু তাৰ কাৰণে যে নাচিৰুদ্দিনৰ বিষয়া কামৰূপত ৰাখিবলগীয়া হৈছিল সেইয়াও মানি লবলগীয়া কথা।

এনেদৰে ক্ৰমে কামৰূপত কিছু সংখ্যক মুছলমান সৈন্য আৰু কিছু-সংখ্যক চৰকাৰী বিষয়া যে ৰৈ গৈছিল সেই কথাও প্ৰমাণিত হোৱাৰ লগতে কামৰূপৰ বাহিৰৰ তথা ভাৰতৰ বাহিৰৰ এক নতুন সংস্কৃতিৰ লগত কামৰূপৰ যোগাযোগ ঘটাটোও দেখ-দেখ কথা।

প্ৰায় ত্ৰিশ বছৰ কাল এনেকৈয়ে কাটি গৈছিল। কামৰূপৰ প্ৰজাই বঙ্গৰ শাসক নাচিৰুদ্দিনক চুক্তি অনুসৰি কৰ-কাটল শোধাই আছিল। পিছলৈ কৰ শোধোৱা অনিয়মীয়া হোৱাৰ কাৰণেই হওক বা অন্য কোনো কাৰণতে হওক কামৰূপ ৰাজ্য আৰু এটা মুছলমান আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হ'ল।

এইবাৰৰ কামৰূপৰ আক্ৰমণকাৰী আছিল এজন মধ্য এচিয়াৰ উজবেক বংশীয় লোক—বঙ্গৰ শাসনকৰ্তা ইখতিয়াৰুদ্দিন মালিক তুগ্ৰিল খাঁ।

কামৰূপৰ শাসনকৰ্তাই চুক্তি অনুসৰি বঙ্গৰ শাসকক কৰ নোসোধোৱাকে হেতু কৰি তুগাৰিল খাঁই কামৰূপ আক্ৰমণ কৰিলে। আক্ৰমণৰ সম্মুখীন হ'ব নোৱাৰি কামৰূপৰ ৰজা ৰাজ্য এৰি পলাই গ'ল। ইখতিয়াৰুদ্দিনে কামৰূপ দখল কৰিলে। মালিক উজবেক ৰাজভঁড়ালৰ বহুত ধন-সোণৰ অধিকাৰী হ'ল। ৰাজক্ষমতা ঘূৰাই পাবৰ কাৰণে ৰজাই ইখতিয়াৰুদ্দিনলৈ প্ৰস্তাৱ পঠিয়ালে যে তেওঁক ৰাজ্য ঘূৰাই দিলে ৰজাই বহুত হাতী, ধন-সোণ আৰু কৰ-কাটল তেওঁক দি থাকিব। মালিক উজবেক মান্তি নহ'ল। কিছুদিন বাট চাই, কামৰূপৰ ভগা ৰজাই অন্য এক বুদ্ধি পাঙিলে। ৰাজ্য অধিকাৰ কৰি মালিক উজবেক বহুত ৰচদ-পাতি খাদ্য-সামগ্ৰীৰো অধিকাৰী হৈছিল। আৰু এইবোৰ ৰজাঘৰীয়া খাদ্য ভঁড়ালত মজুত ৰখা হৈছিল। পৰৱৰ্তী খেতিৰ বতৰত অধিক খাদ্য শস্য ৰাজভঁড়াললৈ আহিব, গতিকে বৰ্তমান থকা খাদ্য সামগ্ৰীবোৰ বেচি দিয়াহে ভাল হ'ব বুলি ভগাৰজাৰ পক্ষৰ পৰা মালিক উজবেকক বুজোৱা হ'ল। এনে বুজনিত প্ৰত্যয় গৈ সৰহ মূল্যত ৰাজভঁড়ালৰ সঞ্চিত খাদ্য বস্তুবোৰ বেচি দিয়া হ'ল। খাদ্যবস্তু সৰহ দিন ৰাখিও থব নোৱাৰি।

পিছে খেতিৰ বতৰ আহিলত, চল চাই ভগা ৰজাৰ নিৰ্দেশ অনুসৰি কামৰূপৰ মানুহে নৈৰ মথাউৰি ভাঙি শস্যৰ পথাৰলৈ বানপানীৰ নিচিনাকৈ পানী সুমুৱাই শস্যবোৰ বুৰাই পেলালে। সৈন্যৰ ৰচদ-পাতি নোহোৱা হৈ আহিল। ইখতিয়াৰুদ্দিনে লগত যি পাৰে সৈন্য লৈ গুৱাহাটীৰ পৰা (তেতিয়া উত্তৰ গুৱাহাটীহে কামৰূপ ৰাজ্যৰ ৰাজধানী আছিল, ব্ৰহ্মপুত্ৰ বৈছিল হাজোৰ কাষেদি) খাছী পাহাৰ আৰু গাৰো পাহাৰৰ নামনিয়েদি মৈমনচিঙৰ ফালে ওভটা যাত্ৰা কৰিলে। বাৰিষা কাল। দুৰ্গম বাটপথ, ব্ৰহ্মপুত্ৰত দুকুলভৰা পানী। এনে সময়তে সুবিধা বুজি কামৰূপৰ সৈন্যবোৰে মালিক উজবেকৰ সৈন্যক আক্ৰমণ কৰিলে। এই যুদ্ধত ধেনু কাঁড় ব্যৱহাৰ কৰা হৈছিল। ইখতিয়াৰুদ্দিনে যুদ্ধ কৰিছিল হাতীৰ ওপৰত উঠি। কাৰোবাৰ কাঁড়ত মালিক উজবেক শৰবিদ্ধ হৈ হাতীৰ পৰা বাগৰি পৰিল। তেওঁক, তেওঁৰ লগত



যোৱা পৰিয়ালৰ অন্যান্য মানুহক আৰু সৈন্য-বিলাকক বন্দী কৰা হ'ল। কাঁড়ৰ আঘাতত মালিক উজবেকৰ মৃত্যু হ'ল। কামৰূপ ৰাজ্য কিছু-বছৰৰ কাৰণে পশ্চিমৰ পৰা হোৱা মুছলমানৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিল।

ইখতিয়াৰুদ্দিনে গুৱাহাটী ৰাজধানীৰ পৰা কামৰূপ ৰাজ্য কিছুদিন শাসন কৰিছিল। সৰহদিন স্থায়ী নহলেও মুছলমান শাসনৰ প্ৰভাৱ কম বেছি পৰিমাণে, ৰাজ্যখনৰ ৰাইজৰ ওপৰত নপৰাকৈ থকা নাছিল। বঙ্গ বিহাৰৰ মাজেদি বাগৰি অহা উত্তৰ পশ্চিম ভাৰতৰ সাংস্কৃতিক প্ৰভাৱৰ সোঁত কামৰূপৰ বুকলৈও সোমাই আহিছিল। মুছলমান মানুহো (সৈন্য) ভাটি অঞ্চলত ৰৈ গৈছিল। এনে আক্ৰমণৰ পৰা গুৱাহাটীক ৰক্ষা কৰিবৰ কাৰণেই, আৰু ৰাজধানী পোৱাৰ আগতে মুছলমান আক্ৰমণকাৰীক বাধা দিবলৈ সুচল হ'ব বুলি গুৱাহাটীৰ পৰা কামৰূপৰ ৰাজ্যৰ ৰাজধানী কমতাপুৰলৈ তুলি নিলে।

মধ্য এচিয়াৰ উজবেক সৈন্য, ইৰাণৰ আফগানিস্তানৰ সৈন্য, দিল্লী আৰু উত্তৰ ভাৰতৰ অন্যান্য ঠাইৰ মুছলমান সৈন্য কামৰূপ জয় কৰিবলৈ আহি বন্দী হিচাপে বা মুক্ত নাগৰিক হিচাপে ইয়াতে ৰৈ গ'ল। ইয়াৰ সংস্কৃতি সভ্যতা ভাষা দৰ্শনৰ লগত যোগ দিলে নতুন এক অধ্যায়। বৃদ্ধি হ'ল এই দেশৰ জনসংখ্যা, বৃদ্ধি হ'ল এই দেশৰ সমস্যা। লগতে বৃদ্ধি হ'ল এই দেশত চলা ভাষাৰে কথা কোৱা মানুহৰ সংখ্যা। ক্ৰমে এই মানুহবোৰৰ অন্য পৰিচয় নোহোৱা হৈ আহিল—থাকিল মাথোন নিজৰ কাৰণে নিজৰ ধৰ্ম। বিয়া কৰালে ইয়াৰে ছোৱালী, থলুৱা ৰাইজৰ লগত সম্বন্ধ ঘনিষ্ঠ হ'ল। হাতৰ যুদ্ধৰ অস্ত্ৰ একাষৰীয়াকৈ থৈ সিহঁত হৈ পৰিল কামৰূপ দেশৰ কৃষক প্ৰজা। বন্দুকৰ নল নাঙলৰ ফাল হ'ল। ঘেঁহুৰ ৰুটি খোৱা মানুহ হ'লহি চাউলৰ ভাত খোৱা প্ৰজা। বাহুৰ মাংসপেশীত ৰণুৱা চিপাহীৰ বলশক্তি ৰৈ গ'ল। পিছলৈ এই বিদেশী অভিযানকাৰীহঁতেই থলুৱা ৰণুৱাৰ লগ লাগি নতুন বিদেশী অভিযানকাৰীৰ বিৰুদ্ধে যুঁজ দিলে। সিহঁতে এই দেশৰ শক্তি বঢ়ালে।

এনেকৈয়ে এদিন দুদিন, এমাহ দুমাহকৈ আঢ়ৈশ বছৰ পাৰ হৈ

গ'ল। ইয়াৰ ভিতৰতে আৰু কেইবাটাও মুছলমান অভিযান চলিল। মাজে মাজে পীৰ আউলীয়া সকলো এই দেশলৈ আহিল। ইছলাম ধৰ্মী প্ৰজা কামৰূপ দেশৰ বিভিন্ন ঠাইত বিয়পি পৰিল।



দেৱতা চোমদেও, তিনি গৰাকী কুঁৱৰী, এটা দ'তাল হাতী, এজনী মাখুন্দী হাতী, তিনিশ বগুৰা ঘোঁৰা, ন হেজাৰ লগত অহা 'তাই' প্ৰজা আৰু কিছু সংখ্যক বিষয়া—আৰু সকলোৰে মূলত আৰু আগত চাও লুং চুকাফা চীন দেশৰ ইয়াংচিকিয়াৰ নৈৰ দক্ষিণ অঞ্চলৰ পৰা দক্ষিণলৈ আহি আছিল। আহি আহি নৰাৰ দেশ পালেহি। নৰা সকলো পূৰ্বৰ 'তাই' বংশীয় লোকেই। চাও লুং চুকাফাক নৰা ৰজায়ো সহায় কৰিলে। সৌমাৰ ৰাজ্য সোমোৱাত চাও লুং চুকাফাই বৰ বাধা নেপালে। চুকাফাক ৰাজ্য লাগে, খেতিৰ মাটি লাগে, অধীনস্থ কৃষক বন্দুৱাবোৰৰ কাৰণে ভেটিমাটি লাগে।

দক্ষিণ চীন দেশত নানচাও নামে এখন ৰাজ্য আছিল। তাতে কলেফুং নামে এজন প্ৰতাপী ৰজাই ৰাজত্ব কৰিছিল। এই কলেফুং সম্ৰাটে তিব্বতৰ লগত, বৰ্মাৰ লগত, মণিপুৰৰ লগত আৰু কামৰূপৰ কমতা ৰাজ্যৰ লগতো মিত্ৰতা কৰিছিল। তেতিয়াৰ মণিপুৰৰ ৰজা নাও-থিংখঙে কলেফুঙৰ ৰজালৈ নাচনী আৰু গায়ন-বায়নৰ এটা দল পঠিয়াইছিল—মিত্ৰতাৰ চিন হিচাপে।

চুকাফাৰ আগতে হেনো—চামলুংফা নামে এজন তাই সেনাপতি



আছিল। তেতিয়া ব্ৰহ্মপুত্ৰৰ পাৰত আৰু দক্ষিণৰ পৰ্বতত আছিল চুটিয়া, বৰাহী, নগা, আৰু কমতা ৰাজ্য। চামলুংফাই এই ৰাজ্যবোৰ জয় কৰিছিল। এইবোৰ ৰাজ্য চামলুংফাৰ কৰতলীয়া কৰিছিল। কৰ তুলিবৰ কাৰণে এই ৰাজ্যবোৰত একোজন কৰতোলা বিষয়া থিতাপি কৰিছিল। হাতী-ঘোঁৰা, লগুৱা-লিকচৌ লৈ চুকাফা যেতিয়া সৌমাৰত সোমালহি, তেতিয়া মৰাণৰ ঘৰৰ ঠিমুন পাতৰ আৰু বৰাহী খেলৰ গড়গঞা সন্দিকৈ আদিয়ে চাওলুং চুকাফাক সকলো প্ৰকাৰে সহায় কৰি দিলে। চুকাফাই সৌমাৰত প্ৰতিষ্ঠা কৰিলে মুংদুন চুং খাম—সোণৰ দেশ। চুকাফাক সৌমাৰ জয়ত সহায় কৰা কৰতোলা বিষয়া সকলক চুকাফাই বিষয় বাব দি নিজৰ তলতীয়া বিষয়া কৰিলে।

পাটকাই পাৰহৈ সৌমাৰ ভূমিলৈ সদলবলে আহোঁতে চুকাফাৰ লগত ঢুলীয়া কালীয়াৰ দলো আহিছিল। এই ঢুলীয়াহঁতে বৰ্মা দেশৰ ঢোলৰ নিচিনা ঢোল বজাইছিল। ৰজা পাৰিষদৰ মন বিনোদনৰ কাৰণে, লেংভেনৰ পূজাত ঢোল বজোৱা ঢুলীয়া আছিল অপৰিহাৰ্য্য। দীঘলে এহাত চাৰি আঙুল, পথালিয়ে কোবনিৰ ফালে এবেগেত আৰু তালিৰ ফালে এমুঠন কাঠৰ ঢোল। তাৰ লগত অন্য নানা বাদ্য-যন্ত্ৰ—ঢুলীয়াই মালিতাত তাৰ কাহিনী গায়—

জয়ঢোল ঢাকঢোল টৈমেকা কুৰুলি জানা,
স্বৰ্গ হন্তে পাতালত হৈ আছে বাজনা,
হংসধৰলে কৰিলেক সুৱৰ্ণৰ ঢোল,
দীঘলে একহাত, পথালি চৈধ্য আঙুল।

দীঘলে একহাত, পথালি চৈধ্য আঙুল। নিপুণ ঢোলকটা বাঢ়ৈয়ে কাটি উলিয়ায় ঢোল। ঢোলটো, কাঠৰ দীঘলীয়া খোলটো শব্দাই নেৱাজে। তাৰ লগত লাগিল বৰতি, কোৱা, তালি, কানাৰি জৰি, মলুৱা ফৰিঙা; কাতনি কুতনি চাল, ঢোলৰ মাৰি, ঢোল অৰাঁ জৰি, ঢোলত মেৰোৱা গামোচা আদি সৰু বৰ নানা সামগ্ৰী। পিছে সকলো নহলেও তিনিটা বস্তু নহলেই নহয়—কাঠৰ খোলটো, গৰু ছালৰ খোলৰ দুই মুৰৰ ঢাকনি দুখন, আৰু ঢোল বজোৱা ঢোলৰ মাৰি ডাল।

ঢুলীয়াহঁতৰ মতে ঢোলটো অতি প্ৰাচীন বাদ্য ঃ

সত্যযুগে পাতিছিলা হৰগৌৰীৰ বিয়া,
তেতিয়া বজালে ঢোল অনাদি ঢুলীয়া,
ত্ৰেতাযুগে পাতিছিলে ৰামচন্দ্ৰৰ বিয়া,
তেতিয়া বজালে ঢোল বিনন্দী ঢুলীয়া।
দ্বাপৰত পাতিছিলে ৰুক্মিণীৰ বিয়া,
তেতিয়া বজালে ঢোল নন্দী ঢুলীয়া।
কলিযুগে দেৱবংশী ৰজা নামি যায়,
সোধন ঢুলীয়াই ঢোল বাই আনিলে নমাই।

সত্য, ত্ৰেতা, দ্বাপৰ, কলি—যুগে যুগে অনাদি, বিনন্দী, নন্দী, সোধনহঁতে ঢোল বজাই আহিছে। সোণৰ জখলাইদি স্বৰ্গৰ পৰা নামি অহা চাওলুং চুকাফাকো ঢোলে ডগৰে আগবঢ়াই আনি চৰাইদেওৰ টিঙত বহুৱালেহি—এই 'ছাম' সকলক।

লুইতৰ পাৰত, দিহিঙৰ পাৰত, বৰনৈৰ পাৰত পৰ্বতে-ভৈয়ামে বিয়পি আছিল মিৰি, আবৰ, অ'কা, ডফলা, তিব্বত বৰ্মী বংশৰ লোক। দক্ষিণলৈ পৰ্বত অঞ্চলত সেই একেই বংশজাত নগা, কাৰ্বি, লুচাই (মিজো) আৰু মণিপুৰী বিলাক আছিল। দিখৌৰ পৰা পশ্চিমলৈ বিৰাট অঞ্চল বিয়পি আছিল কছাৰীসকল। এওঁলোকে উত্তৰ বৰ্মাৰ শ্যান ৰা ছান তাই সকলৰ কথা জানিছিল। চুকাফা আৰু তেওঁৰ লগত অহা লোক সকলৰ চিনাকি হ'ল 'ছাম'। সৌমাৰত এই ছামে পতা দেশখনৰ নাম দিলে আছাম—ছাম দেশ। এই আছামেই হ'ল—আহম, আহোম, আসাম। ক্ৰমে এই আহোমৰ ৰাজ্যখনেই হ'ল আহোম ৰাজ্য, আছায় ৰাজ্য, অছম ৰাজ্য। কোনোবাই বুলিলে আসম।

আছাম দেশৰ নতুন নৃপতিয়ে ইয়ালৈ আহি যিবোৰ মানুহক লগ পালেহি তাৰ সৰহ ভাগেই পুৰ্বৰ নিজৰ গিয়াতিৰেই মানুহ—সৌমাৰৰ মটক ৰাজ্য, মৰাণ ৰাজ্য, বৰাহী ৰাজ্য—এইবোৰ ৰাজ্য পুৰ্বৰ তাই ৰজা চামলুঙেই পতা। এইবোৰ ফৈদৰ মানুহ চুকাফা অহাৰ আগতেই খুনলুং খুনলাইৰ ৰাজ্য মুংৰিমুংৰামৰ ফালৰ পৰাই আহি ইয়াত থিতাপি



লৈছিলহি। এওঁলোকো পুৰ্বৰ তাই বংশৰে মানুহ আছিল। ক্ৰমে চুকাফাৰ আছাম ৰাজ্যৰ শক্তি প্ৰতিপত্তি বাঢ়িল—মটক, মৰাণ আদি ফৈদৰ লোকসকল আছাম ৰাজ্যৰ বা আহোম ৰাজ্যৰ বুকুত সোমাই পৰিল।

ডিমাচা সকলে আছমক বুলিলে আছোম।
তিৱা লালুঙে বুলিলে—আছম।

ইতিহাসে অতি-গুৰি বিচাৰি নোপোৱা যিসকল আদিম অধিবাসী হিমালয়ৰ নামনিৰ লুইতৰ পাৰৰ এই প্ৰাচীন উৰ্ব্বৰা ভূখণ্ডত হাজাৰ হাজাৰ বছৰ বসতি কৰি আহিছিল আৰু য'ত কালক্ৰমত আহি থিতাপি লৈছিলহি দ্ৰাবিড়, আৰ্য্য, অষ্ট্ৰিক, কিৰাট বংশজ লোকসকলে, তাতেই আহি সোমাই পৰিছিলহি মধ্য এচিয়াৰ টুৰ্কী উজবেক, ইৰাণীয় বংশোদ্ভূত লোক, মঙ্গোলীয় গোষ্ঠীৰ লোক, তিব্বতধৰ্মী লোক আৰু নানা ফৈদৰ, নানা জাতিৰ লোক—। সকলো ইয়ালৈ আহি ইয়াৰেই বাসিন্দা হৈ পৰিছিল, ইয়াৰে বহুতে দেশৰ ইতিহাসৰ বুকুত জীৱন্ত স্বাক্ষৰ ৰাখি থলে। কাৰোবাৰ ইতিহাস কালৰ বুকুত লোপ পালে। আৰ্য্য হিন্দু, বৌদ্ধ, মঙ্গোল, খৈৰামী, ইছলাম ধৰ্মী তুৰুক—সকলো মিলি এক ৰাজ্য, এক দেশ ৰচনা কৰিলে—সেয়ে কামৰূপ।



বৰ লুইতৰ পাৰলৈকে ঠাল-ঠেঙুলি মেলি পৰি আছে ওখ-চাপৰ পাহাৰবোৰ। বৰ লুইতৰ উত্তৰলৈও কিছু নিলগত একে ধৰণৰ ওখ-চাপৰ পাহাৰ। সিপিনে হিমালয় চুইছেগৈ, বাট বিচাৰি বিচাৰি, বাট উলিয়াই উলিয়াই বৰ লুইতখন পুবৰ পৰা পশ্চিমলৈ বৈ গৈ আছে।

ওখ আৰু ওখ, তাতোকৈ ওখ।

সেউজীয়া, ধূৰলীয়া, নীলা, ধূঁৱলি-কুঁৱলি, তাৰ সিপাৰে আকাশ। আকাশৰ বুকুত উৰি ফুৰা বগা-ক'লা মেঘ। বাৰিষা মেঘ, খৰালি মেঘ, আহিন কাতিত মেঘ, ফাগুন চ'ততো মেঘ। সেইটো মেঘৰ পৰ্বত, সেইটো ডাৱৰৰ পৰ্বত। সেইখন মেঘৰ দেশ—গভীৰ অৰণ্যৰ গছবোৰৰ শিখৰৰ লগত কিবা ফুচফুচীয়া কথা পাতি পাতি মেঘবোৰ এটা পাহাৰৰ পৰা অন্য এটা পাহাৰলৈ যায়। পৰ্বতৰ ওপৰৰ এই ক'লা বগা মেঘবোৰৰ কৌটিকলীয়া মিতিৰালি বতাহ জাকৰ লগত। বতাহ-জাকে মেঘবোৰক পিঠিত তুলি উৰাই লৈ ফুৰায়; ক'ৰবাত মেঘ বৈ যায়, বতাহ নবয়।

দিনত দক্ষিণৰ এই পৰ্বতমালা তেনেই ওচৰতে থকা যেন লাগে। তালৈ যাবলৈ পাহাৰৰ ওপৰে ওপৰে ঠেক পৰ্বতীয়া অকোৱা-পকোৱা বাট। সদায় সৰা শুকান গছ পাতেৰে ঢাকি থয়। ক'ৰবাত শিল, ক'ৰবাত বোকা। গছবোৰত বান্দৰ, হলো, জহামাল, কেৰ্কটুৱা। তলৰ হাবিত বাঘ, ভালুক, হৰিণা, শৰ, হাতী, গঁড়। আৰু গছৰ ডালে ডালে নানা বৰণৰ, নানা জাতৰ, নানা মাতৰ যতমানে বনৰীয়া চৰাই।

মানুহে বাট বিচাৰি নেপায়। নৈয়ে নিজা বাট বিচাৰি পায়। বনৰীয়া হাতী-বাঘ-ম'হ-গাহৰিয়ে, ভালুক-শিয়ালে বাট উলিয়াই লয়।

সেইখন মেঘৰ দেশ, সেইটো মেঘৰ পৰ্বত, তাৰ পৰাই বৈ আহিছে কপিলী—তাৰ পৰাই বৈ আহিছে—পূবৰ সেই একেই মেঘৰ দেশৰ পৰাই বৈ আহিছে ধনশিৰি। সেই পৰ্বতীয়া নৈৰ বুকুত অচিনাকি দেশৰ শেষ নোহোৱা সাধুকথা। ওপৰত ধনশিৰিৰ নাম ডি-মা—ৰৰ নৈ।

কপিলীৰ বুকুত মেঘৰ দেশ খিৰিয়েমৰ বতৰা, খৈৰামৰ বতৰা, এখন অজান অচিন দেশৰ বতৰা।

সেই খৈৰামতো মানুহ থাকে—এবিধ বেলেগ মানুহ। সেইখন তিৰোতাৰ দেশ। নাৰীহে তাত সৰ্বেসৰ্বা, পুৰুষহে তিৰোতাৰ লগৰীয়া। সিহঁতে পৰ্বতৰ ওপৰত চাপৰ চাপৰ ঘৰ সাজি থাকে। তামোল পাণ ৰোৱে, পৰ্বতৰ শিল পুৰি চূণ উলিয়াই পাণত সানি তামোলৰ লগত



খায়। পৰ্বতক পৱিত্ৰ বুলি পূজা কৰে। পাণ, চূণ, হালধি দি পূজা কৰে। প্ৰতিখন খৈৰামী গাঁৱৰ গাতে লগা একোখন পবিত্ৰ অৰণ্য থাকে। মৃতকৰ সংকাৰ কৰিবৰ কাৰণেহে তাৰ গছ কাটে, অন্য কাৰণত কেতিয়াও নেকাটে। পৰ্বতবোৰ দেৱতা, পৰ্বতৰ ওপৰৰ কিছুমান বিশেষ ঠায়ো দেৱতা। সিহঁতৰ মাত কথা বেলেগ, পৰ্বত ভৈয়াম ওচৰ-দূৰণিৰ কাৰো মাত কথাৰ লগত নিমিলে। সিহঁতৰ মাত কথা সিহঁতৰ মানুহ খিনিয়েহে বুজি পায়।

চাউল, কড়ি আৰু তেনে কিবা-কিবি মাটিত চটিয়াই সিহঁতে মঙ্গল চায়, ভাগ্য পৰীক্ষা কৰে। কণী ভাঙি, মৰা-কুকুৰাৰ বা অন্যান্য জন্তুৰ বুকু ফালি কলিজা, যকৃত ফালি-চিৰি চাই ভাগ্য গণনা কৰে। কণী হৈছে খুনু কা ৱেই—দেৱীৰ সন্তান। এই খৈৰামীহঁতৰ জীৱনত ডিম, অণ্ড বা কণীৰ অপৰিসীম প্ৰভাৱ। ব্ৰহ্মাৰ অণ্ডৰ পৰা যদি ব্ৰহ্মাণ্ড হৈছে, খৈৰামীহঁতৰ জন-শ্ৰুতিত আছে যি কথা সিহঁতৰে অন্যান্য দেশত থকা বংশধৰহঁতে বিশ্বাস কৰে যে দেৱতা তাঙ্গালোৱাই এটা কণী ভাঙি স্বৰ্গ, মৰ্ত্য আৰু দ্বীপবোৰ সৃষ্টি কৰিছিল। এই কণীটো পিছে অকণমান পাৰ কণী বা জেঠি কণীৰ সমান অকণি-অকণি নহয়। সেই কণীটো এটা বিয়াগোম কণী—নহলে সেইটো ভাঙি স্বৰ্গ, মৰ্ত্য, আৰু দ্বীপবোৰ কেনেকৈ সৃষ্টি কৰিলেহেতেন? মানুহ মৰাৰ পিছত আত্মা গৈ একো জোপা গছ হয়, সেয়েহে সিহঁতৰ কাৰণে গছ ইমান পবিত্ৰ, গছ দেৱতা। খৈৰামীহঁতৰ পূজ্য, নমস্য।

দক্ষিণৰ পৰ্বতৰ ওপৰৰ ডাৱৰৰ দেশৰ মানুহৰ চলন-ফুৰণ, কথা বতৰাও সুকীয়া। ওচৰ-পাজৰৰ পৰ্বতৰ আৰু ভৈয়ামৰ অহিন্দু জনজাতি মানুহবিলাকে কোনোবা মৰিলে গাঁতখানি পুতিহে থয়। কিন্তু এই খৈৰামী বা খাছী বিলাকে মৰাঁশ জুইত পোৰে, দাহ কৰে। অতীত কালৰে পৰা।

ঋক্‌বেদতো আৰ্য্যসকলে মৃতকক সমাধিস্থ কৰাৰ বা কবৰ দিয়াৰ কথা পোৱা যায়। মৃতকক 'মাটিৰ ঘৰ'ত থোৱাৰ কথা, গাৰ ওপৰত মাটি দি ঢাকি দিয়াৰ কথা পোৱা যায়। আৰ্য্যসকল ভাৰতলৈ আহি,

কোনো কোনো আদিম অধিবাসীৰ সংস্পৰ্শলৈ আহিহে কালক্ৰমত মৰাশ অগ্নিত দাহ কৰাৰ ৰীতি প্ৰৱৰ্তন কৰা বুলি কোনো কোনোৱে ভাবে। সেয়ে যদি হয়, এই খৈৰামী বিলাক বা খাছী বিলাক কোনোবা বুৰঞ্জী আৰম্ভ হোৱাৰ আগৰ কালতে মধ্য ভাৰত বা দক্ষিণ ভাৰত ক'ৰবাৰ পৰা আহি এই মেঘৰ দেশত থাকিবলৈ লৈছিলেহিনেকি? ভাৰতত আৰ্য্য-সভ্যতা আৰু দ্ৰাবিড় সভ্যতা প্ৰতিষ্ঠা হোৱাৰ পূৰ্বেই উত্তৰ ভাৰতত আছিল মুণ্ডা জনজাতিৰ কিছুমান মানুহ। আৰু আছিল কোল জনজাতিৰ কিছুমান মানুহ। যেতিয়া আৰ্য্যসকল আহি এইবোৰ মানুহৰ মাজ পালেহি, তেওঁলোকৰ হেঁচাত কোল, মুণ্ডা জনজাতিৰ কিছুমান মানুহ তাৰ পৰা ভাগি আহি পূব দেশ পাইছিলহি—কামৰূপ পাইছিলহি—হয়তো এই মেঘৰ পৰ্বত পাইছিলহি। হয়তো সিঁহতেই এই খাইৰিমীবোৰ—খাছীবোৰ।

এই খৈৰামীবিলাক এটা সুকীয়া জনগোষ্ঠী, সিহঁতৰ এখন সুকীয়া সমাজ আছে, কিছুমান নিজস্ব ৰীতি-নীতি আছে, নিজস্ব ধৰ্ম, নিজস্ব বিশ্বাস আছে। এইপাৰে কামৰূপ—কমতা, বড়ো, কছাৰী, ডিমাচা, ভোট—সিপাৰে—এই ডাৱৰৰ পৰ্বতৰ সিটো পাৰে—দক্ষিণত আছে শ্ৰীহট্ট, আছে কাছাড়। মেঘালি পৰ্বতমালাৰ উত্তৰে-দক্ষিণে এখন বিশাল কছাৰী ৰাজ্য—দিখৌৰ পশ্চিমৰ পৰা উত্তৰে কপিলী পাৰলৈ, দক্ষিণে কাছাড়লৈ।

খৈৰামীবিলাক—খাছীবিলাক এই পৰ্বতৰে, এই পূৰ্ব ভাৰতৰে আদিম অধিবাসী নেকি? ইয়াৰ পৰাই অস্ট্ৰিকভাষী এই বুৰঞ্জীতকৈও পুৰণি মানুহখিনিৰ বংশধৰ বৰ্মা, আৰু পূব এচিয়াৰ দেশবোৰলৈ, অষ্ট্ৰেলিয়ালৈ গৈছিলনেকি? আদিতে ইয়াৰেই হওক বা কোনোবা কালতে ক'ৰবাৰ পৰা আহি ইয়াতে হেজাৰ হেজাৰ বছৰৰ পৰা বসবাস কৰি থকাই হওক, এটা কথা সঁচা—এই কামৰূপ ভূমিখণ্ডতে লুইত সুৰমাৰ বুকুৰ মাজতে এই মানুহখিনিও আছে। যাৰ লগত ভৈয়ামৰ কোনো মানুহৰে কোনো ৰকমৰে মিল নাই।

আনকি পশ্চিমৰ গাৰো আৰু পূবৰ জয়ন্তীয়া বিলাকৰ লগতো নানান



পাৰ্থক্য। আজিৰ নৃতত্ত্ববিদে এই খাছী সকলক, খৈৰামী সকলক অস্ট্ৰিক নাম দিছে। মাছ, কাছ, গাহৰিক ঈশ্বৰৰ অৱতাৰ বুলি ধৰিবলৈ আৰ্য্য হিন্দুসকলে হেনো এই জনগোষ্ঠীৰ পৰাই শিকিছিল। মৃতদেহ দাহ কৰাৰ পিছত অস্থি সঞ্চয় কৰা, পিছত সেই অস্থিক মাটিত পুতি থোৱা আৰু সেই সমাধিৰ ওপৰত চটা শিল পুতি স্মৃতিৰক্ষা কৰাৰ প্ৰথাও অস্ট্ৰিকৰ আছিল।

বহু ধ্যান ধাৰণা, বহু ৰীতি পদ্ধতি, বহু সংস্কাৰ হিন্দু ধৰ্মৰ লগত কিছু দূৰ মিলে যদিও, অন্য কোনো মিল নাই খাছীয়া আৰু হিন্দুৰ মাজত। কিন্তু একে ঠাইতে আছে কমতা—কামৰূপৰ লুইতপৰীয়া কামৰূপী মানুহ আৰু কাষৰে পৰ্বতৰ ওপৰত খৈৰামী, নিজৰ ভাগে থাকে—খৈৰামী-খাছীয়া-গাৰো-জয়ন্তীয়া। আৰু নিজৰ ভাগে থাকে লুইতপৰীয়া কামৰূপীয়া অছমীয়া, ক'ৰবাত সৰ্বেসৰ্বা তিৰোতা, ক'ৰবাত সৰ্বেসৰ্বা পুৰুষ। খৈৰামী তিৰোতাই খেতি কৰে, নিজৰ দেহাৰ শ্ৰমৰে পৰিয়ালৰ অন্ন সংস্থান কৰে। তাত তিৰোতাৰ একান্ত প্ৰাধান্য আৰু প্ৰতিপত্তি। এক নাৰীকেন্দ্ৰিক আৰু নাৰী প্ৰধান সমাজ—খৈৰামী খাছীসকল। তিৰোতাই দন কৰে, ৰণ নকৰে। মেঘৰ দেশত, ঘন, শ্যামল অৰণ্যৰ মাজত নিজৰ গীত মাত নৃত্য বাদ্য লৈ শান্তিৰে থাকে এই পৰ্বতবাসী খাছীসকল। দক্ষিণলৈ মু কৰিলেই অসম দেশৰ মানুহে খৈৰামীহঁতক দেখা পায়। অকণমান কাণ দিলেই তাৰ কংহঁতৰ, ভনীহঁতৰ নংক্ৰেম নাচৰ মৃদু বাদ্যৰ সুৰধ্বনি শুনিবলৈ পায়। তেওঁলোক অসম দেশৰ প্ৰজাৰ মিত্ৰ—

ওলায়ো দেখিবা যাক,
শত্ৰু নেভাবিবা তাক।

পৰ্বত ভৈয়ামৰ মাজত কোনো শত্ৰুতা নাই।



ভাদ মাহ শেষ হৈ আহিছিল। ৰ'দজাক কোমল হৈ আহিছিল। নৈৰ ফালৰ পৰা এজাক কোমল বতাহ জিৰ্‌জিৰ্ কৰি বৈ আহিছিল। প্ৰায়বোৰ মানুহে শালি খেতি সামৰি অলপ জিৰণি লৈছিল। ঘৰে ঘৰে মতা-তিৰোতা সকলোৱেই নিজ নিজ ঘৰুৱা কাম ধীৰে সুস্থে কৰাত ধৰিছিল। কোনোৱে পাচি-খৰাহী সজা, কোনোৱে লাহনী-লেহেতি, খালৈ-খ'ৰা সজাৰ নিচিনা লঘু, হাতৰ লাচতে কৰিব পৰা কামবোৰ কৰিবলৈ লৈছিল।

কোনোৱেই এনেই বহি নেথাকে। মতাই মতাৰ ভাগে আৰু তিৰোতাই তিৰোতাৰ ভাগে কাম কৰি গৈছিল। সৰু ল'ৰা-ছোৱালী-বোৰে কাৰোবাৰ চোতালত বা কোনোবা বুঢ়া বৰগছ, জৰীগছৰ তলত গোট খাই জুম বান্ধি ধেমালি কৰিছিল। মাজে মাজে দন-কাজিয়া লাগে, মৰিয়ামৰিও লাগে। কোনোবাই কান্দে, কোনোবাই নিচুকাই শাঁত কৰে। দন-কাজিয়া, হাঁহি-কন্দাটোও ধেমালিৰ লগৰে এটা ধেমালি। ল'ৰা-ছোৱালীয়ে নেকান্দি আৰু ডেকা-গাভৰু, বুঢ়া-বুঢ়ীয়ে দন কাজিয়া কৰি কান্দিবনে?

ধাননি পথাৰত চপচপীয়া পানী। আলি দি, ভেটা মাৰি বন্ধ কৰি থৈছে। ভাদ আহিনত ধাননি পথাৰত পানী নেথাকিলে ধান ভাল নহয়। আহিন সোমোৱাৰ লগে লগে বৰষুণ কমি আহিব। ভাদ মাহৰ নিচিনা কলহৰ কানে ঢলা ঢল নহা হ'ব। আকাশৰ মেঘবোৰ নোহোৱা হ'ব। গজালি ধৰা ধাননি পথাৰবোৰ সকলো সেউজীয়া হ'ব। ধাননিবোৰে বতাহত হালিব-জালিব—খেতিয়কৰ মনবোৰ এটা কথাৰে বুজাই কব নোৱাৰা আনন্দেৰে ভৰি পৰিব।



তাঁতৰ পাতত বহি সোণপাহিয়ে চিগা সূতা জোৰাইছিল। ওচৰতে ডুখৰি পীৰা এখনত বহি জেতুকীয়ে মহুৰা ফুৰাইছিল। অলপ নিলগতে ঢাৰি এখনত বহি লৈ ৰহিলা বুঢ়ীয়ে চাল পীৰাৰ খুটা বটালিৰে এমুৰে খুলি তামোল খুন্দনা কৰা খুন্দনাটোত খুন্দনা-মাৰি এডালেৰে তামোল খুন্দিছিল। ৰহিলা বুঢ়ীৰ মুখত এমোকোৰা তামোল তেতিয়াও আছিল। ৰহিলাৰ দাঁত সকলোবোৰ সৰিছে। তথাপি দাঁতৰ আলুৰেই চুহি চুহি খুন্দা তামোল এখন পকটিয়াই নেথাকিলে থাকিব নোৱাৰে। ৰহিলাই এসোপা পিক গিলে, এসোপা পেলায়। তাই য'তে ব'হে তামোলৰ পিকেৰে গোটেইখন পিকাই ৰাঙলী কৰে। বুঢ়ীৰ গাত তামোলৰ পিকৰ দাগ লগা এখন পুৰণি কপাহী মেখেলা, গাত এডোখৰ গামোচা। বয়স হৈছে। ৰহিলাৰ চুলিবোৰ ধো ধো কৰে বগা হৈ পৰিছে। গাটো শুকান। গামোচাখন গাত নৰয়। মতা মানুহ কোনোবা ওচৰত নেথাকিলে ৰহিলাই গামোচাখন এনেয়ে মূৰে কান্ধে পেলায় থয়। শুকান বুকুখন ঢকা নঢকা একে কথা।

মহুৰা পকাই থকাৰ মাজতে কাৰো মুখৰ ফালে নোচোৱাকৈয়ে জেতুকীয়ে ক'লে, "এই বেলি বোলে তিনিটা ওলাইছে,—শুনিছ নে?"

"কি কৈছ?" ৰহিলাই সুধিলে।

"এই বেলি বোলে আমাৰ এই ডোখৰত তিনটা ভুগী ওলাইছে। তিনিটা! হতশ্ৰী যোৱাহঁত ক'ববাৰ?"

"এটা বোলে কপিলীৰ পাৰৰ; এটা হেনো কছাৰী গাঁৱৰ—ইটো জানো কোন কব নোৱাৰো।"

"তই ক'ত শুনিলি?"

"এটা হেনো মালভোগহঁতৰ ঘৰত এৰাতি থাকিও গ'লহি।"

"মালভোগৰ ঘৰত ক'ৰ ছোৱালী আছে?" "ছোৱালী নাই। পিছে হেনো ঘৈণীয়েকক অকলে ঘৰত থৈ ভুগীটোক ঘৈণীয়েকৰ লগত ৰাতিটো থাকিবলৈ দি সি অন্যৰ ঘৰত থাকিলগৈ। হাঁহ মাৰি ভাতো খুৱালে, একলহ লাও পানীও যতাই দি থৈ গ'ল।" কিছুপৰ তিনিও মনে মনে বহি থাকিল। সূতা জোৰা দিবলৈ লৈ সোণপাহি



ভাদ মাহ শেষ হৈ আহিছিল। ৰ'দজাক কোমল হৈ আহিছিল। নৈৰ ফালৰ পৰা এজাক কোমল বতাহ জিৰজিৰ কৰি বৈ আহিছিল। প্ৰায়বোৰ মানুহে শালি খেতি সামৰি অলপ জিৰণি লৈছিল। ঘৰে ঘৰে মতা-তিৰোতা সকলোৱেই নিজ নিজ ঘৰুৱা কাম ধীৰে সুস্থে কৰাত ধৰিছিল। কোনোৱে পাচি-খৰাহী সজা, কোনোৱে লাহনী-লেহেতি, খালৈ-খঁৰা সজাৰ নিচিনা লঘু, হাতৰ লাচতে কৰিব পৰা কামবোৰ কৰিবলৈ লৈছিল।

কোনোৱেই এনেই বহি নেথাকে। মতাই মতাৰ ভাগে আৰু তিৰোতাই তিৰোতাৰ ভাগে কাম কৰি গৈছিল। সৰু ল'ৰা-ছোৱালী-বোৰে কাৰোবাৰ চোতালত বা কোনোবা বুঢ়া বৰগছ, জৰীগছৰ তলত গোট খাই জুম বান্ধি ধেমালি কৰিছিল। মাজে মাজে দন-কাজিয়া লাগে, মৰিয়ামৰিও লাগে। কোনোবাই কান্দে, কোনোবাই নিচুকাই শাঁত কৰে। দন-কাজিয়া, হাঁহা-কন্দাটোও ধেমালিৰ লগৰে এটা ধেমালি। ল'ৰা-ছোৱালীয়ে নেকান্দি আৰু ডেকা-গাভৰু, বুঢ়া-বুঢ়ীয়ে দন কাজিয়া কৰি কান্দিবনে?

ধাননি পথাৰত চপচপীয়া পানী। আলি দি, ভেটা মাৰি বন্ধ কৰি থৈছে। ভাদ আহিনত ধাননি পথাৰত পানী নেথাকিলে ধান ভাল নহয়। আহিন সোমোৱাৰ লগে লগে বৰষুণ কমি আহিব। ভাদ মাহৰ নিচিনা কলহৰ কানে ঢলা ঢল নহা হ'ব। আকাশৰ মেঘবোৰ নোহোৱা হ'ব। গজালি ধৰা ধাননি পথাৰবোৰ সকলো সেউজীয়া হ'ব। ধাননিবোৰে বতাহত হালিব-জালিব—খেতিয়কৰ মনবোৰ এটা কথাৰে বুজাই কব নোৱাৰা আনন্দেৰে ভৰি পৰিব।



তাঁতৰ পাতত বহি সোণপাহিয়ে চিগা সূতা জোৰাইছিল। ওপৰতে ডুখৰি পীৰা এখনত বহি জেতুকীয়ে মহুৰা ফুৰাইছিল। অলপ নিলগতে ঢাৰি এখনত বহি লৈ ৰহিলা বুঢ়ীয়ে চাল পীৰাৰ খুটা বটালিৰে এমূৰে খুলি তামোল খুন্দনা কৰা খুন্দনাটোত খুন্দনা-মাৰি এডালেৰে তামোল খুন্দিছিল। ৰহিলা বুঢ়ীৰ মুখত এমোকোৰা তামোল তেতিয়াও আছিল। ৰহিলাৰ দাঁত সকলোবোৰ সৰিছে। তথাপি দাঁতৰ আলুৰেই চুহি চুহি খুন্দা তামোল এখন পকটিয়াই নেথাকিলে থাকিব নোৱাৰে। ৰহিলাই এসোপা পিক গিলে, এসোপা পেলায়। তাই য'তে ব'হে তামোলৰ পিকেৰে গোটেইখন পিকাই ৰাঙলী কৰে। বুঢ়ীৰ গাত তামোলৰ পিকৰ দাগ লগা এখন পুৰণি কপাহী মেখেলা, গাত এডোখৰ গামোচা। বয়স হৈছে। ৰহিলাৰ চুলিবোৰ ধো ধো কৰে বগা হৈ পৰিছে। গাটো শুকান। গামোচাখন গাত নৰয়। মতা মানুহ কোনোবা ওপৰত নেথাকিলে ৰহিলাই গামোচাখন এনেয়ে মূৰে কান্ধে পেলায় থয়। শুকান বুকুখন ঢকা নঢকা একে কথা।

মহুৰা পকাই থকাৰ মাজতে কাৰো মুখৰ ফালে নোচোৱাকৈয়ে জেতুকীয়ে ক'লে, "এই বেলি বোলে তিনিটা ওলাইছে,—শুনিছ নে?"

"কি কৈছ?" ৰহিলাই সুধিলে।

"এই বেলি বোলে আমাৰ এই ডোখৰত তিনটা ভুগী ওলাইছে। তিনিটা! হতশ্ৰী যোৱাহঁত ক'ৰবাৰ?"

"এটা বোলে কপিলীৰ পাৰৰ; এটা হেনো কছাৰী গাঁৱৰ—ইটো জানো কোন কব নোৱাৰো।"

"তই ক'ত শুনিলি?"

"এটা হেনো মালভোগহঁতৰ ঘৰত এৰাতি থাকিও গ'লহি।"

"মালভোগৰ ঘৰত ক'ৰ ছোৱালী আছে?" "ছোৱালী নাই। পিছে হেনো ঘৈণীয়েকক অকলে ঘৰত থৈ ভুগীটোক ঘৈণীয়েকৰ লগত ৰাতিটো থাকিবলৈ দি সি অন্যৰ ঘৰত থাকিলগৈ। হাঁহ মাৰি ভাতো খুৱালে, একলহ লাও পানীও যতাই দি থৈ গ'ল।" কিছুপৰ তিনিও মনে মনে বহি থাকিল। সূতা জোৰা দিবলৈ লৈ সোণপাহি

ৰহাতে থৰ লাগিল। তাইৰ মুখখন এটা অজানিত ভয়ত শেঁতা পৰি গ'ল।

জেতুকীয়ে ক'লে "মোৰ হলে ভয়েই লাগিছে জেঠাই। ভূগীবোৰৰ বাচ-বিচাৰ, লাজবিজ একো নাই। জীয়াৰীকো টানে, বোৱাৰীকো টানে। পলাই হাবিত সোমায়ো ৰক্ষা নাপায়। আমাৰ মতা মানুহবোৰেও একো নকৰে, একো কৰিব নোৱাৰে।"

তামোলৰ পিক এসোপা থেক্ কৰে পেলাই ৰহিলা বুঢ়ীয়ে ক'লে, "ভূগীৰ গাত গোঁসানী লম্ভে। সিহঁতে কিবা নিজে কিবা কৰেনে? গোঁসানীয়ে যি কৰায় তাকে কৰে। ভূগীৰ ইচ্ছাক হকা-বধা কৰিব নেপায়। যি মন যায় কৰিবলৈ দিব লাগে, নহলে ভূগী বিৰূপ হলে, গোঁসানীও বিৰূপ হ'ব। ভূগী মানুহ নহয়, দেৱতা বুলি ধৰিব লাগে। গোসাঁনীৰ আগত বলি যাবলৈ ওলাইছে, তই মই আমি কেইটাই তেনেকৈ গোঁসানীৰ আগত বলি যাবলৈ ডিঙি পাতি দিব পাৰিমনে? যুগী ভূগী এই সকলৰ কথা বেয়াকৈ ক'ব নেপায়। পাপ হয়।"

জেতুকীয়ে অলপ টান মাতেৰেই ক'লে, "গোঁসানীয়েনো নৰ বলি লাগে বুলি নিজ মুখে কেতিয়া কাক ক'লে? উজনিত তাম্ৰেশ্বৰী, ভাটিত কামাইখা, আমাৰ নামবৰ নে কাজিৰঙা হাবিৰ মাজত কেঁচাইখাতি গোঁসানীৰ থান। মই ছাগলী, হাঁহ-পাৰ সদায় তাত বলি দিয়ে আছো। মানুহনো কেলেই বলি দিব লাগে? জীয়া মানুহৰ তেজেৰেহে গোঁসানীৰ পূজা হয়নে?"

ৰহিলা বুঢ়ীয়ে খুন্দনাৰ পৰা খুন্দা তামোল এমুঠি মুখত ভৰাই ক'লে, "হেৰ, গোসাঁনীৰ কথা তেনেকৈ নাপায় ক'ব। আমাৰ ককা— আজোককাৰ দিনৰ পৰা কেঁচাইখাতী গোসাঁনীয়ে নৰবলি লৈ আহিছে। দেৱীক সন্তুষ্ট নৰখা হলে আমাৰ দেশৰ গাঁও-ভুই কাহানিবাই উচন গ'লহেঁতেন। কোনোবাই বোলে কামাইখা, কোনোবাই বোলে কালী, কোনোবাই বোলে তাম্ৰেশ্বৰী। আমি অসমৰ এইফালে বোলো কেঁচাইখাতী গোসাঁনী। গোসাঁনী একে জনাই। জীয়া মানুহৰ তেজ পিবলৈ নেপালে এনেই গোসাঁনীয়ে অসমক জীয়াই ৰাখিব বুলি ভাবিছহক নেকি?"



"তহঁত উঠি অহা জীয়াৰী ছোৱালী। ভূগী গোসাঁনী এইবোৰৰ কথা তহঁতে মুখত নানিবি।"

এইবুলি ৰহিলা বুঢ়ীৰ মুখৰ ফালে চাই সোণপাহীয়ে ক'লে "যুগী ভূগী বলি যায়, কটা যায়, গৈ থাকক। গোসাঁনীয়ে ভাল দেখিছে, পিয়ক সিহঁতৰ গাৰ তেজ। সিহঁতে আহি আকৌ জীয়াৰী বোৱাৰীবোৰ টানি মৰেহি কিয়? তিনিটাকৈ ভূগী একে সময়তে আমাৰ ইয়াত ওলাবহি লাগিলে চাবিহঁক, সিহঁতৰ হাতৰ পৰা জীয়াৰী-বোৱাৰী কোনো নেসাৰে। যুগী হওক, ভূগী হওক, মোক জোকাবলৈ হলে, মই হলে সকলোকে দীঘল দা'ৰে ছোৱা-ছোৱাকৈ কাটিম।"

"হেৰ' সোণপাহী, কি কথাবোৰ কৈছ। গোসাঁনী লম্ভা ভূগীৰ কথা তেনেকৈ ক'ব নেপায়। ভূগীয়ে হেপাহ কৰিলে না কৰিব নেপায়। গোসাঁনীয়ে বেয়া পাব। আৰু মানুহৰ দেহাটোনো কি? ঘৰৰ মতাটোৱে চালে-চুলে যদি চুৱা নহয়, গোসাঁনীৰ আগত বলি যাবলৈ ওলোৱা যুগী ভূগীয়ে চালে-চুলেনো কি বেয়াটো হ'ব? তহঁতৰ আগত লুকুৱাবলৈ নাই। দুটাকৈ বলি যাবলৈ ওলোৱা ভূগীয়ে আমাৰ ল'ৰাহতৰ বাপেক থাকোতেই মোক ঘৰৰ পৰা বাজ উলিয়াই নৈৰ পাৰৰ হাবিলৈ লৈ গৈছিল। গোসাঁনীৰ ইচ্ছা, আমাৰ হাতভৰি এচাৰিলে কি লাভ হ'ব?"

জেতুকীয়ে ক'লে, "পৰ-পুৰুষৰ লগত বেয়া কাম কৰিলে পাপ নহয় নেকি জেঠাই? আমি তিৰোতাবোৰহে সদায় ভূগী যুগী সকলোৰে ভোগত লাগিব লাগেনে?"

জেতুকী আৰু সোণপাহী দুয়োজনী কিছু উত্তেজিত হৈ পৰিছিল। কেৱল ৰহিলা বুঢ়ীয়েহে নিৰ্ব্বিকাৰ ভাৱে তামোল পকটিয়াই পিক পেলাই, পেলাই, চোতাল গেলাই কথাবোৰ কৈ গৈছিল।

কোনোবাই কামাখ্যা, তাম্ৰেশ্বৰী, কেঁচাইখাতীলৈ বলি আগবঢ়ায়। ছাগলী, হাঁহ, পাৰই নহয় সুঠাম ডেকা মানুহো। কোনোবা নিজে বলি হবলৈ আগবাঢ়ে। এনেকুৱা গোসাঁনীৰ আগত বলি যাবলৈ ওলোৱা মানুহক কয় ভোগী। সাধাৰণ মানুহে কয় ভূগী। বলি যাবলৈ

যি খাবৰ মন যায় ওলোৱা এনেকুৱা ভোগীয়ে যি মন যায় কৰিব পাৰে, তাকে খাব পাৰে, যি তিৰোতাকে সম্ভোগ কৰিবৰ মন যায় কৰিব পাৰে। ভোগীৰ নিয়ম-অনিয়ম নাই, ঘৰ-পৰ নাই। দেশৰ আৰু ৰাইজৰ কাৰণেই বলি যাবলৈ ওলোৱা ভোগীৰ ইচ্ছাক কোনোৱে বাধা দিবৰ সাহস নকৰে। ৰাতি খোৱা সম্প্ৰদায়ৰ, পঞ্চমকাৰৰ সেৱা কৰা তান্ত্ৰিকবোৰৰ দৰেই ভোগীবোৰেও দেৱী গোসাঁনীৰ আগত বলি গৈ মোক্ষ লাভ কৰিব পৰা যায় বুলি বিশ্বাস কৰে। সিহঁতৰ বিশ্বাস যে দেৱীৰ সন্তুষ্টিৰ কাৰণে নৰ বলিয়েই শ্ৰেষ্ঠ বলি। ভোগী কাৰ্য্যক ব্যাভিচাৰ বুলি সাধাৰণতে বিবেচনা নকৰে।

খুন্দনাটো, খুন্দনা মাৰিডাল আৰু তামোল-পাণৰ হাচতিখন লৈ, এখন হাত ককালত দি, বহাৰপৰা উঠি ৰহিলা বুঢ়ী কাষৰে নিজৰ ঘৰলৈ উঠি গ'ল। গা উদি, গামোছাখন মূৰত—হাতত খুন্দনা—চুলিবোৰ শুকান মৰাপাট যেন পকা।

এনেতে সিফালৰ পৰা কান্ধত পোলোডা কাঠ এছেও লৈ আহিল কলীয়া। তাক অহা দেখি জেতুকী আৰু সোণপাহী দুয়ো গাৰ কাপোৰ-কানি ঠিক কৰি ললে। আৰু তাৰ ফালে একোবাৰ মূৰ তুলি চাই নিজ নিজ কামত মন দিলে।

কিন্তু নিলগৰ পৰাই কলীয়াই মাত লগালে, "মহুৰা ফুৰাইছ নে কি জেতুকী? সোণপাহী, তোৰ তাঁত জুতি ওলোৱাগৈয়ে নাইনে এতিয়াও?"

'ব'বলৈ সময় পালেহে। খেতিৰ পৰা উঠিছোহে। গাৰ বোকা শুকুৱাই নাই। ক'ৰ পৰা আহিলি?" সোণপাহীয়ে সুধিলে।

"হাবিলৈ গৈছিলো। কেইবা ঘৰতো কেইবাটাও টোলোঠা লাগে। দোৰপাতিও লাগে কাৰোবা কাৰোবাক। তাৰে কাঠ এডোখৰ কাটি আনিলোগৈ। তহঁতক আনিলোগৈ, আমাৰ ভুঞাৰ হাবিৰ পৰাই কাটি আনিলোগৈ। তহঁতক নেলাগে নহয় টোলাঠা দোৰপাতি?"

জেতুকীয়ে ক'লে, "মোক এজোৰ লাগিছিল। এখন তাঁতশালো পাতিব লাগিছিল। এখন নতুন তাঁতশালো পাতিব লাগিছিল।



জয়নাথক কৈছিলো পাটৰ সূতা বোৱা চিকুণ কাঠিৰ বহল ৰাচ এখন সাজি দিবলৈ। পাটৰ মেখেলা এজুতি বওঁ বুলিছো।"

"সূতা পাইছ জানো?"

"বৰদেউতাহতে পাট পলু পুহিছিল। এইবেলি বোলে ভালেমান সূতা পাব। ভুঞাগিৰিৰ ঘৰতো পাটৰ ফুলাম চেলেং এখন দিয়াৰ কথা আছে। ভাবিছো নতুন শাল এখন পাতি পাটৰ তাঁত এজুতি লগাও। মুগা কপাহী বৈয়ে আছো।" "তোৰ নিজলৈ পাটৰ ৰিহা মেখেলা নবৱনেকি?" "তাঁতীয়ে কাৰবাৰ নিজলৈ বয়নে কিবা? কপাহীলৈকে আমাৰ টনাটনি।"

কলীয়া মূঢ়া এটাত বহিল। কাঠডাল কঢ়িয়াই আনি তাৰ ভাগৰো লাগিছিল, পিয়াহো লাগি আহিছিল। কপালৰ ঘামবোৰ মচি কলীয়াই ক'লে, "পিয়াহ লাগি আহিছে অ', পানী এবাটি আন। তহঁতে ভাত পানী খালিহক জানো?"

"নাইখোৱা এথোন, ভোকেই লগা নাই।"

তাঁতৰ পাটৰ পৰা সোণপাহী উঠিল আৰু ভিতৰলৈ গৈ মাটি কলহৰ পৰা চেঁচা পানী এবাটি আনি কলীয়াক দিলেহি। পানী বাটি লৈ কলীয়াই কোঁটু কোঁটু কৰে পি খালে আৰু বাটিটো মাটিতে থলে। তাৰ চুৰিয়াৰ খোচোনাত খোচ মাৰি ওলোমাই অনা হাচতিখন উলিয়াই তাৰ পৰা সি কটা তামোল এফাল আৰু লতীয়া পান এবিৰা মুখত ভৰালে।

"হোঁ তহতে তামোল নেখাৱ জানো? আছে যদি মোলৈ শামুকৰ চূণ এটেপা আন অ', মোৰ চূণ শেষ হ'ল।" কলীয়াই ক'লে।

সোণপাহী ভিতৰলৈ গ'ল আৰু তামোল পাণ চূণ ধপাতেৰে আৰু তামোল কটা কটাৰী এখনেৰে বটাটো আনি কলীয়াৰ আগত থলেহি।

এনেতে কোনোবা ফালৰ পৰা মলৌ ওলালহি। সি এটা তেল-কলীয়া, হটঙা ওখ ডেকা ল'ৰা। আগদাঁত কেটা অলপ উচলা। মূৰত একোচা দীঘল চুলি। তাৰ গাত চোলা নাই। ককালত ঠেক-কপাহী চুৰিয়া এখন।

তাৰ ফালে চাই কলীয়াই সুধিলে "মলো ক'ৰপৰা আহিলি ?"

সোণপাহীৰ তাঁতৰ চালি-মাৰি এড়ালতে ধৰি সোণপাহীৰ ফালে পিঠি দি সি ক'লে, "এ নকবি, ভালেমান দূৰ খাট-কুৰি বাই আহিলো।"

"কলৈ গৈছিলিনো ?"

"মিকিৰ হাটলৈ।"

"বহুত দূৰ দেখোন। কেলেই গৈছিলি ?"

"আমাৰ ভূঞাৰ খাটত আমি ছকুৰি ঘৰ তাঁতী আছো, আঠ-কুৰিখন তাঁতশাল। এখন দুখনকৈ বাঢ়িহে আছে। পিছে ইমানবোৰ তাঁত-শাললৈ কমবোৰ সূতা লাগেনেকি? মুগা পাট জানিবা কমেইলাগে। পিছে কপাহী সূতা কমবোৰ লাগে জানো, তাতখনকে বৈ-কোবাই গাঁৱৰ মানুহে ভাত মুঠি উলিয়ায়। তাঁত খতি হলে কিহৰ আৰ্জনেৰে গাঁওখন চলিব? তালৈকে লাগিল কপাহ, লাগিল সূতা। আমাৰ মানুহবোৰে আকৌ ইয়াত কপাহ খেতি নকৰে। বোলে কপাহ ভৈয়ামত নহয়, পৰ্ব্বতত হে হয়। ইয়াত আকৌ পৰ্ব্বতটো ক'ত পাম? মিকিৰ হাটৰ মিকিৰে কপাহ বেচে। সিহঁতক বোৱা কাপোৰ দিলেও লয়। পিছে সিহঁতে নিজৰ কাপোৰ নিজৰ মতে বৈ লয়, অইন বস্তু নি সলাইহে সিহঁতৰ পৰা কপাহ আনিব পাৰি।" একেলগে ভালেমান কথা ক'লে মলোৱে। এইটো তাৰ অভ্যাস।

সোণপাহীয়ে সুধিলে, "এইবেলি পিছে কপাহ কেইভাৰ আনিলি ?"

"এটা মানুহে কেইভাৰ বলে পাৰে? বলে পাৰোৱেই জানিবা, কপাহ কিবা লো ডোখৰ যেন গধুৰ নে? এসেৰ কপাহেই সৰু টোমৰ এটোম হয়। সেই বুলি গৈছো যেতিয়া আৰু গাৰ দুখলৈ চালে হয়নে? বলে পৰা এভাৰ আনিলো, আমি চাইটা গৈছিলো। নহ'লে বাট বৰ দূৰ, নেযায় নুপুৰায় যেন লাগে।"

আৰু দুজনী গাভৰু আহি তাত ওলালহি। তিলপাহী আৰু চনকা। দুয়োজনী কান-সমনীয়া গাভৰু।

চনকাই দূৰৰ পৰাই চিয়ঁৰিলে, "হেৰ' সোণপাহী; তাঁত সূত এৰি কিহৰ মেল মাৰিছ? এৰা, তহঁতৰ তাঁত-শালৰ চালিখন ভাল, বিয়াৰ



ৰভা যেন আহল-বহল। বতাহজাকো ভাল মাৰি আছে দেই। পিছে বতাহেৰে গা জুৰাইছ নে ইহঁতৰ লগত কথাৰে মন জুৰাইছ ?"

"আহ আহ, চুপতি মাৰিম বুলি ঘৰৰ পৰা সাজি-কাচি আহিছ হবলা। ভাদ মাহ শেষ হ'বৰ হ'ল। আম কঠালো শেষ হ'ল। টেঙা টোকোচাও নাই। সুমথিৰা বোৰো ফুলিছেহে। কি খাবি ?"

"তোৰ ইয়ালৈ আহিছো বুলি তিনদিনীয়া লঘোণত নাড়ী শুকুৱাই অহা নাই। কেলেই বৰতমনি কল দুঠোকা গছতে বাদুলীয়ে খালেনেকি? সিদিনা দেখি গৈছিলো নহয়। পাৰি খাই শেষ কৰিলি-নেকি ?"

"তোৰো চকু নহয় কোকুলোঙাৰ আখি। কাৰ বাৰীত ক'ত কি আছে চকুৰে চাই মনতে ৰাখি থৈছ? বহ, কল কেঠোকা পাৰি ভঁড়ালত সুমুৱাই থৈছে। পকিব পায়। মোৰ মনতে নাছিল। মই চাও গৈ, তহঁত বহ।"

চনকাই ক'লে, "ইহঁত দুটা নথকা হলে কলোৱেইহেঁতেন, বোলে পকা মালভোগ কলে গাভৰু ছোৱালীয়ে একে—ভুকীয়াই দূৰৰ পৰাই ক'ত আছে গম পায়, গোন্ধ পায়।"

"ক, আমি নাই শুনা। পিছে প্ৰজাৰ বাৰীৰ মালভোগ কল কেঁচাই থাকোতেহে বাৰীৰ গিৰিহঁতৰ, পকিলে ৰজা ঘৰেহে খাবলৈ পায়। তোৰ মোৰ পাতত নপৰে। গোন্ধত জিভাৰ পানী যিমানে নপৰক লাগে, নহয়নে অ' তিলপাহী ?" মুলোৱে ক'লে আৰু তিলপাহীৰ মুখলৈ চালে।

তিলপাহীয়ে ক'লে, "য'ৰে ৰজা, ত'ৰে প্ৰজা। বাৰভূঞাই আমাৰ ৰজা ঘৰ। মাটি-বাৰী, খাট-পাম সকলো ভূঞাগিৰীৰহে। আমাক চলাই-কৰাই খাবলৈ দিলে বুলিয়ে আমি ভোটাগিৰী ওলাব পাৰোনেকি? পকা কলঠোকা ৰজাঘৰে আগে পায়নে প্ৰজাঘৰে আগে পায়?"

সোণপাহী তাঁতৰ পাটৰ পৰা উঠিল। সবুকৈ ক'লে, "বৰকৈ চিয়ঁৰ-বাখৰ নকৰিবি হ'ক। কল ভড়ালৰ ভিতৰতে পকি থাকিব পায়। মই তহঁতলৈ আনোগৈ। চিয়ঁৰ-বাখৰ কৰিলে ভূঞাগিৰীৰ ঘৰলৈ নিয়কহি বা নিনিয়ক, পিতায়ে আটাইবোৰ নি ভিতৰ সুমুৱাবগৈ—"

“আনগৈ যা। পেহা ঘৰত নাই, নৈৰ পাৰত দেখি আহিছো।”

“ম'হকেটা বিলত চৰি আছিল। পিতায়ে চৰাবলৈ গৈছে হবলা। জেতুকী আহচোন, মই ভঁড়ালৰ পৰা উলিয়াই দিম। তই তলৰ পৰা ধৰিবি।”

“এ সোণপাহী, গোটেই ঠোকা কল আমাকে খুৱাব নেলাগে, এআষি বা দুআষিমান আন। বাকীবোৰ অইনলৈ থৈ আহিবি। নহ'লে বুলিব ৰাইকহু কেটাই সকলো শেষ কৰিলে, আমাকহে দুষিব।”

কলীয়াই ক'লে, “যা যা, ঠোকাকে লৈ আহগৈ। বাৰীৰ কল এঠোকাহে, নেখালে কিবা সাঁচি থব পাৰিবিনে? গেলি পচি যাব। পকা মালভোগ কল গাভৰু ছোৱালী নহয়, নহয়, কাপোৰৰ জাপত সুমুৱাই লুকুৱাই থবলৈ। ভাল পকা মালভোগ কল হলে, মই অকলেই এঠোকা গিলিব পাৰিম।”

“ঠোকেৰে গিলিবলৈ হলে মালভোগ কল নিজৰ বাৰীত ৰুই লব লাগে”—তিলপাহীয়ে ক'লে। “নাই বুলিছনেকি? আমাৰো কলনী বাৰী মালভোগ, চেনিচম্পা, বৰতমানি, গুবিন তুলশীৰে গিজ খাই আছে। ঠোকতে কাউৰী বাদুলীয়ে খাই শেষ কৰিছে—”

“খাওঁতা চপাই নলৰ কেলেই?” চনকাই ক'লে।

“চপাই ললোৱেই জানিবা, পিছে ৰাইকহুজনীয়ে কল চোবোৱাৰ লগতে মোৰ মুৰটোও চোবাই বুলিহে ভয় লাগে।”

“তালৈকে মতাটো হৈছ! তোৰ মুৰটো পকা মালভোগ কলটো যেন কোমলনেকি?”

“হেৰ' মুৰখাতী, মোৰ মুৰটো এবাৰ একামোৰ মাৰি চাচোন, টান নে কোমল।”

“মোৰ আৰু কাম নাই নহয়, লোকৰ লাওখোলা চোবাই ফুৰিবলৈ? দাঁত নোহোৱা এজনী ঘৰ চপাই লবি। তোৰ মুৰটোলৈ ভয় নেথাকে—”

“এৰা, তাকে কৰিব লাগিব। দাঁত থাকিলেও ভাঙি ল'লেই হ'ল, তোৰ দাঁতবোৰ টান নেকি আকৌ?”

সোণপাহীয়ে পকা মালভোগ কলৰ গোটেই ঠোকাটোকে জেতুকীৰে



সৈতে ধৰি লৈ আহি সিহঁতৰ মাজতে থলেহি। কলবোৰ ভালকৈ পকিছে। এটা ধুনীয়া মিঠা গোন্ধ ওলাইছে। গোন্ধতে খাবৰ মন যায়। সিহঁত আটাইকেইটাই কাষ চাপি বহি লৈ চিঙি চিঙি পকা কলবোৰ বাকলি বখলিয়াই মুখত ভৰাবলৈ ধৰিলে। ভাদমহীয়া সোৱাদ, পকা, পুৰঠ কল। আটাইকেইটাৰে ভোকো লাগি আছিল। তথাপি জেতুকীয়ে ক'লে, “হেৰ' ৰাইকহে গিলাদি গিলিছ? দুটামান অইনলৈকো থ হত।”

সোণপাহীয়ে ক'লে, “থব নেলাগে, যিমান পাৰ খা। ভঁড়ালৰ ভিতৰত আৰু দুঠোকা পকি আছে।”

“হওক, হওক, কল খাই আশীৰ্ব্বাদ কৰিছো—তহঁত আটাইকেই-জনীৰ যেন সোনকালে বিয়া কেখন হয়।”

“হ'ব হ'ব হে, তহঁতৰ আশীৰ্ব্বাদ নহলেও আমাৰ বিয়া হ'ব। কলখোৱা আশীৰ্ব্বাদেৰে তাঁতী গাঁৱৰ গাভৰুৰ বিয়া নহয়।”

“তেনেহলে চিৰা দৈ খুৱাই ভালকৈ আঠুকাঢ়ি আশীৰ্ব্বাদ এজোলোকা লহঁত। খাবলৈ পালে আমি কিবা আশীৰ্ব্বাদ নিদিম বুলিছোনে?”

চনকাই ক'লে, “হেৰ' তহঁতে আমাক কি আশীৰ্ব্বাদ দিবি? বামুণৰ নিচিনা শাস্ত্ৰৰ মাত-কথা জান জানো? আমাৰ নিচিনা নৰ-মনিচৰ মাত-কথা ইচৰে বুজি নেপায়। কন্দলিৰ টোলত যে শিকায়, বামুণৰ ল'ৰাই যে পঢ়ে, শিকে, তেনেকুৱা সংকৃত নে কি—শাস্ত্ৰৰ মাত—সেই মাতেৰে আমাক আশীৰ্ব্বাদ দিব জানিবি জানো?”

মলোৱে ক'লে, “এ থ, থ, আমাৰ ঈশ্বৰে আমাৰ মাত বুজি পায়। বামুণৰ ঈশ্বৰে বামুণৰ মাত বুজি পায়। মই জানিবা ক'ব খুজিলো—ঈশ্বৰ, আমাৰ কলঠোকা ভালকৈ পকাই দিয়া, ঈশ্বৰে বুজি নেপাব নেকি?”

“ঈশ্বৰৰ আৰু কাম নাই, লোকৰ বাৰীৰ কল পকাই ফুৰিব?”

“হেৰ' কথা একেটাই, ঈশ্বৰে যদি তোৰ কথা শুনি তই মনে বিচৰা মনৰ জোখাৰে ধুনীয়া দৰা এটা বিচাৰি দিব পাৰে, মোৰ কল ঠোকানো পকাই দিব নোৱাৰিব কেলেই? ঈশ্বৰক কথা কব লাগিলে কন্দলিৰ টোলত বামুণৰ মাত কবলৈ শিকিবলৈ নগলেও হয়।”

সৰুকৈ জেতুকীয়ে ক'লে, "কথা এটা শুনিছো—হয়নে বাৰু ?"

আঁটাইকেটাই জেতুকীৰ মুখলৈ চালে। "কি কথানো ?"

"আমাৰ ডেকাগিৰী শংকৰে বোলে কন্দলিৰ পাঠশালাত বামুণৰ ল'ৰাই পঢ়া শাস্ত্ৰ পঢ়িছে ?"

"হয় আকৌ। সেইটো কিবা আৰু গুপুত কথানে ? ভূঞাৰ ঘৰ বামুণ নহলেও, শূদিৰ হলেও, পুৰুষে পুৰুষে ধৰ্ম্ম-শাস্ত্ৰ পঢ়া মেলা কৰা মানুহ বুলি সকলোৱে জানে। ডেকাগিৰীৰ পিতাক কুসুম ভূঞাও বৰ ডাঙৰ শাস্ত্ৰজনা পণ্ডিত আছিল। এপিনে ভূঞা হিচাপে খাটপাম ৰাজ্য চলায়, আনপিনে শাস্ত্ৰ বিদ্যা চৰ্চ্চা কৰে। ভূঞা ৰাজ্য সৰু হ'ল কি হ'ল ? তেওঁলোক ডাঙৰ ডাঙৰ ৰাজ্যৰ লেখিব পঢ়িব নজনা ৰজা-মহাৰজাৰ নিচিনা নহয়।"

অতপৰে মনে মনে থকা কলীয়াই এইবাৰ ক'লে, "কথা এটা মন কৰিছনে, সকলোৱে কয় বোলে ডেকাগিৰী শংকৰ আগৰ ভূঞা ৰজা সকলৰ নিচিনা নহয়। আগেয়ে পঢ়া শুনা নকৰিছিলেই। আমাৰ অন্য ল'ৰাৰ নিচিনাকৈ লৰি-ঢাপৰি, খেলি-মেলিয়ে দিন কটাইছিল। পিছে কন্দলিৰ টোলত যেতিয়াৰ পৰা নাম লেখোৱালে, তেতিয়াৰ পৰা পঢ়া শুনাৰ পৰা মূৰকে নদঙা হ'ল। দিনে-ৰাতিয়ে বৰ বৰ শাস্ত্ৰবোৰ পঢ়ে। কেতিয়াবা আৰু পঢ়ে। তাকো এনেই পঢ়া নহয়, বুজি মেলি পঢ়ে। কেতিয়াবা বোলে এনেকুৱা একোষাৰ কথা সুধি দিয়ে যে বৰ বৰ বামুণ পণ্ডিতো থতমত খাই যায়। সেয়েহে বোলে কন্দলিয়ে শংকৰক শংকৰদেৱ বুলিহে মাতে।"

মাতিবলৈ কৈছে আৰু নিজেও ডেকাগিৰীক শংকৰদেৱ বুলিহে মাতে।" বহুত কথা, শুনিছো।

মলোৱে ক'লে, "এৰা, ডেকাগিৰীৰ বিষয়ে বহুত কথা, শুনিছো। ওখই-পাখই, ছিৰীয়ে চেহেৰাই, চালে-চলনে শংকৰ বাৰু আনতকৈ বহুত বেলেগ নহয়নে ?" ল'ৰাজন মন কৰিছনে অইনৰ লগত নিমিলে।

চনকাই ক'লে, "হেৰ' গৰকাই টোলোঠা দোৰপাতিৰ কথা আলচ কৰি কি লাভ ? ৰজা ৰজাই, প্ৰজা প্ৰজাই। শুনিছো ডেকাগিৰী হেনো পঢ়া-শুনাত বৰ চোকা। এবাৰ কথা এষাৰ পঢ়িলেই মনত ৰৈ যায়। আৰু বোলে ধৰ্ম্মৰ কথালৈও বৰ ধাউতি। কেতিয়াবা হেনো শাস্ত্ৰৰ



কথাৰ পৰাই লৈ কিছুমান তেনেই নতুন কথা কৈ দিয়ে—কন্দলিৰ অইন ছাত্ৰবোৰ বোলে মাতিব নোৱাৰা হৈ যায়।"

"তই বাৰু কেতিয়াবা শংকৰৰ লগত ভেটা-ভেটি হৈছনে ? কিবা কথা-বতৰা পাতিছনে কেতিয়াবা ?"

"ভেটা-ভেটি নোহোৱা নহয়। আমাৰ নৈৰ ঘাটতে মাজে-মাজে গা ধুবলৈ যায়, নৈত সাতোৰে। ভৰা সোঁতৰ বিপৰীতে যেনেকৈ সাতোৰে, গাত কিজানি সাতোটা বাঘৰ বল আছে, এনে লাগে। আমি একে ঘাটতে গা ধুই থাকিলেও পিছে তহঁতৰ নিচিনাকৈ কাৰো গালৈ ভেবা লাগি চাই নেথাকে। ডেকাগিৰী মানুহজনক দেখিলেই ভক্তি কৰিবৰ মন যায়। কোনোদিন আমাৰ লগত কথা-বতৰা নপতাটো বৰ ডাঙৰ কথা নহয়। নহয়নে তিলপাহী ?"

তিলপাহীয়ে কলৰ বাকলিবোৰ একে ঠাইতে গোটাই গোটাই ক'লে, ডেকাগিৰীকে বোল, শংকৰদেৱকে বোল, বা ভূঞা কোঁৱৰকে বোল, সিবিলাকৰ কথা আলচি সময় খৰচ কৰি তোৰ মোৰ একো লাভ নহয়। এটা কথা হলে সঁচা—আমাৰ এই ঠাইখনত শংকৰৰ নিচিনা আৰু অইন এটা এনে দেখনিয়াৰ ডেকা আৰু নাই। শংকৰৰ চকুহাল যে ইমান তেজাল পোনে-পোনে চাবই নোৱাৰি। আৰু ওখপাখও দেখা নাইনে ? জাকৰ মাজত জিলিকি থকা। শংকৰৰ কথা-কাণ্ডবোৰ অইনৰ লগত নিমিলে। পিছে আজি আৰু কথাকে পাগুলি থাকিবিনে ? ভাত-পানীৰ কথা পাহৰিয়ে গলিনেকি ? বেলি কিমান হ'ল—মন কৰিছনে ?"

আটাইকেটা বহাৰ পৰা উঠিল। মলোৱে ক'লে, "যি গাল মালভোগ কল পেটত সুমুৱালো, আৰু এপৰলৈ ভোক নেলাগে। আৰু সোণপাহীৰ তাঁত-শালত যি জাক চেঁচা বতাহ মাৰি আছে, বহিলে উঠিবৰ মন নেযায়।"

সোণপাহীয়ে ক'লে, "নতুন তাঁত-শাল এখন পাতিবলৈ লৈছো। নতুন টোলোঠা-দোৰপাতিও লাগিব, নতুন পাটবোৱা মিহি বাঁচ এখন আৰু নতুন মাকো এটা বা দুটাও লাগিব। নাচনী পিছে ফুলকটা হ'ব লাগিব। আৰু হেঙুল হাইতালেৰে ফুলবছাও হ'ব লাগিব।"

কলীয়াই ক'লে, "কলেই আৰু থিতাতে কৰি দিব পাৰিবনে? কেইবা ঘৰবো কেইবাটাও কাম দিছে। এটা এটাকৈহে কৰিব পাৰিম। বাঁচ পিছে মই গঢ়ি নোৱাৰিম দেই। সেইবোৰ তহঁত ছোৱালীবোৰেই দেখোন গঢ়ি সাজি লব পাৰ।" সোণপাহীয়ে ক'লে, "কাইলৈকে লাগে বুলিছোনে কিবা? শালত এজুৰি আছেই। কথাটোহে তোক কৈ থলো, যেতিয়া পাৰ সাজি দিবি—"

"সকলোবোৰ কৰি দিলে পিছে মোক দুটকা ৰূপ দিব লাগিব।" কলীয়াই ক'লে।

"দুটকা দিব নোৱাৰো। চিকা ৰূপ এটকা দিম, আৰু মই নিজে বোৱা কপাহী চুৰিয়া এখন দিম—লবি।"

চনকাই মলোক ক'লে, "কপাহ কালৈ আনিছ? যদি পাৰ মোক দিবিচোন দুসেৰমান। পাহাৰৰ কপাহৰ আঁহবোৰ ভাল।"

"নেওঠনী আছে জানো?"

"হেৰ' আমাৰ এইখন ভুএগ্ৰাখাটৰ তাঁতী গাঁও। ইয়াতে যদি নেওঠনী, যঁতৰ, উঘা চেৰেকী, লেটাই নেপাৱ, ক'ত পাবি? মোক ম'হৰ শিঙৰ মাকো এটাহে লাগিছিল—গাটো পিছে পিছল হ'ব লাগে—"

"কেনেকুৱা, তোৰ গাটোৰ নিচিনা নেকি?" মলোৱে ক'লে।

জোকোৱা মাৰি চনকাই ক'লে "হেৰ' মলো, মোৰ গাটো চুই চাচোন, বুঢ়া কুকুৰৰ গা যেন ফপৰীয়া। শাওণ ভাদ মহীয়া জুই হেন ৰ'দত পথাৰত ৰাতিপুৱাৰ পৰা বেলি পৰালৈকে ভুঁই-কঠিয়া কৰি গা নহয় ঘড়িয়ালৰ ছাল হ'ল। মাকো মোৰ গা যেন হ'বলৈ হলে সুতা চিঙি আহাৰ কৰিব। এমাকোও ব'ব নোৱাৰিম। কি হ'ল? মোৰ মুখলৈ তেনেকৈ চাই আছ কেলেই, ভদীয়া ৰ'দত সিজি ভজা মাছ যেন হৈ আছো। মোৰ মুখলৈ চাব নেলাগে, যাওহক ব'ল।"

কলীয়াই টোলোঠাৰ কাৰণে অনা কাঠডাল কান্ধত তুলি ল'লে। মলোৱে ক'লে, "এইবেলি অনা কপাহ তহঁতক দিব নোৱাৰিম হ'বলা। আহিন সোমালেই আকৌ যাম মিকিৰ হাটলৈ। এইবেলি যি কপাহ আনো তহঁতৰ কালেই আনিম বাৰু। যাক লাগে লবি হক।"



"আমাৰ ভুএগ্ৰা ঘৰতো কাপোৰ বৈ দিবলগীয়া আছে। ডেকাগিৰীকো হেনো নতুন কাপোৰ লাগে। খেতিৰ কেইমাহ তাঁতত বৰকৈ লাগিবই নোৱাৰিলো। ধান চপাবৰ নহয় মানে এই কেদিনতে যি পাৰো বৈ-কাটি উলিয়ালেহে হ'ব।" সোণপাহীয়ে ক'লে। মাত লগাই, কলীয়া আৰু মলো গ'লগৈ। তিলপাহী আৰু চনকা নিজ নিজ ঘৰলৈ গ'লগৈ। তেতিয়া বেলিৰ ছাঁ ঘৰৰ পিৰালিৰ পৰা চোতাললৈ নামিছিল।



এটা সময় আছিল—যীশুখৃষ্টৰ জন্মৰ দুহেজাৰ বছৰৰো আগৰ সময়।

নিজৰ সুখ সমৃদ্ধিৰ কথা নেভাবি, ৰাজপুত্ৰই যেতিয়া পৃথিৱীবাসী মানুহৰ শোক, ব্যাধি, জৰা, মৃত্যুৰ, জীৱন-বিৰোধী প্ৰাকৃতিক শক্তিবোৰৰ নিষ্ঠুৰ আক্ৰমণৰ পৰা মানুহক ৰক্ষা কৰিবৰ, উদ্ধাৰ কৰিবৰ উপায়ৰে অন্বেষণ কৰি জনাকীৰ্ণ ৰাজনগৰ; ৰাজসুখৰ মোহ পৰিত্যাগ কৰি জনহীন অৰণ্যৰ মাজত সত্য আৰু মুক্তিৰ পথ বিচাৰি গৈছিল। ভোগে সত্যৰ পথ ঢাকি ৰাখে। পাৰ্থিৱ সুখ বাঞ্ছাই অধিকতৰ সুখ বিচাৰৰ প্ৰবৃত্তি জন্মায়। নিজৰ সুখৰ কাৰণে আনৰ সুখ আত্মসাৎ কৰাৰ, কাঢ়ি লোৱাৰ মনোবৃত্তিৰ জন্ম দিয়ে। পাথেয়ৰ অনুসৰণ কৰোতেই পথ হেৰাই যায়। মৰীচিকাৰ দৰে সুখ-শান্তি দূৰলৈ আঁতৰি গৈ থাকে। সুখ বিচাৰোতে সুখেই হেৰাই যায়। জীৱন এক অৰ্থহীন, উদ্দেশ্যহীন যাত্ৰাত পৰিণত হয়। জন্মৰ পৰা মৃত্যুলৈ কেৱল অন্তহীন জীৱন যন্ত্ৰণাৰ পৰা ৰক্ষা পৰাৰ সংগ্ৰামতে কাটি যায়।

এই যন্ত্ৰণাৰ পৰা ৰক্ষা পোৱাৰ, মুক্তি পোৱাৰ, উদ্ধাৰ পোৱাৰ,

নিষ্কৃতি পোৱাৰ উপায় বিচাৰিছিল—এক ৰাজপুত্ৰই। তপস্যা-সাধনাৰ মুৰত বিচাৰি পাইছিল এক পথ—এক পৰম ধৰ্ম—যি ধৰ্মক আশ্ৰয় কৰি সৰ্বদেশৰ, সৰ্বকালৰ মানুহ জীৱন যন্ত্ৰণাৰ পৰা ৰক্ষা পাব পাৰে, মানুহৰ নিৰ্বাণ হ'ব পাৰে।

এই নতুন উপলব্ধিৰ বাণী এদিন অৰণ্যৰ পৰা, গছৰ তলৰ পৰা এক অনিৰ্বাণ জ্ঞান-শিখা হৈ ঘূৰি আহিছিল ৰাজ অট্টালিকালৈ, ৰাজ অন্তেষপুৰলৈ। এই নতুন উপলব্ধি হৈ পৰিছিল এক নতুন সত্য, এই সত্য হৈ পৰিছিল এক নতুন ধৰ্ম। এই ধৰ্মৰ মৰ্মবাণী হৈছিল—অহিংসা।

এসময়ত এই ধৰ্মৰ নতুন বাণী সাগৰ পৰ্বত অতিক্ৰম কৰি ভাৰতৰ বুকুৰপৰা বাহিৰ ওলাই দেশ বিদেশত বিয়পি পৰিছিল—ই চীনলৈ গৈছিল, মঙ্গোলীয়ালৈ গৈছিল, আফগানিস্থানলৈ গৈছিল; জাপান, আইলেণ্ড, ব্ৰহ্মদেশ, সুমাত্ৰা, যৱদ্বীপ, শ্ৰীলংকালৈ জয়যাত্ৰা কৰিছিল।

কিন্তু তাৰ পিছত ইয়াৰ জন্মক্ষেত্ৰ ভাৰততে এই ধৰ্মৰ বিৰুদ্ধে নতুন অভিযান আৰম্ভ হৈছিল। বৈদিক হিন্দু ধৰ্মই পুনৰ ৰাজশক্তিৰ সহায়ত বুদ্ধৰ অহিংসা ধৰ্মৰ অগ্ৰগতিক ব্যাহত কৰিবলৈ সৰ্বশক্তি নিয়োগ কৰি লাগিছিল।

তাৰ পিছত অন্য এক অভিযানৰ সন্মুখীন হৈছিল ভাৰতবৰ্ষ।

যি বাটেৰে এদিন মধ্য এচিয়াৰ পৰা, ভলগাৰ পাৰৰ পৰা ভাৰতলৈ সোমাই আহিছিল আৰ্যসকল, যাক সিন্ধু নদীৰ পাৰত চিনাক্ত কৰা হৈছিল—সিন্ধু, সিন্ধু বা হিন্দু বুলি—সেই বাটেৰেই, তাৰ কাষৰ পাজৰৰ বাটেৰেই সোমাই আহিছিল, এক নতুন ধৰ্মৰ অনুগামী আৰু সমৰ্থক অন্য এক জনগোষ্ঠী—একেই আৰ্য বংশৰ সন্তান। তুৰ্কীস্থানৰ পৰা, কাস্পিয়ানৰ পাৰৰ পৰা, আজাৰ-বাইজান, ইৰাণ, আফগানিস্তান, পশ্চিম চীনৰ পৰা আহিছিল—এই আৰ্য, মঙ্গোল আৰু মিছৰীয় সভ্যতা সংস্কৃতিৰ সন্তানসকল এদিন যি পথেৰে ভাৰতলৈ সোমাই আহিছিল আৰ্য-সকল—বেদৰ সত্য বুকুত বান্ধি সেই একে পথেই সোমাই আহিছিল সেই একেই আৰ্যগোষ্ঠীৰ সন্তান—নতুন ধৰ্ম ইছলামৰ নতুন সত্য আৰু



আদৰ্শ বুকুত বান্ধি। মাজত আছিল তিনি চাৰি হাজাৰ বছৰৰ ব্যৱধান। উপনিষদৰ একেশ্বৰবাদৰ মূল আৰু আৰৱ মৰুৰ বুকুত উদ্ভৱ হৈ ৰূপ লৈ উঠা ইছলামৰ একেশ্বৰবাদৰ মূলত পাৰ্থক্য নাছিল। পাৰ্থক্য আছিল ধৰ্মৰ আচৰণ বিধিত—একসেৰা দ্বিতীয়তম স্ৰষ্টাৰ সম্পৰ্কে সত্য উপলব্ধিৰ পদ্ধতিত।

মুছলমানৰ ভাৰতলৈ আগমণ আৰু তুৰ্কী মোগল সকলৰ ভাৰতত এক নতুন ৰাষ্ট্ৰ প্ৰতিষ্ঠা আৰু নতুন শাসন পদ্ধতি প্ৰৱৰ্ত্তনৰ ফলত ভাৰতৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতিলৈ এক স্পষ্ট পৰিৱৰ্তন অহাৰ লগে লগে, জীৱন-দৰ্শন, চিন্তাধাৰা আৰু ধৰ্মীয় আচাৰ বিচাৰতো নানা পৰিৱৰ্তন আহিল। সমাজৰ পুৰণি গাঁথনি সলনি হ'ল। ৰাজপুত হিন্দু নৃপতিসকলৰ কোনো কোনোৱে মুছলমান শাসকৰ অধীনত বিষয়বাব খাবলৈ ল'লে। ৰাজপুত অন্যান্য উচ্চ বংশজাত হিন্দুৰ কোনো কোনো পৰিয়ালৰ লগত বৈবাহিক সম্পৰ্কও ৰচিত হ'ল। মোগল সেনাপতিৰ অধীনত তুৰ্কী, আফগান সৈন্যৰ লগতে ভাৰতীয় হিন্দু সৈন্যয়ো ভাৰতৰ নতুন শাসকসকলৰ কাৰণে যুঁজ কৰিলে। আকবৰৰ নিচিনা উদাৰপন্থী মোগল সম্ৰাটে হিন্দু আৰু ইছলাম ধৰ্মৰ সাৰবস্তুৰ সমন্বয় ঘটাই এক নতুন ধৰ্মৰো প্ৰৱৰ্তনৰ চেষ্টা কৰিলে।

ফাৰ্চী ভাৰতৰ ৰাজভাষা হ'ল। আৰবী ভাষাৰ যোগেদি ভাৰতৰ মুছলমানেও পৃথিৱীৰ অন্যান্য মুছলমানৰ দৰেই নিজৰ নমাজ আদি ধৰ্মকাম পালন কৰি গ'ল। পূৰ্ব-মাগধী প্ৰাকৃতৰ পৰা ওলোৱা হিন্দী ভাষাৰ বিভিন্ন অঞ্চলত চলা বিভিন্ন ভাষা চলি থাকিল। ৰাজ-ভাষাৰ কাৰণে ফাৰ্চী আখৰ আৰু উত্তৰ ভাৰতৰ আঞ্চলিক ভাষাবোৰৰ কাৰণে প্ৰধানতঃ দেৱনাগৰী বৰ্ণমালা চলি থাকিল। হিন্দু মুছলমান নিৰ্বিশেষে ৰজাঘৰৰ লগত সম্পৰ্ক থকা লোকসকলে ৰাজভাষা ফাৰ্চী পঢ়িব লিখিবলৈ শিকিলে, আৰু সেয়ে ফাৰ্চী চুফী কবিসকলৰ ৰচনা অধ্যয়ন কৰি ফাৰ্চী কাব্যৰ সোৱাদ আৰু লগতে চুফী দৰ্শনৰ তাৎপৰ্য অনুধাৱন কৰাৰ সুবিধা পালে। লগতে ইছলাম ধৰ্মৰ কেইটামান কথাই প্ৰায় সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে: ইয়াৰ দৃঢ় একেশ্বৰবাদ,

সাম্যবাদ ; পৌত্তলিকতাৰ বিৰুদ্ধে কঠোৰ অনুশাসন, জাতিভেদ, বৰ্ণভেদবাদৰ অনুপস্থিতি আৰু কৰ্মফল, অৱতাৰবাদ আৰু জন্মান্তৰবাদ দৰ্শনৰ বিৰুদ্ধে স্বাৰ্থহীন অনাস্থা আৰু আপোষহীন দৃঢ় বিৰোধীতা। বিশেষকৈ হিন্দু ধৰ্মত সেই সময়ত প্ৰায় সকলো ঠাইতে প্ৰচলিত থকা জাতিভেদ প্ৰথাৰ ফলত সেই ধৰ্মৰে অচ্যুত বা অন্ত্যজ বা নীহকুলীয়া বুলি চিহ্নিত লোকসকলে ভুগি অহা সামাজিক অবিচাৰ আৰু অন্যায়ৰ পৰা মুক্তি পোৱাৰ উপায় হিচাপে, এনে বহুত মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰি আগে কোনোকালে নোপোৱা সামাজিক মৰ্য্যাদা আৰু স্বীকৃতি লাভ কৰিলে।

আনহাতে মোগল শাসকসকলৰ পৃষ্ঠপোষকতাতে ৰামায়ণ, মহাভাৰত, পুৰাণ আদি গ্ৰন্থবোৰ ফাৰ্চী, উৰ্দু আৰু আঞ্চলিক হিন্দী ভাষালৈ অনুদিত হোৱাত সাধাৰণ মানুহেও এইবোৰ গ্ৰন্থত থকা কথাবোৰৰ বিষয়ে অৱগত হোৱাৰ সুবিধা পালে। তুলসীদাস, কৃত্তিবাস, সুৰদাস, সাধক কবি নানক, কবীৰ, ৰামানুজ বল্লভাচাৰ্য্য, ৰামানন্দ, বিঠ্ঠল, দাক্ষিণাত্যৰ আলৱাৰ কবিসকল (তামিল ভাষাৰ), জ্ঞানেশ্বৰ, নামদেৱ, চণ্ডীদাস, নাচি মেহেতা, চৈতন্যদেৱ, মীৰাবাই, মাধৱ কন্দলি উত্তৰ-দক্ষিণ-পূব-পশ্চিম সমগ্ৰ ভাৰততে, স্থানীয় আঞ্চলিক ভাষাত হিন্দু ধৰ্মশাস্ত্ৰৰ ওপৰত আধাৰিত কাব্য আৰু গীতি-সাহিত্যৰ এক ব্যাপক অভ্যুত্থানে সমগ্ৰ ভাৰততে এক নতুন বাতাবৰণৰ সৃষ্টি কৰিলে, আৰু সংস্কৃতজ্ঞ পণ্ডিত সকলৰ মাজত বেদ উপনিষদ আদিৰ মৰ্য্যাদা অক্ষুণ্ণ থাকিল যদিও শাস্ত্ৰৰ আখ্যান উপাখ্যান আদি, আৰু বেদ পুৰাণৰ তাৎপৰ্য্য আদিৰ আভাস নিজ নিজ আঞ্চলিক ভাষাতে পোৱাটো সহজলভ্য হৈ পৰাত, ধৰ্মকথাৰ ওপৰত পণ্ডিত শ্ৰেণীৰ একচেটিয়া আধিপত্য ব্যাহত হ'ব ধৰিলে।

অৱশ্যে উত্তৰ ভাৰতত ইছলাম ধৰ্মাৱলম্বী শাসকসকলৰ প্ৰভাৱ আৰু প্ৰাদুৰ্ভাৱ বঢ়াৰ লগে লগে, হিন্দু ধৰ্মৰ প্ৰাধান্য ক্ৰমাৎ দক্ষিণ ভাৰতত কেন্দ্ৰীভূত হ'ব ধৰিলে। আৰ্য্য সভ্যতা আৰু দ্ৰাবীড় সভ্যতাৰ সংঘাত সংঘৰ্ষৰ ঠাইত এক সমন্বয়ৰ নতুন প্ৰক্ৰিয়া আৰম্ভ হ'ল।



শিৱ পূজাৰ ঠাইত বিষ্ণু পূজাই প্ৰাধান্য আৰু গুৰুত্ব লাভ কৰিব ধৰিলে।

বৌদ্ধ ধৰ্মৰ বিৰুদ্ধে শংকৰাচাৰ্য্যৰ প্ৰত্যাহবানৰ ফলশ্ৰুতি হ'ল বৈদিক হিন্দু ধৰ্মৰ পুনৰুত্থান, আৰু ভাৰতত বৌদ্ধ ধৰ্মৰ শক্তি হ্ৰাস আৰু সংকোচন। অশোকৰ দৰে ৰাজ পৃষ্ঠপোষকতা আগ বঢ়াওঁতা নোহোৱা হৈ অহাৰ ফলত বৌদ্ধ ধৰ্মাৱলম্বী সকল নিশকতীয়া হৈ পৰিল। তদুপৰি মহাযান, হীনযান আদি বিভিন্ন ধাৰা অনুসৰণকাৰী বৌদ্ধৰ মতপাৰ্থক্য, মতবিৰোধেও বৌদ্ধ ধৰ্মৰ প্ৰতি অবৌদ্ধ সকলৰ দৃষ্টিভংগীৰ আৰু মনোভাৱৰো পৰিৱৰ্ত্তন ঘটিব ধৰিলে। বেদান্ত দৰ্শনৰ সৃষ্টিতত্ত্ব অথবা ইছলামৰ স্ৰষ্টা-সৃষ্টিৰ সম্পৰ্ক সুনিশ্চিত দৰ্শনৰ বিপৰীতে বৌদ্ধ ধৰ্মৰ নিৰ্ব্বাণ তত্ত্বৰ বা মানৱাত্মাৰ মৃত্যুপৰ অস্তিত্ব বা অস্তিত্বহীনতাৰ দৰ্শনে সৰ্ব্বসাধাৰণ হিন্দু আৰু সৰ্ব্বসাধাৰণ মুছলমানৰ বৌদ্ধ ধৰ্মৰ প্ৰতি এক বিৰূপ মনোভাৱ আৰু আস্থাহীনতাৰ মনোভাৱৰ জন্ম দিলে। লগে লগে বৌদ্ধ ধৰ্মৰ বুকুৰ পৰাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে তন্ত্ৰ-মন্ত্ৰ আৰু কিছুমান বিকৃত লোকাচাৰে সামাজিক ব্যভিচাৰক এক গোপন গুহ্য ধৰ্মৰ মৰ্য্যাদা দিয়াৰ প্ৰয়াস পালে।

ইতিমধ্যে ভাৰতবৰ্ষ মধ্যযুগৰ নানা প্ৰভাৱ আৰু অভিজ্ঞতাৰ সংস্পৰ্শলৈ আহিল। মিছৰীয়, গ্ৰীক, ইৰাণীয়, তথা মধ্য-এছীয় সভ্যতা সংস্কৃতিৰ নতুন নতুন সম্পদেৰে সমৃদ্ধ হৈ ৰাজশক্তিৰ লগত আহিল ইছলাম ধৰ্ম। যাৰ অভ্যুত্থানৰ কাল পাঁচ শ বছৰ হৈছিল মাত্ৰ। ভাৰতলৈ নতুনকৈ অহা ইছলাম ধৰ্মই পালে ৰজাঘৰীয়া পৃষ্ঠপোষকতা আৰু ৰক্ষণাবেক্ষণ, ফাৰ্চী ভাষাই পালে শাসকীয় ভাষাৰ মৰ্য্যাদা, আৰু আঞ্চলিক ভাষালৈ অনুদিত হোৱা হিন্দু ধৰ্মশাস্ত্ৰৰ অভ্যন্তৰলৈ সোমোৱাৰ সুযোগ পালে হিন্দু-অহিন্দু নিৰ্ব্বিশেষে সকলো আগ্ৰহী, জিজ্ঞাসু আৰু অনুসন্ধিৎসু লোকে। এই পটভূমিয়ে এজন সুৰদাসৰ আৱিৰ্ভাৱ সম্ভৱ কৰি তুলিলে। জনসাধাৰণৰ ভাষাত ৰচিত হ'ব ধৰিলে ধৰ্মীয় গীত, ধৰ্মীয় লোকগাথা। দেহ আৰু প্ৰাণৰ, দেহ আৰু আত্মাৰ, সৃষ্টি আৰু স্ৰষ্টাৰ সম্পৰ্ক নিৰ্ণয়ৰ নতুন প্ৰয়াস চলিল। ধৰ্মীয়

গূঢ় দৰ্শনৰ ঠাইত উদ্ভৱ হ'ল দোহা গীত, দেহবিচাৰৰ গীত। এইবোৰৰ ওপৰত বৌদ্ধধৰ্মৰ বা তন্ত্ৰৰ প্ৰভাৱ নাথাকিলেও সহজ ভাষা, সহজ আৰু অজটিল প্ৰকাশ ভঙ্গীয়ে এইবোৰক জনপ্ৰিয় কৰি তুলিলে। এক লোক-সাহিত্য, লোক-চিন্তা, লোক-সংস্কৃতি আৰু এক জনপ্ৰিয় লোক-দৰ্শনে ৰূপ লৈ উঠিল।

উত্তৰ আৰু দক্ষিণ ভাৰতত ধৰ্ম আৰু সংস্কৃতিৰ জগতত যি এক নতুন বাতাবৰণ আৰু পৰিৱেশ গঢ়ি উঠিছিল, তাৰ বুকতেই জন্মৰ উন্মেষ হৈছিল এক নতুন ভাবাদৰ্শৰ, নৱবৈষ্ণৱ চিন্তাধাৰাই ৰূপ লৈ উঠিছিল ধীৰে ধীৰে। কামৰূপ ৰাজ্যত তাৰ স্পন্দন তেতিয়াও ধীৰ অনুভূত।



ইকাণ-সিকাণকৈ কথাটো জনাজনি হ'ল। কথাটো কোনোৱে ভাল পালে, কোনোৱে সিমান ভাল নেপালে। ভূঞাঘৰ ৰজাঘৰ—হ'ব পাৰে, বৰ ডাঙৰ ৰজা নহয়। সেইবুলি আচাৰে-বিচাৰে কুসুম ভূঞাৰ পৰিয়ালটো আলি পুখুৰী গাঁৱত থকাত ঠাইখন ৰজনজনা হৈ আছিল। গীতে-মাতে, ৰঙে-ধেমালিয়ে ঠাইখন দিনে-ৰাতিয়ে বিয়াঘৰ যেন হৈ আছিল। কুসুম ভূঞা চুকাল—সেইটো অৱশ্যে বেজাৰ লাগিব লগীয়া কথা। শংকৰৰ মাকো তেওঁ সৰু হৈ থাকোতেই পুতেকক এৰি সিপুৰীলৈ গ'ল। সেই দুখতে জানো ভূঞাসকল আলি পুখুৰী গাঁও এৰি আকৌ বৰদোৱালৈ যাবলৈ ওলাইছে? আমাকেই কিবা কাৰণত বেয়া-চেয়া পাইছে জানোচা? শংকৰৰ বুঢ়ীমাক খেৰসুতী আয়ে জানোচা কিবা অসুবিধা পাইছে? আলি পুখুৰী গাঁওখন সৰু; মানুহো সৰহ নাই। বনৰীয়া হাতী-ম'হে খেতি-বাতি নষ্ট কৰে মাজে মাজে। কেতিয়াবা



কাষৰ কছাৰী গাঁৱৰ কোনো-কোনো কছাৰী মানুহেও উপদ্ৰৱ কৰে। পিছে সেইবোৰ দেখোন ডেকাগিৰী শংকৰে অকলেই ঠিক কৰে। তেওঁৰ গাত এলাপেচা শক্তি নাই, সিদিনা বাটৰ ওপৰত উঠি বাটৈদি যোৱা মানুহৰ বাট ভেটি ধৰি খুচিবলৈ অহা শিঙাল ষাঁড়টোক শংকৰে অকলেই শিঙত ধৰি হেচি নি খালত পেলাই এশিকনি দিয়া নাছিল জানো?

আৰু বনৰীয়া হাতীয়ে আহি ধাননি পথাৰ গচকি খাই, শস্য নষ্ট কৰোতে শংকৰে নিজেই দেখোন দল দল হাতীক হুৰাই খেদাই নি হাবিত থৈ আহেগৈ, ৰাইজৰ কিবা ক্ষয়-ক্ষতি হোৱা যেন দেখিলে, শংকৰে অন্যলৈ বাট চাই ৰৈ নাথাকে। যি কৰিব লাগে, নিজেই কৰে। ভূঞাৰ ডেকাগিৰীয়ে নিজৰ খাটৰ, নিজৰ গাঁৱৰ মানুহখিনিক বিপদ-বিঘিনিৰ পৰা বচাই ৰাখিবৰ কাৰণে যি দৰে সকলোতে জাঁপিয়াই পৰে, ৰাইজে তাৰ ধাৰ কিহেৰে শুদিব? এইজনা ডেকাগিৰী যেতিয়া এজন পূৰ্ণ গিৰী ভূঞা হৈ বহিব, তেতিয়া দেখিবা ৰাইজৰ জয়-জয় ময়-ময় অৱস্থা হ'ব।

সহজ সৰল মানুহ। নৈৰ পাৰত, বন বিৰিখৰ ছাঁত খাটি খোৱা মানুহ। বনৰীয়া হাতী-বাঘ, ম'হ-গাহৰিৰ লগত যুঁজি ঘৰ-দুৱাৰ, শস্যৰ পথাৰ ৰক্ষা কৰি খোৱা মানুহ। সৰহভাগে খেতি কৰে, কোনোৱে নৈত মাছ ধৰি, ধান লৈ মাছ সলাই খায়। কোনোৱে হাবিৰ বৰ বৰ গছ কাটি গুটীয়া নাও সাজে, কোনোৱে তাঁত বয়, কোনোবা বাঢ়ৈ, কোনোবা খনিকৰ, কোনোবা বেপাৰী, কোনোৱা মুদৈ। সকলো একেখন ঠাইৰে মানুহ—ভূঞা ৰাজ্যৰ প্ৰজা। বহুতে ভূঞাৰ খাটত খেতি কৰে। ভূঞাৰ ঘৰত ধান-মাহ-সৰিয়হ ৰাজহী দিয়ে। বাই ৰুই, জা-জঞ্জাল নাই। একেজাক বৰষুণেই সকলোকে তিয়ায়, একেজাক ৰ'দেই সকলোকে শুকুৱায়। মাৰিমৰক আহিলে সকলোৱে ভোগে। গাঁৱৰ সকলোৰে হৈ বামুণসকলে পূজা-পাতল কৰে। সমাজৰ প্ৰচলিত ৰীতি-নীতি, লোকাচাৰেই ধৰ্ম। সাধাৰণ খাটি-খোৱা মানুহে ধৰ্ম-শাস্ত্ৰৰ জটিল কথাবোৰ বুজি নেপায়, বুজিবৰ চেষ্টাও নকৰে। বংশ-পৰম্পৰাই বামুণ পৰিয়ালবোৰত লিখা-পঢ়া চলে, বামুণৰ ল'ৰাই শাস্ত্ৰবিধি পঢ়ে, পূজা যজমানীৰ নীতি-নিয়ম, মন্ত্ৰ-শ্লোক শিকে। বেছি

ভাগেই ইয়াৰ থলুৱা মানুহ। ইয়াতে পুৰুষে-পুৰুষে উপাজিছে। পুৰুষে-পুৰুষে মৰিছে। বামুণ পৰিয়ালবোৰও জ'ৰ-ত'ৰ পৰা আহি ঠায়ে ঠায়ে বামুণ-গাঁও, বামুণৰ চুবুৰি পাতি বসবাস কৰি আছে। শাস্ত্ৰ চৰ্চ্চা কৰে, টোল পঢ়াশালী পাতি বামুণ আৰু উচ্চ কায়স্থ ঘৰৰ দুই এটা ল'ৰাকো শাস্ত্ৰ পঢ়ায়। যজমানী, পূজা-পাৰ্ব্বণ কৰি, দান-দক্ষিণাৰে জীৱন যাপন কৰে। নিজে হাল বাই খেতি-বাতি নকৰে। সাধাৰণ মানুহৰ বামুণসকলৰ ওপৰত গভীৰ আস্থা আছে। সকলোৱে তেওঁলোকক ভক্তি-শ্ৰদ্ধা কৰে। তেওঁলোকে হিন্দু ধৰ্ম্মৰ ৰীতি-নীতি অনুসৰণ কৰি চলিবলৈ সাধাৰণ মানুহক শিকায়। অব্ৰাহ্মণে নৈষ্ঠিক শাস্ত্ৰীয় বিধি-বিধান, ৰীতি-নীতি অবিকৃত কৰি পালন কৰি চলিব নোৱাৰে। ধৰ্ম্ম কৰ্ম্মতে সদায় লাগি থাকিলে সংসাৰৰ সকলো লেঠা মাৰিবলৈ টান হয়। তাৰ বাবে ব্ৰাহ্মণসকলৰ যি দৰে বৰ দুশ্চিন্তা নাই, অব্ৰাহ্মণ সকলৰো অনুতাপ অনুশোচনা নাই। ভুল নকৰা, পাপ নকৰাটো কোন আছে? বামুণসকলে আমাৰ হৈ পূজা প্ৰাৰ্থনা কৰে, আমি পূজাৰ কাৰণে লগা ফল-মূল, কল-মাহ জোগাৰ কৰি দিওঁ। কুল পুৰোহিতক নিয়মমতে দান-দক্ষিণা দিওঁ। এনেকৈয়ে চলি আহিছে—চলি থাকিব।

ব্ৰাহ্মণ সকলে নিজ নিজ নিত্য পূজা সেৱা কৰি চলি থাকে। কোনোবা কোনোবাই হিন্দুহৈও, অহিন্দু ৰীতি-নিয়ম অনুসৰণ কৰি চলে, ধৰ্ম্মৰ ব্যাভিচাৰ কৰে। উপদেৱতা, অপদেৱতাৰ পূজা কৰে, ব্যাভিচাৰ কৰে। ব্ৰাহ্মণসকলে এনেবোৰ কাৰ্য্যকলাপ দেখে। কিন্তু কোনো কঠোৰ অনুশাসন বিধি প্ৰৱৰ্ত্তন কৰি এই মানুহবোৰক শুদ্ধ ৰীতি-নীতি মানি চলিবলৈ বাধ্য কৰাৰ চেষ্টা নকৰে। এই সকলোবোৰ মানুহক ধৰ্ম্মৰ গূঢ়তত্ত্ব বুজাবৰ চেষ্টা কৰাও বৃথা। অলপ শিক্ষিত বহুত ব্ৰাহ্মণেও বৈদিক হিন্দু ধৰ্ম্মৰ সকলোবোৰ জটিল আৰু গভীৰ গূঢ় তত্ত্ব বুজিব নোৱাৰে। পৰিয়ালৰ সম্পত্তি হিচাপে বুকুত বান্ধি লৈ ফুৰোৱা পুৰণি শাস্ত্ৰৰ পুথিকেখনৰ পাতত যি আছে, তাৰেই পাঠ মুখস্থ কৰি শ্লোক আওঁৰাই, পূজাই-অন্ত্যেষ্টিয়ে তাক মাতি গাই



তেওঁলোকে প্ৰাচীন পৰম্পৰা ৰক্ষা কৰিবৰ যত্ন কৰি আহিছে। হিন্দু ধৰ্ম্মৰ অনুগামী এই নিৰক্ষৰ মানুহখিনিক হিন্দু কৰি ৰাখিব পৰাটোৱেই ডাঙৰ কথা, শাস্ত্ৰ ব্যাখ্যা কৰি, দৰ্শন তত্ত্ব বুজাই পণ্ডিত কৰিবলৈ চেষ্টা কৰি একো লাভ নাই।

তদুপৰি গাঁৱলীয়া সমাজখনত ব্ৰাহ্মণ, শূদ্ৰ, বৈশ্য, অন্ত্যজ, অছ্যুৎ নানা জাতৰ, নানা বৰ্ণৰ মানুহ আছে। যাৰ য'ত স্থান, তাক তাতে ৰাখি নথলে সমাজত অথন্তৰ মিলিব। সকলোৱে সমানে শাস্ত্ৰৰ গূঢ় কথাৰ ভাগ পাবলৈ হ'লে মানুহে গুৰু-গোসাঁই নমনা হ'ব। অপণ্ডিতেই পণ্ডিত হ'ব। নিজ নিজ মতে ধৰ্ম্মশাস্ত্ৰৰ ব্যাখ্যা কৰিবলৈ ল'ব। সকলো খেলি-মেলি হৈ যাব। ব্ৰাহ্মণ ব্ৰাহ্মণৰ ভাগে, শূদ্ৰ শূদ্ৰৰ ভাগে, বৈশ্য বৈশ্যৰ ভাগে আৰু অন্ত্যজ অন্ত্যজৰ ভাগে যুগ যুগান্তৰ ধৰি চলি আহিছে, তেনেকৈয়ে চলি থাকিব লাগিব। যাৰ যি কৰ্ম্ম, যাৰ যি বৃত্তি, জন্মগত ভাবেই সি নিৰ্দ্ধাৰিত হৈ আহিছে। ম্লেচ্ছ-যৱন-কৈৱৰ্ত্ত-অন্ত্যজ এই নীহকুলীয়া মানুহবোৰৰ হাতত ধৰ্ম্মৰ গূঢ়-গোপন কথা তুলি দিলে, সমাজৰ গাঁথনি থানবান হৈ যাব। যাৰ ঠাই য'ত, তাক তাতে ৰাখিব লাগে।···

এই ব্যৱস্থাৰ বিৰুদ্ধে নিজ নিজ সমস্যাত ব্যস্ত মানুহে মাত মতাৰ বা থিয় দিয়াৰ কথা চিন্তা কৰাৰ আজৰি নেপায়। শাস্ত্ৰবোৰ সংস্কৃতত লিখা। সংস্কৃত দেৱতাৰ ভাষা আৰু শাস্ত্ৰৰ অধিকাৰী ব্ৰাহ্মণসকলক সকলোৱে দেৱ বা দেউ বোলে। তেওঁলোক দেৱ বংশোদ্ভূত, তেওঁলোকো দেৱতা।

শংকৰে মহেন্দ্ৰ কন্দলিৰ তলত শিক্ষা আহৰণ কৰিছে। সংস্কৃত ব্যাকৰণকে ধৰি, সন্ধি সমাস, অব্যয় বিভক্তি, শব্দৰূপ, ধাতুৰূপ সকলো মনোযোগেৰে অধ্যয়ন কৰি শাস্ত্ৰৰ কথাবোৰৰ অৰ্থ তাৎপৰ্য্য খৰাছি মাৰি উপলব্ধি কৰাত একান্তভাবে লাগি আছে।

কিছুমান কথা শংকৰৰ নুবুজা যেন লাগিল। ধৰ্ম্ম-জীৱন যাপন কৰা কথাটো হাবিত পহু চিকাৰ কৰিবলৈ যোৱা বা নৈত মাছ মাৰিবলৈ যোৱাৰ নিচিনা কথা নহয়। এজন বা দুজনে পহু মাৰিব আৰু গঞা ৰাইজে মাংস ভগাই খাব! এজন বা দুজনে মাছ মাৰি আনিব আৰু

সকলোৱে ভগাই খাব। এজনে বা দুজনে পূজা সেৱা কৰি সকলোৱে কাৰণে পুণ্যৰ ভাগ আনিব—, এজনৰ হৈ অন্য এজনে যজ্ঞ পূজা কৰি মোক্ষ বা মুক্তি আনিব, এইটো জানো বিশ্বাসযোগ্য কথা? মানুহ মানুহৰ মাজত এনে ধৰণৰ ব্যৱধান কিয় চলি থাকিব লাগে? পঢ়াশুনা অধ্যয়ন, অধ্যাপনা, পূজা, সেৱা কৰি থাকিল বুলিয়ে কোনোবাই অন্য একো হাতৰ কাম, দেহাৰ শ্ৰম নকৰাকৈ সদায় আনৰ অৰ্জনৰ ওপৰত খাই থাকিব, ই কেনে কথা? কায়কষ্ট কৰি, খেতি-বাতি, ব্যৱসায়-বাণিজ্য কৰি নিজেও পোহ যায়, আনৰ মুখৰ ভাত মুঠিও তুলি ধৰে, তেনে মানুহে শাস্ত্ৰৰ ভিতৰত কি আছে, কি নাই, তাক জানিব বুজিব নেপায়, ই কেনে কথা? ঈশ্বৰ সকলো মানুহৰ কাৰণে। ঈশ্বৰৰ কথা থকা ধৰ্ম শাস্ত্ৰবোৰো সকলো মানুহৰ কাৰণে নহ'ব কিয়? আচুতীয়াকৈ এমুঠিমান মানুহৰ কাৰণেহে হ'ব কিয়? ঈশ্বৰ কাৰো আচুতীয়া সম্পত্তি নহয়, ঈশ্বৰৰ সত্যও, ধৰ্মৰ সত্যও কাৰো আচুতীয়া সম্পত্তি হৈ থাকিব নোৱাৰে। ঈশ্বৰে সৃষ্টি কৰা মানুহ হিচাপে, সকলো মানুহে ঈশ্বৰক বিচাৰে, ঈশ্বৰক চিনাৰ, ঈশ্বৰক বুজাৰ, ঈশ্বৰৰ পূজা সেৱা কৰাৰ সমান অধিকাৰ সকলোৱে পাব লাগে। ঈশ্বৰে যদি কেৱল সৰ্ব্বসাধাৰণে বুজি নোপোৱা এক বিশেষ দেৱ-ভাষাহে বুজি পায়, তেন্তে সেই ভাষা-নজনা মানুহৰ মাত কথা সৰ্ব্বজ্ঞ ঈশ্বৰে বুজি নেপাবৰ কি কাৰণ আছে? শাস্ত্ৰৰ অচিনাকি আৰু বুজিব নোৱাৰা ঈশ্বৰক মানুহৰ চিনাকি আৰু বুজিব পৰা ঈশ্বৰ কৰিব নোৱাৰিলে, মানুহৰ পৰা ঈশ্বৰ দূৰতে ৰৈ যাব, ঈশ্বৰৰ পৰাও মানুহ দূৰতে ৰৈ যাব।···

অকলশৰে নৈৰ পাৰত বহি ডেকা শংকৰে কথাবোৰ চিন্তা কৰিছিল। কেইবা বছৰ ধৰি কন্দলিৰ টোলত বহুত শাস্ত্ৰ অধ্যয়ন কৰিলো। হেজাৰ-হেজাৰ বছৰৰ জ্ঞানৰ কথা—হয়তো মোৰ নিচিনা এটা ল'ৰাই পঢ়ি বুজি শেষ কৰিব নোৱাৰিম, হয়তো মোৰ আৰু বহুত পঢ়িবলৈ, বহুত বুজিবলৈ বাকী আছে।

কিন্তু মই যিবোৰ মানুহৰ মাজত সৰুৰে পৰা ডাঙৰ হৈছো, যিবোৰ মানুহৰ মাজত খেলি, ধেমালি কৰি কাল কটাইছো, যিবোৰ মানুহে



খেতি কৰি, আমাৰ ভঁড়াল ধানেৰে ওপচাইছে, যিবোৰ তাঁতীয়ে কাপোৰ বৈ আমাক পিন্ধাইছে, যিবোৰ মাছ মৰীয়াই নৈ-বিলত মাছ মাৰি আমাক আঞ্জাৰ যোগান ধৰিছে, সেইবোৰ মানুহে যদি কন্দলিৰ টোলত মই কি শাস্ত্ৰ পঢ়িছো, শাস্ত্ৰ পঢ়ি কি শিকিছো, কি বুজিছো, তাৰ অকণো ভাগ নেপায় তেন্তে এইবোৰ মানুহে মোৰ বিদ্যা-জ্ঞানৰ কি ভাগ পালে? পুৰুষে-পুৰুষে এই লিখা-পঢ়া নজনা মানুহবোৰ যদি এনেকৈয়ে ওপজে, এনেকৈয়ে গৰু ম'হৰ দৰে জীয়াই থাকে, আৰু গিয়ান, ধৰ্ম, সত্য—এইবোৰৰ একো ভাগ নোপোৱাকৈয়ে মৰে, তেন্তে মোৰ শিক্ষা-দীক্ষাৰ কি মূল্য আছে? হাতীয়ে আমনি কৰিলে, ম'হে আমনি কৰিলে, ষাঁড়ে খুচিবলৈ আহিলে বা সাপে খুটিবলৈ আহিলে, মই জানিবা গাৰ বলেৰে হাতী, ম'হ, ষাঁড়, সাপ সকলোকে খেদাই মৰিয়াই আঁতৰাই পঠিয়ালো—সেইয়া দেহাৰ শক্তিৰ কথা। কিন্তু আমাৰ প্ৰত্যেকটো মানুহৰ দেহাৰ মাজতে সোমাই থকা আমাৰ শত্ৰুবোৰ, কাম, ক্ৰোধ, লোভ, মোহ, মদ-মাৎসৰ্য্য—এই শক্তিশালী ৰিপুবোৰ সিহঁতৰ লগত যুঁজিবৰ কাৰণে আমি যদি আমাৰ মনৰ মাজত শক্তি গোটাই লব নোৱাৰো, সিহঁতে আমাক ধ্বংস কৰি পেলাব। ভালকৈ খাব ববলৈ পালে সকলোৱে দেহাৰ শক্তি আহৰণ কৰিব পাৰে, কিন্তু শাস্ত্ৰজ্ঞান নেথাকিলে, ঈশ্বৰ জ্ঞান নেথাকিলে, সৃষ্টি তত্ত্বৰ কথা, জীৱন মৰণৰ অৰ্থ আৰু মানুহ আৰু স্ৰষ্টাৰ সম্পৰ্কৰ কথা বুজি নেপালে, এই শত্ৰুবোৰৰ লগত লিখা-পঢ়া নজনা, ধৰ্ম কথাৰ ভাগ নোপোৱা এই সাধাৰণ, সৰল মানুহবোৰে নিজক ৰক্ষা কৰিব কেনেকৈ? মই এই বিষয়ত কিবা এটা নিশ্চয় কৰিব লাগিব, মই এই মানুহবোৰৰ কাৰণে নিশ্চয় কিবা এটা কৰিম।

কিন্তু কি কৰিম?···মই কি কৰিম?

আমাৰ মানুহখিনিৰ কাৰণে মই কি কৰিব পাৰিম?

মানুহবোৰে জানেনে সিহঁতৰ কিহৰ অভাৱ? সিহঁতক কি লাগে? সিহঁতে কি বিচাৰিব লাগে?

মই যদি সিহঁতক সিহঁতৰ অভাৱ কি বুজাই কওঁ, সিহঁতে মোৰ কথাত পতিয়ন যাবনে? সিহঁতে মোৰ পৰামৰ্শ উপদেশ মানি-লবনে?

এডোখৰৰ দিহা কৰি ল'ব
জীয়াই থাকোতে যাৰ মূৰৰ ওপৰত চালি যোগাৰ কৰি ল'ব নোৱাৰে, পুহমহীয়া নোৱাৰে, পেট ভৰাই দুসাজ ভাতৰ যোগাৰ কৰিব নোৱাৰে, জাৰতো যি গা ঢাকিবৰ কাৰণে এসাজ কাপোৰৰ যোগাৰ কৰিব নোৱাৰে, এই দৰিদ্ৰ, নিৰক্ষৰ, অসহায় মানুহবোৰ—গোটেই জীৱনত যি দুখকেই চিনি পালে, দুখকে ঈশ্বৰৰ দান বুলি মোৰ বুলি ললে, সিহঁতো যেতিয়া মৰে সিহঁতৰ আত্মাৰ মুক্তিৰ কাৰণে কত সকাম নিকামৰ আয়োজন, মুখৰ ছাই গুচাবৰ কাৰণে, প্ৰেতকৰ্ম্মৰ কাৰণে কত দান-দক্ষিণা কৰিব লাগে? যিবোৰ মানুহৰ খাব পিন্ধিবলৈ নাই, দুবেলা দুমুঠি খাই জীয়াই থাকিবলৈকে টান, সিহঁতেও পিতৃ পিতামহৰ শ্ৰাদ্ধত ষোড়শদান নকৰিলে আত্মাই নিস্তাৰ নেপায়। বস্ত্ৰ, দীপ, অন্ন, জল, ছত্ৰ, গন্ধ, মালা, ফল, ভূমি, আসন, তামোল, খৰম, শয্যা, গৰু, সোণ, ৰূপ—এইবোৰ বামুণক, পুৰোহিতক দান দিব লাগে! একেঘৰৰে ছটা মানুহ যদি মৰে, মৰাঘৰীয়া দান-দক্ষিণা দি সৰ্ব্বস্বান্ত নহ'ব জানো? মৰাঘৰীয়াৰ স্থাৱৰ অস্থাৱৰ সকলো সম্পত্তি দান দি পুৰোহিতৰ ঘৰক ধনী কৰাটো জানো মৃতজনৰ বা জীৱিতসকলৰ মঙ্গলৰ কাৰণ হ'ব পাৰে?

দেহাপাত কৰি, কপালৰ ঘাম মাটিত পেলাই কোনোমতে জীৱন যাপন কৰা মানুহবোৰৰ জীয়াই থকাৰে যোত্ৰ সম্বল নাই, যথা সৰ্ব্বস্ব দি সিহঁতে মৃতকৰ আত্মাৰ উদ্ধাৰ কৰিব কেনেকৈ? এনেকি প্ৰতিটো মৃতকৰ কাৰণে দান-দক্ষিণা কৰি যাব লাগিল কুবেৰৰ অষ্টনিধিয়েও নুকুলাব। আৰু কাৰণো আছে কুবেৰৰ অষ্টনিধিৰ ভঁড়াল? কাৰণো আছে ভঁড়াল ভৰা পদ্ম, মহাপদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, নীল, খৰ্ব—ধন, সোণ, হীৰা, মুকুতা? গোহালিৰ গাইজনীও যজমানী পুৰোহিতক দান দি মৰাঘৰীয়া দিগম্বৰ হোৱাৰ বাহিৰে আৰু কি হ'ব? অন্য কিবা বিধান কৰাৰ দৰকাৰ হৈছে।

মই কিবা এটা কৰিব পাৰিমনে? মই কিবা এটা কৰিলে এজন বা দুজনৰ কাৰণে নকৰো, এটা জাতি, গোষ্ঠী বা সম্প্ৰদায়ৰ কাৰণে নকৰো। সকলোৰে কাৰণে কৰিম, সকলো মানুহৰ কাৰণে কৰিম। পূৰ্ব-পুৰুষৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা ভুঞাৰাজ্যৰ এচমকা মাটি,



সেইয়া সকলোৰে মাজত ভাগ কৰি দিবলৈ নোজোৰে। আৰু এই মাটি-ভেটি, ধন-সোণ সদায় একেজনৰ হাতত নেথাকে। লক্ষ্মী সদায় চঞ্চলা। আমাৰ মানুহখিনিক মই ধন-সোণ দি সন্তুষ্ট কৰিব নোৱাৰো। নোজোৰে। এজনে পালে, দুজনে নেপাব। সকলোকে সন্তুষ্ট কৰিবলৈ গলে মই কাকো সন্তুষ্ট কৰিব নোৱাৰিম।

কিন্তু আমাৰ মানুহখিনিক মই এনেকুৱা কিবা এটা বস্তু দিম যিটোৰ ভাগ সকলোৱে সমানে ল'ব পাৰিব। যিটো হেজাৰ জনৰ মাজত বিলালেও ঢুকায় নেযায়। কমি নেযায়, নোজোৰাকৈ নেথাকে। মই সিহঁতক এনে এটা বস্তু দিম, যিটো সিহঁতে চিনি পায়, বুজি পায়, যিটো সিহঁতে বুকুৰ মাজত সুমুৱাই আহ্বান কৰি ল'ব। যিটো, সিহঁত যলৈকে যায়, তালৈকে লগে লগে যাব—ভাৰ নহয়, বোজা নহয়, অন্য সংসাৰী কামৰ কোনো বাধা নহয়। সিহঁত সকলোৱে সমানে তাৰ ভাগ পাব, ভাগ ল'ব। মোৰপৰা লৈ সিহঁতে অন্যকো বিলাই দিব—

কিন্তু এই কামটো সহজ কাম নহয়। কোনোবাই মোৰ কথা শুনিব জানো? কোনোবাই মোৰ কথা মানিব জানো? কোনোবাই মোৰ কথাত কাণসাৰ দিব জানো?

ভাবি ভাবি শংকৰে বহাৰ পৰা উঠিব খুজিছিল—দেখিলে সিফালৰ পৰা ৰামৰাম আহিছে।

"নৈৰ পাৰত এনেকৈ অকলে অকলে বহি কি কৰি আছা শংকৰ?" ৰামৰামে সুধিলে।

"এইফালে ক'ৰপৰা আহিলা?"

"আমাৰ খাটৰ গা'তে লাগি থকা ধাননি পথাৰলৈ কোনোবা কছাৰী মানুহ কেইটামানে গৰু-ম'হ সুমুৱাই দি বহুত ধান খুৱালে। তাকে বুজ লৈ আহিলো।"

"আহাচোন, বহা। অথনিয়ে আহিলো। ময়ো ঘৰলৈকে যাম। ইয়াত বেচ জুৰ পৰিছে। বতাহজাক বৰ ভাল লাগিছে। কিবাকিবি কথা ভাবি বহি আছো—"

"তোমাৰ বিয়াৰ কথা ভাবিছা নেকি? ভাবিবৰ বয়স হোৱা নাই জানো?"

"মোৰ বিয়াৰ কথা? তাৰ বিষয়ে কিবা ভাবিবলগীয়া আছেনো? সেইবোৰ মই একো নাই ভবা।"

"তুমি শাস্ত্ৰ ভাগৱত ইমানবোৰ পঢ়াশুনা কৰি উঠি পণ্ডিত হ'লা। পিতাৰ যেতিয়া নাই, ভূঞাৰ পৰিয়ালৰ মাটি-ভেটি, খাত-পাম, প্ৰজা-পাইকৰ কথা বুজি-মেলি লৈ এতিয়া সুখে-সন্তোষে দিন কটাবহে লাগে। বিয়া বাৰুও কৰাব লাগে, সংসাৰো চাব চম্ভালিব লাগে, প্ৰজা পালনো কৰিব লাগে, নহয় জানো?" ৰামৰামে ক'লে।

শংকৰে ক'লে, "সংসাৰত থাকিলে সংসাৰ ধৰ্ম পালন কৰিব লাগে। পিছে মোৰ বিয়াখন অকল মোৰহে কথা। ভূঞা পৰিয়ালৰে কাৰোবাৰ ঘৰৰ এজনী ছোৱালী বিয়া কৰাই অনা হ'ব। সেই ছোৱালীজনী হ'ব শঙ্কৰ ভূঞাৰ ধৰ্মপত্নী। তাৰ পৰা মোৰ ঘৰ-সংসাৰ হ'ব। কিন্তু তাৰ পৰা আমাৰ মানুহবোৰৰ কি লাভ হ'ব? মোৰ সুখেই আনৰো সুখ বুলি মই ক'ব পাৰিম জানো?"

ৰামৰামে ক'লে, "সংসাৰ-ধৰ্ম তেনেকুৱাই। সকলোৱে নিজ নিজ ধৰ্ম নিয়মমতে পালন কৰি যাব—সকলোৱে সমাজৰ নিয়ম ৰক্ষা কৰিব, সকলোৱে নিজ নিজ ভাগে সুখী হ'ব।"

শঙ্কৰে ক'লে "সেই কথাকেই মই চিন্তা কৰি আছিলো ৰামৰাম। এনেকুৱা কিবা এটা কৰিব নোৱাৰিলে, যিটো কৰিলে সকলো সমানে সুখী হ'ব। যিটো সুখৰ ভাগ সকলোৱেই সমানে ল'ব পাৰিব? যিটো সুখ সৰু, সামান্য, সীমিত সুখ নহয়, যিটো সুখৰ ভাগ পৃথিৱীৰ সকলো মানুহে যুগে যুগে, কালে কালে ল'ব পাৰিব?"

"জানো তুমি কিবোৰ চিন্তা কৰিবলৈ লৈছা আজিকালি। মই হ'লে ভালকৈ একো ধৰিব পৰা নাই। ঘৰখনৰ সকলো জা-জঞ্জাল মূৰ পাতি লৈ খেৰসূতী বুঢ়ী আইতাই অতকাল চলাইছে। তোমাকো পঢ়াই-শুনাই ডাঙৰ পণ্ডিত কৰিলে। এতিয়া বিয়াখন কৰাই বুঢ়ী আইতাৰক অকণ দেহমনৰ শান্তি দিবলৈ লোৱাহে ভাল কথা হ'ব। নহয় জানো?"



শংকৰে ক'লে, "মোৰ নিচিনা ঘটমাউৰা ল'ৰা এটাক তুলি-তালি ডাঙৰ কৰোঁতে বুঢ়ী আইতাৰ সঁচাকৈয়ে বহুত দুখ গৈছে। লিগিৰা-লিগিৰী, চাকৰ বাকৰে লাগি ভাগি দিলেও, ঘৰ সংসাৰখন চলায় বুঢ়ী আইতাইহে। তেওঁৰ সুখ শান্তিৰ কাৰণে মই ছোৱালী এজনী বিয়া কৰাই তেওঁৰ ওচৰত গটাই দিব পাৰিলে, ময়ো ভাল পাম। পিছে জন্ম মৃত্যুৰ কথানো কোনে জানে? কিজানিবা বুঢ়ী আইতায়ে থাকে, বোৱাৰীয়েকেই নেথাকে?"

"তেনে অমঙ্গলীয়া কথা ক'ব নেপায় শংকৰ", ৰামৰামে ক'লে।

"মই কাকো শাও দিয়া নাই। পিছে মৰো বুলি যেনেকৈ কোনো মৰিব নোৱাৰে তেনেকৈ জী থাকো বুলিও কোনো জী থাকিব নোৱাৰে। আৰু আইনৰ মৰাৰ কথা কবলৈ আমাৰ টান নেলাগে, নিজৰ আপোন কোনোবা মৰাৰ কথাবোৰ মুখলৈ আনিবলৈও টান লাগে।"

ৰামৰামে ক'লে "কেতিয়াবা কাৰোবাৰ মুখৰ কথাই ঋষিবাক্য যেন হৈ পৰে। তাতে তুমি শাস্ত্ৰ ভাগৱতৰ ওজা। বাৰু, এইবোৰ কথা যাওক। ঘৰলৈ নোযোৱা জানো? সময় কিছু হ'ল।"

শংকৰে ক'লে, "তুমিতো জানাই ৰামৰাম, মোৰ বোৱাৰ ঠাই মুঠেই তিনিখন। বুঢ়ী আইতাৰ কাষত খেতি-বাতি, ভূঁইৰ কথাপাতি সোমাই থাকিবৰ কাৰণে ঘৰখন; ধৰ্মশাস্ত্ৰ পঢ়ি অতীতৰ মাজত সোমাই থাকিবৰ কাৰণে কন্দলিৰ পঢ়া শালীখন, আৰু ঘৰবাৰী, মানুহ দুনুহ, পুথি-পাঁজিৰ পৰা বাহিৰৰ এই নিৰ্জন নৈৰ পাৰ, বনৰীয়া চৰাই পহু থকা হাবি আৰু সদায় অকণো নবৈ বৈ থকা নৈখনৰ গৰা আৰু বালিচাপৰি। সঁচাকৈ কৈছো—এই হাবি জঙ্ঘল, নৈ-নিজৰা আৰু মুকলি আকাশ মোৰ যিমান ভাল লাগে, ঘৰৰ ভিতৰত, পুথি-পাঁজিৰ মাজত সোমাই থাকি মোৰ সিমান ভাল নেলাগে। সেই ঘটনাটোৰ কথা কবই পাৰা। টোলৰ পুথি-পাঁজিবোৰৰ মাজত সোমাই থাকি আমনি লাগি যে এদিন মই কন্দলি অধ্যাপকক টকা এটা আৰু কাপোৰ এখন লুকাই লুকাই ভেটি দি, পাঠশালাৰ পৰা গুচি আহি ইয়াত নৈৰ পাৰত মনে মনে উৰ্মলি ফুৰিছিলোঁহি।"

“পিছে কন্দালিয়ে গৈ বুঢ়ীআই খেৰসুতীক টকা কাপোৰ ঘূৰাই দি তোমাৰ কথাবোৰ যে কৈ দিলেগৈ—কথাটো সকলোৱে জানে,” ৰামৰামে ক’লে।

“এৰা, মোৰ মনটোৱে দেখোন বান্ধোনত থাকি সুখ নেপায়। মুকলি-মুৰীয়া হৈ থাকিবলৈহে বিচাৰে। পুৰাণ, ৰামায়ন, মহাভাৰতৰ কাহিনী-বোৰৰ মাজত সোমাই থাকি ভাল লাগিলেও, সেইবোৰ বহুত পুৰণি কালৰ পুৰণি কাহিনী। সেই কাহিনীৰ জগততে সদায় সোমাই থাকিবলৈ মোৰ মনটোৱে ভাল নেপায়। শংকৰে ক’লে, “মোৰ মানুহবোৰৰ মাজলৈ গুচি যাবৰ মন যায়, আমাৰ সাধাৰণ মানুহবোৰৰ মাজত গৈ সোমাই থাকিবৰ মন যায়।”

ৰামৰামে ক’লে, “একোটা সময়ত ভিতৰে আমুৰায়, একোটা সময়ত বাহিৰে আমুৰায়। মানুহৰ মনটো বুজিবলৈ টান। ৰামচন্দ্ৰই জানো ৰাজপ্ৰাসাদ এৰি বাৰ বছৰ অৰণ্যত কটোৱা নাছিল ?”

“ময়ো মনে মনে ভাবিছো, পাৰিলে এবাৰ আমাৰ ভাৰতবৰ্ষখন ঘূৰি মেলি চাই আহিম। দশৰথ ৰজাৰ অযোধ্যা, পাণ্ডৱৰ ইন্দ্ৰপ্ৰস্থ, কুৰুক্ষেত্ৰ, শ্ৰীকৃষ্ণৰ গোকুল-বৃন্দাবন-মথুৰা-দ্বাৰকা এইবোৰ ঠাইৰ কথা পৃথিৱতহে পঢ়িছো। নিজ চকুৰে চাই আহিলেহে পৃথিৱৰ লগত কিমান মিল বা অমিল আছে জানিম, নহয় জানো ? অ’ সউহাল আকৌ কোন—এইফালেই আহিছে ?”

ৰামৰামেও চালে।

—এটা মতা মানুহ, এজনী তিৰোতা আৰু এটা শকত-আৱত বলধ গৰু। সিহঁত শংকৰহঁত থকাৰ ফালেই আহি আছে। আগে-আগে গৰুটো, পিছত মানুহহাল।

‘সেইটো টিলিঙা হ’বলা—”

সিহঁত ওচৰ পালেহি। আগলৈ চাই দেখিলে ডেকাগিৰী শংকৰ আৰু ৰামৰাম। গৰুটোৰ পঘাডাল হাতৰ পৰা এৰি দি মতা তিৰোতা দুয়োটাই সাষ্টাঙ্গে শংকৰক সেৱা কৰিলে। তিৰোতাজনীয়ে মূৰৰ ওৰণিখন ভালকৈ টানি ললে। তাইৰ গাত চোলা নাই। ৰিহাখনকে



গাত মেৰিয়াই আহিছে। ক’কালত এখন কপাহী মেখেলা। মানুহটোৰ গাত মুঠেই চুৰিয়া এখন, গাত চোলা কাপোৰ অন্য একো নাই।

“টিলিঙা নহৱনে ? ক’ৰপৰা আহিলি ?”

হাতত লৈ থকা পঘাডাল তিৰোতাজনীৰ হাতলৈ দি, অলপ একাষৰীয়া হৈ লৈ টিলিঙাই ক’লে “নক’ব আৰু প্ৰভুসকল, গৰুৱেও শিকাইছে, তিৰীয়েও শিকাইছে।”

“এওঁ তোৰ ঘৈণীয়েৰ হ’বলা ?” ৰামৰামে সুধিলে।

“এৰা প্ৰভু, নিজৰ ঘৈণীজনী নহৈ, অইনৰ ঘৈণীজনী এইদৰে হাবিয়ে বননিয়ে টানি লৈ ফুৰালে, ৰাইজখনে শুদাই এৰিবনে ? মই কিবা আৰু ভূগী যুগী কিবানে ?”

“আহিলি ক’ৰপৰা ?”

“ক’ৰপৰা আহিম আৰু প্ৰভুসকল ? যাবলৈ আহিবলৈ চিনাকি ঠাই আছে দুখন, নিজৰ ঘৰটো আৰু শহুৰৰ ঘৰটো, মাজত এইয়া নৈ, হাবি, বিৰিঙানি, বৰতানি। মই পিছে শহুৰৰ ঘৰলৈ বৰকৈ নেযাও। শাস্ত্ৰত কৈছে নহয় বোলে, ‘হা জোঁৱাই হবা হেনা জোঁৱাই নহবা।’ পিছে নেযাও বুলিলেই শহুৰৰ ঘৰলৈ নগৈ পাৰিনে ? এই গৰুটো শহুৰৰ ঘৰৰ পৰা দিছিল। পিছে সদায় মোৰ ঘৰত থাকি ভাল নেপায়, মাজে মাজে এৰাল চিঙি সি কদমহঁতৰ ঘৰ ওলায়গৈ—”

“কদমনো কোন ?” ৰামৰামে সুধিলে।

“কোন হ’ব আৰু ? গৰুটোৰ লগত যে সাঙুৰি আনিছো—এই আমাৰ ল’ৰাহঁতৰ মাক। গৰুটো আজি কেইদিনমান হৈছে, গোহালিৰ পৰা নোহোৱা হ’ল, মই বোলো তয়ে যাচোন গৰুটো বিচাৰি, কলৈ যাব আৰু ? তহঁতৰ ঘৰলৈকে গৈছে। পিছে হাতলৈ চাও বাটলৈ চাও, গৰুও নাই, কদমো নাই। তেহে হবলা কালি মই নিজেই গলো—দেখো গৰু শুই আছে গোহালিত, আৰু এই—এপেট ভাত খাই শুই আছে বাপেকৰ ঘৰৰ মজিয়াত। তেহে এচাৰি এডাল লৈ হালকে খেদাই আনিছো। পিছে এই ভৰ দুপৰীয়াখন প্ৰভুসকলে বা ইয়াত কি কৰি

আছে? তামোল এখনকে খাব জানো? শহুৰৰ ঘৰৰ পৰা এটোপোলা দি পঠিয়াইছে। ডবুৰা কটাৰি এখনো লগতে আছে।"

ৰামৰামে ক'লে, "তামোল এতিয়া নেখাও দে—ওহঁত যা বাৰু—"

টিলিঙাৰ মুখৰ ফালে চাই শংকৰে ক'লে, "দে বাৰু তামোল-পাণ, আমি কাটি খাম। নহলে আকৌ তহঁতে বেয়া পাবি—"

আস্তবেস্ত কৰি কদমে তামোল-পাণৰ টোপোলাটো টিলিঙাৰ হাতলৈ দিলে। সি টোপোলাটো মাটিতে শংকৰৰ আগত মেলি ধৰিলে। "খাওক প্ৰভুসকল। এৰা, শাস্ত্ৰত কৈছে বোলে—

তামোলৰ ঢকুৱাৰ জোল্লাঙাটো
ঢেঁকীয়া-লতিৰে সীয়া,
বাঁহৰ চেচুৰ কটাৰিখন,
তাকো শাণত দিয়া।

আমগুটিৰ টেমিটো,
চামগুৰিৰ চুণ;
বাটে বাটে ৰিঙিয়াই যায়
তামোল খায় কোন?

খাও চাৰিখান, পেলাও চাৰিখান,
গাঁঠিতো চাৰিখান শুকায়,
খোৱা মানুহ, নেখালেও নোৱাৰো
বছৰেকত তামোলটো ঢুকায়।

খাওক প্ৰভুসকল।"

শংকৰে তামোল দুটা আৰু পাণ দুখিলা হাতলৈ ল'লে, আৰু চুণ কেনি আছে চালে।

টিলিঙাই ক'লে "আছে প্ৰভু—
এক ভাই জলত, এক ভাই থলত,
দুই ভাই আকাশ মণ্ডলত—"
জলৰ ভাগ তললৈ আছে। শামুকৰ চুণ, তিৰোতাৰ মুখৰ গালিতকৈও



চোকা প্ৰভুসকল, জিভা তালু চিঙি সোৱাদৰ কৰে, শাস্ত্ৰত কৈছে বোলে চুণ খালে গুণ নাই—"

হাঁহি ৰামৰামে ক'লে, "টিলিঙা তইনো ইমানবোৰ ফকৰা যোজনা ক'ত শিকিলি অ'। কথাই কথাই যে যোজনা আওঁৰাৱ?"

"এ সেই কথা নুসুধিব প্ৰভুসকল, আমাৰ মুখৰ কথাবোৰো কথানে? ডেকাগিৰীয়ে এতিয়া কন্দলিৰ টোলত বৰ বৰ শাস্ত্ৰ পঢ়িছে, তাত বোলে সৃষ্টিৰ দিনৰ পৰা হোৱা সকলো কথা লেখা আছে। আমি আকৌ শাস্ত্ৰ হে নেলাগে, শাস্ত্ৰৰ বাকলিখনৰ ওচৰেদি যাববো যুইগৰ নহওঁ। আমাৰ কথাৰনো কি লাগ-বান্ধ আছে? এক ক'লো লেখি, এক ক'লো দেখি। অপৰাধ নলব—পাপমতি জীয়, ভাল কথলৈ জিভা দোৱোল নেখায়; শাস্ত্ৰত কয় বোলে হাড় নাইকিয়া জিভা, কয় কিবা-কিবা। হেৰ' কদম, তই দেখোন এতিয়া নমতাই হলি? এইৰ মুখখন প্ৰভুসকল লাওপাত কচুপাত। ৰাতিপুৱাৰ পৰা ৰাতি গছপাতৰ টোপাল সৰালৈকে এইহে ৰামায়ন মহাভাৰত সোপাকে গাই থাকে। আৰুনো আমাক শাস্ত্ৰ ভাগৱতৰ কথা কোনে শিকাব?"

এইবাৰ কদমে অলপ সৰুকৈ মাত দিলে, "গুৰু গোঁসাই, সাধু সজ্জন নাই, কাৰোবাক লগ পালেই ফেদোল পুৰাণ গাব। কথা কবলৈ পালে মুখখন বন্ধ নহয়। গৰু এহালৰ দুটা ৰাখি খাব নোৱাৰে। আজি ইটো হেৰায়, কালি সিটো পলায়। মই তিৰোতাজনীয়ে হেৰোৱা বলধ বিচাৰি ফুৰিব লাগে। বাঘে খালেও খাওক, সাপে খালেও খাওক। কিবা দয়া মৰম আছেনে?"

টিলিঙাই ক'লে, "বলধ গৰুটো আৰু তোৰ মুৰৰ ওকণিটো নে কিবা যে চুলিৰ জুঁটৰ মাজতে হেৰাব? ব'ল ব'ল যাও। প্ৰভুসকল, আমানিহে কৰিলো। কি কথাৰ বা আলচ কৰি আছিল। শাস্ত্ৰত কৈছে বোলে, ভালৰ লগত যাবা, খাবা গুৱা পাণ; বেয়াৰ লগত যাবা, কটাবা দুখনি কাণ।' তোৰ লগত আহি এতিয়া ক'ৰবাত কাণ দুখন কটা নগলেই হয়।"

"মোৰ লগত আহিবলৈ আমি কাৰোবাক লগ লবলৈ যোৱা নাই।

এতিয়া দিছে মোৰ বাদ! ময়ে ঢেঁকীৰ পৰা
আহিছে বলধটোৰ লগত, এতিয়া দিছে মোৰ বাদ! ময়ে ঢেঁকীৰ পৰা এওঁ ভাং খাব আৰু টোকাৰী বজাই
পানীলৈকে সকলো কৰি মৰিব লাগে এওঁ ভাং খাব আৰু টোকাৰী বজাই সোধকুচোন প্ৰভুসকল।"
দিনটো কটাব—আৰু কিবা বন কৰেনে সোধকুচোন প্ৰভুসকল।"

হাঁহি ৰামৰামে ক'লে, "তোৰ নাম হবলা কদম—?"

টপ্‌ৰাই টিলিঙাই ক'লে, "মই বোলো বাপেৰৰ ঘৰৰ পৰা অনা নামটো থ। তোৰ নাম পাৰবতী হওক, মই জানিবা আমাৰ ভঙুৰা জনাই। আৰু আমি টোকাৰী নলৈ কিবা ডম্বৰু লৈ ফুৰিমনে?"

শংকৰে এবাৰ টিলিঙা আৰু কদম দুয়োটাৰে ফালে চাই ক'লে, "তই অকল টোকাৰীহে বজাৱনে আৰু কিবা বজাৱ টিলিঙা?"

কদমৰ ফালে চাই টিলিঙাই ক'লে "মাজে মাজে নেগেৰাও বজাও, প্ৰভুসকল। পিছে মাতটো ডাঙৰকৈ নুঠে। তাইৰ পিঠিটো কোমল—পিঠি নেবাজি, মই নেগেৰা বজালে তাইৰ আকৌ মুখখনহে বাজে। শাস্ত্ৰত কৈছে বোলে—কটাৰি ধৰাবা শিলে, তিৰোতা বলাবা কিলে—"

"এইবোৰ ভাল কথা নহয়, টিলিঙা। তিৰোতা মানুহক নেগেৰা বুলি ভাবিব নেপায়। আৰু টোকাৰী বজোৱা হাতেৰে জানো তিৰোতাক ঢকিয়াব পায়? বাৰু তহঁত যা, গৰুটোৰ ভোক লাগিব পায়।" শংকৰে ক'লে।

"ভোক লগা হ'লে কলেহেতেন নহয়। তাৰ ভোক নাই লগা। দেখা নাইনে চকু মুদি ঘাঁহ পাগুলি আছে। আৰু আহোঁতেও বাটৰ ঘাঁহবন এফালৰ পৰা চাহি মুহি খাই আহিছে। শাস্ত্ৰত কয় বোলে পলৰীয়া গৰুৰ বাটে বাটে ঘাঁহ। দায় জগৰ নধৰিব, প্ৰভুসকল, যাও। পিছে ডেকাগিৰী, আকৌ বোলে ইয়াৰ পৰা বৰদোৱালৈ যোৱাটো কৰিছে। সঁচা জানো?"

"এৰা আগে তাতে আছিলো। আকৌ তালৈকে যাও বুলি ভাবিছো।"

"ইয়াত কিবা বেয়া পোৱা হৈছে নেকি? আমি আৰু বিদ্যা বাহন নোহোৱা দুখীয়া মুৰুখমতি মানুহ। আমিনো ভাল হ'ম কেনেকৈ? শাস্ত্ৰত হেনো কৈছে বোলে দুৰ্জনক দেখিলে সজ্জন পলাব লাগে, পিছে দুৰ্জনক এৰি থৈ আঁতৰি গলে সিহঁতনো ভাল হ'ব কেনেকৈ? সজ্জনৰ ছাঁত আমি দুৰ্জনো ভাল হ'ব পাৰো, গেৰেকানি দেখি সুৰুষ পলালে গেৰেকানি কেতিয়াবা শুকাব জানো? জানো, গাখীৰেৰে ধুলেও এঙাৰ বগা নহয় বুলি ভাবি যদি আমাৰ ইয়াৰ পৰা যাবলৈ ওলাইছে সেইয়া আৰু আমাৰহে দুখৰ কথা হ'ব।"

কদমে মাত লগালে "দন খৰিয়াল, হাই কাজিয়া কৰি সকলোৰে শান্তি নাইকিয়া কৰি থাকিলেনো প্ৰভুসকল আমাৰ মাজত কেনেকৈ থাকিব?"

টিলিঙাই ক'লে, "মই জানিবা সদায় নেগেৰা নোকোবাই আঙুলি টুকৰিয়াই টোকাৰীকে বজাই থাকিলো, কোনে বহি শুনি থাকিব? ডেকাগিৰীয়েও গীত-বাজনা কৰাৰ কথা ৰাইজে নজনা নহয়। পিছে প্ৰভুসকলৰ গীত মাত শুনে আকাশৰ দেৱতাই আৰু আমি শুনাও গৰু ছাগলীক। সিহঁতেও বৰকৈ মন কাণ নিদিয়ে। শাস্ত্ৰত কৈছে বোলে, গৰুৰ আগত টোকাৰী বায়, মূৰ জোকাৰে, ঘাঁহ খায়। হেৰ' উঠ। চকুমুদি অথানিৰ পৰা সকলো কথা বতৰা শুনি আছ। কমতো নহৱ। মোৰ কথাতো নুশুন, আজি বুধি কৰি ডেকাগিৰীৰ কথাবো ভাগ ললি।" টিলিঙাই গৰুটোক ক'লে।

কৈ টিলিঙাই শুই থকা বলধটোক জগাই দিলে।

ৰামৰামে ধেমালি কৰি সুধিলে, "হেৰ টিলিঙা, তোৰ গৰু এটাইনে আৰু আছে?"

টিলিঙাই ক'লে, "প্ৰভুসকলৰ আগত লুকুৱাইনো কি লাভ? এইক ঘৈণী চপাবলৈ লোৱাৰ সময়ত এদিন গৈ ইহঁতৰ ঘৰ ওলাইছিলোগৈ, শহুৰে মোৰ কি আছে, কি নাই সুধিলে, মই বোলো—

হাতীদাঁতৰ বুৰা,
ৰ'দ জিলিকে পুৱা,
দুহাল বাবলৈ তিনটা লাগে,
তাক চাই শহুৰ, ছোৱালী দিয়া নে নিদিয়া?

শহুৰো কম নহয়, ক'লে বোলে—

'হাতো পদুমী, ভৰিও পদুমী,
ডিঙিত নাকো—কোঁৰা,
তাকে চাই জোঁৱাই ছোৱালী
নিয়ানে নিনিয়া।'

এৰা শাস্ত্ৰত আছে বোলে, তিৰীৰ ভাইগহে ভাইগ, আৰু যাৰ কপালত যি আছে—ফেঁচালৈ ফেঁচী, ইন্দ্ৰলৈ শচী, চোৰলৈ চুৰুণী—নহয়নে হেৰ' কদম ?"

"জানো, মই কি জানো ?"

"এৰা, তই এতিয়া একো নজনাজনী হলি। বিয়াৰ আগতে শহুৰৰ জীয়েকক অপেছৰী যেন লাগিছিল, বাৰু প্ৰভুসকলৰ আগত সকলো কথা নকও দে, কথা কৈ থাকিলে কথা ওলাইহে যায়। শাস্ত্ৰত কৈছে বোলে—

কথাত কথা বাঢ়ে, খৰিকাত বাঢ়ে কাণ,
মাকৰ ঘৰত জীয়েক বাঢ়ে,
পথাৰত বাঢ়ে ধান।

যাওঁ প্ৰভুসকল। পিছে ডেকাগিৰীয়ে আমাৰ ঠাই এৰি নগলেহে ভাল আছিল। ঠাইখনত এজনা লেখৰ মানুহ, এজনা জোখৰ মানুহ থাকিলে মনত বল থাকে।"

"আলিপুখুৰীৰ পৰা বৰদোৱানো কিমান নিলগত ? আমি তালৈ গলেও মাজে মাজে সেইফালে যাবি, এতিয়া যাহঁত বাৰু—"

সেৱা কৰি টিলিঙা আৰু কদম গাঁৱৰ ফালে আগবাঢ়িল।

সিহঁত যোৱাৰ ফালে চাই থাকি শংকৰে ক'লে, "আমি যাওহঁক বলা ৰামৰাম। এইটো, টিলিঙাটো বৰ ৰঙিয়াল মানুহ, সদায় ৰং ধেমালিতে থাকে। মাজে মাজে আমাৰ ঘৰলৈ আহি টোকাৰী বজাই শুনায়। কথা অলপ বেছি কয়। পিছে মনত একো কথা লুকুৱাই নৰাখে। মন-মুকলি মানুহ। বৰ ভাল টোকাৰী বজায়। গাঁৱত থকা ঢুলীয়া, খুলীয়া, পেঁপা, টকা, টোকাৰী, গগনা বজোৱা মানুহ-



বোৰক ভালকৈ শিকাই বজাই লব পাৰিলে, গাঁওখনৰ মানুহবোৰে কামৰ মাজতো ৰং ধেমালি কৰি মনত আনন্দ লাভ কৰিব পাৰিলে-হে তেন। ব'লা যাওহক।"

দুয়ো নৈৰ পাৰৰ পৰা ঘৰ-মুৱা হ'ল। শান্ত বতাহ এজাক তেতিয়াও বলি আছিল। এই নৈৰ পাৰ, এই হাবি-বননি, এই জুৰ বতাহ আৰু টিলিঙাৰ নিচিনা এই মনখোলা, দুখৰ মাজতো হাঁহি গাই দিন কটোৱা সৰল মানুহবোৰ এৰি দূৰলৈ আঁতৰি যাবলৈ শংকৰৰো যেন বৰ ভাল নেলাগিব, এনে অনুভৱ কৰিলে শংকৰে। আৰু বিশেষ কথা-বতৰা নপতাকৈ দুয়ো নিজ নিজ চিন্তা মনৰ মাজত লৈ ঘৰলৈ আগবাঢ়িল। তেতিয়া বেলি লহিয়াইছিল।



সুদৰ্শন চেহেৰা-পাতি। কিচকিচ কৰে ক'লা, গলধনলৈকে পৰি থকা চুলি, কপালত চন্দনৰ ফোঁটৰেখা, চুলিত গুজি থোৱা দুপাহী বগা ফুল, পিন্ধনত শুধ বগা কপাহী চুৰিয়া, বগা শৰীৰ মেৰাই সোণৰ আঙঠিৰে লগুণ, চকুহাল তেজাল, তীব্ৰ চাৱনি, পাতল ওঁঠ দুটাৰ ওপৰত পাতল একোচা গোফ, ডাঢ়ি চিকুণকৈ খুৰোৱা, ভৰিত এজোৰ কঠাল কাঠৰ নাল লগোৱা খৰম—বয়স ষাঠিৰ ওচৰ চাপিলেও, কুৰি বছৰমান কম যেন দেখি—এৱেই বিদগ্ধ শাস্ত্ৰজ্ঞ পণ্ডিত, সংস্কৃত টোলৰ অধ্যক্ষ আৰু অধ্যাপক মহেন্দ্ৰ কন্দলি। টোলত ছাত্ৰ সৰহ নহয়। প্ৰতিজন ছাত্ৰৰ প্ৰতি মনোযোগ দিব লাগে কন্দলিয়ে। এনেকৈয়ে সৰু গাঁৱলীয়া অঞ্চলটোত এটা শিক্ষাৰ পৰিবেশ সজাই কৰি ৰখা হৈছে। ছাত্ৰ প্ৰায় সকলোৱেই ব্ৰাহ্মণৰ সন্তান। সকলো ব্ৰাহ্মণৰ ঘৰুৱা অৱস্থা সমানে

ভাল নহয়। নিজস্ব মাটি থাকিলেও নিজে খেতি নকৰে, আনৰ হতুৱাই খেতি কৰায়। তেওঁলোকৰ খেতিৰ ওপৰতো বনৰীয়া জন্তু, হাতী, ম'হ, বনৰীয়া গাহৰি, পহু আদিৰ উপদ্ৰৱ চলে, কাষৰীয়া গাঁৱৰ কছাৰী আদি মানুহেও উপদ্ৰৱ কৰে। গতিকে গাঁওৰ সকলো ব্ৰাহ্মণে ধানে খন্দ খাই থকা গুটি ধানৰ ভঁড়াল আৰাণ-পুৰাণিকৈ থাবলৈ নেপায়। পুৰোহিতালি কৰি, যজমানী কৰি আৰু বহু সময়ত ৰাইজৰ দান-দক্ষিণাৰ ওপৰত নিৰ্ভৰ কৰিও কোনো কোনোৱে চলিব লাগে। ভুঞা পৰিয়ালৰ পৰা চেনেহ শ্ৰদ্ধা যিদৰে পায়, তেনেকৈ ধান চাউল আদিও পায়। পুৰোহিত শ্ৰেণীৰ বিদ্বান, পণ্ডিত লোক বুলি ভুঞা সকলে ব্ৰাহ্মণ সকলক সদায় মান সন্মান জনাই আহিছে।

লেঙামাগুৰি গাঁৱৰ পৰা চণ্ডীবৰ ভুঞাৰ পৰিয়াল আলিপুখুৰী গাঁওলৈ উঠি অহাৰ সময়ত কেইবাঘৰো ব্ৰাহ্মণো লগতে উঠি আহিছিল। আদিতে কুসুমবৰ ভুঞাহঁতৰ পূৰ্বপুৰুষ কণৌজৰ পৰা আহোঁতে তেওঁলোকৰ সাতঘৰ কায়স্থৰ লগতে সাতঘৰ ব্ৰাহ্মণো অহাৰ কথা সকলোৱে জানে। কেইবা পুৰুষো পাৰ হ'ল যদিও, কেইঘৰমান কায়স্থ ভুঞাৰ লগৰ কেইঘৰমান ব্ৰাহ্মণ এৰা এৰি নহৈ, ভুঞাসকল যলৈকে যায়, ব্ৰাহ্মণ সকলো তালৈকে লগে লগে গৈছিল। সম্পৰ্ক আছিল ঘনিষ্ঠ।

বহুকালৰ আগৰ কথা।

কমতাপুৰৰ ৰজা আছিল দুৰ্ল্লভ নাৰায়ণ। তেওঁৰ এবাৰ ৰণ লাগিল গৌড়ৰ ৰজাৰ লগত। বহুত যুঁজিও কোনেও কাকো হৰুৱাব নোৱাৰি শেষত মিত্ৰতা কৰিলে। সন্ধিৰ অন্যান্য কথাৰ লগতে কমতাপুৰৰ ৰজাই গৌড়ৰ ৰজাৰ পৰা এটা বস্তু বিচাৰিলে। কমতাপুৰত উচ্চ বংশৰ জ্ঞানী, গুণী বিদ্বান লোক নাই। গতিকে কেইঘৰমান তেনে লোক কমতাপুৰলৈ পঠিয়াব লাগে। এই অনুৰোধ ৰক্ষা কৰি গৌড়ৰ ৰজাই কমতাপুৰলৈ কণৌজৰ পৰা সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ পঠিয়ালে। সাতঘৰ ব্ৰাহ্মণৰ মূল লোকসকল আছিল কৃষ্ণ পণ্ডিত, ৰঘুপতি, ৰামবৰ, লোহাৰ, বৰণ, ধৰম আৰু মথুৰা। আৰু কণৌজৰ



কায়স্থ সকলৰ মূল মানুহ সকল আছিল চণ্ডীবৰ, শ্ৰীধৰ, শ্ৰীহৰি, শ্ৰীপতি, হৰি, চিদানন্দ আৰু সদানন্দ।

কমতাপুৰৰ ৰাজ্যলৈ আহি ৰজাই এই পৰিয়ালকেটাক লেঙামাগুৰিৰ গাঁৱত বহুৱাইছিল। কায়স্থকুলৰ হলেও চণ্ডীবৰ এজন বিদ্বান আৰু বিদগ্ধ পণ্ডিত আছিল। লেঙামাগুৰিৰ গাঁৱত থাকি ভাল নোপোৱাত চণ্ডীবৰ তাৰ পৰা অন্য ঠাইলৈ পলাই গৈছিল। পিছে কমতাপুৰৰ ৰজাই তেওঁক বিচৰাই ধৰাই আনি বন্দীশালত থলে। পিছত তেওঁৰ পাণ্ডিত্যৰ প্ৰমাণ পাই, তেওঁক মুকলি কৰি দিলে আৰু সন্মানে মাটি-বাৰী, ধন-সোণ, লগুৱা-লিগিৰী দি শিৰোমণি ভুঞা পাতিলে। চণ্ডীবৰৰ নতুন নাম হ'ল দেৱীদাস ভুঞা।

কায়স্থ আৰু ব্ৰাহ্মণ লগলাগি কমতাপুৰৰ ৰাজধানীৰ পৰা নিলগত স্বতন্ত্ৰভাৱে এই নতুন ভুঞা ৰাজ্য শাসন কৰিব ধৰিলে। ভুঞা সকলৰ থকা ঠাই হ'ল বৰদোৱা, লুইতৰ দক্ষিণপাৰৰ এখন ৰজনজনা গাঁও। এই বৰদোৱাতে চণ্ডীবৰে পাতিলে ৰাজ্যশাসনৰ কাৰ্য্যালয়, তাক বোলা হ'ল 'কাৰখানা'। ক্ৰমে দেৱীদাস শিৰোমণি ভুঞাৰ ৰাজ্যৰ সীমা বহল হ'ব ধৰিলে, দক্ষিণে নগাঁও আৰু উত্তৰে তেজপুৰৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ বহুত গাঁও-ভুঁই ভুঞা ৰাজ্যৰ অধীনলৈ অনা হ'ল। উত্তৰে ভোটে আৰু দক্ষিণে কছাৰীয়ে ভুঞা ৰাজ্যত মাজে মাজে উপদ্ৰৱ কৰিছিল। এই বিলাকৰ লগত যুঁজিবৰ কাৰণে কিছু ৰণকৌশলো আয়ত্ব কৰিব-লগীয়া হ'ল। এজন দলপতি আখ্যাধাৰী সেনাপতিক যুদ্ধ লাগিলে যুঁজ কৰি ৰাজ্য ৰক্ষা কৰিবৰ কাৰণে দায়িত্ব দিয়া হ'ল। আটাইকেঘৰ ব্ৰাহ্মণ কায়স্থ লগ লাগি মাজ অসমত গঢ় লৈ উঠা এই নতুন সামন্ত ৰাজ্যখন শাসন কৰি যাব ধৰিলে। পূবে মটক, মৰাণ, আহোমৰ ৰাজ্য; উত্তৰে ভোটৰাজ্য; পশ্চিমে কোচ-কমতাপুৰ ৰাজ্য আৰু দক্ষিণে খৈৰামী, জয়ন্তা আৰু কছাৰী ৰাজ্য। ইয়াৰ মাজতে নতুনকৈ গঢ় উঠিল ভুঞা ৰাজ্য।

কোনো ৰাজ্যৰ ভুখণ্ড যিমানে বিস্তৃত হয়, সিমানে সেই ৰাজ্যৰ জন সম্পদ বৃদ্ধি পায়, ৰজাঘৰৰ আয়-উপাৰ্জনো বৃদ্ধি হয়। কিন্তু

লগে লগে ৰাজ্য পৰিকল্পনাৰ [illegible] বাদ-বিসম্বাদো বাঢ়ে, বাহিৰা শত্ৰুও বাঢ়ে। ৰজাঘৰ বা শাসকসকল দক্ষ, দূৰদৰ্শী আৰু ন্যায়পৰায়ণ হলে ৰাজ্য সুস্থিৰভাৱে চলে। ৰজাঘৰ লোভী হলে, বিলাসী হলে, দুৰ্বল হলে বা প্ৰজাৰ সমস্যাৰ প্ৰতি উদাসীন বা আওকণীয়া হলে ৰাজ্য দুৰ্বল হৈ পৰে। মধ্যযুগত ব্যক্তিগতভাৱে কোনো ৰজাৰ বা নৃপতিৰ খ্যাতি-যশস্যা, শৌৰ্য-বীৰ্য্য বৃদ্ধি হোৱাটো শক্তিমত্তাৰ পৰিচায়ক আছিল। আৰু ৰাজ্য জয় কৰাটো বীৰত্ব বুলি পৰিগণিত হৈছিল। লেঙামাগুৰিৰ পৰা বৰদোৱা, বৰদোৱাৰ পৰা আলিপুখুৰী, আলিপুখুৰীৰ পৰা বৰদোৱা, এনেদৰে দেৱীদাস শিৰোমণি ভূঞাই, ভূঞাৰাজ্যৰ নৃপতিয়ে, ঠাই সলাই ফুৰাটো শক্তিমত্তা বা শাসকীয় দক্ষতাৰ পৰিচায়ক নাছিল।

ব্ৰাহ্মণ কৃষ্ণ পণ্ডিত নাইবা কায়স্থ চণ্ডীবৰৰ পৰা পাঁচ ছয় পুৰুষ যোৱাৰ পিছত ব্ৰাহ্মণ কায়স্থ উভয়ৰে জনসংখ্যা বহুত বৃদ্ধি পালে। প্ৰথম অৱস্থাৰ প্ৰভাৱ প্ৰতিপত্তি কিছু হ্ৰাস পালে। প্ৰথমৰ অন্ন-বস্ত্ৰৰ কাৰণে চিন্তা কৰিব নলগীয়া অৱস্থাৰ পৰা ক্ৰমে এইবোৰৰ কথা চিন্তা কৰিবলগীয়া অৱস্থা পালেহি। ৰাজকাৰ্য্য চলোৱাটো বৰ জটিল নথকা অৱস্থাত কায়স্থ ভূঞা পৰিয়ালেও ব্ৰাহ্মণ পৰিয়াল বিলাকৰ দৰেই পঢ়াশুনা, অধ্যয়ন, গৱেষণা কৰি সময় কটাব পাৰিছিল। ব্ৰাহ্মণসকলে আচুতীয়াকৈ নিজস্বভাৱে ধৰ্মকৰ্মত, অধ্যয়ন অনুশীলন কাৰ্য্যত নিজক ব্যস্ত ৰখাত কোনো প্ৰকাৰৰ বাধা বা অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহৈছিল। বিশেষকৈ কায়স্থ ভূঞা ৰজাসকলৰ পৰা তেওঁলোকে সকলো প্ৰকাৰৰ সহায় সমৰ্থন পাই আছিল। আৰু ভূঞা পৰিয়ালৰ লোকসকলেও শাস্ত্ৰ আদি অধ্যয়নৰ পৰম্পৰা ৰক্ষা কৰি আহিছিল যদিও, তেওঁলোক ধৰ্মকাৰ্য্য, পূজা-পাৰ্বণ আদি পালন সম্পাদনৰ বিষয়ত ব্ৰাহ্মণসকলৰ লগত বাদ বিসম্বাদত প্ৰবৃত্ত নহৈছিল। আৰু ব্ৰাহ্মণসকলৰ কাৰণে শাস্ত্ৰ অধ্যয়ন যদি জীৱিকা অৰ্জনৰ এটা পৰম্পৰাগত বৃত্তি আছিল কায়স্থ শিৰোমণি ভূঞাৰ পৰিয়ালৰ কাৰণে সি আছিল শাস্ত্ৰজ্ঞান আহৰণৰ এক আনন্দকৰ অনুশীলনহে। তেওঁলোকৰ বৃত্তি আছিল



ৰাজকাৰ্য্য পৰিচালনাহে, ধৰ্মকাৰ্য্য পৰিচালনা নহয়। ধৰ্মকাৰ্য্য পৰিচালনাৰ আচুতীয়া দায়িত্ব আছিল পুৰোহিত ব্ৰাহ্মণসকলৰহে।

তদুপৰি শিৰোমণি ভূঞা পৰিয়ালৰ চণ্ডীবৰৰ পৰা কুসুমবৰলৈকে সকলোৱেই আছিল দেৱীপূজক, শাক্ত। গতিকে সেই কাৰণেও ধৰ্মৰ বিষয়ত ব্ৰাহ্মণ সকলৰ লগত কোনো মত-বিৰোধৰ উপলক্ষ উদ্ভৱ হোৱা নাছিল। ভূঞাসকলৰে সমানে প্ৰভাৱশালী ব্ৰাহ্মণসকলৰ লগত নিৰ্ব্বিৰোধে জীৱন যাপন কৰিবৰ সুবিধা পোৱাৰ ইও এক কাৰণ আছিল কায়স্থ ভূঞা সকলৰ।

মহেন্দ্ৰ কন্দলিক মতাই পঠাইছিল ভূঞাৰ ঘৰলৈ। দুটামান জৰুৰী কথা আলচ কৰিবলগীয়া আছে।

সকলোৰে লগত আলচ-বিলচ কৰি শংকৰৰ পৰিয়াল আকৌ আলিপুখুৰীৰ পৰা বৰদোৱালৈ উঠি আহিল, আৰু ইয়াৰ পৰাই ভূঞাৰাজ্যৰ শাসন চলাই যোৱাৰ ব্যৱস্থা হ'ল। ভূঞাসকল মাটিগিৰী জমিদাৰ। ৰাজকীয় ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি যাব নোৱাৰিলে ৰাজ্যৰ প্ৰজাৰ আস্থা ভক্তি নোহোৱা হৈ আহিব।

কুসুমবৰৰ মৃত্যু হৈছে। শংকৰে মহেন্দ্ৰ কন্দলিৰ টোলত শাস্ত্ৰ অধ্যয়নত দৃঢ়ভাৱে একাণপতীয়াকৈ লাগি আছে। ভূঞাৰাজ্যৰ যাৱতীয় শাসন কাৰ্য্যলৈ মনোযোগ দিয়ে শংকৰৰ আতাক জয়ন্ত আৰু মাধৱে; দুয়ো বয়সস্থ মানুহ। শংকৰৰ মাতৃৰ মৃত্যু হোৱাৰ কেইবাবছৰো হ'ল। এতিয়া ঘৰখনৰ মূল গৃহিণী আৰু কৰ্ত্ৰী আই খেৰসুতী। এওঁ ঘৰখন দাস-দাসীক দিহা পৰামৰ্শ দি নিয়াৰিকৈ চলাই যাব পাৰিলেও ৰাজ্যখন নিয়াৰিকৈ চলাবলৈ দায়িত্ব লবপৰা যোগ্য উত্তৰাধিকাৰী আছে কুসুমবৰৰ পুতেক শংকৰহে। শংকৰৰ মাহীমাকৰ পুতেক বনগঞা গিৰী আছে। কিন্তু সকলোৰে বিবেচনাত যোগ্যতম শাসক হ'ব শংকৰহে।

শংকৰ ডেকা হৈছে। স্বাস্থ্যবান, বিদ্বান, ব্যক্তিত্ব-সম্পন্ন ডেকা মানুহ। ধৰ্ম-কৰ্মৰ প্ৰতিও মনকাণ নিদিয়া নহয়। ভূঞা পৰিয়ালৰ পৰম্পৰা ৰক্ষা কৰি নিজৰ বিদ্যা বুদ্ধিৰ সদ্ব্যৱহাৰ কৰি যোৱাত শংকৰৰ কোনো অসুবিধা নহ'ব।

মহেন্দ্ৰ কন্দলি আহি বহিলহি। জয়ন্তা, মাধৱ, ৰামৰাম, নৰোত্তম, কৰ্ণপুৰ, চতুৰ্ভুজ আদি ভালেমান মানুহ আগৰে পৰা বহি আছিল। সকলোৰে মাজত এঠোকা বুঢ়া তামোল, এমুঠা পাণ, আৰু ভুৰুকা এটাত শামুকৰ চুণ আৰু দুখন গুৱাকটা কটাৰি থোৱা হ'ল।

দুই এষাৰ অন্য কথাৰ পিছত জয়ন্তায়েই কথাটো উলিয়ালে, “কন্দলি দেউ, শংকৰক কেনে বোলে? আপোনাৰ পৰাই জ্ঞান বিদ্যা সকলো শিকিছে। সেইফালৰ পৰা আপুনি আমাৰ সকলোৰে সেৱাৰ পাত্ৰ। এতিয়া পিতৃপুৰুষৰ ৰাজ্য চলোৱাৰ দায়িত্ব লবৰ সময় হ'ল। মাজে মাজে শংকৰৰ ৰাজকাৰ্য্যলৈ বৰ হেঁপাহ-আসক্তি নাই যেন লাগে, কিবা যেন অন্য কথাহে চিন্তা কৰি থাকে। আপুনি কওকচোন শংকৰে বাৰভূঞাৰ ৰাজ্য চলাব পাৰিব নহয়?”

“ৰজা বিদ্বান আৰু জ্ঞানী হলে ৰাজ্যশাসন আৰু প্ৰজা পালন দক্ষতাৰে আৰু নিয়াৰিকৈ কৰিব পাৰে। বিদ্যাহীন আৰু মূৰ্খ ৰজাই ভালকৈ ৰাজ্য চলাব নোৱাৰে।”—গহীন মাতেৰে কন্দলিয়ে ক'লে। “শংকৰ মোৰ পঢ়াশালিৰ ছাত্ৰ আছিল। এনে বুদ্ধিমান, তীক্ষ্ম বুদ্ধিৰ জ্ঞানী ছাত্ৰ মই আগে কাহানিও পোৱা নাছিলো। নপঢ়ি নুগুণি বাৰ বছৰলৈকে খেলি মেলি সময় কটোৱা দেখি ময়ো ভাবিছিলো বোলো কুসুমবৰ ভূঞাৰ পুত্ৰই কিজানি পিতৃ পুৰুষৰ খ্যাতি আৰু মান-মৰ্য্যাদা ৰক্ষা কৰিব নোৱাৰিবহে হ'বলা। পিছে যি দিনাৰ পৰা শংকৰে মোৰ পঢ়াশালিত নাম লেখোৱাই পঢ়িবলৈ ল'লে, সেইদিনাৰে পৰা এনে মনোযোগেৰে আৰু একাগ্ৰতাৰে শাস্ত্ৰ ব্যাকৰণৰ অধ্যয়নত ধৰিলে যে ময়েই নহয়, টোলৰ আন সকলো বিস্মিত হ'ল। 'ক' ফলা শিকিয়ে কবিতা লিখিবলৈ লোৱা ল'ৰা মই আৰু পোৱা নাই। ধৰ্ম্মশাস্ত্ৰৰ গধুৰ আৰু জটিল কথাবোৰো শংকৰৰ কাৰণে যেন পানী যেন সহজ। সেয়েহে মই শংকৰৰ গাত দৈৱগুণ দেখা পাই, তেওঁক শংকৰদেৱ বুলি মাতিবলৈহে ক'লো। অন্য ছাত্ৰৰ দৰে তেওঁক টোলৰ মজিয়া মচা-সৰাৰ কামো কৰিবলৈ হাক দিলো। শংকৰদেৱৰ নিচিনা এজন ছাত্ৰৰ শিক্ষক হবলৈ পাই মই গৰ্ব অনুভৱ কৰিছো। বংশত তেনে



এজন বিচক্ষণ সন্তানৰ জন্ম দি আপোনালোকো গৰ্বৰ অধিকাৰী হৈছে—”

খেৰসুতী আয়ে মাত লগালে, “গৰ্ব কৰিব নেপায়। আশীৰ্ব্বাদহে কৰিব লাগে, শংকৰে যাতে ভালে কুশলে থাকে।”

মহেন্দ্ৰ কন্দলিয়ে ক'লে, “শংকৰদেৱ এই বয়সতে সকলো শাস্ত্ৰ ভাগৱতৰ জ্ঞান আয়ত্ব কৰি এনে এজন বিদগ্ধ পণ্ডিত হৈ উঠিছে, যে এতিয়া আমিহে তেওঁক গুৰু মানি আশীৰ্ব্বাদ ভিক্ষা কৰিব লাগে। শংকৰদেৱ দীৰ্ঘায়ু হওক—”

সকলোৱে কন্দলিৰ আশীৰ্ব্বাদ দোহাৰিলে।

ৰামৰাম একাষে কথাবোৰ শুনি বহি আছিল। এইবাৰ তেওঁ মাত লগালে, “বিদ্বান পণ্ডিতসকল বিদ্যা বাহন নথকা মুৰুখ মানুহৰ পৰা আঁতৰি থাকিব লাগে। ৰজা, ৰাজপুত্ৰ, ৰাজবিষয়া সাধাৰণ প্ৰজাৰ পৰা কিছু নিলগত থাকিব লাগে। নহলে বিদ্বানৰ আৰু ৰাজ-ৰাজন্যৰ মান মৰ্য্যাদা কেতিয়াবা ৰক্ষা নপৰে। পিছে শংকৰে এইবোৰ নেমানে। সৰু থাকোঁতে সাধাৰণ মানুহৰ ল'ৰাৰ লগতো খেলিছিল, উলিছিল, সেইয়া বৰ ধৰিবলগীয়া কথা নাছিল। পিছে এতিয়াও যদি সাধাৰণ প্ৰজাৰ লগত, তলখাপৰ নীহকুলীয়া মানুহবোৰৰ লগত অকণো সংকোচ ঘিণ নোহোৱাকৈ গা ঘহাই ঘূৰি ফুৰে, সেইয়া জানো ভাল কথা হৈছে।”

একো নকৈ মহেন্দ্ৰ কন্দলিয়ে মিচিকাই হাঁহিলে।

কৰ্ণপুৰে অভিযোগ-ভৰা মাতেৰে ক'লে, “আৰু এটা কথা নহয়, কন্দলি বাপু। শংকৰে কাহিলি পুৱাৰে পৰা ৰাতি দুপৰলৈকে কেতিয়াবা কিবা গীত গাই থাকে, কিবা খোল তাল বজাই থাকে। মাজে মাজে ঢোল-খোল বজোৱা গাঁৱৰ গায়ন-বায়নকো ঘৰলৈ মতাই আনি সেইবোৰ নিজেও বজাবলৈ শিকে। মাতটো ভাল, বৰ মিঠা, গীত গালে বৰ ভাল শুনি। পিছে ডেকাগিৰীয়ে যদি নাচি, গাই, ঢোল বজাই সাধাৰণ প্ৰজাৰ নিচিনাকৈ ৰং-ধেমালি কৰি ফুৰে; প্ৰজাই কি ভাবিব? আৰু আপোনাৰ তাতে ইমান ভাল ভাল শুৱলা দেৱভাষাৰ শ্লোকগীত

শিকিছে, সেইবোৰ নেগাই কিবা আমাৰ সাধাৰণ মানুহৰ মুখৰ কথাৰে নিজেই গীত ৰচনা কৰি নিজেই সুৰ দি গাবলৈ লৈছে। এইবোৰ জানো ভাল কথা হৈছে, বাপু ?"

মহেন্দ্ৰ কন্দলিয়ে কিবা এটা উত্তৰ দিব খুজিছিল। এনেতে তামোলৰ পিক এসোপা গিলি নেউলা বুঢ়াই ক'লে, "ময়ো এযাৰ কওঁ বুলিছো।"

নেউলা বুঢ়া খীণ, গাৰ জকা কামিহাড় ওলোৱা। মুৰটো টপা, দাঁত সকলো সৰিছে। তথাপি দাঁতৰ আলুৰেই ইখনৰ পিছত সিখন তামোল চোবায়।

"তই আকৌ কি কৱ ?" চতুৰ্ভুজে নেউলালৈ চাই ক'লে।

নেউলাই গলটো খেকাৰি লৈ ক'লে, "ৰজাই ৰাজ্যহে চলায়। নিজে কিবা ৰণ কৰিবলৈ যায়নে ? আগৰ কালত ৰজাই নিজে ৰণ কৰিছিল, সেইবোৰ সত্য, ত্ৰেতা যুগৰ কথা। এতিয়া কলি যুগত ৰজা মন্ত্ৰীয়ে গাৰ খাটনি নিজে নেখাটে। নিজে ৰণ কৰিবলৈ নেযায়। ৰণৰ সেনাপতি আৰু ৰণুৱাহে যায়। নহয় জানো ?"

"তই কি কব খুজিছ। থোৰতে ক, এইবোৰ কি ৰজা মহাৰজাৰ ৰণৰ কথা গাইছ ?"

"গাইছো, দেখিছো শুনিছো কাৰণেহে। ডেকাগিৰী ডেকা হৈছে। এনেয়ো গা আঁটিল। ৰোগ বিয়াধি নাই। ঈশ্বৰৰ দয়া। পিছে ডেকাগিৰীয়ে চোন কিবা যোগীৰ নিচিনাকৈ যোগ কৰে। তললৈ মূৰকৈ ওপঁৰলৈ ভৰি দি থিয় হৈ থাকে, তেনেকৈয়ে খোজ কাঢ়ি যায়। উশাহ-নিশাহ বন্ধ কৰি ভালেমান পৰ থৰ লাগি থাকে। উশাহ বন্ধ কৰি কেতিয়াবা গাটো ইমান টান কৈ দিয়ে যে দাৰে ঘপিয়ালেও নেকাটে. দাহে উফৰি আহে। এইবোৰ কিবা যাদু-মন্ত্ৰ কৰা, তন্ত্ৰ-মন্ত্ৰ কৰা, যোগিনী পোহা, ভূত-দেও পোহা যোগী সন্ন্যাসীৰহে কাম। এইবোৰ বোলে কোনোবা অধৰমী বৌধইহে কৰে। আমাৰ হিন্দু মানুহে, তাতে বাৰভূঞাৰ ঘৰৰ ডেকাগিৰীয়ে এইবোৰ ভেলেকি বাজী কৰিবলৈ লোৱা কথাটো জানো ভাল কথা হৈছে ? এখন হাত মাটিত থৈ তাৰ ওপৰতে



গোটেই মানুহটো বহুত পৰ ওপৰলৈ ভৰি কৰি থিয় হৈ থকাটো ময়ে নিজ চকুৰে কেইবাদিনো দেখিছো।"

মহেন্দ্ৰ কন্দলিয়ে ক'লে, "এইবোৰ আপোনালোকে শংকৰদেৱৰ বিৰুদ্ধে মোৰ ওচৰত গোচৰ দিছে, নে এনেয়ে বখানিছে ? গোচৰ যদি নাই দিয়া, তেন্তে কওঁ শুনক। এইবোৰ কথা ময়ো শুনিছো। শংকৰদেৱে কোনো অনিয়ম কৰা নাই যেনেই লাগে। ৰজা হলেই জানো নাচিব গাব নেপায় ? আমাৰ স্বয়ং মহাদেৱৰ নামেই দেখোন নটৰাজ। মহাদেৱে তেওঁৰ নানান নাচোনৰ ভঙ্গিমাৰে সৃষ্টিৰ ভঙা-পতা কৰি আছে। ঈশ্বৰেই যদি নাচে, শংকৰে নাচি কি অধৰ্ম কৰিলে ? ঈশ্বৰ কৃষ্ণক জানো মুৰুলীধাৰী বংশীগোপাল নোবোলোহঁক ? হাতত বাঁহী নোহোৱা কৃষ্ণ বাৰু ক'ৰবাত দেখিছাহঁকনে ? বাদ্য বজালে একো অনিয়ম নহয়। আৰু গীত গোৱাৰ কথা কৈছাহক। সামবেদ বুলি আমাৰ এখন বেদেই নাই জানো ? সামবেদৰ গীতবোৰ স্তুতিগীত, প্ৰাৰ্থনা গীত, সেইবোৰ সুৰ ধৰিয়ে গাই অহা হৈছে, অতকাল।"

সকলোৱে কন্দলিৰ কথা নিৰৱে শুনি আছিল। পৰমা খনিকৰে ক'লে, "আৰু ডেকাগিৰীয়ে কিবা মানুহৰ, ৰাক্ষসৰ, দৈত্য, অসুৰৰ মুখা সাজি তাত ৰং ৰহণ ঘঁহি ভিতৰত সুমুৱাই থৈছে। মোৰ হতুৱাইও মুখা কটাইছে —নিজে যেনেকৈ আঁকি দিয়ে, মই তেনেকৈ কাটো—শিমলু, চতিয়ান এনেকুৱা পাতল কাঠৰ। আৰু ৰহণ ৰংচোৱাৰ হতুৱাই জৰধ, হালধি, জেতুকা, কচুপাত এইবোৰৰ কিবা কিবি ৰং ৰহণ কৰাইছে, কিবা ছবি নে কি আঁকিবলৈ, মুখত ঘঁহিবলৈ আৰু কাপোৰত বোলাবলৈ। আজি ডেকাগিৰী, কালিলৈ ভূঞা ৰাজ্যৰ ৰজা হ'ব। এইবোৰ খেলনীয়া কামত লাগি থাকি সময় কটোৱাটো জানো ভাল কথা হৈছে ?"

মহেন্দ্ৰ কন্দলিয়ে ক'লে. "আমাৰ দেশত হেঙুল, হাইতালেৰে কাঠৰ, কাঁহ-পিতলৰ বস্তু বোলোৱাটো দেখোন বহুত পুৰণি কথা। কেলেই আমাৰ কছাৰীবোৰেও দেখোন সূতা নানা ৰঙৰ ৰঙেৰে বোলাই চালে চকু ৰৈ যোৱা কাপোৰ বয়, নানান ফুল বাছে। শৰাই, দুণৰি, তাঁতৰ নাচনীও জানো হেঙুলেৰে নোবোলায়। সাধাৰণ প্ৰজাবোৰে কেনেকৈ

এইবোৰ কৰিবলৈ শিকিলে, কেনেকৈ কৰি আহিছে, সেইবোৰ শিকিবলৈ বিচৰাটো শংকৰদেৱৰ একো বেয়া কাম হোৱা নাই। অ' সউৱা শংকৰদেৱ আহিছেই। আমি তেওঁৰ পৰাই এইবোৰ কাম-কাজৰ ভেদ পাম।''

সকলোৱে পদূলি মুৱলৈ চালে। লগত দুজন সমনীয়া লৈ শংকৰ ক'ৰবাৰ পৰা আহিছে—বৰ ৰংমনে আহিছে—তিনিওজনে কিবা কথা পাতি পাতি আহিছে।

মানুহজুম দেখি আৰু মাজত অধ্যাপক মহেন্দ্ৰ কন্দলিক বহি থকা দেখি শংকৰে অলপ ৰহস্য বোধ কৰিলে, আৰু কন্দলিক দুয়েহাতে নমস্কাৰ জনালে।

''ক'ৰ পৰা আহিলা শংকৰ?'' কন্দলিয়ে সুধিলে।

''গুৰুদেৱ, ইয়াতে এটা দেৱমন্দিৰ সজাবলৈ লোৱা হৈছে। আপুনি জানেই।''

''শিৱমন্দিৰ নে দুৰ্গাৰ মন্দিৰ?''

''শিৱমন্দিৰ সজোৱাৰ কথা ভবা হৈছিল। পিছে মন্দিৰৰ ভেটি তুলিবলৈ মাটি খনাওতে, মাটিৰ তলত এখন বিষ্ণুমূৰ্তি ওলাইছে। এতিয়া মন্দিৰত সেই বিষ্ণুমূৰ্তিকে প্ৰতিষ্ঠা কৰিব লাগে। মন্দিৰ সাজি প্ৰতিষ্ঠা কৰি নথলে, বিগ্ৰহৰ অপমান হ'ব।

তাকে সম্পাদন কৰিবলৈ ব্ৰাহ্মণ সজ্জন আমাৰ সকলো ৰাইজক নিমন্ত্ৰণ জনাব লাগে। বিষ্ণু সকলোৰে, সকলো বিষ্ণুৰে। আমাৰ ইয়াত এক বিষ্ণুমন্দিৰ প্ৰতিষ্ঠা কৰা হওক। সমাজে কি বোলে?''

''ভাল কথা, সজ কথা, সুন্দৰ কথা—'' সকলোৱে প্ৰায় একেমুখে ক'লে।

সন্তুষ্টিৰ এটা হাঁহি মাৰি এইবাৰ মহেন্দ্ৰ কন্দলিয়ে ক'লে, ''শংকৰদেৱৰ সম্পৰ্কে এতিয়া আপোনালোকৰ সন্দেহ, দুশ্চিন্তা দূৰ হলনে? আমাৰ ডেকাগিৰী এজন কবি হ'ব, এজন গায়ক হ'ব, এজন চিত্ৰকৰ হ'ব, এজন নটুৱা হ'ব—আৰু এজন পৰম বৈষ্ণৱ হ'ব, ভক্ত হ'ব। এনে এজন পুৰুষ যেতিয়া আমাৰ ৰজা হ'ব, তেতিয়া আমাতকৈ সৌভাগ্যবান আৰু কোন হ'ব—ভাবি চাওক।''



''পিছে মন্দিৰ কেতিয়া সজা হ'ব, আৰু বিগ্ৰহ কেতিয়া প্ৰতিষ্ঠা কৰা হ'ব?'' ৰামৰায়ে সুধিলে।

এনেতে ভিতৰৰ পৰা দুৱাৰ মুখত থিয় হৈ দুৱাৰৰ চৌকাঠত ধৰি খেৰসূতী আইতাই ক'লে, ''বাপসকল, মোৰ এটা খাটনি শুনক।''

সকলোৱে আইতাৰ মুখলৈ চালে। শংকৰেও চালে।

''সকলো আছে, তথাপি ঘৰৰ ভিতৰখন নিমাওমাও। মই লগুৱা লিগিৰী বোৰকে লৈ অকলে কিমান এনেকৈ থাকিম? শংকৰৰ ঘৰখন পাতিব লাগে।''

''কইনা ক'ৰ?''

''বুঢ়াখাঁক সুধিব, জানিব। আমি ভাবি-চিন্তি বাছি বিচাৰি হৰি খাঁ বৰভূঞাৰ জীয়েক সূৰ্য্যৱতীকে শংকৰৰ গৃহিণী কৰি আনিব খুজিছো। কথাটো শংকৰেও জানে। এতিয়া সকলোৱে ভাল বুলিলে তাৰে দিহা এটাহে কৰিব লাগে।''

সকলোৰে চকু তেতিয়া শংকৰৰ মুখৰ ওপৰত। শংকৰ নিৰৱ। এইয়া সংসাৰী জীৱনৰ আহ্বান। এইয়া আত্মীয় স্বজনৰ ইচ্ছা, আপোন মানুহৰ ইচ্ছা। মানুহৰ ইচ্ছাই ভগৱানৰ ইচ্ছা। না কৰি লাভ নাই। বিয়া, সংসাৰ, সমাজ—ৰাজকাৰ্য্য, কৰিব লাগিব। এইয়া জীৱনৰ আহ্বান। সংসাৰৰ বন্ধন এৰাব খুজিলেও, সংসাৰে নেৰে। মই বৰদোৱাতকৈ, ভুঞা ৰাজ্যতকৈ বহুত ডাঙৰ এখন জগতৰ লগত সম্পৰ্ক ৰচনা কৰিবলৈ আয়োজন কৰিছো। সেইখন ৰূপ-ৰস-শব্দ-বৰ্ণৰ জগত, নৃত্য, গীত, বাদ্য, চিত্ৰ, কলাৰ জগত। মই ভুঞা ৰাজ্যৰ প্ৰজাবোৰক সেইখন অক্ষয়, অব্যয়, চিৰ সুন্দৰ জগতলৈ লৈ যোৱাৰ স্বপ্ন দেখিছো, তাৰ মাজলৈ আহিব এজনী ছোৱালী সূৰ্য্যৱতী। তেওঁ হ'ব মোৰ গৃহিণী, মোৰ জীৱনৰ সহযাত্ৰী। তেওঁকো আনৰ লগতে মই মোৰ সেই পবিত্ৰ, পৰম-সুন্দৰ, মানস জগতৰ মাজলৈ লৈ যাম। তাত ঠাইৰ নাটনি নহয়। সকলোকে মই সেই বিষ্ণুৰ দেশলৈ, বৈকুণ্ঠপুৰীলৈ লৈ যাম···

মৌনং সম্মতি লক্ষণং—সকলোৱেই আনন্দিত হ'ল। শংকৰৰ বিয়া হ'ব।

বিদায় লৈ সকলো ঘৰাঘৰি গ'ল।

এই শুভসংবাদ ভূঞাৰাজ্যৰ সকলো প্ৰজাৰে মুখে মুখে হ'ব। বিয়াৰ কাৰণে আয়োজন কৰিব লাগিব। আইতা খেৰসূতীও বহি নেথাকে। সোণাৰী, বাঢ়ৈ, খনিকৰ, তাঁতী সকলোৱে শংকৰৰ বিয়াৰ কাৰণে বিবিধ অলংকাৰ গঢ়োৱা, খাট পালেং সজা, পাট মেজাংকৰীৰ ফুলাম কাপোৰ বৈ উলিওৱা—এনেবোৰ কামত লাগি পৰিব। সৰু হলেও, ভূঞাৰাজ্যৰ ডেকাগিৰীৰ বিয়া, ৰাজকোঁৱৰৰ বিয়া, গায়ন-বায়ন, ঢুলীয়া-খুলীয়া, আয়তী নামতীহঁতো তৎপৰ হৈ উঠিব।

গাঁৱত মাটিৰ বুকুৰপৰা এজনা বিষ্ণুৱে গা দেখা দিছে। তেওঁকো যথাৰীতি আসনত থাপি পূজাৰী নিয়োগ কৰি পূজা-আৰতিৰ ব্যৱস্থা কৰিব লাগিব। শংকৰে নিজে মূৰ্ত্তি পূজাত ভাগ নললেও বিষ্ণুৰ বিগ্ৰহৰ প্ৰতি ৰাইজৰ মনত থকা শ্ৰদ্ধাভক্তিক তেওঁ অৱমাননা নকৰে। মানুহে যেতিয়ালৈকে নিৰকাৰ ভগৱানৰ পূজাৰ অৰ্থ বুজি নেপাব, তেতিয়ালৈকে মূৰ্ত্তি প্ৰতিমাক পূজা দিয়েই সেই পূজা বিধি পালন কৰি যাব। বিগ্ৰহৰ প্ৰতিষ্ঠা হওক, বিয়াৰো আয়োজন হওক, ৰাইজ সন্তুষ্ট হওক, সুখী হওক, ভগৱানো সন্তুষ্ট হওক, তেওঁৰ ইচ্ছা পূৰ্ণ হওক…।



কথাটো বুঢ়ীআই খেৰসূতিয়েও ভাল পোৱা নাছিল। মানুহে একে ঠাইতে থাকিবলৈ পাব লাগে। থিতাপি নোহোৱাকৈ আজি অ'ত, কালি ত'ত ঘূৰি ফুৰিলে, বহুত লটি-ঘটি হ'বলগীয়া হয়। কোনো এঠাইত থাকিবলৈ ল'লে সেই ঠাইখনক যিদৰে মোৰ বুলি ল'ব লাগে,



তেনেকৈ ঠাইখনেও তাত থাকোতাজনক মোৰ বুলি ল'ব লাগে। শিৰোমণি ভূঞাৰ এই পৰিয়ালটো বনৰ চৰাই নহয় যে এখন হাবিৰ পৰা অন্য এখন হাবিলৈ উৰি ফুৰিব। বনৰ চৰায়েও আহাৰ বিচাৰি অ'ত ত'ত উৰি ফুৰে যদিও, কোনোবা এখন হাবিৰ কোনোবা এজোপা গছৰ ডালত বা খোৰোঙত সি তাৰ বাহ এটা খেৰ-কুটাৰে হলেও সাজি লয়। তাতে কণী পাৰে, উমনি দিয়ে, পোৱালি জগায়। পাখি গজি পোৱালি নিজে উৰিব পৰা হলেহে সেই ঠাই এৰি অন্য হাবিৰ অন্য বাহলৈ যায়। বৰদোৱাৰ পৰা আলিপুখুৰী, আলিপুখুৰীৰ পৰা আকৌ বৰদোৱা—এইদৰে বাগৰি ফুৰাটো সুখৰ কথা জানো? ঘৰৰ সকলো বস্তু-বাহানি, পেৰা-পেটাৰি, কাপোৰ-কানি, দা-কুঠাৰ, ৰান্ধনীশালৰ সা-সঁজুলি, তুলি-গাৰু, আৰু এই পুৰণি, নতুন সাঁচিপাতৰ পুথিবোৰ—কেইবা পুৰুষৰ পৰা বৰপেৰাত ভৰাই, সাঁচি সামৰি লৈ ফুৰোৱাটো জানো তেনেই সহজ কথা? এইখন ঘৰ এৰি অন্য এখন ঠাইৰ, অন্য এখন ঘৰলৈ যাবৰ সময়ত কোনটো বস্তুনো এৰি থৈ যাব পাৰি? এইখন আজি চাৰি পুৰুষৰ চামকাঠৰ পাতৰ চালপীৰা, গধূৰ বুলিয়ে ইয়াতে এৰি পেলাই থৈ যাব পাৰিনে? তেনেকৈ এৰি থৈ গ'লে, তাত ক'ৰবাৰ কেলেহুৱা শিয়াল কুকুৰ নুশুবনে? তেনে কৰিলে চলা সকলৰ অপমান কৰা নহ'বনে?

এইখন ঠাই এৰি বৰদোৱালৈ যাবলৈ ওলোৱাৰ সময়ত, সদায় দেখি থকা বস্তুবোৰো, আগেয়ে চকুত নপৰা যেন লাগি থকা বস্তুবোৰো, এতিয়া যেন নতুনকৈ চকুত পৰিব ধৰিলে। ঢেঁকী-শালৰ কুলা-চালনী, পাচি-খৰাহীবোৰ ঢেঁকীটো আৰু বাঢ়নী মাৰি ডালো কিবা মূল্যবান বস্তু যেন লাগিল। সদায় ধানেৰে খুন্দ খাই থকা গুটি ধানৰ ভঁড়াল কেটা, মাহ-সৰিয়হৰ ডুলিবোৰ, দোণ পচাৰিবোৰ—এইবোৰ কোনে লগতকৈ নিব? এইবোৰ ইয়াতে এৰি থৈ যাব লাগিব।

মানুহবোৰে ঘৰৰ ভিতৰৰ বস্তুবোৰ টোপোলা বান্ধিছিল, কিছুমান বস্তু নিয়াব লাগিব হাতীৰে, কিছুমান বৰ নাও, গুটিয়া নাৱেৰে, কিছুমান ভাৰীয়ে নিব কান্ধে পিঠিয়ে। বস্তু যিমানে পুৰণি হয় সিমানে তালৈ

মৰম বাঢ়ে। পিছে দূৰলৈ নিবলগা হ'লে পাৰচৰাইৰ পাখীটোও বঠাপাত যেন গধূৰ যেন লাগে।

খেৰসূতি আয়ে আগফাল, পিছফাল ওলাই চালে। গৰু-ম'হবোৰ গৰখীয়া, ম'হগুৰালে খেদি নিব, গোহালিবোৰ শুদা হৈ পৰি থাকিব। গঁড়ালবোৰ পৰি থাকিব, হাঁহ পাৰবোৰ যি পৰা যায় নিব লাগিব।

পিছে ওলায়ে সদায় দেখা পোৱা ভেঁটে পদুমে হাঁহি থকা, মাছেৰে ভৰি থকা এই বৰপুখুৰীটো। মাছে মগৰে, ভেঁটে পদুমে, এই ফটিকৰ ধাৰা যেন পানীৰে এই পুখুৰীটো—সকলো বস্তু ইয়াৰ পৰা নিব পাৰিলেও, পুখুৰীটো কেনেকৈ নিব?

আৰু পুখুৰী পাৰৰ এই ফুলনিখন! বহুত মৰমেৰে বহুত যতনেৰে শংকৰে নিজ হাতে পতা এই ফুলনিখন। ক'ৰ ক'ৰ পৰা আনি যে এই নানা আকাৰৰ, নানা প্ৰকাৰৰ, চালে চকু ৰৈ যোৱা, দেখিলে ভোক পিয়াহ নোহোৱা হোৱা, গোন্ধে আমোল-মোলাই থকা, বৰ পুখুৰীৰ পাৰৰ পৰা ঘৰৰ গালৈকে জুৰি থকা এই ফুলনিখন—ইয়াৰ এই মৰম লগা ফুলবোৰ, এইবোৰৰ কি হ'ব? বেলি নৌ ওলাওতেই শুই উঠি শংকৰে আহি ফুলনিত সোমায়হি। প্ৰতিজোপা ফুলৰ ওচৰে ওচৰে গৈ কোন পাহ মৰহিছে, কোনপাহ নতুনকৈ ফুলিছে, কোন কেজোপাৰ ঢোপা ধৰিছে, কোন কেজোপাৰ ঢোপাবোৰ আধা ফুলা হৈছে, কোনজোপাৰ কেনেবাকৈ ঠানি এটা ভাগিছে, কোনজোপা অলপ হাউলি গৈছে—এইবোৰ চাই চাই, এইবোৰৰ বুজ লৈ লৈয়ে শংকৰে আজৰি নেপায়। পুখুৰীত ফুলা ভেঁট পদুমবোৰো যেন দুয়োহাতে সাবটি বুকুত সুমাই লৈ থাকিব। তৰুৱা-কদম, গুলচ, চৌনিচম্পা, কাঞ্চন, শেৱালি, পলাশ, সেউতী, মালতী, তগৰ, গুটিমালি খৰিকাজাই, মাধৈ মালতী, ধুতুৰা, থলপদুম, সূৰ্যমুখী, সূৰ্য্যকান্তি, চন্দ্ৰকান্তি, নেৱালি, পাৰলি আৰু যে কত কি ফুল। ফুলনি খনলৈ চকু দিলেই, ফুলবোৰৰ চিত্ৰ বিচিত্ৰ ৰঙে, বগা, ৰঙা, হালধীয়া নানা ৰঙে চকু চাঁত মাৰি ধৰে। ফুলবোৰৰ মহমহীয়া গোন্ধে কি দিনত, কি ৰাতি বতাহ জাক গন্ধময় কৰি ৰাখে।

এনেকুৱা এখন ফুলনি আকৌ অন্য এঠাইত সহজে পাতিব পৰা যাব



জানো? ইয়াৰ পৰা উঘালি নি অন্য ঠাইত ৰুলেগৈ সকলোবোৰ ফুল বাচি থাকিব জানো?

খেৰসূতি আয়ে ফুলনিখনৰ ফুলবোৰৰ ফালে নিজৰ ল'ৰা-ছোৱালীৰ মুখলৈ চোৱাৰ দৰে মৰমেৰে চালে। ফুলবোৰক ইয়াত এনেকৈ এৰি থৈ যাবলৈ তেওঁৰ বৰ বেয়া লাগিল।

সেইফালে চাই থাকোতেই ক'ৰবাৰ পৰা শংকৰ আহি ওলালহি। লগত কেইজনমান অন্য মানুহ।

"এনেকৈ কি চাই আছা আইতা?" শংকৰৰ মাতত খেৰসূতিৰ তন্ময়তা ভাগিল। তেওঁ শংকৰৰ মুখলৈ চাই ক'লে, "ফুলনিৰ ফুলবোৰ আমি গুচি গ'লে ইয়াতে পৰি থাকিব। তেনেই আলাই-আথানি হ'ব। মোৰ বৰ বেয়া লাগিছে"।

ফুলনিখনৰ ফালে চাই শংকৰে ক'লে, "মোৰো বেয়া লাগিছে আই। পিছে আমিও সদায় নেথাকো, ফুলো সদায় নেথাকে। সেই কাৰণে অইন গছ-গছনিতকৈ যেনেকৈ ফুললৈ আমাৰ মৰম বেছি, তেনেকৈ ঠিক সেইকা কাৰণেই আমাৰ জীৱনটোলৈও মৰম বেছি। এওঁলোকক চিনি পোৱা নাইনেকি আইতা?"

খেৰসূতি আয়ে মানুহ কেইজনৰ মুখলৈ চালে।

"হেৰ, তই খনিকৰ গাঁৱৰ গেন্ধাই খনিকৰ নহৱনে?"

হাঁহি গেন্ধায়ে ক'লে, "আয়ে তেনেহলে চিন পাহৰা নাই?"

"তোৰ চিন আকৌ কেনেকৈ পাহৰিম? আমাৰ চ'ৰাঘৰ, মাড়লঘৰ, বৰঘৰৰ চ'তি-মাৰলি, দমৰা, ফুল চ'তিবোৰ ফুল কাটি কাটি তয়ে সজা নাছিলি জানো? গবা মাৰি নোপোৱা কঁঠাল কাঠৰ এই খুটাবোৰত তই ইমান ধুনীয়া ধুনীয়া ফুলবোৰ যে কেনেকৈ কাট, মই বুজিবলৈকে টান পাওঁ—"

"আমাৰ বাঢ়ৈৰ পাৰিয়ালে কেইবা পুৰুষৰ পৰা কাঠত ফুল জালি কাটি আহিছে, আই, আমাৰ আজোককা হেনো এনেকুৱা ভাল বাঢ়ৈ আছিল, যে মানুহে ককাক মৰমতে বিশ্বকৰ্মাৰ নাতিনীয়েক বুলিছিল—"

ভূধৰে ক'লে, "শাস্ত্ৰৰ কথা মিছা নহয়। মহানিৰ্বাণ তন্ত্ৰ নে তেনেকুৱা শাস্ত্ৰ এখনত হেনো এইবোৰ কথা লেখা আছে। নহবনো কিয়? কাঠ-বাঁহৰ মানুহ থকা ঘৰেই হওক বা দেৱতাৰ ঘৰেই হওক, সাজিবলৈ একো টান নহয়। যেনিয়ে যোৱা তেনিয়ে বাঁহ-কাঠ উভৈনদী। ইটা আকো বাঁহ-কাঠ গজাদি নগজে, মাটি বালি খচি সাজিব লাগে। শিল আকো পৰ্ব্বতৰ পৰা বিচাৰি আনি ডোখৰ ডোখৰকৈ কাটি উলিয়াব লাগে। শিলৰ দেউল এটা সজাৰ খাটনি যিমান, সিমান সৰহ পুণ্য নহ'ব কিয়? জোখ মাপ ঠিক কৰি, ফুল জালি কাটি দহচটা শিল কাটি উলিওৱা মানে কাঠ-বাঁহৰ সৰু-সুৰা ঘৰ এটাকে সাজি উলিয়াব পাৰি। পিছে থিতাপিকৈ কিবা সাজো বুলিলে ইটা শিলৰহে সজাব লাগে।"

শংকৰে এইবাৰ ক'লে, "নিগাজী ঘৰ দেৱতা আৰু ৰজা মহাৰজাৰ কাৰণেহে সজায়। সাধাৰণ মানুহৰ কাৰণে সাধাৰণ কাঠ-বাঁহৰ ঘৰেই যথেষ্ট। আজি ভাগিলে কাইলৈ নিজে সাজি লব পাৰে, উজানত, গড়গাঁৱৰ ফালে আহোমৰ ৰজাই ইটাৰ ৰাজপ্ৰাসাদ সজোৱাটো বা কছাৰী ৰজাই ডিমাপুৰত শিল ইটাৰ পকীঘৰ সজোৱাটো যথাযোগ্য কথা হৈছে। পিছে গেন্ধাই, তই ইটা সাজিবলৈ শিকি আহিছ নহয়। সেই ফালেনো কিহেৰে কেনেকৈ ইটা সাজে?"

সকলোৱে গেন্ধাইৰ মুখৰ ফালে চালে। সি এটা নতুন ৰজাঘৰীয়া বিদ্যা শিকি আহিছে। সি ঘৰ সজা, মন্দিৰ, ৰাজঅট্টালিকা সজা ইটা সাজিব জানে। সৰু সুৰা কথা নহয়।

গেন্ধায়ে ক'লে "কছাৰীয়ে ইটা কেনেকৈ সাজে মই এতিয়াও দেখা নাই। পিছে উজনিত আহোমৰ স্বৰ্গদেউসকলে যিদৰে ইটা সজায় সেইয়া মই শিকি আহিছো। আমাৰ নিচিনা মানুহৰ কাৰণে খাটনিটো ডাঙৰ কথা বুলি নধৰিলে ইটা কটাটো বৰ টান কাম নহয়। ইটাশালত ইটা সাজে। শকত শকত কাঠৰ ধুৰমুচেৰে মাটি ভাঙি খুন্দি গুৰি কৰিব লাগে, তাকে চালনিৰে চালিব লাগে, তাতে মচলা দিব লাগে। পানী মিহলাব লাগে, লেজুৰা বোকা কৰি ল'ব লাগে, তাৰ পিছত সেই লেজুৰা বোকা পকী খোলাত ঢালিব লাগে, যেতিয়া অলপ টান মাৰিব,



তেতিয়া জোখ মাৰি লৈ চোকা কটাৰীৰে সমান সমান জোখৰকৈ কাটিব লাগে। ভালকৈ শুকালে সেইবোৰ শিল যেন টান হয়। দলিয়ালেও নেভাগে।

কিছুমানে আকো মাটি গুৰি কৰি লেজুৰা বোকা কৰে, তাতে মাটিমাহৰ গুৰি মিহলায় আৰু তাৰ লগত দিয়ে লালি গুৰ। তাকে সাঁচত দি ইটা সাজে। ৰজাঘৰ সাজিবৰ কাৰণে কৰা ইটাত, কেঁচাই থাকোতেই কোনোৱে ফুল-জালি কাটে, মানুহৰ মূৰ্ত্তি কাটে, দেৱদেৱী, চৰাইৰো মূৰ্ত্তি কাটে। কোনোৱে ৰজা-ৰাণীৰ মূৰ্ত্তিও কাটে, তাৰ পিছত শুকুৱাই চটাচটে ইটা উলিয়ায়।"

ভূধৰে সুধিলে "পিছে সকলো ইটাৰ চটাবোৰ সমান আৰু একে নহয় দেখোন। কিছুমানৰ আকো ৰঙো বেলেগ বেলেগ হয়। সেইবোৰ কেনেকৈ সাজে তই শিকিব পাৰিলিনে বাৰু?"

"বেলেগে শিকিব নেলাগে। সেইবোৰ লগৰে কথা। ইটাশালতে বেলেগ বেলেগ আকাৰৰ ইটা সজা হয়—দীঘলীয়া, চাৰি চুকীয়া, তিনি কুণীয়া, কদৈশিৰীয়া, মাজত ফুটা থকা—যেনে লাগে তেনে ধৰণে সাজি ভটা সাজি জাল দি পুৰি উলিওৱা হয়। কিছুমানত জোকৰ তেজ দি ওপৰটো ৰঙাকৈ বোলায়।"

"হেৰ', ইটা বোলাবলৈ ইমানবোৰ জোক ক'ৰ পায়?"

"দ-বিল, পথাৰ সকলোতে ম'হজোক থাকে। জোকতলি নামে ৰংপুৰৰ ওচৰতে এখন পথাৰ আৰু বিলেই আছে। তাত লেউ, লেউ, সেৰাঁ সেৰা চেলাপেটি জোক। ম'হবোৰ খেদি নি তাত এৰি দিয়গৈ, ম'হৰ তেজ খাই জোক তুলতুলীয়া ৰঙা হয়। তাৰ পিছত ম'হৰ গাৰ পৰা মাটিলৈ সৰি পৰে। তেতিয়া জোকবোৰ খুৰ বা চোকা কটাৰীৰে কাটি তাৰ পৰা চৰিয়াত বা মাটিৰ মলা চৰুত তেজ ধৰি গোটায়। ইটাবোৰ সেই তেজত জুবুৰিয়াই তাৰ পিছত শুকুৱায়, তেতিয়া ইটাৰ চটাবোৰ ৰঙা হয়। তেজৰ কড়াল এটাও বান্ধে আৰু ইটা টানো হয়। আগৰ কালত হেনো ম'হৰ ছাল সিজাই তাৰে এঠা বা কড়াল তৈয়াৰ কৰিছিল। তাকে বোলে, বজ্ৰলেপ নে ব্ৰজলেপ বুলিছিল।"

"ইটাৰ ওপৰত ইটা জাপি গলেই বৈ যায়নে? কড়াল কিহেৰে দিয়ে, গাঁঠনিৰ কড়াল?" ভুধৰে সুধিলে।

"কড়াল নহলে চটাচট ইটা কেনেকৈ বৈ থাকিব? এঠা, কড়াল নহলে গাঁথনি নৰয়। তাতে আমাৰ দেশত বছৰৰ বাৰেও মাহে বৰষুণ দিয়ে। বোকাৰ লেও দি ইটা নথহাকৈ ৰাখিব নোৱাৰি। ভাটিৰ ফালে বোলে ইটাতকৈ শিলৰ ঘৰহে বেছি সাজে। কড়াল সাজিবলৈ বহুত বস্তু লাগে—মাটিমাহ, বৰাচাউল, গুৰ, শন শিলচূণ শামুকৰ চূণ, চকাচূণ, হাঁহকণী, মাছ, ধুনা, তেল—এইবোৰ মিহলি কৰি কড়াল সজা হয়। তাকৰ-তুকৰ নহয়, যিমান ইটা খুৱাব, সিমানে খৰছ লাগিব গাঁথনিৰ কড়াল। শ শ কলহ গুৰ, শ শ ডুলি মাটিমাহ লাগে, সেইদৰে বৰালি মাছো লাগে পাচিয়ে পাচিয়ে—বৰাচাউল, হাঁহ কণীও লাগে।"

শংকৰে ক'লে, "শিল ইটাৰ পকীঘৰ সাজি লৈ আন সাধাৰণ প্ৰজাতকৈ বেলেগ হৈ আঁতৰি থাকিবৰ মন মোৰ নাই। ঘৰবাৰী সদায় থকা নিত্য বস্তু নহয়। এখন নিকা ঘৰ, এটা নিকা মন, গৰ্ব-অহংকাৰ নথকা এখন নিকা সমাজ, সেইয়াহে বিচাৰিব লাগে। বৰদোৱালৈ গৈ লোৱা যাওক, তাৰ পিছত যদি কিবা সজোৱা যায়, তেতিয়া বাৰু স্থায়ীকৈ কেনেকৈ সজোৱা যায় তাৰ চিন্তা কৰা হ'ব। আৰু আজি যেনেকৈ আলি-পুখুৰীৰ ঘৰে-বাৰীয়ে সকলো এৰি যাবলৈ ওলাইছো, বৰদোৱা এৰিও কিজানিবা ক'ৰবালৈ যাবলগীয়া হয় ক'বতো নোৱাৰি। মনটো ঘৰ-বাৰীতে লগাই থলে, ঈশ্বৰৰ কথা, স্বৰ্গৰ কথা, সাধাৰণ মানুহৰ কথা চিন্তা কৰিবলৈ আজৰিয়েই নেথাকিব।"

গেন্ধায়ে ক'লে, "শাস্ত্ৰত বোলে স্বৰ্গ আৰু বৈকুণ্ঠৰ কথা আছে। আমি পাপী মানুহ। ক'তনো আমাৰ স্বৰ্গলৈ যোৱা হ'ব। ক'তনো চকুৰে বৈকুণ্ঠ দেখা পাম? আমাক বৈকুণ্ঠৰ পট এখনকে যদি কোনোবাই আঁকি দেখুৱালেহেঁতেন।"

সকলোৱে শংকৰৰ মুখলৈ চালে। কথাষাৰ যে তেওঁকে কোৱা হৈছে সেইটো কোনেও নুবুজাকৈ নেথাকিল। চিন্তিতভাবে শংকৰে ক'লে, "এনে কথা এষাৰ বুঢ়াখাঁ, নৰোত্তম, চতুৰ্ভুজ, কৰ্ণপুৰ আৰু অন্যান্য দুই চাৰি ভুঞাৰয়ো কৈছে। ময়ো বৈকুণ্ঠৰ বিৱৰণ শাস্ত্ৰতহে পঢ়িছো। এই পৃথিৱীত থাকোতে স্বৰ্গ বা বৈকুণ্ঠনো চকুৰে কেনেকৈ দেখিবলৈ পাম? স্বৰ্গ হৈছে সুৰলোক, দেৱলোক। স্বৰ্গ সুখৰ ঠাই, তাত দেৱতাসকল থাকে; আৰু বৈকুণ্ঠ হ'ল—বিষ্ণুপুৰী, তাত কোনো কুণ্ঠা নাই, সকলো মুক্ত। তাত মায়া নাই—বিষ্ণুলোকক মায়াই কলুষিত কৰিব নোৱাৰে।"

"পিছে তেনে বৈকুণ্ঠৰ চিত্ৰনো কেনেকৈ আঁকিম ভাবিয়ে পোৱা নাই।"

পোৱালে ক'লে, "আমি শুনিছো বোলে ডেকাগিৰীয়ে ৰং ৰহণ লৈ ভিতৰত সোমাই অকলে অকলে কিবা চিত্ৰপট আঁকিমেলি থাকে। আৰু বোলে কিবা গীতো ৰচি সুৰ দি গায়, কিবা বাদ্য বাজনাও বজাই থাকে। এইবোৰ পিছে অকলে অকলে নিজৰ মনক ভাল লগাবলৈ কৰি থাকিলেই জানো হয়? আনকো তাৰ ভাগ দিব নেপায় জানো? আমি আৰু বিয়াহৰ ওজাপালি শুকনান্নী, আৰু ভাটিৰ ফালৰ পুতলা-নাচহে দেখিছো।"

গেন্ধায়ে ক'লে, "উজনিৰ ফালে বিহুনাচ সকলোৱে বৰ হেঁপাহৰ, মই পিছে দেওধনি নাচো দেখিছো। গোটেই দিন, গোটেই ৰাতি চকুৰ টিপ্ নমৰাকৈ চাই থাকিলেও দেৱ-দাসীয়ে নচা দেওধনি নাচ চাই হেঁপাহ নপলায়, ভাগৰো নেলাগে। মই পিছে এৰেলিহে দেওধনি নাচ দেখিছো।"

সকলোকে বাটি ভৰাই চিৰা দৈ গুৰ দিলে। ভোক লাগিবৰো হৈছিল। আটায়ে খোৱাত ধৰিলে। শংকৰ এই ছেগতে ভিতৰলৈ গ'ল। তেওঁ যে শাস্ত্ৰীয় সঙ্গীতৰ চৰ্চ্চা কৰাৰ লগতে থলুৱা গীতমাতৰো চৰ্চ্চা কৰি আছে সেই কথা আনে জনা বুলি শংকৰে ভবা নাছিল। পিছে ঢোল, খোল বজোৱা, নাচিব গাবলৈ শিকা, চিত্ৰ আঁকিবলৈ শিকা—এইবোৰ ভালকৈ কৰিব জানিবলৈ কোনোবা ভাল জনাবুজা ওজাৰ ওচৰত নিশিকিলে চলে জানো? আৰু নিজে ভালকৈ শিকি জানি নোলোৱাকৈ সেইবোৰ আনৰ আগত দেখুউৱাটো জানো অশোভনীয় কথা নহয়? এইবোৰ খেলনীয়া কথা নহয়। সাধনাৰ কথা, আৰু ঢাকঢোল বজাই

এনেবোৰ কথাৰ বিষয়ে পাৰদৰ্শিতা লাভ কৰিব নোৱাৰি। অল্পবিদ্যা ভয়ংকৰী। নাচিব নেজানি চোতালখন বেঁকা বুলি দায় সাৰিব নোৱাৰি। এটা নিৰোগ, নিঘূণী, সুঠাম দেহা নহ'লে, এটা ভাল নাচ—তাণ্ডৱেই হওক, লাস্যই হওক নাচিব নোৱাৰি। ঢোল, খোল, মৃদং বজাবলৈকো বাহুত শক্তি লাগে। ভালকৈ সুৰ, তাল, লয় মিলাই গীত এটা গাবলৈকো, এটা ৰাগ বা ৰাগিণীৰ ৰূপ দিবলৈকো গাত বল লাগে, কণ্ঠত শক্তি লাগে, বুকুত জোৰ থাকিব লাগে। তাৰ কাৰণেও শৰীৰ চৰ্চ্চাৰ দৰকাৰ। গাৰ বলেৰে হাতী ম'হ ষাঁড় গৰুৰ লগতেই নুযুঁজে, নাচিবলৈকো গাত বল লাগে, গাবলৈকো গাত বল লাগে। সেইবোৰ সকলো আয়ত্ব কৰি নোলোৱাকৈ গায়ন-বায়ন-নটুৱা হ'বলৈ যোৱাটো খ্যাতি যশস্যাৰ কাৰণে হামৰাও কঢ়া যেনহে হ'ব।...

কিছুপৰৰ মূৰত শংকৰ ভিতৰৰ পৰা ওলাই আহিল—হাতত কেইটামান মাটিৰ ভুৰুকাত কিবা ৰং-ৰহণ কিছুমান লৈ। সকলোৱে সেই ফালে চালে।

"ডেকাগিৰীৰ হাতত বা সেইয়া কি?" ভুৰুকা কেইটা মজিয়াত থৈ শংকৰে ক'লে, "এইয়া চিত্ৰপট অঁকা ৰং, বোল। এইয়া হেঙুল, এইয়া হাঁইতাল, এইয়া ৰংপানী। আমাৰ মূল ৰং নীলা, ৰঙা, আৰু মাটিয়া বা হালধীয়া। আকাশ, নদী, সাগৰৰ পানী—দেৱতাৰ গাৰ ৰং—এইবোৰ নীলা। পানীৰ ৰং নীলাৰ ওপৰত বগা ৰেখা দিব লাগে।"

"ৰংবোৰ বা কিহেৰে কৰিছে?" গেন্ধায়ে সুধিলে।

"বেলেগ বেলেগ ৰং কৰিবলৈ বেলেগ বেলেগ বহুত বস্তু লাগে। শিলিখা, আমলখি, হালধি, জৰধ, এঙাৰ, ছাই, বগা খৰিমাটি, সেইবোৰৰ লগত হাঁহ কণীৰ কুহুম, ঔটেঙাৰ বিজল আৰু তেঁতেলি গুটিৰ আঠা বা লেও—এই সকলোবোৰ লাগে ৰং তৈয়াৰ কৰিবৰ কাৰণে। হাইতাল ইয়াত পাবলৈ নাই। অন্য ঠাইৰ পৰা অনাব লাগে। খনিৰ বস্তু য'তে ত'তে পোৱা নেযায়।"

পোৱালে ক'লে, "ইয়াৰ পৰানো কেলেই আকৌ বৰদোৱালৈ ঘূৰি যাবলৈ ওলোৱা হৈছে ডেকাগিৰী?"



"আলিপুখুৰী ঠাইখন সৰু। আমাৰ ভূঞা পৰিয়ালৰে নহয়, ইয়াত আমাৰ লগত থকা অন্য পৰিয়ালবোৰৰো মানুহ সৰহ হ'ল। আগে থকাদি আৰ্ণি-পৰ্ণি কৈ থাকিবলৈ অসুবিধা হৈছে। নহলে এই ঠাই এৰি আকৌ বৰদোৱালৈ উঠি যোৱাৰ কথা নাছিল।"

সকলো উঠিল। বেলিও ভালেমান হ'ল। নানা কথাৰ আলচ-বিলচো কৰা হ'ল। শংকৰৰো কাম আছে। বস্তু-বাহানি সামৰাব লাগে—

সকলোকে উদ্দেশ্য কৰি কোৱাদি শংকৰে ক'লে, "সকলো ভগৱানৰ ইচ্ছা, আমি থাকো বুলি ক'ৰবাত থাকি যাব নোৱাৰো। যাওঁ বুলিও ক'ৰবালৈ গুচি যাব নোৱাৰো। ঘৰ-বাৰী, বস্তু-বাহানিলৈ এই কাৰণেই বেছি মোহ-মায়া হ'বলৈ দিব নেপায়। আমাৰ কাৰণেহে ঘৰ-বাৰী, বস্তু-বাহানি। বস্তু-বাহানি, ঘৰ-বাৰীৰ কাৰণে আমি নহয়। সেইবোৰ একো আমি লগত নিব নোৱাৰো, পাৰিম জানো?"

বিদায় লৈ সকলো গ'লগৈ। ডেকা শংকৰৰ মাতত যেন এজন বিজ্ঞ, বয়সস্থ চিন্তাশীল মানুহৰ মনৰ ভাব প্ৰকাশ পাইছিল। আলিপুখুৰীৰ পৰা যাবলগীয়া হোৱাত শংকৰৰো মনটো গধুৰ নালাগি থকা নাই। ইয়াৰ পিছত আৰু এই মানুহবোৰক বৰদোৱাতহে ল'গ পোৱা হ'ব। ইয়াৰ সকলো মানুহ বৰদোৱালৈ উঠি নেযায়। ভালেমান ইয়াতে থাকি যাব। শংকৰে ভাবিলে যিবোৰ মানুহ বৰদোৱালৈ লগত নেযায়, এবাৰ তেওঁলোকক লগ পাই যাব লাগিব। সকলোকে মাত লগাই যাব লাগিব।



বৰদোৱালৈ পুনৰ আহি বসবাস কৰিবলৈ লোৱাটো শংকৰৰ কাৰণে জীৱনৰ এক নতুন অধ্যায় স্বৰূপ হ'ল। শংকৰ এতিয়া পূৰ্ণস্বাস্থ্যৰ প্ৰায় কুৰি বছৰীয়া ডেকা। দহবছৰীয়া গভীৰ অধ্যয়নেৰে পূৰ্ণ শাস্ত্ৰজ্ঞান আয়ত্ত কৰি হিন্দু ধৰ্ম-সংস্কৃতি-সাহিত্য সম্পৰ্কে পুৰঠ জ্ঞান আহৰণ কৰি শংকৰ এতিয়া এক বিজ্ঞ পণ্ডিতৰূপে স্বীকৃত ব্যক্তি।

তেতিয়ালৈকে শংকৰে আৰ্জন কৰা শাস্ত্ৰৰ জ্ঞান পুথিগত জ্ঞান। কিন্তু আলিপুখুৰীৰ আৰু আশপাশৰ ব্ৰাহ্মণ কায়স্থ আদি উচ্চ বৰ্ণৰ জনা বুজা আৰু আঢ্যৱন্ত লোকসকলকে ধৰি কৃষক, মাছমৰীয়া অন্যান্য বিভিন্ন বৃত্তিয়াল লোকৰ লগত ঘনিষ্ঠভাৱে চিনাজনা হোৱাৰ মাজেদি শংকৰে সমাজখনৰ বাস্তৱ স্বৰূপ আৰু সমস্যাৰ এটা ধাৰণা কৰিব পাৰিলে।

পূবে আহোম ৰাজ্য, উত্তৰে ভোট ৰাজ্য, পশ্চিমে কোচ ৰাজ্য, আৰু দক্ষিণে কছাৰী ৰাজ্য—ইয়াৰ মাজতে ব্ৰহ্মপুত্ৰৰ পাৰত নৈয়ে আগুৰা এটা সৰু গাঁৱলীয়া অঞ্চলত বাৰভূঞাৰ সৰু ৰাজ্যখন। ভূঞাৰাজ্যৰ প্ৰজা-বিলাকে সামন্ত শাসক প্ৰশাসকক পূৰ্ব্বাপৰ নিয়ম কাৰণ অনুসৰি কৰ-পচা-ৰাজহ দি ৰাইৰূই নোহোৱাকৈ দিন কটায়। ব্ৰাহ্মণে ব্ৰাহ্মণৰ ভাগে, কায়স্থই কায়স্থৰ ভাগে, বেপাৰী বেহেৰুৱাই বেপাৰ-বণিজ কৰি, খেতিয়কে খেতি কৰি, তাঁতীয়ে কাপোৰ বৈ, মাছ মৰীয়াই নৈয়ে বিলে মাছ মাৰি, যাৰ যেনে অৱস্থা তেনেকৈ জীৱন নিৰ্ব্বাহ কৰে। ভূঞা পৰিয়ালৰ লোকসকল, ব্ৰাহ্মণসকল আৰু দুই চাৰি উচ্চ বৰ্ণৰ লোকৰ পঢ়া-শুনাৰ লগত সম্পৰ্ক আছে। এই সকলেই সমাজৰ আগশাৰীৰ লেখৰ মানুহ। ভূঞাসকলৰ মাজত ধৰ্মশাস্ত্ৰ শিক্ষা কৰাৰ পৰম্পৰা পূৰ্ব্বৰে পৰা চলি আহিছে। এই কাৰণেই শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ পণ্ডিত সকলৰ লগত ভূঞা-



সকলৰ এক সম্পৰ্ক বৰ্ত্তি আহিছে। অব্ৰাহ্মণসকলৰ শিক্ষা আহৰণৰ কোনো আনুষ্ঠানিক ব্যৱস্থা নাই। মুখে মুখে যিবোৰ ধৰ্মশাস্ত্ৰৰ কথা শুনি মেলি শিকে, সেইয়াই ধৰ্মজ্ঞান। চিৰাচৰিত বিধি অনুসৰি যি ধৰ্মকাম কৰাৰ সুবিধা পায়, সেয়ে ধৰ্মপালন। ৰামায়ণ, মহাভাৰত, পুৰাণৰ যিবোৰ কাহিনী মুখে মুখে শুনি মনত ৰখাক ধৰ্মপালন বুলি ধৰি আহিছে, বংশ পৰম্পৰাই সেইবোৰ কাহিনীয়েই সমাজখনৰ সাংস্কৃতিক সম্পদৰূপে পৰিগণিত হৈ আহিছে। সেই কাহিনীবোৰৰ ব্যাখ্যা বিশ্লেষণ কৰাৰ বা তত্ত্ব-তাৎপৰ্য্য বিচৰাৰ অৱকাশ নাই, প্ৰয়োজনো নাই। ভাৰতৰ অন্যান্য ঠাইৰ সাধাৰণ মানুহ যিদৰে ৰামায়ণ-মহাভাৰত-পুৰাণ-ভাগৱতৰ কাহিনীৰ মাজত ডাঙৰ হৈছে, তেনেকৈ বাৰভূঞাৰ ৰাজ্যৰ সাধাৰণ প্ৰজাবিলাকো এনেবোৰ কাহিনীৰ মাজতেই ডাঙৰ-দীঘল হৈছে। কেইবা পুৰুষৰ আগতে ভাটিৰ কনৌজৰ পৰা আহি কামৰূপত থিতাপি লোৱা সাতঘৰ কুলীন ব্ৰাহ্মণ আৰু সাতঘৰ সম্ভ্ৰান্ত কায়স্থৰ সন্তান সন্ততি সকলেই, সৰু হলেও, এখন হিন্দু ৰাজ্য চলাই খাই আহিছে। যদিও ইয়াৰ প্ৰজাৰ মাজত অহিন্দু জনজাতীয় লোক, মুছলমান আৰু অন্যান্য ধৰ্মৰ বিবেচনাৰে নিৰ্ব্বিশেষ মানুহো আছে। বাৰভূঞাৰ ৰাজ্যৰ ধৰ্মীয় পৰম্পৰা হিন্দু। সেয়ে স্বাভাৱিকতে ব্ৰাহ্মণসকলৰ প্ৰভাৱ প্ৰতিপত্তি ইয়াত অপ্ৰতিহত হৈ চলি আহিছে। ভূঞা বংশৰ ল'ৰাবিলাকক শাস্ত্ৰজ্ঞান শিক্ষা দিয়াকে ধৰি, ৰজাঘৰৰ পুৰোহিত হিচাপে কাৰ্য্য পৰিচালনা কৰাৰ যি অধিকাৰ আৰু সুযোগ ব্ৰাহ্মণসকলে পাই আহিছে সি তেওঁলোকৰ প্ৰভাৱ প্ৰতিপত্তি অটুট থকাত আগৰে পৰা সহায় কৰি আহিছে।

মাজে মাজে ভাটিৰ ফালৰ পৰা কামৰূপ ৰাজ্যলৈ আৰু বাৰভূঞাৰ ৰাজ্যলৈকো সাধু-সন্ন্যাসী-পণ্ডিত লোক আহে। তেওঁলোকেও হিন্দু ধৰ্মশাস্ত্ৰৰ দৰেই, ভাৰতৰ অন্য ঠাইৰ লগত কামৰূপ ৰাজ্যৰ এটা যোগ-সূত্ৰ প্ৰতিষ্ঠাত সহায় কৰে। ভূঞা ৰাজ্যৰ ব্ৰাহ্মণ আৰু কায়স্থ সকলৰো সম্পৰ্কীয় আৰু সম্বন্ধীয় মানুহ উত্তৰ ভাৰতত আছিল। তেওঁলোকৰ লগতো কামৰূপবাসী সগোত্ৰ সকলৰ এটা যোগাযোগ হৈ গৈছিল।

তদুপৰি মৃতকসকলৰ অস্থি গংগাত লগাই পিণ্ডদান কৰিবৰ কাৰণে কাশী আদি তীৰ্থস্থানলৈ অহা-যোৱা কৰাৰ পৰম্পৰা এটাও চলি আহি-ছিল। মহাভাৰত, ৰামায়ণৰ কাহিনীবোৰেও কামৰূপ নিবাসী হিন্দু সকলৰ মনবোৰ পশ্চিমমুখী কৰি ৰখাটো অস্বাভাৱিক নাছিল। সেঁ-শৰীৰেৰে সেইবোৰ আখ্যান উপাখ্যানৰ লগত সম্পৰ্কিত সেই ঠাইবোৰলৈ যোৱা হৈ নুঠিলেও মনেৰে প্ৰায় সকলো হিন্দুৱেই সেইবোৰ ঠাই বিচৰণ কৰি ফুৰিছিল।

একেই বৈদিক হিন্দু ধৰ্মৰ অনুগামী কামৰূপবাসী হিন্দুসকল আৰু ভাৰতৰ অন্য অঞ্চলৰ হিন্দুসকলৰ মাজত হিন্দু ধৰ্মই এক স্বাভাৱিক যোগসূত্ৰ স্থাপন কৰিছিল। গতিকে ভাটিৰ পৰা কোনো শাস্ত্ৰজ্ঞ হিন্দু পণ্ডিত বা সাধু-সন্ন্যাসী কামৰূপ ৰাজ্যলৈ আহিলে, তেওঁলোকে মান সম্ভ্ৰম বা আতিথ্য লাভ নকৰাকৈ নেথাকিছিল। অৱশ্যে এইসকল বাহিৰৰ মানুহৰ সম্পৰ্ক আৰু যোগাযোগ তেওঁলোকৰ একে স্তৰৰ লোকসকলৰ লগতহে হৈছিল। সমাজৰ অন্য মানুহৰ লগত অতি কমেইহে এইসকল লোকৰ সম্পৰ্ক ঘটিছিল। কেতিয়াবা কামৰূপ ৰাজ্যৰ বাহিৰৰ পৰা অহা এনে কোনো কোনো লোকে লগত লৈ আহিছিল, কোনো এক বিশেষ মূল্যবান আৰু ইয়াৰ দুৰ্লভ ধৰ্মগ্ৰন্থ। তেনে ব্যক্তি আৰু তেনে পুথি-পুস্তকে ইয়াত সমাদৰ লাভ কৰিছিল। চীন, ইজিপ্ত আদি দেশত অতি প্ৰাচীন কালতে কাগজ তৈয়াৰ কৰা পদ্ধতি উদ্ভাৱন কৰা হৈছিল যদিও, আৰু ভাৰতলৈ অহা মুছলমান সকলে ইয়ালৈ কাগজ বা তুলাপাত অনাৰ বাট মুকলি কৰিছিল যদিও, কামৰূপত লিখাৰ সামগ্ৰী হিচাপে তুলাপাতৰ ব্যৱহাৰ অতি সীমিত আছিল। সেই কাৰণে তুলাপাতত লিখা কোনো 'গ্ৰন্থ' কোনোবাই ইয়ালৈ আনিলে, তাক এক আপুৰুগীয়া সম্পদ বুলি গণ্য কৰা হৈছিল। সকলো গ্ৰন্থই 'বেদ' নহয়, সৃষ্টিকৰ্তাৰ মুখৰ বাক্যও নহয়, তথাপি প্ৰায় সকলো গ্ৰন্থকে পবিত্ৰ জ্ঞান কৰা হৈছিল আৰু দেৱ-দেৱীৰ পূজা কৰাৰ দৰে, পুথি পূজাৰ ৰীতিও প্ৰচলিত হৈছিল। অকল হিন্দুৰ ধৰ্ম গ্ৰন্থই নহয়, অন্যান্য ধৰ্মৰ 'গ্ৰন্থও'—বাইবেল, কোৰাণ, আবেস্তা, ত্ৰিপিটক আদি—



সকলো ধৰ্মগ্ৰন্থ সৰ্ব্বসাধাৰণৰ পৰা আঁতৰাই ৰখা হৈছিল, যাতে সেই ধৰ্ম গ্ৰন্থবোৰৰ কোনো প্ৰকাৰৰ অৱমাননা কৰা নহয়, আৰু স্বীকৃত ৰীতি বহিৰ্ভূতভাৱে অন্য সাধাৰণ বস্তুৰ দৰে ব্যৱহাৰ কৰা নহয়।

কোনো বস্তু প্ৰাচীন হলেই, সি দুৰ্লভো হয়, দুৰ্লভ প্ৰাচীন বস্তুক পবিত্ৰ জ্ঞান কৰা হয়। পবিত্ৰ বস্তুক আঁতৰাই সংৰক্ষণ কৰাটোকে ধৰ্মৰ কাম বা পুণ্য বুলি ধৰা হয়। সেই দেখি কোনো ধৰ্মগ্ৰন্থ যিমানে পুৰণি হয় সিমানে তাক বেছি পবিত্ৰ বুলি গণ্য কৰা হয়।

বৰদোৱাৰ পৰা ভূঞা ৰাজ্যৰ শাসন চলিছে, ইয়াত তেতিয়াও বাহিৰৰ লোকৰ উৎপীড়ন চলা নাই। নিজ নিজ বিষয় বাসনা লৈ প্ৰজাবোৰ নিজৰ কামত ব্যস্ত। শংকৰে এই পৰিবেশ আৰু পৰিস্থিতিৰ এটা সদ্ব্যৱহাৰ কৰাৰ কথা চিন্তা কৰিলে। বৰদোৱাৰ মানুহ বিলাকক এখন সংগঠিত, ধৰ্মীয় সমাজৰ অন্তৰ্ভুক্ত কৰি লোৱাৰ এটা দিহা কৰাৰ চিন্তা কৰিলে শংকৰে, : এটা দেৱমন্দিৰ প্ৰতিষ্ঠা কৰা যাওক। নিয়মীয়া পূজা বিধিৰ ব্যৱস্থা কৰা যাওক।

চণ্ডীবৰৰ পৰা কুসুমবৰলৈকে ভূঞাসকলে 'শাক্ত' পৰম্পৰাৰ অনুগামী হিচাপে বাৰভূঞাৰ ৰাজ্যত শাসকসকলৰ পাৰিবাৰিক ধৰ্ম-কাৰ্য্য প্ৰৱৰ্তন কৰি আহিছে। শংকৰো এই শাক্ত পৰিবেশ আৰু ধৰ্মীয় পৰিমণ্ডলৰ মাজেদিয়ে শিক্ষা-দীক্ষা লৈ ডাঙৰ-দীঘল হৈছে। কিন্তু নিৰাকাৰ পূজাৰ নিজস্ব কিবা এটা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ সংকল্পও কৰিলে শংকৰে।

বিশ্বাসৰ মানুহ, বয়োজ্যেষ্ঠ ৰামৰাম গুৰুক মাতি আনি শংকৰে নিজৰ সংকল্পৰ কথা জনালে : এটা দেৱমন্দিৰ স্থাপন কৰিব লাগে। বৰদোৱাৰ ৰাইজৰ সহযোগিতাত সোনকালে এই দেৱমন্দিৰ গঢ়ি উঠিব লাগে, বিগ্ৰহ প্ৰতিষ্ঠা হ'ব লাগে, পূজা আদি যাৱতীয় কাৰ্য্য চলোৱাৰ নিয়মীয়া ব্যৱস্থা হ'ব লাগে।

এইয়া ৰাজ আজ্ঞা, ডেকাগিৰীৰ ইচ্ছা আৰু সংকল্প, ভূঞা ৰাজ্যৰ ধৰ্মীয় ভিত্তি স্থাপনৰ ব্যৱস্থা। মন্দিৰ নিৰ্মাণৰ কাৰণে ভেটি তোলাৰ কামত লাগিল ৰাইজ। মাটি খান্দি থাকোঁতে মাটিৰ তলত অভাৱনীয়-

ভাবে ওলাল এক বিষ্ণুৰ মূৰ্ত্তি। সকলোৱে ভাবিলে বিষ্ণুৱে নিজে আহি নিজৰ ঠাই বিচাৰি লৈছে—এই বিষ্ণু মূৰ্ত্তিক এই নতুন মন্দিৰত প্ৰতিষ্ঠা কৰিব লাগিব। এই নতুন মন্দিৰ হ'ব—এক বিষ্ণু মন্দিৰ।

বিগ্ৰহ প্ৰতিষ্ঠা কৰাৰ আয়োজন চলিল। শংকৰৰ পৰামৰ্শ মতে ব্ৰাহ্মণ বিপ্ৰসকলক নিমন্ত্ৰণ জনাই মাতি অনা হ'ল—আহিল ব্ৰাহ্মণসকল, আহিল ভূঞাসকল, আহিল কৌতুহলী ৰাইজ। কামৰূপ ৰাজ্যত, ভূঞাৰ ৰাজ্যত, বৰদোৱা ক্ষেত্ৰত এটা নতুন বিষ্ণু মন্দিৰ প্ৰতিষ্ঠা কৰা হ'ব। ৰাইজৰ ধৰ্ম জীৱনলৈ এক নতুন ধৰ্মীয় বাতাৱৰণৰ ফল্গুধাৰা বৈ আহিব। সকলোৰে মনত আনন্দ, উল্লহ-মালহ।

পূজাৰীৰ আসনত ৰামৰাম গুৰু। প্ৰতিমাৰ ওচৰতে ডেকাগিৰী শংকৰ। মন্দিৰৰ ভিতৰে বাহিৰে পূজা উপলক্ষে সমবেত ভক্ত। এক নিবিষ্ট ধ্যানত আসন লৈ বহিছে দিব্যকান্তি, সৌম্যদৰ্শন, এক মৌন যুৱক, অৱনত বিনীত সেৱা আৰু সমৰ্পণৰ জীৱন্ত মূৰ্তিস্বৰূপ শিৰোমণি ভূঞাৰ ঘৰৰ ডেকাগিৰী শংকৰ। সমবেত সকলোৰে চকু গৈছে এবাৰ বিষ্ণুৰ মূৰ্ত্তিলৈ, এবাৰ শংকৰলৈ।

আনুষ্ঠানিক পূজাভাগ শেষ হ'ল। ৰাইজ প্ৰসাদ লৈ নিজ নিজ ঘৰলৈ যাবলৈ ওলাল। প্ৰতিমাৰ কাষৰ স্তিমিত, মৌন, ভক্তিত অৱনত শংকৰৰ সৌম্যৰূপ দেখি, পূজাৰী ৰামৰাম আৰু উপস্থিত অন্যান্য ব্ৰাহ্মণ সকলে শংকৰৰ শ্ৰেষ্ঠত্ব আৰু মহত্বৰ ওচৰত নতি স্বীকাৰ কৰি, শংকৰক অনুৰোধ জনালে—সকলোকে শংকৰে শৰণ দিব লাগে, শংকৰহে ব্ৰাহ্মণ শূদ্ৰ নিৰ্ব্বিশেষে সকলোকে শৰণ দিবৰ যোগ্য ব্যক্তি।

বৰদোৱাত নতুন দেৱমন্দিৰ প্ৰতিষ্ঠা জানো মই নিজকে পূজাৰী পুৰোহিত কৰিবৰ কাৰণেহে কৰাইছো? মই শূদ্ৰ, প্ৰজা পৰিচালনাহে মোৰ কাম, ধৰ্ম পৰিচালনা কৰিবলৈ ওলোৱা মোৰ কাম নহয়। যি বৃত্তি অৱলম্বন কৰি শাস্ত্ৰজ্ঞ, ব্ৰাহ্মণসকলে হাজাৰ হাজাৰ বছৰ জীৱন নিৰ্ব্বাহ কৰি আহিছে, তাত মই হেতা-ওপৰা কৰিবলৈ যোৱাটো অশোভনীয় কথা হ'ব। ভগৱানক সন্তুষ্ট কৰিবৰ কাৰণে যি পূজাবিধি, যি স্তুতি প্ৰাৰ্থনা, যি আৰতি-আচমন শাস্ত্ৰ সন্মতভাৱে কৰাটো



অপৰিহাৰ্য্য, সেই সকলো জ্ঞান অভিজ্ঞতা আহৰণ কৰা মোৰ হৈছে জানো? আৰু তেনে কাৰ্য্যৰ কাৰণে মই কায়মনোবাক্যে নিজক যোগ্য আৰু প্ৰস্তুত কৰি তুলিছো জানো, আৰু তুলিব পাৰিম জানো?

ব্ৰাহ্মণসকলে সৰলভাৱে যি অনুৰোধ মোক জনাইছে, তাকো পোনপটীয়াকৈ প্ৰত্যাখ্যান কৰি মই তেওঁলোকৰ অপ্ৰিয়ভাজন হোৱাটো উচিত নহ'ব। আৰু সি মোৰ নিজৰ ওপৰত বিশ্বাস নোহোৱা বুলিহে আমাৰ মনত ধাৰণা ওপজাব। কিন্তু ব্ৰাহ্মণসকলক অসন্তুষ্ট নকৰিবৰ কাৰণে কিবা এটা সু-ব্যৱস্থা কৰিবই লাগিব।

শংকৰৰ কোঠাত দুপৰ ৰাতিলৈকে জ্বলি থাকিল চাকি। তাৰ সোণালী পোহৰত শংকৰে আসনত বহিলৈ পীৰাৰ ওপৰত মেলি ললে খমখমীয়া সাঁচিপাত। তাৰ ওপৰত লিখিবলৈ ল'লে অসমীয়া ভাষাত এক নতুন শাস্ত্ৰৰ পুথি—সন্মুখত মেলা আছে—দশম স্কন্ধ ভাগৱতৰ পাত। পয়াৰ ছন্দত শংকৰে ৰচনা কৰিল—"গোপী উদ্ধৱ সম্বাদ।"

এইয়া হ'ল অসমীয়া জাতিৰ কাৰণে এক নতুন সম্বাদ। এজন শূদ্ৰই ৰচনা কৰিলে এক নতুন ধৰ্মশাস্ত্ৰ। এই কামৰূপ ৰাজ্যৰ ৰাইজৰ মুখৰ ভাষাই পালে ধৰ্মগ্ৰন্থৰ ভাষাৰ মৰ্য্যাদা। এই সংবাদে স্থান পালে মন্দিৰৰ থাপনাত। শংকৰৰ ওচৰত নহয়, তেওঁৰে ৰচিত শাস্ত্ৰ গ্ৰন্থৰ সন্মুখত শৰণ ললে ব্ৰাহ্মণসকলে। ব্ৰাহ্মণৰ দীক্ষা-গুৰু হোৱাৰ অস্বস্তিকৰ পৰিস্থিতিৰ পৰা ৰক্ষা পৰিল শিৰোমণি ভূঞাৰ ঘৰৰ শূদ্ৰ ডেকাগিৰী শংকৰদেৱ।

থাপনাত প্ৰতিষ্ঠা কৰি থোৱা আছিল বিষ্ণুৰ মূৰ্তি। ব্ৰাহ্মণসকলে বিষ্ণু মূৰ্তিৰ ওচৰতে শৰণ ল'ব পাৰিলেহেঁতেন। কিন্তু শংকৰৰ ব্যৱস্থা অনুসৰি ব্ৰাহ্মণ সকলে মূৰ্তিশূন্য ধৰ্মশাস্ত্ৰৰ সন্মুখত শৰণ ল'লে। শাক্ত পূজাৰ ওপৰত গুৰুত্ব দিয়া নহ'ল!

কামৰূপ ৰাজ্যৰ ভাষা, কামৰূপ ৰাজ্যৰ সাধাৰণ মানুহৰ মুখৰ ভাষা ধৰ্ম-সাহিত্যৰ ভাষা, পদ্য কবিতাৰ ভাষা হোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। তাৰ পিছত শংকৰে ৰচনা কৰিলে ভক্তি আৰু ত্যাগৰ, ধৈৰ্য্য আৰু আদৰ্শ-নিষ্ঠাৰ অবিস্মৰণীয় আখ্যান—"হৰিশ্চন্দ্ৰ উপাখ্যান।"

হলেও অনুবাদ, এই নতুন কাৰ্য্যই শংকৰৰ মনত জগাই তুলিলে এক সৃষ্টিৰ মাদকতা, দিলে এক মহত্বৰ উদ্দেশ্য লৈ নতুন গীত-মাত-নাট-ৰচনা কৰাৰ এক নতুন প্ৰেৰণা। সংস্কৃত ভাষাত ৰচিত সাধাৰণ মানুহৰ জনাবুজাৰ উৰ্দ্ধৰ দুৰ্বোধ্য ধৰ্ম্মশাস্ত্ৰৰ সাৰকথা মানুহে বুজি পোৱা, বুজি উপলব্ধি কৰিব পৰা, উপলব্ধি কৰি অনুধাৱন কৰিব পৰা এক সহজ ভাষাত সৰ্ব্বসাধাৰণৰ আগত মেলি ধৰাৰ পথ বিচাৰি পালে শংকৰে।

মোৰ ওচৰত নহয়, জ্ঞানৰ ওচৰত, চিৰন্তনৰ-ওচৰত, কালৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ভক্তি, ত্যাগ, আনুগত্য, সেৱা আৰু মহত্ত্বৰ প্ৰেমৰ ওচৰত দীক্ষা লোৱা। দীক্ষা লোৱা শব্দৰ ওচৰত, বাক্যৰ ওচৰত, ধ্বনিৰ ওচৰত—পৰম চৈতন্যময়, সৰ্ব্বব্যাপী, চিৰমঙ্গলময়ৰ ওচৰত। দাসৰূপে নিজক একান্তভাৱে সমৰ্পণ কৰা সৰ্ব্বনিয়ন্তাৰ মহতোমহীয়ান ইচ্ছাৰ ওপৰত·· ।



কেইবাজনো মানুহে শংকৰৰ বাটচৰাতে বহি কথা পাতি আছিল। পুৰন্দৰ বৰপূজাৰী, চতুৰ্ভুজ, বুঢ়াখাঁ, কলীয়া, কন্দৰ্প আৰু আন কেইবাজনো শংকৰৰ বিয়াৰ বুজ লবলৈকে আহি লগ লাগিছিলহি। বাৰ ভুঞাৰ ঘৰৰ লগত সমধ পাতিবলৈ লৈছে—বুঢ়াখাঁও আহিছে—দৰা ঘৰৰ আয়োজন প্ৰয়োজনৰ বাতৰি লবলৈ। ৰাইজক খুৱাব লগীয়া জা-জলপান, ভোজ ভাতৰ কথা, সোণ-ৰূপৰ গহনা, অলংকাৰৰ কথা, কাপোৰ-কানিৰ কথা আলচৰ বিষয় আছিল।

তিনিজন মানুহ সোমাই আহিল। আটায়ে তেওঁলোকৰ ফালে



চালে। চিনাকি মানুহেই, আগে-পিছেও, মাজে-সময়ে বৰদোৱালৈ, বাৰভুঞাৰ ঘৰলৈ আহে। বুকোদৰ সোনোৱাল—কপিলীৰ পাৰৰ কছাৰী গাঁৱৰ মানুহ। কণপাই সোণাৰী—কুঁৱৰীটোলৰ সোণাৰীৰ ঘৰৰ। ওচৰ পাজৰৰ গাঁৱৰ মানুহৰ, বিশেষকৈ বাৰভুঞা পৰিয়ালৰ অলংকাৰ গঢ়ায়। মনধন গৰীয়া—কলীয়াবৰৰ-ভাটিৰ ফালৰ পৰা গহনা আৰু বেণাৰছি পাটৰ কাপোৰ আনি উজনিত বেচেহি। স্থানীয় ধনী মানুহ সকলোৰে লগত চা-চিনাকি আছে।

তিনিও আহি ঢাৰি পাৰি বহিল। "ক'ৰপৰা আহিলাহঁক ?" কন্দৰ্পই সুধিলে। "এই ফাললৈকে আহিছিলো, শুনিলো বোলে ডেকাগিৰী শংকৰৰ বিয়া পাতিবলৈ লৈছে। বৰ ভাল পাইছো শুনি। বুজ এটা লৈ যাওঁ বুলিহে আহিলো।" বুকোদৰে ক'লে।

মনধনে ক'লে, "ৰজাঘৰীয়া বিয়াৰ কথা। গহনা-পাতি, কাপোৰ-কানি ভুঞা পৰিয়ালত পেৰাত খুন্দ খাই আছে যদিও, নতুন দুই-এপদ অলংকাৰ, দুসাজ কাপোৰ নোলোৱাকৈ থাকিবনে ? মই বোলো, অইনৰপৰা লোৱাতকৈ আমাৰ পৰাই লওক। খাটি বস্তু পাব—চালে চাই থাকিবৰ মন যোৱা বস্তু।"

বুকোদৰ সোনোৱালে ক'লে, "আমাৰ সোৱণশিৰী, কপিলীৰ সোণৰ নিচিনা খাটি আৰু নিভাঁজ সোণ আৰু ক'তো নোপোৱা। সোণাৰী ডাঙৰ কথা নহয়, সোণহে ডাঙৰ কথা।"

কণপাই সোণাৰীয়ে প্ৰতিবাদ কৰাৰ ধৰণে ক'লে, "চপৰা চপৰে সোণ কমালেও, সোণাৰীয়ে অলংকাৰ নগঢ়াই মানে, সোণ এডোখৰে শিল এডোখৰে একে বস্তু। কি কয় বা ?"

চতুৰ্ভুজে মাত লগালে, "সোণ আছে বুলিহে সোণাৰী। পিছে বুকো, আজিকালি নৈৰ সোণ কমোৱা চলি আছেনে নাই ?"

"চলি নেথাকিলে আমি চুটিয়া-কছাৰী সোনোৱাল মখাই কি খাই জীয়াই থাকিম।"

অতপৰ মনে মনে থকা পুৰন্দৰ বৰপূজাৰীয়ে এইবাৰ ক'লে, "হয়নে বুকো, সোণ-ৰূপনো কেনেকৈ কমায় ? আমি আৰু লোকৰ লোকৰ

হলেও অনুবাদ, এই নতুন কাৰ্য্যই শংকৰৰ মনত জগাই তুলিলে এক সৃষ্টিৰ মাদকতা, দিলে এক মহত্তৰ উদ্দেশ্য লৈ নতুন গীত-মাত-নাট-ৰচনা কৰাৰ এক নতুন প্ৰেৰণা। সংস্কৃত ভাষাত ৰচিত সাধাৰণ মানুহৰ জনাবুজাৰ উৰ্দ্ধৰ দুৰ্বোধ্য ধৰ্ম্মশাস্ত্ৰৰ সাৰকথা মানুহে বুজি পোৱা, বুজি উপলব্ধি কৰিব পৰা, উপলব্ধি কৰি অনুধাৱন কৰিব পৰা এক সহজ ভাষাত সৰ্ব্বসাধাৰণৰ আগত মেলি ধৰাৰ পথ বিচাৰি পালে শংকৰে।

মোৰ ওচৰত নহয়, জ্ঞানৰ ওচৰত, চিৰন্তনৰ-ওচৰত, কালৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ভক্তি, ত্যাগ, আনুগত্য, ধৈৰ্য আৰু মহত্ত্বৰ প্ৰেমৰ ওচৰত দীক্ষা লোৱা। দীক্ষা লোৱা শব্দৰ ওচৰত, বাক্যৰ ওচৰত, ধ্বনিৰ ওচৰত—পৰম চৈতন্যময়, সৰ্ব্বব্যাপী, চিৰমঙ্গলময়ৰ ওচৰত। দাসৰূপে নিজক একান্তভাৱে সমৰ্পণ কৰা সৰ্ব্বনিয়ন্তাৰ মহতোমহীয়ান ইচ্ছাৰ ওপৰত··।



কেইবাজনো মানুহে শংকৰৰ বাটচৰাতে বহি কথা পাতি আছিল। পুৰন্দৰ বৰপূজাৰী, চতুৰ্ভুজ, বুঢ়াখাঁ, কলীয়া, কন্দৰ্প আৰু আন কেইবাজনো শংকৰৰ বিয়াৰ বুজ লবলৈকে আহি লগ লাগিছিলহি। বাৰ ভূঞাৰ ঘৰৰ লগত সমধ পাতিবলৈ লৈছে—বুঢ়াখাঁও আহিছে—দৰা ঘৰৰ আয়োজন প্ৰয়োজনৰ বাতৰি লবলৈ। ৰাইজক খুৱাব লগীয়া জা-জলপান, ভোজ ভাতৰ কথা, সোণ-ৰূপৰ গহনা অলংকাৰৰ কথা, কাপোৰ-কানিৰ কথা আলচৰ বিষয় আছিল।

তিনিজন মানুহ সোমাই আহিল। আটায়ে তেওঁলোকৰ ফালে



চালে। চিনাকি মানুহেই, আগে-পিছেও, মাজে-সময়ে বৰদোৱালৈ, বাৰভূঞাৰ ঘৰলৈ আহে। বুকোদৰ সোনোৱাল—কপিলীৰ পাৰৰ কছাৰী গাঁৱৰ মানুহ। কণপাই সোণাৰী—কুঁৱৰীটোলৰ সোণাৰীৰ ঘৰৰ। ওচৰ পাজৰৰ গাঁৱৰ মানুহৰ, বিশেষকৈ বাৰভূঞা পৰিয়ালৰ অলংকাৰ গঢ়ায়। মনধন গৰীয়া—কলীয়াবৰৰ-ভাটিৰ ফালৰ পৰা গহনা আৰু বেণাৰছি পাটৰ কাপোৰ আনি উজনিত বেচেহি। স্থানীয় ধনী মানুহ সকলোৰে লগত চা-চিনাকি আছে।

তিনিও আহি ঢাৰি পাৰি বহিল। "ক'ৰপৰা আহিলাহঁক?" কন্দৰ্পই সুধিলে। "এই ফাললৈকে আহিছিলো, শুনিলো বোলে ডেকাগিৰী শংকৰৰ বিয়া পাতিবলৈ লৈছে। বৰ ভাল পাইছো শুনি। বুজ এটা লৈ যাওঁ বুলিহে আহিলো।" বুকোদৰে ক'লে।

মনধনে ক'লে, "ৰজাঘৰীয়া বিয়াৰ কথা। গহনা-পাতি, কাপোৰ-কানি ভূঞা পৰিয়ালত পেৰাত খুন্দ খাই আছে যদিও, নতুন দুই-এপদ অলংকাৰ, দুসাজ কাপোৰ নোলোৱাকৈ থাকিবনে? মই বোলো, অইনৰপৰা লোৱাতকৈ আমাৰ পৰাই লওক। খাটি বস্তু পাব—চালে চাই থাকিবৰ মন যোৱা বস্তু।"

বুকোদৰ সোনোৱালে ক'লে, "আমাৰ সোৱণশিৰী, কপিলীৰ সোণৰ নিচিনা খাটি আৰু নিভাঁজ সোণ আৰু ক'তো নোপোৱা। সোণাৰী ডাঙৰ কথা নহয়, সোণহে ডাঙৰ কথা।"

কণপাই সোণাৰীয়ে প্ৰতিবাদ কৰাৰ ধৰণে ক'লে, "চপৰা চপৰে সোণ কমালেও, সোণাৰীয়ে অলংকাৰ নগঢ়াই মানে, সোণ এডোখৰে শিল এডোখৰে একে বস্তু। কি কয় বা?"

চতুৰ্ভুজে মাত লগালে, "সোণ আছে বুলিহে সোণাৰী। পিছে বুকো, আজিকালি নৈৰ সোণ কমোৱা চালি আছেনে নাই?"

"চালি নেথাকিলে আমি চুটিয়া-কছাৰী সোনোৱাল মখাই কি খাই জীয়াই থাকিম।"

অতপৰ মনে মনে থকা পুৰন্দৰ বৰপূজাৰীয়ে এইবাৰ ক'লে, "হয়নে বুকো, সোণ-ৰূপনো কেনেকৈ কমায়? আমি আৰু লোকৰ লোকৰ

মুখে শুনিছোহে। সোণ-ৰূপ কমোৱা নিজ চুকৰে দেখা হলে নাই। তইতো সোনোৱালৰ ঘৰৰে। মোৰ হলে বৰ জানিবৰ মন যায়—সোণ-ৰূপ কেনেকৈ উলিয়ায়।”

“জানিব খুজিলে জনাব পাৰো। গুপুত কথানে কিবা? পিছে নৈৰ বালিৰ পৰা সোণ কমোৱাটো বৰ উজু কাম নহয়। গাৰ খাটনি বৰ খাটিব লাগে। বোকাত নামি খেতি কৰোতে যদি খাটনি কম, সোণ কমোৱাৰ খাটনি বহুত বেছি। সোনোৱালেহে বুজে, সোণ কমোৱাৰ কি দুখ। এতোলা সোণৰ কাৰণে ছমাহ এবছৰ খাটিব লাগে। সোনোৱালে জানিবা মাটিৰ কৰ দিব নেলাগে, পিছে বছৰি এতোলাকৈ সোণ ৰজাঘৰত দিব লাগে। কুৰি হেজাৰ সোনোৱালে যদি সোণ কমায়, বছৰি ৰজা ঘৰলৈ কুৰি হেজাৰ তোলা সোণ যায়। সেইয়া কিমান সোণ হ'ল গামি চাইছানে? চাৰি কুৰি তোলাই এসেৰকৈ সেইয়া হ'ল আঢ়ৈশ সেৰ। আঢ়ৈশ সেৰত কেই মোন? ছমোন দহ সেৰ। ৰাজ ভঁড়াললৈ যদি যায় ছমোন, আমালৈ, সোনোৱাললৈ থাকে কেইমোন? এৰাতি, দুৰাতি এমহা, দুমহা। ৰজাঘৰত এনেকৈ দিবলগীয়া নোহোৱা হলে, সোনোৱালেই আটাইতকৈ ধনী মানুহ হ'লহেতেন—জানিছাহকনে?”

“দুখ কৰিলে কি লাভ হ'ব? দেশখন যেনেকৈ ৰজাৰ, তেনেকৈ নৈ বিলবোৰো ৰজাৰ, নৈৰ বালি বালিচন্দাও ৰজাৰ। আৰু বালিৰ লগত মিহলি হৈ থকা সোণৰ বালিচন্দাও ৰজাৰ। কমালো বুলিয়েই সোণ-ৰূপ আমাৰ হ'বনে। অইন অইন পাইকে ৰজাঘৰত গাৰ খাটনি খাটি দিয়ে, ৰণ লাগিলে ৰুণৰা হৈ ৰজাৰ কাৰণে ৰণ কৰি দিয়ে। তাৰ সলনি ৰজাৰ খাট পামত খেতি কৰিবলৈ মাটি পায়। সোনোৱাল পাইকে নৈৰ সোণ কমাই দিব লাগে, অইন খাটনি খাটি দিব নেলাগে। তাকে টান পালে কেনেকৈ চলিব?”

কলীয়াই ক'লে, “খৰিয়াল কৰিব নেলাগে হেৰ'। আনৰটো সকলোৱে উজু দেখে। শাস্ত্ৰত কৈছে বোলে, ‘বোপায়ে নাহৰ কাঠ ফালে, আয়ে পানী ধাৰ যেন দেখে।’ পিছে সঁচাকৈয়ে বুকো, তহঁতে যে নৈৰ বালিৰ পৰা সোণ গোটাব, কেনেকৈ কৰ কচোন—”



“তই জানি কি কৰিবি? তোৰ বাৰীৰ ঢাপৰ খালটোৰ পৰা খবাহী পাচিৰে সোণ গোটাবি নে কি?”

“আছে যদি নোগোটাম কিয়? একো নহলেও ঘৰৰ মানুহজনীক ঢোল-বিৰি এটাকে গঢ়াই দিয়ালোহেতেন।”

বুঢ়া খাঁই ক'লে, “এইফালে বিয়াৰ কথা গম পাইছহক। আমাকো ছোৱালীৰ লগত দিবলৈ গহনা কিছু লাগিব। মনধন আহিলি ভালেই কৰিলি, আমাৰ ফালেও এপাক মাৰি যাবি। পিছে বুকো, তোক পালো ভালেই হ'ল। আমাৰ পুৰণ বেজেও কথাষাৰ জানিব খুজিছে। তই জনাশুনা মানুহ—সোনোৱাল খেলৰ খেলদাৰ। নৈৰপৰা সোণ কেনেকৈ কমায় আমাকো অলপ বুজাই বহলাই কচোন।”

হাঁহি বুকোদৰে ক'লে, “আমি আহিছিলো শংকৰৰ মুখৰ দুআষাৰ শাস্ত্ৰৰ কথা শুনিম বুলি। এতিয়া আকৌ সোণৰ কথাহে জনাব লগীয়া হ'ল।



ব্ৰহ্মপুত্ৰ সোণৰ নৈ। ব্ৰহ্মপুত্ৰৰ বালি সোণৰ বালি, ব্ৰহ্মপুত্ৰৰ বালিচন্দা সোণৰ বালিচন্দা। ৰত্ন-প্ৰসৱিনী কামৰূপৰ বুকেদি বোৱা বৰ লুইততে নহয়। দিহিং, জাঁজী, দিচৈ, চিচি, দিক্ৰং, সোৱণশিৰী, ভৰলী, দিবং, জংলুপানী, কলং, কপিলী—প্ৰায় সকলোবোৰ সৰু বৰ নৈৰ বালিতে আছে সোণৰ বালিচন্দা, সোণৰ গুৰি। কমাব জানিব লাগে, বিচাৰিব জানিব লাগে, ৰুটিলিব জানিব লাগে।

সোঁত বোৱা নৈৰ গৰাৰ আনটো ফালে বালিৰ চট পৰে। সেই বালিত বালিচন্দা থাকিলে, তাৰ লগত সোণৰ কণাও থাকে। ওপৰৰ

বালি জুৰজুৰিয়া কোমল। তাত হেচি হেচি এডাল জোঙা মাৰি সুমুৱাই দিয়া। যদি তলত টান বালিৰ চটা পৰে, জোঙা মাৰিডাল আৰু তললৈ হেচি সুমুৱাব নোৱাৰি, তেন্তে, সেই চটিয়া বালি খান্দি উলিওৱা। তাত সৰু সৰু সোণৰ চেকুৰা মিহলি হৈ থাকিব পাৰে। গুৰি চালনিৰে বা দুণৰিত ধুই বালিৰ লগত মিহলি হৈ থকা সোণৰ চেকুৰাবোৰ উলিওৱা, এই চেকুৰাবোৰ বাঁহৰ চুঙাত ভৰাই তাত ৰহ দি জুইত পগাই লদা কৰা। শামুকৰ খোলাত এই লদা সোণ নাহৰ খৰিৰে জাল দি তপতোৱা। তেতিয়া ওলাই পবিত্ৰ আচল সোণ।

বহুত সোনোৱালে এনেদৰেই বালিৰ পৰা সোণ কমায়। এজন খেলদাৰ বৰুৱাৰ তলত এজন ওজা, ওজাজনৰ তলত এক গোট সোনোৱাল পাইক। দহ হেজাৰৰ পৰা কুৰি হেজাৰলৈকে সোনোৱাল পাইকে এনেকৈ সোণ কমায়। বছৰি গাই পতি ৰজাঘৰত এক তোলাকৈ সোণ দিব লাগে। তাৰ উপৰিও যি কমাব পাৰে, সেইয়া সোনোৱালৰ নিজৰ।

পৰ্বতৰ নামনিৰ নৈৰ বালিৰ পৰা সোণ কমোৱাৰ নিয়ম কিছু সুকীয়া। পৰ্বতৰ ওপৰৰ পৰা হৰহৰাই পানী তললৈ নামি আহে। একো ঠাইত একোটা কুৰ বা কুণ্ড যেন গাঁত হয়। সেই কুণ্ডৰ পৰা যি ফালে পানী বৈ যায় তাৰ একাঠুৱা দ পানীত চাৰিটা খুটি মাৰি, এখন উদৰ ছাল পানীত পাতি দিয়ে, এবেলাৰ মূৰে মূৰে উদৰ ছালখন পানীৰ পৰা তুলি অনা হয়। বালি লাগি থকা সেই ছালখন ডলাত শুকায়। শুকালে ছালখন ডলাৰ ওপৰত জোকাৰি দিয়ে। পানীবোৰ ডলালৈ পৰি যায়। উদৰ ছালৰ নোমত সোণৰ চেকুৰাবোৰ লাগি ৰয়। সেই চেকুৰাবোৰ এৰুৱাই সেইবোৰ একেঠাই কৰি চুঙাত ভৰাই, জুইত পগাই, সোণ উলিওৱা হয়।

চুটিয়া আৰু কছাৰী মানুহেই প্ৰধানকৈ সোনোৱাল পাইক হিচাপে কাম কৰে। কাতিমাহৰ পৰা বহাগ মাহলৈকে খৰালিৰ ছমাহ সোনোৱাল পাইকবোৰে নৈৰ বালিৰ পৰা সোণ কমায়। বাৰিষা নৈৰ পানী বাঢ়ে। বালি তল পৰে, সোণ কমোৱা কাম বন্ধ থাকে। এই ছমাহৰ ভিতৰত কমোৱা সোণৰ ভিতৰৰে এতোলাকৈ বা অতি কম হলে আধাতোলাকৈ



প্ৰতিটো সোনোৱাল পাইকে ৰজাঘৰত দিব লাগে। সিহঁতে মাটিৰ খাজানা দিব নেলাগে।

হাজাৰ হাজাৰ মানুহ খৰালি কালত এনেদৰে নৈৰ সোণ কমোৱা কামত লাগি থাকে।

সোনোৱাল পাইকে ছয় সাত মাহে খাটি কমোৱা সোণৰ সৰহখিনি ৰাজ ভঁড়াললৈ গৈছিল। সকলো কালতে, সকলো দেশতে সোণৰ আদৰ আছিল, এতিয়াও আছে। মধ্য যুগত এতোলা সোণৰ দাম আঠ টকাৰ পৰা ন টকা আছিল। সোণ নজহে নপমে। পুৰণিলেও বেছি উজ্জ্বলহে হয়। যিমানে সোণ পুৰণি হয়, সিমানে সোণৰ মূল্য বাঢ়ে।

বৰ লুইতৰ দুয়ো পাৰে; বিশেষকৈ উজনিত চুটিয়া ৰাজ্য, আহোম ৰাজ্য, কছাৰী ৰাজ্যত সোণ কমোৱাটো খেতিৰ দৰেই এটা নিয়মীয়া বৃত্তি আছিল। নগায়ো সোণ কমাইছিল। ৰজাঘৰীয়া সোণেৰে, ৰজা-ৰাণী, ৰাজকোঁৱৰ-ৰাজকুঁৱৰীৰ আৰু ৰজাঘৰৰ আপোন পৰিয়াল আৰু উচ্চ ৰাজবিষয়াৰ পৰিয়াল আদিৰ সকলোৰে কাৰণে নানা অলংকাৰ গঢ়োৱা হৈছিল। কোনো বিশেষ কামত পাৰদৰ্শিতা দেখুৱাৰ কাৰণে কোনো কোনো লোকক সোণৰ বৰৈ আদি দি পুৰস্কৃতো কৰা হৈছিল —ৰজাঘৰৰ ফালৰ পৰা।

ইয়াৰ উপৰি সোণৰ দেৱ-দেৱীৰ মূৰ্ত্তিও সজা হৈছিল। চুটিয়া ৰজাৰ সোণৰ হাতী, সোণৰ মেকুৰী, সোণৰ তিনিচুকীয়া সিংহাসন, সোণৰ কাঁহী-বাটি জনাজাত আছিল। আহোম ৰজাসকলৰ ৰাজ্য আৰু প্ৰভাৱ প্ৰতিপত্তি সম্প্ৰসাৰিত হোৱাৰ লগে লগে বিভিন্ন অঞ্চলৰ পৰা ৰাজ-ভঁড়াললৈ বহুত সোণো আহিছিল। হিমালয়ৰ পৰা নামি অহা নৈবোৰৰ বালিত সোণ সৰহকৈ পোৱা গৈছিল। সেই দেখি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সোণৰ আদান-প্ৰদান আৰু ব্যৱসায় অধিক আছিল। নৰা ৰাজ্য, খামটি ৰাজ্য, ভোট ৰাজ্যৰ পৰা ৰজাঘৰলৈ সোণ আহিছিল। নামনিৰ ঢিং, চটিয়া আদি ঠাইৰ পৰাও ৰজা ঘৰলৈ সোণ আহিছিল।

নৈবোৰত সোণ পোৱা গলেও, ৰূপ পোৱা নগৈছিল। নৈৰ বালিত ৰূপ নেথাকে, থাকে কোনো কোনো ঠাইৰ এক বিশেষ মাটিত মিহলি হৈ।

এই মাটিক বোলা হয় ৰূপ-মাটি। ৰূপ কমায় ৰূপোৱাল খেলৰ মানুহে। সৰু কছাৰী আৰু মৰঙীয়াল কছাৰী মানুহেৰে গঠিত কৰা হৈছিল ৰূপোৱাল খেল। এই ৰূপোৱাল খেলৰ মানুহবোৰে গাৰো, খাছীয়া পাহাৰৰ নামনিৰ পৰা, মান দেশৰপৰা, ৰেখামতি দেশৰ পৰা 'ৰূপ-মাটি' আনে। মানদেশৰ পৰা ৰূপ-মাটি অনাৰ ভাৰ জয়পুৰ, শদিয়া আৰু চৈখোৱাৰ কছাৰী আৰু চুটিয়া ৰূপোৱালৰ।

ৰূপোৱাল খেলৰ কাম বৰ শ্ৰমসাধ্য। দূৰ দূৰ ঠাইৰ পৰা সোণৰ জোখেৰে—৫০০ মোণ, ৩০০ মোণ—এনেধৰণে ৰূপ-মাটি বিচাৰি খানি, কাঢ়িয়াই আনিব লাগে। ৰূপ-মাটি ৰূপৰ খনিৰ পৰা খানি উলিয়াব লাগে। ৰূপৰ মহীত ৰূপ-মাটি পগাই চটা চটা কৰি থব লাগে। চালনিৰে চালি ৰূপৰ চেকুৰা উলিয়াব লাগে, সোণ কমোৱাতকৈ ৰূপ কমোৱাটো আছিল অধিক কষ্টকৰ, অথচ সোণতকৈ ৰূপৰ মূল্য কম।

অতি প্ৰাচীন কালৰ পৰা সোণ আৰু ৰূপ মূল্যবান বস্তু বুলি স্বীকৃত হৈ আহিছে। মনকৰিবলগীয়া কথা, খনিৰ পৰাই হওক, নৈৰ বালিৰ পৰাই হওক, মানুহে সোণ চিনি পোৱাৰ দিন ধৰি আজিলৈকে যিমান সোণ গোটোৱা হৈছে, তাৰ কোনো ক্ষয় ক্ষতি হোৱা নাই। ক'ৰবাত হেৰালেও সোণ য'তে নেথাকক সোণ হৈয়ে আছে। জুইত পুৰিলেও সোণ নষ্ট হৈ নেযায়। সোণৰ মূল্য চিৰস্থায়ী।

সোনোৱালে সোণ কমাই, গোটাই দিয়াটোৱেই শেষ কথা নহয়। গোটা সোণ, পটা সোণ যিয়েই নহওক তাৰ পৰা কিবা গঢ়িব লাগে—এই দুমূৰ্ল্য পদাৰ্থৰ ৰূপান্তৰ ঘটাই ইয়াক আৰু মূল্যবান কৰি তুলিব লাগে।

সেই কাম সোনোৱালৰ নহয়। সেই কাম সোণাৰীৰ। সোণৰ আৱিষ্কাৰৰ লগে লগে সোণাৰী কাম কৰা এক বৃত্তিয়াল শ্ৰেণীৰ উদ্ভৱ হ'ল—পৃথিৱীৰ সকলো দেশতে। এই সোণাৰীসকলেই গঢ়িলে সোণৰ দেৱ-দেৱীৰ প্ৰতিমা, সেই প্ৰতিমাৰ কাৰণে সোণৰ সিংহাসন, সেই মূৰ্ত্তি প্ৰতিমাৰ আগত পূজা অৰ্চনা কৰিবৰ কাৰণে সোণৰ পাদ্য, অৰ্ঘ্য, কৰ্ণি, মন্দিৰৰ কলচী সোণৰ পাতেৰে বন্ধোৱা হ'ল। ৰজাৰ ৰাজ অট্টালিকা,



ৰাজ অন্তেষপুৰ সজোৱা হ'ল সোণালী ৰূপালী সিংহাসন, খাট, পালেং, সোণৰ কাঁহী-বাটি, পান-পাত্ৰ, মূল্যবান ধৰ্ম্মশাস্ত্ৰ, পুথি-গ্ৰন্থ লিখিবলৈ ব্যৱহাৰ কৰিলে সোণৰ পানী, সোণৰ মহীৰে চিত্ৰকৰে আঁকিলে সোণালী চিত্ৰপট। দেৱতাৰ পৰা মানুহলৈ, দেৱ মন্দিৰৰ পৰা মানুহৰ ঘৰলৈ সকলোতে অলংকাৰ শ্ৰেষ্ঠতম সাগগ্ৰী হ'ল—সোণ আৰু ৰূপ।

স্বৰ্ণকাৰসকল, সোণাৰীসকল অতি সূক্ষ্ম সৌন্দৰ্য্যবোধ সম্পন্ন কলাকাৰ কাৰিকৰ, ৰূপস্ৰষ্টা। তেওঁলোক উৎকৃষ্ট সজাওতা। এই কামৰূপৰ সোণাৰী সকলৰ প্ৰতিভাও সামান্য নাছিল। সোণাৰীৰ বৃত্তি ক্ৰমে বংশানুক্ৰমিক হৈ আহিল। সোণাৰীৰ ল'ৰাই পিতৃৰ পৰা সোণৰ আ-অলংকাৰ গঢ়োৱাৰ বিদ্যা শিকি লয়। গতানুগতিক আকাৰ-প্ৰকাৰৰ গহনা গঢ়োৱাৰ উপৰিও নিজস্ব উদ্ভাৱিকা শক্তি খটুৱাই নতুন আকাৰৰ আঁচনি গঢ়ে। তাৰ নতুন নাম দিয়ে। সোণ-ৰূপৰ পানী চৰায়, মিনা কৰায়। সোণাৰীৰ হাতৰ অকণমান হাতুৰীটোৱে গঢ়ি যায় চালে চাই থাকিবৰ মন যোৱা সোণ-ৰূপৰ ফুল পাত, মাছ, চৰাই আৰু ক'ত কি!

পশ্চিমৰ পৰা অহা মুছলমান সোণাৰীয়েও লগত আনিলে উত্তৰ ভাৰতৰ, ইজিপ্ত, পাৰস্যৰ সোণ-ৰূপৰ অলংকাৰৰ নতুন নতুন চানেকি। অসমৰ ৰজা-ৰাজবিষয়া, ডা-ডাঙৰীয়াৰ জীয়াৰী বোৱাৰীৰ কাণ, নাক, ডিঙি, হাত, বাহু, কঁকাল, ভৰি, আঙুলি, চুলি আৰু পিন্ধা কাপোৰতো ঠাই পালে সোণ আৰু ৰূপে, নানান বিচিত্ৰ অলংকাৰে।

ৰজাৰ সিংহাসন, চন্দ্ৰতাপ, ৰাজদণ্ডত সোণ-ৰূপ খুৱায়ে ক্ষান্ত নেথাকি, তৰোৱালৰ নালত, তৰোৱালৰ ফাঁকত, বন্দুক বৰটোপৰ গাত, লাখুটিত, কাকৈ ফণীৰ নালত, আনকি ৰূপৰ তামোল খুন্দা খুন্দনাৰ নালতো সোণ-ৰূপ খটাইছিল!

মাইহাং, ভোগজৰা, মৈৰাজৰা, সঁফুৰা, তাওকিন, বেৰা, শৰাই, বটা, বাটি, কাঁহী, সোণৰ চৰিয়া, সোণৰ পানী চৰোৱা লোটা, আদিয়েই সোণ-ৰূপেৰে অলংকৃত হৈছিল এনে নহয়; দাঁত খৰিকা, গা-খজুউৱা হাত, ধোঁৱা খোৱা, চিলিম আদিতো সোণৰ পানী চৰোৱা হৈছিল। পাটৰ

কাপোৰত সোণ-ৰূপৰ গুণাৰে ফুল বছা হৈছিল। মুছলমান শিপিনীয়ে কাপোৰত সোণৰ ৰূপৰ গুণাৰে কাৰ্চিপ কৰি নানা ফুল তুলিছিল। জৰীৰ (জৰী-সোণ) কাপোৰ তৈয়াৰ কৰিছিল। ইয়াৰ সোণাৰীয়ে সোণৰ পাটী, সোণৰ জাপি, ছাতিও সাজিছিল।

অসমৰ জীয়াৰী বোৱাৰীয়ে গোলাপ, তগৰ, খৰিকাজাই, চৌনিচম্পা, চুলিত গুজি নিজৰ দেহাৰ ৰূপ চৰোৱাতে ক্ষান্ত নেথাকিছিল। তেওঁলোকৰ কাৰণে সোণাৰীহঁতে গঢ়িব লগা হৈছিল নানা অলংকাৰ-পাতি—মূৰৰ, কপালৰ, নাকৰ, কাণৰ, ডিঙিৰ, হাতৰ, বাহুৰ, আঙুলিৰ গোটেই দেহাটোৰ।

নিজৰ দেহাটো শোভনীয় আৰু লোভনীয় কৰি পুৰুষ নাৰীৰ আৰু নাৰী পুৰুষৰ আকৰ্ষণৰ যোগ্য হ'বৰ কাৰণে বন্য জীৱন কটোৱা আদিম যুগৰে পৰা নিজৰ শৰীৰটোক নানা প্ৰকাৰে সজাই পৰাই ৰাখিছিল। গছ পাতৰ ৰস চেপি খুন্দি, তাৰে গাৰ ছালৰ ওপৰত জিলিকি থকা কিবা ৰং তৈয়াৰ কৰি চিতৰা পখৰাকৈ গাত কিবাকিবি আঁকি লৈছিল। দেহাৰ ভিতৰটো মানুহে নেদেখে, গাৰ বাহিৰটোহে দেখে। গাৰ ছালখন কোমল, মিহি আৰু দেখনিয়াৰ কৰি ৰাখিবৰ কাৰণে আদিম আৰণ্যক মানুহে গৰুৰ শুকান গোবৰ পুৰি, ছাই উলিয়াই গৰুৰ মুত আৰু তেলৰ লগত মিহলাই গাত সানিছিল, নাইবা গাৰ ছালৰ বৰণ ঠিক ৰাখিবলৈ আলতীয়া মাটি বোকা কৰি গাত ঘঁহি লৈছিল। চকু মুখতো বোকা মাটিৰ লেও সানি লৈছিল।

খেতি কৰি আহাৰ উৎপাদন কৰি খাব নজনা দিনত অৰণ্যবাসী তিৰোতাবোৰে হাবিত গছৰ ফল-মূল, খাব পৰা শিয়া-পাত আদি বিচাৰি ফুৰিছিল। মতাবোৰে বনৰীয়া জন্তু, চৰাই, সাপ, কাছ আদি চিকাৰ কৰি সেইবোৰৰ মঙহ খাইছিল আৰু জন্তুৰ ছাল, হাড়, নখ, দাঁত আদি আৰু চৰাইৰ নানা বৰণীয়া পাখি আদি বীৰত্ব আৰু পৌৰুষৰ চিন স্বৰূপে প্ৰদৰ্শনীৰ বস্তু কৰি ঘৰত গোটাই ৰাখিছিল, আৰু তাৰে কিছুমান বস্তু অঙ্গশোভাৰ আহিলা হিচাপে ডিঙিয়ে, মূৰে, গায়ে হাতে আঁৰি ওলোমাই লৈছিল। কিছুমান এনে অলংকাৰ ভিতৰে-বাহিৰে, দিনে-



ৰাতিয়ে পিন্ধি থকাৰ সুচল কৰিবৰ কাৰণে কাণ, নাক, ওঁঠত ফুটা কৰি লৈছিল, আৰু তাত জন্তুৰ দাঁত, হাড় আদি ওলোমাই পিন্ধিছিল। অলংকাৰ কৰি পিন্ধা দাঁত, হাঁড়, নখ আদি চিকাৰী পুৰুষৰ দৈহিক শক্তি আৰু বীৰত্বৰ পৰিচায়ক আছিল। তিৰোতাবোৰেও চৰাইৰ পাখী, জন্তুৰ সৰু হাড় আদি নাক-কাণৰ ফুটা আৰু চুলি আৰু কাপোৰত গুজি লৈছিল আৰু চৰাইৰ পাখী হাততে ৰচিৰে বান্ধি লৈছিল। কাঠ বাঁহৰ পৰা কাটি উলিওৱা শলা, থুৰীয়া আদি কৰি পিন্ধিছিল।

তাৰ পিছত ওলাল কাঁহ, পিতল, লো, তাম, সোণ, ৰূপ আদি। কৰি ল'ব জানিলে এইবোৰৰ ৰং চকচকীয়া হয়। যি অঙ্গৰ কাৰণে যেনে আকাৰ-প্ৰকাৰৰ অলংকাৰ লাগে, তেনেকৈ গঢ়ি লব পৰা হয়। ধাতুৰ অলংকাৰ পিন্ধি আকৌ সোলোকাই থব পাৰি, এজনৰ অলংকাৰ আন এজনক পিন্ধিবলৈ দিব পাৰি, ধাতুৰ অলংকাৰ ভঙাই গলাই অন্য ধৰণৰ অলংকাৰ গঢ়াই ল'ব পাৰি। মতাৰ অলংকাৰ বেলেগ কৰিব পাৰি, তিৰোতাৰ অলংকাৰ বেলেগ কৰিব পাৰি।

একালত আকাৰত ডাঙৰ হোৱাটো ডাঙৰ হোৱাৰ লক্ষণ আছিল আৰু তেনে ডাঙৰ বস্তুৱে বৈশিষ্ট্যৰ সাক্ষ্য বহন কৰিছিল। যিয়ে যিমান সৰহকৈ আৰু যিমান ডাঙৰ আকাৰৰ গহনা বা অলংকাৰ পিন্ধে সিয়ে সিমান ডাঙৰ বা বিশিষ্ট বুলি গণ্য হৈছিল। থুৰীয়া পিন্ধা কাণৰ ফুটাৰ পৰিধিয়ে কিমান ডাঙৰ থুৰীয়া পিন্ধা হৈছিল তাৰ ধাৰণা দিয়ে—'অভ্যাসে নব, কৰ্ণপথে কৰে শব'। কথাষাৰে বুঢ়ী মানুহৰ অলংকাৰৰ প্ৰতি থক থকা কথাটোক উপলুঙা কৰা হৈছে—এনেদৰে—

> লাহত ৰূপ চৰায়,
> ভগা পিতলৰ কঁড়িয়া গঢ়াই,
> দুকাণে লৰ-ফৰায়।

ঠাট্টা বিদ্ৰূপ স্বত্বেও গহনাৰ প্ৰতি, অলংকাৰৰ প্ৰতি আমাৰ তিৰোতা সকলৰ হেপাহ কাহানিও কমা নাই। জন্তুৰ হাড়, চৰাইৰ পাখী আদি অলংকাৰ ৰূপে পিন্ধাৰ ৰীতি সলনি হৈ আহিছে যদিও ধাতু আৰু

মূল্যবান পাথৰৰ অলংকাৰ পিন্ধাটো এক উন্নততৰ সংস্কৃতিৰ পৰিচয় বুলি এতিয়াও পৰিগণিত হয়।

অসমীয়া সোণাৰীৰ দক্ষতা আৰু সূক্ষ্ম কাৰুকাৰ্য্য খটাই অলংকাৰ গঢ়াৰ পৰা অভিজ্ঞতা আৰু শৈলী সৰ্ব্বজন স্বীকৃত। বহু ক্ষেত্ৰত অন্য ঠাইৰ সোণাৰীৰ গহনা তৈয়াৰ কৰা পদ্ধতিৰ মিল থাকিলেও কিছু অমিল আৰু বিশেষত্বও আছে। সাধাৰণতে অসমীয়া সোণাৰীয়ে সোণত তামৰ সলনি ৰূপহে মিহলাইছিল। বিৰি, গেজেৰা, থুৰীয়া, আদিৰ নিচিনা ভিতৰ ফোপোলা গহনাবোৰৰ ভিতৰুবোৰ বালি, লা' আদিৰে পূৰ কৰা হৈছিল।

বহুত পুৰণি কালৰ পৰা অসমৰ সোণাৰীয়ে যিবোৰ অলংকাৰ গঢ়াইছিল তাৰ ভিতৰত এইবোৰৰ উল্লেখ কৰিব পাৰি ঃ

লোকাপাৰ, কেৰু, মতামণি, বিৰি, আঙঠি, গামখাৰু চিতিপাতি, মাকৰি, কণ্ঠী, গলপতা, মণি, চিপাতমণি, মটৰমণি, সাতসৰী, ডুগডুগি, জোনবিৰি, গেজেৰা, ঢোলবিৰি, নাকফুল, নথ, নলক, মুঠিখাৰু, খুচুৰীয়া খাৰু, গোটাখাৰু, মোহৰ ৰাতা, বাখৰপতোৱা, শেলপতা, জেঠি নেজীয়া, ম'ৰা নেজীয়া আঙঠি, কৰধনি, ভৰিৰ খাৰু, পাজোপা, কাণথাচা, চাৰিপটীয়া ডলা, পেচন্দাৰ, কাণফুল বা কৰ্ণফুল, চন্দ্ৰহাৰ, পয়জাৰ আদি।

ভাটিৰ ফালৰ দিল্লী, লক্ষ্ণৌৰ ফালৰ সোণ-ৰূপৰ অলংকাৰৰ আহি আৰু অলংকাৰো আহি কামৰূপ ৰাজ্যত জনপ্ৰিয় হৈ পৰিছিল। শিৰপেছ বা চিৰপেছ, লংকণ, চি-পাটি বা চিতিপাতি ( চি-তিনি, তিনি ধৰীয়া সোণৰ মণি ), হাৰ, মগৰদানা আদি পশ্চিমীয়া গঢ়ৰ অলংকাৰেও আহি কামৰূপৰ জীয়াৰী বোৱাৰীৰ গা শুৱাইছিল। সাধাৰণতে ৰজা, ডা-ডাঙৰীয়া, ধনী আৰু সম্ভ্ৰান্ত লোকসকলৰ ঘৰতেই অলংকাৰৰ পয়োভৰ আছিল বেছি।

এইখন সোণৰ দেশ, এইয়া সোণৰ নৈ ব্ৰহ্মপুত্ৰ, সোৱণশিৰী, কপিলী ...সোণ আৰু সোণ।





বৰদোৱাৰ গা চুই বৈছে লুইত। ৰা সুঁতি। লুইত নহলে লুইতপৰীয়া গাঁৱৰ তৰিবৰ উপায় নাই। মাহ-পুঠি, বাঁহ-বন, গছ-বিৰিখ সকলোৰে জীৱ লুইতৰ পানীটোপা। খৰালি বৰনৈৰ পানী শুকায়, পানী ফটিক ধাৰ যেন হয়, তলিলৈকে দেখি। বাৰিষা ফেনে-ফোটোকাৰে উপচি পৰে. পাৰ উপচি বয়, গৰা খহায়, গাঁও বুৰায়, গৰু-ছাগলী, ঘৰ-বাৰী উটাই নিয়ে। পালে মানুহো নেৰে। বাৰিষাৰ লুইত ভয়াল, উত্তাল, কাঁড় যোৱাদি সোঁত বয়। দুয়োপাৰৰ জান-জুৰি উপনৈ-বোৰে লুইতক পানীৰ যোগান ধৰে। আকাশৰ মেঘৰ বুকুৰ পৰা পানীৰ টোপাল সৰে, সেয়ে নিগৰি-বাগৰি গোট খাই দ'ৰ ফালে বাট উলিয়াই বৈ যায়। পথাৰৰ লোৰেদি পানী বৈ গৈ পৰেগৈ টেম্বুৱা জানত। টেম্বুৱাই নি পানী দিয়েগৈ লুইতৰ ৰা সুঁতিত।

পিছে বাৰিষা লুইতৰ বুকেদি নামি আহে হিমালয়ৰ বৰফ-গলা পানীৰ ধাৰ। ভোটৰ পৰ্ব্বত, অঁকা পৰ্ব্বত, ডফলা পৰ্ব্বত, দিহিং, দিচাং, দিখৌ—সকলোৰে পানী একাকাৰ হৈ একেধাৰ হৈ লুইতৰ বুকেদি নামি আহে হৰু-হৰু, গৰু-গৰু কৰি। দুয়ো পাৰৰ গৰাই ৰাখিব নোৱাৰে। লুইতৰ পানী সোমায় টেম্বুৱাণিলৈ। টেম্বুৱাণিৰ সোঁত উভতি বয়। টেম্বুৱাণিৰ পাৰ বুৰে, পাৰৰ ৰাইজৰ বাৰী-ঘৰত সোমায়, খেতি শইচ নষ্ট কৰে। বামুণৰ গাঁও, শুদিৰৰ গাঁও, নদীয়াল, মাছমৰীয়াৰ গাঁও—ভূঞাৰ গাঁও সকলোতে টেম্বুৱাণি জানৰ পানী সোমাই অনিষ্ট কৰে। গৰু-গাইৰ ঘাঁহ-বন পানীৰ তলত পচে।

চামধৰাৰ পৰা কপিলীমুখলৈ, শিঙৰীৰ পৰা বৌতালৈ টেম্বুৱাণিৰ

এইছোৱা পাৰ ওখকৈ নেবান্ধিলে বাৰিষা সদায় ভাঙে। টেম্বুৱাণিয়েদি বৈ অহা ওভতা সোঁতে গাঁও বুৰায়, ৰাইজৰ হাৰাশাস্তি হয়।

বছৰি-বছৰি হোৱা টেম্বুৱাণিৰ পানীৰ উপদ্ৰৱৰ পৰা পাৰৰ গাঁও বচাব লাগে, তাৰেই এটা ব্যৱস্থা কৰিবৰ কাৰণে ওচৰ-পাজৰৰ ৰাইজ গোট খাইছে।

বাৰে-বাৰে টেম্বুৱাণিৰ পাৰত মথাউৰি বান্ধে, বাৰে বাৰে ভাঙে। বাৰে বাৰে নৈ বান্ধিব লাগে। তাৰ দিহা স্থায়ীকৈ, নৈয়ে ভাঙিব নোৱাৰাকৈ নৈ বান্ধিব লাগে। তাৰ দিহা কৰিবলৈকে, আলচ-বিলচ কৰিবলৈকে গোট খাইছে ওচৰৰ গাঁৱৰ কেতাই খাঁ, বুঢ়া খাঁ, ৰামখাঁ, হৰিখাঁ, গাভৰুখাঁ, শ্ৰীৰামখাঁ, হৰামখাঁ, ৰূপখাঁ, বিৰমখাঁ, শ্ৰীহৰিখাঁ—আৰু অন্যান্য গঞা ৰাইজ। বাৰভূঞাহঁতে গাঁৱৰ মানুহ লগত লৈ গোজ পুতি, ধামচ'তি খুৱাই মাটি দি ভেটা মাৰে, নৈৰ পানীয়ে ভেটা উটাই লৈ যায়। ৰাইজ হাৰাশাস্তি হয়। কি কৰিলে ভেটা ৰ'ব তাৰেই চিন্তা কৰে।

লুইতত দেও আছে নে টেম্বুৱাণিৰ সোঁতত দেও আছে কোনে জানে? বামুণ গাঁৱৰ বামুণ, পণ্ডিত সকলকো মাতি অনা হ'ল। আৰু শংকৰদেৱকো ৰাইজে তাতৈ মাতি আনিলে। শিৰোমণি ভূঞা ডেকাগিৰীয়ে নিশ্চয় কিবা দিহা বুধি দিব। পিছে নৈ বান্ধি ভেটা এজনৰ কাম নহয়। বামুণ গাঁৱৰ বামুণ সকলৰো দিহা পৰামৰ্শ আশীৰ্বাদৰ দৰকাৰ। বহুত আহিল—অনন্ত কন্দলি, মহেন্দ্ৰ কন্দলি, গোবিন্দ মিশ্ৰ, খৰা মিশ্ৰ, অৰা মিশ্ৰ, গৰা মিশ্ৰ, চন্দ্ৰ সৰস্বতী, ৰাম সৰস্বতী, সন্ধি সৰস্বতী, ঠেঙাল সৰস্বতী, দুয়োজনা বাগী ভট্টাচাৰ্য্য, হৰি ভট্টাচাৰ্য্য, চন্দ্ৰ খড়ি, সূৰ্য্য খড়ি, বিজয় খড়ি, ৰত্ন খড়ি, ৰত্ন ভাৰতী, তৰ্কবাগীশ, ভানুবাগীশ, কবিৰত্ন, বিদ্যাৰত্ন, হেমৰত্ন, পঞ্চৰত্ন, আৰু অন্যান্য বিশিষ্ট ব্ৰাহ্মণ সকলো আহি টেম্বুৱাণিৰ পাৰত গোট খালেহি। কেনেকৈ স্থায়ীভাৱে টেম্বুৱাণিৰ বান্ধ বন্ধা যায় তাৰে আলোচনা চলিল।

বাৰে বাৰে বান্ধে, বাৰে বাৰে ভাগে। এইবাৰ বামুণ, শূদিৰ, কায়স্থ, কৈৱৰ্ত—সকলো ৰাইজ একমুঠ হৈছে। এইবাৰ কিবা এটা হ'বই হ'ব।

শংকৰদেৱে সমজুৱাক ক'লে, "তুমি আমি বান্ধি টেম্বুৱাণিৰ বান্ধ



ৰাখিব নোৱাৰিলো, ভেটা ৰাখিব লাগিলে এগৰাকী সতী শান্তিয়ে বান্ধিব লাগিব। এই কামৰ কাৰণে এগৰাকী শান্তি অনাওক। সতীয়ে বান্ধক টেম্বুৱাণিৰ বান্ধ।"

শংকৰদেৱৰ কথা শুনি অন্যান্যসকল নিৰৱ হ'ল। তেওঁলোকৰ চিন্তা হ'ল। আমাৰ ঘৰত জানো সতী শান্তি আছে?

শংকৰদেৱৰ কথাত ব্ৰাহ্মণসকল কিন্তু নিৰুৎসাহ নহ'ল। তেওঁলোকে উল্লাসেৰেই ক'লে, "আমাৰ ঘৰে ঘৰে সতী শান্তি আছে। কালিলৈকে লৈ আহিম। আমি পুৰুষবোৰে বান্ধ ৰাখিব নোৱাৰিলো। এতিয়া শান্তি তিৰোতাই ৰাখক।"

শংকৰদেৱে ক'লে, "সতী শান্তিয়ে পল'ৰে একো পল' পানী আনি বান্ধত দিব লাগিব, তেহে ভেটা ৰ'ব।"

ব্ৰাহ্মণসকলে সেই কথাত ভয় নেখালে। প্ৰত্যেকৰে গৃহিণীসকল একো গৰাকী সতী। কালিলৈকে তেওঁলোক আহি পল'ৰে পানী আনি জান বান্ধিবহি। কিহৰ চিন্তা? পানীৰেই বান্ধক, মাটিৰেই বান্ধক, এগৰাকী সতীয়ে বান্ধিব লাগে—সেয়ে আচল কথা।

ৰাইজ সেইদিনা মেল ভাঙি ঘৰা ঘৰি গ'ল।

ঘৰ পাই ব্ৰাহ্মণসকলে তেখেত সকলৰ পত্নীসকলক আলচৰ কথা বিবৰি ক'লে: "জান বান্ধিবলৈ সতী শান্তি লাগে।"

কথা শুনি ব্ৰাহ্মণৰ পত্নীসকলে ক'লে, "ময়ে যাম, ময়ে পাৰিম। তাৰ কাৰণে কোনো চিন্তা কৰিব নেলাগে।"

পিছে যেতিয়া কোৱা হ'ল যে পল'ৰে একো পলকৈ পানী আনিব পাৰিলেহে সতী শান্তি বুলি প্ৰমাণ হ'ব। তেতিয়া বামুণনীসকল কোঁচ খালে। প্ৰকৃত সতী নহ'লে, সত্যে সত্যে পতিব্ৰতা নহ'লে, পল'ৰে পানী অনাৰ নিচিনা অসাধাৰণ কাম কৰিব পৰা নেযাব।

পত্নীসকলৰ অৱস্থা দেখি ব্ৰাহ্মণসকল লাজে-অপমানে অধোমুখ হ'ল। ঘৰে ঘৰে সাধ্বী, সতী থকা বুলি যি অহংকাৰ আছিল সি খৰ্ব্ব হ'ল।

পিছদিনা।···

সতীয়ে পল'ৰে পানী আনি টেম্বুৱাণি জান বান্ধিবহি বুলি জনাজনি

হৈছে। আগ দিনাতকৈও অধিক মানুহ জমা হৈছে টেম্বুৰাণি জানৰ পাৰত। পুৰুষ সকল আহিছে—ভূঞা আহিছে, তৰ্কবাগীশ আহিছে—শংকৰদেৱো আহিছে—পিছে কোনো সতী শান্তি নাই। আগদিনা 'শান্তি আনি জান বন্ধাম বুলি কৈ যোৱা ব্ৰাহ্মণসকল সকলো অধোমুখ।

ইপিনে কোনোবা সতী শান্তিয়ে নেবান্ধিলে অইনে টেম্বুৰাণি জানৰ বান্ধ বাখিব নোৱাৰে। এতিয়া কি উপায় কৰা যায়?

যি সকলে ঘৰে ঘৰে সতী শান্তি আছে বুলি আনন্দ অহংকাৰেৰে গৃহস্থালি কৰি আছিল, পৰীক্ষাৰ সময়ত তেওঁলোকৰ দাম্পত্য জীৱনৰ স্বৰূপ ওলাই পৰাত তেওঁলোক লজ্জাত অধোমুখ হ'ল। কাৰো মুখলৈ কোনেও চাব নোৱাৰা অৱস্থা হ'ল।

তেনে সময়তে ব্ৰহ্মপুত্ৰইদি নাও এখন উজাই গৈছিল। সেই নাৱত আছিল এহাল কৈৱৰ্ত দম্পতি—পূৰ্ণানন্দ আৰু যোগমায়া। যোগমায়াক ৰাধিকা বুলিও মাতে। নৈৰ পাৰত মানুহৰ জুম দেখি যোগমায়াই পূৰ্ণানন্দক সুধিলে, "ইয়াত ইমান মানুহ কিয়বা গোট খাইছে ক'ব পাৰানে?"

পূৰ্ণানন্দই ক'লে, "টেম্বুৰাণি জান বান্ধিবলৈ হেনো শান্তি লাগে। তাৰ কাৰণেই ৰাইজ গোট খাইছে।"

"কাৰোবাক পাইছে বা নাই পোৱা?" যোগমায়াই ক'লে, "ময়ে যাওঁনে? ময়ে শান্তি জানোছা।"

পূৰ্ণানন্দই ভেকাহি মাৰি ক'লে "হেৰ', আমাৰ নিচিনা নীহকুলীয়া কৈৱৰ্তৰ, তিৰোতাৰ শান্তি বোলাবলৈ তোৰ ইমানে সাহ নে? মনে মনে থাক, কোনোবাই শুনিব।"

পিছে মনে মনে নেথাকি যোগমায়াই ক'লে, "কোনো দিন নিজৰ স্বামীৰ বাদে আনৰ মুখলৈ চকু তুলি নোচোৱা জনীয়েই যদি সতী, পৰ-পুৰুষলৈ কাহানিও মন নিদিয়া জনীয়েই যদি সতী হয়, তেন্তে মইনো সতী নহম কিয়? তোমাৰ বাহিৰে অন্য কোনো পুৰুষৰ মুখলৈ চোৱাহে নেলাগে, ছাঁটোলৈও কোনোদিন চোৱা নাই, নীহকুলীয়া হলো বুলি, মই শান্তি হ'ব নেপায়নে?"



নাওখন গৰাৰ কাষে কাষে গৈ আছিল। পাৰৰ মানুহে পূৰ্ণানন্দ আৰু ৰাধিকাৰ কথা শুনিলে। সিহঁতৰ কথা টং কৰি আছিল বলদা মুদৈয়ে। সি গৈ সিহঁতৰ কথা ৰাইজক কলেগৈ। শংকৰদেৱে সিহঁতক ওপৰলৈ মতাই নিয়ালে—ৰাইজৰ মাজলৈ।

শংকৰদেৱে ৰাধিকাক ক'লে, "বাৰু, তই আজি ঘৰলৈ গৈ ব্ৰতে উপবাসে থাকগৈ। কাইলৈ আহিবি।"

পিছদিনা যথাসময়ত ৰাধিকা আহিল।

শংকৰদেৱে ৰাধিকাক ক'লে, "তোৰ কথা শুনিলো। এই সাজ নতুন কাপোৰ ল। তাকে পিন্ধি এই পল'টো লৈ লুইতৰ পৰা এপল' পানী ভৰাই আনি জানৰ বান্ধত দে-হি। সতী হৱ যদি পাৰিবি, যা।"

শংকৰদেৱক সেৱা কৰি, হাতত পল' আৰু নতুন কাপোৰ সাজ লৈ ৰাধিকা নৈৰ ফালে গ'ল। পিন্ধি থকা কাপোৰ সাজ সলাই, শংকৰদেৱে দিয়া কাপোৰ সাজ পিন্ধি ৰাধিকা নৈলৈ নামিল।

উপস্থিত সকলোৰে চকু তেতিয়া নৈত-নমা সেই গাভৰু ৰোৱাৰী-জনীৰ ওপৰত। পল'টো ওপৰলৈ মুকৈ লৈ ৰাধিকাই তাত পানী ভৰালে। ফুটা ওলোৱা বাঁহৰ শলা গুঠি গুঠি সজা মাছধৰা পল'। সেই পল' পানীৰে ভৰাই ৰাধিকা পাৰলৈ উঠি আহিল।

কাণ্ড দেখি সকলো বিস্ময়ত হতবাক হ'ল। পানীলৈ আহি ৰাধিকা ৰাইজৰ সাক্ষাতত শংকৰদেৱৰ আগত বিনয়েৰে থিয় দি ৰ'লহি। পল'ৰ ভিতৰত পানী, কিন্তু কানলৈকে পূৰ নহয়, কেই আঙুল মান কম হৈ আহিছে। শংকৰদেৱৰ চকুত পৰিল। তেওঁ সুধিলে, "পানী দেখোন কানলৈকে পূৰ হৈ নাহিল? অলপ কম হ'ল, কিয়? কিবা নকৰিব-লগীয়া কাম কৰিছিলি নেকি?"

ৰাধিকাই ক'লে, "জানি-শুনি কোনো পাপ মই কৰা নাই। এদিন মোৰ গিৰিহঁত দুপৰীয়া পৰত ঘৰত নাছিল। তেওঁৰ ভনী জোঁৱাইটো আহি ওলালহি, ভাতপানী ৰান্ধি তালৈ ভাত বাঢ়িবলৈ ললো। ঘৰত কলপাত কাটি দিওঁতা তেতিয়া আন কোনো নাছিল। কলপাত কাটি আনক বুলি ময়ে কাচি এখন আনি তালৈ দলি মাৰি দিওঁতে মোৰ

গাৰ কাপোৰ খহি পৰিছিল। তেতিয়াই সি মোৰ গাৰ ফালে চালে,
ময়ো তাৰ মুখলৈ চালো, আচম্বিতে এইকণ পাপকে মই কৰিছিলো,
আৰু অন্য কোনো পাপ জানি-শুনি মই কাহানিও কৰা নাই।”
ৰাধিকাৰ কথা শুনি শংকৰদেৱে ক'লে, “আকৌ এপল' পানী, আৰু
এপল' মাটি আনি জানৰ ভেটাত দিয়াহি।”
ৰাধিকাই নিৰ্দেশমতে কাম কৰিলে। ব্ৰাহ্মণ-কায়স্থ-ভূঞা সজ্জন
সকলোৱে নানা প্ৰবন্ধে ভেটা দিও যি বান্ধ ৰাখিব নোৱাৰিছিল, কৈৱৰ্ত
কন্যা ৰাধিকা শান্তিয়ে সেই কাম সমাধা কৰিলে—সতীত্বৰ শক্তিৰে।
বংশই সতী নজন্মায়, আচৰণেৰেহে হয়।”
শংকৰদেৱে সমজুৱাক বুজাই ক'লে, “উচ্চবৰ্ণৰ হলেও চৰিত্ৰ গুণৰ
অভাৱ থাকিলে আত্মমৰ্য্যাদা ৰক্ষাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা নেযায়।
জন্মৰ কাৰণে নহয় গুণৰ কাৰণেহে মানুহ লৌকিক-অলৌকিক শক্তিৰ
অধিকাৰী হ'ব পাৰে। মানুহৰ সকলো কৰ্ম্মৰ সাক্ষী নেদেখাজনহে।
স্বামীৰ চকুত ধূলি দিব পাৰি, সমাজক ফাকি দিব পাৰি, বংশৰ যশস্যা
গাই সতী সাধ্বী বোলাই ফুৰিব পাৰি। কিন্তু সৰ্ব্বব্যাপী সৰ্ব্বদৰ্শী
ভগৱানে আমাৰ সকলো কৰ্ম্মচিন্তা প্ৰত্যক্ষ কৰি আছে। পাপৰ
পৰিণামৰ প্ৰতি সদায় সজাগ আৰু সচেতন এজনী সাধাৰণ মাছমৰীয়া
কৈৱৰ্ত তিৰোতাৰো সতীত্ব বল উচ্চ বংশজাত আন তিৰোতাতকৈ অধিক
পৱিত্ৰ হ'ব পাৰে। বংশ গৌৰৱে নহয়, চৰিত্ৰ আৰু মনৰ উচ্চতাইহে
মানুহক অতি মানৱীয় শক্তিৰ অধিকাৰী কৰে।”

শংকৰদেৱে জাতি গোষ্ঠী বিচাৰ নকৰি সমাজৰ আটাইতকৈ তলৰ নীহ বুলি চিৰদিন অনাদৃত আৰু অৱহেলিত হৈ অহা সকলৰ মাজৰ মহত্বকো অকুণ্ঠ-চিত্তে স্বীকৃতি দিছিল আৰু শ্ৰদ্ধা জনাইছিল। মানুহৰ দেহ আৰু মনৰ পৱিত্ৰতাই সমাজৰ মহৎ কাৰ্য্য সম্পাদন কৰাৰ শক্তি আৰু প্ৰেৰণা যোগায়। যোগ্যতা দান কৰে।

ৰাধিকা শান্তিয়ে পানী মাটি দি ব্ৰাহ্মণ সজ্জনে বান্ধিব নোৱাৰা টেম্বুৱাণি জান বান্ধিলে—শান্তি জান হ'ল। গাঁও ৰক্ষা পৰিল, শইচ ৰক্ষা পৰিল, আৰু তাৰ লগে লগে প্ৰতিষ্ঠিত হ'ল এক নতুন মানৱীয়



আদৰ্শ। অখ্যাত টেম্বুৱাণি জানৰ পাৰত এক অখ্যাত নাৰীয়ে সামাজিক পুনৰ মূল্যায়নৰ আৰু সামাজিক বিপ্লৱৰ এক নতুন অধ্যায়ৰ পাতনি মেলিলে।



চণ্ডীবৰ কায়স্থ বৰভূঞাৰ আজো নাতি, কুসুমবৰ শিৰোমণি ভূঞাৰ বৰপুত্ৰ, ডেকাগিৰী শংকৰৰ বিয়া। ইতিমধ্যে এজন বিদগ্ধ শাস্ত্ৰীয় পণ্ডিত, এজন অসামান্য কলাকাৰ, নাট্যকাৰ, গায়ক-বাদক হিচাপে শংকৰৰ নামখ্যাতি চাৰিওফালে জনাজাত হৈ পৰিছে। সেই শংকৰৰে বিয়াৰ আয়োজন চলিছে—ছোৱালী হৰিখাঁ বৰভূঞাৰ কন্যা সূৰ্য্যৱতী। চৰি যোৱা নাই যদিও শংকৰৰ বিয়াৰ উপযুক্ত বয়স হৈছে। বিয়াখন সোনকালে পাতি নিদিয়াৰ কাৰণেহে চাগে শংকৰ আজিকালি কিছু উদাসীন আৰু আনমনা হৈ পৰিছে।

সিদিনা জয়ন্ত আতাই আৰু মাধব আতাই দুয়োকে শংকৰে মতাই নিছিল। কেলেই মাতিছেনো বুলি দুয়ো গ'ল। দুয়ো ভাবিছিল, ভূঞা ৰাজ্য চলোৱাত কিবা আমনি অসুবিধা পাইছে চাগে—তাকে ক'বলৈ মাতিছে কিজানি। পিছে দুয়োজনা পিতামহক গোটাই লৈ শংকৰে ক'লে, “ৰাজ্য পৰিচালনা আৰু ধৰ্ম্মপ্ৰচাৰ আৰু ধৰ্ম্মচৰ্চ্চা একেলগে কৰা নেযায়। মোৰ ইচ্ছা গভীৰ ভাৱে শাস্ত্ৰ অধ্যয়ন কৰি ধৰ্ম্ম প্ৰচাৰ কৰাটো। তাকে কৰিবলৈ হলে, মই ৰাজকাজত লাগি থাকিব নোৱাৰিম। মই ইহকালৰ চিন্তাতকৈ পৰকালৰ চিন্তা কৰাহে অধিক প্ৰয়োজনীয় বুলি ভাবিছো। গতিকে ৰাজকাৰ্য্যৰ ভাৰ তোমালোকৰ হাতত দিলো।”

শংকৰৰ কথা শুনি দুয়োজনা পিতামহ চিন্তিত হৈ পৰিল। শংকৰৰ
এনে বিষয়-বাসনা বা ৰাজভোগৰ প্ৰতি অনীহাৰ কাৰণ হিচাপে তেওঁলোক
এই মতত উপনীত হল যে বিয়াৰ বয়স হোৱাতো বিয়া পাতি নিদিয়াৰ
কাৰণেহে শংকৰ এনে আনমনা আৰু উদাসীন হৈ পৰিছে। ভাল
বংশৰ ধুনীয়া চাই ছোৱালী এজনীৰ লগত সোনকালে শংকৰৰ বিয়াখন
পাতি দিলেই, শংকৰৰ মন সংসাৰী জীৱনৰ ফালে ঘূৰিব, আৰু তেওঁৰ
মনৰ উদাসীনতা নোহোৱা হ'ব।

শংকৰৰ বিয়া পাতিবলৈ স্থিৰ কৰা হ'ল। আয়োজনো চলিল।
শংকৰে আপত্তি নকৰিলে। গাৰ্হস্থ্য জীৱন বৰ্জ্জনীয় নহয়। এজন
ডেকা স্বাস্থ্যবান মানুহৰ কাৰণে এজনী সু-পাত্ৰী বিয়া কৰাই এটা
শান্তিপূৰ্ণ গাৰ্হস্থ্য জীৱন যাপন কৰাটো প্ৰকৃতি-বিৰুদ্ধ কাৰ্য্য নহয়।
এটা সংযত, সংহত নৈতিক তথা ধৰ্ম্ম জীৱন-যাপন কৰি, সামাজিক নীতি-
নিয়মৰ প্ৰতি শ্ৰদ্ধা জনাই, জীৱনৰ পূৰ্ণতা উপলব্ধিৰ কাৰণে যত্ন কৰাটো
সামাজিক শৃংখলাৰ কাৰণেই আৱশ্যকীয়। এজন পূৰ্ণ স্বাস্থ্যৰ, সুষ্ঠ
সবল, নিৰোগ আৰু উচ্ছল ডেকা মানুহে সন্ন্যাস বা বৈৰাগ্যৰ পথ
লোৱাটো জীৱনৰ স্বাভাৱিক আশা-আকাঙ্ক্ষা আৰু দাবীক প্ৰত্যাখ্যান
কৰা। প্ৰবৃত্তিৰ দাস নহৈ প্ৰবৃত্তিৰ পথেৰেই নিৰাসক্তি আৰু মোহমুক্তিৰ
সাধনা কৰিব লাগিব। সংসাৰৰ মাজত সোমায়েই সংসাৰক জয় কৰিব
লাগিব। যেতিয়ালৈকে গাৰ্হস্থ্য বা সাংসাৰিক জীৱন ধৰ্ম্মপালন আৰু
সত্যৰ সন্ধানৰ পথত অন্তৰায় হৈ থিয় নিদিয়ে, তেতিয়ালৈকে সাংসাৰিক
জীৱনৰ প্ৰতি ভয় খাবৰ বা বিৰক্ত হবৰ হেতু নাই। পত্নী সহধৰ্ম্মিনী,
ধৰ্ম্মজীৱনৰ পথতো পত্নী উত্তম সহযোগী হ'ব পাৰে।

শংকৰে বিয়া কৰাবলৈ সম্মতি জনালে। এই শুভ সম্বাদ পাই
কেৱল পৰিয়ালৰ আপোন মানুহখিনিয়েই নহয়, ভূঞা ৰাজ্যৰ সকলোৱেই
আনন্দ লাভ কৰিলে।

ডেকাগিৰী শংকৰে বিয়া কৰাব, আৰু ক্ৰমে আকাৰত সৰু আৰু
দুৰ্ব্বল হৈ অহা বাৰভূঞা ৰাজ্যৰ শাসন ভাৰ জয়ন্ত দলৈ আৰু মাধৱ
দলৈৰ পৰা নিজ হাতলৈ লৈ সুচাৰু ৰূপে চলাব, আৰু ভূঞা ৰাজ্যৰ



প্ৰজাখিনি কছাৰী, ভুটীয়া আদি কাষৰীয়া উপদ্ৰৱকাৰীবোৰৰ উপদ্ৰৱৰ
পৰা ৰক্ষা পাৰিব।

বিয়াৰ কথাত শংকৰ বৰ উল্লসিত নহ'ল। ভূঞা ৰাজ্যৰ বাহিৰৰ
আৰু ভিতৰৰ কাটনি তাঁতী, বেপাৰী সোণাৰী আদি লোক অৱশ্যে
নিজ-নিজ স্বাৰ্থতে এই বিয়াৰ কথাত আনন্দিত হ'ল। বিয়াখনৰ
কাৰণে দৰাৰ ঘৰলৈ বুলি হওক বা কইনাৰ ঘৰলৈ বুলিয়ে হওক,
সৰহীয়াকৈ পাটৰ কাপোৰ, মুগাৰ কাপোৰ বৈ উলিয়াব লাগিব।
ভোজ, ভাতৰ কাৰণে সৰহীয়াকৈ চাউল চিৰা দৈ গুৰৰ দিহা কৰিব
লাগিব। ডেকাগিৰীৰ বিয়া, কেইবাদিনলৈ আনন্দ-উৎসৱ কৰাৰ সুবিধা
মিলিব, ব্ৰাহ্মণ সজ্জনে পোৱাৰ লগতে, ভূঞা পৰিয়ালৰ অওহী-বওহীকে
ধৰি অন্যান্যয়ো কাপোৰ-কানি আদি মান-দান উপহাৰ নোপোৱাকৈ
নেথাকে। দূৰ ওচৰৰ মানুহৰো সমাগমো হ'ব। ঢুলীয়া-খুলীয়া,
নামতী নটুৱাৰো খেল-ধেমালি হ'ব। ৰজাঘৰৰ বিয়া আৰু বোলে কাক?

বিয়াত পাটৰ মুগাৰ কাপোৰ-কানি যিদৰে লেখৰ বস্তু, তেনেকৈ সোণ
ৰূপৰ গহনা অলংকাৰো লেখৰ বস্তু। বৰদোৱা আলিপুখুৰী বা ইয়াৰ
ওচৰ-পাজৰৰ ঠাইবোৰৰ সোণাৰী আৰু গহনা বেপাৰী আদি কইনা
সূৰ্য্যৱতীৰ পিতাক হৰিবৰ গিৰী কায়স্থৰ ঘৰ আৰু কুসুমবৰ গিৰীৰ পুত্ৰ
ডেকাগিৰী শংকৰৰ ঘৰত গোট খালেহি। পুৰুষৰ গহনা, তিৰোতাৰ
গহনা — এইবোৰ ৰজাঘৰৰ বিয়াতে নুলিয়াই নেবেচি আৰু কেতিয়া, কাক
বেচিব? কিন্তু শংকৰৰ মন বৈষয়িক বিলাসিতাতকৈ, আধ্যাত্মিক আৰু
পৰমাৰ্থিক সত্য সন্ধানৰ আনন্দ আহৰণৰ প্ৰতি অধিক আগ্ৰহী।
ৰাজসিকতাত ধন-পইচা আৰু সময় নিওৱাত পক্ষপাতী তেওঁ নহয়।
তথাপি নিজৰ বিয়াখনৰ পৰা আত্মীয় স্বজন সুখী হ'ব—সেই সুখৰ পৰা
তেওঁলোকক বঞ্চিত কৰাটো সমীচীন নহ'ব। আৰু এটা সামাজিক
অনুষ্ঠান হিচাপে এখন ৰজাঘৰীয়া বিয়াৰ আচাৰ-অনুষ্ঠান পালনত যাতে
কোনো ত্ৰুটি আসোঁৱাহ নেথাকে তালৈ চকু দিয়াৰো দৰকাৰ। কইনাই
আনিব মূল্যবান যৌতুক—বৰ ভূঞাৰ ঘৰৰ বৰ বোৱাৰী, বুঢ়াখাঁৰ
জীয়াৰী। আন সাধাৰণ প্ৰজাৰ ঘৰৰ জীয়াৰীৰ দৰে শুদা হাতে-কাণে

আহিধনে? আৰু শিৰোমণি ভুঞাৰ, ডেকাগৰীৰ বিয়া—কাপোৰে-কানিয়ে, গহনাই-অলংকাৰে সম্পূৰ্ণ কৈ নিদিলে মান মৰ্য্যাদা ৰক্ষা পৰিব কেনেকৈ? বিয়া নেপাতিলে কথা সুকীয়া আছিল। পাতিবলৈ মাত্ৰ হলেই যেতিয়া। খাই চাই ৰাইজে মনত ৰখা বিয়া নেপাতিলে হ'বনে?

লোকাপাৰ, গামখাৰু, সাতসৰী, চিপাতমণি থুৰীয়া, গেজেৰা, বিৰি, দুগদুগী ভুঞাঘৰৰ মৰ্য্যাদাৰ লগত ৰজিতা খুৱাই লোৱা হ'ল। সেইদৰে গোট খালে গুণাৰ বনকৰা মেখেলা, ৰিহা, চেলেং, গামোচা। জাপি সজীয়াৰ ঘৰৰ পৰা আহিল মুৰত বুপৰ টুপ খুউৰা সৰুদৈয়া জাপি, কঁহাৰৰ ঘৰৰ পৰা আহিল চকচকীয়া কাঁহৰ বাটি, কাঁহী, লোটা চৰিয়া, বটা, শৰাই।

কুসুমবৰৰ বৰপুত্ৰ শংকৰ এইবাৰ বিয়াৰ বৰ হ'ল। পৰম্পৰাগত নীতি অনুসৰি সূৰ্য্যাৱতীৰ লগত শংকৰৰ শুভ পৰিণয় হৈ গ'ল। বাইশ বছৰীয়া ডেকা শংকৰ গাৰ্হস্থ্য জীৱনৰ আস্বাদ আৰু দায়িত্ব লবৰ কাৰণে নিজক প্ৰস্তুত কৰি আগবাঢ়িল। যুদ্ধ-বিগ্ৰহ, উত্থান-পতন চলি থাকিব, তাৰ লগে লগে চলি থাকিব চিৰন্তন জন্ম-মৃত্যু-বিবাহৰ বিচিত্ৰ পৰিক্ৰমা।

এহাতে ৰাজকাৰ্য্য পৰিচালনা, আন হাতে গৃহস্থী—তাৰ লগে লগে শাস্ত্ৰ অধ্যয়ন, ধৰ্মালোচনা, মাজে মাজে দুই চাৰিটা গীত পদ ৰচনা—এনেকৈয়ে চাৰিটা বছৰ পাৰহৈ গ'ল। চাৰিটা শান্তিৰ আৰু সুখৰ বছৰ।

তাৰ পিছত এদিন শিৰোমণি ভুঞাৰ ঘৰৰ মজিয়াত শুনা গ'ল এক নৱজাতকৰ কান্দোনৰ মাত। শংকৰ পিতৃ হ'ল, সূৰ্য্যাৱতী মাতৃ হ'ল। বুঢ়ী আই খেৰসুতী আজো বুঢ়ী আই হ'ল। সকলোৰে মুখে মুখে বিৰিঙি উঠিল হাঁহি।

ছোৱালীটিৰ নাম থোৱা হল মনু। মৰমৰ নাম।

এদিন, দুদিন এমাহ দুমাহকৈ কণমানি শিশুটি বাঢ়ি আহিল, উবুৰি হ'ল, বহিল, মুখত সৰগী হাঁহি ফুটা হ'ল, মানুহ চিনি পোৱা হ'ল—আপোন মনে কল-কলাব জনা হ'ল। হাঁহি কান্দি পেচ ধৰি কোলা-বাগৰি সকলোৰে কোলাৰ উম লব জনা হ'ল।

মনু ন মহীয়া হ'ল।



কিন্তু—

কিন্তু—

আকস্মিক ভাৱে, অপ্ৰত্যাশিত ভাৱে দুদিন জ্বৰ পাৰিয়ে সূৰ্য্যাৱতীৰ মৃত্যু হ'ল।

শংকৰ, ডেকা স্বামী শংকৰ উপচু খাই উঠিল। ন-মহীয়া শিশু মনুক শংকৰৰ হাতত গতাই থৈ সূৰ্য্যাৱতী অচিন অজান মৰণৰ দেশৰ অতিথি হ'ল। শংকৰে চকুৰ আগতে দেখা পালে জন্মৰ আনটো ফাল—মৃত্যু। সৰুতে শংকৰে যদি নিজ মাকক হেৰুৱাইছিল, ডাঙৰ হৈছিল বুঢ়ীআই খেৰসুতীৰ চেনেহৰ উমনি লগা বাহুপাশত। তাৰ পিছত শংকৰৰ জীৱনৰ মাজলৈ আহিছিল এক কুমাৰী—বহুত স্বপ্ন আৰু বহুত আশা লৈ। মৃত্যুৰ নিকৰুণ হাতে সূৰ্য্যাৱতীক কাঢ়ি লৈ গ'ল শংকৰৰ বুকুৰ মাজৰ পৰা। অৱশ্যম্ভাৱী মৃত্যুক বাধা দি ৰাখিব নোৱাৰিলে শংকৰে। জীৱনৰ অনিত্যতাই শংকৰক বিষণ্ণ আৰু চিন্তাকুল কৰি তুলিলে। এই ধনজন-জীৱন-যৌৱন সকলো ইমান অস্থায়ী, ইমান ক্ষণভঙ্গুৰ! এইবোৰৰ প্ৰতি আসক্তি, মোহ, আকৰ্ষণ—কি মূল্য আছে এইবোৰৰ? বিশ্ব ইচ্ছাৰ গূঢ় ৰহস্য মানুহৰ সামান্য জ্ঞান, সামান্য বিদ্যা বুদ্ধিয়ে কেনেকৈ উদঘাটন কৰিব? সংসাৰৰ বিষয়-বাসনাই মানুহক পৰম সত্যৰ ওচৰ চপাই নিয়ে জানো?

মাতৃহাৰা কেঁচুৱাই কান্দিছিল। ন মহীয়া মনুৱে বুজা নাছিল যে তাইৰ বুকুভঙা কান্দোনে আৰু মাতৃ সূৰ্য্যাৱতীৰ টোপনি ভাঙিব নোৱাৰে। সেই টোপনিৰ দেশে মাতৃহাৰা শিশুৰ কান্দোনৰ ভাষা বুজি নেপায়!

এতিয়া শংকৰৰ কাষত সূৰ্য্যাৱতী নাই, আছে মনু। এই অকণমানি মনুজনীক এদিন এজনী নতুন সূৰ্য্যাৱতী কৰি গঢ়ি তুলিব লাগিব। এতিয়া মই মনুৰ কেৱল পিতাই নহয়, মই মনুৰ পিতামাতা দুয়ো। মনুৰ অকাল মাতৃবিয়োগৰ কথা পাহৰাই ৰাখিব লাগিব। এই অকণ-মানি জনীয়েই মোৰ বুকুৰ ভিতৰৰ ৰিক্ত শূন্যতাখিনি তাইৰ সৰল হাঁহি-কান্দোনেৰে পূৰ্ণ কৰি ৰাখিব।

ৰাজকাৰ্য্য বনগঞাগিৰীয়ে চলাওক, আতাইহঁতে চাওক। এই

বন্ধনৰ পৰা নিজক মুক্ত কৰি মই আঁতৰি যাম। দেৱভূমি পবিত্ৰ ভাৰতৰ তীৰ্থক্ষেত্ৰবোৰৰ মাজিয়াই মাজিয়াই জীৱন-মহাজীৱনৰ অৰ্থ বিচাৰি, মূল্য বিচাৰি মই পথিক হ'ম, সত্যসন্ধানী হ'ম।

জীৱনৰ কঠোৰতাৰ প্ৰতি ভয়ত নহয়,

মৃত্যুৰ নিঠুৰতাৰ প্ৰতি ভয়ত নহয়,

শোক-ব্যাধি-জৰা-মৃত্যুৰ জ্বলা যন্ত্ৰণাৰ পৰা সহজ সৰল মানুহ বিলাকক উদ্ধাৰ কৰাৰ সহজ সৰল উপায় বিচাৰি মই গাৰ্হস্থ্য জীৱনৰ মোহ মায়াৰ পৰা নিজক মুক্ত কৰি এক নতুন পথৰ পথিক হম। মই ওলাই যাম।...

মনুৱে কান্দিছিল।

দিনবোৰ আগুৱাইছিল।

মনুৱে হাঁহিছিল।

মনুৱে কথা কৈছিল।

মনুৱে খেৰসূতী আইৰ মুখৰ পৰা সাধুকথা শুনিছিল। বাৰভূঞা পৰিয়ালৰ শেষ নোহোৱা সাধু।

দিনবোৰ পাৰ হৈ গৈছিল।

মাহবোৰ পাৰ হৈ গৈছিল।

বৰদোৱা পুৰণি হৈ আহিছিল।

মনুৰ জীৱনৰ চিন্তাৰ দায়িত্বৰ পৰা মুক্ত হ'বৰ কাৰণে পিতা শংকৰে কালক আহ্বান জনাইছিল—মনুক সোনকালে ডাঙৰ কৰি দিয়া। মোৰ কাণত পৰিছে বৃহত্তৰ জীৱনৰ আহ্বান, মহত্তৰ জীৱনৰ দূৰণীয়া ডাক। বিষয়-বাসনাৰ বন্ধন মোৰ নাই। কিন্তু পিতা হিচাপে মনুৰ প্ৰতি এৰাব নোৱাৰা দায়িত্ব আছে। সেই দায়িত্ব মই অস্বীকাৰ কৰিবলৈ নিবিচাৰো, সেই দায়িত্বৰ পৰা মই পলাবলৈ নিবিচাৰো।

মনু সাত বছৰীয়া হৈছে।

মনু আঠ বছৰীয়া হৈছে।

তাই লহপহকৈ বাঢ়িছে। তাইৰ মোলৈ মৰম-চেনেহ বাঢ়িছে। তাইৰ মৰমে মোক দুৰ্ব্বল কৰি পেলাব খুজিছে।

মনুৰ বয়স ন বছৰ হ'ল।



পিতাৰ দায়িত্ব, সন্তানৰ মৰম,—ৰাজকাৰ্য্যৰ জঞ্জালীয়া দায়িত্ব-পালন নহয়, এই সকলোবোৰ লগ লাগি মোক পিছলৈ টানিব খুজিছে।

এইয়া, সৌ সিদিনা সূৰ্য্যাৱতীৰ লগত হাঁহি উল্লাসেৰে, উৎসৱ অনুষ্ঠানেৰে মোৰ বিয়া হ'ল। সউ সিদিনা মনুৰ জন্ম হ'ল। মাজিয়ালৈ সৰগী হাঁহি নামি আহিল। আৰু সৌ সিদিনা সূৰ্য্যাৱতীৰ মৃত্যু হ'ল। জন্ম-মৃত্যু-বিবাহ ইমান ওচৰা-উচৰি, যেন হাতত হাত ধৰি সিহঁত একেলগে আছে! মৃত্যুৰ কথা পুৰণি হৈ যায়, জন্মৰ কথা পুৰণি হৈ যায়; বিয়াৰ কথাও পুৰণি হৈ যায়—মনুও নতুন হৈ আহিছে, কিন্তু তায়ো পুৰণি হৈ যাব। মনুৰ মৰমৰ মাজত, ৰাজকাৰ্য্যৰ ব্যস্ততাৰ মাজত মই ভৱিষ্যত জীৱনৰ পথ হেৰুৱাই পেলাব নোৱাৰো।

নুৰ নবছৰ মহ'ল।

মনুৰ বিয়া পতা যাওক।

ব্ৰাহ্মণ পৰিয়ালৰ দৰে কায়স্থ পৰিয়ালতো বাল্য-বিবাহ পূৰ্ব্বাপৰ চলি আহিছে।

পিঠিত শেষ মাঘৰ মিঠা ৰ'দৰ কোমল উত্তাপলৈ শঙ্কৰ চোতালতে বহি আছিল। আই খেৰসূতীয়ে ভিতৰত কিবা কৰি আছিল। তেজাল, ধুনীয়া, গোলাপ ফুল যেন বৰণৰ দেখিলেই মৰম লগা মুখখনেৰে ফুলনিৰ পৰা ওলাই আহিল মনু। তাই আহি শংকৰৰ ওচৰত ৰ'লহি। শংকৰে মনুৰ মুখ লৈচালে।

অলপ সময় কাৰো মুখত কথা নাই। মনু শংকৰৰ গাৰ কাষ চাপি আহিল, তাই শংকৰৰ ডিঙিত সাৱটি ধৰিলে আৰু এটা সৰু ল'ৰাক মৰম কৰাৰ নিচিনাকৈ এষাৰ-এষাৰকৈ ক'লে, "পিতা মোৰ বোলে বিয়া দিবা, সঁচানেকি?"

মনুৰ পিঠিত হাত ফুৰাই শঙ্কৰে বুজনি দিয়াৰ ধৰণে ক'লে, "ও সঁচা, হৰিৰ লগত তোৰ বিয়া হ'ব—অহা বহাগত।"

মনুৱে ক'লে, "মোক বিয়া দি দিলে, মই তোমাৰ ওচৰত নেথাকিলে, তোমাক পিছে কোনে চাব? মই নেথাকিলে তোমাৰ দুখ হ'ব। মোক বিয়া নিদিবা।

শংকৰে কিবা এটা ক'ব খুজিছিল। ডিঙিৰ পৰা কথা নোলাল। তেওঁ মনুক বুকুৰ কাষলৈ চপাই আনিলে।

এইখন চোতালতে তেৰ বছৰৰ আগতে আৰু এখন বিয়া হৈছিল আৰু তেৰ বছৰৰ মুৰত ইয়াতেই আৰু এখন বিয়া। কন্যা শংকৰৰ অকুমাৰী জীয়াৰী মনু আৰু দৰা ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰি।...

শংকৰে জোঁৱায়েক হৰিক আশীৰ্বাদ দি ক'লে "বাপু, মোৰ একেজনী ছোৱালী মনু, তাইক তোমাৰ হাতত গটালো, আজিৰ পৰা তাই তোমাৰ। আৰু এই সম্পত্তিও তোমাৰ। তুমি ইয়াতে থাকা, বাৰভূঞা পৰিয়ালৰ মাটি-ভেটি, সা-সম্পত্তি চলাই-কৰাই খোৱা, মনু আৰু তুমি সুখী হোৱা—"

অকলশৰীয়া শংকৰ। ভৰ বয়স ৩৪ বছৰ। স্বাস্থ্যবান, সংযমী, নিৰ্লিপ্ত। বিস্তীৰ্ণ পথ। মনৰ চকুৰ আগত বঞ্চিত পীড়িত সাধাৰণ নিৰ্ব্বিশেষ মানুহৰ জীৱনক মৰ্য্যাদাত প্ৰতিষ্ঠা কৰাৰ স্বপ্ন, উচ্চ-নীচ কুলীন-অন্ত্যজৰ কৃত্ৰিম ব্যৱধান নিৰ্মূল কৰি এক উদাৰ নতুন মানৱতাৰ সমাজ পতাৰ সংকল্প।



সুন্দৰৰো সুন্দৰতম খিনি লৈ, শ্ৰেষ্ঠৰো শ্ৰেষ্ঠতম খিনি লৈ সাধাৰণ বিষয় বাসনাত মগ্ন সংসাৰী মানুহৰ চিন্তা কল্পনা আৰু অভিজ্ঞতাৰ পৰিধিৰ বাহিৰৰ এক অপাৰ্থিৱ মানসলোক—যাৰ আকৃতি-প্ৰকৃতি, ৰং-ৰূপ, এই পৃথিৱীৰ একোৰে লগতে তুলনা কৰিব নোৱাৰি, সেইয়া স্বৰ্গ—অমৰ দেৱতা সকলৰ ৰম্য বাসভূমি, পুণ্যতম নৰদেহধাৰী সকলৰ আত্মাৰ লীলাভূমি—স্বৰ্গ।



তাৰো সিপাৰে, তাৰো উৰ্দ্ধত, চৰাচৰৰ অধিপতি—দেৱতা, সকলো সুন্দৰৰ একীভূত ৰূপৰ অস্তিত্ব বিষ্ণুৰ পুৰী, বৈকুণ্ঠ। এই জগতৰ জৰা-ব্যাধি-পাপ মৃত্যুৰ পৰা, নৰ জীৱনৰ যন্ত্ৰণাৰ পৰা নিষ্কৃতি লভি মুক্ত হোৱা মুক্ত মানৱাত্মাৰ অবাধ বিচৰণৰ থলী অমৰাৱতী—বৈকুণ্ঠ। য'ত পৃথিৱীৰ অপূৰ্ণতা, অসম্পূৰ্ণতাৰ, বেদনাৰ স্পৰ্শ নাই, হতাশা-ব্যৰ্থতাৰ অনুতাপ অনুশোচনা নাই—সেই জগতবাসীৰ চিৰকামনাৰ অমৰ পুৰী বৈকুণ্ঠ।

পৃথিৱীৰ সকলো ধৰ্ম্মতে এনে এখন স্বৰ্গৰ, এখন পেৰেডাইজৰ, এখন বেহেস্তৰ নিশ্চিত প্ৰতিশ্ৰুতি আছে—পুণ্যবান লোকসকলৰ কাৰণে—য'ত আছে অন্তহীন শান্তি, দুখৰ পৰশ নলগা অনন্ত সুখ। মানুহৰ জীৱনৰ সকলো ব্যৰ্থতাক সহ্য কৰাৰ শক্তি যি সম্ভাৱনাই লুকাই ৰাখিছে, সেই স্বপ্নৰ চিৰ-শাশ্বত, চিৰ-অম্লান, চিৰ-নতুন কল্পলোক স্বৰ্গ, বৈকুণ্ঠ। সংসাৰৰ বিষয়-বাসনাৰে জৰ্জ্জৰিত ক্ষণভঙ্গুৰ জীৱনৰ অধিকাৰী শোক-তাপ-ক্লিষ্ট মানুহৰ হেজাৰ অপূৰণ স্বপ্নৰ মহিমাশালীও নতুন স্বপ্ন হৈ দেখা দিয়া সুখ শান্তিৰ অমৰ অনন্তলোক বৈকুণ্ঠ।

শংকৰেও চকুৰে দেখা নাই এই বৈকুণ্ঠপুৰী। মাত্ৰ বিভিন্ন প্ৰাচীন গ্ৰন্থত পঢ়িছে সেই স্বপ্নলোকৰ মোহনীয় বৰ্ণনা।

যৌৱনৰ আশীৰ্ব্বাদেৰে ধন্য, বিস্তৃত আৰু গভীৰ অধ্যয়নেৰে পৰিপুষ্ট, বিচিত্ৰ আৰু বিশাল কল্পনা আৰু নিজস্ব এক অনামী স্বপ্ন, চকুত সৃজনৰ উন্মাদনাৰে উদ্দীপ্ত—এজন যুৱকৰ হাতৰ তুলিকাত সেই অদেখা বৈকুণ্ঠক চিত্ৰপটত জীৱন্ত কৰি তোলাৰ বিনীত প্ৰয়াস,—এইখন এখন উকা, বগা কপাহী কাপোৰ। ইয়াত একোৱেই নাই, ফুল নাই, পাত নাই, নদী অৰণ্য নাই, মানুহ নাই, দেৱদেৱী নাই, অপ্সৰা নাই, দৈত্য নাই—একো নাই, একো নাই—এইয়া এখন উকা, বগা কপাহী কাপোৰ। আৰু এইয়া ৰং—হেঙুল, হাইতাল, নীল, কাজল, বগা মাটি—এইয়া ৰং—বোল।

আৰু এইয়া চিত্ৰ আঁকা তুলিকা। মনৰ মাজত আছে এখন অবৰ্ণনীয় বৈকুণ্ঠৰ স্বপ্নধূসৰ ছবি। শাস্ত্ৰৰ পুথিৰ বুকুৰ পৰা ওলাই আহি সেই ছবিখন সোমাই আছেহি মোৰ বুকুৰ মাজৰ কোনোবা এটা কোণত।

সেই ছবি সোমাই আছে মোৰ চকুৰ মণিত। এতিয়া বুকুৰ মাজৰ
সেই ছবি, চকুৰ মণিৰ মাজৰ সেই ছবি আহি ৰূপ লবহি এই উকা, বগা,
বৰ্ণহীন, কপাহী কাপোৰখনৰ ওপৰত। সেই অদেখা অমৰাৱতীক
প্ৰাণময়, জীৱন্ত কৰি তুলিছে মোৰ হাতৰ এই সৰু, অকণমান তুলিকা-
ডালে। অকণ অকণ ৰঙৰ মাজেদি ৰেখাৰ মাজেদি স্বপ্নলোকৰ এখন
জগত প্ৰতিভাত হৈ উঠিব—এই উকা কাপোৰ খনৰ ওপৰত।

তেওঁলোকে চাবলৈ বিচাৰিছে। যি স্বপ্নাতীত লোকৰ অকণমান এটা
ৰশ্মিৰেখা দেখা পাবৰ কাৰণে লক্ষজনৰ মন-প্ৰাণ উদগ্ৰীৱ, উধাও, সেই
বৈকুণ্ঠক তেওঁলোকে চাবলৈ বিচাৰিছে মই আঁকা চিত্ৰপটত।

হয়তো আকাশ-অৰণ্য, নৈ-নিজৰা, ফুল-পাতৰ ছবি জীৱন্ত হৈ উঠিব
এই চিত্ৰপটত। কিন্তু সচল, সজীৱ, প্ৰাণৱন্ত, গতিশীল অমৰাৱতীৰ বস-
বাসকাৰী সকল—তেওঁলোকক মই কেনেকৈ দৰ্শক সকলৰ চকুৰ আগত
দাঙি ধৰিম? কেনেকৈ জীৱন্ত কৰি তুলিম বিষ্ণু পুৰীৰ সেই চিৰ
ৰহস্যময়, চিৰ আনন্দময় হাস্য-লাস্য গতিৰ প্ৰাণময়তা? সাত বৈকুণ্ঠৰ
গতিশীল, নিজীৱ ছবি আঁকা হ'ব—কিন্তু বৈকুণ্ঠ যদি জীৱন্ত হৈ উঠিব
লাগে, তাৰ কাৰণে অন্য আয়োজন কৰিব লাগিব। পটভূমিত এই বৈকুণ্ঠৰ চিত্ৰ থাকিব, আৰু তাৰ আগফালে দেখুৱাম বৈকুণ্ঠৰ বাসিন্দাসকলৰ নানা লীলা-ধেমালি। তাৰ কাৰণে আয়োজন কৰিব লাগিব নৃত্যৰ, বাদ্যৰ, গীতৰ, অভিনয়ৰ, বৈকুণ্ঠৰ চিহ্নপট—সাতখন পটে আভাস দিব বেলেগ বেলেগ সাতখন বৈকুণ্ঠৰ। আৰু সাতখন সেই বিষ্ণুলোকৰ কাৰ্য্য কলাপৰ জীৱন্ত দৃশ্য চকুৰ আগত দাঙি ধৰিব লাগিব। বৈকুণ্ঠৰ ৰূপ-ৰস-শব্দ-গন্ধ-স্পৰ্শৰ আভাস দিব পৰা নৃত্য, গীত, বাদ্য, আৰু নাট্যাভিনয়েৰে।

এইয়া কাৰোবাক লাগ বুলিলেই দিব পৰা বস্তু নহয়। চিহ্ন যাত্ৰা প্ৰদৰ্শনৰ কাৰণে লাগিল এটা ওখ ভেটি, এটা আহল-বহল নাট্যমঞ্চ। লাগিল আঁৰিয়া মটা, উজ্জ্বল চাকি, লাগিল অভিনেতাই ব্যৱহাৰ কৰা সাজ-সঁজুলি, পোচাক, লাগিল মুখা, লাগিল বিভিন্ন বাদ্যযন্ত্ৰ, ঢোল, খোল, মৃদঙ্গ, তাল, আৰু অন্যান্য বাদ্যযন্ত্ৰ।



সকলোতকৈ অধিক প্ৰয়োজনীয় বাদ্য বজাওতা বায়ন, ঢুলীয়া, খুলীয়া, নেগেৰিয়াল, লাগিল নাচ আৰু গীতত পটু সূত্ৰধাৰ আৰু লাগিল বিভিন্ন ভাওত অভিনয় কৰিবৰ কাৰণে পাৰদৰ্শী অভিনেতা। এখন নাচ ভালকৈ অভিনয় কৰাটো ল'ৰা-ধেমালি নহয়, এক কষ্ট-সাধ্য, সুসংহত সমূহীয়া প্ৰচেষ্টা।

এনে এখন নাটে গীতেৰে, নৃত্যেৰে, কথাৰে, বাদ্যেৰে, বিভিন্ন দৃশ্যৰ অভিনয়েৰে দৰ্শকক তন্ময় কৰি ৰাখিব পাৰিব লাগিব। ইয়াৰ পূৰ্বে কামৰূপ ৰাজ্যৰ ক'তো এনে ধৰণৰ নাচ অভিনয় দৰ্শকৰ সন্মুখত মঞ্চস্থ কৰা হোৱা নাই। ইয়াৰ ৰাইজে পুতলা নাচ দেখিছে, ব্যাহ গোৱা, শুকনান্নী গোৱা, ৰামায়ণ গোৱা দেখিছে, হয়তো নটুৱা নাচো দেখিছে, দেৱদাসীৰ নাচ, দেওধনি নাচো দেখিছে; কিন্তু দেৱতাৰ নাচ দেখিছে জানো? নটৰাজৰ তাণ্ডৱ নাচ দেখিছে জানো? অপ্সৰাৰ, নৰ্ত্তকীৰ লাস্য নৃত্য দেখিছে জানো? সূত্ৰধাৰৰ নাচ দেখিছে জানো? যি নৃত্য গীত অভিনয়ে দৰ্শকৰ চকুৰ অগত এক জীৱন্ত বৈকুণ্ঠৰ মোহন দৃশ্য দাঙি ধৰিব, তাৰ কাৰণে যিমানবোৰ আয়োজন কৰিব লাগিব, আনে সেই কথা বুজিব পাৰিব জানো?

সকলো ব্যৱস্থা কৰিব লাগিব শংকৰে নিজে। এক শিল্পসম্মত সমন্বয়, ঘটাব লাগিব শাস্ত্ৰীয় নাট্যকলা-অভিনয় ৰীতিৰ লগত কামৰূপৰ থলুৱা গীত-বাদ্য-লোক অভিনয়, লোক নৃত্যৰ। ভৰত মুনিৰ নাট্য-শাস্ত্ৰৰ আধাৰত, সাধাৰণ মানুহৰ মাজৰ জনপ্ৰিয় লোক কলাৰ উত্তমখিনি প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব লাগিব। থাকিব সূত্ৰধাৰ, থাকিব নান্দী, শ্লোক, লগতে থাকিব সৰু ধেমালি, বৰ ধেমালি, নটুৱা নাচ, ভটিমা।

শংকৰে নিজক আৰু অন্যান্য ঢুলীয়া-খুলীয়া, গায়ন-বায়ন, নটুৱা, ভাৱৰীয়াক সাজু কৰি তোলাৰ ব্যৱস্থা ল'লে। বৈকুণ্ঠৰ চিত্ৰপট চাবৰ কাৰণে হেঁপাহ কৰা লোকসকলক শংকৰে ক'লে, "বৈকুণ্ঠৰ দৃশ্য চাবলৈ তোমালোক দুদিনমান বাট চাব লাগিব। সাত বৈকুণ্ঠ আমাৰ হাতে ঢুকি পোৱাতে নাই। দেখুৱাবলৈ ময়ো সাজু হ'ব লাগিব। তাতো কিছু সময় লাগিব। আগে পিছে তুমি আমি

কোনেও নেদেখা বস্তু এটা দেখুৱাবলৈ আৰু চাবলৈ ওলাইছোহক। ভাগ্যবলে আৰু পুণ্যবলেহে বৈকুণ্ঠৰ নিচিনা বিষ্ণুলোকৰ দৃশ্য দেখিবলৈ পোৱা যায়—”

বৈকুণ্ঠৰ চিত্ৰপট দেখা পোৱাৰ শুভ মুহূৰ্ত্তটোৰ কাৰণে অপেক্ষা কৰিবলৈ সকলো সম্মত হ'ল।

প্ৰথমে ৰচনা কৰিব লাগিব এখন যাত্ৰা ভাওনাৰ নাট। সেই নাটৰ বিষয় বস্তু, কথা আৰু গীত মাত সাধাৰণ মানুহে বুজি পাব লাগিব। প্ৰাচীন সংস্কৃত ভাষাত ৰচিত নাট প্ৰদৰ্শন যিদৰে দুঃসাধ্য হ'ব, সেইদৰে সম্পূৰ্ণ ওজাপালি যেন এখন থলুৱা নাট হলেও, দৰ্শকক সম্পূৰ্ণ সন্তুষ্টি দিব নোৱাৰিব। খেতিয়ক, মাছমৰীয়া, বাঢ়ৈ, খনিকৰ, কমাৰ, কঁহাৰ, তাঁতী, চমাৰৰ নিচিনা সাধাৰণ মানুহেও বুজি পাব লাগিব নাটৰ কথা-কাহিনী, ভাল পাব লাগিব ভাও, অভিনয়, সোৱাদ পাব লাগিব গীত-নৃত্যত। মাটিৰ লগত মিহলি হৈ থকা এই হজুৰা হালোৱা সাধাৰণ মানুহবোৰক দেখুৱাব লাগিব—স্বৰ্গ, বৈকুণ্ঠ, দেৱতাৰ দেশ। স্বপনৰ ৰাজ্য দেখি মানুহ মোহ যাব লাগিব, আকৰ্ষিত হ'ব লাগিব সেই অভীষ্ট বিষ্ণুপুৰীৰ প্ৰতি। মই আঁকিম স্বৰ্গৰ ছবি, দেৱপুৰীৰ ছবি—অবাং মনোগোচৰ সেই পবিত্ৰলোকৰ চিত্ৰকৰ হ'ম মই। ‘মোক শক্তি দিয়া ভগৱান, মোৰ তুলিকাক শক্তি দিয়া ভগৱান, মই যেন তোমাৰ লগত আমাৰ মানুহখিনিক চিনাকি কৰি দিব পাৰো।’

সাঁচিপাত, মহী লৈ, হাতত খাগৰিৰ কাপ ধৰি, চকুৰ স্বপ্ন আৰু হৃদয়ৰ মাজৰ মানসলোকৰ ৰূপ একেঠাই কৰি শংকৰে ৰচনা কৰাত লাগিল চিহ্ন যাত্ৰাৰ নাট। নৃত্যৰ ছন্দত উদ্ভাসি উঠিব বৈকুণ্ঠপুৰীৰ আনন্দমুখৰ পৰিবেশ। ভাৱৰীয়া সকলৰ অভিনয় আৰু ৰস প্ৰকাশৰ মাজেদি জীৱন্ত হৈ উঠিব নাটৰ কল্পিত দিব্যলোক। নাটৰ ভিতৰৰ গীতৰ সুৰ আৰু কথাই শ্ৰোতা দৰ্শকৰ মনত ভক্তি ৰসৰ উম্মাদনা জগাই তুলিব লাগিব। বায়নে খোল বজাব, শংকৰে নিজেও বজাব খোল—এটা দুটা নহয় নটা খোল। তাৰ আখৰা নিখুঁত হ'ব লাগিব। গায়নে গীত গাব, শংকৰেও গাব গীত—বিভিন্ন ৰাগ-ৰাগিণীৰ উৎকৃষ্ট



পৰিবেশন কৰিব লাগিব। দেৱলোকৰ উপযোগী ৰাগ-ৰাগিণী নহলে দৰ্শকৰ আস্থা নোহোৱা হ'ব। বৈকুণ্ঠপুৰীত অন্য গীত-মাত খাপ নাখায়।

ৰামৰাম গুৰু—তুমি হ'বা সূত্ৰধাৰ। এক সাত্বিক, শুকুলা সাজ-পাৰেৰে, মূৰত পাগ মাৰি তুমি ওলাবা নাচি নাচি, খোলৰ বোলৰ লগত নাচৰ ছন্দ মিলাই। দৰ্শকক বুজাই দিবা প্ৰতিটো দৃশ্য, গীতেৰে, মুদ্ৰাৰে অভিনয়েৰে।

সৰ্ব্বজয়, তুমি ওলাবা গৰুড় পাখীহৈ—মুখাপিন্ধি ওলাবা।

উদাৰ আতৈ, গোবিন্দ আতৈ, কেঁটাই খাঁ, তোমালোক কেজন ওলাবা বায়ন হৈ, বায়নৰ সাজ পিন্ধি। তোমালোকে বজাবা খোল।

আৰু তোমালোক চৈধ্যজন ভাৱৰীয়া ওলাবা সাত বৈকুণ্ঠৰ চৈধ্য পৰিষদ হৈ।

আৰু তুমি ওলাবা নটুৱা হৈ, নটুৱা নাচ নাচি নাচি।

শংকৰো ওলাব।—নাৰায়ণৰ ৰূপত ওলাব—খোলৰ তালে তালে, নাচি নাচি ওলাব, নাৰায়ণ ৰূপে ওলাব শংকৰ!

আৰু অন্য পাঁচজন ভাৱৰীয়াও ওলাব, নাৰায়ণ হৈ।

গীত-নৃত্য-অভিনয়, জোৰ-বন্তিৰ পোহৰ, ঢুলীয়া, খুলীয়া, তালিয়া, সূত্ৰধাৰ আৰু অন্যান্য ভাৱৰীয়াৰ বিভিন্ন সাজপাৰ, মুখা, পাগুৰি—সকলোবোৰ মিলি এক ৰহস্যময়, অপাৰ্থিব দেৱলোকৰ পৰিমণ্ডল গঢ়ি তুলিব। আৰু এই সকলোৰে পৃষ্ঠভূমিত থাকিব বৈকুণ্ঠৰ আভাস দিয়া নানা ৰঙৰ চিত্ৰপট-চিহ্ন!

এক নতুন সৃষ্টিৰ উম্মাদনাত শংকৰে আত্মনিয়োগ কৰিলে—সকলো আয়োজন পূৰ্ণ কৰি তোলাত। যাত্ৰা-ভাৱনাৰ প্ৰতিজন অংশ-গ্ৰহণকাৰী হ'ব লাগিব—নিটোল স্বাস্থ্যৰ অধিকাৰী। দেহাত শক্তি নেথাকিলে কোনে নাচিব পাৰে? কোনে গাব পাৰে? কোনে ঢোল খোল বজাব পাৰে? কোনে হাতত গদা তৰোৱাল লৈ ভাও দিব পাৰে? ভালকৈ নাচ নাচিবলৈ দেহ চৰ্চ্চাৰ দৰকাৰ, ব্যায়ামৰ দৰকাৰ। সত্ৰধাৰী নাচেই হওক, মেলা নাচ, চালি নাচেই হওক, ঝুমুৰা, নটুৱা নাচেই হওক

কৃষ্ণভঙ্গী, গোপীভঙ্গী নাচেই হওক, নাইবা ৰামদানি, নাদুভঙ্গী নাচেই হওক, এইবোৰ এনেই শিকা নেয়ায়, এনেই নচা নেযায়। তাৰ কাৰণে সাধনা লাগে, চিন্তা অধ্যয়ন লাগে, আৰু লাগে শৰীৰ চৰ্চা। “হ” বুলিলেই মানুহৰ গাটো আঁটিল, গঢ়িত, কমনীয় কান্তিহে নুঠে। অভ্যাস লাগে—নাচিবৰ উপযুক্ত কৰি তুলিবৰ কাৰণে মাটি-আখৰা কৰিব লাগে, তেহে গাটো জঠৰ হৈ নেথাকিব, যেনেকৈ ভাঙিবৰ মন যায় তেনেকৈ ভাঙিব পাৰিব। কাতিলঙ্, থিয়লঙ্, থিয়মুলুকা, ওৰা, ওৰাচটা —এইবোৰ মাটি-আখৰা নকৰাকৈ নাচিব নোৱাৰি। নটুৱা নাচেই হওক বা দেওধনি নাচেই হওক, গাৰ বল শক্তি নহলে কোনে নাচিব পাৰে··· ?

চিহ্নযাত্ৰা ভাৱনা কৰি ৰাইজক দেখুউৱাৰ আগতে অন্য সকলো ব্যৱস্থা আয়োজন সম্পূৰ্ণ কৰি ল’ব লাগিব।

এডাল কাঠ কটাই অনা হ’ল। শংকৰে তাৰে এটা খোলৰ চানেকি সাজিলে। কপিলী নৈৰ পাৰৰ এটা কুমাৰক দিয়া হ’ল সেই চানেকি। সেইমতে কুমাৰে মাটিৰ খোল সাজি দিলে। জৰাকলীয়া খোল, চিতলমুৰীয়া খোল যেনে খোল লাগে সজা হ’ল। শংকৰে নিজেই খোলত কেনেকৈ কৰকৰা ভাত, লোৰগুৰি আদিৰ ঘূণ দি কণ্‌কণীয়া মাত উলিয়াব লাগে শিকাই দিলে।

নাটকৰ অভিনয়ত মুখাৰ ব্যৱহাৰ প্ৰাচীন কালৰ পৰা চলি আহিছে। কিছুমান ভাৱত সাজসজ্জা কৰিলেও, মুখত কিবা ৰং-বৰণ ঘঁহিলেও, ভাৱৰীয়া নিজৰ মুখেৰেই ওলায়, অন্যৰ ভাও দিবৰ কাৰণে মুখ ঢাকিব লগীয়া নহয়। কিন্তু কোনো ভাৱৰীয়া যেতিয়া অপ্সৰা, গন্ধৰ্ব্ব, দানৱ, অসুৰ, দেৱদেৱী বা পশু বা পক্ষী হৈ ওলাবলগীয়া হয়, মুখা পিন্ধি ওলাবলগীয়া হয়। মুখাই চিনাকিকো অচিনাকি কৰে।

মুখাৰ ব্যৱহাৰ সম্পূৰ্ণ আচহুৱা বা নতুন নাছিল। মুখাখন দেখিয়ে, তাৰ ৰং দেখিয়ে, দৰ্শকে বুজিব পাৰে, মঞ্চত সেইটো কি ওলাইছে। মুখাৰ বৰণ যদি পকা সুৰ্মথিৰা যেন ৰঙা, তেন্তে সেইজন দেৱতা, অপ্সৰা বা যক্ষ। যদিহে কেঁচা সোণবৰণীয়া, তেন্তে সেইয়া ব্ৰহ্মা, সূৰ্য্য বা ৰুদ্ৰ। মুখাৰ বৰণ নীলা বা নীলাচানেকীয়া হলে সেইয়া সাগৰ, গঙ্গা নৈ,



হিমালয় পৰ্ব্বত, তাৰকা, চন্দ্ৰ, বৰুণ বা বৃহস্পতি। ভয়ংকৰ মুখাখন ৰাহুৰ বা কোনোবা অসুৰৰ, দৈত্য-দানৱৰ। চৰিত্ৰবোৰৰ বিভিন্নতা বুজাবৰ কাৰণে মুখাৰো বেলেগ বেলেগ আকৃতি আৰু ৰং।

আমাৰ নিজৰ বাটে খনিকৰেই এইবোৰ মুখা সাজিব—কাঠ কাটি কাটি। নাইবা বাঁহ, খেৰ, কাপোৰ, তুলাপাত আদিৰেও মুখা সাজিব পাৰে। এনেদৰে ৰং বৰণ, হেঙুল, হাইতাল সানিব লাগে যেন দৰ্শকে মুখাখন কিহেৰে সাজিছে ধৰিব নোৱাৰে। ইয়াৰ মানুহে আগৰ প্ৰাচীন সংস্কৃত নাটকৰ অভিনয়ত কৰা মুখাৰ ব্যৱহাৰ দেখা নাই, কিন্তু কোনো কোনোৱে মুখা পিন্ধা বহুৱা দেখিছে, কোনো কোনোৱে ভূটীয়া বা তিব্বতী লামা দেখিছে। দেশ আৰু ৰাইজৰ অপায় অমঙ্গল দূৰ কৰিবৰ কাৰণে লামা বিলাকে দেওমুখা পিন্ধি দেওনাচ নচাও দেখিছে। চিহ্নযাত্ৰা ভাৱনাতো দেৱতা কিন্নৰ ওলাব—মুখা পিন্ধিয়ে ওলাব।

চিহ্নযাত্ৰাৰ ভাৱনাৰ নাট ঃ

প্ৰথমতে ধেমালিৰ ঘোষা,
তাৰপিছত সংস্কৃত শ্লোক।
তাৰপিছত সূত্ৰ ভঙ্গীমা, আৰু গীত।

এফালে সুৰ-ধেমালি, ঘোষা-ধেমালি, বৰ-ধেমালিৰ আখৰা, আনফালে গীতৰ সুৰ-ৰাগৰ আখৰা, আৰু লগে লগে বৈকুণ্ঠৰ চিত্ৰপট অঁকাৰ কাম। শংকৰ ব্যস্ত। চিহ্নপটত ৰং তুলিকাই ফুটাই তুলিছে বন-উপবন, সৰোবৰ, সোণৰ ঘাট। যথাস্থানত অঁকা হৈছে লক্ষ্মী, সৰস্বতী, সাত বৈকুণ্ঠৰ সাত গোপাল, চৈধ্য পাৰিষদ।

সম্পূৰ্ণ হৈ আহিছে বৈকুণ্ঠৰ ছবি। স্বপ্নদ্ৰষ্টা, ডেকা শিল্পী শংকৰৰ মনত এক অসাধ্য সাধন কৰাৰ আনন্দ-উল্লাস। তুলিকাৰ দুলনি চলিছে অব্যাহত। মাজে মাজে কোনোবা কোনোবা আহি চাই যায়হি—বৈকুণ্ঠ সম্পূৰ্ণ হবলৈ আৰু কিমান বাকী।

কোনোবা আহি শংকৰৰ পিছফালে ৰৈ একেথৰে চাই আছে শংকৰৰ তুলিকাৰ যাদুকৰী দুলনি।

শংকৰে মূৰ তুলি চালে।

কৃষ্ণভঙ্গী, গোপীভঙ্গী নাচেই হওক, নাইবা ৰামদানি, নাদুভঙ্গী নাচেই হওক, এইবোৰ এনেই শিকা নেয়ায়, এনেই নচা নেযায়। তাৰ কাৰণে সাধনা লাগে, চিন্তা অধ্যয়ন লাগে, আৰু লাগে শৰীৰ চৰ্চা। “হ” বুলিলেই মানুহৰ গাটো আঁটিল, গঢ়িত, কমনীয় কান্তিহে নুঠে। অভ্যাস লাগে—নাচিবৰ উপযুক্ত কৰি তুলিবৰ কাৰণে মাটি-আখৰা কৰিব লাগে, তেহে গাটো জঠৰ হৈ নেথাকিব, যেনেকৈ ভাঙিবৰ মন যায় তেনেকৈ ভাঙিব পাৰিব। কাতিলঙ্, থিয়লঙ্, থিয়মুলুকা, ওৰা, ওৰাচটা —এইবোৰ মাটি-আখৰা নকৰাকৈ নাচিব নোৱাৰি। নটুৱা নাচেই হওক বা দেওধনি নাচেই হওক, গাৰ বল শক্তি নহলে কোনে নাচিব পাৰে··· ?

চিহ্নযাত্ৰা ভাওনা কৰি ৰাইজক দেখুওৱাৰ আগতে অন্য সকলো ব্যৱস্থা আয়োজন সম্পূৰ্ণ কৰি ল’ব লাগিব।

এডাল কাঠ কটাই অনা হ’ল। শংকৰে তাৰে এটা খোলৰ চানেকি সাজিলে। কপিলী নৈৰ পাৰৰ এটা কুমাৰক দিয়া হ’ল সেই চানেকি। সেইমতে কুমাৰে মাটিৰ খোল সাজি দিলে। জৰাকলীয়া খোল, চিতলমুৰীয়া খোল যেনে খোল লাগে সজা হ’ল। শংকৰে নিজেই খোলত কেনেকৈ কৰকৰা ভাত, লোৰগুৰি আদিৰ ঘুণ দি কণ্‌কণীয়া মাত উলিয়াব লাগে শিকাই দিলে।

নাটকৰ অভিনয়ত মুখাৰ ব্যৱহাৰ প্ৰাচীন কালৰ পৰা চলি আহিছে। কিছুমান ভাওৰ সাজসজ্জা কৰিলেও, মুখত কিবা ৰং-বৰণ ঘঁহিলেও, ভাওৰীয়া নিজৰ মুখেৰেই ওলায়, অন্যৰ ভাও দিবৰ কাৰণে মুখ ঢাকিব লগীয়া নহয়। কিন্তু কোনো ভাওৰীয়া যেতিয়া অপ্সৰা, গন্ধৰ্ব্ব, দানৱ, অসুৰ, দেৱদেৱী বা পশু বা পক্ষী হৈ ওলাবলগীয়া হয়, মুখা পিন্ধি ওলাবলগীয়া হয়। মুখাই চিনাকিকো অচিনাকি কৰে।

মুখাৰ ব্যৱহাৰ সম্পূৰ্ণ আচহুৱা বা নতুন নাছিল। মুখাখন দেখিয়ে, তাৰ ৰং দেখিয়ে, দৰ্শকে বুজিব পাৰে, মঞ্চত সেইটো কি ওলাইছে। মুখাৰ বৰণ যদি পকা সুমথিৰা যেন ৰঙা, তেন্তে সেইজন দেৱতা, অপ্সৰা বা যক্ষ। যদিহে কেঁচা সোণবৰণীয়া, তেন্তে সেইয়া ব্ৰহ্মা, সূৰ্য্য বা ৰুদ্ৰ। মুখাৰ বৰণ নীলা বা নীলাচানেকীয়া হলে সেইয়া সাগৰ, গঙ্গা নৈ,



হিমালয় পৰ্ব্বত, তাৰকা, চন্দ্ৰ, বৰুণ বা বৃহস্পতি। ভয়ংকৰ মুখাখন ৰাহুৰ বা কোনোবা অসুৰৰ, দৈত্য-দানৱৰ। চৰিত্ৰবোৰৰ বিভিন্নতা বুজাবৰ কাৰণে মুখাৰো বেলেগ বেলেগ আকৃতি আৰু ৰং।

আমাৰ নিজৰ বাটে খনিকৰেই এইবোৰ মুখা সাজিব—কাঠ কাটি কাটি। নাইবা বাঁহ, খেৰ, কাপোৰ, তুলাপাত আদিৰেও মুখা সাজিব পাৰে। এনেদৰে ৰং বৰণ, হেঙুল, হাইতাল সানিব লাগে যেন দৰ্শকে মুখাখন কিহেৰে সাজিছে ধৰিব নোৱাৰে। ইয়াৰ মানুহে আগৰ প্ৰাচীন সংস্কৃত নাটকৰ অভিনয়ত কৰা মুখাৰ ব্যৱহাৰ দেখা নাই, কিন্তু কোনো কোনোৱে মুখা পিন্ধা বহুৱা দেখিছে, কোনো কোনোৱে ভুটীয়া বা তিব্বতী লামা দেখিছে। দেশ আৰু ৰাইজৰ অপায় অমঙ্গল দূৰ কৰিবৰ কাৰণে লামা বিলাকে দেওমুখা পিন্ধি দেওনাচ নচাও দেখিছে। চিহ্নযাত্ৰা ভাওনাতো দেৱতা কিন্নৰ ওলাব—মুখা পিন্ধিয়ে ওলাব।

চিহ্নযাত্ৰাৰ ভাওনাৰ নাট :
প্ৰথমতে ধেমালিৰ ঘোষা,
তাৰপিছত সংস্কৃত শ্লোক।
তাৰপিছত সূত্ৰ ভঙ্গীমা, আৰু গীত।

একালে সৰু-ধেমালি, ঘোষা-ধেমালি, বৰ-ধেমালিৰ আখৰা, আনপিনে গীতৰ সুৰ-ৰাগৰ আখৰা, আৰু লগে লগে বৈকুণ্ঠৰ চিত্ৰপট অঁকাৰ কাম। শংকৰ ব্যস্ত। চিহ্নপটত ৰং তুলিকাই ফুটাই তুলিছে বন-উপবন, সৰোবৰ, সোণৰ ঘাট। যথাস্থানত অঁকা হৈছে লক্ষ্মী, সৰস্বতী, সাত বৈকুণ্ঠৰ সাত গোপাল, চৈধ্য পাৰিষদ।

সম্পূৰ্ণ হৈ আহিছে বৈকুণ্ঠৰ ছবি। স্বপ্নদ্ৰষ্টা, ডেকা শিল্পী শংকৰৰ মনত এক অসাধ্য সাধন কৰাৰ আনন্দ-উল্লাস। তুলিকাৰ বুলনি চলিছে অব্যাহত। মাজে মাজে কোনোবা কোনোবা আহি চাই যায়হি— বৈকুণ্ঠ সম্পূৰ্ণ হবলৈ আৰু কিমান বাকী।

কোনোবা আহি শংকৰৰ পিছফালে বৈ একেথৰে চাই আছে শংকৰৰ তুলিকাৰ যাদুকৰী বুলনি।

শংকৰে মূৰ তুলি চালে।

চন্দ্ৰী বুঢ়ী আই। শংকৰৰ ঘৰৰ কাম কৰা দাসী। "কি চাইছ চন্দ্ৰী?"

"তোমাৰ আঁকা বৈকুণ্ঠ চাইছো।"

"হৈছেনে বাৰু?"

"হৈছে। পিছে—"

"পিছে আকৌ কি?" শংকৰে সুধিলে।

"বৈকুণ্ঠত সকলো দিলা, পিছে দেখোন কল্পতৰু বৃক্ষজুপি নাই, ডেকাগিৰী?"

শংকৰ বৈ গ'ল। বৈকুণ্ঠত ক'ত কি আছে, তেনেহ'লে চন্দ্ৰীয়েও জানে! আৰু কল্পতৰুহীন বৈকুণ্ঠ!

"সকলো দিলো, কল্পতৰুজোপা কোনখিনিত দিম ঠাই বিচাৰি পোৱা নাই, চন্দ্ৰী।"

হাঁহি চন্দ্ৰীয়ে, শংকৰে আঁকি থকা চিত্ৰপটখনৰ ঠাই এডোখৰলৈ আঙুলিয়াই ক'লে, "কল্পতৰুজোপা এইখিনিতে দিয়া।"

শংকৰৰ চিত্ৰপটত কল্পতৰু বৃক্ষৰ কাৰণে ঠাই ওলাল। শংকৰে সেই গছজোপা আঁকি বৈকুণ্ঠৰ চিত্ৰপট সম্পূৰ্ণ কৰিলে। শিল্পীৰ মহান সৃষ্টিত ঘৰৰ কাম কৰা লিগিৰীয়েও সহযোগিতা আগবঢ়ালে! চন্দ্ৰীৰ চকুতো শিল্পীৰ স্বপ্ন।

* * *

এতিয়া চিহ্নযাত্ৰা ভাৱনাৰ প্ৰদৰ্শনী।

বৰদোৱা লোকে লোকাৰণ্য। দহ-বাৰ হেজাৰ মানুহ গোট খাইছে এক নেদেখা বস্তু চাবৰ কাৰণে—ডেকাগিৰী শংকৰে আকাশৰ সিপাৰৰ পৰা নমাই আনিছে ইন্দ্ৰৰ অমৰাৱতী, বিষ্ণুলোক, বৈকুণ্ঠপুৰী। যাক দেখা পোৱা মানে ইহকাল পৰকাল সাৰ্থক কৰি তোলা। মানুহৰ উদুলি-মুদুলি লাগিছে। বৈকুণ্ঠ দৰ্শনৰ কাৰণে ঢৰা, পাতিঢৰা, কঠ, যিয়ে যি পাৰে লৈ আহি কৌতুহল উৎকণ্ঠা আৰু আনন্দেৰে বহিছেহি। বিয়াই বাৰুৰেও ক'তো একেলগে ইমান মানুহ গোট নেখায়—আৰু এনেকৈ ব্ৰাহ্মণ, শূদিৰ, নদীয়াল, বৃত্তিয়াল—সকলো একেঠাইতে এনেকৈ একেলগে নবহে।



চাৰিফালে চাৰিডাল আৰিয়া, নডাল মটা জৰলোৱা হৈছে। সভাথলী পোহৰ হৈ উঠিছে।

আজিৰ এই অভিনয় অনুষ্ঠানৰ বৰ গায়ন স্বয়ং শংকৰ। ৰামৰাম সূত্ৰধাৰ। উদাৰ আৰু গোবিন্দ আতৈ ওলাইছে বায়নৰ ভেশত। খোলত চাপৰ পৰিল। আৰম্ভ হ'ল বৰ-ধেমালি। শংকৰে একেলগে নটা খোল বজাই গভীৰ কণ্ঠে গালে বায়ু মণ্ডল ৰাগ, যেন বতাহ লাগি ফুলনিৰ ফুলবোৰ ফুলি উঠিল। তাৰ লগে লগে উদাৰ আৰু অন্যান্য বায়নেও শংকৰৰ লগে লগে গীত গাবলৈ ধৰিলে। নাট ভাৱনাই বৈকুণ্ঠক সজীৱ কৰি তুলিলে। মঞ্চত দেখা দিলে নাৰায়ণৰূপী শংকৰ। খোলৰ তালে তালে নাচি নাচি প্ৰবেশ কৰিলে আৰু পাঁচ নাৰায়ণ। বলায়ে গীত জুৰিলে তিমিৰ ৰাগত। তাৰ পিছত বৈকুণ্ঠৰ চৈধ্য পাৰিষদ ওলাল খোলৰ তালে তালে নাচি নাচি। খুলীয়া সকল ব্যস্ত—সৰু-ধেমালি, ঘোষা-ধেমালি, বৰ-ধেমালি, গুৰু-ধেমালি, নাট-ধেমালি—সকলো ধেমালি ফুটাই তুলিব লাগে খোল তালৰ বিভিন্ন বিচিত্ৰ বোলৰ মাজেদি।

খোলত, গীতত, সূত্ৰধাৰী নৃত্যত, নাৰায়ণৰ ভাৰত—সকলোতে শংকৰ—গায়ক শংকৰ, বাদক শংকৰ, অভিনেতা শংকৰ, প্ৰযোজক শংকৰ, পৰিচালক শংকৰ, চিহ্নযাত্ৰা নাটৰ ৰচক শংকৰ, চিত্ৰপটৰ শিল্পী শংকৰ। এক অসাধাৰণ ব্যক্তিত্ব, এক অসাধাৰণ শিল্পী-প্ৰতিভা, যেন এক দৈৱদত্ত প্ৰেৰণাৰে উদবুদ্ধ এক দেৱলোকৰেই প্ৰতিভাবান স্ৰষ্টা।

দৰ্শকসকল মুগ্ধ, অভিভূত, তন্ময়। পৃথিৱীৰ বুকুত শংকৰে জাগ্ৰত, জীৱন্ত কৰি তুলি ধৰিলে বৈকুণ্ঠৰ চিত্ৰ—মাটিৰ বুকুলৈ নমাই আনিলে স্বৰ্গ। বিস্মিত, অভিভূত, পুলকিত বাকৰুদ্ধ সকলো দৰ্শক শ্ৰোতা—শংকৰৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰ চকু বাষ্পাকুল। এইয়া এক মহান প্ৰতিভা, এই কামৰূপ ৰাজ্যত কোনো কালে এনে অসাধাৰণ প্ৰতিভাৰ জন্ম হোৱা নাছিল। যাৰ কল্পনা-শক্তিয়ে, যাৰ সৃজনী শক্তিয়ে সৰগকো নমাই আনিব পাৰে, চোতালৰ বননিলৈ, সেই অসামান্য শিল্পী, স্ৰষ্টা, সাধক, গায়ক, কলাকাৰ—সকলোৰে নমস্য। তেওঁ ব্ৰাহ্মণ-অব্ৰাহ্মণ

নিৰ্ব্বিশেষে সকলোৰে দীক্ষাগুৰু হোৱাৰ যোগ্য। কন্দলিৰ টোলৰ ছাত্ৰ থাকোঁতেই, অসাধাৰণ স্মৃতি শক্তি, বোধ শক্তি আৰু প্ৰতিভাৰ লক্ষণ দেখি মহেন্দ্ৰ কন্দলি অধ্যাপকে শংকৰক শংকৰদেৱ বুলি যি স্বীকৃতি আৰু মৰ্য্যাদা দিছিল, চিহ্নযাত্ৰা ভাৱনাৰ অভূতপূৰ্ব্ব সাফল্য আৰু ইয়াৰ যোগে প্ৰতিষ্ঠিত হোৱা শংকৰৰ অসাধাৰণত্ব দেখি এতিয়া সকলোৱে উপলব্ধি কৰিলে যে কামৰূপ ৰাজ্যত এটা নতুন যুগৰ আৰম্ভণি হৈছে। এক নতুন শিল্পীৰ আৱিৰ্ভাৱ হৈছে, ইয়াৰ শিল্প, সাহিত্য, কলা আৰু সংস্কৃতিৰ জীৱনলৈ এক নতুন প্ৰভাতৰ হেঙুলী পোহৰ নামি আহিছে। এটা সুসংহত আৰু পৰিচ্ছন্ন সংস্কৃতিৰ জন্মলগ্নক সকলোৱে আন্তৰিক ভাৱে স্বাগত জনালে। অসমৰ মাজ-মজিয়াত অসামান্য এক আলোক-শিখাৰ জ্যোতি উদ্ভাসি উঠিল।

কামৰূপ ৰাজ্যৰ ইতিহাসে এক নতুন যুগৰ পদধ্বনিৰ অনুৰণন শুনিবলৈ পালে।

এজন শিল্পীৰ উদয় হ'ল!

এটা যুগৰ জন্ম হ'ল!



Paschim Guwahati Mahavidyalaya
Guwahati-17
Date..................
Dharapur, Charali

# দ্বিতীয় খণ্ড



কুঁৱলী পৰিছিল।

জোনাক আছিল। কিন্তু কুঁৱলীৰ মাজেদি সৰকি আহি মাটিত পৰোঁতে সেই জোনাকৰ পোহৰখিনি ধুঁৱলী কুঁৱলী হৈ পৰিছিল। চোতালৰ মৰণা সামৰি, ধান ভঁৰালৰ আগত সুমুৱাই থৈ আৰু ধান খেৰবোৰ বহল চোতালখনৰ একাষৰলৈ থৈ, মৰণা মৰা মানুহকেটা নিজ নিজ ঘৰলৈ গৈছিলগৈ।

সেমেকা, জান-নেজান বতাহ জাকত পকা ধানৰ গোন্ধ।

আঘোণ মাহ। জাৰ পৰিছে। প্ৰায় মানুহবোৰ ঘৰৰ ভিতৰত জুহালৰ দগদগীয়া মুঢ়া খৰিৰ জুইৰ কাষত বহি মানুহবোৰে হাত-ভৰি সেঁকিছিল আৰু সৰু সৰুকৈ কিবা কিবি কথা বতৰা পাতি আছিল। জুইৰ কাষত বহা মানুহবোৰৰ গাত চোলা নাছিল। কাৰোবাৰ গাত আছিল একোখন এড়ীয়া বা এড়ী কাপোৰ। ল'ৰা-ছোৱালীবোৰৰ গাত গাঁঠি দি বান্ধি দিয়া একোখন কপাহী গামোচা। দুই এক বয়সীয়া মানুহ জুইৰ কাষতে একোখন ঢাৰি পাৰি বহি লৈ, তামোল খুন্দি খোৱাত ব্যস্ত। কোনো একোঘৰত ল'ৰা ছোৱালীয়ে কিবা কথাত হাঁহি কিৰিলি পাৰি কোঢ়াল কৰিছিল। কাৰোবাৰ ঘৰৰ ভিতৰত বুঢ়া বুঢ়ীয়ে কাহিছিল।

প্ৰায়বোৰ মানুহেই ভাত-পানী খাই উঠি শোৱাৰ যা-যোগাৰ কৰিছিল। জুহালৰ জুই নুমাই আহিব। একেবাৰে নুমাই নেযাবৰ কাৰণে জ্বলি থকা আঙঠাবোৰৰ ওপৰত ফলীয়া তুঁহ আৰু ফুট-ছাই বাকি দিছিল। জুই নুমাই গলে আকৌ জ্বলাবলৈ বৰ টান কথা। সকলোৰে ঘৰত টিঙ্গিৰি নাই, বহুতৰে ঘৰত আকণৰ তুলাও নাই। জুই নুমাই গলে

আকৌ জ্বলাবলৈ বহুত যতন কৰিব লাগে। টিঙ্গীৰ শিল লাগিল, টিঙ্গীৰ তীখা লাগিল, গাৰ বলেৰে শিলত তীখা ঘঁহাই নাইবা তীখাৰে শিলত মৰিয়াই জুই ফিৰিঙতি উলিয়াব লাগে। পাৰিলে আকণ গছৰ এঠাৰ তুলা নহলে গুটি গুচোৱা শুকান শিমলু তুলা সাজুকৈ ৰাখিব লাগে। জুই ফিৰিঙতি ওলোৱাৰ লগে লগে তুলা দি ধৰিব লাগে। এইবোৰ কৰিব জানিব লাগে। তাৰ পিছত মাটিৰ চাকিত সৰিয়হৰ তেলত জুবুৰিয়াই থোৱা ফটাকানিৰ শলিতাত তুলাৰ পৰা জুই জ্বলাব লাগে।

ইমানবোৰ কৰাতকৈ বেছি ভাগ মানুহেই জুহালত খৰি তুঁহ দি জুই নুনুমুৱাকৈ ৰাখিছিল। কোনোৱে শকত, দীঘল জোঁৰ জ্বলাই থৈছিল। কোনোৱে নাহৰ গুটিও জ্বলাই জুই নুনুমুৱাকৈ ৰাখিছিল। সকলোৱে জুই জ্বলাই ৰাখিবলৈ ইমানবোৰ যতন নকৰিছিল। গাঁওখনত বা চুবুৰীটোত যি এঘৰ বা দুঘৰত জুই সদায় জ্বলাই থয়, তাৰপৰা জোৰ বা ধানখেৰৰ জুমুঠিৰে জুই জ্বলাই নি নিজৰ ঘৰত জুই জ্বলাইছিল। কাঠ খৰিৰ অভাৱ নাছিল। গোট গোট শুকান কাঠ জুইত দিও জুই জ্বলাই ৰাখিছিল। চকমকি শিল বা টিঙ্গীৰ শিল য'তে ত'তে পোৱা নগৈছিল। যি কোনো শিলত তীখা ঘঁহিলে ফিৰিঙতি নোলায়। টিঙ্গীৰ শিলো তীখাৰ দৰে টান হ'ব লাগে।

বাৰ ভুঞাৰ ঘৰৰ জুহালতো জুই দিনে ৰাতিয়ে জ্বলাই ৰখাত অসুবিধা নাছিল। গোট কাঠ খৰিৰ নাটনি নাই, তুঁহ গুড়িৰ নাটনি নাই, তেল শলিতাৰ নাটনি নাই। আৰু ঘৰতে টিঙ্গীৰ তুলাও আছে।

বনগঞা গিৰীৰ পৰিয়াল খাই বৈ উঠি পাটিত পৰিছিলগৈ—নিজৰ ঘৰত: হৰি আৰু মনুও শুবলৈ গৈছিল। ঘৰৰ কাম কৰা লগুৱা লিগিৰীবোৰে জুইৰ কাষত বহি ইটো সিটো কথা পাতি মেল মাৰিছিল। খেৰসুতী আয়েও আখল সামৰি চালপীৰাত উঠিব খুজিছিল। আইৰ চালপীৰাৰ ওচৰৰ জুই শালত দগদগীয়া অঙঠাৰে জুইকুৰা তেতিয়াও জ্বলি আছিল। মাজৰাতি হোৱা নাছিল যদিও কুঁৱলীয়ে ঘেৰি থকা গাঁৱলীয়া ৰাতিটো গহীন গহীন লাগিছিল।



—"আইতা – অ' আইতা"—

দুৱাৰৰ বাহিৰত, চোতালত যেন কাৰোবাৰ চিনাকি মাত—!

"আইতা—"

খেৰসুতী আই ঢহমহাই চালপীৰাৰ পৰা নামিল আৰু লেম চাকি নোহোৱাকৈয়ে হুৰমুৰকৈ দুৱাৰ মেলিবলৈ যাব খোজোতে চালপীৰাৰ চুকত খুন্দা খাই ভৰিৰ এবখলা এৰাই গ'ল। তালৈ ঘূৰি নেচাই খেৰসুতী আই আহি দুৱাৰ মেলি বাহিৰলৈ চালে—দুৱাৰ মুখত শংকৰদেৱ।

বুঢ়ীয়ে শংকৰক সাৱটি ধৰি বুকুত সুমুৱাই লৈ হুকহুকাই কান্দি উঠিল।

"অতদিন ক'ত আছিলি ঐ বোপাই,
অতদিন কলৈ গৈছিলি অ' বোপাই।

বাৰ বছৰৰ মূৰত ভাল তোৰ ঘৰলৈ মনত পৰিল। মইনো মৰিলোনে জীয়াই আছো এবেলিনো ভুলবলৈ ঘৰলৈ আহিব নোৱাৰনে, আহ, আহ, ভিতৰত সোমাই আহ। কিমান ভাগৰে জুগৰে আহিছ চাগৈ—"

বুঢ়ীমাকৰ বাহুৰ মাজৰ পৰা মুকলি হৈ শংকৰদেৱ ঘৰৰ ভিতৰলৈ সোমাই আহিল।

ইতিমধ্যে খেৰসুতীৰ চিঞৰ-বাখৰ শুনি ঘৰৰ শোৱা, শুবলৈ যোৱা সকলো মানুহ উঠি আহিল। মনু আহিল, হৰি আহিল, বনগঞা গিৰী আহিল, চাকৰ-বাকৰবোৰ আহিল। আঘোণমহীয়া সেমেকা ৰাতিটো তপত হৈ উঠিল। শংকৰদেৱে যেন বহুত উত্তাপ লৈ আহিছে, বহুত পোহৰলৈ আহিছে!

চাকি বন্তি জ্বলোৱা হ'ল। আৰু দগদগীয়াকৈ জুই জ্বলোৱা হ'ল। এখন তামুলপীৰাত শংকৰদেৱ বহিল। সকলোৱে তেওঁৰ মুখলৈ চালে।

বাৰ বছৰৰ মূৰত শংকৰদেৱ বৰদোৱালৈ ঘূৰি আহিছে, নিজৰ আপোন পৰিয়ালৰ মাজলৈ, নিজৰ গাঁৱৰ মানুহৰ মাজলৈ ঘূৰি আহিছে।

বৰদোৱাৰ সিপাৰে, কামৰূপৰ সিপাৰে ভাৰতবৰ্ষ নামে এখন বৰ ডাঙৰ দেশ আছে। বাৰ বছৰে সেইখন দেশৰ ইমূৰৰ পৰা সিমূৰলৈ

ঘূৰি ঘূৰি শংকৰদেৱ ঘূৰি আহিছে। কিন্তু ক'তা ; বাৰ বছৰতো তেওঁ যেন অকণো সলনি হোৱা নাই। গাল মুখত ক'তো বয়সৰ আঁচোৰ নাই। শ্ৰী চেহেৰা যেন ইয়াৰ পৰা যোৱাতকৈ বেছি ধুনীয়া, বেছি পূৰঠহে হৈ আহিছে। এতিয়াহে যেন যৌৱন শ্ৰী উপচি পৰিছে। গঢ়িত মুখখনৰ গৌৰ কান্তি যেন এতিয়াহে আৰু প্ৰশান্ত আৰু সুন্দৰ হৈ উঠিছে। কান্ধৰ ওপৰলৈকে পৰা কিচ্‌কিচকৰে ক'লা চুলিখিনি, গঢ়িত দীঘল নাকটো, প্ৰখৰ উজ্জ্বল চাৱনিৰে বুদ্ধি দীপ্ত, তেজাল কোমল চকুহাল বৈ পৰা চেলাউঁৰিৰে প্ৰশান্ত কপালখন, আৰু হাহোঁ হাহোঁ যেন কৰি থকা ওঁঠ দুটা—এতিয়াহে যেন শংকৰদেৱ আচল ডেকা হৈছে, এজন পুৰুষ হৈছে।

সকলোৰে চকুত বিস্ময়, শ্ৰদ্ধা, কৌতূহল! সকলোৰে চকুত মুখত ভাষাহীন প্ৰশ্ন—কলৈ গৈছিলা, অতদিন ক'ত আছিলা, ক'ত ঘূৰি ফুৰিছিলা? তুমি ক'ৰবাত বৈ আছিলা নে গৈ আছিলা? ক'ত কি দি থৈ আহিলা? ক'ৰ পৰা আমালৈ কি লৈ আহিছা?

বাৰবছৰৰ ক্লান্তিহীন পৰিশ্ৰমে, দূৰ-দূৰান্তৰ নিৰন্তৰ ভ্ৰমণে শংকৰদেৱক ভাগৰাব নোৱাৰিছিল। আজি যেন নিজ ঘৰ পাই, নিজ মাটি পাই, নিজৰ পৰিচিত বায়ুৰ কোমল নিশ্বাস পাই শংকৰৰ ভাগৰ লাগিল। ভাগৰে হেঁচা মাৰি ধৰিছে শংকৰক। শংকৰৰ মনত এক গভীৰ আনন্দ—তোমালোকক যেনেকৈ এৰি গৈছিলো, তোমালোক তেনেকৈয়ে আছা! তোমালোক সকলো আছা। মোৰ মৰমৰ ঘৰখন আছে, মোৰ মৰমৰ গাঁওখন আছে, মোৰ মৰমৰ মানুহবোৰ আছে। তোমালোক আছা। আৰু ময়ো আছো। মই ঘূৰি আহিছো। মই, তোমালোকৰ সেই চিনাকি, আপোন শংকৰেই তোমালোকৰ মাজলৈ উভতি আহিছো। এইয়া কালিহে যেন গৈছিলো আৰু আজি ঘূৰি আহিছো। মাজতে সুদীৰ্ঘ বাৰটা বছৰ পাৰ হৈ গ'ল। বাৰটা বছৰ নে বাৰটা দিন?

খেৰসূতী আয়ে খদমদম লগাইছে। পানী তপতাই দিছো, এতিয়া গাটো তিয়াই লব লাগে, ভোকে লঘোণে আহিছে, এমুঠি খাব লাগে,



ভাগৰে জুগৰে আহিছে, শেতেলিত পৰিব লাগে, জিৰাব লাগে, শুব লাগে। এতিয়া দুপৰ ৰাতি আৰু হাইহুই কৰি, চিঞৰ-বাখৰ কৰি, কথা-বতৰা পাতি সময় কটাব নেলাগে। ঘৰলৈ ঘূৰি আহিল যেতিয়া, যিমান কথা জানিবৰ মন যায়, কাইলৈ সুধি থাকিবাহক। এতিয়া শংকৰক মোলৈ এৰা, এমুঠি খাওক, অকণ জিৰাওক, অলপ পাটিত পৰক, অলপ শোৱক টোপনি যাওক। অলপ বাৰ বছৰীয়া ভাগৰ পলাৱাওক।

সকলোৰে মনত এটা বুজাই ক'ব নোৱাৰা আনন্দ। সকলোৰে যেন মনৰ আনন্দতে কাৰোবাক চিঞৰি চিঞৰি ক'বৰ মন গৈছে—আমাৰ শংকৰ ঘূৰি আহিছে ক'ব পাৰানে? আমাৰ শংকৰদেৱ ঘূৰি আহিছে, গম পাইছানে? চোৱাহিচোন, আমাৰ শংকৰদেৱ কেনেকুৱা ধুনীয়াটো হৈ ঘূৰি আহিছে, কেনেকুৱা ৰূপহটো হৈ, দেখনিয়াৰ হৈ, চালে চাই থাকিবৰ মন যোৱাটো হৈ ঘূৰি আহিছে।

আজি বাৰ বছৰৰ মূৰত, এযুগৰ মূৰত শংকৰ ঘৰলৈ ঘূৰি আহিছে। সেয়েহে আঘোণমহীয়া পকাধানবোৰ ইমান মহমহীয়া গোন্ধাইছে। জোনাকবোৰ ইমান কোমল হৈছে, কুঁৱলীবোৰ ইমান উমলগা হৈছে, দগদগীয়া, নাহৰ কাঠৰ ফলা খৰিৰ জুইকুৰা ইমান সোণবৰণীয়া হৈছে। শীতকালৰ টোপনি যোৱা গাঁওখনত যেন শংকৰদেৱৰ কাৰণে আছে, এক মৰমৰ গভীৰ আহ্বান, খাটখনৰ কাপোৰৰ জাপৰ মাজত আছে এক চিনাকি, কোমল উম। ক্ৰমে শংকৰদেৱৰ চকুহাল মুদ খাই আহিল।



তীৰ্থ ভ্ৰমণ শেষ কৰি, শংকৰদেৱ বৰদোৱালৈ ঘূৰি অহাৰ বাৰ্তাৰটো ওচৰ-পাজৰৰ সকলোৰে মাজত বনজুই বিয়পাদি বিয়পি পৰিল। তেওঁক এবাৰ দেখা পাবৰ কাৰণে, ওচৰৰ, দূৰণিৰ মানুহ হিলদল ভাঙি আহিল। বাৰভূঞাৰ ঘৰ-চোতাল মানুহেৰে গিজ খালে। গোটেই ভাৰতৰ সহস্ৰ তীৰ্থ ভ্ৰমণ কৰি ঘূৰি আহিছে কুসুমবৰ ভূঞাৰ পুত্ৰ ডেকাগিৰী শংকৰদেৱ। সন্ন্যাসী হৈ অহা নাই, আহিছে সুপুৰুষ হৈ, মাতে-কথাই, খোজে-কাটলে, এক দেখিলেই মূৰ দোঁৱাই ভৰি চুই সেৱা কৰিবৰ মন যোৱা গৌৰ কান্তি কোনোবা ধৰ্ম্মশাস্ত্ৰৰ দেৱতা যেন হৈ।

বৰদোৱাত উখল-মাখল।

যোৱা বাৰ বছৰে বাৰ ভূঞাৰ আগৰ ৰজনজনা পৰিয়ালৰ এতিয়া শোচনীয় অৱস্থা। বনগঞা গিৰীয়ে কোনোমতে চলাই আছে, চলি আছে। আগৰদৰে গোহালিত শ শ জনী খীৰতী গাই নাই। তীৰ্থলৈ বুলি ঘৰ এৰি যোৱাৰ আগতে সেইবোৰ শংকৰে বিলাই দি থৈ গৈছিল। সকলোৱে সেইবোৰ মোৰ বুলি নিজাকৈ ললে। আজি বাৰ ভূঞাৰ ঘৰত গাখীৰ একঁতিয়া, দৈৰ-টেকেলি এটা দিবলৈও টান পায়। ভূঞাৰ মাটিৰ ওপৰত থাকি হাবি-বননি, গছ-গছনি কাটি পুৰি খাস্তাং কৰিলে। দক্ষিণৰ কপিলীপৰীয়া কছাৰীহঁতে ম'হ গৰু মেলি দি পথাৰৰ শইচ নষ্ট কৰে। বাধা দিবলৈ ভেটিবলৈ কোনো প্ৰজাৰ শক্তি সাহস নাই। ভূঞাৰ ঘৰত আগৰ নিচিনা চোতালে ভঁড়ালে উভৈনদী হৈ থকা শালি, লাহী, জহা, বৰা ধানৰ দ'ম নাই। আগে এনেকুৱা আঘোণ-পুহমহীয়া পথাৰৰ খেতিৰ ধান চপোৱাৰ সময়ত বাৰ ভূঞাৰ ঘৰ, চোতাল, ভঁড়াল, বাটচ'ৰা



নানা তৰহৰ ভাগে ভাগে থোৱা পকা ধানৰ ডাঙৰীৰে ঠাহ খাই থাকে। হাতী শালি, মইনা শালি, বগা শালি, ক'লা শালি ধানৰ ডাঙৰী, ক'লা জহা, বগা জহা, কণ জহা, গোন্ধে মলমলাই থকা নানাবিধৰ জহা ধান, ৰঙা বৰা, ক'লা বৰা, হেলচী বৰা, জেঙনি বৰা আৰু কত বিধৰ বৰা ধান—সেইবোৰো যেন নোহোৱা হ'ল। সেই মালভোগ, জাহিঙা, দলকচু, প্ৰসাদভোগ, নেকেৰা, বাটকপাহী, চকোৱা, সুৱাগমণি—আৰু কত ৰঙবিৰঙৰ দেখি মন জুৰুৱা, চালে চকুৰোৱা ধান! গৰু-গাই, ধান-চাউল, গছ-বিৰিখ—এইবোৰেই সম্পত্তি। এইবোৰ নোহোৱা হ'লে বাৰ-ভূঞাৰ পৰিয়ালৰো মান মৰ্য্যাদা লঘু হয়। আগেয়ে যিবোৰ গা-ৰখীয়া, ঘৰ ৰখীয়া, খাট পাম ৰখীয়া আৰু বাৰ ভূঞাৰ ৰাজ্য ৰখীয়া সৈন্য-সামন্ত আছিল, সেইবোৰো নোহোৱা হৈছে। নহলে কছাৰীয়ে ইমান উপদ্ৰৱ কৰিব নোৱাৰিলেহেতেন, ভূটিয়াই আমনি কৰিব নোৱাৰিলেহেতেন আৰু উজানিৰ আহোমৰ ৰজা ঘৰলৈও সিমান ভয় চিন্তা কৰিব লগীয়া নহ'লহেতেন।

এনেদৰে ধনে-জনে শ্ৰীহীন আৰু নিশকতীয়া হৈ পৰা আগৰ নদন-বদন বাৰভূঞাৰ ৰাজ্য জানো আগৰ অৱস্থালৈ ঘূৰাই নিব পৰা যাব? এসময়ত ভূঞা ৰজাসকলে স্বতন্ত্ৰীয়াকৈ সৰু হওক, ডাঙৰ হওক, নিজ নিজ ৰাজ্য শাসন কৰিছিল। প্ৰয়োজন হলে, সকলো ভূঞা ৰজা একেলগ হৈ ৰজা ভঙা-পতাতো শক্তিশালী ভূমিকা পালন কৰিছিল। মাটিগিৰী ভূঞাহঁতৰ একতাৰ কাহিনী কিম্বদন্তীত পৰিণত হৈছিল।

…এবাৰ আহোম ৰজাই কোনোবা এক ভূঞাক পাচিলে বজাৰৰ পৰা এটা বেজি আনিবৰ কাৰণে। কিন্তু ভূঞাহঁতে কোনো কাম গাইগুটিয়াকৈ অকলে নকৰে, সকলোৱে লগ লাগি একমুঠ হৈ কৰে। বেজিটো আনিবলৈ বাৰঘৰ ভূঞাৰ বাৰটা গ'ল। ভীমকলৰ গছ এডাল কাটি তাতে বেজিটো সী, বাৰটা ভূঞাই এটা বেজি ভাৰ বৈ আনি ৰজাৰ আগত থলেহি।…

এইয়া আছিল সাধুকথাৰ ভূঞাহঁতৰ একতাৰ কাহিনী।

এতিয়া বাৰ ভূঞাৰ বাৰঘৰ ভাই ভাই, ঠাই ঠাই। অ'ত এঘৰ, ত'ত

এঘৰ। আগৰ প্ৰভাৱ প্ৰতিপত্তিও বহুত কমিল। আনকি শিৰোমণি ভূঞা চণ্ডীবৰ, কুসুমবৰৰো আগৰ অৱস্থা নাই।

হয়তো শংকৰদেৱে দায়িত্ব লৈ সা-সম্পত্তি চলাই বলাই খাবলৈ মান্তি হলে আগৰ বাৰ ভূঞাৰ ঘৰৰ খ্যাতি সমৃদ্ধি পুনঃ প্ৰতিষ্ঠিত হ'ব। কিন্তু অকলশৰীয়া, আৰু ধৰ্ম্ম চিন্তাত সদায় মগন হৈ থকা পত্নীহাৰা শংকৰে জানো সংসাৰৰ বোজা মূৰ পাতি লবলৈ, সংসাৰৰ আউলীয়া মেৰপাকত সোমাবলৈ মান্তি হ'ব? তেওঁ ঘূৰি আহিছে যদিও যেন অন্য এখন জগতৰ পৰাহে আহিছে, আৰু যেন অন্য এখন নেদেখা জগতৰহে চিন্তা কৰি থাকে।

শংকৰদেৱৰ আত্মীয়-স্বজনে শুভাকাংক্ষী সকলে অনুৰোধ জনালে— যেন ঘৰ আৰু সা-সম্পত্তিৰ দায়িত্ব তেওঁ নিজৰ হাতলৈ লয়। বিষয়ৰ দোমোজাত সোমাই লৈ সাংসাৰিকতা আৰু উচ্চতৰ ধৰ্ম্ম জীৱনৰ মাজত টনা আজোৰাৰ মাজলৈ সোমোৱাৰ প্ৰবৃত্তি তেওঁৰ নোহোৱা হৈছিল। ঘৰ-সংসাৰ, সা-সম্পত্তি মোৰ নিজৰ কাৰণে। এইবোৰ অস্থায়ী আৰু অনিত্য। মই সেই পৰম বস্তুৰ সন্ধেদ পাইছো, যি অক্ষয়, অব্যয়, নিত্য আৰু সত্য। সেই বস্তু মোৰ নিজলৈকে আহুতীয়াকৈ ৰাখিবৰ কাৰণে নহয়, সৰ্ব্বজনৰ মাজত বিলাই দিবৰ কাৰণেহে। এই যে মোৰ চৌপাশৰ মানুহবোৰৰ, খেতিয়ক, হজুৱা, বনুৱা, কাটনি, তাঁতী, বাঢ়ৈ, খনিকৰ, কমাৰ, কুমাৰ, চমাৰ, মাছমৰীয়া, খৰিকটীয়া, নানা বৃত্তি অবলম্বন কৰি জীৱন নিৰ্বাহ কৰা মানুহবোৰ, আৰু আমাৰ এই তিৰোতা-বোৰ, যি ধৰ্ম্ম-কৰ্ম্মৰ একো ভাগ নেপায়, যি কেৱল ইতৰ প্ৰাণীয়ে খটাদি খাটে, কেৱল দেহাৰ খাটনি খাটিব জানে আৰু সন্তানৰ মাতৃ হ'ব জানে। এই সকলোৰে মুক্তিৰ কাৰণে, উদ্ধাৰৰ কাৰণে সকলোকে মানুহৰ স্থান আৰু মানুহৰ মৰ্য্যাদা দিবৰ কাৰণে, এই সকলোকে এক অজৰ অমৰ অমূল্য সম্পদৰ সমভাগী কৰিবৰ কাৰণে মই কিবা এটা নকৰি, জাহ খহি যাবলৈ ধৰা বাৰ ভূঞাৰ সম্পত্তি ৰখীয়াহৈ থকাতে মই আৰ্জ্জন কৰা বিদ্যা জ্ঞান অভিজ্ঞতাখিনি খটুওৱাটো অকৰ্ত্তব্য নহবনে?

যি সম্পদ সম্পত্তি ৰক্ষা কৰিবৰ কাৰণে মই দিনে ৰাতিয়ে সজাগ



সচেতন থাকিব লাগে, অন্যৰ লগত যুঁজিব লাগে, আৰু যি ঐশ্বৰ্য্য সম্পদে মোক আন সাধাৰণ মানুহৰ পৰা আঁতৰাই ৰাখে, তাৰ কাৰণেই মই মোৰ সকলো শ্ৰম চিন্তা কামত লগোৱাটোৰ বিনিময়ত মই কি পাম? বাৰভূঞা পৰিয়ালৰ ভিতৰৰ এজন শিৰোমণি ভূঞা হৈ থাকিম, এইয়া মোহ, এইয়া বিষয় বাসনাৰ প্ৰতি আসক্তি। এখন দেশৰ গৰাকী হোৱাতকৈ, এখন ৰাজ্যৰ নৃপতি হোৱাতকৈ, মানুহৰ অন্তৰৰ মাজত, হৃদয়ৰ মাজত ঠাই পোৱাটো পৰম নিয়ন্তা পৰমেশ্বৰৰ প্ৰেম কৰুণাৰে জগতত ঠাই পোৱাটো জানো অধিক মূল্যবান কথা নহয়? সূৰ্য্যই নিজৰ ৰশ্মি ঢালি আন্ধাৰ পৃথিৱীক পোহৰ কৰে, নিজৰ উত্তাপ দি জীৱজন্তু, গছ-গছনিক উত্তাপ আৰু প্ৰাণ ৰস দিয়ে, সূৰ্য্যই জানো কাৰোবাৰ পৰা কেতিয়াবা কিবা বিচাৰিছে? মেঘে বৰষে, আকাশৰ মাটিলৈ নামি আহে, শুকান পৃথিৱীখন তিয়াই ৰসাল কৰে, জীপাল কৰে, জীৱৰ তৃষ্ণা নিবাৰণ কৰে। বিনিময়ত কিবা বিচাৰে জানো? গোটেই শীতকালটো অকণ-অকণকৈ এইখন মাটিৰ পৃথিৱীৰ বুকুৰ পৰাই ভাপহৈ উৰা পানী, ডাৱৰ কৰি, মেঘ কৰি, বুকুৰ মাজত সুমুৱাই লৈ অ'ৰ পৰা ত'লৈ, ভৈয়ামৰ পৰা পৰ্ব্বতলৈ, পৰ্ব্বতৰ পৰা ভৈয়ামলৈ উৰাই লৈ ফুৰায়। আৰু তাৰপিছত চ'তৰ শেষত বহাগ আহিলে সেই মেঘক বৰষুণ কৰি মাটিলৈ, শুকান পৃথিৱীলৈ নমাই পঠিয়ায়। মাটিয়ে মেঘৰ ফালে চাই থাকে, মেঘে মাটিৰ ফালে চাই থাকে। শেষত বুকুত সাঁচি থোৱা শেষটোপা জলবিন্দুও তৃষিত মাটিৰ বুকুত ঢালি দিয়ে। আকাশৰ সকলো আশীৰ্ব্বাদ সকলো কৰুণা মাটিয়ে পায়, কীট পতঙ্গই পায়। আকাশৰ মেঘে জানো কেতিয়াবা কাৰোবাৰ পৰা, মাটিৰ পৰা, বালিৰ পৰা, নৈৰ পৰা, পৰ্ব্বতৰ পৰা কিবা ঘূৰাই পাবলৈ বিচাৰে? আকাশৰ মেঘে নিজক নিঃশেষ কৰি বিলাই দি আনৰ জীৱন ৰক্ষা কৰে। নিজলৈ একো নেৰাখে। নিজলৈ একো নেথাকে। মই মানুহ হৈ, ভগৱানৰ শ্ৰেষ্ঠতম সৃষ্টি হৈ জ্ঞান বুদ্ধি অনুভৱ-উপলব্ধিৰ অধিকাৰী হৈ নিঃস্বাৰ্থভাৱে সামান্য কিবা এটাও কৰিব নোৱাৰোনে? নিৰ্মোহ হৈ, নিঃস্বাৰ্থ হৈ, নিষ্কাম হৈ, কোনো

ফল-প্ৰতিদান আশা নকৰি, কোনো লাভৰ বাঞ্ছা নকৰি, মই যি পৰম সম্পদৰ সন্ধান পাইছো তাক নোপোৱা সকলৰ মাজত নিৰৱে বিলাই দিব নোৱাৰিমনে? যি হাজাৰ শ্ৰমেৰেও সামান্য পাৰ্থিৱ সম্পদ অকণ আহৰণ কৰিব নোৱাৰে, আহৰণ কৰাকণ সঞ্চয় কৰিব নোৱাৰে, ৰক্ষা কৰিব নোৱাৰে, তাক অন্তহীন, অপাৰ্থিৱ অমূল্য সম্পদ লাভৰ পথৰ সন্ধান দিয়াৰ দায়িত্ব মই ল'ব নোৱাৰোনে? ময়েই বা পালো কিমান? ময়েই বা পাইছো কিমান? কিন্তু মই যি ভক্তিৰ সমৰ্পণৰ, আত্ম-বিসৰ্জ্জনৰ শান্তি ঐশ্বৰ্য্য লাভ কৰিবৰ কাৰণে অকলশৰীয়া সাধনা কৰিছো, তাত মোৰ লগত আমাৰ এই অজ্ঞ, নিৰক্ষৰ জ্ঞান-বুদ্ধিহীন মানুহবোৰক মোৰ লগৰীয়া কৰি ল'ব নোৱাৰোনে? এই পথত মোৰো আৰু বহুদূৰ আগুৱাই যাবলগীয়া আছে। হাজাৰ হাজাৰ যুগৰ ঋষি-মুনি-সাধক-তপস্বীসকলৰ জ্ঞান উপলব্ধিৰ সমন্বয়ৰ মাজেদি যি সত্যৰ আৱিষ্কাৰ আৰু উপলব্ধি হৈছে, তাৰেই উত্তৰাধিকাৰী আমি। তাকেই যদি সকলোৱে ভগাই লওঁ, সকলোৰে মাজত ভগাই দিওঁ— সেইয়াই জানো মানুহৰ সমাজলৈ মোৰ যৎকিঞ্চিত বৰঙণি নহ'ব? স্বাৰ্থ, মোহ, কাম, ক্ৰোধৰ বশৱৰ্ত্তী হৈ হাতত পোৱা দুমূৰ্ল্য, দুৰ্লভ, মানৱ জীৱনটোৰ অপচয় কৰিম কিয়? "আপোনালোকে বাৰভূঞাৰ পৰিয়ালৰ খাট-পাম, সা-সম্পত্তি চোৱা চিতা কৰক। বনগঞাই চকু দিয়ক। মই এই বিষয় ৰক্ষণাবেক্ষণৰ দায়িত্ব লবলৈ নিবিচাৰো। সৰিয়হ-তলিত পিতাৰ মাটি আছে। তাতে কীৰ্ত্তনঘৰ সজাই দিয়ক। তাতে মই সঙ্গী ভকতসকলক লৈ হৰিনাম লৈ থকাৰ দিহা কৰিম। সংসাৰৰ পৰা মই পলাবলৈ বিচৰা নাই, কিন্তু বিষয়-বাসনা, সাংসাৰিকতাৰ মাজত আৱদ্ধ হৈ থাকিবলৈও মই ইচ্ছা কৰা নাই। মোক মুক্তি লাগে— অন্যকো মই মুক্তি পথৰ সন্ধান দিবলৈ বিচাৰিছো—" শংকৰদেৱে ক'লে।

সৰিয়হতলিত নতুন কীৰ্ত্তনঘৰ হ'ল—নামঘৰ হ'ল। শংকৰদেৱৰ থাকিবলৈ ললে হৰিনামৰ পবিত্ৰ ৰসজগতৰ নতুন উন্মাদনাৰ মাজত। গাঁৱৰ আশপাশৰ কৃষক কৃষক হৈ থাকক, কিন্তু তাৰ লগে লগে অন্তৰ



জগতৰ কৰ্ষণ কৰিবলৈ শিকক, মাটিৰ বুকুতে থাকি আকাশমুখী হ'বলৈ শিকক, মানৱ জীৱনৰ বৃহত্তৰ পৰিচয় চিনি পাবলৈ শিকক। এই বৃহত্তৰ পৰিচয়ৰ উপলব্ধি নহলে, ইহঁতৰ জীৱনটো, মোৰ জীৱনটো, অন্য ইতৰ প্ৰাণীৰ জীৱনৰ দৰে জন্ম আৰু মৃত্যুৰ সীমাৰ মাজতে সোমাই থাকিব, তাৰ ঊৰ্দ্ধলৈ, তাৰ বাহিৰলৈ এই জীৱনটোক লৈ যাবলৈ সিঁহতে বাট বিচাৰি নেপাব। ভক্তৰ ওচৰত ভগৱান বশ হয়। ঈশ্বৰৰ, ভগৱানৰ নিজা কোনো জাত ধৰ্ম্ম নাই। ভগৱান হিন্দুও নহয়, মুছলমানো নহয়, বৌদ্ধও নহয়। তেওঁ এই সকলোবোৰৰ ঊৰ্দ্ধৰ, এক অসীম, অনন্ত, নিৰাকাৰ, নিৰ্ব্বিকাৰ, চিৰজাগ্ৰত, চিৰচৈতন্যময়, অবাংমনোগোচৰ, এক অব্যক্ত সত্বা। জ্ঞান-বুদ্ধি-যুক্তি-কৰ্ম্মই তেওঁৰ স্বৰূপ বিচাৰি নেপায়, পায় কেৱল একান্ত অচলা নিৰ্মোহ ভক্তিয়ে। আত্মসমৰ্পণতকৈ আৰু কি ডাঙৰ নৈৱেদ্য হ'ব পাৰে? আমাৰ এই খেতিয়ক, বনুৱা, হজুৱা, নানা বৃত্তি পালন কৰি দিন কটোৱা মানুহবোৰৰ নিজৰ দেহ-মন-আত্মা সমৰ্পণ কৰাৰ বাহিৰে আৰু কি আছে ভগৱানক দিবলৈ? ভক্তৰ পৰা আৰু কিয়েইবা বিচাৰে সৰ্ব্বজগতৰ মহীয়ান স্ৰষ্টা ভগৱানে? দুখীয়াতকৈ দুখীয়াজনৰো, দৰিদ্ৰতকৈ দৰিদ্ৰজনৰো, এসাজ খালে দুসাজ খাবলৈ নথকাজনৰো ভগৱানক দিব পৰা এখন সৰু হলেও, সামান্য হলেও এখন হৃদয় আছে। সেই হৃদয়ৰ কোনো ৰূপ নাই, ৰং নাই, জাতি নাই, ধৰ্ম্ম নাই। সি আকাশৰ দৰেই বৰ্ণহীন আৰু ব্যাপ্ত। সেই হৃদয়ক কোনোবাই যদি ভক্তিৰে, প্ৰেমেৰে; গৰ্ব্ব-অহংকাৰহীন সমৰ্পণৰ বোলেৰে বোলাব পাৰে, ত্যাগৰ ৰহণেৰে উজ্বলাই তুলিব পাৰে সিয়েই চিনাই দিব সত্যৰ পথ, ভগৱানৰ কৰুণা লাভৰ পথ। সিয়েই চিনাই দিব আত্মাক চিনি পোৱাৰ বুজি পোৱাৰ সহজ, পোনপথ। আৰু ইজন মানুহে যেতিয়া সিজন মানুহৰ; ইটো জীৱই যেতিয়া সিটো জীৱৰ সেই সহজ আৰু সৰ্ব্বব্যাপ্ত আত্মাৰ চিনাকি বিচাৰি পাব; তেতিয়াই নোহোৱা হ'ব সকলো বিভেদ, বিৰোধ, ভুল আৰু ভ্ৰান্তি। তেতিয়াই সকলো ভক্ত সকলো ভকত হ'ব বান্ধৱ, হ'ব আতৈ, হ'ব হৰি-ভকত। প্ৰতিজন মানুহৰ হৃদয়ৰ মাজত একেই পবিত্ৰ আত্মাৰ অস্তিত্বৰ ওপৰত যেতিয়া সকলোৱে বিশ্বাস জন্মিব, তেতিয়াই

সকলোৱে সকলোকে শ্ৰদ্ধা কৰিব, সকলোৱে সকলোকে সন্মান কৰিব, প্ৰতিটো জীৱক একেজন মহান স্ৰষ্টাৰেই সৃষ্টি বুলি আদৰ কৰিব, শ্ৰদ্ধা কৰিব। তাৰ মাজেদিয়ে হ'ব এক বিস্ময়, গভীৰ উপলব্ধি। সকলোৱে সকলো প্ৰাণীকে প্ৰণাম জনাব।...

সৰিয়হতলিৰ নতুন নামঘৰৰ ধূলিয়ৰি মজিয়াত এখন নতুন সমাজে ৰূপ লৈ উঠিল—ধীৰে ধীৰে অনাড়ম্বৰ ভাবে, কোনো যাগ-যজ্ঞ, পূজা-কৰ্ম, বলি-উৎসৰ্গৰ ৰাজসিক বিলাসিতা নোহোৱাকৈয়ে। তাত আহি সমবেত হলহি সমাজৰ সকলো স্তৰৰ, সকলো শ্ৰেণীৰ, সকলো বৰ্ণ-ধৰ্মৰ মানুহ। উচ্চ নাই, নীচ নাই, স্পৃশ্য নাই, অস্পৃশ্য নাই, পণ্ডিত নাই, নিৰক্ষৰ হোজা নাই—তাত গোট খাব ধৰিলে ভকতসকল, যি পৰিচয় পাবৰ কাৰণে কোনো বিশেষ দেশত, বিশেষ সমাজত, বিশেষ ধৰ্ম বিশ্বাস বা সংস্কাৰৰ মাজত জন্মিব নেলাগে। য'ত মানুহৰ পৰিচয়েই পৰিচয়, ভকত পৰিচয়েই পৰিচয়—সৰ্ব্বশ্ৰেষ্ঠ পৰিচয়।

এই নতুন পৰিচয়ৰ মৰ্য্যাদাৰ সন্ধানত সৰিয়হতলিত নতুন নতুন অতিথিৰ ভৰিৰখোজ পৰিব ধৰিলে। সকলোৱে নিজ নিজ কৰ্তব্য সমাপন কৰি, নিজ নিজ দায়িত্ব পালন কৰি, নিজ নিজ ঘৰৰ পৰা অলপ সময়ৰ কাৰণে হলেও আঁতৰি আহি, শংকৰদেৱৰ হৰিকীৰ্ত্তনৰ সুৰেৰে উতলা সমাজখনৰ মাজত অকণ ঠাই বিচাৰি লোৱাক জীৱনৰ এক পৰম সৌভাগ্য জ্ঞান কৰিব ধৰিলে।

হৰিৰ নাম লোৱা। নামেই প্ৰাৰ্থনা, নামেই পূজা, নামেই যাগযজ্ঞ, নামেই আৰতি, নামেই সামগীত, নামেই মন্ত্ৰ। নামৰ মাজেদিয়ে নামৰ অতীত পৰম সত্তাক নিজৰ আপোন কৰি লোৱা। এই নামৰ ৰসৰ মাজতে আছে বৈকুণ্ঠৰ প্ৰকাশ, নামৰ মাজেদিয়ে লাভ কৰিবা সিদ্ধি। যি ভাষাৰ অৰ্থ তুমি নিজেই বুজি নোপোৱা, যি ভাষাৰ অৰ্থ তোমাৰ পূজাৰীয়েও বুজি নেপায়, সেই ভাষাৰে পূজা প্ৰাৰ্থনা কৰি তুমি কি দিছা, তুমি কি বিচাৰিছা, তুমি নিজেই নুবুজাকৈ প্ৰাৰ্থনা কৰাৰ কি সাৰ্থকতা আছে? ভগৱানৰ পৰা ভক্তৰ লুকুৱাব লগীয়া একো নাই। ভগৱান সৰ্ব্বদ্ৰষ্টা, সৰ্ব্বজ্ঞ। তেওঁৰ ওচৰত কোনো কথাই অব্যক্ত নাই, গোপনীয় নাই।



মুখৰ ভাষাৰে ফুটাই কোৱা বা নোকোৱা, অন্তৰ্য্যামী ভগৱান, তুমি নিজেও বুজিব নোৱাৰা গোপনতম আশা-ইচ্ছা-অভিলাসৰ কথাও ভগৱানে বুজে। সেয়ে ভক্তৰো ভগৱানৰ পৰা লুকুৱাব লগীয়া একো নাই। বুজি নোপোৱা ভাষাৰে, ফুটাই ক'ব নজনা মাত কথাৰে, ভগৱানৰ ওচৰত নিবেদন কৰাতকৈ সেই ভাষাৰে, সেই কথাৰে ভগৱানক তোমাৰ মনৰ সকলো কথা কোৱা—যি মাত, যি ভাষা তুমি নিজে বুজি পোৱা আনেও বুজি পায়। ভক্তৰ ভাষাই কথা নকয়, মুখে কথা নকয়, কয় অন্তৰে, কয় হৃদয়ে। ভক্তিয়েহে ভক্তিৰ ভাষা বুজি পায়।

দেৱভাষা সংস্কৃতত থকা প্ৰাৰ্থনা, শাস্ত্ৰৰ জটিল বুজিব নোৱাৰা ভাষাত থকা প্ৰাচীন ঋষি-মুনিৰ মুখৰ কথাবোৰ মই সাধাৰণ মানুহৰ ভাষাৰে তোমালোকৰ মুখৰ মাতেৰে তোমালোকক শিকাই দিম। শাস্ত্ৰৰ দুৰ্ণীয়া অচিনাকি দেৱতাক মই তোমালোকৰ চিনাকি দেৱতা কৰি দিম। ভয়ত নভজি, তোমালোকে ভক্তিত ভজিবা, স্বাৰ্থত নভজি, প্ৰেমত ভজিবা, ভক্তি আৰু অহংকাৰ একেলগে থাকিব নোৱাৰে। অহংকাৰত বিভেদৰ জন্ম হয়, ভক্তিয়ে বিভেদ নোহোৱা কৰে, ভক্তিয়ে সাম্য আনে, ভক্তিয়ে সকলোকে আপোন কৰি বুকুৰ কাষলৈ চপাই আনিবলৈ শিকায়। আমাৰ কাৰণে ভক্তিৰ পথেই মুক্তিৰ পথ। সৰিয়হতলিৰ কীৰ্ত্তনঘৰৰ মণিকূটত থাপনা কৰা হ'ল অব্যক্ত ঈশ্বৰ হৰিৰ নিৰাকাৰ ধাৰণাৰ পবিত্ৰ ৰূপহীন ৰূপ। চৈধ্যপ্ৰসঙ্গৰ নাম কীৰ্ত্তনৰ মাজেদি, গীতৰ মাজেদি, সুৰৰ মাজেদি, খোল মৃদঙ্গৰ, তাল মঞ্জিৰাৰ, ছন্দলয়ৰ মাজেদি আৰু সহজ সৰল মাটিৰ সন্তানহঁতৰ অৰ্থ বুজি পোৱা মাত-কথাৰ ঐক্যতানৰ মাজেদি সাৰ পাই উঠিল এক সহজ সৰল বিশ্বজনীন মানৱীয় জীৱন-দৰ্শন। ভকতসকলে বুজি পালে, তেওঁলোকৰ মৰমৰ ভগৱানক তেওঁলোকে কি কৈছে, ভগৱানে বুজি পালে তেওঁৰ অনুগামী ভকতসকলে তেওঁক কি কৈছে। চিনাকি পৃথিৱীৰ ধূলি-ধূসৰিত মজিয়ালৈ ভগৱানক নমাই আনিলে ভকতৰ সহজ প্ৰাৰ্থনাই। ভগৱানৰ পূজাত, যাৰ ধন-বিত, ঐশ্বৰ্য্য-সম্পদ একো নাই, আছে কেৱল ভক্তি আৰু প্ৰেম, সিয়েই সবাতোকৈ ধনী।



নতুন ভকতসকলক লগত লৈ এখন নতুন পৃথিৱীৰ দুৱাৰমুখলৈ যাত্ৰা আৰম্ভ কৰাৰ আয়োজন কৰাৰ সময়তে শংকৰদেৱৰ মুখা-মুখি হ'ল আৰু এক কৰুণ সত্যৰ, আৰু এক প্ৰকৃতিৰ অখণ্ডনীয় বিধানৰ। শংকৰদেৱৰ পিতৃ-মাতৃ, ধাত্ৰী, অভিভাৱিকা, আশ্ৰয় আৰু সুখ-দুখৰ, আনন্দ-নিৰানন্দৰ সঙ্গী বুঢ়ীআই খেৰসূতীয়ে জীৱনৰ সকলো ঋণ পৰিশোধ কৰি এই পৃথিৱীৰ পৰা বিদায় ল'লে। আইতাই এই হাঁহি আৰু চকুলোৰে ভৰা জগতৰ পৰা বিদায় ললে, শান্তিৰে আৰু তৃপ্তিৰে— বুঢ়ী আইতাই চকু মুদাৰ আগতে দেখি গ'ল নিজৰ চোতালত অন্য এখন নতুন সমাজৰ কঠিয়াতলি। য'ত সিঁচা হৈছে ভকতি ধানৰ কঠিয়া আৰু য'ত অংকুৰিত হ'ব ধৰিছে—এখন নতুন সমাজ, য'ৰ পৰা ওলাই আহিব এদল নতুন মানুহ, যাৰ সখা আৰু সুহৃদ হ'ব স্বয়ং ভগৱান হৰি। আৰু এইখন নতুন সমাজৰ মাজৰ পৰাই ওলাই আহিব এক নতুন পুৰুষ, এক নতুন আদৰ্শ, এক নতুন শক্তি,—যাৰ নাম—যাৰ নাম শংকৰদেৱ। জীৱন-ধাৰণৰ ইয়াতকৈ ডাঙৰ সাৰ্থকতা আৰু কি আছে, মৃত্যুৰ ইয়াতকৈ ডাঙৰ সান্ত্বনা আৰু কি আছে? মোৰ জন্মভূমিৰ সাৰুৱা মাটিত মই ৰুই গলো এজোপা ডাঙৰ বৰগছৰ পুলি—যি ডাল-পাত মেলি কালত এজোপা বিৰাট মহীৰুহ হ'ব, আৰু সেই ডালপাতৰ তলত আশ্ৰয় ল'ব হেজাৰ হেজাৰ শোক তাপ ক্লিষ্ট, শ্ৰান্ত, ক্লান্ত জীৱন পথৰ পথিকে। দূৰ-ওচৰৰ নানান বাটৰুৱাই। পৃথিৱীৰ পৰা বিদায় লবলৈ বুঢ়ী আইতা খেৰসূতীৰ কোনো খেদ নাছিল। তোমালোকলৈ মই শংকৰক এৰি গ'লো। কেৱল তোমালোকৰ কাৰণে।···

আৰু নিথৰুৱা আৰু অকলশৰীয়া এটা জীৱন। নাম আৰু ভকত,



ভকত আৰু নাম। নিৰ্মোহ, নিৰাসক্ত এটা শান্ত জীৱন। খেতিৰ পথাৰত, নৈৰ পাৰত, মাছমৰা বিলত, হাবিত যাৰ য'ত কাম আছে অকণো এলাহ নকৰাকৈ কৰি থাকা, কৰি থোৱা, মাত্ৰ সকলো সময়তে সকলো ঠাইতে, সকলোৱে হৰি নাম লৈ থাকিবলৈ নেপাহৰিবা। নাম ল'লে কাম খতি নহয়, নাম ললে ঘাম নহয়, এক নিয়ন্তা মাধৱৰ নাম স্মৰণ কৰা. সহস্ৰ নাম হওক, এক নাম হওক—সহস্ৰই এক একেই সহস্ৰ। এক নাম সহস্ৰবাৰ ললে সেইয়াও জানো সহস্ৰ নামৰ সমান নহ'ল? সহস্ৰক একেঠাই কৰিও জানো এক কৰিব নোৱাৰি? ঈশ্বৰ বোলা, ভগৱান বোলা, ৰাম বোলা, নাৰায়ণ বোলা, গোপাল বোলা, কৃপাল বোলা আৰাধ্য একেজনাই। বেলিটোক সূৰ্য্য বোলা, দিবাকৰ বোলা, দিনমণি বোলা, ভাস্কৰ বোলা— সূৰ্য্য জানো একেটাই নহয়? সেই পৰম আৰু চৰমজনক নামৰ সীমাত আৱদ্ধ নেৰাখিবা—সকলোৰে কাৰণে মুকলি কৰি দিয়া।···

ভক্ত ভগৱানৰ সম্পৰ্ক অজটিল আৰু সহজ কৰি লোৱা। উশাহ নিশাহৰ দৰেই আপোন কৰি লোৱা। প্ৰাচীন ধৰ্ম-শাস্ত্ৰৰ বুকুৰ পৰা, মন্দিৰ, দেৱালয়ৰ বুকুৰ পৰা বৰদোৱাৰ ভকতৰ হৃদয়ৰ চোতাললৈ উলিয়াই আনা—আৰু তাৰ পৰা আজিৰ আৰু অনাগত দিনৰ মানুহৰ মাজলৈ আগবঢ়াই দিয়া। ভগৱানক তোমাৰ ধৰ্মৰ সীমাৰ মাজতে সুমুৱাই লুকুৱাই থবৰ যত্ন নকৰিবা। ভগৱানক সৰ্ব্বজনৰ, সকলো মানুহৰ ভগৱান কৰি তোলা। সকলো দুৱাৰ মুকলি কৰি দিয়া। ভগৱান প্ৰতিজনৰ ঘৰৰ ভিতৰলৈ সোমাবলৈ সকলো গবাক্ষ, সকলো দুৱাৰ মেলি দিয়া।



বয়স দুকুৰি বছৰ পাৰ হ'ল। এবাৰ সংসাৰ কৰিলো। আকৌ জানো সেই একেই সংসাৰ বন্ধনৰ মাজত সোমোৱাৰ কিবা প্ৰয়োজন আছে? বৈৰাগ্য মোৰ পন্থা নহয়, সংসাৰ মই পৰিহাৰ কৰা নাই। কাম-বাসনাক সম্পূৰ্ণ জয় কৰিব লাগিলে তাৰ মাজত সোমাই নিবৃত্তি মাৰ্গৰ লগত সম্পৰ্ক ৰচনা কৰিব লাগিব—মই বুজো গৃহী হলেও ভক্তি আৰাধনাত কোনো অন্তৰায় নহয়। আসক্তিহে অন্তৰায়ৰ কাৰণ, মোহহে ভ্ৰমৰ উদ্গতি। গুৰু বুলি বহুত ভকতে মোৰ ওচৰত শৰণ লৈছে, মোৰ আদৰ্শৰ অনুগত হৈছে, মোৰ জীৱনৰ কাৰ্য্য-কলাপক আহিঁ কৰি লৈছে। মই সংসাৰ বিসৰ্জ্জন দিলে, ভকত সকলেও একে পন্থাকে লবলৈ বিচাৰিব। সেইয়া জীৱনৰ স্বাভাৱিক ৰূপটোক অস্বীকাৰ কৰা হ'ব। দেহাৰ দাবীক অস্বীকাৰ কৰাটো যদি স্ৰষ্টাৰ অভিপ্ৰেত হ'ল-হেতেন, হয়তো স্ৰষ্টাই প্ৰাণীবোৰক বিভিন্ন অঙ্গ প্ৰত্যঙ্গ নিদিলেহেতেন। কামনা-বাসনা-ভয়-ক্ৰোধ নিদিলেহেতেন।

জ্যেষ্ঠ আত্মীয়সকলক, ভকতসকলৰ ইচ্ছাকো অৱহেলা কৰা নেযায়। মই আকৌ বিয়া কৰাব লাগে। আকৌ গৃহী হ'ব লাগে। জয়ন্তা মাধৱ আদি বয়স্থ আপোন সকলেও একেকথাতে লাগি আছে। শংকৰদেৱে আকৌ বিয়া কৰাওক। কালিকা ভুঞাৰ জীয়াৰী কালিন্দী শংকৰদেৱৰ যোগ্যা কন্যা, সু-সঙ্গীনী হ'ব, সু-গৃহিণী হ'ব, সু-মাতৃও হ'ব—শংকৰদেৱৰ সুখ-দুখৰো সমভাগী হ'ব।

আপোন পৰিয়াল, বান্ধৱ ভকত সকলোৱে ইচ্ছাক সন্মান জনাই শংকৰদেৱে দ্বিতীয়বাৰ বিবাহ কৰিলে। কালিন্দী সুপাত্ৰী, কালিন্দী জনা বুজা সুগৃহিণী। গুৰুপত্নী হিচাপে কালিন্দীয়ে শংকৰদেৱৰ



ঘৰুৱা জীৱনৰ দায়িত্ব কান্ধ পাতি ল'লে। কুসুমবৰ ভুঞাৰ পৰিয়ালক নতুন বংশধৰৰ আগমনৰ সম্ভাৱনাই আকৌ নতুনকৈ আশান্বিত কৰি তুলিলে। শংকৰদেৱৰ নতুন জীৱন ভোগ-বিলাস ঐশ্বৰ্য্য-প্ৰাচুৰ্য্যৰ জীৱন নহয়। বৈৰাগী, সন্ন্যাসীৰ জীৱনো নহয়, অন্য মানুহৰ নিচিনাই এটা সাধাৰণ জীৱন।

কিন্তু এই জীৱনো নিৰংকুশ আৰু নিৰাপদ নহয়। বান ধুমুহাৰ বিপদ আছে। বনৰীয়া হাতী বাঘৰ উপদ্ৰৱ আছে। ৰোগ ব্যাধি আছে। এইবোৰ থাকিবই। এইবোৰৰ লগে লগে আছে ৰোগ-শোক-জৰা-ব্যাধি, মাৰি-মৰক—নানা অপায়-অথন্তৰ। নৰতনুধাৰী মানুহে এই সকলোবোৰৰ লগত যুঁজি হৰিনাম লৈ জীয়াই থাকিব লাগিব। কপালৰ লিখন বুলি, ভাগ্য বা অদৃষ্ট বুলি একো নকৰি বহি থাকিলে, আত্মৰক্ষা নপাৰিব। ৰোগ ব্যাধি হ'লে যেনেকৈ তাৰ বিৰুদ্ধে চিকিৎসা ব্যৱস্থা ল'ব লাগিব, তেনেকৈ বনৰীয়া হাতী ম'হে শস্যৰ পথাৰ নষ্ট কৰিবলৈ আহিলে তাকো বাধা দিব লাগিব, খেদাব লাগিব আৰু শত্ৰুহে যদি কোনোবা মানুহেই আক্ৰমণ কৰিবলৈ আহে, জীৱন আৰু সম্পত্তি ধ্বংস কৰিবলৈ আহে, সিহঁতৰ লগতো যুঁজিবৰ কাৰণে সাজু থাকিব লাগিব। যুঁজিব লাগিব। তাতোকৈ ডাঙৰ কথা—যি নতুন ভাগৱতী বৈষ্ণৱ ধৰ্ম্মক ৰাইজে নিজৰ বুলি সাৱটি লৈছে, তাকো নিখুঁত, নিভাঁজ আৰু অক্ষত ৰাখিবৰ কাৰণে যেতিয়া প্ৰয়োজন হয় তেতিয়া কথাই কামে যুঁজিবলৈ নিজক প্ৰস্তুত ৰাখিব লাগিব। নতুন ভক্তি ধৰ্ম্মৰ খুদমানো যাতে ব্যভিচাৰ হবলৈ নেপায়, তাৰ কাৰণে প্ৰতিজন হৰিভকত সজাগ আৰু তৎপৰ থাকিব লাগিব। অন্যে ভুল কৰিলে, সেই ভুল আঙুলিয়াই দি তাক বাধা দিবৰ যত্ন কৰিব লাগিব। কোনো কোনোৱে আমাৰ নতুন বৈষ্ণৱ ধৰ্ম্মক ব্ৰাহ্মণ সকলৰ বিৰুদ্ধে এক আন্দোলন বুলি ৰটিছে। মই নিজেই দেখোন শাস্ত্ৰৰ শিক্ষা লাভ কৰিছো ব্ৰাহ্মণ গুৰুৰ কাষত। আৰু বহুত সুপণ্ডিত আৰু সদ্ ব্ৰাহ্মণেই ভাগৱতী বৈষ্ণৱ-ধৰ্ম্মৰ মতবাদ স্বীকাৰ কৰিছে আৰু আমাৰ ধৰ্ম্ম মানি চলিছে। ব্ৰাহ্মণসকলৰ মাজতো বহুত দুখীয়া আছে, বহুত দৰিদ্ৰ আছে। তেওঁলোকৰ প্ৰতিজনেই সকলো

...ত নহয়। তেওঁলোকৰ বহুতেই আমাৰ লগ ... এই তাঁতী, কমাৰ, কুমাৰ, বাঢ়ৈ, খনিকৰ, গছুৱৈ, কাঠকটীয়া, ...তীয়া, বেহেৰুৱা, বনিয়া আৰু আনৰ ঘাটে-পামে যেতি কৰা বা নিজৰ নাটিত যেতি-যোজা কৰি থকা মানুহবোৰৰ সৰহ ভাগেই দুখীয়া। অকল 'নাম ধনেৰে' ধনী হলেই নচলিব, এই দুখীয়া মানুহবোৰৰ অৱস্থাও ভাল হ'ব লাগিব। সকলো মানুহ নিজ নিজ বৃত্তিত লাগি থাকি, আৰ্জন কৰি সুখে সন্তোষে খাই বৈ থাকি, হৰিনাম লৈ ইহকাল পৰকালৰ দায় দায়িত্বৰ পৰা ৰক্ষা পৰি থাকিব লাগিব। আজিৰ আমাৰ নতুন বৈষ্ণৱ সমাজখন এখন দুখীয়া আৰু পিছপৰা লেখা পঢ়া নজনা অজলা মানুহৰ সমাজ হৈ আছে। ইহ'তক ছল পালেই সকলোৱে ঠগে—মাটি গিৰীয়াই ঠগে, ধন গিৰীয়াই ঠগে, লেখা পঢ়া জনা পণ্ডিতে ঠগে, শঠ, ধূৰ্ত্ত, চোৰ-ডকাইতে ঠগে। এই মানুহবোৰক এইটো অৱস্থাৰ পৰা উদ্ধাৰ কৰিব লাগিব। এই সকলো দুখীয়া, দৰিদ্ৰ সদায় ঠগ খাই থকা, সদায় গচক খাই থকা মানুহবোৰক লগত লৈয়ে আমাৰ নতুন বৈষ্ণৱ সমাজখন গঢ়িব লাগিব। নামতো আমি একেলগ হ'ব লাগিব, কামতো একেলগ হ'ব লাগিব।

আমাৰ মানুহবোৰৰ ইমান ভয়। ভুটীয়ালৈ ভয়, কছাৰীলৈ ভয়, কোঁচলৈ ভয়, চুটিয়ালৈ ভয়, আহোমলৈ ভয়, তুৰুক যৱনলৈ ভয়। এনেকৈ সদায় ভয়ত থাকিলে আমি একো কামকে কৰিব নোৱাৰিম। অ'ৰ পৰা ত'লৈ, ত'ৰ পৰা ত'লৈ এনেকৈ ডলাৰ বগৰী হৈ ঘূৰি ফুৰোতেই আমাৰ দিন যাব। জাত-পাত মাত-কথাৰ লেখ নলৈ আমি সকলো হৰিভকত একেলগ হ'ব পাৰিলে আমাক একোৱে বলে নোৱাৰিব। ৰজা ঘৰেও সতকাই আমাক টলাব নোৱাৰিব।

বেদ-পুৰাণ-ৰামায়ণ-মহাভাৰতত হেজাৰ হেজাৰ বছৰৰ বহুত কথা আছে—গিয়ানৰ কথা আছে, ধৰ্ম্মৰ কথা আছে, সাধুকথা আছে, উপদেশ আছে। আমাৰ প্ৰতিজন ভকতে সেই সকলোবোৰ যে শিকিব লাগিব, জানিব লাগিব, বুজিব লাগিব সেই কথাও নহয়। কিন্তু সেই-



বোৰৰ একো নবুজা নিশিকাকৈ চৰাইৰদৰে মাত ললেও একো ভাল ফল পোৱা নেযায়।

ভকতসকলে শাস্ত্ৰ ভাগৱতবোৰ তেওঁলোকে বুজিব পৰা নিজৰ মাত কথালৈ ভাঙিবলৈ কৈছে। ভাঙিম। যেনেকৈ হৰিশ্চন্দ্ৰৰ কাহিনী ভাঙিছিলো—ৰাইজে বুজিব পৰাকৈ। পুৰা-গধূলি, বাটে-পথে যেতিয়াই তেতিয়াই গাই ফুৰিবলৈ নিজ মাত কথাৰে গীত লাগে—ৰচিম, সুৰ দিম, গাম, গোৱাম। চণ্ডীবৰ ভূঞাৰ পৰিয়াল যেনেকৈ শাস্ত্ৰত পাৰ্গত, গীত বাদ্যতো তেনেকৈ পাকৈত। সেই গীত বাজনা বাৰভূঞাৰ পৰিয়ালৰে আছুতীয়া সম্পত্তি হৈ নেথাকে। সি সকলোৰে সম্পত্তি হ'ব। বৈষ্ণৱ, অবৈষ্ণৱ, ধনী, দৰিদ্ৰ সকলোৰে সম্পত্তি হ'ব। ভকতসকলে চিহ্নযাত্ৰাত বৈকুণ্ঠ চোৱাৰ দৰে দেৱতা, অসুৰ, অপ্সৰা, কিন্নৰ সকলোকে নোঁ চকুৰে চাবলৈ বিচাৰিছে। শিশু কৃষ্ণৰ লীলা চাবলৈ লাগে, ৰাসলীলা চাবলৈ লাগে, কংসবধ চাবলৈ লাগে, কালীনাগক চাবলৈ লাগে, যশোদাক চাবলৈ লাগে, গোপিনীসকলক চাবলৈ লাগে, ৰামক চাবলৈ লাগে, সীতাক চাবলৈ লাগে।

সিবিলাকৰ বিষয়ে শুনি বা সিবিলাকৰ বিষয়ে জানিয়ে আমাৰ ভকত সকলৰ হেঁপাহ নপলায়। পুৰাণে, ভাগৱতে, ৰামায়ণে, মহাভাৰতে থকা দেৱ-দেৱী, পশু-পক্ষীক চাবলৈ লাগে। দেখুৱাম।

পদ পয়াৰ গীত ভটিমাৰে সেই সকলৰ কাহিনী শুনোৱায়ে নহয়, নাটেৰে, অংকেৰে, ভাওনাৰে সজাই পৰাই সেইখন জগতৰ লগত সকলোৰে চিনাকি কৰি দিম। অকল বৈষ্ণৱ ভকতেই নহয়, ভকত অভকত সকলোৱে চাব, সকলোৱে দেখিব। ভগৱানে সৃষ্টিখনক এখন বিচিত্ৰ নাটঘৰ কৰি সাজিছে, সজাইছে। এইখন বহল নাটঘৰৰ বুকুতে আমিও নাট ৰচি সজাম, ভাও লৈ ভাওনা কৰিম। ৰাইজে মনতে ভাবি চিন্তি থকা দেৱ-দেৱী, স্বৰ্গ-মৰ্ত্য—সকলো চকুৰ আগতে দেখিব।

ভকত অভকত সকলো একেখন ৰভাৰ তলতে, একেখন বাকৰিতে গাত গা লগাই বহিব, বুঢ়া, বুঢ়ী, ডেকা, গাভৰু, ল'ৰা-ছোৱালী সকলো আহিব নাট ভাওনা চাবলৈ। আমাৰেই হালোৱা-হজুৱা, বাঢ়ৈ-

খনিকৰৰ ল'ৰাহঁতে দিব ভাও, কৰিব নাট অভিনয়, গাব দেৱতাৰ মুখৰ বাণী, গাব গীত ভটিমা ঘোষা নান্দী। কোনোবা হ'ব দেৱতা, কোনোবা হ'ব অসুৰ, কোনোবাই ৰণ কৰি দেখুৱাব, কোনোবাই হাঁহি দেখুৱাব, কোনোবাই কান্দি দেখুৱাব, কোনোবাই পৰি দেখুৱাব, কোনোবাই মৰি দেখুৱাব। আমাৰ ভকতহঁতেই, আমাৰ ভকতৰ ল'ৰাহঁতেই মতা সাজিব, মাইকী সাজিব, সাপ হৈ দেখুৱাব, গৰুড় পক্ষী হৈ দেখুৱাব, ভালুক হৈ দেখুৱাব, বান্দৰ হনুমান হৈ দেখুৱাব।

এৰা লেখিব পঢ়িব নজনা দুখীয়া দৰিদ্ৰ আমাৰ ভকতৰ ল'ৰাহঁতেই নাটঘৰত এইবোৰ ভাও দি দেখুৱাব। নাচিব, গাব, কান্দিব, চৰাই পখীৰ মাত মাতিব, ঋষি মুনিৰ মুখৰ গুৰু গম্ভীৰ বচন মাতিব। আমাৰ খনিকৰেই মুখা সাজি পিন্ধাব, আমাৰ তাঁতীয়েই সাজ পোছাক বৈ উলিয়াব, আমাৰ ৰহণীয়াহঁতেই ৰং বোল সানি চিনাজনকে চিনিব নোৱাৰা কৰিব, সাজ কাপোৰ পিন্ধাই মতাক মাইকী কৰিব, জটা পিন্ধাই ৰাজটপাকো চুলীয়া সন্ন্যাসী কৰিব, ডেকাক পকা দাড়ি চুলি পিন্ধাই বুঢ়া কৰিব।

বাকৰিত বহি আমাৰ ৰাইজেই তথা লাগি চাই থাকিব—সেইবোৰ ভাও, সেইবোৰ গীত মাত নাচ অভিনয়। ৰাইজৰ মন উৰি যাব—অচিন অজান কোনোবা দেশলৈ, কোনোবা মায়া পুৰীলৈ। কোনোবা স্বৰ্গ, বৈকুণ্ঠ, দেৱলোকলৈ, কোনোবা পাতাল-ৰসাতললৈ।

পাৰিব। আমাৰ ল'ৰাহঁতে এই সকলো কৰিব পাৰিব।

আমাৰ হালোৱা-হজুৱা, কমাৰ-কুমাৰৰ ল'ৰাহঁতৰ গাতে এই সকলোবোৰ কৰিব পৰা গুণ আছে। খেৰৰ জুমুধিত বোকা লিপি যেনেকৈ দেৱ-দেৱীৰ মূৰ্ত্তি সাজে, তেনেকৈ ইহঁতক আমৰ লিখাপঢ়া একো নজনা গাঁৱৰ ল'ৰাহঁতকে মই নাট ভাওনাৰ পাকৈত ভাৱৰীয়া সাজিম। সিহঁতেই ঢুলীয়া হ'ব, খুলীয়া হ'ব, গায়ন হ'ব, বায়ন হ'ব, নাচনি হ'ব, ওজা হ'ব, সূত্ৰধাৰ হ'ব, সকলো হ'ব। এনেকৈয়ে আমাৰ ভকতহঁতেই আমাৰ ডেকাহঁতেই আমাৰ ল'ৰাহঁতেই গাঁওখন দেৱতাৰ লীলাভূমি সজাব।

আমাৰ নামঘৰেই হ'ব আমাৰ নাটঘৰো। আমাৰ নামঘৰৰ ভকতেই হ'ব নাটঘৰৰ নাটকৰ ভাৱৰীয়া। আমাৰ বিহুতলিৰ বিহুৱা বায়নহঁতেই হ'ব ভাওনাৰ বৰধেমালি, সৰুধেমালিৰ বায়ন। আমাৰ নামঘৰৰ বুকুৰ পৰা, আমাৰ নাটঘৰৰ বুকুৰ পৰা গীতৰ সুৰ বিয়পি যাব—সমগ্ৰ দেশৰ মাজলৈ, সমগ্ৰ ৰাইজৰ মাজলৈ। সেই সুৰৰ ধ্বনি প্ৰতিধ্বনি উঠিব বৰনৈৰ বুকুত, পৰ্ব্বতৰ টিঙত, গছ-বিৰিখৰ ডালে-পাতে —আকাশৰ মেঘৰ বুকুত।

ৰাইজেই দেশ, ৰাইজেই গীত, ৰাইজেই সুৰ—ৰাইজেই সুৰৰ জন্ম দিওতা। ৰাইজেই ৰাগ, ৰাইজেই ৰস, ৰাইজেই সৃষ্টিৰ ছন্দময় নৃত্য।...

শংকৰদেৱৰ মন প্ৰাণ নতুন আনন্দ নতুন প্ৰেৰণাৰে উদ্বেগ হৈ উঠিল। তেওঁৰ চকুলৈ নামি আহিল এক মনোময় নতুন স্বপ্ন—সেই স্বপ্ন মানুহক সুন্দৰ কৰাৰ, মানুহক মহীয়ান কৰাৰ, মানুহৰ মনৰ ভিতৰৰ শিল্পী, গায়ক, স্ৰষ্টাক জগাই তুলি মানুহৰ চিৰ শাশ্বত শক্তি সম্ভাৱনাক স্বীকৃতি দিয়াৰ, প্ৰতিষ্ঠা কৰাৰ। এই উদ্দীপনাৰ সম্মুখত যেন শংকৰদেৱৰ বয়সৰ কথা তল পৰিল। তেওঁৰ ৰক্তকণাত যেন তেওঁ এক নতুন, অসিত যৌৱনৰ স্পন্দন অনুভৱ কৰিলে। তেওঁৰ কাপক যেন উত্তাল, উদ্দাম, শক্তিমান কৰি তুলিলে এক নতুন সৃষ্টিৰ প্ৰেৰণাই আৰু সেই প্ৰেৰণাই জন্মালে এক অবিচল প্ৰত্যয়।—মানুহৰ কাৰণেই মই পৃথিৱীলৈ আহিছো, মানুহকেই মানুহৰ মৰ্য্যাদাত প্ৰতিষ্ঠা কৰিবৰ কাৰণেই মই আহিছো। মানুহক এক উচ্চতৰ আৰু মহত্বৰ পৰিচয়ৰ অধিকাৰী কৰিবৰ কাৰণেই মই আহিছো। জীৱনৰ—জনজীৱনৰ এই মহত্ব প্ৰতিষ্ঠা কৰিবৰ কাৰণেই মই এই বিশাল, মহান ভাৰতত মানুহ হৈ জন্মধাৰণ কৰিছো। মই আহিছো অভিশপ্ত কলিকালক ধন্য কৰিবৰ কাৰণে।...



বতৰটো গোমাই আছিল। কোনোবা ফালৰ পৰা আহি আকাশৰ বুকুত মেঘ কিছুমান জমা হৈছিলহি। আকাশত মেঘ গোট খোৱাৰ কাৰণেই হ'বলা গৰম পৰিছিল। মানুহবোৰ পথাৰে-সমাৰে কামে-কাজে লাগি আছিল বৰষুণ আহিব পাৰে বুলি বা গৰম পৰিছে বুলি কাম-বন এৰি কোনো মানুহ ঘৰৰ ভিতৰত সোমাই থকা নাছিল।

নৈৰ গৰাৰ শিমলুজোপাৰ শকত শিয়া এডালৰ ওপৰত বহি কোনোবা এটাই চিঞৰি চিঞৰি এটা বৰগীত গাইছিল। মাতটো সিমান মিঠা নহয় যদিও সুৰটো সিমান বেয়া হোৱা নাছিল। ক'তো ঢোল-খোল নেপাই সি তাৰ কৰঙনতে হাতেৰে থপৰিয়াই সি গোৱা বৰগীতটোৰ তাল ৰাখিছিল।

তাৰ গীত গোৱা শেষ হওঁতে নৌ হওঁতেই হাবিৰ মাজৰ পৰা ওলাই আহিল টেপৰ, থোলোক, বাঁহগাঁথি আৰু বজৰু। অলপ নিলগতে কোনোবা এটাই বৰগীত যেন লগা কিবা গীত এটা গাই থকা দেখি সিহঁত কেটা থমকি ৰৈ গ'ল আৰু গীতটো শেষ হ'বলৈ বাট চালে।

কিছুপৰৰ মূৰত মানুহটোৰ গীত গোৱা শেষ হ'ল। কৃষ্ণ কৃষ্ণ বুলি সি বহাৰ পৰা উঠিল আৰু পিন্ধি থকা ক'কালৰ মাটি বৰণীয়া তিয়নি গামোচাখন টানি টুনি, জাৰি জোকাৰি ল'লে। টেপৰহঁতো আহি তাৰ ওচৰ পালেহি।

"হেৰ' প'ইতা নহয়নে? কি কৰিছ ইয়াত অকলে অকলে?"

প'ইতাই সিহতৰ মুখলৈ চালে। "এনেই অলপ জিৰাইছিলো অ'। কাহিলী পুৱাৰ পৰা পথাৰত কোৰ মাৰিলো। হাতৰ তলুৱাত জোলা বান্ধি গৈছে জানিছ, ক'কালৰো বিষে ধৰিছে। বোলো ইয়াতে অকণ ভাগৰ মাৰো।" তহঁত আহিলি ক'ৰ পৰা?"



বজৰুৱে ক'লে, "ভাগৰ মাৰিছিলিনে গুৰুজনাৰ গীত গাইছিলি? দেখিছো ওজাৰ ঘৰৰ বোন্দা বিড়ালীয়েও ৰাগ টানিবলৈ লৈছ। ক'ত শিকিলি অ' এনেবোৰ গীত?"

"শিকিবনো লাগিছে কেলেই? পুৱা গধূলি দেখোন গাঁও-ভূই ৰজনজনাই আছে গুৰুজনাৰ গীতেৰে। শুনিলেই মনত ৰৈ যায় জানিছ।"

"তয়ো হ'বলা শংকৰদেৱত শৰণ লৈ শিচ হলি! তই জানো কণবাপু দেউৰ ঘৰৰ গৰখীয়া নহয়? আজিকালি অইন কাৰোবাৰ ঘৰৰ গৰখীয়া সোমালিনেকি আকৌ? শংকৰ গুৰুৰ ঘৰত লাচনি-পাচনি কৰা লগুৱা লিকচৌবোৰ আছেনে নাই?"

"তহঁতে ঠিকেই ধৰিছ। আজিকালি মই বামুণৰ ঘৰৰ পৰা ওলালো। হওতে তাতো ভালেই খাই আছিলো। পিছে শংকৰ গুৰু দেশ ভ্ৰমিবলৈ যোৱাৰ আগতে, তহঁতৰ মনত আছেনে বাৰু? ছকুৰিজনী খীৰতী গাই আছিল। ডেড় কুৰি হাল হালৰ বলধ আছিল। আৰু এশঘৰ গোলাম, লগুৱা চাকৰ আছিল। আজিকালি সেইবোৰ নোহোৱা হ'ল। ইপিনে খাটপামত চকু দিয়ে বনগঞা গিৰীয়ে আৰু বুঢ়া কেজনে। গুৰুজনাক গোমাস্তা পাতি থৈছে, লেখত ছকুৰি ঘৰ তাঁতীৰ ওপৰত। পিছে তাঁতী বুলিলেই তাঁতীনে? তাঁতীৰ জীয়টো সুতাত। সুতালৈ লাগিল কপাহ। লাগিল পাট, মুগা, এড়ী, এড়ীয়া, মেজাংকৰী। কেইঘৰ তাঁতীয়ে পাইছে নিৰ্সান্ধিকৈ তাঁত সুতাতে লাগিবলৈ? ময়ো তাঁতীৰ ঘৰৰ ল'ৰা। পিছে লোকৰ ঘৰৰ গৰখীয়া হৈ খাব লগীয়া হৈছে। পাৰোঁতে নে? বেহেৰুৱা আহে—টিকাৰুপ ক'কালত বান্ধি আনে—পাট, মেজাংকৰী, এড়ী, কপাহী কাপোৰ কিনি নি বেপাৰ কৰোগৈ বুলি। আমাৰ গাঁৱৰ তাঁতীহঁতে কিমান কাপোৰ বৈছে, কিমান বেচিব পাৰিছে তহঁতেই ভাবি চাচোন। বৰদোৱা হেন গাঁৱৰ তাঁতী শিপিনী যদি তাঁতৰ পাটত নবহি, গছ তলত বহি তামোল পকটিয়াই কথা চোবাই থাকিবলগীয়া হ'ল, সেইয়া ভালৰ লক্ষণনে? আমিবোৰ ইয়াত আৰু ৰ'ব নোৱাৰিম যেনহে পাইছো।"

টেপৰে ক'লে, "চাও হাচতিখন উলিয়াচোন। ভাল মনত পেলালি। মুখখন কিবা কিবা লাগি আছে হয়। মই বোলো কিনো হ'ল—মুখখন টেঙা লাগি আছে কেলেই। এৰা নেলাগিব কেলেই? এপৰ বেলি তামোল এখন নাই—দে, দে, আছে যদি উলিয়া।"

"মোৰ হাচতিৰ তামোল-পাণ তহঁতৰ চলিব জানো? তাঁতীৰ হাতৰ কাপোৰহে গোসাই-বামুণ, কাইথ-কলিতা সকলোৱে চলে। তামোলখন চেঁচা পানী বাটি খালেও আকৌ কাৰোবাৰ জাত যায়।" বাঁহগাঁথিয়ে ক'লে।

"থ থ সেইবোৰ জাত পাতৰ দিন উকলিল আৰু। শংকৰদেৱে বোলে কৈছে কৈৱৰ্ত্তৰ হাতেৰে নেলাগে গৰীয়া মছলমানৰ হাতে খালেও ধৰ্ম্ম নষ্ট নহয়, জাত নেযায়। সকলো মানুহৰ জাত হেনো একেটা—মানুহৰ জাত। তাকে দুভাগ কৰিব পাৰি—ভাল মানুহ আৰু বেয়া মানুহ। হওতে এনেকৈ ধৰিব পাৰিলে আমাৰো সুচল হয়। এতিয়া কোনোবা এটা তিনদিনীয়া ভোকত মৰিবলৈ ওলালেও জাত নিমিলিলে আনে ৰন্ধা নেখায়, লাগিলে নেখায়ে মৰিব। হেৰ' ভাতৰনো কি জাত আছে? একে চাউল, একে পানী, একে চৰু একে জুই। কোনোবাই ৰান্ধিলে চাউল-সিজোৱাই পৰসাদ হয়, কোনোবাই ৰান্ধিলে আনৰ নাকত গোন্ধটো লাগিলেও জাতটো যায়। শংকৰ গুৰুৱে এইবোৰ নীতি নিয়ম গুচালে ভালেই হ'ব জানিছ।" টেপৰে ক'লে।

বাঁহগাঁথিয়ে তামোল এখন মুখত ভৰাই চুণ কম হোৱা বুলি আঙুলিৰ আগেৰে আৰু অলপ চুণ আমগুটিৰ চুণৰ টেমটোৰ পৰা লৈ দাঁতত লগাই ক'লে, "হেৰ, তোৰ বাৰীৰে তামোল, তোৰ বাৰীৰে পাণ, তোৰ শামুকৰে চুণ—তোৰ হাতে দিলে বেয়া অশুচি, মই নিজে লৈ খালে ভাল—শুচি—এইবোৰনো ভাল নিয়ম কেনেকৈ বুলিবি? এইবোৰ যায় মানে সকলোৱে ভাল। নহয়নে বাৰু?"

প'ইতাই যেন এনেকুৱা কিবা এষাৰ কথাৰ আলচ কৰিবলৈকে বাট চাই আছিল। সিও তামোল এখন লৈ মুখত ভৰাই ক'লে, "কেতিয়াবা গা-টো বেজবেজাই যায় জানিছনে? আমিয়ে মাছ পুঠি এটা ধৰি ধৰি



নিদিলে গোটেইখনে তেল-খাৰেৰে, লোণ-জলকীয়াৰে শুকান ভাত খাই মৰিলহেতেন। জাৰ-জহ নগনি, ৰ'দ-বৰষুণ নগনি, শিহু-ঘৰিয়াল, সাপ, মহ-জোকলৈ কেৰেপ, ভয় নকৰি জাল-জুলুকি বাই পানীত জুৰুলি জুপুৰি হৈ মাছ দুটা ধৰো। নিজৰ ল'ৰা-ছোৱালীয়ে শুদা ভাত গলিয়ায়। মাছ নি বামুণ-দৈৱজ্ঞ, কাথ-কলিতাৰ ঘৰত দিওঁগৈ—ধান এমুঠি লৈ সলাবলৈ। মাছটো ভাল, মাছটো হেৰ' ময়ে ধৰি নিয়া মাছটো চুলে জাতটো নেযায়, মই মাছ মৰিয়াটোক চুলে জাতটো যায়, জাতো জাত বিয়াগোম জাত! ময়ে ধৰি মাৰি নি মাছ পুঠিটো নিদিলে, তিন তেলনী মাৰি দিহ আঞ্জা ৰান্ধি কিটো খালিহেতেন? মোক নেলাগে, মাছ লাগে। মাছ মাৰিলো বুলি আমি গোটেই মানুহ মখাই হলো নীহ, আমাৰ জাতো নীহ, কুলো নীহ, আমি এই মাছমৰীয়া মানুহ মখাৰ গাৰ বতাহকণো গোন্ধায়। কুকুৰে চেলেকিলেও গা অশুচি নহয়, মই কাষেদি গলেও গা অশুচি হয়। এইবোৰ যে অইনাই অধৰম, আমি জনাই নাছিলো। শংকৰ গুৰুৱে আহি পিছে এইবোৰ গুচাবলৈ লৈ বৰ ডাঙৰ কাম কৰিছে দেই।"

বজৰুৱে ক'লে, "পিছে কথা এষাৰ শুনিছো। সঁচানে মিছা জানো?"

"কি কথা?"

"আজিনে কিবা? সেইবোৰ কত কালৰ পৰা চলি অহা কথা। বাৰ ভূঞাৰ ঘৰৰ শইচৰ পথাৰত, পকা ধাননিত গৰু-ম'হ সুমুৱাই দি ধান পাত খাস্তাং কৰোৱাটো আজিৰ নতুন কথানে কিবা? কছাৰীহঁতে সেইবোৰ আগেও কৰে। সিহঁতে আমাৰ নিচিনাকৈ হালবাই, মাটি বোকা দি ধান নোৰোৱে। কোৰ মাৰি, খন্তিৰে মাটি খুচৰি, তাতে কঠিয়া দি আহু খেতি কৰে। আমি কৰো শালি খেতি—দ পথাৰত ম'হ-গৰুৱে হালবাই। আহু আৰু শালিৰ সমান হ'বনে? তাতে আমি সদায় একেডৰা পথাৰতে একেধৰণৰ খেতিকে কৰো। সিহঁতে আকৌ এই বৈছা য'ত আহু পাৰিলে অহা বছৰলৈ তাত আৰু নেপাৰে। হাবি কাটি, জুই লগাই নতুন মাটি উলিয়াই তাত ধান ৰোৱে। সেইটো

পুৰণি সজ। একেদিনাই এৰিব পাৰেনে? সিহঁতে খেতি কৰে বামত, আমি কৰো দুত। আমাৰ শইচ ভাল হয়, ধান পাও বেছি, সিহঁতৰ শইচ বনৰীয়া হাতী, গাহৰি, বনৰীয়া ম'হ আৰু পহুৱেও খায় ভাঙে।

সদায় সদায় ভুঞা খাটৰ হোৱা শইচবোৰ কৰে দেখি অলপতে বোলে কোনোবা ভুঞাৰ ঘৰত বৰ ভোজ পাতিলে। তালৈকে ওচৰৰে কছাৰী মানুহ কিছুমানকো মাতিলে। কাইথৰ ঘৰৰ ভোজ, নাহিব কেলেই? আহিল। পিছে ভোজ খাবলৈ অহা কছাৰী কেইটামানক কাটিলে— শুনিছনে কথাযাৰ?"

"শুনিছো। পিছে তাৰ পিছত কি হ'ল?"

"গোটেই কছাৰী গাঁৱৰ মানুহবোৰ বোলে জাঙুৰ খাই উঠিছে। ইয়াৰ পোতক তুলিম বুলি দা-যাঠি ধৰাইছে। কি হয়, ক'ব পৰা নাই কিন্তু দেই।"

বজৰুৱে ক'লে, "ঘটনাটোৰ কথা শুনি শংকৰদেৱে বোলে বৰ বেজাৰ কৰিছে। এইবোৰ বেয়া কথা বুলি গৰিহণা দিছে। ভুঞাহঁতকো দুষিছে। ভোজ খুৱাম বুলি মাতি আনি মানুহ কটাটো কম বেয়া কথানে?"

টেপৰে ক'লে "বোলে লৰাই পানী পেলায় বৰে পিছলি পৰে। সৰু কথাই বৰ, ফটা কেঠাই জুৰ। এতিয়া কছাৰীহঁত যি দৰে শিং ধৰাই যুঁজিবলৈ ওলাইছে শংকৰ গুৰুৱে বোলে পা-পৰিয়াল ভকত সজ্জন সকলোকে লৈ আমাৰ বৰদোৱাৰ পৰা গুচি যাবলৈহে ওলাইছে। ইয়াত দিনে দিনে অশান্তি বাঢ়িছেহে। আগৰ বাৰ ভুঞাৰ খাট পামো নোহোৱা হৈছে, গৰু গায়ো নোহোৱা হ'ল। দুখীয়া ভকত মথা আছে। এতিয়া যদি বাকী থকা মান মৰ্য্যাদাকণো ৰক্ষা নপৰে ইয়াতনো কি বুলি থাকিব? তহঁতে কি কৰ?"

চিন্তা কৰি পঁইতাই ক'লে, "ভুঞাসকলক আমি প্ৰজাবোৰে ৰইখা কৰিব পাৰিব লাগিছিল। নোৱাৰিলো। কুসুম ভুঞাৰ ঘৰৰ মানুহ। এতিয়া কছাৰীৰ ভয়ত গাঁও এৰি থৈ ক'ৰবাৰ দূৰণি ঠাইলৈ যাবলৈ ওলাইছে। এতিয়া আমি থাকা বুলিও ক'ব নোৱাৰো, যোৱা বুলিও



ক'ব নোৱাৰো। সকলো প্ৰজা ঘৰবাৰী এৰি লগতো যাবগৈ নোৱাৰো। কিবা ভাল কথা হোৱা নাই দেই। এইবোৰ ভাল কথা নহয়।"

বজৰুৱে ক'লে, "এৰা শংকৰদেৱে আমি গৰু পহুৰ দৰে থকা মানুহ-বোৰক মানুহ কৰো বুলি লাগিছিল। বামুণ-দৈৱজ্ঞ, কাইথ-কলিতাক দিয়াৰ দৰে আমাকো নাম ধৰ্ম দিছিল। ভকতৰ মাজত কোনো জাত-অজাত, উচ্চ-নীচ ভাব নেৰাখি সকলোকে নামঘৰত সোমাবলৈ দিছিল —নাম লবলৈ দিছিল, একেলগে কীৰ্ত্তন ঘোষা পাঠ শুনিবলৈ দিছিল। গুৰুজনা ইয়াৰ পৰা দুৰলৈ গুচি গ'লে, এইবোৰ সকলো এনেদৰে থাকিব বুলি ভাবিছনে বাৰু?"

আকাশৰ পৰা এটোপ দুটোপকৈ বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। সিহঁতে আকাশৰ ফালে চালে। "দোপাল পিটা বৰষুণ এজাক আহিব যেন পাইছো। যাওঁহক ব'ল। ইয়াতে কথা চোবাই বহি থাকিলে তিতিমহঁতহে।"

"এৰা অ' গোমা বতৰত এনেয়ে গাবোৰ তপত লাগি আছিল। তাতে গুৰুজনাৰ এইবোৰ কথা শুনি আৰু চট্‌ফটনি উঠিছে। তেৰাক ইয়াতে ৰাখি থব পৰা হ'লে ভাল আছিল। পিছে কেনেকৈ ৰাখিবি? আগেও জানো কছাৰীয়ে ইয়াত কম উপদ্ৰৱ কৰিছিল? সিহঁতৰ ভয়ত ইয়াৰ মানুহ এনেই শান্তিৰে তিষ্ঠিব নোৱাৰা হৈছিল। গৰু ম'হ কাঢ়ি নিব, পথাৰৰ ধান কাটি নিব, ভঁড়াল ভাঙি গুটি ধান লৈ যাব—মানুহ মাৰিব। সেইবোৰ চলিয়ে আছিল দেখোন। শংকৰদেৱে সিহঁতকো নাম ধৰ্ম জ্ঞাতি কৰিবৰ মন কৰিছিল। দুই চাৰি আহি লগো লাগিছিলহি। পিছে একে ওচৰা-উচৰিকৈ থকা দুদল মানুহ সমিল মিলেৰে নেথাকিলে, দন খৰিয়াল কৰি থাকিলে কৰো বুলিলেও ভাল কাম এটাওনো কেনেকৈ কৰে? কোৱা শুনিছো বোলে কালিন্দী আইকে ধৰি পৰিয়ালৰ অইন অইন মানুহক বয়ে বস্তুৰে নাৱত তুলি দুই এদিনতে বৰনৈৰ সিপাৰৰ ক'ৰবালৈ পঠিয়াবলৈ সাজু কৰিছে। সকলোকে পাৰ কৰি নিজে বোলে গুৰুজনাই ইয়াৰ ভকতসকলক কিবা আজ্ঞা উপদেশ দি পিছত যাব।

"শংকৰ গুৰুৱে চলোৱা নাম ধৰ্ম্মটো পিছে বৰ সহজ আৰু উজু ধৰম দেই। অইনৰ নিচিনা পূজা-পাতলো নাই, গোসাঁই-গোসানী, দেৱদেৱীৰ মূৰ্ত্তি প্ৰতিমাও নাই। নহ'লে ভাবচোন কোনোবা বামুণ গোসাঁই পূজাৰী এজন এখন ঠাই এৰি অইন এখন ঠাইলৈ গুচি যাবলৈ ওলালে অইন বস্তু বাহানি এৰি থৈ যাব পাৰিলেও পূজা কৰা গোসাঁই-গোসানীৰ প্ৰতিমাজনাক এৰি থৈ যাব পাৰিবনে? পিছে শংকৰ গুৰুৱে আকৌ বোলে মূৰ্ত্তি, প্ৰতিমা একো নেলাগে। মনৰ মাজত এবাৰ হৰিৰ মূৰ্ত্তিটো বহুৱাই ল'ব পাৰিলে, পৃথিৱীৰ যলৈকে যাৱ, তোৰ ঈশ্বৰকো লগতে লৈ যাব পাৰিবি। গজহেও, নুটুটেও, ভাৰো নহয়, সাঙ্গীও নহয়। সৰুও নহয় ডাঙৰো নহয়। সদায় একে থাকে। পেটটো ভাতেৰে পূৰ কৰিব পাৰিবি, মনটো কিহেৰে পূৰ কৰিবি? এজনা ভগৱানক যদি মনৰ মাজত সুমুৱাই ল'ব পাৰ, মন আৰু কাহানিও শূইন পৰি নেথাকে। এবাৰ ভগৱানক মনৰ মাজত থিত লোৱাব পাৰিলে কিন্তু আমি পাহৰি থাকিলেও, ভিতৰত থকা ভগৱানজনে আমাক কাহানিও নেপাহৰে। আমি সাৰ পাই থাকিলে, তেওঁ যিদৰে আমাৰ লগতে সাৰ পাই থাকে আমি টোপনি গলেও কিন্তু আমৰ মনৰ মাজৰ ভগৱানজনা নোশোৱে। তেওঁ বোলে সদায় সাৰ পাই থাকে।"

বাঁহগাঁথিয়ে ক'লে, "এইবোৰ কথা চিন্তিবলৈ ভাল। বুজিবলৈ টান লাগে। দুৰ্গা গোসানীয়েই ধৰ, পাটত তুলি পূজা কৰোহক। চালে চাই থাকিবৰ মন যায়। কালী গোসানীক পিছে দেখিলেই ভয় লাগে। আমি দূৰৰ পৰাই সেৱা এটা কৰো। পূজাও নেজানো, মন্ত্ৰ বিধিও নেজানো। এই গোসানীসকলকনো কেনেকৈ বুকুৰ মাজত সুমাই লৈ ফুৰাবি? শংকৰ গুৰুৱে আকৌ বোলে তেওঁৰ জনা ভগৱান নিৰাকাৰ—একো আকৃতি প্ৰকৃতি ৰং ৰহণ নাই। তেওঁৰে পূজা কৰিব লাগে, চকুৰে নেদেখাকৈয়ে।"

বৰষুণ ডাঙৰকৈ আহিব যেন দেখি সিঁহঁত সেইখিনিৰ পৰা যাবলৈ ওলাল।

পইঁতাই ক'লে, "মই হ'লে সঁচা কৈছো কথাবোৰ ভালকৈ বুজিব পৰা



নাই। সেই বুঢ়া শিলিখা জোপাৰ তলত বহিয়ে গুৰুজনাই নিতউ কিবা লেখা পঢ়া কৰে, এতিয়া তেৰা আমাৰ বৰদোৱাত নোহোৱা হ'লে সেই শিলিখা জোপাৰ ফালে চালেই মনটো কিবা ৰিঙা ৰিঙা নেলাগিবনে?"

"আৰু এই শান্তিজান খনৰ বান্ধটো কোনে দিয়াইছিল তেৰায়ে নহয় জানো? শংকৰ গুৰু ইয়াৰ পৰা গলেগৈ, যিমান দিনলৈ শান্তিজান বৈ থাকে সিমান দিনলৈ আমাৰ শংকৰ গুৰুৰ কথা ৰাইজৰ মনত পৰি থাকিব। তেৰা গলেগৈ আমাৰ সকলোৰে বৰ উৰুঙা উৰুঙা লাগিব, বুইছনে?"

বাঁহগাঁথিয়ে মোখনি মাৰিলে—"শংকৰ গুৰু কিবা অকল আমাৰ কাৰণে আহিছেনে? সদৌ ৰাইজৰ কাৰণে আহিছে। আমাৰ নিচিনা দুখীয়া নিচলা, নীহকুলীয়া, পিছত যোৱাবোৰৰ কাৰণে আহিছে। তেৰা একেঠাইতে আমাৰ মাজতে সোমাই থাকিলে চলিবনে? ইয়াৰ পৰা গ'লে জানিবা, তই মই বেয়া পালো, পিছ য'লৈ যাব তাৰ মানুহে কম ভাল পাবনে? আমাক যি নাম বস্তু দিছে তাকে ৰাখি খাব পাৰিলেই বহুত। ওলাবিহক যোৱাৰ আগতে দেখা এটা কৰি সেৱা এটা কৰি আহিমগৈ।"

"বেয়াই লাগিব অ'। আমাৰ নিচিনা দুখীয়া নিচলাই গুৰুজনাক কিবা এটা দি বিদায় দিব পৰা হলেহে মনতে ৰং পালোহেতেন। পিছে আছেনো কি দিমনো কি?"

"গুৰুজনাই আমাৰ পৰা একো নিবিচাৰে জানিছ। যি কৰিবলৈ দিছে, যি মানিবলৈ কৈছে, তাকে কৰি চলিলেই তেৰা সন্তোষ হ'ব। বয়বস্তু একো দিব নেলাগে।—"

সিহঁত খৰখুজীয়াকৈ তাৰ পৰা আঁতৰি ঘৰাঘৰি গ'লগৈ।



'ভাৰত বৰিষৰ' পূব প্ৰান্তৰ ভূমি খণ্ডৰ সমগ্ৰ অঞ্চলটোৰ চিনাকি দিব পৰাকৈ এটা নাম তেতিয়াও নিৰ্ণয় হোৱা নাই। যিটো অঞ্চলত যিয়ে শাসন কৰে, যিয়ে য'ত ৰজা হয়, সেই ফৈদৰ নামেৰেই বা ৰাজবংশৰ পৰিচয় দিয়া নামেৰেই ৰাজ্যখণ্ডৰ নামকৰণ কৰা হয়। ভোট ৰাজ্য, অকা ৰাজ্য, দফলা ৰাজ্য, চিংফৌ ৰাজ্য, মটক ৰাজ্য, মৰাণ ৰাজ্য, চুটিয়া ৰাজ্য, আহোম ৰাজ্য, কছাৰী ৰাজ্য, খেৰামী বা খাছী ৰাজ্য, জয়ন্তীয়া ৰাজ্য, গাৰো ৰাজ্য, কোচ ৰাজ্য, কমতা ৰাজ্য, গোভা, নেলী, ডিমৰীয়া, মিকিৰ বা কাৰ্বি ৰাজ্য।

আৰু যে সৰু বৰ কতনা ৰাজ্য বা দেশ। এইবোৰ দেশৰ নৃপতি বা অধিপতি বা ৰজাবোৰৰ মাজতে নানান দন-খৰিয়াল, সীমা বিবাদ, যুদ্ধ-শান্তি। সৰু হওঁক, ডাঙৰ হওঁক প্ৰতিটো ৰজাৰ প্ৰধান লক্ষ্য —নিজৰ দেশৰ সীমা বহলোৱা। দেশৰ সীমা বহল হ'লে প্ৰজাৰ সংখ্যা বাঢ়িব। প্ৰজাৰ সংখ্যা বাঢ়িলে ৰজাৰ শক্তি বাঢ়িব, ৰাজভঁড়ালৰ ধন বাঢ়িব, খাদ্য বাঢ়িব, ৰজাৰ খেতি পথাৰত কাম কৰা হালোৱা খেতিয়ক বাঢ়িব আৰু ৰজাঘৰৰ গোলাম, চাকৰ, দাস-দাসী বাঢ়িব। আৰু এনেদৰে ৰজাৰ আৰু ৰাজ-পৰিয়ালৰ আৰু অঙহী-বঙহীৰ আৰু ৰজাৰ তলত ৰজাৰ হৈ শাসন কাৰ্য্য চলোৱা বিষয়াবোৰৰ সুখ সুবিধা, বিলাস বৈভৱ বাঢ়িব ; আৰু কাষৰ পাজৰৰ অন্য ৰজা বা মাটি-গিৰীয়াই ভয় কৰিব।

এই ৰজাবোৰৰ সৰহ ভাগৰে নিজৰ শক্তিৰ ওপৰত সম্পূৰ্ণ বিশ্বাস নাছিল। তলতীয়া ৰাজবিষয়া আৰু নিজ ৰাজ্যৰ সকলো প্ৰজাৰ আনুগত্যৰ ওপৰতো সম্পূৰ্ণ বিশ্বাস নাছিল। স্থায়ী দেশৰক্ষক সৈন্য-



বাহিনী নথকাৰ কাৰণে আৰু কাৰোবাৰ লগত যুদ্ধ-বিগ্ৰহ লাগিলেহে ৰণ কৰিব পৰা ডেকাল'ৰা বা এটা বয়স সীমাৰ ভিতৰৰ পুৰুষবোৰক হাতত অস্ত্ৰ দি ৰণ কৰিবলৈ পঠিয়াই দিয়া হৈছিল। নিজৰ ৰণ কৌশল বা সামৰিক শক্তিক সম্পূৰ্ণ বিশ্বাস কৰিব নোৱাৰাৰ কাৰণে আৰু তলতীয়া ৰাজবিষয়া আৰু প্ৰজাৰ বিশ্বস্ততাৰ বিষয়ে নিঃসন্দেহ হ'ব নোৱাৰাৰ কাৰণে এই ৰজাবোৰে নিৰ্ভৰ কৰিছিল অদৃশ্য কোনো দৈৱ শক্তিৰ ওপৰত। ৰজা ঘৰৰ পূজ্য দেৱতাই বা প্ৰজা সাধাৰণৰ পূজ্য দেৱতাই যথাযোগ্য পূজা প্ৰাৰ্থনা ভোগ বলি পালে ৰজাক আৰু ৰাজ্যক ৰক্ষা কৰি দিবহি—এনে বিশ্বাস প্ৰায় বদ্ধমূল আছিল। ইয়াৰ ফলত সৰু ডাঙৰ সকলো ৰাজ্যতে নিজ নিজ ধৰ্মৰ যাজক আৰু পুৰোহিত শ্ৰেণীৰ অৱস্থান আছিল অপৰিহাৰ্য্য, আৰু স্থান আছিল সকলো প্ৰজাতকৈ ওপৰত। কিয়নো ৰজাক কুশলে ৰখা, ৰাজ-পৰিয়ালক আৰু ৰাজ্যক ৰক্ষণা-বেক্ষণ দিয়া, দেৱতাক ৰজাৰ হৈ সন্তুষ্ট কৰিব পাৰে কেৱল এই পূজাৰি পুৰোহিত আৰু ধৰ্ম গুৰু বিলাকেহে। ৰজা বিলাকৰ নিজ নিজ ধৰ্ম আৰু ধৰ্ম বিশ্বাস থাকিলেও দৈৱ অনুগ্ৰহ লাভ কৰিবৰ কাৰণে আৰু কোনো বিশেষ ধৰ্মৰ বিশেষ দেৱতা বা দেৱীৰ ক্ৰোধ আৰু অসন্তুষ্টিৰ পৰা ৰক্ষা পৰি থাকিবৰ কাৰণে নিজ ৰাজ্যত থকা অন্যান্য ধৰ্মৰ পুৰোহিত আদিৰ হতুৱাই বিধিবৎ পূজা প্ৰাৰ্থনা কৰাইছিল। আৰু তাৰ কাৰণে পুৰোহিত বিলাকক ধন-সোণ, মাটি-বাৰী, চাকৰ-বাকৰ সকলো দি সন্তুষ্ট ৰাখিছিল। সৰহ ভাগ পুৰোহিতৰে পৃষ্ঠপোষকক সন্তুষ্ট ৰখাই আছিল প্ৰধান ধৰ্ম। আনহাতে দেৱতাৰ অনুগ্ৰহ লাভ কৰিবৰ কাৰণে ৰজায়ো যাজক পুৰোহিতবোৰক সকলো প্ৰকাৰে সন্তুষ্ট ৰাখিবৰ যত্ন কৰিছিল।

এনেদৰে এই ৰাজ্যবোৰত একপ্ৰকাৰ দ্বৈত শাসন চলি আছিল — নৃপতিৰ শাসন আৰু ধৰ্ম গুৰুৰ শাসন। বহু সময়ত ৰজাতকৈ ধৰ্ম-গুৰুৰ প্ৰভাৱ প্ৰতিপত্তি হে অধিক হৈছিল। কিয়নো ৰজা বা ৰজাঘৰৰ লগত প্ৰজা সাধাৰণৰ পোনপটীয়া সম্পৰ্ক নাছিল। কিন্তু ধৰ্ম গুৰুজনে প্ৰৱৰ্ত্তন কৰা ধৰ্মীয় বিধিবিধান বা আদেশ নিৰ্দ্দেশ, সেই ধৰ্মৰ

অন্তৰ্ভুক্ত সকলো লোকে বিনা প্ৰতিবাদে মানি চলিছিল। গতিকে প্ৰজাই ৰজাৰ দায় যিদৰে নধৰিছিল তেনেকে গুৰুৰো দায় নধৰিছিল। ফলত অনাচাৰ ব্যভিচাৰো বহুসময়ত ধৰ্মৰ নামতে চলি আছিল। ধৰ্মৰ বিষয়ত ৰজাই হস্তক্ষেপ নকৰাটোকে উচিত বিবেচনা কৰিছিল। গতিকে ৰাজ আনুগত্যৰ ফাট নধৰোৱা পৰ্য্যন্ত যাৰ যি মন যায় নিজ নিজ ভাবে ধৰ্মাচাৰ পালন কৰি যোৱাত ৰজাঘৰে প্ৰজাক আমনি নকৰিছিল। ৰজা সলনি হয়, ধৰ্ম সলনি নহয়। আৰু যেতিয়া কোনো এটা ধৰ্ম ৰাজ ধৰ্ম হৈ পৰে তেতিয়া সেই ধৰ্মৰ অন্তৰ্গত থকা সকলো ভাল আৰু বেয়া, যুগোপযোগী বা যুগৰ লগত খাপ নোখোৱা সকলো বিধি সংস্কাৰ অপৰিৱৰ্ত্তিতভাৱে চলি থাকে। বাইজৰ দুখ দুৰ্দশাৰ কাৰণে ৰাজ্য পৰিচালনাত শাসক বিলাকৰ বিফলতা বা দক্ষতাহীনতাক জগৰীয়া নকৰি, দেৱতাৰ ক্ৰোধ বা অসন্তুষ্টিৰ দোহাই দি ৰজাক দোষমুক্ত কৰিছিল। এনে কৰোঁতে দেৱতাক সন্তুষ্ট কৰিবৰ কাৰণে ৰজাঘৰে আৰু প্ৰজায়ো পূজা পাৱৰ্বণত অধিক খৰছ কৰি দেৱতাক সন্তুষ্ট কৰিবৰ ব্যৱস্থা লৈছিল। ফলত লাভ হৈছিল যাজক বা পুৰোহিত বিলাকৰ। নতুন নতুন মঠ মন্দিৰ সজা হৈছিল, আৰু তাত নতুন নতুন পুৰোহিতৰ সংস্থান ওলাইছিল। আৰু তাৰ যোগে ধৰ্মীয় পৰম্পৰা স্থায়ী আৰু সম্প্ৰসাৰিত কৰাৰ সুবিধা হৈছিল। ধৰ্ম পৰায়ণ ৰজা প্ৰজাৰ আস্থাভাজন হৈছিল। কাৰণ ধৰ্মৰ লগত ন্যায় পৰায়ণতা, উদাৰতা, সততা, প্ৰজা বৎসলতা আদি ভাল গুণবোৰ সদায় জড়িত কৰি ৰখা হৈছিল। যি ৰজাই গো-ব্ৰাহ্মণ আদিক ৰক্ষণাবেক্ষণ দিয়ে সেই ৰজা আদৰ্শবান, ভাল ৰজা বুলি পৰিগণিত হৈছিল।

এটা বিশেষ নামেৰে পৰিচিত নোহোৱা এই ভূখণ্ডত বিভিন্ন ভূমিগিৰিৰ বা নৰপতিৰ প্ৰধান সমস্যা আছিল নিজৰ ৰাজ্যখণ্ডৰ সীমা অক্ষুন্ন ৰখা। জাতি-গোষ্ঠীৰ দোহাই দি, পূৰ্ব্বপুৰুষৰ কীৰ্ত্তিকলাপৰ দোহাই দি প্ৰতিপক্ষৰ সঁচা বা কল্পিত দোষ দুৰ্ব্বলতা, দুস্কৃতি, অপকৰ্মৰ দোহাই দি, প্ৰজা বৰ্গৰ সমৰ্থন আৰু সাহাৰ্য্য লাভৰ চেষ্টা কৰি ৰাজ্য সংৰক্ষণৰ বা শত্ৰুৰ পৰা নিৰাপদে ৰখাৰ ব্যৱস্থা কৰা হৈছিল। সুবিধা বুজি



ৰাজধৰ্মৰ বা প্ৰজাৰ ধৰ্মৰ দোহাই দি ৰাজকুলৰ স্বাৰ্থ ৰক্ষা কৰাটো এটা পৰম্পৰাগত পদ্ধতি আছিল।

দুখন ৰাজ্যৰ দুজন ৰজাৰ মাজত যুদ্ধ লাগে—প্ৰধানতঃ ৰজাৰ স্বাৰ্থত। এই বিষয়ত প্ৰজাৰ লগত আলোচনা পৰামৰ্শ কৰাৰ কোনো প্ৰয়োজন নাই। ৰাজ অভিমতেই জনমত, ৰাজ ইচ্ছাই জনতাৰ বা প্ৰজাৰ ইচ্ছা। সেয়ে ৰাজতন্ত্ৰ বা সামন্ততন্ত্ৰ—য'ত প্ৰজা ৰজাৰ আজ্ঞাবহ, চিৰবাধ্য, দাসতকৈ একো বেছি নহয়। এই বিষয়ত যাজক বা পুৰোহিত বিলাক আছিল প্ৰজাৰ মাজত ৰাজইচ্ছাৰ এক প্ৰকাৰৰ ব্যাখ্যাকাৰী ৰাজপক্ষৰ প্ৰবক্তা।

ভাৰত বৰিষৰ পূৰ্ব্বাঞ্চল। নদী, অৰণ্য আৰু পৰ্ব্বত। নদীৰ পাৰে পাৰে অৰণ্যৰ ভিতৰে বাহিৰে আৰু পৰ্ব্বতৰ বসবাসৰ উপযোগী অঞ্চলত—ওপৰত, নামনিত—সৰুবৰ জনগোষ্ঠী। প্ৰত্যেকৰে আছে নিজস্ব ইতিহাস, নিজস্ব ৰীতি-নীতি, নিজস্ব আচাৰ-পদ্ধতি, আৰু নিজস্ব ভাষা, দোৱান, মাত-কথা। নিজস্ব ৰীতি-নীতি সংস্কাৰ আৰু বিশ্বাসৰ আবেষ্টনত গঢ়ি উঠিছে, বৰ্ত্তি আছে একোটা ধৰ্ম; একোটা ধৰ্মৰ অৱলম্বণত গঢ়ি উঠিছে, বৰ্ত্তি আছে একোটা জনগোষ্ঠীৰ বিশ্বাস, সংস্কাৰ, সামাজিক আচাৰ-নীতি। কেতিয়াবা বাহিৰৰ পৰা অহা একোটা ধৰ্মই, একোটা শক্তিশালী সংস্কাৰ বা লোকাচাৰৰ ঢৌৱে থলুৱা ধৰ্ম সংস্কাৰৰ ভেটি জোকাৰি যায়। পৰিৱৰ্ত্তন সাধে, ৰূপান্তৰ ঘটায়। সংঘাতৰ জন্ম হয়, সংঘৰ্ষ হয়, বুজাবুজি হয়, দিয়া লোৱাৰ মধ্যম পথ অনুসৰণ কৰা হয়।

নদী দ্বীপ মাজুলী। দুখন নৈৰ মাজৰ ওখ ঠাই—উৰ্ব্বৰা সমতল ভূমি। পুবা-পশ্চিমাকৈ দুখন নৈ—বৰলুইতৰ পৰাই ফাটি আঁতৰি গৈ আকৌ লুইতৰ লগতে মিলিছে এই নৈ। মাজত আকোৱালি লৈছে গছে-বনে মুকলি পথাৰে ভৰা এচিটা দীঘল মাটি। তাৰো মাজত সৰু বৰ নৈ নিজৰা। সতকাই একোৱে নেপায়। নাও বা ভুৰেৰে পাৰ নহ'লে, বাহিৰৰ পৰা মাজুলীলৈ কোনো এনেই সোমাব নোৱাৰে। উত্তৰৰ পানী সোঁতা কিছু ঠেক, খৰালি পানী শুকালে টুলুঙা নাৰেৰেও

ইপাৰ-সিপাৰ হ'ব পাৰি। দক্ষিণে বিশাল ব্ৰহ্মপুত্ৰ—বাৰিষা খৰালি সদায় একে। মাজুলীৰ বুকুৰ সমতলত থিয় দি চকু ফুৰালে উত্তৰ-পূৱ-দক্ষিণ তিনিওফালে চকুত পৰে পৰ্ব্বতৰ ধূসৰ নীলাভ দৃশ্য—হিমালয়, পাটকাই, নগা, বৰাইল পৰ্ব্বতৰ ওখ চাপৰ দিগন্ত ৰেখা।

মাজুলীৰ পশ্চিমলৈ মুকলি—সেইপিনেদি বাট উলিয়াই বৈ গৈ আছে চিৰ প্ৰৱাহিনী সাগৰমুখী বৰলুইত—ব্ৰহ্মপুত্ৰ। তাৰ সিপাৰে মানুহৰ হাই উৰুমিৰে ভৰা চিনাকি গাঁও। চিনাকি অৰণ্য কাজিৰঙা হাবি—নামবৰ হাবি। তাৰ পিছফালে থিয় হৈ আছে মিকিৰ পৰ্ব্বত।

এই মাজুলীৰে পশ্চিমৰ ফালে দক্ষিণত আছিল এখন হাবিতলীয়া গাঁও—ধুৱাহাট। ধুঁৱাসুঁতি নামৰ সৰু জান এটাৰ পাৰত। তাতে কৃষক, বাঢ়ৈ, খনিকৰ, বেপাৰী, বনিয়াৰ এখন হাট বহাৰ ঠাই।

এদিন আহি এই ধুঁৱাসুঁতিৰ পাৰত নাৱৰ পৰা নামিলহি এদল মানুহ—মতা-তিৰোতা-ল'ৰা-ছোৱালী। লগত ঘৰুৱা বস্তু-বাহানি, দা-কোৰ, ঢোল-খোল, কাঁহী-বাটি, কাপোৰ-কানি। এঠাইৰ পৰা গৈ অন্যঠাইত স্থায়ীভাৱে বা অস্থায়ীভাৱে থিতাপি হৈ বসবাস কৰিবলৈ লোৱাত কোনো হকা বাধা নাই। মাটিৰ নাটনি নাই। বিস্তৰ অৰণ্য-ভূমি, বিস্তৃত মুকলি পথাৰ, নৈৰ পাৰে পাৰে খৰালি খেতি কৰিব পৰা পলসুৱা বালিচাপৰি।

ধুঁৱাসুঁতিৰ পাৰৰ ধুঁৱাহাটত নতুন ব্যস্ততা। হাবি কটা হৈছে, বননি চুৰুকি চিকুণাই চোতাল উলিওৱা হৈছে, বহাঘৰ সাজিবৰ কাৰণে ভেটিবন্ধা হৈছে। খুটা চটিৰ কাৰণে কাঠ বাঁহ কটা হৈছে। ধুঁৱাসুঁতিৰ পাৰত জুই জ্বলিছে। ভাত-পানী ৰন্ধা আৰত হৈছে। ওচৰ-পাজৰৰ মানুহ আহি গোট খাইছেহি। সকলোৰে চকুৰে মুখে কৌতুহল। এক অকাৰণ আনন্দ উল্লাস।

এইজনেই সেইজন পুৰুষ যাৰ কথা ইতিমধ্যে উৰ্জনি নামনিত ৰাইজৰ মাজত সৰৱ জনাজনি হৈছে। এইটোৱেই সেই প্ৰখ্যাত বাৰ-ভূঞাৰ পৰিয়ালটো যি কছাৰীৰ লগত যুঁজ-বাগৰ কৰি নেথাকি, ঘৰ-বাৰী এৰি ব্ৰহ্মপুত্ৰ পাৰ হৈ গৈ ভলুকা গুৰিত, কোমোৰা কুটাত, আৰু তাৰ



পিছত সদলবলে গাংমৌত আছিলগৈ। সাত বছৰ ছ মাহ সপৰিয়ালে গাংমৌত থাকি ভোটৰ উপদ্ৰৱৰ আশংকা কৰি কলাকটাইদি নাৱেৰে উজাই আহি ধুঁৱাহাটত ওলাইছেহি। লগত পত্নী কালিন্দী, পুতেক ৰমানন্দ, হৰিচৰণ আৰু কমললোচন আৰু ব্ৰাহ্মণ, কায়স্থ, ভকত, শিষ্য আৰু গায়ন-বায়ন আৰু লগুৱা-লিগিৰীৰ দল।

এইজনেই ইতিমধ্যে জনাজাত হৈ পৰা কুসুমবৰ ভূঞাৰ পুত্ৰ গায়ক-বাদক-কবি-শাস্ত্ৰকাৰ, নাট্যকাৰ শংকৰদেৱ, শংকৰ গুৰু। ধুঁৱাসুঁতিৰ ৰাইজে সাদৰ, স্বাগত জনালে এই নতুন পৰিয়ালটোক।

শংকৰদেৱ শুদাহাতে শুদামুখে অহা নাই, কেৱল আত্মৰক্ষা কৰিবৰ কাৰণে অহা নাই, অন্য ঠাইত উপভোগ কৰিবলৈ নোপোৱা ভোগৰ আশাত অহা নাই। আহিছে অলপ শান্তি বিচাৰি, অলপ নিৰাপত্তা বিচাৰি, আৰু বিশেষকৈ যি এক নতুন জীৱনাদৰ্শ সৰ্ব্বসাধাৰণলৈ আগবঢ়োৱাৰ সংকল্প লৈছে—এখন ঐক্যবদ্ধ আৰু শুদ্ধচাৰী বৈষ্ণৱ সমাজ গঢ়ি তুলিবৰ কাৰণে যি আঁচনি হাতত লৈছে, সেই আঁচনি সফলভাৱে কাৰ্য্যকৰী কৰি তুলিবৰ কাৰণে দেহেমনে খাটিবৰ উপযোগী এটা পৰিবেশ লাভ কৰিবৰ কাৰণে গুচি আহিছে মাজুলীৰ এই শান্ত প্ৰান্তৰলৈ। নিজৰ কঠিন লক্ষ্যস্থানত উপনীত হ'বৰ কাৰণে শংকৰদেৱক লাগে এক নিৰুপদ্ৰৱ শান্তিৰ পৰিবেশ, যাৰ কাৰণেই তেওঁ এঠাই এৰি অন্য এঠাইলৈ চোং সলাই ফুৰিবলগীয়া হৈছে।

বৰদোৱা এৰিবলগীয়া হৈছিল কছাৰীৰ উপদ্ৰৱত।

ৰৌটা, কোমোৰাকুটা এৰিবলগীয়া হৈছিল কোঁচ সৈন্যৰ আক্ৰমণৰ ভয়ত।

আহিল গাংমৌলৈ। চুটীয়া ৰজাৰ প্ৰজা হৈ তাতে থিতাপি হৈ থাকিবৰ যত্ন কৰিছিল। আছিল কেইটামান বছৰ। কিন্তু অশান্তিয়ে পিছ নেৰিলে। এফালে নিচিবোৰৰ ভয় আনফালে কোঁচৰ ভয়। মজিয়াত ৰমানন্দ, হৰিচৰণ আৰু কমললোচনৰ নিচিনা কমবয়সীয়া শিশু আৰু বৃদ্ধ জয়ন্তা আৰু মাধৱ। এই গাংমৌতেই শংকৰদেৱৰ এই দুয়োজনা পিতামহৰ মৃত্যু হ'ল। এটা এটা পুৰুষৰ কাহিনীৰ সামৰণি পৰিল।

[illegible] চুটীয়া ৰজা। ডা-
[illegible] চুটীয়া ৰাজ্যৰ থৰক-বৰক
[illegible] হয়তো এনে পৰিস্থিতিৰ সুযোগ গ্ৰহণ
[illegible] নেতৃত্বত বাৰভূঞাৰ পৰিয়ালে নিজৰ অৱস্থা সুস্থিৰ কৰিব পাৰিব। কিন্তু বেছিদিন যাবলৈ নেপালে। চুহুংমুং দিহিঙ্গীয়া ৰজাই ৰণত চুটীয়া ৰজাক হৰুৱাই ধুঁৱাহাটবো গৰাকী হ'ল। বাৰভূঞা শংকৰদেৱৰ পৰিয়াল হৈ পৰিল আহোম ৰজাৰ প্ৰজা।

বিস্তৃত এক উৰ্ব্বৰা ভূখণ্ড। অথচ গোটেই অঞ্চল সামৰি এই ভূখণ্ডৰ এটা নিজস্ব নাম নাই। একে বায়ু পানীৰ মাজত জীৱন ধাৰণ কৰা, একে ধ্যান ধাৰণাৰ মাজত ডাঙৰ হোৱা, কিন্তু বেলেগে বেলেগে থকা এই থুপিথুপিকৈ থকা মানুহবোৰৰ কোনো এটা সাধাৰণ চিনাকি নাই। একোডোখৰ ঠাইত একোটা ফৈদ বা জাতিৰ মানুহ থাকে। লুইতৰ পাৰৰ সমতলত থাকে চুটীয়া, মৰাণ, তিৱা, ৰাভা, কছাৰী, বড়ো, হোজাই, মেছ, তিপৰা আদি ফৈদৰ মানুহ। উত্তৰ-পুব আৰু উত্তৰৰ ফালে থাকে মিচিমি, চিংফৌ, অকা, ডফলা, মিচিং আদি আৰু ভূটীয়া বিলাক—এওঁলোকৰ সৰহভাগ থাকে পাহাৰত আৰু পাহাৰৰ নামনিত। পুবলৈ থাকে আহোম, ফাকেয়াল, খামটি, তুৰুং, নগা, আইতনীয়া বিলাক। দক্ষিণৰ পৰ্ব্বতমালাত থাকে আও, আঙ্গামী, লঠা, চেমা, মেইটেই আৰু মিজোবিলাক, গাতে লাগি থকা কাৰ্বি, জয়ন্তীয়া, খৈৰামী, গাৰো, হাজংবিলাক। প্ৰতিটো ফৈদৰ স্বকীয়া স্বকীয়া নাম, স্বকীয়া স্বকীয়া চিনাকি, স্বকীয়া স্বকীয়া ইতিবৃত্ত!

একেখন ঠাইতে ইমান বিধে বিধে মানুহ! ইমান বিধে বিধে জাতি। ইমান বেলেগ বেলেগ দোৱান। এই সকলোকে একেটা নামেৰে চিনাকি দিব নোৱাৰিনে? এই গোটেই অঞ্চলটোক এটা নামেৰে মাতিব নোৱাৰিনে? এই সকলো মানুহে বুজিব পৰা ক'ব পৰা এটা উমৈহতীয়া ভাষা উলিয়াব নোৱাৰিনে? এই সকলোকে একেখন বহল সমাজৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰিনে? এই সকলোকে এটা বৃহত্তৰ জীৱনাদৰ্শৰ অনুগামী কৰিব নোৱাৰিনে? সকলোকে মিলাই এটা জাতি কৰিব



নোৱাৰিনে? প্ৰাগজ্যোতিষপুৰ বুলিলে কিমান ঠাইক সামৰে? কিমান মানুহক সামৰে? কামৰূপ বুলিলে এই সমগ্ৰ ভূখণ্ডক বুজায় জানো?

কমতাৰ সীমা ক'ৰ পৰা ক'লৈকে?

লুইতপৰীয়া গাঁৱলীয়া মানুহবোৰে যি ভাষা কয়, যি কথা কয় তাকে জানো এই গোটেই ভূখণ্ডৰ সকলো মানুহৰ মুখৰ ভাষা কৰি তুলিব নোৱাৰি? যিবোৰ মাত কথা কামৰূপৰ মানুহে বুজি পায়, গৌড়ৰ মানুহে বুজি পায়, ওৰেষাৰ মানুহে বুজি পায়, বুজি পায় কাশী, বৃন্দাবন, মথুৰা, হৰিদ্বাৰ, হস্তিনাপুৰ, কুৰুক্ষেত্ৰৰ মানুহে, বুজি পায় ব্ৰজধামৰ ব্ৰজবাসী মানুহে, বুজি পায় গঙ্গাৰ পাৰৰ মানুহে, যমুনাৰ পাৰৰ মানুহে, ব্ৰহ্মপুত্ৰৰ পাৰৰ মানুহেও যদি সেই ভাষাকে মোৰ বুলি ক'বলৈ লয়, থাকক উচ্চাৰণৰ হেনাহুচা, থাকক তাৰ মাজত নিজ নিজ ঠাইৰ ঘৰুৱা শব্দ, জতুৱা ঠাঁচ, নিজ নিজ কথা কোৱাৰ ৰীতি—যোজনা, ফকৰা। ভাৰতবৰ্ষৰ এই বিৰাট ভূখণ্ডৰ অধিবাসী লাখ লাখ মানুহে ইটোৱে সিটোৰ ভাব বুজি পাব, সুখ বুজি পাব, দুখ বুজি পাব, হাঁহি বুজি পাব, বেদনা বুজি পাব, আশা বুজি পাব, আকাংখা বুজি পাব। থাকক নিজ নিজ থলুৱা পাৰ্থক্য, তথাপি সমূহীয়া কথাবোৰ আচুতীয়া হৈ নেথাকি হৈ পৰিব সাৰ্ব্বজনীন! দেৱভাষা হলেও, হিন্দু শাস্ত্ৰৰ ভাষা হলেও সংস্কৃত সেই ভাষা নহয়, যাক সকলোৱে বুজিব পাৰে, যাক সকলোৱে ক'ব পাৰে। সেই ভাষা এমুঠিমান ব্ৰাহ্মণ দৈবজ্ঞৰ ভাষা। তাক সৰ্ব্বজনৰ ভাষা কৰা নেযায়। দিল্লী, হস্তিনাপুৰৰ মুছলমান ৰজাই চলাইছে ফাৰ্চী ভাষা—কিমানে বুজিব পাৰে, কিমানে ক'ব পাৰে সেই ভাষা? বাল্মিকীয়ে ৰচনা কৰা ৰামায়ণ শাস্ত্ৰ যদি তুলসীদাসে ৰাইজৰ ভাষালৈ ভাঙনি কৰে, কৃত্তিবাসে ভাঙনি কৰে, মাধৱকন্দলীয়ে ভাঙনি কৰে—গোটেই উত্তৰ ভাৰতত সাধাৰণ ৰাইজেও জানিব—ৰামায়ণ শাস্ত্ৰত কি আছে! সৰ্ব্ব সাধাৰণে বুজি পোৱা মাত কথাৰে মই সৰ্ব্ব সাধাৰণৰ কাষ চাপিব লাগিব, সৰ্ব্ব সাধাৰণৰ হৃদয় জয় কৰিব লাগিব।

সেই সপোনকে বুকুত বান্ধি মই আহি বাসা বান্ধিছোহি লুইতৰ পাৰৰ

এই ধুঁৱাহাটত। নতুন ৰাইজৰ মাজত পাতিছোঁহি নতুন সত্ৰ। স্বাধীন বাৰভূঞা গুচি হৈছো চুটীয়াৰ প্ৰজা, হৈছো আহোমৰ প্ৰজা। ইয়াৰ পৰাও বা ক'লৈ যাবলগীয়া হয় ভগৱানেহে জানে। যলৈকে যাও, মানুহৰ মাজলৈকে যাম। য'তেই মানুহ আছে, সেয়েই তীৰ্থক্ষেত্ৰ! ভিন ভিন ঠাইলৈ নগলে ভিন ভিন মানুহৰ লগত চিনাকি হম কেনেকৈ? বেলেগ বেলেগ মানুহক জানিম কেনেকৈ? বুজিম কেনেকৈ? মন্দিৰ সাজি, দেৱস্থান সাজি মই তীৰ্থস্থান প্ৰতিষ্ঠা নকৰো। যি সমাজৰ মাজলৈকে যাও তাৰে ৰাইজৰ বুকৰ মাজত মনৰ মাজত যদি অব্যক্ত ঈশ্বৰ হৰিৰ নামৰ গুটি সিঁচি থৈ আহিব পাৰো, সেয়ে হ'ব তীৰ্থক্ষেত্ৰৰ ভেটি স্থাপন। যলৈকে যাও, য'তে দুদিন থাকো তাৰে মানুহক যদি দুআষাৰ হৰিনাম শিকাই আহিব পাৰোঁ, সেয়ে হ'ব মোৰ শ্ৰম চেষ্টাৰ সাৰ্থকতা। সাধাৰণ ৰাইজৰ মুখৰ সহজ মাতেৰে যদি মই দেৱভাষাৰ মাজত সোমাই থকা জটিল কথাবোৰ বুজাই ক'ব পাৰো আৰু ৰাইজে যদি তাকে মোৰ বুলি লয়, সেয়ে হ'ব মোৰ শাস্ত্ৰ অধ্যয়নৰ, তীৰ্থভ্ৰমণৰ সাৰ্থকতা। নিজৰ কাৰণে কোনো বস্তুকে কোনো কথাকে আচুতীয়াকৈ নেৰাখি সৰ্ব্বসাধাৰণৰ মাজত বিলাই দিব পৰাতকৈ আৰু অধিক আনন্দৰ কথা কি হ'ব পাৰে? শাস্ত্ৰৰ মাজত সোমাই থকা, মানুহৰ চিৰনমস্য দুৰ্ব্বোধ্য আৰু দুৰৰণীয়া ভগৱানক মই হালোৱা, হজুৱা, বনিয়া, কাৰিকৰ সকলোৰে ঘৰৰ মজিয়ালৈ আনি, সকলোৰে চিনাকি আৰু আপোন কৰি তুলিবৰ সাধনা কৰিছো। তাৰেই স্বপ্ন বুকুৰ মাজত লৈ মই চিনাকি ঠাই এৰি অচিনাকি ঠাইলৈ গৈ আছো গৈ থাকিম। এয়া মোৰ এক দুৰ্গম পথত বিৰামহীন যাত্ৰা। এই স্বপ্নৰে বাস্তৱত ৰূপ দিবৰ কাৰণে মই ন্যস্ত কৰিম মোৰ সকলো শ্ৰম, সকলো পুৰুষাৰ্থ—জীৱনৰ শেষটো নিশ্বাস থকা পৰ্য্যন্ত।

চণ্ডীবৰ ভূঞাৰ পৰিয়ালৰ শেষ উত্তৰাধিকাৰী শংকৰদেৱ বিত্তহস্ত। একো নাই। নিজৰ বুলি মাটি এবিঘাও নাই। ধুঁৱাহাটৰ নৈ-পৰীয়া মাটিত বহা ঘৰ সাজি ভকত পৰিয়ালক লৈ থাকিবলৈ লৈছে। বুকৰ মাজত এক উদ্দীপ্ত স্বপন, মনৰ মাজত এখন নতুন সমাজৰ ছবি আৰু কাঠৰ সৌ বৰ পেৰাৰ ভিতৰত?



কি আছে নানা কষ্টে বামে নৈয়ে কঢ়িয়াই ফুৰা চাম কাঠৰ বৰ পেৰাকেটাৰ ভিতৰত? কাপোৰ-কানি? মুগা, পাট, মেজাংকৰী? ধন-সোণ, হীৰা-মুকুতা? গহনা, অলংকাৰ?

কি আছে? গধুৰ পেৰাঁকেটাৰ ভিতৰত কি আছে?···

বৰদোৱা, বৌটা, গাংমৌৰ পৰা কি সোণৰ সোলেং গোটাই শংকৰ গুৰুৱে বৰপেৰাত ভৰাই আনিছে?···

দুমাহে বাটকুৰি বাই, কান্ধত এটা মোনাত এমোনা কিবা ওলোমাই লৈ লাখুটিৰে বাট-পথ চিনি চিনি এজন পৰদেশী ব্ৰাহ্মণ ওলাইছিলহি গাংমৌত য'ত শংকৰদেৱ আছিল ভকতসকলক লৈ। সেই ব্ৰাহ্মণ আছিল ত্ৰিহুতৰ দগদীশ মিশ্ৰ। কাশীত শাস্ত্ৰ অধ্যয়ন কৰি জগন্নাথ ধামত ভাগৱত পাঠ কৰি আছিল। সেই জগদীশ মিশ্ৰয়েই কান্ধত ভাগৱত গীতা আৰু পঞ্চৰাত্ৰ লিপিকা লৈ ওলাইছিলহি গাংমৌত। শংকৰৰ কাষত বহি পাঠ কৰিলে ভাগৱত, পাঠ কৰিলে গীতা আৰু পঞ্চৰাত্ৰ। কৰিলে ব্যাখ্যা আলোচনা বিচাৰ।

জগদীশ মিশ্ৰ আৰু ঘূৰি নগ'ল।

গাংমৌতে কৰিলে দেহত্যাগ। বহুশ্ৰম কৰি শংকৰদেৱে লিখি ললে সম্পূৰ্ণ ভাগৱত শাস্ত্ৰখন। এইয়া এক বহুমূলীয়া দুৰ্লভ সম্পদ আহৰণ।

তাৰ পৰাই মূল ভাগৱত ভাঙনি কৰিলে; আৰু ৰচিলে পাষণ্ড মৰ্দ্দন, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ···।

চাম-কাঠৰ বৰপেৰাত সুমুৱাই শংকৰদেৱে ধুঁৱাহাটলৈ এই সম্পদকে লৈ আহিছে—সাঁচিপাতৰ বুকত ভাগৱতৰ চিৰন্তন বাণী, গীতাৰ অমৰ বাণী। মূলৰ লগত তাৰ অসমীয়া ভাঙনি।

ধুঁৱাহাটৰ নতুন নামঘৰৰ থাপনাত ঠাই পালে এই পেৰাত সুমুৱাই অনা গীতা ভাগৱতে। নামঘৰৰ মজিয়াত ভকতৰ মুখত ধ্বনিত হৈ উঠিল শংকৰদেৱেই ৰচনা কৰা বৰগীতৰ সুৰ—

"পাৰে পাৰিহৰি, কৰোহো কাতৰি,
প্ৰাণ ৰাখবি মোৰ।

বিষয় বিষধৰ, বিষে জৰজৰ,
জীৱন নাৰহে আৰ।
অথিৰ ধন জন, অথিৰ জীৱন,
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ, সবাই অসাৰ,
কৰবো কাহেৰি সাৰ।
কমল দল জল চিত্ত চঞ্চল,
থিৰ নোহে তিল এক
নাই ভৱ ভয় ভোগ পৰিহৰি
পৰম পদ পৰতেক।
কহতু শংকৰ, এ-দুখ সাগৰ,
পাৰ কৰা হৃষিকেশ,
তুহুঁ মতি গতি, দেহু চিৰিপতি
তত্ত্ব পথ উপদেশ…
… … … ”

বনগীত বিহুগীতৰ চিনাকি সুৰ ; চিনাকি কথাৰ ঠাইত এতিয়া নতুন সুৰ, নতুন কথা। তথাপি যেন ইয়াতেই এই চিনাকি গীতৰ চিনাকি কথাৰেই প্ৰতিধ্বনি হ'ল ঃ—

‘কেলেই ফুলিলি, ৰূপহী মদাৰ ঐ
কেলেই পেলালি কলি ?
গুৰুতো নেলাগ ভকতত নেলাগ,
থাক তলে ভৰি সৰি।

* * *

কেলেই সাঁচিলা জপাৰ বৰে কাপোৰ ;
কেলেই সাঁচিলা ধন,
জপাৰ বৰে কাপোৰ জপাতে পচিব,
হাড়তো গজিব বন…’





শাৰীকৈ ৰোৱা কেইবাজোপাও আম কঁঠালৰ গছ আছিল। তাৰে দুজোপামান আমে মলিয়াইছিল। গছবোৰ একে সময়তে ৰোৱা যদিও আৰু বুঢ়ৰ সময়ত পুলিবোৰ একে বয়সীয়া সমানেই আছিল যদিও এতিয়া দুজোপামান আম গছ ওখ আৰু গা-শকত হৈছে, যদিও আৰু সেইজোপা আমে মলিয়াইছে যদিও একেশাৰীতে থকা কেইজোপামান আমৰ গছ চাপৰ আৰু মুজুৰা। সেই কেজোপা মলিওৱাও নাই, উকা হৈ আছে।

বতাহজাক কোমলকৈ বলি আছিল। ফাগুন মাহ শেষ হও-হও হৈছিল। নৈ-পৰীয়া পছোৱা বতাহজাকত তেতিয়াও গাত জাৰ লগাব পৰা এটা শীতলতা আছিল। ৰ'দজাক দিনে দিনে টান হৈ আহিছিল, বতাহজাকেহে টান ৰ'দজাক কোমলাই ৰাখিছিল।

ধুঁৱাসুঁতিৰ পানী শুকাইছে। ওখ গৰা আৰু বালি চটবোৰত বনৰীয়া গছ-বন গজিছে, দুজোপামান ঝাওবনো গজিছে। নিৰ্ম্মল তলি দেখা পানীৰ ক্ষীণ সোঁতটো শান্তভাৱে বৈ আছে। কিছু নিলগত কেইটামান বনৰীয়া চৰায়ে নৈ-পৰীয়া হাবিখনত পৰি চিঞৰ-বাখৰ কৰি আছে। তাৰো সিফালে, কিছু নিলগত কোনোবা ম'হ গুৱালে কি গৰখীয়া ল'ৰাই উকিয়াই উকিয়াই কিবা এটা গাইছে। কথাবোৰ ধৰিব নোৱাৰি। সুৰটোহে বতাহত ভাহি আহিছে।

শংকৰদেৱে চকুৰ আগৰ আমগছ কেজোপাৰ ফালে চাই থাকি কিবা এটা চিন্তা কৰি আছিল। তেওঁৰ লগত আছিল সৰুপুতেক কমললোচন আৰু ভকত হৰিহৰৰ পুতেক যাদৱ। সিঁহত দুটাই দৌৰা-দৌৰি কৰি, একো বাৰ আতৰি গৈছিল, আকৌ লৰি আহি শংকৰদেৱৰ ওচৰ

পাইছিলহি। শংকৰদেৱে আমগছ কেজোপাৰ ফালে চাই চাই ভাবিছিল—একেই মাটি, একেই গছটি, একেই ৰ'দ, একেই বৰষুণ, একেই বা-বতাহ। তাৰ মাজতেই গজিছিল এই আমপুলি কেইটা। তাৰে দুটামান ওখ ডাঙৰ গছ হৈছে, গা-গছ শকত হৈছে, ডাল-পাত-ঠাল-ঠেঙুলি মেলি দেখনিয়াৰ হৈ পাৰিছে, আৰু একে লগৰে দুটামান পুলি ঠিহিৰা মাৰি আছে। ওখ হোৱা নাই, গা-গছ শকত হোৱা নাই, মলিওৱা নাই। কোনোমতে টানি-টুনিহে যেন উঘালি নপৰাকৈ থিয় হৈ আছে।

একেই মাটি, একেই গছটি, একেই ৰ'দ-বৰষুণ, একেই বা-বতাহ!

কিয় এনে হৈছে?

কিয় এনে হয়?

আটাইকেইটা আমপুলি সমানে বঢ়া নাই কিয়? সমানে ওখ ডাঙৰ হোৱা নাই কিয়? একেলগে মলিওৱা নাই কিয়?

আৰু মানুহবোৰ!

একেখন সমাজতে, একেটা পৰিবেশতে একেই আহাৰ-পানী খাই, একেই বায়ু-পানীৰ মাজত থাকি ইমান বেলেগ বেলেগ হয়? কোনো-বাটো স্বাস্থ্যবান, গুণী জ্ঞানী, ধনবান, ঐশ্বৰ্য্যশালী, প্ৰভাৱ প্ৰতিপত্তিশালী, যিহতে হাত দিয়ে সিয়ে নদন-বদন হৈ উঠে। যিহকে কৰে তাতে সফল হয়।

আৰু কিছুমান—তাৰ মাজৰে কিছুমান—অজ্ঞান, মূৰ্খ, দৰিদ্ৰ, হীনস্বাস্থ্য, অৱহেলিত, সকলোতে অসফল, সকলোতে ব্যৰ্থ। সিহঁতৰ কোনো অতীত নাই, কোনো ভৱিষ্যত নাই। আৰু বৰ্তমানটো সিহঁতৰ থকাই নথকাই সমান।

কিয় এনে হয়?

কিয় এনে বৈষম্য? এনে অমিল, এনে ওখ-চাপৰ, এনে হীনদেঢ়ী? এইয়া নিয়ন্তাৰ ইচ্ছা? প্ৰকৃতিৰ খামখেয়ালী নে অন্য কিবা অনিয়মৰ ফল?

ধুৰাসুঁতিৰ সোঁত খৰালি শুকাইছে—কিন্তু ইয়াৰ বাৰিষা আহিব আৰু এই সৰু নৈখনেই পাৰ উপচি ব'ব। ফেনে-ফোটোকাৰে উপচি



পৰিব। আজিৰ এই জীৰ্ণ-শীৰ্ণ অৱস্থা বাৰিষা নেথাকে। কিন্তু কিছুমান মানুহৰ জীৱনলৈ যে কোনো কাহানিও বাৰিষা নাহে, ঢল নাহে, সোঁতৰ নাচোন নাহে—কোনোদিন নাহে। কিয় এনে হয়?

আমগছ কেজোপাৰ ফালে চাই চাই ল'ৰা-ছোৱালী হালৰ লৰা-ঢপৰাবোৰ চাই চাই শংকৰদেৱে এনেয়ে চিন্তা কৰি আছিল।

সিফালৰ পৰা মানুহ এটা আহি তেওঁক সেৱা কৰিলেহি। শংকৰদেৱে মানুহটোৰ মুখলৈ চালে।

"ক'ৰ পৰা আহিলা ৰামদাস?"

"অসময়ত আহিলা দেখোন। প্ৰসঙ্গ শেষ হ'ল।"

"ইয়াতনো কি কৰা হৈছে?"

"অলপ ফুৰিছো। উৰ্ব্বশীৰ ভালনে?"

"গুৰু জনাৰ কৃপাত কুশলেই আছে। পিছে এটা সৰু কথাৰ কাৰণেহে অহা হৈছে"—ৰামদাসে ক'লে।

"কি কথানো?"

"আমাৰ জেঠেৰী মাধৱ যে—"

"কোন মাধৱ?"

"বাণ্ডুকাৰ মহোদৰ কায়স্থৰ পুতেক মাধৱ—"

"ওঁ মাধৱে বোলে বহুত পঢ়া-শুনা কৰি আজিকালি কিবা বেহা-বেপাৰ কৰি ফুৰে। ক'ত আছে মাধৱ?"

"এইফালেই আছে। গুৰুজনাই অনুমতি দিলে মই ইয়ালৈকে লৈ আহিব পাৰো।"

"বৰকণা গিৰিৰ ল'ৰা মাধৱ। মোৰ ওচৰলৈ আহিবলৈ আকৌ কিহৰ অনুমতি ল'ব লাগে।"

কওঁ নকওঁ কৈ ৰামদাসে ক'লে, "মাধৱ আমাৰ মতৰ নহয়, শাক্ত, আনিম জানো?"

"শাক্তই হওক বা বৌদ্ধই হওক, মনুবাইৰ পুতেক মাধৱ। ল'ৰা-মানুহ। মোতকৈ দুকুৰি বছৰৰ সৰু। পঢ়া-শুনা কৰি গুণী-জ্ঞানী হৈছে। লগ পালে মই ৰং পাম।"

কিন্তু ধুঁৱাহাট জানো নিৰাপদ? অধিপতি চুটীয়া ৰজা। ডাঙৰ ডাঙৰীয়া বিষয়াৰ মাজত খোৱা-কামোৰা। চুটীয়া ৰাজ্যৰ থৰক-বৰক অৱস্থা। ৰাজ্য প্ৰায় অৰাজক। হয়তো এনে পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি শংকৰদেৱৰ নেতৃত্বত বাৰভূঞাৰ পৰিয়ালে নিজৰ অৱস্থা সুস্থিৰ কৰিব পাৰিব। কিন্তু বেছিদিন যাবলৈ নেপালে। চুহুংমুং দিহিঙ্গীয়া ৰজাই ৰণত চুটীয়া ৰজাক হৰুৱাই ধুঁৱাহাটৰো গৰাকী হ'ল। বাৰভূঞা শংকৰদেৱৰ পৰিয়াল হৈ পৰিল আহোম ৰজাৰ প্ৰজা।

বিস্তৃত এক উৰ্ব্বৰা ভূখণ্ড। অথচ গোটেই অঞ্চল সামৰি এই ভূখণ্ডৰ এটা নিজস্ব নাম নাই। একে বায়ু পানীৰ মাজত জীৱন ধাৰণ কৰা, একে ধ্যান ধাৰণাৰ মাজত ডাঙৰ হোৱা, কিন্তু বেলেগে বেলেগে থকা এই থুপিথুপিকৈ থকা মানুহবোৰৰ কোনো এটা সাধাৰণ চিনাকি নাই। একোডোখৰ ঠাইত একোটা ফৈদ বা জাতিৰ মানুহ থাকে। লুইতৰ পাৰৰ সমতলত থাকে চুটীয়া, মৰাণ, তিৱা, ৰাভা, কছাৰী, বড়ো, হোজাই, মেছ, তিপৰা আদি ফৈদৰ মানুহ। উত্তৰ-পূব আৰু উত্তৰৰ ফালে থাকে মিচিমি, চিংফো, অকা, ডফলা, মিচিং আদি আৰু ভূটীয়াবিলাক—এওঁলোকৰ সৰহভাগ থাকে পাহাৰত আৰু পাহাৰৰ নামনিত। পূবলৈ থাকে আহোম, ফাকেয়াল, খামটি, তুৰুং, নগা, আইতপীয়াবিলাক। দক্ষিণৰ পৰ্ব্বতমালাত থাকে আও, আঙ্গামী, লঠা, চেমা, মেইটেই আৰু মিজোবিলাক, গাতে লাগি থকা কাৰ্বি, জয়ন্তীয়া, খৈৰামী, গাৰো, হাজংবিলাক। প্ৰতিটো ফৈদৰ স্বকীয়া স্বকীয়া নাম, স্বকীয়া স্বকীয়া চিনাকি, স্বকীয়া স্বকীয়া ইতিবৃত্ত!

একেখন ঠাইতে ইমান বিধে বিধে মানুহ! ইমান বিধে বিধে জাতি। ইমান বেলেগ বেলেগ দোৱান। এই সকলোকে একেটা নামেৰে চিনাকি দিব নোৱাৰিনে? এই গোটেই অঞ্চলটোক এটা নামেৰে মাতিব নোৱাৰিনে? এই সকলো মানুহে বুজিব পৰা ক'ব পৰা এটা উমৈহতীয়া ভাষা উলিয়াব নোৱাৰিনে? এই সকলোকে একেখন বহল সমাজৰ অন্তৰ্ভূক্ত কৰিব নোৱাৰিনে? এই সকলোকে এটা বৃহত্তৰ জীৱনাদৰ্শৰ অনুগামী কৰিব নোৱাৰিনে? সকলোকে মিলাই এটা জাতি কৰিব



নোৱাৰিনে? প্ৰাগজ্যোতিষপুৰ বুলিলে কিমান ঠাইক সামৰে? কিমান মানুহক সামৰে? কামৰূপ বুলিলে এই সমগ্ৰ ভূখণ্ডক বুজায় জানো?

কমতাৰ সীমা ক'ৰ পৰা ক'লৈকে?

লুইতপৰীয়া গাঁৱলীয়া মানুহবোৰে যি ভাষা কয়, যি কথা কয় তাকে জানো এই গোটেই ভূখণ্ডৰ সকলো মানুহৰ মুখৰ ভাষা কৰি তুলিব নোৱাৰি? যিবোৰ মাত কথা কামৰূপৰ মানুহে বুজি পায়, গৌড়ৰ মানুহে বুজি পায়, ওৰেষাৰ মানুহে বুজি পায়, বুজি পায় কাশী, বৃন্দাবন, মথুৰা, হৰিদ্বাৰ, হস্তিনাপুৰ, কুৰুক্ষেত্ৰৰ মানুহে, বুজি পায় ব্ৰজধামৰ ব্ৰজবাসী মানুহে, বুজি পায় গঙ্গাৰ পাৰৰ মানুহে, যমুনাৰ পাৰৰ মানুহে, ব্ৰহ্মপুত্ৰৰ পাৰৰ মানুহেও যদি সেই ভাষাকে মোৰ বুলি ক'বলৈ লয়, থাকক উচ্চাৰণৰ হেনাহুচা, থাকক তাৰ মাজত নিজ নিজ ঠাইৰ ঘৰুৱা শব্দ, জতুৱা ঠাঁচ, নিজ নিজ কথা কোৱাৰ ৰীতি—যোজনা, ফকৰা। ভাৰতবৰ্ষৰ এই বিৰাট ভূখণ্ডৰ অধিবাসী লাখ লাখ মানুহে ইটোৱে সিটোৰ ভাব বুজি পাব, সুখ বুজি পাব, দুখ বুজি পাব, হাঁহি বুজি পাব, বেদনা বুজি পাব, আশা বুজি পাব, আকাংখা বুজি পাব। থাকক নিজ নিজ থলুৱা পাৰ্থক্য, তথাপি সমূহীয়া কথাবোৰ আচুতীয়া হৈ নেথাকি হৈ পৰিব সাৰ্ব্বজনীন! দেৱভাষা হলেও, হিন্দু শাস্ত্ৰৰ ভাষা হলেও সংস্কৃত সেই ভাষা নহয়, যাক সকলোৱে বুজিব পাৰে, যাক সকলোৱে ক'ব পাৰে। সেই ভাষা এমুঠিমান ব্ৰাহ্মণ দৈবজ্ঞৰ ভাষা। তাক সৰ্ব্বজনৰ ভাষা কৰা নেযায়। দিল্লী, হস্তিনাপুৰৰ মুছলমান ৰজাই চলাইছে ফাৰ্চী ভাষা—কিমানে বুজিব পাৰে, কিমানে ক'ব পাৰে সেই ভাষা? বাল্মিকীয়ে ৰচনা কৰা ৰামায়ণ শাস্ত্ৰ যদি তুলসীদাসে ৰাইজৰ ভাষালৈ ভাঙনি কৰে, কৃত্তিবাসে ভাঙনি কৰে, মাধৱকন্দলীয়ে ভাঙনি কৰে—গোটেই উত্তৰ ভাৰতত সাধাৰণ ৰাইজেও জানিব—ৰামায়ণ শাস্ত্ৰত কি আছে! সৰ্ব্ব সাধাৰণে বুজি পোৱা মাত কথাৰে মই সৰ্ব্ব সাধাৰণৰ কাষ চাপিব লাগিব, সৰ্ব্ব সাধাৰণৰ হৃদয় জয় কৰিব লাগিব।

সেই সপোনকে বুকত বান্ধি মই আহি বাসা বান্ধিছোহি লুইতৰ পাৰৰ

এই ধুঁৱাহাটত। নতুন ৰাইজৰ মাজত পাতিছোঁহি নতুন সত্ৰ। স্বাধীন বাৰভূঞা গুচি হৈছো চুটীয়াৰ প্ৰজা, হৈছো আহোমৰ প্ৰজা। ইয়াৰ পৰাও বা ক'লৈ যাবলগীয়া হয় ভগৱানেহে জানে। যলৈকে যাও, মানুহৰ মাজলৈকে যাম। য'তেই মানুহ আছে, সেয়েই তীৰ্থক্ষেত্ৰ! ভিন ভিন ঠাইলৈ নগলে ভিন ভিন মানুহৰ লগত চিনাকি হম কেনেকৈ? বেলেগ বেলেগ মানুহক জানিম কেনেকৈ? বুজিম কেনেকৈ? মন্দিৰ সাজি, দেৱস্থান সাজি মই তীৰ্থস্থান প্ৰতিষ্ঠা নকৰো। যি সমাজৰ মাজলৈকে যাও তাৰে ৰাইজৰ বুকুৰ মাজত মনৰ মাজত যদি অব্যক্ত ঈশ্বৰ হৰিৰ নামৰ গুটি সিঁচি থৈ আহিব পাৰো, সেয়ে হ'ব তীৰ্থক্ষেত্ৰৰ ভেটি স্থাপন। যলৈকে যাও, য'তে দুদিন থাকো তাৰে মানুহক যদি দুআষাৰ হৰিনাম শিকাই আহিব পাৰোঁ, সেয়ে হ'ব মোৰ শ্ৰম চেষ্টাৰ সাৰ্থকতা। সাধাৰণ ৰাইজৰ মুখৰ সহজ মাতেৰে যদি মই দেৱভাষাৰ মাজত সোমাই থকা জটিল কথাবোৰ বুজাই ক'ব পাৰো আৰু ৰাইজে যদি তাকে মোৰ বুলি লয়, সেয়ে হ'ব মোৰ শাস্ত্ৰ অধ্যয়নৰ, তীৰ্থভ্ৰমণৰ সাৰ্থকতা। নিজৰ কাৰণে কোনো বস্তুকে কোনো কথাকে আচুতীয়াকৈ নেৰাখি সৰ্ব্বসাধাৰণৰ মাজত বিলাই দিব পৰাতকৈ আৰু অধিক আনন্দৰ কথা কি হ'ব পাৰে? শাস্ত্ৰৰ মাজত সোমাই থকা, মানুহৰ চিৰনমস্য দুৰ্ব্বোধ্য আৰু দুৰণীয়া ভগৱানক মই হালোৱা, হজুৱা, বনিয়া, কাৰিকৰ সকলোৰে ঘৰৰ মজিয়ালৈ আনি, সকলোৰে চিনাকি আৰু আপোন কৰি তুলিবৰ সাধনা কৰিছো। তাৰেই স্বপ্ন বুকুৰ মাজত লৈ মই চিনাকি ঠাই এৰি অচিনাকি ঠাইলৈ গৈ আছো গৈ থাকিম। এয়া মোৰ এক দুৰ্গম পথত বিৰামহীন যাত্ৰা। এই স্বপ্নৰে বাস্তৱত ৰূপ দিবৰ কাৰণে মই ন্যস্ত কৰিম মোৰ সকলো শ্ৰম, সকলো পুৰুষাৰ্থ—জীৱনৰ শেষটো নিশ্বাস থকা পৰ্য্যন্ত।

চণ্ডীবৰ ভূঞাৰ পৰিয়ালৰ শেষ উত্তৰাধিকাৰী শংকৰদেৱ ৰিক্তহস্ত। একো নাই। নিজৰ বুলি মাটি এবিঘাও নাই। ধুঁৱাহাটৰ নৈ-পৰীয়া মাটিত বহা ঘৰ সাজি ভকত পৰিয়ালক লৈ থাকিবলৈ লৈছে। বুকুৰ মাজত এক উদ্দীপ্ত স্বপন, মনৰ মাজত এখন নতুন সমাজৰ ছবি আৰু কাঠৰ সৌ বৰ পেৰাৰ ভিতৰত?



কি আছে নানা কষ্টে বামে নৈয়ে কঢ়িয়াই ফুৰা চাম কাঠৰ বৰ পেৰাকেটাৰ ভিতৰত? কাপোৰ-কানি? মুগা, পাট, মেজাংকৰী? ধন-সোণ, হীৰা-মুকুতা? গহনা, অলংকাৰ?

কি আছে? গধুৰ পেৰাঁকেটাৰ ভিতৰত কি আছে?···

বৰদোৱা, বৌটা, গাংমৌৰ পৰা কি সোণৰ সোলেং গোটাই শংকৰ গুৰুৱে বৰপেৰাত ভৰাই আনিছে?···

দুমাহে বাটকুৰি বাই, কান্ধত এটা মোনাত এমোনা কিবা ওলোমাই লৈ লাখুটিৰে বাট-পথ চিনি চিনি এজন পৰদেশী ব্ৰাহ্মণ ওলাইছিলহি গাংমৌত য'ত শংকৰদেৱ আছিল ভকতসকলক লৈ। সেই ব্ৰাহ্মণ আছিল ত্ৰিহুটৰ দগদীশ মিশ্ৰ। কাশীত শাস্ত্ৰ অধ্যয়ন কৰি জগন্নাথ ধামত ভাগৱত পাঠ কৰি আছিল। সেই জগদীশ মিশ্ৰয়েই কান্ধত ভাগৱত গীতা আৰু পঞ্চৰাত্ৰ লিপিকা লৈ ওলাইছিলহি গাংমৌত। শংকৰৰ কাষত বহি পাঠ কৰিলে ভাগৱত, পাঠ কৰিলে গীতা আৰু পঞ্চৰাত্ৰ। কৰিলে ব্যাখ্যা আলোচনা বিচাৰ।

জগদীশ মিশ্ৰ আৰু ঘূৰি নগ'ল।

গাংমৌতে কৰিলে দেহত্যাগ। বহুশ্ৰম কৰি শংকৰদেৱে লিখি ললে সম্পূৰ্ণ ভাগৱত শাস্ত্ৰখন। এইয়া এক বহুমূলীয়া দুৰ্ল্লভ সম্পদ আহৰণ।

তাৰ পৰাই মূলে ভাগৱত ভাঙনি কৰিলে; আৰু ৰচিলে পাষণ্ড মৰ্দ্দন, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ···।

চাম-কাঠৰ বৰপেৰাত সুমুৱাই শংকৰদেৱে ধুঁৱাহাটলৈ এই সম্পদকে লৈ আহিছে—সাঁচিপাতৰ বুকুত ভাগৱতৰ চিৰন্তন বাণী, গীতাৰ অমৰ বাণী। মূলৰ লগত তাৰ অসমীয়া ভাঙনি।

ধুঁৱাহাটৰ নতুন নামঘৰৰ থাপনাত ঠাই পালে এই পেৰাত সুমুৱাই অনা গীতা ভাগৱতে। নামঘৰৰ মজিয়াত ভকতৰ মুখত ধ্বনিত হৈ উঠিল শংকৰদেৱেই ৰচনা কৰা বৰগীতৰ সুৰ—

“পাৰে পৰিহৰি, কৰোহো কাতৰি,
প্ৰাণ ৰাখবি মোৰ।

বিষয় বিষধৰ, বিষে জৰজৰ,
জীৱন নাৰহে আৰ।
অথিৰ ধন জন, অথিৰ জীৱন,
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ, সবাই অসাৰ,
কৰবো কাহেৰি সাৰ।
কমল দল জল চিত্ত চঞ্চল,
থিৰ নোহে তিল এক
নাই ভৱ ভয় ভোগ পৰিহৰি
পৰম পদ পৰতেক।
কহতু শংকৰ, এ-দুখ সাগৰ,
পাৰ কৰা হৃষিকেশ,
তুঁহু মতি গতি, দেহু চিৰিপতি
তত্ত্ব পথ উপদেশ…
… … … ”

বনগীত বিহুগীতৰ চিনাকি সুৰ; চিনাকি কথাৰ ঠাইত এতিয়া নতুন সুৰ, নতুন কথা। তথাপি যেন ইয়াতেই এই চিনাকি গীতৰ চিনাকি কথাৰেই প্ৰতিধ্বনি হ'ল :—

'কেলেই ফুলিলি, ৰূপহী মদাৰ ঐ
কেলেই পেলালি কলি?
গুৰুতো নেলাগ ভকতত নেলাগ,
থাক তলে ভৰি সৰি।
* * *
কেলেই সাঁচিলা জপাৰ বৰে কাপোৰ;
কেলেই সাঁচিলা ধন,
জপাৰ বৰে কাপোৰ জপাতে পচিব,
হাড়তো গজিব বন…'





শাৰীকৈ ৰোৱা কেইবাজোপাও আম কঁঠালৰ গছ আছিল। তাৰে দুজোপামান আমে মলিয়াইছিল। গছবোৰ একে সময়তে ৰোৱা যদিও আৰু ৰুবৰ সময়ত পুলিবোৰ একে বয়সীয়া সমানেই আছিল যদিও এতিয়া দুজোপামান আম গছ ওখ আৰু গা-শকত হৈছে, যদিও আৰু সেইজোপা আমে মলিয়াইছে যদিও একেশাৰীতে থকা কেইজোপামান আমৰ গছ চাপৰ আৰু মুজুৰা। সেই কেজোপা মলিওৱাও নাই, উকা হৈ আছে।

বতাহজাক কোমলকৈ বলি আছিল। ফাগুন মাহ শেষ হও-হও হৈছিল। নৈ-পৰীয়া পছোৱা বতাহজাকত তেতিয়াও গাত জাৰ লগাব পৰা এটা শীতলতা আছিল। ৰ'দজাক দিনে দিনে টান হৈ আহিছিল, বতাহজাকেহে টান ৰ'দজাক কোমলাই ৰাখিছিল।

ধুঁৱাসুঁতিৰ পানী শুকাইছে। ওখ গৰা আৰু বালি চটবোৰত বনৰীয়া গছ-বন গজিছে, দুজোপামান ঝাওবনো গজিছে। নিৰ্ম্মল তলি দেখা পানীৰ ক্ষীণ সোঁতটো শান্তভাৱে বৈ আছে। কিছু নিলগত কেইটামান বনৰীয়া চৰায়ে নৈ-পৰীয়া হাবিখনত পৰি চিঞৰ-বাখৰ কৰি আছে। তাৰো সিফালে, কিছু নিলগত কোনোবা ম'হ গুৱালে কি গৰখীয়া ল'ৰাই উকিয়াই উকিয়াই কিবা এটা গাইছে। কথাবোৰ ধৰিব নোৱাৰি। সুৰটোহে বতাহত ভাহি আহিছে।

শংকৰদেৱে চকুৰ আগৰ আমগছ কেজোপাৰ ফালে চাই থাকি কিবা এটা চিন্তা কৰি আছিল। তেওঁৰ লগত আছিল সৰুপুতেক কমললোচন আৰু ভকত হৰিহৰৰ পুতেক যাদৱ। সিঁহত দুটাই দৌৰা-দৌৰি কৰি, একো বাৰ আতৰি গৈছিল, আকৌ লৰি আহি শংকৰদেৱৰ ওচৰ

পাইছিলাহি। শংকৰদেৱে আমগছ কেজোপাৰ ফালে চাই চাই ভাবিছিল— একেই মাটি, একেই গুটি, একেই ৰ'দ, একেই বৰষুণ, একেই বা-বতাহ। তাৰ মাজতেই গজিছিল এই আমপুলি কেইটা। তাৰে দুটামান ওখ ডাঙৰ গছ হৈছে, গা-গছ শকত হৈছে, ডাল-পাত-ঠাল-ঠেঙুলি মেলি দেখনিয়াৰ হৈ পৰিছে, আৰু একে লগৰে দুটামান পুলি ঠিহিৰা মাৰি আছে। ওখ হোৱা নাই, গা-গছ শকত হোৱা নাই, মলিওৱা নাই। কোনোমতে টানি-টুনিহে যেন উঘালি নপৰাকৈ থিয় হৈ আছে।

একেই মাটি, একেই গুটি, একেই ৰ'দ-বৰষুণ, একেই বা-বতাহ!

কিয় এনে হৈছে?

কিয় এনে হয়?

আটাইকেইটা আমপুলি সমানে বঢ়া নাই কিয়? সমানে ওখ ডাঙৰ হোৱা নাই কিয়? একেলগে মলিওৱা নাই কিয়?

আৰু মানুহবোৰ!

একেখন সমাজতে, একেটা পৰিবেশতে একেই আহাৰ-পানী খাই, একেই বায়ু-পানীৰ মাজত থাকি ইমান বেলেগ বেলেগ হয়? কোনো-বাটো স্বাস্থ্যবান, গুণী জ্ঞানী, ধনবান, ঐশ্বৰ্য্যশালী, প্ৰভাৱ প্ৰতিপত্তিশালী, যিহতে হাত দিয়ে সিয়ে নদন-বদন হৈ উঠে। যিহকে কৰে তাতে সফল হয়।

আৰু কিছুমান—তাৰ মাজৰে কিছুমান—অজ্ঞান, মূৰ্খ, দৰিদ্ৰ, হীনস্বাস্থ্য, অৱহেলিত, সকলোতে অসফল, সকলোতে ব্যৰ্থ। সিহঁতৰ কোনো অতীত নাই, কোনো ভবিষ্যত নাই। আৰু বৰ্তমানটো সিহঁতৰ থকাই নথকাই সমান।

কিয় এনে হয়?

কিয় এনে বৈষম্য? এনে অমিল, এনে ওখ-চাপৰ, এনে হীনদেঢ়ী? এইয়া নিয়ন্তাৰ ইচ্ছা? প্ৰকৃতিৰ খামখেয়ালী নে অন্য কিবা অনিয়মৰ ফল?

ধুঁৱাসুঁতিৰ সোঁত খৰালি শুকাইছে—কিন্তু ইয়াৰ বাৰিষা আহিব আৰু এই সৰু নৈখনেই পাৰ উপচি ব'ব। ফেনে-ফোটোকাৰে উপচি



পৰিব। আজিৰ এই জীৰ্ণ-শীৰ্ণ অৱস্থা বাৰিষা নেথাকে। কিন্তু কিছুমান মানুহৰ জীৱনলৈ যে কোনো কাহানিও বাৰিষা নাহে, ঢল নাহে, সোঁতৰ নাচোন নাহে—কোনোদিন নাহে। কিয় এনে হয়?

আমগছ কেজোপাৰ ফালে চাই চাই ল'ৰা-ছোৱালী হালৰ লৰা-ঢপৰাবোৰ চাই চাই শংকৰদেৱে এনেয়ে চিন্তা কৰি আছিল।

সিফালৰ পৰা মানুহ এটা আহি তেওঁক সেৱা কৰিলেহি। শংকৰদেৱে মানুহটোৰ মুখলৈ চালে।

"ক'ৰ পৰা আহিলা ৰামদাস?"

"অসময়ত আহিলা দেখোন। প্ৰসঙ্গ শেষ হ'ল।"

"ইয়াতনো কি কৰা হৈছে?"

"অলপ ফুৰিছো। উৰ্বশীৰ ভালনে?"

"গুৰু জনাৰ কৃপাত কুশলেই আছে। পিছে এটা সৰু কথাৰ কাৰণেহে অহা হৈছে"—ৰামদাসে ক'লে।

"কি কথানো?"

"আমাৰ জেঠেৰী মাধৱ যে—"

"কোন মাধৱ?"

"বাণ্ডুকাৰ মহোদৰ কায়স্থৰ পুতেক মাধৱ—"

"ওঁ মাধৱে বোলে বহুত পঢ়া-শুনা কৰি আজিকালি কিবা বেহা-বেপাৰ কৰি ফুৰে। ক'ত আছে মাধৱ?"

"এইফালেই আছে। গুৰুজনাই অনুমতি দিলে মই ইয়ালৈকে লৈ আহিব পাৰো।"

"বৰকণা গিৰিৰ ল'ৰা মাধৱ। মোৰ ওচৰলৈ আহিবলৈ আকৌ কিহৰ অনুমতি ল'ব লাগে।"

কওঁ নকওঁ কৈ ৰামদাসে ক'লে, "মাধৱ আমাৰ মতৰ নহয়, শাক্ত, আনিম জানো?"

"শাক্তই হওক বা বৌদ্ধই হওক, মনুবাইৰ পুতেক মাধৱ। ল'ৰা-মানুহ। মোতকৈ দুকুৰি বছৰৰ সৰু। পঢ়া-শুনা কৰি গুণী-জ্ঞানী হৈছে। লগ পালে মই ৰং পাম।"

"মই লৈ আহিম তেনেহলে। পিছে—"

"কোৱা কিবা অন্য কথা আছে নেকি ?"

ৰামদাসে ক'লে, "আপোনাতকৈ সৰু যদিও, মাধৱ এতিয়া চফল ডেকা। পুথি-পাঁজিও বহুত চৰ্চ্চা কৰিছে। পিছে পূজা-পাতল বুলি বিধান মানি চলে। মাকৰ টান অসুখ হৈছিল। দেৱী পূজালৈ বগা পাঠা আগ কৰিছিল—মাকৰ আৰোগ্য কামনা কৰি। মাক ভাল হ'ল। আগ কৰি থোৱা বলি দিয়া হোৱা নাই। মোক টকা দি বোলে এজোৰ বগা পাঠা দেৱীৰ আগত বলি দিবৰ কাৰণে আনি দিয়া। সেয়ে মই বিমোৰত পৰিছো।"

অলপ চিন্তা কৰি শংকৰদেৱে ক'লে, "তোমাৰ অৱস্থাটো মই বুজিছো। বৈষ্ণৱ ভকত হৈ তুমি বলিৰ পাঠাও কিনি দিব নোৱাৰা, আকৌ কিনি নিদিলেও জেঠেৰীয়ে বেয়া পায়। তোমাক কি কৈছে মাধৱে ?"

পূজাৰ ছাগলী কিনি নি নিদিয়াৰ কাৰণে পিতৃ পুৰুষক ধৰি শাপিছে। "মই বোলো দেৱী পূজা কৰিব পায়নে নেপায়, দেৱী পূজাত বলি দিব পায়নে নেপায় আমাৰ গুৰুজনাৰ লগত এবাৰ মুখামুখিকৈ বহি আলোচনা কৰি লোৱা। গুৰুজনাই যদি বলি দিব পায় বুলি কয়, মই বগা পাঠা কিনি আনি দিম। আমি পিছে যি নাম ধৰ্ম্ম লৈছো তাত দেৱী পূজাও নাই বলি বিধানো নাই। আমি নিৰাকাৰ ভগৱানকহে পূজা কৰো—বলি বিধানেৰে নহয়, নামকীৰ্ত্তনেৰেহে।"

শংকৰদেৱে ক'লে, "তুমি ভালকে কৰিলা ৰামদাস, জেঠেৰী বৈনাইৰ সম্পৰ্কটো দুদিনীয়া। ভক্ত ভগৱানৰ সম্পৰ্কটো জনমযুগীয়া। নীতি বিসৰ্জ্জন দিব নেপায়। ভক্তি ব্যাভিচাৰ হ'ব। বাৰু তুমি এদিন মাধৱক মোৰ ওচৰলৈ লৈ আহিবা। আমি কথা-বতৰা হ'ম।"

"এৰা, ময়ো তাকে ক'বলৈকেহে আহিছিলো। তেওঁ নিজে আহি আপোনাৰ লগত বাদ বিচাৰ কৰকহি। আপোনাৰ যুক্তি কেনেকৈ খণ্ডন কৰে চাওঁ।"

শংকৰদেৱে ক'লে, "মাধৱেও শাস্ত্ৰ অধ্যয়ন আৰু চৰ্চ্চা কৰা বুলি জানি ভাল পাইছো। মাধৱে এটা ধাৰণা লৈ আছে। আমিও এটা



বিশ্বাস লৈ ধৰ্ম্ম প্ৰৱৰ্ত্তি আছো। মাধৱ ডেকা পণ্ডিত—তেওঁ যি পঢ়িছে, শিকিছে বুজিছে সেয়ে শেষ কথা বুলি ধৰি লৈছে। আমি যি শিকিছো বুজিছো, আমাৰ বিশ্বাস সেইয়া যুক্তি সিদ্ধ কথা। যুক্তি-তৰ্কৰে সত্য উদ্ঘাটন আৰু প্ৰতিপন্ন কৰাটো দোষনীয় কথা নহয়। কিন্তু তাকে লৈ গৰ্ব্ব অহংকাৰ কৰাটো শোভনীয় নহয়। অহংকাৰে যুক্তিৰ বাটত হেঙাৰ ধৰে। কোনো এক ধ্যান-ধাৰণা বা বিশ্বাসক যুক্তিৰেহে খণ্ডন কৰিব পাৰি। সেইদৰেই নতুন নতুন ধ্যান-ধাৰণাৰ প্ৰতিষ্ঠা হৈ আহিছে।

মাধৱক ক'বা, মোৰ ওচৰলৈ আহিব। এজন জনা বুজা অৰু জানিবলৈ-বুজিবলৈ মন থকা ডেকা পণ্ডিত মানুহ পালে মই কথা পাতি ভাল পাম। বুঢ়া ভলুকা বাঁহ পোন বেকা কৰিব নোৱাৰি। যি ভাঁজ ললে সেই ভাঁজতে ৰৈ যায়। কুমলীয়া বাঁহ যিদৰে মন যায় সেইদৰে ভাঁজ দিব পাৰি। ভলুকা বাঁহ ভলুকা হৈয়ে থাকিব, ভাঁজহে সলনি হ'ব—যদি সলনি কৰিবৰ থল আছে।"

শংকৰৰ কথাত ৰামদাস সন্তুষ্ট হ'ল। আৰু সেৱা জনাই কেইদিন-মানৰ পিছতে মাধৱক আনিম বুলি বিদায় ললে।



"সইত খাই কৈছো কথাটো মই কাকো নকওঁ। তই এইকণ সহায় কৰ"—মদনে ৰহপুৰক ক'লে।

"সহায়নো নকৰিম কেলেই, পিছে কথাটো তই যিমান উজু বুলি ভাবিছ সিমান উজু নহয় ঐকা। এনেই বনৰীয়া হাতীৰ কথা। তাতে বিয়াগোম হাবি। তাতে ৰজা সলনি হৈছে। আগৰ চুটীয়া ৰজাৰ দখল এইফালে নোহোৱা হ'ল। এতিয়া উজনিৰ এই গোটেই ভূ-ভাৰতৰ ৰজা

হ'ল—আহোম ৰজা। চুহুংমুং ৰজা, হেন্দু হ'ল—স্বৰ্গনাৰায়ণ নাম লৈছে। ৰাইজৰ বেলেগ বেলেগ খেল পাতিছে।"

"সেইবোৰ সকলো শুনিছো, ক'ব পাৰো। পিছে ৰজাই আৰু হাবিত হাতীৰ কোনে কি কৰিছে সোমাই চাই থাকিবহিনে, কৰো বুলিলে তহঁতে কি কৰিব নোৱাৰ ?"

ৰহপুৰে তামোল এখন কাটি মদনকো দি ক'লে, "কথাটো তই বুজা নাই। অতদিনে এই নেৰায়ণপুৰ, ঢলপুৰ, বিহপুৰৰ হাবিত কিমান হাতী আছে, কিমান গড় আছে, কিমান ভালুক, শৰপহু আছে কোনে লেখ লৈছিল। পিছে এতিয়া আহোমৰ ৰজা হ'ল। ৰাজ্যখনো ৰজাৰ, মাটিও ৰজাৰ, পানীও ৰজাৰ, হাবিও ৰজাৰ, হাবিৰ হাতী ভালুকো ৰজাৰ, চৰাই-চিৰিকতিও ৰজাৰ। আৰু হাতীটো কিবা চুণৰ টেমিটোনে বোলে চুৰিয়াৰ খোচোনাত সুমুৱাই লুকুৱাই থৰ। এইখন বিয়াগোম হাবি। ভিতৰ সোমালে জোন-বেলি একো নেদেখি। পিছে তাৰ মাজতো হাতীৰ গা জিলিকি থাকে। আৰু বনৰীয়া হাতীৰ কেতিয়া জঁক উঠে, কেতিয়া সিহঁতে পাল খায় কোনে ভু ৰাখে? জানই দেখোন, হাবিৰ হাতী কেতিয়া বনৰীয়া হয়। তেতিয়া সিহঁতে নৈ পৰ্ব্বত, খাল-বিল একো নেমানে। হেমেজু কাণৰ সতাইদি বৈ নাহে মানে সিহঁত বলিয়া হৈ থাকে। হাতী হেমেজু বৰ ভাল গোন্ধায়। বনৰীয়া ফুল গোন্ধোৱা-দি গোন্ধায়। হেমেজুৰ গোন্ধ পালে হাতী আৰু উন্মত্ত হয়, বলিয়া হয়। তেতিয়া বাৰু বলিয়া হাতীৰ পিঠিত উঠি হাতীৰ কাণৰ সতাৰ পৰা কোনে হেমেজু গোটাব। বলিয়া-তিওৱা হাতীৰ কাষেদি যাবলৈকে বা তাগদ আছে কাৰ? মই সেইটোহে তোক কৈছো।, ৰজা ঘৰলৈ ভয় কৰি কথাটো কোৱা নাই।" ৰহপুৰে ক'লে।

"তই হাতী ফান্দী। কত কালৰ পৰা বনৰীয়া হাতী ধৰি ৰজাৰ ঘৰত দি আহিছ। ঘৰত বাৰু এচুঙা হেমেজুও ক'ৰবাত লুকুৱাই থোৱা নাইনে ?"

এইবুলি ৰহপুৰে হাঁহিলে।

"তহঁত ডেকা ল'ৰাবোৰ কুনকি হাতী দেখিলে আগ পাছ সকলো



পাহৰি যোৱা বনৰীয়া হাতীৰে একে অ'। হাতীটো ইমান ডাঙৰ পৰানী এটা। পিছে তাৰ গাটোৰ সমানে বুধি নাই। নহলেনো মাইকী হাতী জনীয়ে মখনাটোক ফান্দীৰ ফান্দত পেলাই বন্দী কৰায়নে? আৰু মখনাটোও সেই কুনকিৰ শুড়ত ফান্দ জৰীয়েই আছেনে ফুলৰ মালায়েই আছে চকুদুটা মেলি নেচাই দিয়ে ফান্দত মুৰটো পাতি। আৰু তহঁত ডেকা ল'ৰাবোৰো—কৰবাৰ ৰচকী পখিলা এজনীৰ লচপচু দেখিলি, হুলি বলিয়া। পিছে মোক কচোন ছোৱালীজনী কোন? কোনে তোক মোহিনীবান মাৰিলে ?"

"তই চিনি নেপাবি ৰহপুৰ। অলপ নিলগৰ। তাই মোহিনী-বান মাৰিয়ে হওক গা নচুৱায়ে হওক মোক ভোল নিওৱাটো সঁচা। পিছে মোৰ মনত জুই দি তাই ঘূৰিয়ে নোচোৱা হ'ল এতিয়া। হাতী হেমেজুৰে যাদু কৰি তাইৰ মনটো ঘূৰাব নোৱাৰিলে নহ'ব। তাই অইন কাৰোবাৰ লগতহে উধাও হ'ব। তাইক মোৰ ফলীয়া কৰিবলৈ হাতী হেমেজু মিহলাই আহুদি নকৰিলে নহ'ব জানিছ।"

"আহুদি কোনে কৰি দিব? আৰু বা কি কি লাগে। হেমেজু জানিবা মই দিলোৱেই ?"

"বিহপুৰৰ নৈ পাৰৰ ফালে যে দ-মেটেকানি নামে মাছমৰীয়া গাঁওখন আছে, তাতে ফেচুলুকা বুঢ়ী নামে বুঢ়ী এজনী আছে। মোহিনীবান মৰাত আৰু আহুদি কৰাত ফেচুলুকাৰ সমান আৰু অইন কোনো ডাঙৰ বেজিনী নাই। হেমেজু, মকৰাজাল, শুকান পঁইতাচোৰা আৰু মন্ত্ৰজৰা, শামুক পুৰি কৰা চুণেৰে কিবা আহুদি কৰি তামোলৰ লগত খুৱাব লাগে বোলে,—তেতিয়া ফাপে—"

"হেৰ ইমানবোৰ কৰাতকৈ নেৰায়ণপুৰৰ থানৰ ওচৰতে যে আছে মইনা বামুণৰ ভায়েক অপিন্দৰ, যাদুবিদ্যা, বশীকৰণত তেওঁৰ ওপৰত নাই। শিকি এটা দি তোৰ পেটৰ কথাটো ভালকৈ, খোলোচাকৈ বুজাই কবি, এনেকুৱাকৈ ধুলিৰ মন্ত্ৰ জাৰি দিব, তই গৈ মেনে মেনে ছোৱালীজনীৰ নঙলামুখত চটিয়াই থৈ আহিলেই হ'ল। চাবি পিছদিনাই তাই নিজে আহি তোৰ ঘৰৰ ভিতৰ সোমাবহি। কতৰ তেনেকুৱা কৰিছে।"

বতৰাবোৰৰ আমাৰ মছলমানৰ ধৰমৰ লগত বহুত মিল থকা যেন লাগিল। আমাৰ যেনেকৈ কোনো জাত-কুল, ধনী-দুখীয়া, উচ-নীচৰ বিচাৰ নাই আৰু আমাৰ যেনেকৈ ধৰমৰ কামবোৰ গাইপতি নিজে নিজে কৰিব লাগে আৰু কোনো পূজাৰি, পুৰোহিত নেলাগে, তেনেকৈ হেনো শংকৰদেৱৰ ধৰ্মতো নেলাগে। মই হ'লে যি দেখিলো চাবি কিছুমান দিনৰ মূৰত অইন ধৰম এৰি সকলো মানুহে শংকৰদেৱৰ ধৰম হে ল'ব। হেৰ মই হেন হাতী ফান্দীটোকো ভাল ভাল ভকতৰ একেশাৰীতে বহিবলৈ দিয়াটো কম কথানে? হিন্দু ভকতবোৰৰ লগতে মছলমানকো ভকত হেন মান থান দি বহুৱাই শোধ-পোছ কৰাটো কম কথানে? আৰু কেইবাজনীও জীয়াৰী দেখিলো, মতা মানুহেৰে একেলগে হৰিনাম লৈছে। দেখি শুনি বৰ ভাল লাগিল জানিছ। লোকনাথ হাতী বৰুৱাৰ নাম শুনিছনে? আহোম ৰজাই নতুনকৈ পাতিছে। আজিকালি যে ৰজাই বেলেগ বেলেগ খেলবোৰ পাতিছে, আমি পৰিছো হাতীফান্দী আৰু হাতীঘাঁহীৰ খেলত। আমিবোৰে বনৰীয়া হাতী ধৰি ৰজাঘৰত দিও হাতী ঘাঁহীয়ে ঘৰচীয়া হাতীক খুৱায়, ৰখে। আমাৰ সকলোৰে ওপৰত পাতিছে হাতী বৰুৱা। লোকনাথো ৰজাই পতা হাতী বৰুৱা। এদিন দেখিলো শংকৰদেৱৰ ভকতৰ শাৰীত বহি আছে লোকনাথ হাতী বৰুৱা। ভেম তেম নাই। অইন ভকতৰ নিচিনাকৈ ভাৱস্তিৰেই বহিছে আৰু নাম লৈছে। অলপ নিলগতে ময়ো বহিছো। কথাষাৰ চিন্তা কৰি চাচোন। মই হলো মছলমান হাতী ফান্দী আৰু মোৰ ওপৰতে ৰজাৰ হাতী বৰুৱা। মোৰ নিজৰে কেনেবা কেনেবা লাগি গৈছিল। আমাৰ মছলমানৰ হওতে এইটো সদায় চলা কথা। ৰজাই গোলামে গাত গা লগাই একেশাৰীতে বহি নামাজ পঢ়ে। পিছে তহঁতৰ হিন্দুৰ সমাজত তেনেকুৱা কথা কাহানিবা চলিছিল জানো? শংকৰদেৱে কম কাম কৰা নাই দেই। আৰু মানুহগৰাকীৰ বয়স হৈছে যদিও তেজপানী পকা থেকেৰা যেন হৈ আছে। দেখিলেই মূৰ দোঁ খাই আহে।"

ভালেমান কথা একে উশাহে কোৱাদি কৈ ৰহপুৰ ৰ'ল।



মদনে সুধিলে, "এৰা শংকৰদেৱেও কিবা যাদু-মন্ত্ৰ জানে যেন পাইছো। নহ'লে এনেকুৱা নোহোৱা নোপজা কাম কৰিব নোৱাৰিলে-হেতেন, নহয়নে বাৰু?"

"সেই যে সকলো ভকতে একেলগে বহি, একেলগে নাম লয়, তাতেই কিবা যাদু আছে যেন পাওঁ। মানুহবোৰে যেন ঘৰ-বাৰীৰ কথা সকলো পাহৰি যায়। তয়ো এটা কাম কৰ মদন—"

"কি কৰিবলৈ কৱ?"

"শংকৰদেৱৰ ওচৰলৈ গৈ সেৱা এটা কৰি ভকত হগৈ। একো কৰিব নেলাগে, ধন-সোণো খৰচ কৰিব নেলাগে, পৰবতো বগাব নেলাগে, নৈতো সাতুৰিব নেলাগে, লগোন দিবও নেলাগে, বৰতো কৰিব নেলাগে। ভকত-ভকতনীৰ লগত বহি হৰিনাম লবি সেইয়াই হ'ব। তেও যদি তোৰ মন-খোৱা ছোৱালীজনীৰ পৰা তোৰ মনটো আঁতৰাব নোৱাৰ তাইকো আনি ভকতনী কৰি লবি। তেতিয়া শংকৰদেৱে আশীৰ্ব্বাদ কৰিলে তাইৰ মনো ঘূৰিব, নহ'লে তোৰ মনো তাইৰ পৰা ঘূৰিব পাৰে। মই হলে ক'লো, এই শংকৰদেৱ এলাপেচা মানুহ নহয় দেই।"

মদনে কিছুপৰ মনে মনে থাকি কিবা এটা চিন্তা কৰিলে। তাৰ পিছত সুধিলে, "তই বাৰু ধুঁৱাহাটলৈ আকৌ কেতিয়াবা যাবিনে?"

"মনটোতে যাও যাও লাগি আছে। পিছে শুদা হাতে যাবৰ মন নাই। এইবেলি গ'লে শংকৰদেৱক দিবলৈ কিবা এটা লৈ যাম বুলি ভাবিছো।"

"কি নিবিনো?"

"ৰজাৰ ঘৰত কি নাই, কচুশাকৰ ভেঁটী। হাতী দাঁত এজোৰকে নি দিলোহেঁতেন। পিছে ৰজাঘৰৰ বৰ চকু আজিকালি। কোনোবাই হাতী বৰুৱাক লগাবলৈ হ'লে বুলিব, তই হাতী ফান্দীয়ে হাতীৰ দাঁত ক'ৰ পালি গুৰুক দিবলৈ? পিছে অইন বস্তুনো কি নিম ভাবিয়ে পোৱা নাই।"

"এৰা, ৰজা ঘৰলৈ শুদা হাতে যাব নেপায়, গুৰুৰ ঘৰলৈও শুদা হাতে যাব নেপায়। তয়ে কচোন মদন কাম এটা কৰিলে কেনে দেখ?"

"কি কৰো বুলিনো ভাবিছ ?"

"আজি কেইবছৰমানৰ আগতে বৰ গান যে আহিছিল, তেতিয়া এইখনত হাতীয়ে-মাউতে তল যোৱা পানী হৈছিল। আমাৰ কেইবাটাও দঁতাল মখনা পানীত উটি ক'ৰবালৈ গ'ল। জীয়াই জীয়াই কাজিৰঙা পালেগৈ যদিও ক'ব নোৱাৰো। হেৰোৱা হাতী বিচাৰিবলৈ কোন যাব ? বুঢ়া দঁতাল কেইবাটাও আছিল। তাৰে দুটা দ খালত পৰি উঠিব নোৱাৰা হৈ মৰিল। পিছতহে আমি ক'ব পাৰো। বুঢ়া হলে হাতীৰো ককাল পৰে বুজিছ। তাৰে দাঁত কেটা কুঠাৰেৰে কাটি নি এঠাইত মাটিৰ তলত পুতি থৈছো। বৰ বৰ দাঁত। মুৰ সমনীয়া দীঘল—শকতো।"

"মাটিতনো পুতি থৈছ কেলেই ?"

"আগৰ চুটীয়া ৰজাই হাবিত হাতীনো কিমান আছে, দঁতাল কিমান আছে, মখনা মাখুন্দী কিমান আছে সেইবোৰৰ বৰ ভূ নলৈছিল। পিছে এতিয়া ৰজা সলনি হ'ল নহয়। আহোমৰ ৰজা, হাবিৰ বনৰীয়া হাতীৰো লেখ লয়। চাইটাকৈ বৰ বৰ হাতীদাঁত ঘৰত নি সুমুৱাই থৈছোগৈ বুলি গম পালে, ক'ব নোৱাৰি নহয়, কি বা কৰে।"

"এৰা, পিছে শংকৰদেৱক হাতীদাঁত দিলেও জানো ক'ব পৰা পালি বুলি বিচাৰ নকৰিব ?"

"এৰা, সেয়েহে ভাবিছো বোলো মনধন খনিকৰৰ হতুৱা তাৰে হাতীদাঁত দুটাৰে এটা ডাঙৰ চিতল পাটিকে সজাই শংকৰদেৱক দিও— বেয়া হ'বনে বাৰু ?"

"বৰ ভাল কথা ভাবিছ। তেনেজন পুৰুষক আৰু যি সি বস্তু গুৰু মাননি দিলে শুৱাবনে ? পিছে তই হ'বলা হাতীদাঁতৰ পাটি সাজিব নেজান ?"

"কেনেকৈনো জানিম ? হাতী ফান্দীয়ে আৰু হাতীদাঁতৰ গহনা গঢ়াব জানিবনে ? মনধন বৰগৰীয়াৰ পৰিয়ালে হাতীদাঁতৰ বস্তু গঢ়ে। মণি, মাদলী, থুৰীয়া, খাৰু—এইবোৰ গঢ়ে। মানুহৰ গা যেন পিচল চিতল পাটিও সাজে। সেইবোৰ ৰজাঘৰক দিয়ে। সেইবোৰ আৰু তোৰ মোৰ বস্তুনে ? হওঁতে শংকৰদেৱক দিব পাৰি।"



"পিছে লুকুৱাই থোৱা ৰজা ঘৰৰ সম্পত্তি—হাতীদাঁত—তাৰে কিবা গঢ়াই দিলে, গুৰুৱে ল'ব জানো ?"

"মৰাহাতীৰ দাঁত, হাবিৰ বোকা পানীত পচিলহেতেন। মই চুৰ কৰা বস্তু নহয়, কোনোবাই কাঢ়ি নিয়ে বুলিহে মাটিত পুতি লুকুৱাই থৈছো।"

"হওঁতে হয়। হাতীদাঁতৰ মুৰ আঁচোৰা ফণি এখন পালে মোকো লাগিছিল ! পিছে হাতীৰ দাঁত ইমান টান কুঠাৰেৰেও কাটিব নোৱাৰি, তাৰেনো ইমান ধুনীয়া ধুনীয়া আ-অলংকাৰবোৰ গঢ়াবলৈ কেনেকৈ বা হাতীদাঁত কোমলায় ভাবিয়ে নেপাও।"

হাঁহি ৰহপুৰে ক'লে, "তোৰ মনটো সেই ছোৱালীজনীতে লাগি আছে মই বুজিছো। বাঁহৰ কাকৈৰে চুলি আঁচোৰাই ম'হৰ শিঙৰ ফণিৰে মুৰ ফণিওৱাই তোৰ মন শাত নপৰে। হাতীদাঁতৰ ফণি দিবি ? মই জনা হলে নিজেই এখনহে নেলাগে দুখনমান হাতীদাঁতৰ ফণি সাজি দিলোহেতেন। পিছে যাৰ যি কাম। আমাৰ হাতত হে হাতী দাঁত শিল যেন টান। খনিকৰৰ হাতত হাতীদাঁত নহয় জানিবা কুমলীয়া জাতি বাঁহ এপাৰহে।"

"হাতী দাঁতবোৰনো কেনেকৈ ইমান কোমল কৰে তই জান নেকি ৰহপুৰ ?"

নিজে কোনোদিন কৰি চোৱা নাই, শুনিছো বোলে গোটা হাতীদাঁতৰ ওপৰত ডাঠকৈ বোকা আৰু গোবৰ লিপি নাহৰ খৰি, এজাৰৰ খৰিৰ জুইত দি তপতায়। তেতিয়া বোলে হাতীদাঁত কোমল হৈ যায়। যেনেকৈ মন যায় পোনাব, বেঁকা কৰিব পাৰি। তাৰ পৰা কটাৰী বটালিৰে কাটি যি মন যায় গঢ়াব পাৰি। কোমল বাঁহৰ টঙাল তুলুৱাদি তুলাই, বেট সূতৰ নিচিনা সূত উলিয়াই তাৰে পাটি বব পাৰি। হাতী-দাঁতৰ কাকৈ, ফণি, পিঠি খজুউৱা, হাত লাখুটি, লাখুটিৰ মুৰ, দাৰ নাল, কটাৰীৰ নাল, ডাব কটাৰীৰ ডাব, সেন্দুৰৰ টেমা, চুণৰ টেমি, সঁফুৰা, কাণৰ থুৰীয়া, বৰমণি, আঙঠি, খাৰু—সকলো কৰিব পাৰি। পিছে সেইবোৰ তোৰ মোৰ কাম নহয়—কাৰিকৰ, খনিকৰ, সোণাৰীহঁতৰ কাম।

যাৰ বান্দৰ সিহে নচুৱাব জানে। হাতীদাঁতৰ বস্তু গঢ়িবলৈ কটাৰী-বটালিও লাগিব তেনেকুৱা। শংকৰ গুৰুৰ লগত থকা আমাৰ গৰীয়া ভকত এজনে হেনো ফকৰা গাইছে বোলে—

হাতীৰে দাঁতকে চিকুটি চিঙিলে
কুঠাৰে কাটিলৈ মুলা—
বৰ বৰ শিলক নিয়ে উৰুৱাই,
উৰুৱাব নোৱাৰে তুলা।"

"পিছে মদন, বুলি কেতেপৰ হ'ল মনত ৰাখিছনে? তোৰ জানিবা ছোৱালীজনীৰে চিন্তা, মোৰ ঘৰখনৰ চিন্তা নকৰি এনেকৈ কথা চোবাই বহি থাকিলে গধূলিৰ ভাত সাজ ওলাবনে? যাওঁ আৰু ব'ল। মই বাৰু বুজ লওঁ, ঘৰত ক'ৰবাত হাতী হেমেজু চুঙাত সুমুৱাই থোৱা আছেই কিজানিবা। থাকিলে নিবি বাৰু। পিছে কাৰোবালৈ বুলি নি কাৰোবাক আহুদি নুখুৱাবিগে আকৌ। হেমেজুৰ গোন্ধ পালে তহঁতৰ কিচুন গোসাঁইৰ পিছে পিছে গুপিনী ঢপলিওৱাদি গাঁৱৰ গাভৰু-বোৰ তোৰ পিছে পিছে ঢপলিয়াই নাহিলেই হয়। আমাৰ বয়স গ'ল। নহ'লে আমিও আহুদি এপালি নকৰি নেথাকিলোহেতেন।"

মদনে ক'লে, "মোৰ কথাটো পিছে খোলনীয়াকৈ নকবি ৰহপুৰ। তাই নহ'লে কৈছো নহয়। মোৰ জীয়নটো থান বান হৈ যাব।"

ৰহপুৰে ক'লে, "ব'ল যাওঁহক। বুলি পৰিবৰে হ'ল। কৰনো মোহিনীয়ে মোহনীবান মাৰি তোক বলিয়া কৰিছে জানো? তাই বাঘে-খাতীয়ে তই যেন ডেকা এটাৰ মনটো লৈ এনেকৈ হেতালি খেলিব নেলাগিছিল পিছে। তই পাৰিলে এবাৰ শংকৰ গুৰুৰ ওচৰলৈ যা। ময়ো পাৰিলে এবাৰ কদৰত ফকীৰৰ ওচৰলৈ যাওঁ। ফকীৰে যদি তোৰ কাৰণে কিবা পানী-দুনী জাৰি দিয়ে ময়ে লৈ আহিম।

কিছুদূৰ হাবিৰ মাজৰ লুংলুঙীয়া বাটেদি একেলগে আহি মদন আৰু ৰহপুৰ নিজ নিজ ঘৰমুৱা হ'ল। বুলি তেতিয়া লহিয়াইছিল। মদনৰ মনটোত ৰং। ৰহপুৰে যদি ঘৰত চুঙাত ভৰাই লুকুৱাই থোৱা হাতী হেমেজু অকণ দিয়ে। সি ফেচুলুকাৰ পৰা আহুদি কৰাই আনিব পাৰিব।





"...গৌৰী বংশৰ দেৱীবৰ দত্ত ভূঞা ১২৭৪ শকত চাৰিওপুষ্ঠৰ ৰাজা হৈ প্ৰতাপপুৰ নগৰতে ১৮ বছৰ ৰাজভোগ কৰি...স্বৰ্গী হলত তেওঁৰ পুত্ৰ কামদত্ত ভূঞা ১২৯২ শকত...ৰাজা হৈ ১৫ বছৰ ৰাজভোগ কৰি... স্বৰ্গী হ'লত, তেওঁৰ পুত্ৰ সোমদত্ত ভূঞা ১৩০৭ শকত ৰাজা হৈ ১৩ বছৰ ৰাজভোগ কৰি...স্বৰ্গী হ'ল। তেওঁ অপুত্ৰক হেতু তেওঁৰ ভাতৃ মহীদত্ত ভূঞা ১৩২০ শকত প্ৰতাপপুৰ নগৰতে...ৰাজা হৈ তাতে এবছৰ থাকি তাৰ পৰা গৈ কামপুষ্ঠৰ শিঙ্গৰি...পৰ্ব্বতৰ ওচৰৰ দিপতা নদীৰ কাষত ত্ৰিপুৰ নামে নগৰ কৰি তাতে ৫ বছৰ থাকি তাৰে পৰা গৈ সৌমাৰ পুষ্ঠৰ চফুৰাই নদীৰ কোষত ১৩২৬ শকত মথুৰাপুৰ নামে নগৰ কৰি থাকোতে আদ্য শক্তি গোসানীয়ে অতি বৃদ্ধ জন্ত্ৰি ৰূপ ধৰি মহিদত্ত ভূঞা ৰাজাক ৰাত্ৰি স্বপ্ন দেখাই বোলে, মই গোসানী...। তোকে আদি কৰি আগলৈ তোৰ পুত্ৰ নাতিগণে যতদিন মোক পূজা সেৱা কৰি ভক্তি কৰি ৰাখে, ততদিনলৈকে মই ৰাজপদ দি সুখত ৰাখিম। মোক অৱহেলা কৰিলে মই এৰিম...ব্ৰহ্মপুত্ৰে তুষ্ট হৈ জালৰ পেৰা আদ্যা শক্তি জন্ত্ৰি দেৱী বুঢ়ী গোসানীক মথুৰাপুৰ নগৰলৈ আনি অনেক মাটি ও মানুহ, দেৱলীয়া পূজাৰি ঠাকুৰ দি নগৰৰ ভিতৰতে দেৱাল পাতি পূজা সেৱা কৰি গোসানীক ৰাখিলে...।

পিছে মহিদত্ত ভূঞা ৰাজা মথুৰাপুৰ নগৰতে ১২ বছৰ থাকি তাৰে পৰা গৈ স্বৰ্ণপুষ্ঠৰ ত্ৰিকুনী গাঁৱৰ ওচৰতে ত্ৰিকুনী নামে নগৰ কৰি সোণৰ তিনিচুকীয়া সিংহাসন লৈ নগৰৰ ৰাজদুৱাৰ তিনিখন লৈ তিনিচুকীয়া পুখুৰী কৰাই সেই নগৰতে থাকি চাৰিওপুষ্ঠৰ দেৱালবোৰত মাটি ও মানুহ দেৱলীয়া দি পূজা সেৱাৰ নিৰ্ব্বন্ধ দিলে আৰু ব্ৰাহ্মণক ব্ৰহ্মোত্তৰ ও মূৰ্ত্তি, গোসাইক দেৱত্তৰ ও বেষ্ঠৱক ধৰ্ম্মত্তৰ ও শূদ্ৰ বিষয়ালোকক

নানকাৰ ও ইতৰ আপাহিক লোকক লাখেৰাজ ও মছলমানৰ দেৱান লোকক পিৰপাল ও সকলো জাতৰ লোকক খেৰাজ এই নিয়মে ৭ ৰকম নাম ভেদ কৈ মাটি ভাগ ভাগ কৰি দিলে। মহীদত্ত ভূঞা ৰাজা ১৩৪১ শকত স্বৰ্গী হ'লত তেওঁৰ পুত্ৰ মনোহৰ দত্ত ভূঞাই ১৩৪২ শকত ৰাজা হৈ···১৩৫৮ শকত স্বৰ্গী হ'ল।···

লক্ষ্মীপুৰী বুলি ১৪ বছৰীয়া কন্যা এটি আছিল। তেওঁৰ গৰ্ভত জজা দুটি সন্তান জন্মিল। নাম দিলে শান্তানু আৰু সুমন্ত।··· সেই প্ৰতাপপুৰ নগৰতে সোণৰ তিনিচুকীয়া সিংহাসনত শান্তানু দত্ত ভূঞাক তুলি লৈ ১৩৫৯ শকত ৰত্নপৃষ্ঠ দেশত ৰাজা পাতিলে ও সুমন্ত দত্ত ভূঞাক যুৱৰাজা পাতিলে। তাত এবছৰ থাকি লক্ষ্মী আইয়ে···সেই নগৰ এৰি তাৰ পৰা উজাই গৈ ৰত্নপৃষ্ঠৰ মধ্যম ঠাই সোণাদিৰী নদীৰ কোষত লক্ষ্মী আইৰ নামেৰেই লক্ষীমপুৰ নামেৰে নগৰ কৰি···ৰাজত্ব কৰি থাকিল। পূৰ্বে লক্ষ্মী আইৰ পিতৃ পিতামহ ভূঞা ৰাজা সকলৰ তলে চাৰিওপৃষ্ঠত যিসকল কৰতলীয়া ৰাজা আছিল সেইসকল ৰাজাৰ নাম :—

স্বৰ্ণপৃষ্ঠত ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰে বীৰনাৰায়ণ চুটীয়া ও ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰে ৰূপেন্দ্ৰনাথ মৰাণৰ ৰাজা, সৌমাৰ পৃষ্ঠৰ আসমৰ চুকৰ্কফা আসম ৰাজা ও কুমুতেশ্বৰ বৰাহী ৰাজা ও বীৰবল কছাৰী ৰাজা ও কামপৃষ্ঠৰ ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰে জইছিঙ্গ জয়ন্তা ৰাজা। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শ্ৰীনাৰায়ণ কোছানৰ ৰাজা ও ৰত্নপৃষ্ঠৰ শান্তানু দত্ত ভূঞা ৰাজা ও চুটীয়া ও মৰাণ ও আসম ও বৰাহী ও কছাৰী ও জয়ন্তা ও কোছান—এই সাতজনা ৰাজা ভূঞা ৰাজাৰ কৰতলীয়া ৰাজা আছিল।

১৩৫৮ শকত মনোহৰ দত্ত ভূঞা ৰাজা স্বৰ্গী হলত এই সাতজনা ৰাজা পূৰ্বৰ ভাগে ভাগে ১৩৫৯ শকত স্বাধীন ৰাজা হ'ল। মনোহৰ দত্ত ভূঞা তাতে এবছৰ থাকি তাৰে পৰা গৈ—লক্ষ্মী আইৰ লক্ষীমপুৰ নামে নগৰ কৰি ৫ বছৰ ৰাজা হৈ থাকোতে ১৩৬৪ শকত চুটীয়াৰ বীৰ নাৰায়ণ ৰাজাই তেওঁৰ পুত্ৰ ধীৰ নাৰায়ণ যুৱৰাজাক লৈ লক্ষীমপুৰ নগৰলৈ আহিল। ···১৩৭২ শকত লক্ষ্মী আইৰ লোকান্তৰ হলত পুত্ৰ দুজনে



প্ৰেতাদি কৰ্ম কৰিবলৈ ধৰাতে আগম ও নিগম দুজন পুৰোহিতে মহাৰাজা আৰু যুৱৰাজা দুইকো আগম ও নিগম দুই প্ৰকাৰ দুই শাস্ত্ৰৰ মত দেখুৱাই ৰাজা ও যুৱৰাজাৰ দুইৰো মত ভিন্ন ও পদ্যচিহ্ন ও গোত্ৰাদিভিন্ন ও ধৰ্ম্ম ভিন্ন এইসকল কৰাই দুজন পুৰোহিতে দুইৰো হতুৱাই লক্ষ্মী আইৰ প্ৰেতাদি কাৰ্য্য কৰালে। তেতিয়াৰে পৰা ৰাজা ও যুৱৰাজা দুয়োজনা ভাতৃৰ দুই মত চলিল। ও শান্তানু ও তেওঁ ৰাজাকে আদি কৰি তেওঁৰ পুত্ৰ নাতিসকল পৰ্য্যন্ত ৰাজকৰ্ম্ম ও শাক্ত ধৰ্ম্ম ও কাশ্যপ গোত্ৰ নামান্তে দত্ত এই মত চলালে ও সুমন্ত আদি কৰি তেওঁ পুত্ৰ নাতি সকল পৰ্য্যন্ত যুৱৰাজা কৰ্ম্ম ও বিষ্ণু ধৰ্ম্ম ও ন গোত্ৰ পৰাশৰ লৈ ও নামান্তে দলৈ এইমতে দুইয়ে দুই প্ৰকাৰে চলালে।···শান্তানু দত্তৰ প্ৰথমজনা কুঁৱৰীৰ গৰ্ভত লহকৰ দত্ত ও কাশি দত্ত, পদম দত্ত ও ৰায় দত্ত ও শালাল দত্ত ও হুকা দত্ত এই ছজন ও দ্বিতীয়জনা কুৱঁৰীৰ গৰ্ভত টেটোন দত্ত, ধোৱা দত্ত, উজিৰ দত্ত, সাৰোল দত্ত, ৰমাই দত্ত, তমাই দত্ত এই ছয় জনা পুত্ৰ জন্মিল। ও সুমন্ত যুৱৰাজাৰ প্ৰথমজনা কুঁৱৰীৰ গৰ্ভত, কৌনজ বৰ দলৈ ও ৰঘু দলৈ, মুকুন্দ দলৈ, কাম দলৈ, সুৰথ দলৈ, সুন্দৰ দলৈ ও দ্বিতীয়জনাৰ গৰ্ভত সুসম দলৈ, গৌৰ দলৈ, ৰত্ন দলৈ, মহীৰথ দলৈ, লেপ দলৈ ও কেপ দলৈ এই ছয়জনা পুত্ৰ জন্মিল।··· দুয়োজনা ভ্ৰাতৃৰ চৌবিশজনা পুত্ৰ হ'ল ও শান্তানু দত্ত ৰাজাৰ বাৰেজনা পুত্ৰৰ দত্ত সংজ্ঞা ও সুমন্ত দত্তৰ বাৰেজনা পুত্ৰৰ দলৈ সংজ্ঞা—দুইয়ো ফৈদক ভূঞা বোলে।

১৩৫৯ শকৰ পেৰা ১৩৯৫ শকলৈ ৩৭ বছৰ লক্ষ্মীপুৰ নগৰতে ৰাজা আৰু যুৱৰাজা দুয়োজনা ভাতৃ ৰাজ্য চৰ্চা কৰি থাকোতে ১৩৯৫ শকৰ আশ্বিন মাসত শান্তানু ৰজাই দুৰ্গোৎসৱ পূজাৰ দশভূজা গোসানীক সুমন্ত ৰাজাই নিন্দা কৰিলত ৰাজা ও যুৱৰাজা দুইৰো মহা বিৰোধ হোৱাত ঐ শকৰ আঘ্ৰন মাসত সুমন্ত দত্ত যুৱৰাজাই যুৱৰাজা পদ পৰিত্যাগ কৰি, নিগম পুৰোহিত আদি কৰি ও তেওঁৰ লগৰ সকলো মানুহ সহিতে সপৰিবাৰক লৈ ৰামপুৰ নামে স্থানলৈ গৈ নিগম শাস্ত্ৰমতে বিষ্ণু ধৰ্ম্ম ধৰি থাকিলগৈ।

শান্তানন্দ দত্ত ভূঞাৰ ১৪০০ শকত মৃত্যু হলত দুজনা কুঁৱৰীয়ে পুত্ৰ বাৰেজনাক সকলো সম্পত্তি বাটি দি…ৰত্ন পৃষ্ঠে দেশখনকে বাৰে ভাগ কৰি বাৰেপুৰ নাম দি বাৰেপুৰত বাৰেখন নগৰ কৰাই ১৪০১ শকত সেই লক্ষ্মীপুৰ নগৰতে বাৰেপুৰৰ ৰাজা পাতি…কুৱৰী দুজনাই ক'লে, বোলে স্বামীৰ ইষ্ট কুলদেৱতা শ্ৰীশ্ৰী৺ৰী জন্ত্ৰী দেৱী বুঢ়ী গোসানী ও তামাক্ষৰী কল্পতৰু শাস্ত্ৰ এই দুজনা দেৱতা এই লক্ষ্মীপুৰ নগৰৰ পূৰ্ব্বৰ স্থাপিত ঠাইতে থক।…

যি যি নগৰত বাৰেভূঞা বাৰেজনা ৰাজা হ'ল সেইসকল ৰাজাৰ ও নগৰৰ নাম :—হেঙ্গুলপুৰ নগৰত লহকৰ ভূঞা ৰাজা ও হাবুঙ্গপুৰ নগৰত পদমদত্ত ভূঞা ৰাজা ও ধলপুৰ নগৰত কাশিদত্ত ভূঞা ৰাজা ও গোপালপুৰ নগৰত ৰাইদত্ত ভূঞা ৰাজা ও গালপুৰ নগৰত শলাল দত্ত ভূঞা ৰাজা ও ৰত্নপুৰ নগৰত হুকাদত্ত ভূঞা ৰাজা ও লক্ষ্মীপুৰ নগৰত টেটোন দত্ত ভূঞা ৰাজা, নাৰেঙ্গপুৰ নগৰত ধোৰাদত্ত ভূঞা ৰাজা, গহপুৰ নগৰত উজীৰ দত্ত ভূঞা ৰাজা, কালঙ্গপুৰ নগৰত সাৰোল দত্ত ভূঞা ৰাজা ও প্ৰতাপপুৰ নগৰত ৰমাই দত্ত ভূঞা ৰাজা ও বিহিমপুৰ নগৰত তমাই দত্ত ভূঞা ৰাজা…"

ওপৰৰ কথাখিনি কিম্বদন্তী আৰু বুৰঞ্জী মিহলি এক আখ্যান। কথাখিনি আছে ১৮৩৬ চন মানত লিখি শেষ কৰা "বাৰে ভূঞাৰ বুৰঞ্জীত।" আদ্যোপান্ত উদ্ধৃত দিয়া হোৱা নাই। কিন্তু উজনি অসমত বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, শংকৰদেৱৰ আগৰে পৰা সৰু সৰু কিছুমান থলুৱা ভূঞা ৰাজ্য থকাৰ কথা ইয়াৰ পৰা জনা যায়।

একোখন নগৰকে একোখন ৰাজ্য বুলি বিবেচনা কৰা হৈছিল। একেখন পৈত্ৰিক ৰাজ্য পুতেকহঁতৰ মাজত ভাগ কৰি দিয়া হৈছিল। সৰহীয়া মাটিৰ অধিকাৰী আৰু প্ৰশাসক "ৰাজা" বুলি পৰিগণিত হৈছিল। এনে ৰজাৰ মন্ত্ৰী পাৰিষদ, কৰ্ম্মচাৰী আৰু তলতীয়া বিষয়াও আছিল। এনে কোনো কোনো ৰজাই কাষৰীয়া অন্য ৰজাৰ লগত কৌতিয়াবা যুদ্ধ সন্ধি আদিও কৰিছিল। গতিকে ভূস্বামী বা জমিদাৰ হিচাবে এইসকল লোকৰ প্ৰভাৱ প্ৰতিপত্তিও তেনেই কম নাছিল।



অঞ্চলটো চুটীয়া ৰজাৰ ৰাজ্যৰ পশ্চিমত আছিল। ভূঞা ৰজা বিলাকো চুটীয়া ৰজাৰ কাষৰীয়া মাৰ্টীগাৰ আছিল। কাষৰীয়া অন্য ৰজাৰ লগত মিত্ৰতা ৰক্ষা কৰাত চুটীয়া ৰজাই সহায় কৰি দিছিল। শান্তানন্দৰ ৰাজ্য আবৰৰ সম্ভাব্য আক্ৰমণৰ পৰা নিৰাপদ ৰাখিবৰ কাৰণে আৰু দুয়োখন ৰাজ্যৰ মাজত সদ্ভাৱ ৰক্ষা কৰিবৰ কাৰণে "লক্ষীমপুৰ নগৰলৈ আহি সুমন্ত যুৱৰাজাই সহিতে ধীৰনাৰায়ণ যুৱৰাজাক সখী কৰাই মিত্ৰতা বিশ্বাস জন্মাই চুটীয়া ৰাজাই লক্ষ্মী আইৰ আগত ক'লে—'এই তিনিচুকীয়া সিংহাসনত অনেক ৰাজাৰ নেওচা পৰিছে, ইয়াত আপোনাৰ পুত্ৰ ৰাজা বহিবলৈ ভাল নহয় মোক দিয়ক। মই আবৰৰ ৰাজাক দি অনেকটা হাতী আনি দিম। এনেকৈ ক'লত লক্ষ্মী আইয়ে ভাল বুলি কাঠৰ সিংহাসন এখন কৰাই তাতে শান্তানন্দ ৰাজাক তুলি সোণাৰ তিনিচুকীয়া সিংহাসন চুতীয়া ৰাজাক দিলে। চুটীয়া ৰাজাই সেই সিংহাসন খনি আবৰৰ ৰাজাক দি দঁতাল হাতী ছটা, ও মাখুন্দী হাতী চাইটা মুঠ দহোটা হাতী আবৰৰ ৰজাৰ তাৰ পৰা আনি দঁতাল এটা ও মাখুন্দী এটা এই দুটা হাতী চুতীয়া ৰজাই ৰাখি, দঁতাল পাঁচোটাই ও মাখুন্দী তিনটা মুঠ আঠোটা হাতী শান্তানন্দ দত্ত ভূঞা ৰাজাক দিলে। তেতিয়াৰে পৰা চুতীয়া ৰাজ্যৰে ও ভূঞা ৰাজ্যৰে প্ৰধান মিত্ৰ হ'ল।"

চুটীয়া ৰাজ্য এটা বহল অঞ্চলত ব্যাপ্ত হৈ আছিল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শদিয়াৰ পৰা বিশ্বনাথলৈকে আৰু দক্ষিণ পাৰে দিবাঙৰ পৰা নামদাঙ লৈকে—এইয়াই আছিল চুটীয়া ৰাজ্য। এই চুটীয়া ৰাজ্যৰ দক্ষিণে আছিল কছাৰী ৰাজ্য। নামদাং নৈৰ পুবে আৰু চুটীয়া ৰাজ্যৰ দক্ষিণে আছিল আহোমৰ ৰাজ্য। এই ৰাজ্যৰ দক্ষিণে নগা পাহাৰ। তেতিয়া আহোম ৰাজ্য এক ঠেক দীঘলীয়া ভূমিখণ্ডহে আছিল। ভূঞা ৰাজ্য আছিল ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে। কছাৰী ৰাজ্যৰ বিপৰীতে।

বৌদ্ধ ধৰ্ম্মাৱলম্বী টাই আহোম সকলৰ ৰজাঘৰলৈ হিন্দু ধৰ্ম্মৰ প্ৰবেশ ঘটিছিল বামুণী কোঁৱৰ ৰজা হোৱাৰ সময়ৰ পৰা ১৩১৯-২০ শকত।

আহোম ৰজা চুতুফাৰ ৰাজত্ব কালত (১৩৬৪-১৩৭৬ শক) চুটীয়া

আৰু আহোমৰ মাজত মাজে মাজে সংঘৰ্ষ চলি আছিল। চুটীয়া ৰজাই ষড়যন্ত্ৰ কৰি আহোম ৰজা চুতুফাক হত্যা কৰিলে। ৰজা হ'ব পৰা উপযুক্ত আহোম কোঁৱৰ নাছিল। চাৰি বছৰ বুঢ়া গোহাঁই আৰু বৰ গোহাঁয়ে ৰাজ্য শাসন কৰিলে। তাৰ পিছত ৰজা পাতিলে ত্যাও-খামথিক। এওঁৰ প্ৰধান আৰু প্ৰথম চিন্তা হ'ল চুতুফাৰ হত্যাকাৰী চুটীয়া ৰজাক এশিকনি দিয়া। ত্যাওখামথিৰ দুগৰাকী ৰাণী আছিল। বৰ ৰাণীৰ হাতত ৰাজ্য পৰিচালনাৰ দায়িত্ব দি ত্যাওখামথিয়ে চুটীয়া ৰাজ্যৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিলে। বৰ ৰাণী হ'ল ৰাজ্যৰ সৰ্বেসৰ্বা, ৰজাৰ প্ৰিয় পাত্ৰী আছিল সৰু ৰাণী। তেওঁ তেতিয়া আছিল সগৰ্ভা। ভৱিষ্যতে একচ্ছত্ৰী শাসনৰ অধিকাৰী হোৱাৰ আশাত বৰ ৰাণীয়ে পথৰ বাধা আঁতৰ কৰিবৰ কাৰণে সৰু ৰাণীক ধ্বংশ কৰাৰ ব্যৱস্থা কৰিলে। কিবা দোষত জগৰীয়া কৰি বৰ ৰাণীয়ে সৰু ৰাণীৰ ওপৰত মৃত্যুদণ্ড বিহিলে।

সন্তান সম্ভৱা সৰু ৰাণীক প্ৰাণে নেমাৰি পাত্ৰমন্ত্ৰীসকলে আলচ কৰি ভূৰত তুলি সৰু ৰাণীক ব্ৰহ্মপুত্ৰত উটাই দিলে।

ত্যাওখামথি উলটি আহিল। বৰ ৰাণীৰ অত্যাচাৰৰ কথা জানিলে কিন্তু দুৰ্বল মনোবলৰ ৰজাই বৰ ৰাণীক একো কৰিব নোৱাৰিলে। তেওঁৰ কোনো কাৰ্য্যকে বাধা দিব নোৱাৰিলে। অতীষ্ঠ হৈ পাত্ৰমন্ত্ৰী সকলে ত্যাওখামথিক হত্যা কৰিলে।

তাৰ পিছত আহোম ৰাজ্যত চলিল প্ৰায় ন দহ বছৰীয়া অৰাজকতা। ৰজা হ'ব পৰা উপযুক্ত কোঁৱৰ কোনো নাছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আছিল হাবুং নামে এখন গাঁও। ত্যাওখামথিৰ সৰু ৰাণীৰ ভূৰ উটি গৈ এই হাবুং গাঁৱৰে ঘাটত লাগি ৰৈছিল। সেই গাঁৱৰে এজন ব্ৰাহ্মণ মানুহে সৰু ৰাণীক দেখা পাই নিজৰ ঘৰলৈ লৈ গৈছিল। তাতেই সৰু ৰাণীৰ এটি পুত্ৰ সন্তানৰ জন্ম হৈছিল। সেই মৰমিয়াল ব্ৰাহ্মণ পৰিয়ালটিয়ে সেই নৱজাত কেঁচুৱাটিক আৰু মাকক চোৱাচিতা কৰি ভৰণ-পোষণ দি ৰাখিছিল। কিন্তু অলপ দিনৰ পিছতে তাতে সৰু ৰাণীৰ মৃত্যু হৈছিল। পিতৃ-মাতৃ হীন কেঁচুৱাটোক নিজৰ



সন্তানৰ দৰে তুলি তালি সেই ব্ৰাহ্মণ পৰিয়ালটোৱেই ১৫ বছৰীয়া কৰিলে।

আহোমৰ দেশৰ পৰা এজন বেপাৰী নাৱেৰে বেপাৰ কৰিবলৈ গৈছিল হাবুং গাঁৱৰ ফালে। বামুণৰ ঘৰত ডাঙৰ-দীঘল হোৱা এই ল'ৰাটি তেওঁৰ চকুত পৰিল। আঁতি গুৰি লৈ বেপাৰীজনে গম পালে যে এই ল'ৰাটিয়েই এওঁ ত্যাওখামথি ৰজাৰ সৰু কুঁৱৰীৰ পুতেক চুতাংফা কোঁৱৰ।

বেপাৰীয়ে আহি আহোমৰ ৰাজধানীত বুঢ়া গোহাঁইক ল'ৰাটিৰ কথা জনালেহি।

কোঁৱৰক ব্ৰাহ্মণৰ ঘৰৰ পৰা লৈ অহা হ'ল। পোন্ধৰ বছৰীয়া ৰাজকোঁৱৰক আহোম ৰাজ্যৰ ৰজা পতা হ'ল। হাবুং গাঁৱত ওপজা নিৰ্বাসিতা সৰু কুঁৱৰীৰ অনাথ সন্তান, চুকাফাই প্ৰতিষ্ঠা কৰা আহোম স্বৰ্গদেউ সকলৰ সিংহাসনৰ অধিকাৰী হৈ বহিল।

বামুণৰ ঘৰত ডাঙৰ-দীঘল হোৱা আহোম ৰাজকোঁৱৰ চুতাংফা জনাজাত হ'ল বামুণী কোঁৱৰ বুলি।

ৰজা হৈ বামুণী কোঁৱৰে দিহিং নৈৰ পাৰত চৰগুৱাত ৰাজধানী পাতিলে। বামুণী কোঁৱৰে ৰজা হৈ তেওঁক তুলি-তালি ডাঙৰ-দীঘল কৰা সেই বৃদ্ধ সৎ ব্ৰাহ্মণ জনক অকণো পাহৰি যোৱা নাছিল। ৰজাই সেই ব্ৰাহ্মণ পৰিয়ালটোক হাবুঙৰ পৰা নিজৰ ৰাজ্যলৈ উঠাই আনি, নিজৰ ৰাজ্যৰ সীমান্তত মাটি-ভেটি দি ঘৰ-বাৰী সজাই দি সংস্থাপন কৰিলে আৰু ভৰণ-পোষণৰ দিহা কৰি দিলে।

বামুণী কোঁৱৰে এই পিতৃসম বৃদ্ধ শাক্ত ব্ৰাহ্মণ গৰাকীক শ্ৰদ্ধা ভক্তি কৰিছিল, আৰু ৰজাঘৰীয়া কথা-বতৰাতো তেওঁৰ দিহা-পৰামৰ্শ আৰু মন্ত্ৰণা গ্ৰহণ কৰিছিল।

আৰু লগে লগে—

ব্ৰাহ্মণ্য হিন্দু ধৰ্ম আহোম ৰজাৰ অন্তেষপুৰলৈ প্ৰবেশ কৰাৰ বাটো মুকলি কৰি দিছিল। প্ৰতিপালক ব্ৰাহ্মণ পৰিয়ালটোৰ দ্বাৰা প্ৰৱৰ্তিত বিভিন্ন নীতি পদ্ধতি ৰজাঘৰৰ নিজস্ব কৰি লৈছিল। ৰাজ-পৰিয়ালৰ পৃষ্ঠপোষকতা আৰু সমৰ্থনত আহোম পৰিয়াল তথা প্ৰজাৰ

মাজত হিন্দু ধৰ্ম্মৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্প্ৰসাৰিত হোৱাৰ এটা নতুন বাতাৱৰণ গঢ়ি উঠিছিল।

ইজনৰ পিছত সিজনকৈ ৰজা আহোমৰ ৰাজ সিংহাসনত বহিল। ৰাজ্য সুস্থিৰ হ'ল। থলুৱা প্ৰজাই আহোম ৰজাক নিজৰ ৰজা বুলি মানি ললে। 'টাই' আহোম সকলে প্ৰৱৰ্তন কৰা হালবাই বোকা মাটিত শালিধানৰ খেতি কৰা পদ্ধতি ইয়াৰ কৃষকেও নিজৰ কৰি ললে। আলি দি পানী ভেটি ৰখা; খাল খানি খেতি পথাৰলৈ পানী বোৱাই অনাৰ নিচিনা পদ্ধতিও কছাৰী কৃষকৰ পৰা আহোম ৰাজ্যৰ প্ৰজাই গ্ৰহণ কৰিলে। কৃষিৰ উৎপাদনেই আছিল ৰাজ্যৰ সমৃদ্ধি সম্পদৰ মূল বস্তু। খেতিৰ পথাৰৰ সীমা বঢ়োৱা মানেই ৰাজ্য বঢ়োৱা।

ভূঞা ৰাজ্য আছিল কায়স্থ হিন্দুৰ ৰাজ্য। ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে বসবাস কৰা প্ৰজাৰ মাজত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱ সম্পূৰ্ণ লোপ পোৱা নাছিল।

কিন্তু ব্ৰাহ্মণসকলৰ যোগেদি আৰু অব্ৰাহ্মণ হিন্দু প্ৰভাৱশালী লোকসকলৰ যোগেদি হিন্দু ধৰ্ম্মৰ বিস্তাৰ ঘটিছিল—গোটেই অঞ্চলটোত। থলুৱা জনজাতীয় লোকে নিজ নিজ ধৰ্ম্মীয় আচাৰ-নীতি অনুসৰণ কৰি চলিছিল যদিও, অধিক শক্তিশালী আৰু অধিক সংগঠিত হিন্দু ধৰ্ম্মৰ প্ৰভাৱ কোনোৱে অস্বীকাৰ কৰিব নোৱাৰিছিল। হিন্দু ধৰ্ম্মৰ প্ৰৱৰ্ত্তক আৰু প্ৰচাৰক আছিল ব্ৰাহ্মণ পুৰোহিতসকল। তেওঁলোকৰ হিন্দু শাস্ত্ৰৰ জ্ঞান যথেষ্ট আছিল। কিছু সংখ্যক অব্ৰাহ্মণ উচ্চ বৰ্ণ হিন্দুৱেও শাস্ত্ৰ আদি অধ্যায়নৰ সুবিধা পাইছিল। ফলত ৰজা ঘৰ প্ৰজাঘৰ সকলোতে হিন্দু আচাৰ-নীতিয়ে জনপ্ৰিয়তা লাভ কৰিছিল।

হিন্দু ধৰ্ম্মৰ শক্তিশালী প্ৰভাৱৰ কাৰণেই চুতুংফা বামুণী কোঁৱৰে হিন্দু নাম গ্ৰহণ কৰিছিল—স্বৰ্গ নাৰায়ণ। হিন্দু ধৰ্ম্ম গ্ৰহণ কৰা ৰজা প্ৰজা সকলোৱে ব্ৰাহ্মণ পুৰোহিত সকলৰ হতুৱাই শ্ৰাদ্ধ আদি সকলো ধৰ্ম্মীয় কাৰ্য্য সম্পন্ন কৰাইছিল। ইয়াৰ ফলস্বৰূপে যাজক পুৰোহিত ব্ৰাহ্মণসকলৰ প্ৰভাৱ প্ৰতিপত্তি আৰু সামাজিক মৰ্য্যাদা বহু ওপৰলৈ উঠিছিল। ইয়াৰ পৰা ব্ৰাহ্মণসকলৰ বৈষয়িক লাভো হৈছিল। তেওঁ-



লোকক যি মাটি দান কৰা হৈছিল, সেই মাটিত নিজে খেতি নকৰিছিল। গতিকে ব্ৰাহ্মণৰ মাটিত খেতি কৰি খোৱা এদল কৃষক প্ৰজাৰ সৃষ্টি হৈছিল। ৰজাঘৰত খাটি খোৱা পাইক বন্দুৱাৰ দৰে ব্ৰাহ্মণৰ খেতি পথাৰত খেতি কৰি খোৱা এই ভূমিহীন কৃষকবোৰো ব্ৰাহ্মণ পুৰোহিতৰ আজ্ঞাধীন ভৃত্যস্বৰূপ হৈ পৰিছিল। এনেকৈ হিন্দু ধৰ্ম্ম লোৱাৰ কাৰণে এই খেতিয়কবোৰ ইহকাল পৰকাল উভয়ৰে কাৰণে ব্ৰাহ্মণৰ দয়া কৰুণা আশীৰ্ব্বাদৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল।

কাৰোবাৰ মৃত্যু হ'লে শ্ৰাদ্ধাদি প্ৰেত কৰ্ম্মত যাজক, পুৰোহিত, ব্ৰাহ্মণক ষোড়ষ দান দিব লাগে। এই ষোড়ষ দানৰ দ্ৰব্যসমূহ—ভূমি, আসন, জল, বস্ত্ৰ, দীপ, অন্ন, তামোল, ছত্ৰ, গন্ধ, মাল্য, ফল, শয্যা, খৰম, গৰু, সোণ, ৰূপ। মৃতকৰ আত্মাৰ সদ্গতিৰ কাৰণে যাৰ পৰিয়ালৰ কাৰোবাৰ মৃত্যু হৈছে, সেই পৰিয়ালৰ পুত্ৰ সম্বন্ধীয় বা উত্তৰাধিকাৰীয়ে এই সকলো সামগ্ৰী দান কৰাটো সম্ভৱ নহলেও, সোণ-ৰূপ দিব নোৱাৰিলেও, যাজক ব্ৰাহ্মণক অন্ন, বস্ত্ৰ, আসন, খৰম, ছত্ৰ, তামোল, ফল, শয্যা, গৰু আদি নিদিলে নহয়। পৰিমাণ যিমানেই নহওক, ভূমি দান নকৰিলেও নচলে। গতিকে পৰিয়ালৰ এজনৰ মৃত্যু হোৱা মানে সেই পৰিয়ালৰ পুৰোহিতৰ প্ৰাপ্যখিনি দিওতেই দেৱলীয়া হ'বলগীয়া অৱস্থা হোৱা। আনহাতে মৃতকৰ পিণ্ডদানত ষোড়ষ দানৰ বস্তু-বাহানি যি লাভ হয় তাৰে দেখাতেই পুৰোহিতৰ যথেষ্ট আৰ্জন হয়। ছাতিৰ পৰা খৰমলৈকে, আসনৰ পৰা চাকিলৈকে, ভূমিৰ পৰা সোণ-ৰূপলৈকে, শয্যাৰ পৰা গৰুলৈকে অৰ্থাৎ এজন মানুহ বা এটা পৰিয়াল অন্ততঃ কিছুদিনলৈ চলিব পৰাকৈ সামগ্ৰী সংগ্ৰহ কৰাৰ বাট ওলায়। মাটি, গৰু আদি পুৰোহিতক দি কৃষিজীৱী দুখীয়া পৰিয়াল ক্ৰমাৎ দৰিদ্ৰ হৈ যায়। ইয়াৰ পিছতো আছে ব্ৰাহ্মণক দিবলগীয়া দক্ষিণা। গুড়, গাখীৰ আৰু কলেৰে সানি সজা পিণ্ডৰ লাড়ুকেটা জানো মৃতকজনে খায়? তাৰ উপৰি ভোজ-ভাত, সকাম-নিকাম আছেই। এই সকলোবোৰ কৰি মৃতকৰ মুখৰ চাই গুচাই শুচি নোহোৱাকৈ থাকিবলৈ কাৰ সাহস আছে?

মৃতকজনে জীৱিত অৱস্থাত সৎকামকে কৰক বা অসৎ কামকে কৰক। মৃত্যুৰ পিছত দান-দক্ষিণা কৰি উদ্ধাৰ পোৱাৰ সাঁচাৰ কাঠি থাকে যাজক পুৰোহিতজনৰ হাতত। কৃত দুষ্কৰ্মৰ কাৰণে শোক অনুতাপ কৰিলেইতো প্ৰায়শ্চিত্ত সম্পূৰ্ণ নহয়। তাৰ কাৰণেও গাই, ধেনু দান দি দোষ মুক্ত হ'ব লাগে। ৰাজদ্ৰোহত মূৰ কটা যাব পাৰে, কিন্তু গুৰু-দ্ৰোহ অক্ষমনীয় অপৰাধ, পাপ। এনে পাপৰ পৰিণাম ইহকাল-পৰকাল, ইকুল-সিকুল দুয়োকুল ভ্ৰষ্ট হোৱা। ৰক্ষা কৰাৰ উপায়—দান-দক্ষিণা কৰি পৰাচিত হৈ গুৰুক সন্তুষ্ট কৰি ক্ষমা অৰ্জন কৰা। তাৰ কাৰণেও নানা দ্ৰব্য সম্ভাৰৰ যোগাৰ কৰিব লাগে, দান দিব লাগে, কাৰোবাক ভোজান দিব লাগে আৰু গুৰুজনৰ উচ্ছিষ্ট বা এৰেহা প্ৰসাদ খাই পাপক্ষালন কৰিব লাগে।

ব্ৰাহ্মণ, দৈৱজ্ঞ আৰু কিছুসংখ্যক উচ্চ বংশজাত কায়স্থৰ বাহিৰে বাকী পায় সদৌ কৃষক শ্ৰেণীটো আৰু অন্য বৃত্তিধাৰী লোকসকলৰ কোনো পুথিগত বিদ্যা-শিক্ষা নাছিল। শিক্ষা লাভৰ কাৰণে বা অধ্যয়নৰ কাৰণে দুৰ্লভ সাঁচিপাতত লিখা সংস্কৃত পুথিৰ বাহিৰে অন্য পুথি পাবলৈ নাছিল। ব্ৰাহ্মণ পুৰোহিত সকলৰো বহুতৰে শ্ৰাদ্ধ-হোম, যজমানী আদিৰ কাৰণে প্ৰয়োজনীয় পঠনীয় বা আবৃত্তি কৰিবলগীয়া শ্লোক আদি মুখস্থ ৰখাৰ ব্যৱস্থাহে আছিল। গতিকে সাধাৰণতে শিক্ষা মানে সংস্কৃত, ব্যাকৰণ, অলংকাৰ আদিৰ শিক্ষা আৰু বিদ্যা মানে ধৰ্মশাস্ত্ৰৰ ব্যৱহাৰিক জ্ঞানেই আছিল। অসমীয়া ভাষাত বা শিক্ষিত লোকে ব্যৱহাৰ কৰা ভাষাত কিছু সংস্কৃত কাব্য আদিৰ অনুবাদ কৰা হৈছিল যদিও আৰু ৰামায়ণী গীত বা মনসা কাব্য সৰ্বসাধাৰণৰ মাজত জনপ্ৰিয় হৈছিল যদিও কোনো বিদ্যালয়ত এইবোৰ চৰ্চা অধ্যয়নৰ আনুষ্ঠানিক ব্যৱস্থা নাছিল।

গতিকে সমাজৰ ওপৰ শ্ৰেণী অৰ্থাৎ ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ আদিৰ বাহিৰে অন্যান্যৰ লিখা-পঢ়াৰ লগত কোনো সম্পৰ্ক নাছিল। এই কাৰণেই কৃষক আৰু বৃত্তিয়াল লোকসকলৰ জ্ঞানৰ পৰিধি অভিজ্ঞতা কিংবদন্তী, সাধুকথা আৰু আৰ-তাৰ মুখৰ পৰা শুনা সাধুকথা আদিতে



সীমাবদ্ধ আছিল। পৰম্পৰাগত সংস্কাৰ, লোক বিশ্বাস, আদিৰ প্ৰভাৱ আছিল ব্যাপক আৰু গভীৰ। ওপৰ শ্ৰেণীটো, ৰাজবিষয়া পুৰোহিত শ্ৰেণী আৰু বেহা-বেপাৰ কৰা বণিয়া শ্ৰেণীটোৰ মাজতে মুদ্ৰাৰ ব্যৱহাৰ আৰু প্ৰচলন সীমাবদ্ধ আছিল। সোণ-ৰূপ মুদ্ৰা আকাৰে নহৈ মূল্যবান সম্পত্তি হিচাপেহে ব্যৱহৃত হৈছিল। কড়িয়েই আছিল সাধাৰণ মুদ্ৰা। বাকী দ্ৰব্যৰ সলনা সলনিয়েই আছিল বিনিময়ৰ পদ্ধতি। মুদ্ৰাৰ প্ৰচলন নথকাৰ কাৰণেই পাইক প্ৰজাই ৰজাঘৰত এক নিৰ্দ্দিষ্ট সময়ৰ কাৰণে ৰজাঘৰত খেতি-পথাৰত দেহাৰ খাটনি খাটি দিব লাগিছিল। এনে ব্যৱস্থা চলি থকাৰ কাৰণে সাধাৰণ প্ৰজাই মাটি বা গছ-গছনি থকা হাবি বা গৰু-ম'হৰ বাহিৰে অন্য একো সাঁচিব নোৱাৰিছিল। ধন-সোণ অতি কম মানুহেহে আৰ্জন কৰিব বা সাঁচিব পাৰিছিল। সাঁচিব পৰা ধন-সোণ আদি মূল্যবান পদাৰ্থবোৰ ক্ৰমে ৰজাঘৰ, পুৰোহিত শ্ৰেণী আৰু ডাঙৰ ব্যৱসায়ী বণিক বা বেপাৰীবোৰৰ থুনুপাকত সোমাইছিল গৈ।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আৰু দক্ষিণ পাৰে থকা বৰ বাৰ ভূঞা আৰু সৰু বাৰ ভূঞাসকলৰ সৰহ ভাগেই এখন বা দুখন গাঁৱৰহে গৰাকী আছিল। শংকৰদেৱৰ পূৰ্বপুৰুষ সকলৰ দৰে কনৌজৰ পৰা অহা ভূঞাসকল ইয়াত পূৰ্বৰে পৰা থকা ভূঞাসকলৰ লগত মিহলি হৈ পৰিছিল—বিশেষকৈ ছোৱালী অনা-নিয়া কৰি বৈবাহিক সম্বন্ধ গঢ়ি তুলিব লগা হোৱাৰ কাৰণে। থলুৱা পুৰণি ভূঞা আৰু কনৌজীয়া ভূঞা সকলোৱেই কায়স্থ কুলীয়া উচ্চ বৰ্ণৰ হিন্দু আছিল। তেওঁলোকৰ প্ৰায় সকলোৱেই ৰণ কৌশল আৰু যুদ্ধ বিদ্যাত যিদৰে পাৰ্গত আছিল তেনেকৈ কৃষি কাৰ্য্য আৰু ব্যৱসায় বাণিজ্যতো পাৰ্গত আছিল। তদুপৰি তেওঁলোকৰ বহুতেই সংস্কৃত সাহিত্য ধৰ্মশাস্ত্ৰ আদিত পুৰুষানুক্ৰমে অধ্যয়ন কৰিছিল। আৰু ব্ৰাহ্মণসকলৰ লগতে কায়স্থ ভূঞা সকলকো শিক্ষিত শ্ৰেণীৰ লোক বুলি গণ্য কৰা হৈছিল।

সুকীয়া সুকীয়াকৈ সৰু সৰু একোটা অঞ্চলৰ ভূঞা মাটিগৰী শাসক হৈ থাকিলেও বাৰ ভূঞাসকলৰ মাজত শক্তিশালী একতা আছিল। কোনো সমূহীয়া বিপদ আহিলে সকলো ভূঞা তাৰ বিৰুদ্ধে একলগ

মৃতকজনে জীৱিত অৱস্থাত সৎকামকে কৰক বা অসৎ কামকে কৰক। মৃত্যুৰ পিছত দান-দক্ষিণা কৰি উদ্ধাৰ পোৱাৰ সঁচাৰ কাঠি থাকে যাজক পুৰোহিতজনৰ হাতত। কৃত দুষ্কৰ্ম্মৰ কাৰণে শোক অনুতাপ কৰিলেইতো প্ৰায়চিত্ত সম্পূৰ্ণ নহয়। তাৰ কাৰণেও গাই, ধেনু দান দি দোষ মুক্ত হ'ব লাগে। ৰাজদ্ৰোহত মূৰ কটা যাব পাৰে, কিন্তু গুৰু-দ্ৰোহ অক্ষমনীয় অপৰাধ, পাপ। এনে পাপৰ পৰিণাম ইহকাল-পৰকাল, ইকুল-সিকুল দুয়োকুল ভ্ৰষ্ট হোৱা। ৰক্ষা কৰাৰ উপায়—দান-দক্ষিণা কৰি পৰাচিত হৈ গুৰুক সন্তুষ্ট কৰি ক্ষমা অৰ্জন কৰা। তাৰ কাৰণেও নানা দ্ৰব্য সম্ভাৰৰ যোগাৰ কৰিব লাগে, দান দিব লাগে, কাৰোবাক ভোজনি দিব লাগে আৰু গুৰুজনৰ উচ্ছিষ্ট বা এৰেহা প্ৰসাদ খাই পাপক্ষালন কৰিব লাগে।

ব্ৰাহ্মণ, দৈৱজ্ঞ আৰু কিছুসংখ্যক উচ্চ বংশজাত কায়স্থৰ বাহিৰে বাকী পায় সদৌ কৃষক শ্ৰেণীটো আৰু অন্য বৃত্তিধাৰী লোকসকলৰ কোনো পুথিগত বিদ্যা-শিক্ষা নাছিল। শিক্ষা লাভৰ কাৰণে বা অধ্যয়নৰ কাৰণে দুৰ্ল্লভ সাঁচিপাতত লিখা সংস্কৃত পুথিৰ বাহিৰে অন্য পুথি পাবলৈ নাছিল। ব্ৰাহ্মণ পুৰোহিত সকলৰো বহুতৰে শ্ৰাদ্ধ-হোম, যজমানী আদিৰ কাৰণে প্ৰয়োজনীয় পঠনীয় বা আবৃত্তি কৰিবলগীয়া শ্লোক আদি মুখস্থ ৰখাৰ ব্যৱস্থাহে আছিল। গতিকে সাধাৰণতে শিক্ষা মানে সংস্কৃত, ব্যাকৰণ, অলংকাৰ আদিৰ শিক্ষা আৰু বিদ্যা মানে ধৰ্ম্মশাস্ত্ৰৰ ব্যৱহাৰিক জ্ঞানেই আছিল। অসমীয়া ভাষাত বা শিক্ষিত লোকে ব্যৱহাৰ কৰা ভাষাত কিছু সংস্কৃত কাব্য আদিৰ অনুবাদ কৰা হৈছিল যদিও আৰু ৰামায়ণী গীত বা মনসা কাব্য সৰ্ব্বসাধাৰণৰ মাজত জনপ্ৰিয় হৈছিল যদিও কোনো বিদ্যালয়ত এইবোৰ চৰ্চ্চা অধ্যয়নৰ আনুষ্ঠানিক ব্যৱস্থা নাছিল।

গতিকে সমাজৰ ওপৰ শ্ৰেণী অৰ্থাৎ ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ আদিৰ বাহিৰে অন্যান্যৰ লিখা-পঢ়াৰ লগত কোনো সম্পৰ্ক নাছিল। এই কাৰণেই কৃষক আৰু বৃত্তিয়াল লোকসকলৰ জ্ঞানৰ পৰিধি অভিজ্ঞতা কিম্বদন্তী, সাধুকথা আৰু আৰ-তাৰ মুখৰ পৰা শুনা সাধুকথা আদিতে



সীমাবদ্ধ আছিল। পৰম্পৰাগত সংস্কাৰ, লোক বিশ্বাস, আদিৰ প্ৰভাৱ আছিল ব্যাপক আৰু গভীৰ। ওপৰ শ্ৰেণীটো, ৰাজবিষয়া পুৰোহিত শ্ৰেণী আৰু বেহা-বেপাৰ কৰা বণিয়া শ্ৰেণীটোৰ মাজতে মুদ্ৰাৰ ব্যৱহাৰ আৰু প্ৰচলন সীমাৱদ্ধ আছিল। সোণ-ৰূপ মুদ্ৰা আকাৰে নহৈ মূল্যবান সম্পত্তি হিচাপেহে ব্যৱহৃত হৈছিল। কড়িয়েই আছিল সাধাৰণ মুদ্ৰা। বাকী দ্ৰব্যৰ সলনা সলনিয়েই আছিল বিনিময়ৰ পদ্ধতি। মুদ্ৰাৰ প্ৰচলন নথকাৰ কাৰণেই পাইক প্ৰজাই ৰজাঘৰত এক নিদ্দিষ্ট সময়ৰ কাৰণে ৰজাঘৰত খেতি-পথাৰত দেহাৰ খাটনি খাটি দিব লাগিছিল। এনে ব্যৱস্থা চলি থকাৰ কাৰণে সাধাৰণ প্ৰজাই মাটি বা গছ-গছনি থকা হাবি বা গৰু-ম'হৰ বাহিৰে অন্য একো সাঁচিব নোৱাৰিছিল। ধন-সোণ অতি কম মানুহেহে আৰ্জন কৰিব বা সাঁচিব পাৰিছিল। সাঁচিব পৰা ধন-সোণ আদি মূল্যৱান পদাৰ্থবোৰ ক্ৰমে ৰজাঘৰ, পুৰোহিত শ্ৰেণী আৰু ডাঙৰ ব্যৱসায়ী বণিক বা বেপাৰীবোৰৰ থুনুপাকত সোমাইছিল গৈ।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আৰু দক্ষিণ পাৰে থকা বৰ বাৰ ভূঞা আৰু সৰু বাৰ ভূঞাসকলৰ সৰহ ভাগেই এখন বা দুখন গাঁৱৰহে গৰাকী আছিল। শংকৰদেৱৰ পূৰ্ব্বপুৰুষ সকলৰ দৰে কনৌজৰ পৰা অহা ভূঞাসকল ইয়াত পূৰ্ব্বৰে পৰা থকা ভূঞাসকলৰ লগত মিহলি হৈ পৰিছিল—বিশেষকৈ ছোৱালী অনা-নিয়া কৰি বৈবাহিক সম্বন্ধ গঢ়ি তুলিব লগা হোৱাৰ কাৰণে। থলুৱা পুৰণি ভূঞা আৰু কনৌজীয়া ভূঞা সকলোৱেই কায়স্থ কুলীয়া উচ্চ বৰ্ণৰ হিন্দু আছিল। তেওঁলোকৰ প্ৰায় সকলোৱেই ৰণ কৌশল আৰু যুদ্ধ বিদ্যাত যিদৰে পাৰ্গত আছিল তেনেকৈ কৃষি কাৰ্য্য আৰু ব্যৱসায় বাণিজ্যতো পাৰ্গত আছিল। তদুপৰি তেওঁলোকৰ বহুতেই সংস্কৃত সাহিত্য ধৰ্ম্মশাস্ত্ৰ আদিত পৰুষানুক্ৰমে অধ্যয়ন কৰিছিল। আৰু ব্ৰাহ্মণসকলৰ লগতে কায়স্থ ভূঞা সকলকো শিক্ষিত শ্ৰেণীৰ লোক বুলি গণ্য কৰা হৈছিল।

সুকীয়া সুকীয়াকৈ সৰু সৰু একোটা অঞ্চলৰ ভূঞা মাটিগিৰী শাসক হৈ থাকিলেও বাৰ ভূঞাসকলৰ মাজত শক্তিশালী একতা আছিল। কোনো সমূহীয়া বিপদ আহিলে সকলো ভূঞা তাৰ বিৰুদ্ধে একলগ

হৈ থিয় দিছিল। কোচ, কছাৰী, আহোম, চুটীয়া যাৰে পৰা বিপদ আহক, ভুঞাসকলে বিপদ কালত বিভেদ পাহৰি লগ লাগি সেই বিপদৰ সন্মুখীন হৈছিল।

মাটিগিৰী হিচাপে বা শিক্ষিত কায়স্থ হিচাপে ভুঞাসকলৰ মাজত এক বিশিষ্ট সংস্কৃতিয়ে গঢ় লৈ উঠিছিল। কথাই-বতৰাই, বেশে, ভুষাই ভুঞাসকলৰ এই বৈশিষ্ট্য সকলোৰে চকুত পৰিছিল। ভৰিলৈকে ওলোমাই, গোৰোহালৈকে ঢাকি মুগাৰ বা পাটৰ চুৰিয়া পিন্ধা, মূৰত পাটৰ পাগুৰি, গাত দুয়োফালে চাটি মাৰি বান্ধি লোৱা চেলেং কাপোৰ, টঙালি, হাচটি, বচোৱাল আদিৰে একোজন ভুঞাক অন্য মানুহে দূৰৰ পৰাই চিনিব পাৰিছিল। আহোম ৰজাসকলে ইয়ালৈ আহি নিজৰ টাই ভাষা এৰি যিদৰে প্ৰজাৰ মুখৰ ভাষা গ্ৰহণ কৰি তাকে ৰাজভাষা কৰি লৈছিল, তেনেকৈ নিজৰ সাজ-পোছাকৰো কিছু সলনি কৰি প্ৰজাৰ পোছাক পৰিচ্ছদো ব্যৱহাৰ কৰিছিল। আহোম ৰজাই ব্যৱহাৰ কৰিবলৈ লোৱা বচোৱাল, টঙালি, হাঁচটি আদি ভুঞাসকলৰ পৰাই লোৱা বুলি বহুতে ভাবে। পিছলৈ যিবোৰ মাত-কথা লুইতৰ পাৰৰ সকলো মানুহৰে ভাষা হ'ল, সেই মাতকথাও কায়স্থ ভুঞাকে ধৰি ইয়াৰ সাধাৰণ মানুহৰ মুখৰে মাত-কথা আছিল।



ৰ'দ কুমলিছিল।

বনপাত গছ-বিৰিখত হেমন্তৰ স্পৰ্শ লাগিছিল। বিস্তীৰ্ণ ধাননি পথাৰবোৰত সেউজীয়া হৈ পৰা ধান গছবোৰ তজবজীয়া হৈ উঠিছিল। সিহঁতৰ লাহি-কোমল, ঘন সেউজীয়া পাতবোৰ ধীৰে বৈ থকা বতাহ



এজাকে ক'পাইছিল। ধাননি পথাৰবোৰে নাচিছিল। কিছুমান ওখ ওখ গছৰ দুই এখিলা পাত হালধীয়া হ'বলৈ আৰম্ভ কৰিছিল।

ৰ'দ কুমলিছে। কিন্তু এতিয়াও জাৰ আঁহিওৱা নাই। নৈৰ পানী জান-নেজান কৈ শুকাবলৈ আৰম্ভ কৰিছে। বোকা-বালি তল পৰি পানীবোৰ তলিলৈকে দেখা ফট্‌ফটীয়া পৰিষ্কাৰ হৈছে। নৈৰ গৰাৰ নল-খাগৰিবোৰৰ পাতবোৰৰ ৰং সলনি হ'বলৈ আৰম্ভ কৰিছে। গৰখীয়া ল'ৰাবোৰে জাক জাক গৰু খেদাই লৈ হাবিৰ কাষৰীয়া চাপৰিবোৰত চৰাইছে। খেতিৰ পৰা উঠি হালৰ গৰুবোৰেও গা পাতল পাইছে। আৰু খেতিৰ বতৰ নহয় মানে সিহঁতৰ আৰু কোনো খাটনি নাই। সিহঁতে পাইছে মুকলি মনেৰে চৰি ফুৰাৰ অফুৰন্ত সময়। খেতিৰ পৰা উঠি খেতিয়কবোৰেও গা টঙাবৰ আজৰি পাইছে। এতিয়া বাঁহ-বেতৰ সুত কাঠি তুলাই মানুহবোৰে খৰাহি, পাচি, কুলা, চালনী, দোণ, বেতেৰী সজাত ধৰিছে। নিজৰ ঘৰৰ চোতালতেই হওক বা বাহিৰৰ চাপৰি পথাৰতে হওক মানুহবোৰৰ হাতে হাতে একোখন নালীয়া কটাৰী আৰু একোমুঠা বাঁহৰ কাঠি নাইবা বেতৰ সুত।

খেতি সামৰি জীয়াৰী বোৱাৰীহঁতেও তাঁত সুতত ধৰিছে। এতিয়া খনিয়া, ছকঠীয়া বৰ কাপোৰ বোৱাৰ সময়, মেখলা ৰিহা বোৱাৰ সময়, জাৰ কাপোৰ বোৱাৰ সময়।

শেষ আহিনৰ ৰ'দজাক কুমলিছিল। নৈৰ পানীৰ নিচিনাকৈয়ে আকাশখনো মেঘমুক্ত আৰু নিৰ্ম্মল হৈ পৰিছিল। দিগন্তৰ পৰা দিগন্তলৈ মৰমলগা নীলাৰে বহল আকাশখন উপচি পৰিছিল। ক'ৰবাত দুৰে দুৰে একোপাহ কপহুৱা মেঘ অলসভাৱে উপঙি ফুৰিছিল।

নতুনকৈ সজোৱা বৰ নামঘৰৰ বনে ঢকা বহল বাকৰিখনত বহুত মানুহ আহি গোট খাইছিলহি। বয়সীয়া মানুহবোৰ ঢৰা পাৰি বহিছিল, ডেকাহঁত শুদা বননিতে বহিছিল। কঠ, পাটি ঢাৰিত বহাতকৈ কোমল বননিত বহি সিহঁতৰ ভাল লাগিছিল। মিঠা ৰ'দজাক পিঠিত পেলাই গাত ৰিবৰিবকৈ বৈ থকা কোমল বতাহজাক গাত লগাই সিহঁতৰ বৰ সোৱাদ লাগিছিল।

ওচৰৰ দুৰণিৰ ভালেমান মানুহ এটা দুটাকৈ আহি গোট খাইছিলহি। কিছুমান তিৰোতা, ছোৱালী আৰু সৰু ল'ৰা-ছোৱালীও আহি লগ লাগিছিলহি।

আজি নতুন নামঘৰৰ বাকৰিত সৰহকৈ মানুহ গোট খোৱাৰ কাৰণ কেইবাটাও। শংকৰদেৱে তেওঁৰ তীৰ্থভ্ৰমণৰ কথা ক'ব, মাধৱ নামৰ নতুন ভকতজনে নিজে ৰচনা কৰি সুৰ দিয়া বৰগীত গাব। অনিয়ম কৰা লখাই নামৰ ভকত এজনৰ বিচাৰ হ'ব, আৰু কোনো কোনো ব্ৰাহ্মণে বৈষ্ণৱ ভকতক কৰা লঘু লাঞ্ছনাৰ কথাটোও আলচ কৰা হ'ব।

ৰাইজৰ কৌতূহল হোৱাটো স্বাভাৱিক। কিন্তু সৰহভাগ ভকতৰে প্ৰধান কৌতূহল আছিল নতুন ভকত মাধৱক চোৱাৰ আৰু তেওঁৰ মুখৰ গীত শুনাৰ আৰু শংকৰ গুৰুৰ মুখৰ পৰা তেওঁৰ তীৰ্থভ্ৰমণৰ কাহিনী শুনাৰ।

ধুঁৱাহাটৰ সৰহ ভাগ মানুহেই নিজ গাঁৱৰ সীমাৰ বাহিৰৰ অন্য গাঁওবোৰকে দেখা নাই। দুই চাৰিয়েই লক্ষীমপুৰ, গহপুৰ, চতিয়া-পুৰ আদি দুই চাৰিখন ঠাই দেখিছে। গাঁৱৰ বাহিৰলৈ দেশ চাবলৈ যোৱা তিৰোতা নায়েই।

কুণ্ডিলৰ কেঁচাইখাতী গোসানীৰ মন্দিৰত আগেয়ে পূজা দিবলৈ যোৱা দুই চাৰি বুঢ়া আছে। ভকত হোৱাৰ পিছত আৰু মন্দিৰ দেৱালয়লৈ কোনো নোযোৱা হ'ল। তেওঁলোকো আহিছে।

শুধ বগা পাটৰ চুৰিয়া পিন্ধি একেই পাটৰ এখন চেলেং গাত লৈ, সুদৰ্শন, গম্ভীৰ, হাঁহো হাঁহো মুখৰ ওখপাখ শংকৰদেৱ সমাজৰ মাজেদি গৈ নিজ আসনত বহিলগৈ। তেওঁৰ পিছে পিছে আন এজন সুদৰ্শন, নম্ৰ, গহীন, ডেকা—মাধৱদেৱ। ঢুলীয়া-খুলীয়া, গায়ন-বায়নে দুয়োকো ৰাইজ গোটখোৱা ঠাইলৈকে আদৰি আনিছিল। শংকৰদেৱ, মাধৱদেৱ আদিয়ে আসন লোৱাৰ পিছতো কিছুদূৰলৈ গায়ন-বায়নে কীৰ্ত্তন গাই, খোল বজাই লাহে লাহে সামৰিলে।

যিমান পাৰি শংকৰদেৱৰ ওচৰ চাপি বহিবৰ কাৰণে মানুহবোৰে চেষ্টা কৰিছিল। ল'ৰা-ছোৱালীবোৰে ঠেলা হেচা কৰি আগলৈ যাবৰ



কৰিলি পাৰিছিল। তিৰোতাবোৰে গুণগুণাইছিল, এটা উখল-মাখল লাগিছিল, যেন এটা উৎসৱহে হৈছে। মানুহবোৰৰ বেছি ভাগৰ গা উদং। কাৰোবাৰ গাতহে একোখন গামোচা বা দুকঠীয়া চেলেং। তিৰোতাবোৰৰ গাত মেখেলা, ৰিহা আৰু একোখন চেলেং কাপোৰ। কাৰো গাত চোলা নাই। ৰিহা আৰু চেলেঙেৰেই আবুৰেৰে গা ঢাকি সমাজত বহিছে।

কোলাহল হোৱা যেন পাই বয়সস্থ কোনোবা এজনে মাতটো ডাঙৰকৈ চিঞৰি ক'লে, "ৰাইজ অলপ মনে মনে থাকক। সকলো বহিলেহে ভাল হ'ব।"

যি য'ত আছিল তাতে সকলো বহি গ'ল। সকলোৱে কথা কোৱা বন্ধ কৰিলে। কাৰো মুখত এষাৰ কথাও নাই—সভাথলি নিমাত।

শংকৰদেৱে ৰাইজলৈ মুৰ দোঁৱাই সোঁহাতেৰে আশীৰ্ব্বাদ কৰাৰ ধৰণে শান্তভাৱে হাত জোকাৰি ক'লে, "ভকতসকল আৰু ৰাইজসকল, কৰুণাময় হৰিয়ে ভগৱানৰ সেৱা কৰিবৰ কাৰণে এজন নতুন বৈষ্ণৱ ভকতক আমাৰ মাজলৈ পঠিয়াইছে।"

সকলোৱে একে মুখে উচ্চকণ্ঠে ক'লে, "জয় ৰাম বোলা, জয় হৰি বোলা।"

মাধৱদেৱে বহাৰ পৰাই মুৰ দোৱাই শংকৰদেৱ আৰু সমূহ ৰাইজক সেৱা জনালে।

শংকৰদেৱে পুনৰ আৰম্ভ কৰিলে, "এইয়া আমাৰ বাণ্ডুকাৰ কায়স্থ গোবিন্দ গিৰিৰ পুত্ৰ মাধৱ। গোবিন্দ গিৰিক কোনোৱে দীঘলপুৰীয়া বুলিছিল। কোনোৱে বৰকণা গিৰিও বুলিছিল। বৰকণা গিৰি বাণ্ডুকাৰ ৰজাৰ মজিন্দাৰ আছিল। পত্নীবিয়োগত বেজাৰ পাই তেওঁ ঘৰ-বাৰী এৰি আমি আগে থকা ঠাই বৰদোৱা ওলাইছিলহি। তাতে টেম্পৰানী বান্ধত ঘৰ-বাৰী কৰি সেই গোবিন্দক ৰখা হৈছিল, তাতে আমাৰ খুড়াৰ জীয়েক মনোৰমাক তেওঁলৈ বিয়া দিয়া হৈছিল। মনু মোতকৈ বয়সত ডাঙৰ আছিল। তাৰ পিছত আমি বৰদোৱা এৰাৰ আগে আগে বৰকণা গিৰি বৰদোৱা এৰি সপৰিয়ালে উত্তৰ পাৰলৈ গুচি

... আমিয়ে ... । সেই সকলো ... ম। আজি আমি ইমানকে ...ৰ পুত্ৰ মাধৱকে ভকত বৈষ্ণৱৰ সেৱা ... মাজলৈ পৰম দয়া কৰি পঠিয়াইছে। মাধৱ ...জন, এজন পদ পয়াৰ, গীত ভটিমা ৰচনা কৰিব পৰা ডাওৰ ...জন স্বকণ্ঠ গায়ক, এজন পাৰদৰ্শী খোল তাল মৃদং বজাব জনা বাদক আৰু, সবাতোকৈ ডাওৰ কথা তেওঁ এজন এজন পৰম বৈষ্ণৱ—" শংকৰদেৱৰ ব'ল।

স্বতঃস্ফূৰ্তভাৱে সকলোৰে মুখৰ পৰা উচ্ছাৰিত হ'ল, "জয় ৰাম বোলা, জয় হৰি বোলা।" মাধৱে পুনৰ মূৰ দোৱাই সকলোকে সেৱা জনালে আৰু সবুকৈ মুখৰ ভিতৰতে উচ্চাৰণ কৰিলে—'কৃষ্ণ কৃষ্ণ।'

শংকৰদেৱৰ পৰা ইঙ্গিত পাই মাধৱদেৱ থিয় হ'ল। আৰু গুৰুৰ চৰণ চুই হাতযোৰ কৰি সমূহ ৰাইজক প্ৰণাম জনালে। তাৰ পিচত মিঠা, গম্ভীৰ, পুৰুষোচিত উদাত্ত কণ্ঠেৰে ক'বলৈ আৰম্ভ কৰিলে। "গুৰুজনা আৰু সদৌ নৰৰূপী নাৰায়ণলৈ সেৱা জনাবলৈ পাই জীৱন ধন্য মানিছো। আমি পৰম পাতকী, পাপী, বহু অপৰাধে অপৰাধী, বহু দোষে ঈশ্বৰ কৃষ্ণ আৰু ভকত বৈষ্ণৱৰ কাষত জগৰীয়া। কায়স্থ হলেও, কিছু শাস্ত্ৰ অধ্যয়ন কৰিলেও আমি আছিলো ঘোৰ শাক্ত, দেৱী পূজা, বলি বিধান মানি চলিছিলো আৰু তাকে মুক্তি পোৱাৰ পথ বুলি বিশ্বাস কৰিছিলো। ভগৱানৰ পৰম কৰুণা—আমাক চলাই বলাই আনি শংকৰ গুৰুৰ চৰণত সঁপি দিলেহি। বিদ্যা জ্ঞান আৰু সকলো শাস্ত্ৰত পাৰ্গত হ'লো বুলি বাদ কৰিবৰ মনেৰে শংকৰ গুৰুৰ ওচৰলৈ আহিছিলো। গুৰুজনাৰ অসাধাৰণ শাস্ত্ৰ জ্ঞান আৰু যুক্তিৰ সন্মুখত হাৰ মানি মই তেওঁক গুৰু বুলি স্বীকাৰ কৰিছো আৰু পূজা পাৰ্ব্বণ, বলি বিধান, মূৰ্ত্তি পূজাৰ অসাৰ্থকতা বুজিব পাৰি নিৰাকাৰ নিৰঞ্জন অনাদি অনন্ত, নিৰ্গুণ নিয়ন্তা কৃষ্ণ ভগৱানৰ ওচৰত নিজকে সমৰ্পণ কৰিছো। গুৰুজনাই আমাক ভকতৰূপে গ্ৰহণ কৰিছে, এতিয়া



আপোনাসৱ ভকত বৈষ্ণৱ সমাজে আমাক গ্ৰহণ কৰিলে আমাৰ মানৱী জীৱন সাফল হোৱা বুলি মানিম। আৰু আপোনাসৱৰ সঙ্গতে গুৰুজনাৰ চৰণ ছায়াতে থাকি হৰি-গুণ নাম-ধৰ্ম আচৰি জীৱনৰ দিনকেটা কটাবৰ ইচ্ছা কৰিছো।"

এইবাৰ শংকৰদেৱৰ লগে লগে সদৌ ৰাইজে এক মুখে হৰিধ্বনি দিলে—"জয় হৰি বোলা, জয় ৰাম বোলা।"

সদৌ ৰাইজৰ চকু তেতিয়া এই সুশ্ৰী সুদৰ্শন নতুন ভকতজনৰ মুখৰ ওপৰত নিৱদ্ধ। মাধৱৰ কথাখিনি সকলোৰে কাণত বাজি থাকিল।

শান্ত মাতেৰে, প্ৰফুল্ল মনেৰে শংকৰদেৱে ক'লে, "প্ৰভুৱে নৰনাৰায়ণৰ সেৱা কৰিবৰ কাৰণে, আৰু প্ৰভুৰ সেৱা কৰিবৰ কাৰণে আমাক এজন পৰম বৈষ্ণৱ সঙ্গী দিছে। আমি অকলশৰীয়া আছিলো। প্ৰভুৱে দয়া কৰি আমাৰ দুখন হাতৰ লগতে আৰু দুখন হাতৰ শক্তি আমাক দিছে। এতিয়া ৰাইজ আৰু বৈষ্ণৱ সমাজ ভগৱানৰ ইচ্ছা পূৰণৰ কামত নতুন বলেৰে লাগিব পাৰিব। জয় ৰাম বোলা, জয় হৰি বোলা।..."

সকলোৱে হৰিধ্বনি দিলে।

মাধৱ বহিল। এনেতে কমলাকান্ত নামে এজন বয়সস্থ ভকতে সকলকে কৰযোৰে সেৱাজনাই ক'লে, "প্ৰভু আমাৰ দোষ ক্ষমা কৰিব। আমাৰো দুআষাৰ কথা জনাবলগীয়া আছে। আমাৰ বৈষ্ণৱ ভকত দুৰ-ওচৰৰ গাঁও ফুৰি নাম ধৰ্মৰ কথা ক'বলৈ মানুহৰ মাজলৈ যায়। পিছে বাটত লগ পালে বা ভেটা-ভোঁট হলে বামুণসকলে আমাৰ ভকতসকলক বৰ লঘু লাঞ্ছনা কৰে, দলি-চপৰা, ফলা-খৰি গালৈ দলিয়ায়, ভকতক নীচ, চাণ্ডাল বুলি গালি-শপনি পাৰি ককৰ্থনা কৰে। কোনো কোনো ঠাইত ফুল তুলসী লোৱা বামুণে ভকতৰ ডিঙিৰ জপৰ মালা আজুৰি কাঢ়ি নি দূৰলৈ দলিয়াই পেলাই দিয়ে নাইবা বাটৰ কুকুৰৰ নেজত পিন্ধায়। আমি বৈষ্ণৱ ভকতে হেনো হিন্দু ধৰ্ম নষ্ট কৰিছো, এই বুলি য'তে ত'তে আমাৰ বিৰুদ্ধে কুৎসা ৰটে। ভকতসকল বৰ হাৰা শাস্তি হৈছে। এইবোৰ নোহোৱা কৰিবৰ কাৰণে কিবা বিধান-ব্যৱস্থা কৰিব লাগে।

নহলে আমাৰ সুখ-শান্তি নোহোৱা হৈছে। আৰু অধিক অঘটন ঘটাব বুলিহে আমাৰ ভয় হৈছে।"

উপস্থিত ভকতসকলে এক মুখে 'হয় হয়' কৰিলে। শংকৰদেৱক কিছু বিচলিত হোৱা দেখা গ'ল। কিন্তু তেওঁ উত্তেজিত হোৱা নাছিল। ধীৰ, গম্ভীৰ মাতেৰে শংকৰদেৱে সকলোকে সম্বোধন কৰি ক'লে, "ভকত-সকল, হৰিনামকে আমি বৈষ্ণৱে শ্ৰেষ্ঠ ধৰ্ম'সাৰ বুলি লৈছো। ভগৱানৰ সত্য ধৰ্ম'ক ভগৱানে নিজেই ৰক্ষা কৰিব; আন কোনোৱে ভগৱানক ৰক্ষা কৰিব নেলাগে। ভগৱানেই ভক্তকো ৰক্ষা কৰিব। ধৰ্ম' যাৰ কাৰণে এটা ব্যৱসায়, জীৱিকা আৰ্জনৰ এটা বৃত্তি, তেনে লোকেহে ধৰ্ম'ৰ কাৰণে বিবাদ কৰে; যেতিয়া অন্য কোনো ধৰ্ম'মতে তেওঁলোকৰ ধ্যান-ধাৰণা আৰু বিশ্বাসৰ নতুনকৈ অৰ্থ আৰু তাৎপৰ্য্য বিচাৰিব লগীয়া অৱস্থাত পেলায়। ভকতসকল, ভগৱানক পাবৰ কাৰণে, আমি বৈষ্ণৱে সংসাৰ ত্যাগ নকৰো। আমি খেতি-বাতি, বেহা-বেপাৰ, ঘৰ-সংসাৰ সকলো অন্য মানুহৰ নিচিনাকৈয়ে কৰো। এই আমাৰ নতুন ডেকা ভকত মাধৱ—আজি আমাৰ সঙ্গত লাগিছেহি। এওঁ কি নাই কৰা?

ঘাগৰী মাঝিৰ ঘৰত মাক-বাপেকক লৈ থকাৰ সময়ত মাঝিৰ মাটিত খেতি কৰাই, শস্য চপাই, ধান বেচি পৰিয়াল পুহিছে, নাৱেৰে তামোলৰ বেপাৰ কৰিছে, মজিন্দাৰী কৰিছে।

ব্ৰাহ্মণসকলে যদি আমাৰ বৈষ্ণৱ ভকতসকলক লাঞ্ছনা-গঞ্জনা কৰিছে, আঘাত, অপমান কৰিছে, সেইয়া ধৰ্ম'ৰ কাৰণে কৰা নাই। অন্যমত পোষণ কৰা, অন্য ৰীতি-নীতি মনা মানুহক সহ্য কৰিব নোৱাৰাটো ধাৰ্ম্মি'কৰ লক্ষণ নহয়। কিছু অলপ শিক্ষিত অৱস্থাহীন ব্ৰাহ্মণে যদি আমাৰ নিৰ্দ্দোষ, নিষ্পৰাধ কোনো বৈষ্ণৱক লঘু লাঞ্ছনা কৰিছে, সেইয়া স্ব-ধৰ্ম' ৰক্ষাৰ কাৰণে কৰা নাই, বৈষ্ণৱৰ প্ৰভাৱ প্ৰতিপত্তি বাঢ়িলে, পূজা-পাৰ্ব্বণ, দান-দক্ষিণা, হোম শ্ৰাদ্ধৰ পৰা যি আৰ্জন হৈ আছে, সি নোহোৱা হৈ যাব বুলিহে কৰিছে। আমি বৈষ্ণৱে মূৰ্ত্তি পূজা নকৰো, পূজাৰ নামত বলি দি জীৱ বধ নকৰো, কোনো বিগ্ৰহক সন্তুষ্ট কৰিবৰ কাৰণে খাদ্য বস্তু অৰ্পণ নকৰো। জীৱক হত্যা কৰিলে পূণ্য নহয়,



ৰক্ষা কৰিলেহে পূণ্য হয়। জীৱৰ প্ৰতি সদয় আচৰণ কৰাটো ভালনে, জীৱহিংসা কৰাটো, নিষ্ঠুৰ আচৰণ কৰাটো ভাল? হাঁহ, পাৰ, ম'হ, ছাগলি আৰু মানুহ বলি দি দেৱতাক সন্তুষ্ট কৰাতকৈ, মানুহ, ছাগলি, ম'হ, হাঁহ, পাৰক জীয়াই ৰাখি মৰম কৰাটো অধিক শোভনীয় ধৰ্ম'কাম নহয়নে? কোনো দেৱতাই, কোনো ভগৱানে, কোনো ঈশ্বৰে নিজে সৃজন কৰা এনেবোৰ প্ৰাণীক হত্যা কৰোৱাটো কৰুণাময় ভগৱানৰ কাৰণে সন্তুষ্টিৰ কথা হ'ব পাৰেনে? কালাপাহাৰ যৱনে কামাখ্যাৰ মন্দিৰ ভাঙিছিল। পূৰ্ব্বে কালাপাহাৰো ব্ৰাহ্মণ আছিল। পূজা বলি বন্ধ কৰিবৰ কাৰণে মন্দিৰকে ভাঙি পেলাই-ছিল। তাৰ পিছত মহাৰাজ নৰনাৰায়ণে আকৌ কামাখ্যা মন্দিৰ সজোৱালে। তাত কামাখ্যা গোসানীৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি পূৰ্ব্বৰ দৰে মন্দিৰত পূজা-সেৱা প্ৰচলন কৰিবলৈ লগতে সাতকুৰি মানুহক গোসানীৰ আগত বলি দিয়ালে। হয়গ্ৰীৱ মাধৱৰ মন্দিৰ নকৈ প্ৰতিষ্ঠা কৰাবলৈ লগতেও ভালেমান মানুহ বলি দিয়ালে। দেৱী গোসানীক সন্তুষ্ট কৰিবৰ কাৰণে এনেকৈ এই জীয়া মানুহবোৰক হত্যা কৰাটো ধৰ্ম'ৰ কাম হলনে? পূণ্যৰ কাম হলনে? দেৱীক সন্তুষ্ট কৰিবৰ কাৰণে পূজাৰীয়ে যে অন্য মানুহক বলি দিয়ায়, দেৱীৰ পৰম ভক্ত হিচাপে দেৱীৰ আগত নিজে বলি নেযায় কিয়?

আমি গাৰ বলেৰে কাকো স্বধৰ্ম' পালনত বাধা দিয়া নাই। কোনো মন্দিৰ, কোনো দেৱালয়ৰ দুৱাৰত হেঙাৰ দিয়া নাই। আমাকো আমাৰ মতে চলাত আনে বাধা দিব নেলাগে।

পিছে ভকতসকল, আমি নতুন সত্যৰ পথ লৈছো। এই পথত আলৈ-আহুকাল, বাধা-বিঘিনি, দুখ-যাতনা থাকিবই। আমাৰ বিশ্বাসত আমি অচল-অটল থাকিব লাগিব। আমি কষ্ট কৰিবলৈ সাজু থাকিব লাগিব, নতুন সত্যক ৰাইজৰ নিজৰ বস্তু কৰি তুলিবলৈ যাওঁতে বহুত ত্যাগ স্বীকাৰ কৰিব লাগিব। ভগৱানৰ ওপৰত একান্ত বিশ্বাস আমাৰ মূলধন, ভক্তিয়েই আমাৰ অস্ত্ৰ। বৈষ্ণৱ ধৰ্ম' আমাৰ কৃষক, বনুৱা, হজুৱা, হালোৱা, দুখীয়া, লেখা-পঢ়া নজনা সাধাৰণ মানুহৰ ধৰ্ম'।

আমিয়ে ইয়াক ৰক্ষা কৰিব লাগিব। তাৰ কাৰণে যি দুখ বৰণ কৰিব লাগে, আমি হাঁহিমুখে সেই দুখ বৰণ কৰিম। জয় ৰাম বোলা, জয় হৰি বোলা—"

শংকৰদেৱৰ গুৰু গম্ভীৰ স্বৰ উচ্চৰ পৰা উচ্চতৰ হৈ উঠিল। ভকত-সকলৰ সমবেত কণ্ঠৰ মাজেদি এক নতুন আস্থা, প্ৰত্যয়, বিশ্বাস আৰু প্ৰাণময়তা ব্যক্ত হৈ উঠিল। গুৰুজনাৰ উদাত্ত আহ্বানে যেন সমবেত বৈষ্ণৱসকলৰ প্ৰাণলৈ নতুন সঞ্জীৱনী, নতুন উদ্দিপনা আনিলে। বিমৰ্ষ হৈ পৰা ভকতসকলৰ মনবোৰ যেন নতুন প্ৰতিজ্ঞাৰে স্বচ্ছল হৈ উঠিল।

কিছুপৰ উখল-মাখল চলিল। তাৰ পিছত ৰাইজৰ মাজৰ পৰা এজন ভকতে থিয় হৈ, হাতযোৰ কৰি সকলোকে প্ৰণাম জনাই শংকৰদেৱৰ আৰু মাধৱদেৱলৈ মূৰ দোঁৱাই সেৱা জনাই ক'লে, "গুৰু জনাই সজ দিহা দিছে। ভকতসকলে তাকে মান্য কৰি চলিব লাগে। পিছে দাসৰ দায়জগৰ নধৰিলে কথাএষাৰ ৰাইজৰ বিচাৰৰ কাৰণে ৰাখিব খুজিছো।"

সকলোৱে ভকতজনৰ ফালে চালে, দেখিলে সেইয়া দেবীৰাম বায়ন।

শংকৰদেৱে মূৰ দুপিয়াই কথা ক'বলৈ অনুমতি দিলে।

দেবীৰাম বায়নে কেউপিনে এবাৰ চাই ক'লে, "আমাৰ ভকত-সকলৰ মাজতে লখাই দত্ত বহি আছে। লখায়ে এটা নকৰিব লগীয়া কাম কৰি ভকতৰ দায় লগাইছে। যোৱা দুৰ্গা গোসানীৰ পূজাত লখায়ে গৈ অন্য মানুহৰ সাক্ষাততে দেৱী পূজাৰ মাহপ্ৰসাদ নিজেও খাইছে, ঘৰলৈও ল'ৰা-ছোৱালীলৈ লৈ গৈছে। হয়নে নহয় কওক আৰু অপৰাধ লগাইছেনে নাই তাকো কওক।"

কথাখিনি কৈ শেষ কৰি দেবীৰাম বহিল। ৰাইজৰ মাজত এটা গুণ-গুণনি উঠিল। কোন লখাই দত্ত দেৱীপূজাৰ প্ৰসাদ খালে? ভকত হৈ বৈষ্ণৱ হৈ দুৰ্গা গোসানীৰ পূজালৈ কিয় গৈছিল লখাই দত্ত? গুৰুজনাই বা কি কয়; কি শাস্তি বিধান কৰে!

ক্ষীণ মানুহ এটা থিয় হ'ল। মূৰ দোৱাই শংকৰদেৱক সেৱা



কৰিলে। ৰাইজকো প্ৰণাম জনালে। ইয়েই তেনেহলে দেৱী পূজাৰ প্ৰসাদ খোৱা লখাই দত্ত!

লখাই দত্তই দুৰ্ব্বল মাতেৰে ক'লে, "প্ৰভুসকল, ভকতসকল। দুখীয়াৰ পদে পদে অপৰাধ, খোজে খোজে দায়। খেমা বিচাৰিবৰো যোইগৰ নহও, পাপী অনাচাৰী জীৱ। বৈষ্ণৱ ভকতসকল সাক্ষাত ঈশ্বৰ। আমি মিছা নেমাতো। গুৰুজনাৰ আগত কথা আঁৰ কৰিলে আমি ৰাইজৰ গাৰ আঁৰ হ'ম।"

লখাইৰ কাহে ধৰিলে। কাহ বেছি হোৱাত সি বুকুখন হেঁচা মাৰি ধৰি বহি পৰিল। তাৰ গাত আঠুমূৰীয়া কপাহী গামোচা এখনৰ বাহিৰে অন্য কোনো কাপোৰ-কানি নাই। তাৰ উদং ক'লা গাটো আৰু বুকুৰ কামিহাড়বোৰ ওলাই আছে। কিছুপৰৰ মূৰত সি বহাৰ পৰা উঠিল। কিন্তু সম্পূৰ্ণ পোন হ'ব নোৱাৰিলে। ধেনুভিৰীয়া হৈয়ে থাকিল।

তাৰ পিছত দুৰ্ব্বল মাতটোৰে সি ক'লে, "প্ৰভুসকল, মই বৰ দুখীয়া, ঘৈণীজনীও ৰুগীয়া, ল'ৰা-ছোৱালীও পাঁচোটা। মোৰো কাহ আৰু হাইফাই। কাম-বন কৰিবলৈ গাত বল নাই। খেতি-বাতিও নাই। লঘোনে লঘোনেই দিন যায়। খুজি মাগি খাও। শৰণ লৈ ভকত হলো হয় অৱস্থা একেই থাকিল। আটাইতকৈ ডাঙৰ হৰি কথা; তাতকৈ ডাঙৰ চাউল কঠা।

দেৱী পূজাৰ কিদিন নেকুনেকীয়া বৰষুণ দিলে। মাগিবলৈও ওলাই যাব নোৱাৰা হলো। বৰষুণত তিতিলে, কাহটো বেছি হ'ব। ইপিনে ঘৰত খুদকণ এটা নাই। একো উপায় নেপাই ল'ৰা-ছোৱালী-কেটা ভোকত কলমলাই থকা চাই থাকিব নোৱাৰি, দেৱী পূজা হোৱা দেউললৈকে গ'লো। মিছা নকও, দেৱীক সেৱা এটাও কৰিলো। পিছে সত্যে কৈছো, দেৱীৰ কাৰণে ভকতিত নহয়, ভোগৰ মাহ প্ৰসাদ এমুঠি পাবৰ কাৰণেহে, প্ৰসাদ দিলে। তাক নিজেও খালো, ঘৰলৈ আনি ল'ৰা-ছোৱালী কেটাকো তাৰে অলপ অলপ দিলোহি। তাকে খাইহে পৰিয়ালটো ৰইখা পাৰিলো, চেঁচাপানী খাই আৰু কেইদিন জীৱ পাৰি?

গুৰুজনাই, ভকতসকলে এই অনিয়ম কৰাৰ কাৰণে যি শাস্তিকে দিয়ে আমি মূৰ পাতি লম। আমাৰ ঘৰৰ সকলোটিয়ে ল'ব। এইয়া আমাৰ কথা। মই মগনীয়া ; পৰিয়ালটোক উদ্ধাৰ কৰিবৰ কাৰণে ভকতসকলে কিবা এটা উপায় দিলে মৰিলেও আগলৈ আৰু এনে কাম কৰা নহ'ব—"

লখাই দত্তক আকৌ কাহে ধৰিলে। এইবাৰ সি ৰাইজৰ মাজৰ পৰা বাহিৰ ওলাই গ'ল আৰু একাষে মাটিতে বহিল।

এজন ভকতে উঠি ক'লে, "দেখদেখকৈ লখায়ে আমাৰ ধৰমৰ নীতি ভঙ্গ কৰিছে। দেৱী পূজাৰ প্ৰসাদ খাই ভক্তি ব্যাভিচাৰী কৰিছে। গুৰুজনাই উচিত বিচাৰ কৰাহে ভাল হ'ব।"

বেলি লহিয়াইছিল। ৰ'দৰ উত্তাপ আৰু কমি আহিছিল। বতাহজাক সেমেকা আৰু গধূৰ হৈ আহিছিল। ইমানতে সভা ভাগিলে মানুহবোৰ ঘৰা-ঘৰি যাবগৈ পাৰে। কিছুমান মানুহ ভালেমান দূৰ যাবও লাগিব।

সকলোৱে শংকৰদেৱৰ মুখৰ ফালে চালে।

শান্তভাৱে শংকৰদেৱে ৰাইজৰ ফালে চাই ক'লে, "আমাৰ মাজত এজন সঁচা ভকত থকা দেখা পাই আমাৰ আনন্দ লাগিছে। কাৰো ক্ষতি নকৰাকৈ অনিয়ম কৰাত ধৰ্মৰ মৰ্য্যাদা লঘু কৰা হোৱা নাই। মানৱ-জীৱনটো ভগৱানৰ আটাইতকৈ ডাঙৰ দান। এই নৰতনু ঈশ্বৰৰ এক পৰম আশীৰ্ব্বাদ। শৰীৰ ৰক্ষা কৰিব নোৱাৰিলে হৰিৰ নাম এষাৰ লবলৈকো মুখৰ মাতষাৰ নোলায়। ভুকীয়া মানুহৰ ভাতেই ঈশ্বৰ। পেটত ভোক লৈ দেহাৰ কামো কৰিব নোৱাৰি। আতমাৰ কামো কৰিব নোৱাৰি। লখাই দত্তই অথন্তৰত পৰি অযুগুত কৰিলে। পিছে সেই কথা নুলুকাই সকলোৰে আগত সঁচা কথা কৈছে। সত্যবাদিতা ভকতৰ ডাঙৰ সম্পদ। এনে সঁচাকথীয়া ভকত থাকিলে আমাৰ একোলৈকে ভয় নেথাকে। ৰাইজ দেৱী পূজাৰ মাহপ্ৰসাদ খাই লখায়ে যি অনিয়ম কৰিলে তাকে নকৰাহলে লখাই আৰু পৰিয়ালৰ ল'ৰা-ছোৱালীৰ আৰু কষ্ট হ'ল-হেঁতেন। লখাই ৰাইজৰ ক্ষমাৰ যোগ্য। আমাৰ লগৰে এজন বৈষ্ণৱ



ভকতে ভিক্ষা কৰি খোৱাটো আমাৰ কাৰণে লাজ আৰু দুখৰ কথা। তাতে লখাই অসুখীয়া। যি পাৰে লখাইক নিজে অৰ্জন কৰি খাব পৰাকৈ কিবা এটা উপায় দিব লাগে। পৰাশ্ৰয়ী হোৱাটো উচিত কথা নহয়। ভিক্ষা বৃত্তি অতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনক কথা।"

বালিৰাম দাস নামৰ কৈৱৰ্ত্তকুলীয়া ভকত এজন থিয় হৈ যথাবিহিত সকলোকে সেৱাজনাই ক'লে, "প্ৰভুসকল লখাই দত্তই জাল ব'ব জানে। জাল বহি বহি ঘৰতে ব'ব পাৰে। আমি জাল ব'বলৈ সূতা যতনাই দিম। লখায়ে জাল বৈ দিব। আমি তাৰ পৰিয়ালৰ খা-খৰছৰ দিহা কৰিম। লখায়ে আৰু মাগিবলৈ যাব নেলাগে।"

বালিৰামৰ কথাত সকলো সন্তুষ্ট হ'ল। সকলোৱে হৰিধ্বনি দিলে। লখায়ে হাঁহি মুখে সকলোকে সেৱা জনালে।

বেলি পৰি অহাৰ কাৰণে সেইদিনাৰ কাৰণে সভা সামৰিবলৈ লোৱা হ'ল। প্ৰসঙ্গৰো সময় হৈ আহিল। শংকৰদেৱৰ তীৰ্থভ্ৰমণৰ কাহিনী শুনিবৰ হেপাহ সকলোৰে আছিল যদিও আৰু মাধৱদেৱৰ নিজে ৰচা গীত শুনিবৰ সকলোৰে মন আছিল যদিও, ঘৰুৱা কাম কাজ কৰিবৰ কাৰণে মানুহবোৰৰ যাব লগাৰ কথা সুঁৱৰি ৰাইজ উঠিল। আৰু গুৰুজনাক সেৱাজনাই মানুহবোৰ ঘৰাঘৰি গ'ল।

শংকৰদেৱৰ তীৰ্থভ্ৰমণৰ কথা আগেও মাজে মাজে আলোচনা নোহোৱাকৈ থকা নাই। তথাপি দূৰণিৰ দেশৰ কাহিনী শুনিবৰ সকলোৰে হেপাহ। আৰু সকলোৰে ইচ্ছা সেইবোৰ কথা শংকৰদেৱৰ নিজমুখৰ পৰা শুনিবৰ কাৰণে, তেতিয়া কোনো কথা থাকি নেযায়, কোনো মনে সজা কথা তাত নোসোমায়।

কিন্তু আজি অন্যান্য নানা বিষয়ৰ আলচ-বিলচ হ'ল। সকলোৰে কিছু জিৰণিৰ দৰকাৰ। শংকৰ-মাধৱৰ অন্য কামো আছে। সেই দেখি উপস্থিত ৰাইজ যেন অসন্তুষ্ট নহয় তাৰ কাৰণে ৰাইজক গোহাৰি জনোৱা হ'ল। ৰাইজেও অন্য এদিন তীৰ্থভ্ৰমণৰ কাহিনী শুনিবলৈ পাব বুলি ঘৰা-ঘৰি গ'ল।



"হেৰ থ থ, গছত গৰু উঠা, হোলোঙাৰে কাণ বিন্ধোৱা কথাবোৰ ক'বলৈ নাহিবিচোন। যি যিমানৰ সি সিমানতে থাকিব লাগে। বাওনা হৈ চন্দ্ৰলৈ হাত মেলিলে কি হ'ব? তহঁতে আৰু য'তে যিহকে শুন তাকে সঁচা বুলি মান। হেৰ, হাতীয়ে বোলে মোৰ দুদাঁত! ঘোঁৰাই বোলে মোৰ দুদাঁত! এইবোৰ কথানো তহঁতক কয় কোনে, তহঁতে শুন কোনে?" কামেশ্বৰীয়ে ক'লে। কামেশ্বৰীক গাঁৱৰ ৰাইজে হতুহতী বায়ো বোলে। মানুহজনী ওখ, হাত-ভৰিবোৰ শকত-আৱত, মুখখন থোপোকা। নাকটো দীঘল নহয় যদিও, বৰ ভোটাও নহয়। কামেশ্বৰীৰ দাঁত কেইটামান সৰিছে, চুলিৰ মাজতো বিচাৰিলে দুই এডাল পকা চুলি পোৱা যাব। বয়স আঢ়ৈ কুৰিৰ ওচৰ চাপিছে যদিও গা গাঢ়ি পোটোকা পৰা নাই। গাভৰু যেনেই হৈ আছে। আগেয়ে এটাৰ লগত বিয়া হৈছিল, সৰহদিন একেলগে থাকিব নোৱাৰিলে। সি বৰ একাচেকা আছিল, কামেশ্বৰীও সহজে বশ মনা বিধৰ ছোৱালী নাছিল। যি কোনোৱে তাইক সহজে বলাব নোৱাৰে। তাৰ লগত এৰা-এৰি হৈ কেইবছৰমান তাই অকলে থাকিল। ল'ৰা-ছোৱালী নহ'ল। তাৰ পিছত যুগীকাটনী গাঁৱৰ সৰ্পেশ্বৰৰ লগত ঘৰ-কৰি থাকিবলৈ ল'লে। সৰ্পেশ্বৰৰ বয়সত কামেশ্বৰীতকৈ তিনি বছৰ মানৰ সৰু। তাৰ ভনীয়েক দুজনী আছিল, মাক-বাপেক মৰিল। খেতিৰ মাটি আছে নৈ পাৰতে। সৰ্পেশ্বৰ হালোৱাটো আছে—ৰোৱনী-দাৱনী নাই, কামেশ্বৰী বোৱাই-তোলাই, বোৱাই-কটাই পাকৈত। কোনোৱে কয় কামেশ্বৰীলৈ সৰ্পেশ্বৰ চাপিল। কোনোৱে কয় কামেশ্বৰীহে নিজে আহি সৰ্পেশ্বৰৰ ঘৰ সোমালহি। যি কি নহওক ৰাইজক ভোজ ভাত খুৱালে। ৰাইজে দুয়োটাকে মতা-



তিৰোতা হৈ ঘৰ-সংসাৰ কৰি থাকিবলৈ দিলে। গাঁওখনত এহাল উদঙীয়া ল'ৰা-ছোৱালী অকলে অকলে থকাটো ভাল কথা নহয়। আচলে পিচলে হস্তীৰো পাও পিচলে।

কামেশ্বৰীয়ে সৰ্পেশ্বৰক বেয়া নেপালে। ল'ৰাটো ৰঙিয়াল। কোনো কাম-কাজলৈ পিছ নোহোঁহকে। তাইৰ নিচিনা এজনী ছোৱালী লগ হ'লে, ভাতে ভঁড়ালে খাই থাকিব পাৰিব। সৰ্পেশ্বৰ গা-গাঢ়িয়ে দেখাই মেলায়ো ভাল, গাৰ বৰণো মিঠা। কোনো কোনোৱে সৰ্পেশ্বৰ কামেশ্বৰীৰ মুখচোকা গুৰু গোঁসাই নমনা মানুহ এজনীৰ ফান্দত পৰাৰ কাৰণে বৰ ভাল নেপালে। আন কোনোৱে সৰ্পেশ্বৰকহে দুষিলে: চকু থাকি খালত পাও থলে তই মই কি কৰিম? ভালেই হৈছে দে। জোৰো জোৰ, পাভ জোৰ, এটা কাণ কটা, এটা চোৰ। কাঠে কাঠে পৰিছে। মজিয়াতে বিহু মাৰক, তহঁতে হাত চাপৰি মাৰিবি। সৰ্পেশ্বৰো সাতঘাটৰ চেঙেলি।

গাঁৱৰ ৰাইজে এইদৰে কোৱা-বখনা কৰে। কামেশ্বৰীয়ে কেৰেপ নকৰে। কোনোবাই সিহঁতৰ কিবা কথা উলিয়াব খুজিলে জোকোৰা মাৰি কয়, "মোৰ কথা ভাবি তহঁতৰ চুলি পকাব নেলাগে। ঘৈণীয়েৰহঁতৰ কথা ভাবগৈ। জপনা নোহোৱা গোহালি, চাবি শিঙালটো লাগি ধৰিব, লাওমুৰাই বাট উলিয়াই ল'ব।"

কামেশ্বৰীক জোকাই ল'লে বিপদ আছে। তাইৰ মুখখন লাওপাত, কচুপাত। এবাৰ মেল খালে জাপ নেখাই। তাই নিজেও সেই কথা জানে।

তাইৰ পিছে গুণো নথকা নহয়। কাৰোবাৰ কিবা এটা হ'লে তাই ওপৰতে পৰেগৈ। বেজৰ ওচৰলৈ যোৱা, দৰৱ আনি দিয়া, ৰোগীৰ হাত-ভৰি পিটিকি দিয়া—এইবোৰত তাইক খাটনি ধৰিবহি নেলাগে। ক'ৰবাত ভুপাই তাই নিজেই আহি ওলায়হি। সৰ্পেশ্বৰ আৰু কামেশ্বৰী দুয়োটাই অকণো বহি নেথাকি যেতিয়াৰ যি কাম-বন আছে কৰি যায়। অকণো বৈ নেথাকে। খেতি-বাতি, তাত-সূত, পাচি-খৰাহী সজা—এইবোৰতে সিহঁত লাগি থাকে। দুটা নিচুৰীয়া মানুহৰ সংসাৰ। দৰব-

পাতি খাই বেজৰ হতুৱাই জৰাই ফুকায়ো কামেশ্বৰীৰ সন্তান হোৱা নাই।
সেই বুলি নহ'ব বুলি একে বোলিয়ে আশাও এৰি দিয়া নাই। মঙ্গলতিৰ
হতুৱাই মঙ্গলো চোৱাইছে। মাটিত কড়ি মাৰি মঙ্গল চাই মঙ্গলতিয়ে
আশা দিছে—হ'ব। সিহঁতৰ ল'ৰা-ছোৱালী হ'ব। সিহঁতৰ ল'ৰা-
ছোৱালী হ'ব। গ্ৰহৰ দোষ লাগিছে, খণ্ডাব লাগিব।

সৰ্পেশ্বৰৰ ল'ৰা-ছোৱালী নোহোৱাৰ কাৰণে বৰ চিন্তা নাই। কপালত আছে যদি হ'ব। সৰবজান মঙ্গলতিয়ে দোল ফহুতি যি দিয়ে গাত আঁৰ; যি খাবলৈ দিয়ে খা, দান-দক্ষিণা কৰিবলৈ ক'লে ক'ৰ। পিছে ল'ৰা-ছোৱালী নাই বুলি মন মাৰি বেজেৰুৱা হৈ বহি থাকিব নেলাগে। নিজৰ নাই যদি, গাঁওখনৰ আনৰ ল'ৰা-ছোৱালী আছে। সিহঁতকে মৰম চেনেহ কৰিবি, দুখীয়াৰ ঘৰৰ হলে, মাতি আনি এমুঠি খুৱাবি, ফটা-কানি এডোখৰ গাত দিবি—সিহঁতেও তহঁতক আই-বোপাই হেন দেখিব। নিজৰ ল'ৰাহে ল'ৰানে? গাঁও চুবুৰিয়াবোৰ নহয়নে একা?

সৰ্পেশ্বৰ আৰু কামেশ্বৰীৰ এনেকুৱা মনোভাৱ, কথা-বতৰাৰ কাৰণে গাঁৱৰ সকলোৱে সিহঁতক ভাল পায়। বিপদে-আপদে সিহঁতৰ ওচৰলৈ লৰি আহে। বহুতেই কামেশ্বৰীৰ ওচৰত হাত পাতে, কামেশ্বৰীয়ে কিন্তু কাৰো ওচৰত হাত নেপাতে।

তাতে সৰ্পেশ্বৰৰ আৰু কেইবাটাও লেখৰ গুণো আছে।

খেতি-বাতি, বাঁহ-বেতৰ কামত লাগি থকাৰ উপৰিও সি বছৰত কেতিয়াবা এবাৰ, কেতিয়াবা দুবাৰ নাৱেৰে ভাটিৰ ফালে বেপাৰ কৰিবলৈকো যায়। তামোল-পাণৰ লগতে, পাট-মুগাৰ কাপোৰ, বেতৰ জপা, পেৰা পেটাৰী আৰু তাঁতশালৰ সা-সজুলি—টোলোঠা, দোৰপতি, নাচনী, ম'হৰ শিঙৰ মাকো, হেঙুল হাইতালেৰে বোলোৱা ব-তোলা চুঙা আৰু উঘা চেৰেকিও নাৱত তুলি বেচিবলৈ নিয়ে। সি আৰু তাৰ লগৰীয়া ডেকা বেপাৰীহত নাৱেৰে বণিজ বেহাবলৈ গৈ এমাহ ডেড়মাহৰ মূৰত ঘূৰি আহে। কেতিয়াবা আনকি দুমাহ মানো ভাটিৰ ফালেই থাকে। এইবাবে গাঁৱতে সোমাই থকা অন্য ডেকা গাভৰুবোৰে তাক সমীহ কৰে, তাক বহুত দেশ দেখা, বহুত কথা জনা মানুহ বুলি অলপ বেলেগকৈ



চায়। কোনো কোনোৱে ভাবে যে সি যে গীত গাবলৈ আৰু নাচ নাচিবলৈ ইমান ভালকৈ শিকিলে, সেইয়া ভাটিৰ ফালে বণিজ বেহাবলৈ যাওতেই শিকা। সৰ্পেশ্বৰে কামাখ্যা, কামৰূপ, হাজো, হয়গ্ৰীৱ বহুত দেশ দেখিছে। ঘূৰি আহি গাঁৱৰ মানুহৰ আগত সেইবোৰ কাহিনী বহলাই কৈ সকলোকে বিস্মিত কৰিছে। প্ৰতিবাৰতে বেহানিৰ বস্তু বেচি সলাই নাৱৰ ভিতৰত অন্য বস্তু-বাহানি অনাৰ লগতে আৰু ককালৰ থুনুপাকত ধন পইচা ভৰাই অনাৰ লগতে, সি নানা কথা, নানা কাহিনীও গোটাই-চপাই আনে, দুটামান নতুন গীত শিকি আহে, দুই এটা নতুন নাচো শিকি আহে। এইবাবেই বহুতে ভাবে যে সৰ্পেশ্বৰে বণিজ বেহাবলৈ যোৱাটো এটা চেলুহে। এইবোৰ গীত মাত শিকিবলৈ যোৱাটোহে তাৰ আচল কথা। তাৰ মাতটো মিঠা, সুৰীয়া, তাৰ গাটো লাহি, আঁটিল, নানান ভাঁজ ভঙ্গী কৰি সি নাচিব পাৰে। নিজেই ঢোল, খোলো বজাব পাৰে। ভাটিলৈ গৈ সি ওজাপালি সুকনান্নীও গাব নাচিবলৈ শিকি আহিছে। কামাখ্যালৈ গৈ মনসা পূজাও চাই আহিছে। দেৱী পূজাও চাই আহিছে, আৰু দেওধনি নাচো দেখি আহিছে। বেপাৰৰ পৰা ঘূৰি আহি সেইবোৰ কথা সি মুখেৰে বৰ্ণোৱাৰ উপৰিও অঙ্গি-ভঙ্গী কৰি নিজেও কৰি দেখুৱায়, ৰাইজে তবধ মানে তাৰ কথা শুনি তাৰ নাচোন-কাচোন দেখি। একেটা কথাকে সি বহুত বাৰ ক'বলগীয়া হয়, শিকি অহা একেটা গীতকে বহুতবাৰ গাই শুনাবলগীয়া হয়, একেটা নাচকে বহুতবাৰ নাচি দেখুৱাব লগীয়া হয়। কামেশ্বৰীৰে ঘৰ কৰি খাবলৈ লোৱাৰ আগৰে পৰা সি নাৱেৰে বেপাৰ কৰিবলৈ গৈছিল, আৰু ভাটিদেশৰ গীত-মাত, নাচ-বাজনা শিকি আহিছিল। যিমান বাৰ গৈছিল সিমান বাৰ সি নতুন নতুন কিবা শিকি আহিছিল, আৰু নিজৰ ঠাইৰ মানুহক সেইবোৰ গাই নাচি দেখুৱাইছিলহি।

গাঁৱৰ কোনো-কোনোৱে কয় যে তাৰ এইবোৰ দেখি শুনিহে কামেশ্বৰীৰ তালৈ মৰম সোমাইছিল আৰু সেয়েহে তাই তাক নিজৰ কৰি চপাই লৈছিল। তায়ো তাৰ এইবোৰ কামত হকা-বাধা নকৰি উদ্‌গনিহে দিছিল। তাইক সৰ্পেশ্বৰৰ ঘৈণীয়েক বুলি কোনোবাই চিনাকি কৰি

দিলে তাই আনন্দ পাইছিল। আৰু গৰ্ব অনুভৱ কৰিছিল। ক্ৰমে সৰ্পেশ্বৰ আৰু কামেশ্বৰী সেই অঞ্চলটোৰ জনাজাত মানুহ হৈ পৰিছিল। বিয়াই-সবাহে সিহঁতে সকলোৰে ঘৰলৈ নিমন্ত্ৰণ পাইছিল আৰু সকলোতে আদৰ সাদৰো পাইছিল।

পিছে এদিন যেতিয়া গাঁৱৰে ভোগাই বৰাই আহি কামেশ্বৰীক ক'লেহি যে সৰ্পেশ্বৰে গাব আৰু নাচিব জানে বুলি শুনি শংকৰদেৱৰ এজন ভকতে তাক গুৰুজনাৰ ওচৰলৈ মাতি পঠিয়াইছে। কামেশ্বৰীয়ে ভোৰভোৰাই উঠিল, "হেৰ থ থ আমাৰ নিচিনা যুগী কাটনিৰ ঘৰৰ ল'ৰাই গৈ ইন্দ্ৰৰ সভাত ফেঁচাই উৰুলি দিবগৈ নেলাগে। যি সোপাহে নাচ-গান কৰে সেইফালে শংকৰদেৱৰ গুৰু ভকতৰ আগত সেইবোৰৰ পোহাৰ মেলিবগৈ নেলাগে। মই নিজে যোৱা নাই, কোৱা শুনিছো বোলে শংকৰ গুৰুৱে বাৰ বছৰ দেশ-বিদেশ ঘূৰি ফুৰি সেইবোৰ দেশৰ ওজা, গায়ন-বায়নৰ পৰা নানান নাচ-গান শিকি আহিছে। আহি আন ভকতকো শিকাইছে। আনে যি আন দিয়ে মিছা মাছেও বান দিয়ে। ক'ত শংকৰদেৱ আৰু ক'ত যুগী কাটনীয়াৰ ঘৰৰ সৰ্পেশ্বৰ! হেৰ থেটো কৰিবলৈ নাহিবি। আকাশৰ ভোটাতৰাৰ লগত টিকাৰ টোপা খহুক ৰিজাবলৈ নাহিবিহঁত।"

ভোগায়ে ক'লে, "ৰচোন, কথাষাৰ ক'বলৈ দে। নৌ ক'বলৈ পাওঁতেই তই মুখতে ধৰিলি জঁক জঁক কৰে। গুৰুজনাই নাট ভাৱনা কৰিবলৈ লৈছে। আমাৰ নিচিনাবোৰকে ভাও দিছে। ঢুলীয়া খুলীয়া গায়ন বায়নো আমাৰ লগৰ বোৰেই। বামুণৰ ল'ৰাও দুই চাৰি আছে। পিছে নাট ভাৱনা আৰু এটা দুটাৰে কৰিব পাৰিনে? সূত্ৰধাৰ লাগিল, নটুৱা লাগিল, গায়ন লাগিল, মুখা সজা মানুহ লাগিল, বৰগীত ভটিমা গাওঁতা লাগিল, তিৰোতাৰ ভাও দিব পৰা ভাৱৰীয়া লাগিল। সকলো লগ লাগিলেহে ভাওনাখন কৰিব পাৰে। সৰ্পেশ্বৰৰ কথা আমিয়ে কৈছো— বোলো গাঁৱৰে ডেকা ল'ৰা এটা আছে, গাবও পাৰে, বজাবও পাৰে, নাচিবও পাৰে আৰু শিকাই দিলে নাটৰ বচনো মাতিব নোৱাৰিবৰ কথা নাই। বোলো গুৰুজনাই তাকো শিকাই বুজাই লওক। সি নিজে



যি শিকিছে শিকক, গুৰুজনাৰ ওচৰতো শিকক, গুৰুজনাই শিকোৱা কীৰ্ত্তন ঘোষা, বৰগীতো গাবলৈ শিকি লওক। চাবিচোন সৰ্পেশ্বৰৰ নাম ৰৈ বৈ যাব।"

"জানো তাকে সুধিব। আমি ক বুলিব নোৱাৰা মুৰুখমতী মানুহ। কটনা কাটি ভাত মুঠি উলিয়াই খাইছো। ঘৰ-বাৰী এৰি গুৰুত শৰণ লৈ ভকত হৈ টোকাৰি বাই ফুৰিলে ঘৰ-সংসাৰ কোনে চাব? তেওঁ বুলি যদি গুৰুজনাই সুঁৱৰিছে নেযাব কেলেই?"

"হেৰ হতহতি বাই, ভকত হ'লে ঘৰ-বাৰী এৰি, টোকাৰি বাই ফুৰিব লাগে বুলিনো তোক কোনে ক'লে? শংকৰ গুৰুৰ নিচিনা এজন দেৱতা হেন পুৰুষে কাৰোবাক কাষলৈ মতাটোৱেই জানো কম কথা! আমাৰ নিচিনা মানুহক সকলোৱে লেই লেই ছেই ছেই কৰি মানুহ বুলি গণিতা নকৰে। শংকৰ গুৰুৱে আকো বোলে ভকতৰ সৰু-বৰ নাই, জাত-কুল বিচাৰ কৰি হৰি ভকতৰ গুণ জুখিব নেপায়। শিকিলে বুজিলে, ভয়-ভাৱৰিত্তৰে চৰ্চা কৰিলে আমি সকলোৱেই বোলে, আন ভাল ভাল মানুহে কৰিব পৰা কামো বহুত কৰিব পাৰিম। সৰ্পেশ্বৰক সেয়েহে গুৰুজনাই বিচাৰিছে, তাৰ কথা শুনি।"

"ই তহঁতৰ সৰ্পেশ্বৰেনো কি কৰিবগৈ শংকৰ গুৰুৰ সত্ৰলৈ গৈ। লেখিবই জানেনে পঢ়িবই জানে? বগা বগলীৰ মাজত ক'লা কাউৰী উলিয়াব খুজিছ নেকি?" কামেশ্বৰীয়ে ক'লে।

ভোগায়ে ক'লে, "লেখিব পঢ়িবহে নেজানে? নাচিব গাব পাৰে নহয়। ভাওনাত ভাও দিব লাগিলে নিজৰ ভাওটোৰ কথাখিনি কওতাই কৈ দিব। ভাৱৰীয়াই মনত ৰাখি গাব পাৰিলেই হ'ল। অ' সউটো সৰ্পেশ্বৰ আহিছে।"

"এৰা তাৰ লগতে কথা-বতৰা পাত। সি ভকত হয় যদি হওক, মই পিছে ভকতনীৰ যোইগৰ নহওঁ। মই সেইবোৰত নোসোমাও।"

সৰ্পেশ্বৰ আহি ওলালহি। তাক দেখি ভোগায়ে তাৰ ফালে মুৰ তুলি চালে।

"ভোগাই নে? কেতিয়া আহিলি? বহুতদিন চোন এইফালে

…াহাটৰ বেলগুৰিৰ ফালে আছো। এটা … সৰ্পেশ্বৰে
…ক লগ পাবলৈ আহিলো"—

"এৰা সকাম নেথাকিলে এনেই আহনে? জলপান-তলপান কিবা দিছেনে?"

"ভোগাই বোলে ভকত হৈছে, আমাৰ হাতে খায় বা নেখায়—" কামেশ্বৰীয়ে ক'লে। আৰু ভোগাইৰ মুখলৈ চালে।

"বাৰু কিবা জা-জলপান এটা তাক দেচোন—ভকত অভকতৰ কথা পিছত উলিয়াবি। ঘূৰি ঘূৰি মোৰো ভোক লাগি আহিছে। বেপাৰ বণিজ আৰু এৰিমহে বুলিছো। এখেপ মাৰিবলৈ এনাও বস্তু গোটাবলৈকে ঘৰে ঘৰে কিমান ঘূৰিবি? এবেলি গড়গাঁৱৰ ফালৰ পৰাহে গৈ আহোগৈ বুলি ভাবিছো। আমাৰ নতুন ৰজা ঘৰৰ ফালে বেহা-বেপাৰৰ এটা বুজ লৈ আহো বুলিছো। ডা-ডাঙৰীয়াৰ আও-ভাওও অলপ চাই আহো কি বোল?"

"তোৰে ভাল। মতা-মাইকী এহাল, জা-জঞ্জাল নাই, তয়ো পাখি লগা মানুহ, যলৈকে মন যায় তালৈকে উৰাৰত হ'ব পাৰ। উজনিলৈ যাও বোল, ভাটিলৈ যাও বোল—তোৰ নো কি? নাওখন মেলি বঠাপাত হাতত ললেই হ'ল—খোজকাঢ়িব লাগিছেনে কিবা? নৈয়ে নৈয়ে বাট, বাটে বাটে ঘাট—" ভোগায়ে ক'লে।

"এ বৰ সহজ নুবুলিবি। নৈৰ হবলা সোঁতৰ পকনীয়া নাই? বাৰিষা বান খৰালি শুকান। কেতিয়াবা নৈৰ সোঁতে টানে একালে বঠা…নিয়ে একালে। নাৱৰ পিঠিয়ে নৈৰ পিঠিয়ে একে নহয় জানিছ। জলকুঁৱৰী থাকে পানীৰ তলত। মন ভালে থাকিলে ভালেই, খং-ৰাগ উঠি থাকিলে কাৰ নাও বুৰায়, কাক তললৈ টানি নি পাতাল পোৱায়গৈ কোনে ক'ব পাৰে?"

হেলচী বড়া ধানৰ চিৰা আৰু ঘৃণা সুঁতি মুখৰ দৈৰে একো লাড়ুকৈ গুৰ সানিলৈ দুয়োটাই এনেকুৱা আগগুৰি নোহোৱা কথাবোৰ



পাতিছিল। কামেশ্বৰীয়ে ওচৰতে বৈ সিহঁতৰ কথাবোৰ শুনি আছিল। একো মতা নাছিল। দুয়োটাৰে ভোক আছিল চাগৈ। বৰ তৃপ্তিৰে দুয়োটাই জলপান খাইছিল। ভোগায়ে ক'লে, "চিৰাখিনি বৰ সোৱাদ অ' ঘৰতে খুন্দা নে ক'ৰবাৰ পৰা আনিছিলি?"

"ঘৰতে খুন্দা। ঢেকীৰ সোৱাদেই চিৰা সান্দহৰ সোৱাদ। কামেশ্বৰীক সোধচোন, সি বৈচা যে নতুনকৈ নাহৰৰ ঢেকীটো সাজি পাতি দিছিলো, সেইটোৰে চিৰাখুন্দি কেনে লাগে। নাচি থাকে বুজিছ।"

"তইনো কেনেকৈ জানিলি? তই কিবা নিজে ঢেঁকি দিয়নেকি?"

"নহ'লে কোনোবাই অকলে চিৰা খুন্দিব পাৰে নেকি? মই ঢেকী দিও, তাই ধান ভাজি খুৱলিত দিয়ে, উকটি দিয়ে। কেতিয়াবা তাই ঢেকী দিয়ে, মই ধান ভাজি খুৱলিত দিও।"

"এৰা সেই দেখিহে চিৰা গাল ইমান সোৱাদ সোৱাদ লাগিছে। পিছে মই কিয় আহিলো নোসোধ কেলেই?"

"কচোন বাৰু," সৰ্পেশ্বৰে ক'লে।

"তই উজনি-নামনি গোটেইখনৰে তলা-নলা গম পোৱা মানুহ। কামাইখা, হয়গ্ৰীবলৈকে নানান দেশ দেখিছ, নানা কথা শিকিছ, নিজেও ওজাপালি গাব নাচিব পাৰ, মাৰৈ পূজা মনসা পূজাও দেখিছ। তোৰ পৰাই আমি ব্যাহ গোৱা সুকন্নানী গোৱাৰ কথা শুনিছো। দেওধা, দেওধনি নাচৰ কথাও তোৰ মুখতে শুনিছো, তয়ে নাচি মেলি আমাক দেখুৱাইছ।"

"হয় হয় দে। মই আৰু দেখি শিকাহে। এবেলি কামাইখালৈ মোৰ লগত ওলাবি, দেওধনি নাচ, মনসা পূজাত কেনেকৈ নাচে নিজ চকুৰে চাই আহিবি। নেদেখিলে সেই নাচৰ মাহাইত্ত বুজিব নোৱাৰিবি। দেওধাই বলিকটা দা'ৰ ধাৰটোৰ ওপৰত উঠি শুদা ভৰিৰে নাচে, অকণো ভৰি নেকাটে। ভক্ ভক্ কৰে জ্বলি থকা জুইৰ অঙঠা মুখত ভৰাই লয়। মুখখন অকণো নোপোৰে। বলিৰ পাঠা, পাড়ৰ মূৰ্চাৰি মাৰি কেঁচাই কেঁচাই তেজ পিয়ে, কেঁচাই কেঁচাই মঙহ খাই—তই মই পাৰিম নেকি? দেওধা-দেওধনিৰ গাত গোসানী লম্ভে জানিছ। যেতিয়া নাচনীৰ গাত দেওধনি লাগে তেতিয়া ভুত-ভবিষ্যতৰ কথা সকলো কৈ

দিব পাৰে। তই মই তেনেকুৱা নাচ নাচিব নোৱাৰো জানিছ। ঢোল বাজি থাকে ; তাল বাজি থাকে, কালীয়াই কালী বজাই থাকে, আৰু নাচনীয়ে চুলি তুলি মেলি হাত মেলি নানান অঙ্গী-ভঙ্গী কৰি এনেকৈ নাচি থাকে যে চোৱাৰে ভাগৰ লাগে, নাচনীৰ ভাগৰ নেলাগে। মাজে মাজে দেওধনী জনীক নাচি থকা ফেটী সাপ এজনী, মনসা গোসানীজনী যেন লাগি যায়। নিজ চকুৰে নেদেখিলে বুজাই ক'লেও তই বুজিব নোৱাৰিবি।”

ভোগায়ে কথাবোৰ বৰ মনোযোগেৰে শুনি আছিল। ইতিমধ্যে সিহঁতৰ জলপান খোৱা শেষ হৈছিল। কামেশ্বৰীয়ে সৰ্পেশ্বৰৰ মুখত এইবোৰ কথা আগেও শুনিছে। ঘৰত কোনো নেথাকিলে কেতিয়াবা সৰ্পেশ্বৰো তাইকো ঘৰৰ ভিতৰতে দেওধনিৰ নিচিনাকৈ নাচিবলৈ শিকাব খোজে। কামেশ্বৰীৰ লাজ লাগে।

“মই সেইবোৰ কৰিব নোৱাৰো পায়। গাৰহে বিষ উঠিব আৰু কোনোবাই দেখিলে কি বুলিব বাৰু ! আঃ মই নাচিব নোৱাৰো।”

“হেৰ মই শিকাই দিম, তই নাচিবি, ঘৰৰ ভিতৰতহে নাচিবি, কোনে দেখিব ? আৰু দেখিলেনো কি হানি হ'ব ? তই আৰু কিবা কামাইখ্যাৰ গোসানীৰ নিচিনাকৈ দিগম্বৰী হৈ নাচিবিনে ?”

কামেশ্বৰীয়ে তথাপি নাচিবলৈ, শিকিবলৈ মন নেমেলিলে।

জলপান খাই উঠি মুখ ধুই মচি তামোল এখন মুখত ভৰাই ভোগায়ে ক'লে, “আমাৰ ধুঁৱাহাটৰ শংকৰদেৱেও গোটেই ভাৰতত ঘূৰি নানা গীত-মাত, ৰাগ-ৰাগিনী আৰু নাচ শিকি মেলি আহিছে বোলে। তাতে আমাৰ মাধৱদেৱো তেওঁৰ শিচহৈ তেওঁৰ লগতে আছে আজিকালি। দুয়োজনাই নিজে গীত ৰচে ; সুৰ দিয়ে, গায়, আন ভকতকো শিকায়। ওজা পালিৰ নাচ ময়ো দেখিছো। শংকৰদেৱেও তেওঁৰ নাটত তেনেকুৱা নাচ দিব খুজিছে। কথাটোৰ আলচ হওতে আমাৰ তোৰ কথা মনত পৰিল। তয়োচোন সেইবোৰ নাচ নাচিবং জান। তইনো গুৰুজনাৰ ভাওনাত ভাও এটা লৈ নেনাচ কিয় ?”

“হেৰ বাৰু কথা কৈছ ? মই বেহেৰুৱা বেপাৰী মানুহ। ঘূৰি



ফুৰোতে ক'ৰবাত কিবা এটা দেখি শিকিলোৱেই জানিধা। সেইয়া আৰু শংকৰদেৱৰ ভাওনাত নাচি দেখুৱাবৰ যোইগৰ নে ?”

তেনেকৈ নেভাবিবি। শংকৰ গুৰু অলপ অইন-ধৰণৰ মানুহ জানিছ ! তই যদি গাব নাচিব জান, তোকো বিচাৰিব, তই যদি ঢোল খোল বজাব জান তোকো বিচাৰিব, তই যদি বচন মাতি ভাও দিব জান তোকো নিলগাই নথয়। তেওঁ গুণীৰ গুণ বুজা লোক। এইবোৰ চিন্তা চৰ্চা যি কৰে সিবোৰক তেওঁ বৰ মৰম আদৰ কৰে। এইয়া বোলে ৰাইজৰ নিজা সম্পদ।”

“পিছে মইনো কি কৰিমগৈ।”

“কোৱা শুনিছো—মই কিবা লিখা পঢ়া কিবা জানোনে ?—কোৱাহে শুনিছো। বোলে শংকৰদেৱে কালীদমননে কিবা নাট এখন ৰচিছে। তাত বোলে চিৰিকৃষ্ণই কালীনাগক কেনেকৈ দমন কৰি পাতাললৈ পঠিয়ালে তাকে নাট কৰি দেখুৱাব। তাতে কালীনাগৰ নাচটো নাচিবলৈ ভাৱৰীয়া এটা লাগে।”

“কি কৰিব লাগিবনো ?”

“সকলো কথা বিতংকৈ নেজানো। কালীনাগ হৈ চিৰিকৃষ্ণক মেৰাই ধৰিব লাগিব। পিছে কৃষ্ণই তোৰ মূৰত উঠি নাচিব, নাচি নাচি কালী সৰ্পক লেউসেউ কৰি পেলাব। শেষত হাৰ মানি কালীসৰ্পই কৃষ্ণক সেৱা কৰি কৃষ্ণক এৰি পাতালৰ গাঁতত সোমাবগৈ।”

সৰ্পেশ্বৰে ক'লে, “ৰ চোন, কথাটো নতুন যেন শুনিছো। পদ্মা পুৰাণত যে আছে—দুৰ্গাবৰ মনকৰৰ বেউলা লক্ষীন্দাৰৰ কথা—চান্দ সদাগৰ আৰু পদ্মাৱতীৰ কথা। তাত আকৌ কালীনাগক পূজা কৰাৰ কথাহে আছে। মনসাৰ পূজা নিদিয়াৰ কাৰণেহে মনসাই কালীনাগৰ হতুৱা চান্দ সদাগৰৰ ওপৰত পোতক তুলিলে। বিয়াৰ নিশাই লক্ষীন্দাৰক খোটাই বেউলাক বাঁৰী কৰিলে। সেয়েহে মাৰৈ পূজা, মনসা পূজাত ওজাপালি নাচি গাই মনসাৰ পূজা দিয়া হয়। এতিয়া শংকৰদেৱৰ কালীদমনত আকৌ তই কৈছ বোলে কালীৰ মূৰৰ ওপৰত উঠি নাচি কৃষ্ণই কালীনাগৰহে সেৱা ভক্তি ল'ব। মই হলে কথাষাৰ ভালকৈ বুজিব পৰা নাই।”

"মইনো কিমান বুজো? শাস্ত্ৰৰ কথা নো জানো কিটো? পিছে ভকতসকলৰ মুখে শুনিছো বোলে কৃষ্ণ ভগৱান সকলো উৰণ, বুৰণ, গজন ভ্ৰমণৰ স্ৰজনকাৰী, অধিপতি।

মানুহৰ কথাই নাই, বনৰ সাপ বাঘেও চিৰিকৃষ্ণৰ ওচৰত সেও মানি সেৱা ভক্তিত মৰ দোৱায় তই বাৰু শংকৰদেৱৰ কালীদমন নাটত কালী-নাগৰ নাচটো নাচিব নোৱাৰিবিনে? তোক সাপৰ নিচিনাকৈ সাজ পিন্ধাই দিব। মূৰটো ফেঁটী সাপৰ নিচিনা নাগফনা পিন্ধাই দিব। খোলৰ বাজনাৰ লগে লগে তই নাচিবি। প্ৰথমে শিশু কৃষ্ণক মেৰাই চেপি ধৰিবি। তাৰ পিছত ঈশ্বৰ কৃষ্ণই তোৰ মূৰত উঠি নাচিব, তয়ো নাচি নাচি ৰমনক দ্বীপলৈ সোমাই যাবি। নোৱাৰিবি জানো? তই যদি নোৱাৰ অইন কোনেনো পাৰিব কচোন।"

ভোগাই কথাখিনি সৰ্পেশ্বৰ আৰু কামেশ্বৰী দুয়ো মনোযোগ দি শুনিলে। কিছুপৰৰ মূৰত কিছু চিন্তা কৰি কামেশ্বৰীয়ে সুধিলে, "পিছে শংকৰদেৱৰ নাটত ভাও দিব লাগিলে, আগতে তেওঁৰ ভকত হৈ ল'ব নেলাগিব জানো? ইয়াক জানো ভকত ল'ব?"

"হও বুলিলে নলব কিয়? পৰ্ব্বতৰ নগাও আহি ভকত হৈছেহি, ক'ব নোৱাৰ জানো?"

"নগাও ভকত হৈছেনে? সঁচাকৈয়ে কৈছনে?"

"এবেলি নিজে গৈ চাই নাহগৈ কিয়? ধুবঁৰাহাটনো তহঁতৰ ইয়াৰ পৰা কিমান দূৰ? গৰীয়া মছলমানো শংকৰদেৱৰ শিচ হৈছে জান? ঈশ্বৰৰ নাম ল'বহে লাগে। নাম ল'বলৈকো জাতিৰ বিচাৰ কৰিব লাগে কিয়? তই ওলাচোন এদিন মোৰ লগতে। ভকত নহৰ যদি নহবি, এবেলি গৈ শংকৰদেৱ মাধৱদেৱক চায়ে আহগৈ। দেখিলেই চকু জুৰায় জানিছ। তালৈ এবেলি গলে আৰু ঘূৰি আহিবৰ মন নেযাব। বেলি নৌ ওলোৱাৰ পৰা ৰাতি নিয়ৰ সৰালৈকে নামে-কীৰ্ত্তনে, খোলে-তালে, আলাপে-আলোচনাই এনেদৰে ৰজনজনা হৈ থাকেঁ, দিননো কেতিয়া শেষ হয়, ৰাতিনো কেতিয়া হয় গমেই নেপাবি। নাট ভাওনাৰ আখৰা চায়ো ওৰে ৰাতি কটাব পাৰি জানিছ। ওজাপালি দেওধা দেওধানিৰ নাচ চাই



চাই আমনি লাগে যদিও শংকৰদেৱৰ নাট-ভাওনা চাই, 'গায়ন-বায়ন, খোল-তালৰ গমগমনি শুনি দিন-ৰাতি পাহৰি থাকিব পাৰি। তই গাবও পাৰ, নাচিবও জান, তোক পালে সকলোৱে ৰং পাব?"

"পিছে মই এবি থৈ গলে জানোচা এই কামেশ্বৰী কাৰোবাৰ লগত উৰা মাৰে?"

"ডিঙিত বান্ধি ওলোমাই ল—যদিহে ইমানকনো সঁজাত নাই—" ভোগায়ে ক'লে।

"হেৰ' তিৰী, নদী, ভাটো, কোৱা, এই চাৰিৰ আঁসে নোপোৱা—এনেয়ে শাস্ত্ৰত কৈছেনে?"

কামেশ্বৰীয়ে ক'লে, "শালক শিঙিয়ে হাঁহে। কোৱা শুনিছো বোলে শাস্ত্ৰত আছে বোলে বিষ্ণুৰ মোহিনী ৰূপ দেখা সদাশিৱৰো গাত থৰ যুগুতি নোহোৱা হৈছিল। কামাইখা দেৱীৰ কথা দেখোন তয়ে কৈছিলি। আগেয়ে হেনো সন্ধিয়াপৰত কামাইখা মন্দিৰৰ ভিতৰত সোমাই লৈ দেৱীয়ে সদায় নাচে। নচাৰ কথা সকলোৱে গম পায়, পিছে দেৱীক কেৱে দেখা নেপায়। কথাষাৰ কোচ ৰজাই গম পালে। দেৱীৰ নাচ চাবৰ বৰ মন গ'ল। লোভ সামৰিব নোৱাৰিলে। পূজাৰী আছিল কেন্দুকলাই; ৰজাৰ পৰা কিবা ভেটী-ভূটা পাই দেৱীয়ে নাচি থকা সময়ত বাহিৰৰ পৰা বেৰৰ জলঙাইদি দেৱীৰ নাচ ৰজাক দেখুৱালে। দেৱীয়ে কথাটো গম পালে। তাৰ পৰা কামাইখা মন্দিৰৰ ভিতৰত দেৱীয়ে ননচা হ'ল। তিৰোতাৰ নাচোন কাচোন দেখি ৰজাও ভোল যায়। আমাৰ কথা বাৰু কোনোৱে চিন্তা কৰিব নেলাগে। কোনোবা ভকতনীক দেখি কাৰোবাৰ গা-মন উচাটন নহলেই হয়।"

ভোগায়ে ক'লে, "সঁচাকৈয়ে কৈছো তহঁত দুয়োটা এদিন ওলা। ইমান ওচৰতে থাকিও এবাৰ নেযাৱ যদি পিছত পস্তাবি। আৰু গুৰু-জনাক জীৱন্তে দৰ্শন কৰিবলৈ পোৱাটোও কম ভাইগৰ কথা নহয়। তালৈ গলেই গুৰুজনাৰ শিচ হ'ব লাগে বুলিনো কোনে ক'লে? মই কাইলৈ ধুবঁৰাহাটলৈ ঘূৰি যাম। তোৰ কথা কি বুলি কমগৈ পিছে?"

সৰ্পেশ্বৰে ক'লে, "আমি দুয়োটা তোৰ লগতে যাম। শংকৰ-মাধৱে

যদি কয়, শিকাই বুজাই দিয়ে, নাটত ভাও এটা দিব নোৱাৰিমনে ? আমাৰ এইও দেওধনি, ভূতুনীৰ নাচ নাচিব পাৰিব জানিছ। মাজে মাজে মোৰ আগত নাচি দেখুৱায়। মোৰ বুকুৱে ঢপঢপাই যায়। পিছে গুৰুজনালৈ বুলি হাতত কিবা এটা লৈ যাব নেলাগিব জানো ? কি নিলে ভাল হ'ব বাৰু ? ৰজাৰ ঘৰতনো কি নাই, কচুশাকৰ ভেঁটী—নহয় জানো ?"

কামেশ্বৰীয়ে সুধিলে, "ময়ো যাব পাৰিমনে বাৰু ? মই মুগাৰ চুৰিয়াৰ তাঁত এজুতি লগাইছিলো। পাট বানী বোৱা চুৰিয়া দুখন ওলাইছে। ভাটিৰ ফালে নি বেচিবগৈ বুলি থৈছিলো। তাকে দিলে গুৰু দুজনাই ল'বনে বাৰু ? আমি যুগী কাটনী মানুহ। তাতে নাম ধৰ্ম্মও লোৱা নাই।"

ভোগায়ে ক'লে, "শুদাহাতে গলেও কোনেও বেয়া নেপায়। তোৰ নিজ হাতে বোৱা পাটবনীয়া মুগাৰ চুৰিয়া পালে গুৰুসকলে বৰ ৰং পাব। তহঁত তেনেহলে ওলাবি। একেদিনে ঘূৰিব নোৱাৰিবি। লুইতেদি নাৱেৰে ভটিয়াই যাব লাগিব। ঘূৰোতে উজনি-মুৱা কৈ নাৱ বাব লাগিব, সময় ল'ব।"

"মোৰ নেগেৰাজোৰ নাৱতে লগতে লৈ যামনে বাৰু ?"

"তোৰ নিজা নেগেৰা এজোৰ আছে নৈকি ? লবি, ভালেই হ'ব। নেগেৰানো ক'ৰ পালি ?" ভোগায়ে সুধিলে।

এবেলি বেপাৰলৈ যাওতে দুখন মুগাৰ মেখেলালৈ সলাই আনিছিলো। সেইফালে থাকোতেই কোবাবলৈও শিকিছিলো। নেগেৰাবোৰ আগে মছলমানৰ চিপাহীয়ে ৰণত বজাইছিল। সিহঁতৰ দেশৰ ফালৰ বাজনা বোলে। পিছে এতিয়া আমিহে সকলোৱে বজাওঁ। মই তেনেহলে নেগেৰাজোৰ লৈ যাম। তাত শুনোতা ওলালে বজাই শুনাম। কি কৱ ?"

"বৰ ভাল হ'ব। কামেশ্বৰীয়েও ভৰিত পিন্ধা নেপুৰ, জুনুকা যি পাৱ পিন্ধি লবি। আমি নাচি নাচি গৈ থাকিম। মই এতিয়া যাও। কাইলৈ সোনকালে ওলাবি।"

বিদায় লৈ ভোগাই গ'লগৈ।





দিন আগ বাঢ়িছিল।

লুইতৰ পাৰৰ নল-বিৰিণা-খাগৰী গজিছিল, মৰিছিল, গজিছিল। বৰ লুইত, সোৱণশিৰিৰ বুকত বাৰিষাৰ ঢলনি সোঁত, খৰালিৰ বালি চাপৰিৰ বুকত হেৰাই গৈছিল। খৰালিৰ বহল বালি-চাপৰি বাৰিষাৰ ফেনে ফোটোকাৰে ভৰা বলিয়া সোঁতে ঢাকি পেলাইছিল। শীতক গৰ্চাক আহিছিল ফুলে-ফলে ৰমক-জমক বসন্ত, বসন্ত জাহ গৈছিল বাৰিষাৰ মেঘৰ জৰজৰীয়া বৰষুণৰ কোলাত। শিশুবোৰ কিশোৰ হৈছিল, কিশোৰ-বোৰ যুৱা হৈছিল, যুৱকবোৰ পোৰতালৈ অজানিতে ঢলি পৰিছিল। বুঢ়াসকলৰ কাণত বাজিছিল—দূৰ-ওচৰৰ মৰণৰ দেশৰ নিবৰ আহ্বান—আহা,আহা, তুমিও আহা।

সৃষ্টিৰ বুকৰ অনন্ত কালৰ এই গতি-পৰিক্ৰমা। হাই-হুই নাই, ৰাই-জাই নাই। অবাধহীন সময়ৰ অন্তহীন ল'ৰা-ধেমালি। বালি-ঘৰ ভঙা-পতাৰ শেষ-নোহোৱা ল'ৰা-ধেমালি। হাঁহি-কান্দোন, চিঞৰ-বাখৰ, উলহ-মালহ আৰু নিমাত-নিতাল শান্ত নিৰৱতা। দিনৰ বুকত ৰাতিয়ে সাৰ পায়, ৰাতিৰ বুকত দিন টোপনি যায়। মুহূৰ্ত্তবোৰৰ বুকত অনন্ত কালৰ নিশ্বাস—উষ্ণ, শীতল, উমাল।

ধুঁৱাহাটত এখন নতুন সমাজ গঢ়ি উঠিছিল। জনজীৱনে ৰূপ সলাইছিল। বৰ লুইতৰ পাৰৰ মুক্ত শ্যামল প্ৰকৃতিৰ হেজাৰ আশীৰ্ব্বাদ মূৰত লৈ এটা নতুন যুগ সাৰ পাই উঠিছিল। এজাক নতুন বতাহ বলিছিল। এজাক সুগন্ধি বৈষ্ণৱ বতাহ। মানুহ জীৱনৰ নতুন অৰ্থ

বিচাৰিবৰ কাৰণে সন্টম হৈ উঠিছিল এদল প্ৰকৃতিৰ বুকুৰ সবল সন্তান, যাৰ আছিল, দুৰাকাংখা নাছিল, যি মাটিৰ পৃথিৱীৰ বুকুতে স্বৰ্গ অমৰাৱতী বিচৰাৰ নতুন আনন্দ সাবটি লবৰ কাৰণে নিজক প্ৰস্তুত কৰি তুলিছিল।

গাল মুখত কালৰ আঁচোৰ নাই। দুৰ্যোগ দুৰ্দশাই, অপায় অমঙ্গলে টলাব নোৱাৰে, আত্ম প্ৰত্যয়ত হিমালয়ৰ দৰে অটল, চকুত এখন নতুন পৃথিৱী গঢ়ি তোলাৰ অম্লান স্বপ্ন, মনৰ মাজত অদম্য কৰ্মশক্তি, শৰীৰত তিনিকুৰি দহ-বাৰ বছৰীয়া এটা দেহত যৌৱনৰ শক্তি আৰু উদ্দীপনা বহু হাজাৰ বছৰীয়া ভাৰতীয় সভ্যতা সংস্কৃতিৰ মেধা মনীষাৰ সন্তান, প্ৰাচীনৰ চিৰনতুন সম্পদেৰে নতুন এক মানৱীয় সংস্কৃতিৰ জন্ম দিবৰ কাৰণে স্থিৰ সংকল্প, জীৱনৰ নতুন সৌন্দৰ্যৰে সুন্দৰ কৰাৰ, নতুন অৰ্থেৰে মহীয়ান কৰাৰ, নতুন গতিৰ ছন্দেৰে গতিশীল কৰাৰ স্বপ্ন লৈ এখন নতুন দেশ গঢ়াৰ, নতুন সমাজ গঢ়াৰ নিঃস্বাৰ্থ ব্ৰতত ব্ৰতী খনিকৰ শংকৰদেৱ, লগত গায়ক শিল্পী, কবি, সুঠাম ডেকা মাধৱদেৱ। আৰু তেওঁলোকৰ লগত মুক্ত প্ৰকৃতিৰ বুকুৰ, নতুন স্বপ্নৰ ৰঙীন আলোকৰ পৰশ পোৱা এদল ভকত, ভকতনী—খেতিয়ক, তাঁতী, বাঢ়ৈ, খনিকৰ, মাছমৰীয়া, গৰখীয়া, ম'হগুৱাল, হাতীফান্দী, কমাৰ, কুমাৰ, সোণাৰী আৰু বিভিন্ন বৃত্তিধাৰী সাধাৰণ মানুহ। বৰনৈৰ পাৰৰ সাৰুৱা মাটি। বহল বহল চৰণীয়া পথাৰ, বিয়াগোম বিয়াগোম গছেৰে ঠাহ খোৱা প্ৰাচীন অৰণ্য, তাৰ বুকুত হাতী-বাঘ-ভালুক-পহুৰ জাক, তেলীয়া সাৰেং, বৰটোকোলা, ধনেশ, শৰালি, ভাটৌ, কপৌ, বনকুকুৰাৰ জাক, নৈৰ পানীত, বিলত, খালত, পুখুৰীত নানান মাছ, শিহু কাচ, কুচীয়া আৰু কত কি প্ৰাণী।

সকলোকে লৈ এখন সমাজ, একেখন সমাজ।

আছে শ শ বছৰ আছে। হাজাৰ হাজাৰ বছৰ আছে। অৰণ্যৰ বনৰীয়া হাতী, স্বৰ্গত থকা ইন্দ্ৰৰ ঐৰাৱত হ'বলৈ নিবিচাৰে, হাতী হৈ হাবিতে থাকে। গছৰডালত মনে মনে বহি চকু পিৰিক-পাৰাককৈ থকা ফেঁচাজনীয়ে লক্ষ্মীক পিঠিত তুলি লৈ ক'ৰবাৰ সোণৰ খনিত পৰিবলৈ নেযায়। গছৰ ডালত বহি থাকে। মাঘমহীয়া পিঠিত ৰ'দ পেলাই



বালি-চাপৰিত পৰি থকা দুৰীয়া কাচজনীয়ে পৃথিৱীখন পিঠিত তুলি লৈ মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ নেযায়। বালিতে পৰি থাকে। শিঙাল বনৰীয়া ম'হবোৰে নোজোকালে কাকো খুচিবলৈ খেদি নাহে। কোনো দুৰ্গা গোসানীৰ যাঠিৰ খোচ খাই মৰিবলৈ নেযায়। হাবিতে ঘাঁহ পাত খাই সোমাই থাকে, নৈ, বিলৰ পানীত নাকৰ ফুটা দুটা উলিয়াই পৰি থাকে। বনৰীয়া ভাটৌবোৰেও সেউজীয়া গছ-পাতৰ মাজত গা ঢাকি গছৰ গুটি বিচাৰি খাই কলকলাই থাকে, কোনোবা শুক মুনিৰ লগত শাস্ত্ৰ গাবলৈ নেযায়।

ইহঁতবোৰৰ লগতে থকা মানুহ মখাৰহে শান্তি নাই। সিহঁতেহে মানুহ হৈয়ো সন্তুষ্ট নেথাকি দেৱতা হ'বলৈ উধাও হয়।

কিন্তু মানুহ দেৱতা হ'বলৈ যোৱাৰ আগতে প্ৰথমে মানুহ নহলে হ'ব জানো? পূৰ্ণ মানুহ হ'ব লাগিলে মানুহৰ দেহ মন হৃদয়ৰ পূৰ্ণ বিকাশ নঘটালে হ'ব জানো? অন্য জীৱ বা প্ৰাণীৰ দৰেই মানুহৰো মাতৃগৰ্ভৰ পৰাই জন্ম হয় আৰু প্ৰকৃতিৰ নিয়ম অনুসাৰিয়েই মানুহৰ মৃত্যুও হয়—যেনেকৈ শত চেষ্টাৰেও মানুহে প্ৰকৃতিৰ এই আমোঘ বিধান লংঘন কৰিব নোৱাৰে। তেনেকৈ জীৱ-জন্তু আৰু প্ৰাণীয়েও নোৱাৰে। কিন্তু নৰদেহ ধাৰী এই মানুহেই মন আৰু আত্মাৰ বিকাশ সাধন ঘটাই চৰম সত্য, পৰম জ্ঞান আৰু দেৱত্বৰো অধিকাৰী হ'ব পাৰে। সেয়ে জীৱশ্ৰেষ্ঠ মানুহৰ বৈশিষ্ট্য। এইপথত একোৱে মানুহক বাধা দি ৰাখিব নোৱাৰে। জন্মগত বৈশিষ্ট্যই এনেয়ে যেনেকৈ কাকো দেৱতা বা অতিমানৱ কৰি নোতোলে, তেনেকৈ জন্মগত কাৰণত কোনো দেৱত্ব লাভৰ বা পূৰ্ণমানৱতা লাভৰ পৰা বঞ্চিতো হ'ব নেলাগে। জীৱিকা বা বৃত্তিয়ে কাকো উচ্চ বা নীচ নকৰে, সকলো মানৱ শ্ৰম সমানে মূল্যৱান, সমানে শ্ৰদ্ধেয়। মানুহৰ লগত মানুহৰ, অন্যজীৱ আৰু প্ৰাণীৰ লগত মানুহৰ, মানৱীয়, সভ্যতা সংস্কৃতি, ধ্যান-ধাৰণা আৰু আদৰ্শৰ লগত মানুহৰ জাগতিক আৰু মানসিক আধ্যাত্মিক সম্পৰ্কইহে মানুহৰ মূল্য নিৰ্ণয় কৰে।

হৰি ভকতৰ নাই সৰু-বৰ।

সকলো ভকত সমান। ভক্তিৰ গভীৰতাৰেহে ভকতৰ গুণাগুণ বিচাৰ কৰিব লাগে।

কুকুৰ, শৃগাল, গদৰ্ভৰো আত্মা ৰাম।

সমগ্ৰ জীৱজগতৰ প্ৰতি এক অকৃত্ৰিম শ্ৰদ্ধা আৰু দায়িত্ববোধ—সেইয়াই সৃষ্টিৰ সত্য উপলব্ধিৰ সহজ পথ। যাগ-যজ্ঞ, পূজা-পাৰ্ব্বণ, বলি বিধানৰ যোগে আত্ম শুদ্ধিৰ পথৰ সন্ধান কৰাতকৈ অন্তৰত অব্যক্ত ঈশ্বৰ হৰিক থাপনা কৰি ল'ব পাৰিলে, ক্ষয়িষ্ণু মানৱদেহকে অমৰত্বৰ পথৰ লগত চিনাকি কৰিব পৰা যায়। গৃহত্যাগ কৰিব নেলাগে, সন্যাস ল'ব নেলাগে, সংসাৰ বৰ্জন কৰিব নেলাগে, প্ৰতিজন মানুহে নিজ নিজ ভাঁৰে জীৱিকা আৰ্জন কৰি, অন্য মানুহৰ প্ৰতি চেনেহ শ্ৰদ্ধা ৰাখি হৰি-চিন্তা কৰি আন্তৰিকতাৰে ভক্তি আচৰিলে মানুহ 'মানুহ' হৈ উঠিব পাৰে। বুদ্ধি, অহংকাৰ, গৰ্ব্ব, অহমিকাই আনৰ পৰা আমাক আঁতৰাই আনে। বিনয় নম্ৰতাই কায চপাই নিয়ে। প্ৰতিজন ভকত আত্মাৰ অধিকাৰী মাভৈ, প্ৰতিজনেই ৰাম, প্ৰতিজনেই কৃষ্ণ, যাৰ আত্মাত হৈছে ৰামৰ ঠাই, কৃষ্ণৰ ঠাই।

এইয়া সমাজৰ নতুন গাঁথনিৰ কাৰণে এক নতুন সংহিতা, নতুন দৰ্শন। এনে মৰ্য্যাদা, এনে স্বীকৃতি পাবৰ কাৰণেই কৃষিজীৱি সেই সমাজ, শ্ৰম-জীৱি সেই সমাজ সণ্টম আছিল। ধুঁৱাহাটৰ দুবৰিয়ে ঢকা বাকৰিত এই নতুন, সহজ নিৰাড়ম্বৰ সমাজ দৰ্শনে লাভ কৰিলে সকলো সাধাৰণ মানুহৰে সমাদৰ। ধুঁৱাহাটত ভকত-ভকতনীৰ সংখ্যা দিনে দিনে বাঢ়িব ধৰিলে। এখন নতুন সমাজ, এখন বৈষ্ণৱৰ সমাজ, এখন মানুহৰ সমাজত নিজ নিজ ঠাই লবৰ কাৰণে সকলো আগবাঢ়ি আহিল। লিখিব-পঢ়িব নজনা, আখৰ জ্ঞানো নথকা খাটি খোৱা মানুহৰ চকুৰ আগত স্পষ্টহৈ উঠিল বেদ, বেদান্ত, গীতা, ভাগৱত, পুৰাণ কাব্যৰ মাজত হেজাৰ হেজাৰ বছৰ দুৰ্ব্বোধ্য দুৰ্লভ হৈ সোমাই থকা আখ্যান, উপাখ্যান, দৰ্শন, ইতিহাস, জ্ঞান-বিজ্ঞানৰ কথা। লুইতৰ পাৰৰ সমাজৰ ৰূপ সলনি হ'ব ধৰিলে। এটা নতুন সাংস্কৃতিক পৰিৱেশ গঢ় লৈ উঠিল। মানুহ হোৱাৰ এক নতুন মৰ্য্যাদাবোধৰ চেতনাই জীৱনৰ নতুন অৰ্থ দিলে।



এই গঢ় দিওতা বৰ খনিকৰ শংকৰদেৱ, পালি খনিকৰ মাধৱদেৱ, হাত উজান দিওতা ভকত-ভকতনীসকল। নতুন সমাজৰ ভিত্তি হ'ল: ধৰ্ম্ম জীৱনত সকলোৰে সমান অধিকাৰ। জাতি-বৰ্ণ-ধৰ্ম্ম গোষ্ঠীৰ উৰ্দ্ধৰ এক ব্যাপক মানৱতাবোধ।

এই ব্যৱস্থা সকলোৰে মনঃপূত নহ'ল। এই ব্যৱস্থাই এদল লোকৰ স্বাৰ্থক চুলে। জন্ম-জাতি-গোষ্ঠীৰ ভিত্তিত সমাজক ভাগ ভাগ কৰি মানুহৰ মুক্তি আৰু উদ্ধাৰৰ কাৰণে নানা দেৱ-দেৱীক পূজা কৰাৰ যোগেদি পুৰোহিতালি কৰি, যজমানি কৰি বৰ্তি থকা লোকসকল শংকৰৰ প্ৰভাৱ দিনে দিনে বাঢ়ি যোৱা দেখি অধৈৰ্য্য হৈ পৰিল। বাধা দিবৰো শক্তি বা উপায় নাই। সৰহ ভাগ মানুহ শংকৰৰ অনুগামী, শংকৰৰ ফলীয়া। আনৰ যোগে পৰলোকত উদ্ধাৰ পোৱাৰ ব্যৱস্থাতকৈ প্ৰত্যেকে নিজে হৰিনাম লৈ এক সৰল ধৰ্ম্ম-জীৱন যাপন কৰাৰ বিধানে সকলোকে আকৰ্ষণ কৰিলে। কৰ্ম্ম কাণ্ডত বিশ্বাস কৰা, জন্মৰ ভিত্তিত মানুহৰ জাতিবৰ্ণৰ বিচাৰ কৰা ব্ৰাহ্মণসকল ক্ষিপ্ত হ'ল।

ৰজাত গোচৰ দিলে—শংকৰদেৱে সনাতন হিন্দু ধৰ্ম্মৰ ব্যাভিচাৰ আনিছে। জাতিভেদৰ বিচাৰ নোহোৱা কৰিছে। ম্লেছ, যৱন, অস্পৃশ্য, চাণ্ডাল, শূদ্ৰ, বৈশ্য—নানা জাতি-জনজাতিৰ লোকক একাকাৰ কৰি পেলাইছে। হিন্দু ধৰ্ম্মৰ গূঢ় গুপুত কথাবোৰ স্ত্ৰী, শূদ্ৰ, অস্পৃশ্য, চাণ্ডাল, সকলোৰে কাৰণে মুকলি কৰি দিছে। এনেকৈ হিন্দু ধৰ্ম্ম ৰক্ষা নপৰিব। সমাজ ৰসাতলে যাব। শাস্ত্ৰ ভাগৱতত থকা সকলো গূঢ় গুপুত কথা সকলোৱে জানি গ'লে মানুহবোৰে পূজা-পাৰ্ব্বণৰ বিধি-বিধান বাদ দি কেৱল হৰিনাম লৈ ধৰ্ম্ম কৰা হৈছে বুলি ভাবিবলৈ ললে। মানুহবোৰ সকলো পাপী হৈ নৰকলৈ যাব। শংকৰদেৱৰ ৰাজ চ'ৰাত বিচাৰ হ'ব লাগে। সনাতন হিন্দু ধৰ্ম্মৰ গূঢ় কথাবোৰ এনেদৰে সদৰি কৰি দি ধৰ্ম্মৰ মূল্য নোহোৱা কৰাৰ অপৰাধৰ কাৰণে বৈষ্ণৱ মতবাদৰ প্ৰৱৰ্ত্তক শংকৰদেৱৰ বিচাৰ হ'ব লাগে।

গুচৰীয়া ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ব্ৰাহ্মণসকল, পদকীয়া শংকৰদেৱ। বিচাৰক গড়গাঁৱৰ আহোম ৰজা চুহুংমুং। ভকতসকলৰ মনত উৎকণ্ঠা

আৰু ভয়। ব্ৰাহ্মণসকলৰ মনত উল্লাস। শংকৰদেৱ নিৰ্ভীক, নিৰ্বিকাৰ। এইয়া নতুনৰ বিৰুদ্ধে প্ৰাচীনৰ অভিযোগ। সংস্কাৰৰ বিৰুদ্ধে সংস্কাৰ বিমুখীতা আৰু সংৰক্ষণশীলতাৰ অভিযোগ, এক ধৰ্ম-গুৰুৰ বিপ্লৱৰ বিৰুদ্ধে, সাম্য আৰু উদাৰতাৰ বিৰুদ্ধে, নিয়ম নিষ্ঠা আৰু নৈষ্ঠিকতাৰ বিৰোধ।

বিচাৰ হ'ব—মানুহতকৈ নিয়ম-নীতি ডাঙৰ নে নিয়ম-নীতিতকৈ মানুহ ডাঙৰ। মানুহ শাস্ত্ৰৰ কাৰণে, নে শাস্ত্ৰ মানুহৰ কাৰণে। শংকৰদেৱে ভয় নেখালে।

প্ৰজাৰ সম্পত্তি, ধৰ্ম আৰু জীৱন ৰক্ষা কৰাটো ৰাজধৰ্ম। অনীতি, দুৰ্নীতি প্ৰৱৰ্তন কৰি সমাজত ভাঙন আনিবলৈ কাকো এৰি দিব নোৱাৰি। ধৰ্মৰ বিৰুদ্ধে অভিযোগ ডাঙৰ অভিযোগ। কাকো ধৰ্মত হাত দিবলৈ দিব নোৱাৰি। ৰাজদণ্ড ৰজাৰ হাতত। ৰজা ধৰ্মৰ ৰক্ষক; মানুহৰ, প্ৰজাৰ পাপ-পুণ্যৰ কাৰণে ৰজা দায়ী নহৈ নেথাকে।

গড়গাঁৱৰ ৰজা ঘৰৰ পৰা ধুঁৱাহাটৰ গুৰু ঘৰলৈ পৰৱানা আহিল। শংকৰদেৱৰ ৰাজসভাত বিচাৰ হ'ব—সনাতন হিন্দু ধৰ্মৰ ক্ষতি সাধন কৰি নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ কাৰণে।

আহোম ৰজায়ো ইতিমধ্যে হিন্দু-ধৰ্ম লৈছে। সেই ধৰ্ম লৈছে ব্ৰাহ্মণসকলৰ পৰাই। এতিয়াও সেই ব্ৰাহ্মণেই গোচৰ তৰিছে—স্বৰ্গদেউৰ ওচৰত। হিন্দু ধৰ্মক ৰক্ষা কৰিব লাগে। যাজক পুৰোহিত সকলৰ স্থান মৰ্যাদা আৰু স্বাৰ্থ ৰক্ষা কৰিব লাগে।

ব্ৰাহ্মণসকলেই ব্ৰহ্মপুত্ৰৰ পাৰলৈ আনিছিল হিন্দু ধৰ্ম, আৰ্য্য সভ্যতা, বৈদিক জীৱন দৰ্শন। নিজস্ব পৰম্পৰাগত লোক বিশ্বাস এৰি বহুতেই হিন্দু ধৰ্ম লৈছিল। শংকৰৰ নতুন মতবাদে ইয়াত বাধাৰ সৃষ্টি কৰিবলৈ ওলাইছে। ৰজাই ইয়াৰ বিচাৰ কৰক, বিধান কৰক। হিন্দু ধৰ্মৰ ৰক্ষা কৰক।

ব্ৰহ্মপুত্ৰ আৰু দিখৌৰে নাৱেৰে উজাই ভকতসকলৰে সৈতে শংকৰ-দেৱে গড়গাঁৱৰ ঘাটত নাও বান্ধিলেগৈ।

শংকৰদেৱ আজি মাটিগিৰী বৰ ভুঞা নহয়, চণ্ডীবৰ বাৰভুঞাৰ



উত্তৰাধিকাৰী বাৰ ভুঞা নহয়, এক নতুন ধৰ্মীয় মতবাদৰ এক নতুন সাম্য আৰু শুদ্ধাচাৰৰ ভিত্তিত গঠন কৰিবলৈ লোৱা মানৱতাবাদৰ প্ৰৱৰ্ত্তক, সহজ, সৰল, নামধৰ্মৰ উদাৰতাৰে সকলোকে সামৰি, সাৱটি লোৱাৰ এক দুঃসাহসী নতুন পুৰুষ। ভকতসকলৰ মানত, ৰাইজৰ মানত এক মহাপুৰুষ। যি নিজে নিজৰ পৰিচয় বিনীতভাৱে দিয়ে—কৃষ্ণৰ কিংকৰ বুলি, দাস বুলি, নানা অপৰাধে অপৰাধী ভগৱানৰ ক্ষমা আৰু কৰুণাপ্ৰাৰ্থী অধম বুলি।

আহোম ৰাজসভাত সেইদিনা শংকৰদেৱৰ বিচাৰ হ'ব—ৰাজদ্ৰোহৰ অপৰাধৰ অভিযোগ নহয়। হিন্দু ধৰ্মৰ প্ৰৱৰ্ত্তক কিছু সংখ্যক ব্ৰাহ্মণৰ অভিযোগত। এই ধৰ্মৰ নীতি-নিয়ম, পৰম্পৰা, আচাৰ-বিচাৰ নিজে ভঙ্গ কৰি কিছুমান নজনা-নুবুজা সাধাৰণ প্ৰজাকো তেনে কৰিবলৈ উচটোৱা, উদগোৱা বুলি।

ৰাজ সভাত বিচাৰ।

বিচাৰৰ আসনত স্বয়ং স্বৰ্গদেৱ স্বৰ্গনাৰায়ণ—চুহুংমুং, হিন্দু ধৰ্ম গ্ৰহণ নকৰিলেও থলুৱা আচাৰ বিচাৰমতে চলা এজন প্ৰজা বৎসল আহোম ৰজা। ৰজাজন হিন্দু নহলেও অভিযোগকাৰীসকল হিন্দু, অভিযুক্ত জনো হিন্দু। গোচৰৰ বিষয়—ধৰ্মৰ ব্যভিচাৰ।

শংকৰদেৱৰ বিৰুদ্ধে ৰাজসভাত বিচাৰ। ৰাজচ'ৰাত পাত্ৰ মন্ত্ৰী, বিষয়া, পাৰিষদ। ৰজাৰ হাতত ৰাজদণ্ড।—ধৰ্মক লৈ অনীতি অধৰ্ম কৰিবলৈ কাকো দিব নোৱাৰি। নিয়ম ভঙ্গ কৰিবলৈ দিব নোৱাৰি। ৰজা প্ৰজা পালকেই নহয়, প্ৰজাৰ ধৰ্মৰ ৰক্ষকো। ৰজাই ন্যায় বিচাৰ কৰিব, কঠোৰতাৰে ধৰ্ম ৰক্ষা কৰিব!

শংকৰদেৱৰ ৰাজসভাত বিচাৰ হ'ব বুলি জানি বিচাৰ চাবলৈ ৰাইজ গোট খাইছে—ব্ৰাহ্মণ, বৈষ্ণৱ আৰু অন্যান্য বহুত প্ৰজা। এনে ধৰণৰ বিচাৰ ৰাজ-সভাত আগে হোৱা নাই। বিচাৰ হয় মৰা-কটা, চুৰি-ডকাইতি, ৰাজদ্ৰোহৰ। এইবাৰ হ'ব ধৰ্মৰ নীতি-নিয়ম ভঙ্গ কৰাৰ অপৰাধৰ গোচৰৰ বিচাৰ।

যথাসময়ত শংকৰদেৱক আনি বিচাৰৰ কাৰণে পদকীয়াৰ কাঠগড়াৰ চাঙত তোলা হ'ল।

সিংহাসনত হাতত ৰাজদণ্ড লৈ ৰজা চুহুংমুং।

এফালে গুচৰীয়া কেইজনমান ব্ৰাহ্মণ। কপালত ফোট ৰেখা, টিকনিত ফুল, গাত লগুণৰ ওপৰত পাটৰ চেলেং, ককালত পাটৰ চুৰিয়া। চকু-মুখত এক স্পষ্ট অহংকাৰৰ লুকুৱাব নোৱাৰা আত্মম্ভৰিতা।

আনফালে শংকৰদেৱ। স্থিৰ, আত্মস্থ, নিৰ্ভীক পিঠিলৈকে পৰা কাকৈৰে ধুনীয়াকৈ ফণিওৱা ক'লা কেকোৰা চুলি। স্বাস্থ্যবান দেহাৰ ওপৰত পাটৰ চেলেং তাৰ তলত পাটৰ উত্তৰী। পিন্ধনত পাটৰ নিকা চুৰিয়া।

উপস্থিত সকলোৰে চকু-মুখত এক অব্যক্ত কৌতূহল : এইয়া এক অভিনৱ বিচাৰ, এক অভিনৱ গোচৰ, শাস্ত্ৰ ভাগৱতত সুপণ্ডিত এক অব্ৰাহ্মণৰ বিৰুদ্ধে এক কুলীন কায়স্থৰ বিৰুদ্ধে, এক বৈষ্ণৱৰ বিৰুদ্ধে এদল ব্ৰাহ্মণৰ অভিযোগৰ ৰাজচ'ৰাত বিচাৰ।

বিচাৰৰ ফলাফল কি হ'ব কোনোৱে ক'ব নোৱাৰে। প্ৰজাৰ গোচৰ— ৰজা ন্যায়-বিচাৰ কৰিবলৈ বাধ্য। অভিযুক্ত পদকীয়া যিয়েই নহওক, যিমান ডাঙৰ বা প্ৰতিপত্তিশালী ব্যক্তিয়েই নহওক লাগিলে। সকলো ব্ৰাহ্মণেই শংকৰৰ বিৰোধীতা কৰা নাই। ভালেকেজন ব্ৰাহ্মণে শংকৰ-দেৱৰ এক শৰণ ধৰ্ম গ্ৰহণ কৰি নতুন বৈষ্ণৱ আদৰ্শ গ্ৰহণ কৰিছে। ব্যাসকলাই, ৰত্নাকৰ কন্দলী আদি ব্ৰাহ্মণে শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছে। এনে ভকতসকল, শংকৰদেৱৰ ৰাজচ'ৰাত বিচাৰ হোৱাৰ নিচিনা ঘটনাত মৰ্মান্তিক দুঃখিত হৈছে।

আনহাতে ধুঁৱাহাটত বৈষ্ণৱ ভকতসকলৰ নানাধৰণে হাৰা-শাস্তি কৰা, সংকীৰ্ণমনা ব্ৰাহ্মণসকলে শংকৰক জগৰীয়া কৰি ৰাজচ'ৰাত উপস্থিত কৰাব পৰাত উল্লসিত। শ্ৰীৰাম ভট্টাচাৰ্য্য, কবিৰাজ মিশ্ৰ, বামণাচাৰ্য্য, ব্ৰহ্মানন্দ ভট্টাচাৰ্য্য আদি যিসকল ব্ৰাহ্মণ শংকৰদেৱৰ ঘোৰ বিৰোধী আছিল অথচ যি সকল বুঢ়াখাঁৰ ঘৰত হোৱা ধৰ্ম বিষয়ক তৰ্কত শংকৰৰ পক্ষক হৰুৱাবলৈ বহু চেষ্টা কৰিও ব্যৰ্থ হৈছিল তেওঁলোকৰ আজি পৰম আনন্দ উল্লাসৰ দিন। সনাতন ধৰ্মৰ ব্যভিচাৰ ঘটোৱাৰ অপৰাধত আজি কায়স্থ শংকৰ ৰজাঘৰীয়া বিচাৰত দোষী প্ৰমাণিত হ'ব,



আৰু শাস্তি ভোগ কৰিবলৈ বাধ্য হ'ব। শংকৰৰ ৰাইজৰ মাজত গঢ়ি উঠা প্ৰভাৱ, প্ৰতিপত্তি, জনপ্ৰিয়তাৰ ওৰ পৰিব, আৰু সাধাৰণ মানুহক ভুল পথ দেখুৱাই, ব্ৰাহ্মণ চাণ্ডাল সকলোকে নাম ধৰ্ম দি একাকাৰ কৰি গুৰুগিৰী কৰাৰো অন্ত পৰিব। শংকৰ নোহোৱা হলেই ব্ৰাহ্মণসকলৰ পূৰ্বৰ প্ৰভাৱ প্ৰতিপত্তি পুনৰ প্ৰতিষ্ঠিত হ'ব। আৰু পূৰ্বৰ দৰেই পূজা কৰম শ্ৰাদ্ধ হোম কৰি ব্ৰাহ্মণসকল সচ্ছলভাৱে চলি থাকিব পাৰিব। শংকৰক ৰাইজৰ পৰা আঁতৰাই পঠিয়াব নোৱাৰা পৰ্য্যন্ত স্থানীয় ব্ৰাহ্মণ-সকলৰ শান্তি নহয়। তেওঁলোকৰ বৃত্তিও নিৰাপদ নহয়। শংকৰৰ শিষ্য ভকতৰ সংখ্যা যিমানে বাঢ়ি যাব, ব্ৰাহ্মণৰ প্ৰভাৱ আৰু আৰ্জনি সিমানে কমি যাব। হিন্দু হৈও শংকৰে ব্ৰাহ্মণৰ স্বাৰ্থহানি কৰাত একাণপতীয়াকৈ লাগিছে। ইয়াক ভেটা দিব লাগিব। ৰজা ঘৰে বিচাৰত শংকৰক দোষী প্ৰমাণ কৰি শাস্তি দিলে, ব্ৰাহ্মণসকল নিষ্কণ্টক হ'ব। হঠাৎ আহি সমাজত খেলিমেলি লগাই দিয়া এই অব্ৰাহ্মণ ধৰ্ম গুৰুৰ দপদপনিৰ অন্ত পৰিব।

আজিয়েই সেই মাহেন্দ্ৰ সময়। আজিয়েই ব্ৰাহ্মণৰ অব্ৰাহ্মণৰ উদভণ্ডালিৰ পৰা মুক্ত হোৱাৰ দিন। বিশেষকৈ শৰাধ বিধি কৰি, পুৰোহিতালি কৰি, যজমানী কৰি পেট প্ৰৱৰ্ত্তাই থকা ব্ৰাহ্মণসকলৰ জীৱিকাৰ পথৰ অন্তৰায় আঁতৰিব বুলি অভিযোগকাৰী ব্ৰাহ্মণসকল দেখাতেই আনন্দিত হ'ল। ৰজাৰ নিৰ্দেশ হ'ল, শংকৰে কি কি আৰু কেনে কৰ্ম্মৰে হিন্দু ধৰ্মৰ ক্ষতি সাধন কৰিছে অভিযোগকাৰী ব্ৰাহ্মণ সকলে জনাব লাগে।

গুচৰীয়াসকলে জনালে, "শংকৰ অব্ৰাহ্মণ, শূদ্ৰ। জন্মসূত্ৰে শংকৰৰ নিজৰ মতে ধৰ্ম শাস্ত্ৰৰ ব্যাখ্যা কৰাৰ অধিকাৰ নাই। শংকৰে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, অন্ত্যজৰ কোনো ভেদাভেদ নাই বুলি ঘোষণা কৰিছে। আৰু নামধৰ্ম নামে এক নতুন ধৰ্ম উলিয়াই বহুতকে এক শৰণীয়া দীক্ষা দিছে। শংকৰে দেৱ-দেৱীসকলক পূজা কৰিবলৈ বাধা দিছে, মূৰ্ত্তি পূজাও বাধা দিছে। সকাম কৰাৰ বিপক্ষে ৰাইজক উচটাইছে আৰু হৰিনাম লোৱাৰ বিষয়ত সকলোৰে সমান অধিকাৰ আছে বুলি

কৈছে। এনেদৰে মানুহবোৰক সনাতন হিন্দু ধৰ্মৰ পৰা আতৰাই নিছে। শংকৰে ভকত-ভকতনী লৈ নাম-কীৰ্ত্তন কৰি নিৰাকাৰ হৰিৰ ওচৰত দাস ৰূপে আত্মসমৰ্পণ কৰিবলৈ দিহা দিছে। স্ত্ৰী, শূদ্ৰ, যৱণ, কৈৱৰ্ত্ত সকলোকে নাম লবলৈ শিকাই সমাজৰ গাঁথনিকে ভাঙি পেলাইছে। এনেজন মানুহক সৰহ দিন এনেধৰণে তেওঁৰ মত প্ৰচাৰ কৰিবলৈ দিলে সমাজ নষ্ট হ ব। আৰু ৰজা আৰু ৰাইজৰ অকল্যাণ আৰু অমঙ্গল হ'ব। ধৰ্মাৱতাৰ স্বৰ্গদেৱ ঈশ্বৰে ইয়াৰ ন্যায় বিচাৰ কৰিব লাগে। আৰু শংকৰ নামৰ এই ধৰ্মদ্ৰোহী আৰু ৰাজদ্ৰোহী লোকজনক উপযুক্ত শাস্তি দিব লাগে।"

স্বৰ্গদেৱ চুহুংমং নিৰ্বিকাৰ। বৰ মনোযোগেৰে ব্ৰাহ্মণসকলৰ গোচৰ শুনিলে। তাৰ পিছত কোনো মত-অভিমত প্ৰকাশ নকৰি অভিযোগ সম্পৰ্কে শংকৰৰ যি ক'বলগীয়া আছে তাক নিৰ্ভয়ে বিশদভাৱে বুজাই ক'বলৈ নিৰ্দ্দেশ দিলে।

উপস্থিত সকলো মানুহে শংকৰদেৱৰ মুখলৈ চালে।

শংকৰদেৱ শান্ত, স্থিৰ, আত্মস্থ। তেওঁ যেন ৰজা আৰু ৰাইজৰ সম্মুখত এজন অপৰাধী হিচাপে থিয় দিয়া নাই, থিয় দিছে ৰজা তথা দেশবাসীক এক নতুন জীৱনাদৰ্শনৰ কথা বুজাই ক'বৰ কাৰণে, এক নতুন সত্যৰ লগত চিনাকি কৰি দিবৰ কাৰণে, সাধাৰণ, হজুৱা-বনুৱাক সমাজত নিজৰ স্থান আৰু মৰ্য্যাদা বিচাৰি লোৱাৰ ক্ষেত্ৰত তেওঁৰ নতুন মতবাদে দিয়া আৰু দিব খোজা অধিকাৰৰ কথা বুজাই দিবৰ কাৰণে।

পৌৰুষ আৰু ব্যক্তিত্বৰ প্ৰত্যয়েৰে শক্তিশালী ভাষাৰে শংকৰদেৱে লাহে লাহে ক'ব ধৰিলে: "স্বৰ্গদেৱ, আহোম ৰাজ্যৰ অধিপতি মহাৰাজে মোক বিচাৰৰ কাৰণে ৰাজসভালৈ আনি থিয় কৰাইছে। ৰজাঘৰৰ কি জগৰ লগাইছো মই নেজানো। মই শিৰোমণি ভূঞাৰ পৰিয়ালৰ সন্তান, মই কায়স্থ। কিন্তু মোৰ ভূঞা পৰিয়ালত জন্ম হলেও মই এতিয়া ভুইঁগিৰী, মাটিগিৰী ভূঞা নহওঁ। বিষয়-সম্পত্তি লৈ চিনাকি দিবলগীয়া বা গৰ্ব্ব কৰিবলগীয়া মোৰ একো নাই। পৰিয়ালৰ যি ভুই মাটি আছিল তাক ভালেমান দিনৰ আগতে মই বৰদোৱাতে এৰি



আহিলো। তাৰ বাবে মোৰ কোনো খেদ বা অনুশোচনা নাই। হৰিনাম ধন বুকুত বান্ধি কেইজনমান মোৰ নিচিনা ভকত লগত লৈ নিজৰ স্ত্ৰী-সন্তান পৰিয়াল লৈ মই আহি ধুঁৱাহাটত পাম পাতি আছোহি। আহি পাবৰ সময়ত আমি চুটীয়া ৰজাৰ অধীনত আছিলো। এতিয়া আমি আছো আহোম স্বৰ্গদেউৰ অধীনত, স্বৰ্গদেৱৰ ৰাজ্যৰে প্ৰজা হিচাপে।"

শংকৰদেৱ অলপ ৰ'ল। চউদিশ নিস্তব্ধ। কাৰো মুখত মাত কথা নাই। সকলোৰে চকু শান্ত, নিৰুদ্বেগ আত্মস্থভাৱে, গলগলীয়া মাতেৰে কথা কৈ যোৱা শংকৰদেৱৰ মুখৰ ওপৰত। সকলোৰে মনত কৌতুহল—কি ক'বলৈ ওলাইছে শংকৰদেৱে? অভিযোগকাৰী ব্ৰাহ্মণসকলৰ বিৰুদ্ধে কিবা ক'বনে নিজক দোষ মুক্ত কৰিবৰ কাৰণে কিবা ক'ব?

ৰজাৰ পক্ষৰ পৰা নিৰ্দ্দেশ শুনোৱা হ'ল। "স্বৰ্গদেৱে তোমাৰ কথা কাণ দি শুনিছে। কোনো ভয় সংকোচ নোহোৱাকৈ নিজৰ সকলো কথা বিৱৰি ক'বলৈ স্বৰ্গদেৱে নিৰ্দ্দেশ দিছে, কোৱা।"

শংকৰদেৱে পুনৰ ক'বলৈ আৰম্ভ কৰিলে, "স্বৰ্গদেৱ আৰু ৰাইজ, ব্ৰাহ্মণসকলে ইয়াত মোৰ বিৰুদ্ধে যি গোচৰ দিছে, সেই কথা মই শুনিছো। প্ৰজাপালনৰ অধিকাৰী স্বৰ্গদেউ যিদৰে সকলো প্ৰজাৰ নমস্য তেনেকৈ ধৰ্মৰ তত্ত্বকথা আৰু ৰীতি-নীতি প্ৰৱৰ্ত্তনৰ অধিকাৰী শাস্ত্ৰজ্ঞ ব্ৰাহ্মণসকলো সকলোৰে নমস্য। স্বৰ্গদেৱৰ বিৰুদ্ধে যি দৰে মোৰ কোনো অভিযোগ নাই, ব্ৰাহ্মণসকলৰ বিৰুদ্ধেও মোৰ কোনো অভিযোগ নাই। মই কাৰো স্বাৰ্থৰ হানি কৰিবলৈ বিচৰা নাই, কাৰো অন্যায় কৰিব খোজা নাই। কিন্তু নিৰীহ, নিৰ্দ্দোষ কোনো প্ৰজাক যদি অন্যায়ভাৱে ৰজাঘৰে বা কোনো ৰাজ বিষয়াই শোষণ-দমন কৰিব খোজে, তেওঁলোকক তেজ মঙহৰ জীয়া মানুহ বুলি গণ্য নকৰি, কুকুৰ-মেকুৰীৰ দৰে বা কোৰ-কুঠাৰৰ দৰে গণ্য কৰে, তাৰ বিৰুদ্ধে ময়ে নহয়, সকলোৱেই মাত মতা উচিত। মই প্ৰতিটো মানৱ সন্তানক মানুহ হিচাপে সকলোৱে গণ্য কৰাটো বিচাৰো। ৰজাই, প্ৰজাই—সকলোৱে। কাৰোবাৰ হাতত

কোনোৱা, হালোৱা-হজুৱা, কাঁড়ী-পাইক লাঞ্চিত বঞ্চিত হোৱাটো মই নিবিচাৰো। ৰজাঘৰে সকলো প্ৰজাকে মানে-মৰ্য্যাদাই জীয়াই থকাত সহায় কৰিব লাগে। ধৰ্ম্ম গুৰু সকলেও, ব্ৰাহ্মণ সকলেও শুদ্ধ ধৰ্ম্মজীৱন যাপন কৰাত কেৱল সেই ধৰ্ম্মৰ অনুগামী সকলকে নহয়, অন্য সকলকো বাট দেখুৱাই সহায় কৰি দিব লাগে। ধৰ্ম্মৰ কথাত কোনো লুকুৱাবলগীয়া কথা নাই। কোনো আচুতীয়া কথা নাই। ঈশ্বৰ সকলোৰে ঈশ্বৰ, ঈশ্বৰৰ কথা কাৰো পৰা কোনোৱে গোপন কৰি ৰখাটো অন্যায়। জাত-পাত মানুহৰহে সৃষ্টি, ঈশ্বৰৰ সৃষ্টি নহয়। একেই আহোম জাতিৰ এজন স্বৰ্গদেউ হৈ সিংহাসনত বহিছে। এজনে সৈন্য হৈ স্বৰ্গদেউ আৰু প্ৰজাৰ কাৰণে ৰণ কৰিছে, এজনে পথাৰত বোকাত নামি খেতি কৰিছে, এজনে বেহা-বেপাৰ কৰিছে, এজনে চাংমাই শালত ৰান্ধনি কৰিছে, এজনে দেওধাই বাইলুং হৈ স্বৰ্গদেউ আৰু প্ৰজাৰ মঙ্গলৰ কাৰণে পূজা কৰিছে, মঙ্গল চাইছে! বেলেগ বেলেগ বৃত্তি অৱলম্বন কৰি জীৱন নিৰ্ব্বাহ কৰিছে বুলিয়ে তেওঁলোকৰ জাত বেলেগ বেলেগ হ'লনে? এই পৃথিৱীৰ সকলো দেশতে ঈশ্বৰৰ সৃষ্টি মানুহ আছে। সকলো দেখিবলৈ একে নহয়, সকলোৱে একে কাম নকৰে, সকলোৱে একে সাজ নিপিন্ধে, সকলোৱে একে নেখায়, সকলোৱে একে মাতেৰে কথা নকয়। সেই বুলি এই সকলো জানো একেজন ঈশ্বৰেই সৃজন কৰা একেই মানুহ নহয়? এজন ব্ৰাহ্মণৰ সন্তান, ব্ৰাহ্মণ পিতৃ-মাতৃৰ পৰা জন্মলাভ কৰিলে বুলিয়েই, ব্ৰাহ্মণৰ কোনো শিক্ষা-দীক্ষা, গুণ-গৰিমা আয়ত্ব কৰিব নোৱাৰিলে, তেওঁ ব্ৰাহ্মণ বুলি স্বীকৃতি আৰু সন্মান পাবৰ যোগ্যনে? তেনেকৈ কোনো অব্ৰাহ্মণৰ ঘৰত, কায়স্থৰ ঘৰত, শূদ্ৰৰ ঘৰত, মাছমৰীয়াৰ ঘৰত জন্ম লাভ কৰি কোনো মানুহৰ সন্তানে যদি জ্ঞান, বিদ্যা আয়ত্ব কৰে, আচাৰ-নীতি অনুশৰণ কৰে, ব্ৰাহ্মণ জনোচিত নৈতিক জীৱন যাপন কৰে, তেওঁক তাৰ বাবে সমাজে সন্মান কৰিব নেলাগেনে? স্বীকাৰ কৰিব নেলাগেনে? তেওঁৰ জন্মৰ কথাটো ডাঙৰ নে তেওঁৰ জ্ঞান-বুদ্ধি, শিক্ষা-দীক্ষা ডাঙৰ? পাপ তাপ ক্লিষ্ট পৃথিৱীৰ মানুহৰ মুক্তিৰ কাৰণেই ভগৱানে বাৰে বাৰে পৃথিৱীত অৱতাৰ



হৈছে। কেতিয়াবা নৰসিংহ ৰূপে, কেতিয়াবা পৰশুৰাম ৰূপে, কেতিয়াবা দাশৰথি ৰামৰূপে, কেতিয়াবা বুদ্ধৰূপে অৱতাৰ হৈছে। এই অৱতাৰী ঈশ্বৰক জানো ব্ৰাহ্মণ-অব্ৰাহ্মণৰ বিচাৰেৰে বিচাৰ কৰিব পাৰি? সৃষ্টিৰ উদ্ধাৰৰ কাৰণেই, প্ৰাণীৰ মুক্তিৰ কাৰণেই, ধৰ্ম্মৰক্ষা কৰিবৰ কাৰণেই ভগৱান বিষ্ণুৱে বিভিন্ন যুগত, বিভিন্ন ৰূপত বহুবাৰ বহুৰকমৰ আকাৰ ধাৰণ কৰি পৃথিৱীত অৱতাৰ হৈছিল। এই ভগৱান বিষ্ণুৱেই দৈৱকী-নন্দন কৃষ্ণৰূপে গোপ-গোপিনীৰ সন্তানৰূপে গোৱালৰ ঘৰত জন্ম লৈছিল। স্বয়ং ভগৱান যদি অব্ৰাহ্মণ ৰূপে অৱতাৰ হলেও, সকলোৱে সেই অৱতাৰৰ জাতকুল বিচাৰ নকৰি অৱতাৰী ঈশ্বৰ বা বিষ্ণু বুলি মানে, তেন্তে কোনো অব্ৰাহ্মণে শাস্ত্ৰ চৰ্চ্চা কৰিলে, শাস্ত্ৰৰ তত্ব ব্যাখ্যা কৰিলে, ব্ৰাহ্মণ, অব্ৰাহ্মণ নিৰ্ব্বিশেষে, পুৰুষ, স্ত্ৰী নিৰ্ব্বিশেষে সকলোৱে বুজিব পৰাকৈ বেদ উপনিষদ, পুৰাণ ভাগৱতৰ কথা বুজাই দিবৰ যত্ন কৰিলে, সেইয়া কেনেকৈ ধৰ্ম্মৰ ব্যভিচাৰ কৰা হয়? কেনেকৈ শাস্ত্ৰৰ অপমান কৰা হয়? মানুহৰ কাৰণেই ধৰ্ম্ম, মানুহৰ কাৰণেই শাস্ত্ৰ, সেই ধৰ্ম্মক, সেই শাস্ত্ৰক মানুহৰ পৰা নিলগাই ৰখাটো, আঁতৰাই ৰখাটো, আচুতীয়াকৈ ৰখাটো অধৰ্ম্ম নহয়নে?"

কঠিন মাতেৰে কোৱা শংকৰৰ কথাখিনি যেন বিচাৰ-চ'ৰাৰ চালে-বেৰে ধ্বনিত-প্ৰতিধ্বনিত হৈ উপস্থিত সকলো মানুহৰ মনৰ মাজলৈও সোমাই গ'ল। মানুহবোৰে কোনোৱে ইটোৱে সিটোৰ মুখলৈ চালে, কোনোবাই কিবা কওঁ কওঁ কৰিও নোকোৱাকৈ থাকিল, কোনোবাই গুচৰীয়া কেজনৰ মুখলৈ চালে। ৰাজ বিচাৰ-চ'ৰাত পদকীয়া হৈ এনে ধৰণৰ কথা কোৱা আগে কোনোৱে শুনা নাই। শংকৰৰ নিৰ্ভীক ব্যক্তিত্ব দেখি সকলো স্তম্ভিত হ'ল।

ৰজাঘৰত ব্ৰাহ্মণসকলৰ যথেষ্ট প্ৰভাৱ-প্ৰতিপত্তি আছিল। ৰাজ্যৰ অধিপতি ৰজা, আৰু ধৰ্ম্মৰ অধিপতি ব্ৰাহ্মণ—একেই সমাজৰ উচ্চ-শ্ৰেণীৰ অভিজাত শ্ৰেণীৰ মানুহ। সাধাৰণ কৃষক-বণুৱা, বাঢ়ৈ-খনিকৰ, কমাৰ-কুমাৰ, বেপাৰী-পোহাৰী শ্ৰেণীৰ মানুহতকৈ ওপৰ শ্ৰেণীৰ মানুহ বুলি সকলোৱে গণ্য কৰে। আজিৰ বিচাৰত স্বৰ্গদেৱে ব্ৰাহ্মণৰ পক্ষ

ল'বনে কায়স্থ শংকৰৰ পক্ষ ল'ব? শংকৰৰ কথাত দোষ ধৰিবলগীয়া কিবা আছে যেন নেলাগে দেখোন?

নিস্তব্ধতা ভঙ্গ কৰি, ৰাজ-নিৰ্দেশ শুনোৱা হ'ল :—"স্বৰ্গদেউৰ চ'ৰাত গোচৰ দিয়া হৈছে শংকৰ বোলে হিন্দুৰ পূজা-পাৰ্বণৰ বিৰোধী। ভকতবোৰক বোলে দেৱ-দেৱীৰ পূজা কৰিবলৈ হাক দিয়া হৈছে, বাধা কৰা হৈছে। শ্ৰাদ্ধ বুলি যে কিবা বিধান আছে তাকো কৰিবলৈ হাক দিয়া হৈছে বোলে। এইবোৰ কাৰ্য্যৰ দ্বাৰা প্ৰজাৰ মাজত ভেদা-ভেদ সৃষ্টি কৰা হৈছে, ব্ৰাহ্মণসকলক অপদস্থ কৰা হৈছে আৰু মৃত্যু হোৱা হিন্দুলোকসকলৰ আত্মক স্বৰ্গলাভ কৰাৰ পৰা বঞ্চিত কৰা হৈছে। পিণ্ড কি, শ্ৰাদ্ধ কি, আৰু তুমি প্ৰৱৰ্ত্তন কৰা এক শৰণীয়া নাম ধৰ্ম কি সকলোৱে বুজিব পৰাকৈ আৰু স্বৰ্গদেৱে বুজিব পৰাকৈ চমুকৈ ক'ব লাগে।" আগে কেতিয়াবা ৰাজসভাত কিবা গোচৰৰ বিচাৰ হ'লে, এনেদৰে প্ৰশ্ন সুধি পদকীয়াৰ উত্তৰলৈ বাট চাই থকাটো প্ৰায় এক ব্যতিক্ৰম আছিল। ন্যায় সোধা ফুকনেই হওক বা কোনো পাত্ৰ মন্ত্ৰীয়েই হওক ৰাজ বিষয়াৰ পৰা অপৰাধৰ বৃত্তান্ত জানি লৈয়ে বিচাৰৰ ৰায় দিয়াটোৱেই আছিল প্ৰচলিত প্ৰথা। শংকৰৰ বিচাৰ কৰোঁতে পদকীয়া শংকৰক অভিযোগ খণ্ডন কৰিবলৈ মুকলি সুযোগ দিয়া হৈছে। কাৰণ শংকৰ অকলশৰীয়া নহয়। তেওঁৰ লগত আছে এদল অনুগত ভকত আৰু তেওঁ এজন সাধাৰণ প্ৰজা নহয়, তেওঁ এজন সু-পণ্ডিত, ধৰ্মগুৰু আৰু ৰাজ-চ'ৰাৰ বিচাৰত পক্ষপাতিত্বৰ ঠাই নাই।

আকৌ শংকৰদেৱে একেই স্থিৰতা আৰু আত্মস্থতাৰে ক'বলৈ আৰম্ভ কৰিলে, "স্বৰ্গদেউ, ৰজাৰ বিচাৰ চ'ৰা শাস্ত্ৰ-ব্যাখ্যাৰ ঠাই নহয়। তথাপি মোৰ মুখৰ পৰা দুই এটা কথা জানিবলৈ বিচাৰিছে। যিটো ইয়াত থকা প্ৰায় সকলোৱেই জানে। কোনো হিন্দু লোকৰ মৃত্যু হ'লে সেই মৃতকৰ উদ্দেশ্যে গুড়, গাখীৰ, আৰু কল সানি যি লাড়ু দিয়া হয় সেয়ে পিণ্ড। লাড়ুৰ লগতে যি পানী দিয়া হয় সেয়ে পিণ্ড-জল। পিণ্ড মৃতজনে নেখায়, মৃতজনৰ নামত দি অন্যে খাই। জীয়াই থাকোতে কাৰোবাক স্নেহ শ্ৰদ্ধা নকৰিলেও মৰাৰ পিছত তেওঁলৈ সকলোৱে শ্ৰদ্ধা জনায়।



সেয়ে শ্ৰাদ্ধ, সেয়ে শৰাধ। শৰাধত পিণ্ড-জল দিয়াৰ উপৰিও ব্ৰাহ্মভোজ কৰাব লাগে। নহ'লে হেনো মৃতকৰ আত্মাই মুক্তি নেপায়। কোনো কোনো শ্ৰাদ্ধত ষোড়ষ দানো কৰিব লাগে। মৃতকৰ উদ্দেশ্যে দিয়া বুলি শ্ৰাদ্ধবিধি কাৰ্য সমাপন কৰা, ব্ৰাহ্মণক সোণ, ৰূপ, ভূমি, আসন, বস্ত্ৰ, দ্বীপ, অন্ন, জল, গৰু, ফল, তামোল, ছত্ৰ, গন্ধ, মালা, খৰম আৰু শয্যা দিব লাগে। আমাৰ কিমান মানুহৰ সোণ-ৰূপ আছে, কিমান মানুহে গৰু, বস্ত্ৰ, শয্যা দিব পাৰে? আৰু মৃতকৰ নামত দিয়া এনেবোৰ বস্তু বা পিণ্ডৰ গুড়-গাখীৰ-কলেৰে সজা লাড়ু কোনো মৃতকে খায় জানো? মৃতকৰ নামত এই সকলোবোৰ শ্ৰাদ্ধ কৰা পূজাৰীৰ ঘৰলৈ যায়। এনে শ্ৰাদ্ধ নকৰি, সেই মৃতকজনৰ আত্মাক মুক্তি দিবৰ কাৰণে তেওঁৰ জ্ঞাতে-অজ্ঞাতে হোৱা পাপৰ কাৰণে ক্ষমা কৰিবলৈ ভাৱস্তিৰে ভগৱানক প্ৰাৰ্থনা কৰাটো বেয়া কথানে? কোনো দেৱতা বা দেৱীৰ মূৰ্তিক পূজা কৰাতকৈ নিৰঞ্জন, নিৰাকাৰ, নিগুৰ্ণ, কৰুণাময় হৰিৰ ওচৰত ভক্তি যাচি আত্মসমৰ্পণ কৰাটো অধৰ্মনে? সাকাৰ ৰূপত দেৱ-দেৱীৰ নানান মূৰ্ত্তি হ'ব পাৰে। এনে ধৰণৰ বিভিন্ন মূৰ্তিক পূজা নকৰি, মূৰ্তিহীন, কায়াহীন, অব্যক্ত, অসীম, অনন্ত, নিৰাকাৰ, সৰ্ব্বজ্ঞ, সৰ্ব্বব্যাপী সৃষ্টি-স্থিতি-প্ৰলয়ৰ নিয়ন্তা ভগৱানৰ পূজা কৰাটো অধৰ্মনে? ভগৱানে ভক্তৰ ভক্তিহে বিচাৰে, ভোগ নিবিচাৰে। এক সেৱা দ্বিতীয়ম সেই কাল স্থান মায়াৰ অধিকাৰী অনন্ত কোটি ব্ৰহ্মাণ্ডৰ স্ৰষ্টা ভগৱানক সমগ্ৰ অন্তৰ দি ভক্তি জনোৱাতকৈ, আৰু ভক্তৰ সমস্ত সত্বা তেওঁতে অৰ্পণ কৰাতকৈ, কল, কুঁহিয়াৰ, মাহ, চাউল দি পূজা কৰাটো ডাঙৰ কথানে? উত্তম কথানে? কোনোবা দেশত যদি কল নাই, চাউল নাই, অন্যান্য নৈবেদ্যৰ বস্তুবোৰ নাই, তাত কিহেৰে পূজা দিলে পূজা সম্পূৰ্ণ হ'ব?

স্বৰ্গদেউ, আমাৰ দেশৰ ধৰ্মপ্ৰাণ ভকতসকলে ভগৱানক নিজৰ অন্তৰৰ অচলা ভক্তি দিহে পূজা কৰিব পাৰে। ৰাজসিক পূজাৰ আয়োজন আড়ম্বৰতে ভক্তৰ শ্ৰম আৰু অৰ্থ ব্যয় হয়। তাতকৈ সৰল অন্তৰেৰে নিৰাকাৰ হৰিৰ নাম ললেই মানুহ ইহকাল, পৰকালত পুণ্যৰ ভাগী

হ'ব পাৰে। নাম ধৰ্ম্মত সকলো ভকতৰ সমান অধিকাৰ আছে। নামধৰ্ম্মই সকলো ভকতকে সমান মৰ্য্যাদা আৰু সমান অধিকাৰ দিয়ে। ঈশ্বৰৰ নাম কীৰ্ত্তন কৰাত কোনো জাতি-অজাতি নাই। উত্তম ভকত জনেই উত্তম মানুহো।"

কথাখিনি কৈ শেষ কৰি শংকৰদেৱ ৰ'ল। এবাৰ সম্মুখৰ ৰাইজৰ ফালে চালে, তাৰ পিছত ৰজা আৰু ৰাজ বিষয়াসকলৰ ফালে চালে। তেতিয়াও তেওঁ আত্মস্থ আৰু দৃঢ়।

কিছু অভাৱনীয় ভাৱে স্বৰ্গদেউ চুহুংমুং দিহিঙ্গীয়া ৰজাই এইবাৰ মাত দিলে: "শংকৰে সজ কথাকে কৈছে। পূজা-শ্ৰাধ নকৰাটো ধৰ্ম্ম-বিৰোধী কাম বুলি বিবেচনা কৰিব নোৱাৰি। আমাৰ লিখিব পঢ়িব নজনা সাধাৰণ প্ৰজাই দেৱ ভাষাত থকা ধৰ্ম্মশাস্ত্ৰৰ কথা বুজি নেপায়— শংকৰে সকলোৱে বুজিব পৰাকৈ যিদৰে ধৰ্ম্মৰ কথাবোৰ বুজাই দিছে। যি বোৰ ধৰমৰ গীত ৰচনা কৰি গাইছে, গাবলৈ শিকাইছে সেইয়া প্ৰজাই বুজি পাইছে। আৰু সেয়ে শংকৰৰ ওচৰত শৰণ লৈ ভকত হৈছে।

শংকৰ এজন পণ্ডিত। তেওঁ এজন ধৰ্ম্মগুৰু। আমাৰ বিচাৰত শংকৰ নিৰ্দ্দোষ, নিৰপৰাধ।

ৰাজ ভঁড়ালৰ পৰা শংকৰক ধন, সোণ, বস্ত্ৰ মাননী দিব লাগে। এনে এজন সৎ পণ্ডিত লোকৰ বিৰুদ্ধে ৰজাত বিচাৰ দিয়াটো উচিত কথা হোৱা নাই। আজিলৈ সভা সামৰা হ'ল। ৰজা-প্ৰজা সকলোৰে কাৰণে শংকৰদেৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগে।"

শংকৰকে ধৰি উপস্থিত ভকতসকলৰ কণ্ঠৰ পৰা সমস্বৰ ধ্বনি নিৰ্গত হ'ল: "জয় ৰাম বোলা, জয় হৰি বোলা। জয় হৰি বোলা, জয় ৰাম বোলা।"

ৰজা থিয় হ'ল। সকলো থিয় হ'ল। ৰজা সিংহাসনৰ পৰা নামিল। আকৌ ভকতসকলে হৰিধ্বনি দিলে—"জয় ৰাম বোলা, জয় হৰি বোলা।"

ৰজাৰ ওঠ দুটাও সামান্য কঁপিল। অজানিতেই তেওঁও যেন অস্ফুট মাতেৰে ভকতসকলৰ সুৰত সুৰ মিলাই গালে: "জয় ৰাম বোলা।"



তলমূৰ কৰি পৰাজিত ব্ৰাহ্মণকেজন লাহে লাহে তাৰ পৰা বাহিৰ ওলাই গ'ল। তেওঁলোকৰ পিছে পিছে শংকৰদেৱো বিচাৰ-চ'ৰাৰ পৰা গহীন খোজেৰে বাহিৰ ওলাই আহিল। তেওঁ প্ৰসন্ন আৰু আত্মস্থ। কিন্তু জয়ী হোৱাৰ কাৰণে লেশমানো গৰ্ব্বৰ চিন তেওঁৰ চকু-মুখত ক'তো নাই। তেওঁৰ চকুত ভগৱানৰ প্ৰতি কৃতজ্ঞতাৰ বিনম্ৰ চাৱনি।

দিন আগ বাঢ়িছিল।

ব্ৰহ্মপুত্ৰখন বৈ আছিল। সোৱণশিৰিখন বৈ আছিল। গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত, জহ, জাৰ, বাৰিষা, খৰালি, ৰদ-বৰষুণ, জোনাক-আন্ধাৰ, আন্ধাৰ-জোনাক। নিৰবধি কালৰ অন্তহীন গতি। শিশু যুৱা হয়, যুৱা প্ৰৌঢ় হয়, প্ৰৌঢ় বৃদ্ধ হয়। কাৰোবাৰ ঘৰত নতুন কেঁচুৱাৰ জন্ম হয়,—কাৰোবাৰ ঘৰত কোনোবাৰ মৃত্যু হয়—অকালত, বয়সত, বয়স নৌ হওঁতেই। কাৰোবাৰ চকুত তপত চকুলো ওলায়, কাৰোবাৰ চকুত তপত চকুলো নিৰৱে শুকায়।

দিন আগ বাঢ়ে।

আশীৰ্ব্বাদ আছে, অভিশাপ আছে, সুখ আছে, দুখ আছে। অন্য ঠাইলৈ আছে, ধুঁৱাহাটলৈও আছে।

ইয়াত থাকোতেই শংকৰদেৱৰ ঘৰৰ মজিয়ালৈ আহিছিল নুমলীয়া কন্যা ৰুক্মিণী। মজিয়াত সৰল হাঁহিৰ ফুল ফুলিছিল। সেই হাঁহিৰ পোহৰ লাগিছিল পিতৃ শংকৰৰ চকু-মুখত। বৰ জীয়াৰী মনু আৰু জোঁৱাই হৰি এতিয়া সংসাৰী, গৃহস্থালীৰ কৰ্ত্তা। বান্ধৱ মাধৱ আছে। শংকৰৰ গাৰ ছাঁৰ দৰে দিনে-ৰাতিয়ে গুৰুৰ লগত থাকি আলপৈচান

ধৰে, ভকত-ভকতনীসকলৰ বুজবাজ লয়, প্ৰতিটো প্ৰসঙ্গৰ নামকীৰ্ত্তনত যোগদান কৰে। মাধৱ সুকণ্ঠ গায়ক, মাধৱ কবি, মাধৱ শাস্ত্ৰত সুপণ্ডিত, মাধৱ কাইথেলী অংক গণনাতো পাকৈত। মাধৱেও শংকৰৰ দৰেই গীত ৰচনা কৰে। সুৰ ধৰি গায়।

শংকৰদেৱৰ পথাৰত ধান সৰিয়হৰ খেতি। গোহালিত হালৰ বলধ, খীৰতী গাই। ম'হৰ খুটিত ম'হৰ জাক। নামঘৰৰ মজিয়া, চোতালত ভকতৰ দিনে-ৰাতি গিজ্‌গিজনি। খোল-তালৰ গমগমনিত বতাহ উত্তপ্ত।

সাধক শংকৰৰ চকুত এক নতুন অনাৱিষ্কৃত দিগন্তৰ ছয়াময় ছবি— এখন শুদ্ধ, সত্ত্ব, ব্যাপ্ত, বৈষ্ণৱ সমাজ, এখন নিঃস্বাৰ্থ ভক্তৰ সমাজ, এখন সাম্য আৰু মানৱতাৰ ভিত্তিত প্ৰতিষ্ঠিত নতুন সুন্দৰ সমাজ। ভক্তৰ সাম গীতেৰে উত্তপ্ত এখন শোষণমুক্ত, সমৃদ্ধ সমাজ। নিৰক্ষৰ, অশিক্ষিত, দৰিদ্ৰ হলেও গীত, নৃত্য, বাদ্য, নাট অভিনয় কলাৰ অধিকাৰী এখন মানসিক ভাৱে সমৃদ্ধ আৰু ঐশ্বৰ্য্যশালী সমাজ, জীৱনৰ নতুন মূল্য আৰু তাৎপৰ্য্য উপলব্ধি কৰিবলৈ উদ্যত আৰু প্ৰস্তুত এখন নতুন মানুহৰ সমাজ। কছাৰী, চুটীয়া, মৰাণ, আহোম, মিৰি, কেওঁট, কলিতা, ব্ৰাহ্মণ, দৈৱজ্ঞ, মুছলমান, বৌদ্ধ, পৰ্ব্বতীয়া, ভৈয়ামীয়া, কৈৱৰ্ত্ত, চাণ্ডাল সকলোকে সামৰি লৈ এখন বিৰাট নতুন সমাজ। এই সকলো জাতি-উপজাতিৰ আশা-আকাংক্ষা, শ্ৰম, সাধনা, স্বপ্ন চেতনাৰ সমন্বয়ৰ মাজেদি গঢ়ি উঠা, ভগৱানক চিনি পোৱা, জীৱনৰ অৰ্থ বুজি পোৱা এখন হৰিভকতৰ সমাজ। এই পুণ্য ভূমি ভাৰতৰ বুকুত প্ৰাচীন উপলব্ধি আৰু অভিজ্ঞতাৰ অক্ষয় মূলধনেৰে সংসাৰৰ হাট বেহাবলৈ সাজু এদল নতুন মানুহৰ সমাজ। এক নতুন মানৱপ্ৰেমৰ পবিত্ৰ নদীৰ শীতল পানীত অৱগাহন কৰি নিৰ্মল নিকা হৈ পুৱা এখন নিজ নিজ বৃত্তিত আস্থাৰে লাগি থাকি সমাজৰ কল্যাণ আৰু অগ্ৰগতি অব্যাহত ৰাখিবলৈ সংকল্পবদ্ধ সমাজ।

এইখন সমাজ গঢ়ি তুলিব লাগিব। এইখন সমাজক অসামাজিক কুসংস্কাৰ, অপ্ৰয়োজনীয় ধ্যান-ধাৰণা, অযুক্তিকৰ ভ্ৰান্ত বিশ্বাসৰ জগত-



খনৰ পৰা বাহিৰ উলিয়াই আনিব লাগিব। বিষয় বাসনা, সাংসাৰিকতা, মোহ ভ্ৰমৰ জগতখনৰ পৰা মুক্ত কৰি নিত্য আৰু সত্যৰ জগতখনৰ লগত এই সহজ-সৰল মানুহবোৰৰ পৰিচয় ঘটাই দিব লাগিব। সম্বন্ধ ৰচনা কৰি দিব লাগিব। এই নতুন সমাজখনক চিনাই দিব লাগিব। ঈশ্বৰৰ পথ, অনন্ত কালৰ আত্মাৰ বিস্তাৰৰ পথ, সত্য আৰু সুন্দৰৰ পথ।

এইয়া এক মহৎ স্বপ্ন। এক পুৰণি পৃথিৱীক নতুন কৰাৰ স্বপ্ন, এখন একে আদৰ্শৰ অনুগামী সমাজৰ ভেটি ৰচনাৰ স্বপ্ন। সহজ কথা নহয়। এই স্বপ্ন বাস্তৱত কৰিবৰ কাৰণে লাগিব ঐকান্তিক শ্ৰম আৰু সাধনা, ত্যাগ আৰু উদাৰতা, সাহস আৰু সহিষ্ণুতা আৰু এক দুৰ্বপনেয় অটল আত্মবিশ্বাস আৰু তপস্যা। লগতে লাগিব সকলোৰে আস্থা, সহযোগ আৰু সমৰ্থন। লাগিব অসত্যৰ বিৰুদ্ধে যুঁজি সত্যক প্ৰতিষ্ঠা কৰিবৰ কাৰণে যুঁজাৰ সাহস, শত্ৰুক মিত্ৰ কৰিব পৰাৰ উদাৰ মনোবল। ভকত সকলৰ দৃঢ় ঐকান্তিকতা। শাস্ত্ৰজ্ঞানৰ যুগৰ উপযোগী ব্যাখ্যা, বিশ্লেষণ আৰু জনসাধাৰণৰ হৃদয়ত নতুন ভাৱধাৰাৰ প্ৰতি অবিচল আগ্ৰহ আৰু আস্থা। সেয়ে কল্পনাৰ নতুন সমাজখন পূৰ্ণাঙ্গ কৰি গঢ়ি তোলাৰ উপায়।

মানুহৰ জীৱনৰ গতিপথ সলনি কৰাৰ দায়িত্ব মানুহৰ, মানুহৰ ধ্যান-ধাৰণা, আশা-আদৰ্শ নতুনকৈ গঢ়াৰ দায়িত্ব মানুহৰ। মানুহক মানুহ কৰাৰ দায়িত্বও মানুহৰ। ধুৱাহাটৰ দুৰ্বৰি বনৰ ওপৰত এই নতুন মানুহ গঢ়াৰ আখৰা চলিছে। বৰ ভাৱৰীয়া শংকৰদেৱ। সুৰবোৰ, বতাহত ওপঙি ফুৰিছে। সেইবোৰ ধৰি আনি গীতৰ লগত মিলাই দিয়া। কীৰ্ত্তন ঘোষাৰ পদ-পয়াৰক ধ্ৰুপদী ৰাগ-ৰাগিণীৰে জীৱন্ত কৰি তোলা। কাহিনীক গীত কৰা, গীতক সুৰ কৰা, সুৰক প্ৰাৰ্থনা কৰা ভক্তিৰ মাদকতাৰে ভকতক উন্মাদ কৰি তোলা। গায়কক শিল্পী কৰা, শিল্পীক সাধক কৰা, সাধকক ভকত কৰা। ভকতক মানুহ কৰা, মানৱ জীৱনক মহত্বৰ পৰিৱেশেৰে ধন্য কৰা।

নতুন পোহৰ বিলোৱাৰ স্বপ্ন। নতুন বাণী শুনোৱাৰ অভিযান। বৈষ্ণৱ ভকতসকলে এই নতুনৰ বাণী লৈ আৰম্ভ কৰিলে প্ৰচাৰৰ

অভিযান। মুখত হৰিনাম, গলত জপৰ মালা লৈ তেওঁলোক সোমাই পৰিল দূৰ ওঅৰৰ গাঁও জনপদবোৰত, সোমাই পৰিল হাবিতলীয়া গাঁৱৰ মাজত, নৈ পৰীয়া মাছমৰীয়াৰ মাজত, বাট-পথ নোহোৱা দূৰ দুৰণিৰ অচিনাকি মানুহৰ মাজত। সন্ন্যাসী নহয়, পা-পৰিয়াল থকা সংসাৰী ভকত-সকল হৰিনামৰ ৰস বিলাবৰ কাৰণে সোমাই পৰিল খেতিয়কৰ মাজত, বাঢ়ৈ-খনিকৰৰ মাজত, কমাৰ-কুমাৰৰ মাজত, তাঁতী-কাটনীৰ মাজত ব্ৰাহ্মণ-দৈৱজ্ঞ থকা, টোল-পঢ়াশালী থকা পণ্ডিতৰ সমাজতো।

হৰি ভকতিৰ নতুন বাণী বিয়পি পৰিল উজনি-নামনি সকলোতে, অৰণ্য-জনপদ, নগৰ-চহৰ সকলোতে। কীৰ্ত্তন ঘোষা, বৰগীতৰ সুৰৰ কঁপনি লাগিল মছজিদৰ মিনাৰত, বৌদ্ধ বিহাৰৰ স্তুপত, শিৱ মন্দিৰ; দুৰ্গাকালীৰ মন্দিৰৰ কলচিত। লুইতৰ সোঁতে সেই বাণীৰ সুৰৰ তৰংগ বুকুত বান্ধি লৈ পশ্চিমলৈ, কামাখ্যালৈ, নেতাই ধুবুনীৰ ঘাটলৈ। এই প্ৰশান্ত বৈষ্ণৱ বায়ুৱে সকলোতে এক খলকনি তুলিলে। এইয়া কোনো ৰাজশক্তিৰ বিজয় বাৰ্ত্তা নহয়, এইয়া আধ্যাত্ম শক্তিৰ পথৰ সন্ধানত উন্মত্ত হোৱা এক নতুন পদচালনা।

ৰজাঘৰে দেখদেখকৈ কোনো হেঙাৰ নিদিলে। মাত্ৰ চকু ৰাখিলে যাতে এই নতুন ধৰ্মৰ সোঁতে ৰাজশক্তিৰ কোনো ক্ষতি সাধন নকৰে। শংকৰ-মাধৱ তথা বৈষ্ণৱ ভকতসকলে যাতে প্ৰত্যক্ষ বা পৰোক্ষ কোনো ধৰণৰ ৰাজশক্তিৰ ওপৰত কৰ্ত্তৃত্ব আহৰণ কৰিবৰ কাৰণে ষড়যন্ত্ৰ নকৰে। সংসাৰী হওক, সন্ন্যাসী হওক যেতিয়ালৈকে শংকৰদেৱে ভকতসকলৰ লগ হৈ ৰজাঘৰৰ অধিকাৰৰ সীমা লংঘন কৰিবৰ চেষ্টা নকৰে তেতিয়া-লৈকে শংকৰৰ ধৰ্ম প্ৰচাৰত বাধা দিয়াৰ কোনো প্ৰয়োজন নাই। ভকতবোৰ যাতে ৰাজদ্ৰোহী সৈন্য হৈ উঠিবলৈ নেপায়, তালৈহে চোকা দৃষ্টি ৰাখিব লাগিব। ৰজাৰ চোৰাংচোৱা আছে। প্ৰজাক ৰজাৰ পৰা ভগাই নিব নোৱাৰে। আৰু মালা জপি গীত গাই ফুৰা ভকত এমখাই ৰজাৰ লগত ফেৰ পাতিবলৈ, ৰজাৰ চিপাহি চন্তৰীৰ আগত তুৰি-মুৰি কৰিবলৈ মৰসাহ নকৰে। খেলে খেলে প্ৰজা ভগোৱা আছে। কাঁড়ী, পাইক, সাধাৰণ প্ৰজা চিৰদিন ৰজাৰ অনুগত। বামুণ-গোঁসাইকে ধৰি বৰ্ণহিন্দু



সকলৰ সংখ্যা সৰহ নহয়। বংশ বৃদ্ধি হৈহে তেওঁলোকৰ সংখ্যা বৃদ্ধি হৈছে। জন্মগতভাৱে নহলে অন্যকোনো ৰকমে ব্ৰাহ্মণৰ সংখ্যা বৃধি হ'ব নোৱাৰে। কোনোবাই ব্ৰহ্মান্তৰ গ্ৰহণ কৰিলেও হিন্দুহে হ'ব পাৰিব, ব্ৰাহ্মণ হ'ব নোৱাৰে। কৃষকৰ দেশত কৃষি নকৰাকৈও তেওঁলোক স্বচ্ছলভাৱে চলি যাব পাৰিছে। কাৰণ তেওঁলোকৰ বিদ্যা-বুদ্ধি আছে। ৰজাঘৰৰ পৰা বা অন্যৰ পৰা পোৱা মাটি সম্পত্তিও যথেষ্ট আছে। মাটিৰ লগতে ৰজাঘৰে দিয়া পাইক আৰু সেৱাইতো আছে। যজমানী, সকাম-নিকাম কৰিও কিছু অৰ্জন কৰে, তদুপৰি মৃতকৰ আত্মাৰ পৰকালত সদগতিৰ কাৰণে ব্ৰাহ্মণসকলৰ ওপৰতে বাকীসকল নিৰ্ভৰশীল। মৰাৰ দুহা কাজৰ পৰাও কিছু আৰ্জন হয়। ৰজাঘৰৰ লগত ব্ৰাহ্মণসকলৰ বিৰোধ নাই। দুয়োৱেই এক উচ্চতৰ শ্ৰেণীৰ মানুহ। ৰজা-ৰাণীৰ কুশল মংগলৰ কাৰণে পূজা আদি কৰা আশীৰ্ব্বাদ কৰাৰ অধিকাৰ আৰু সুযোগো ব্ৰাহ্মণসকলৰ আছে। আৰু ব্ৰাহ্মণসকল অসামৰিক লোক। যুদ্ধ আদি ক্ষত্ৰিয় সুলভ বৃত্তিৰ পৰা তেওঁলোক আতৰি থাকে। কোনো ৰণ লাগিলে, সেই ৰণ আৰম্ভণীৰ কাৰণে উপযুক্ত ক্ষণ গণনা কৰি দিয়াটো দৈৱজ্ঞৰ কাম, ৰণত জয়ী হ'বৰ কাৰণে পূজা আশীৰ্ব্বাদ আদি কৰাটো ব্ৰাহ্মণৰ কাম। কোনো কোনো শিক্ষিত ব্ৰাহ্মণে টোল আদি পাতি ছাত্ৰক সংস্কৃতৰ ভাষা, অলংকাৰ, ব্যাকৰণ, শ্ৰুতি আদিৰ শিক্ষা দান কৰে আৰু ছাত্ৰ বিশেষে বেদ-পুৰাণ আদিৰ আৰু জ্যোতিষ শাস্ত্ৰৰ কিছু জ্ঞান দিয়ে। এইসকলৰ কিছুৱে আচাৰ্য্য, ভট্টাচাৰ্য্য, আগমাচাৰ্য্য, নিগমাচাৰ্য্য আদি উপাধিৰে নিজৰ পৰিচয় দিয়ে।

নিৰক্ষৰ এখন কৃষিজীৱি সমাজত ৰজা, ভূঞা আদি মাটিগিৰী সামন্ত সমাজত, শংকৰদেৱৰ আগলৈকে ব্ৰাহ্মণসকলে নিৰংকুশভাৱে যজমানী পুৰোহিততালি কৰি সুখ সমৃদ্ধিৰে জীৱন-যাপন কৰাত কোনো বাধা পৰা নাছিল। ধৰ্মৰ কথা লৈ ব্ৰাহ্মণৰ লগত ফেৰ মাৰিব পৰা বা বিৰোধীতা কৰিব পৰা আন কোনো নাছিল।

শংকৰদেৱৰ নাম ধৰ্ম আৰু এক শৰণীয়া মতবাদ জনসাধাৰণৰ কাৰণে আকৰ্ষণীয় আৰু গ্ৰহণীয় হৈ অহাৰ লগে লগে, ঠিক ধৰ্মৰ কাৰণে

নহয়, কিন্তু বৈষয়িক কাৰণত কৰ্ম্মকাণ্ডী গোড়া ব্ৰাহ্মণসকলৰ কিছুসংখ্যকৰ স্থিতি আৰু স্বাৰ্থত আঘাত লাগিল। বিশেষকৈ ব্ৰাহ্মণসকলে যদি সাধাৰণ হিন্দুৰ পাৰলৌকিক জীৱনৰ সদ্‌গতি, মুক্তি আদিৰ কাৰণে পূজা-প্ৰাৰ্থনা, শ্ৰাদ্ধ-পিণ্ড আদি কৰিছিল, আৰু ইহলৌকিক জীৱনত সেইসকল লোকৰ বৃত্তি ব্যৱসায় বা অৱস্থাৰ বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন বোধ কৰা নাছিল। শংকৰদেৱে সাধাৰণ মানুহৰ জীৱিতাৱস্থাৰ সুখ-স্বাচ্ছন্দ্য আৰু মৰণোত্তৰ কালৰ আত্মাৰ মুক্তি, এই দুয়োটাৰে প্ৰতি সচেতন-ভাৱে দায়িত্ববোধ উপলব্ধি কৰিছিল। ভকত হিচাপে সকলো সমান বৃত্তি যাৰেই যি নহওক—এই নতুন মূল্যায়নে সাধাৰণ মানুহৰ চকুৰ আগত এক অভূতপূৰ্ব্ব উপলব্ধি সজাগ কৰি তুলিলে। এজন বৈষ্ণৱৰ প্ৰথম আৰু প্ৰধান পৰিচয় হ'ল—তেওঁ এজন ভকত, দ্বিতীয়তে তেওঁ এজন বিশেষ ক্ষেত্ৰৰ বৃত্তিয়াল—কৃষক, বাঢ়ৈ, তাঁতী, সোণাৰী, খনিকৰ ইত্যাদি। বৃত্তিত সমান নহ'লেও ভকত হিচাপে সকলো সমান। এইয়া এক নতুন মৰ্য্যাদাবোধ এক নতুন চেতনা। তদুপৰি বৰ গভীৰকৈ নহলেও, ব্যৱহাৰিক ক্ষেত্ৰত চলি যাব পৰাকৈ নিজৰ বুজিব পৰা ভাষাত শাস্ত্ৰ-ভাগৱত, পুৰাণ, ৰামায়ণ, মহাভাৰতৰ ভিতৰতনো কি আছে, কি নাই তাকো উপলব্ধি কৰিব পৰা হোৱাৰ নতুন চেতনাই ভকতসকলক নতুন মৰ্য্যাদাবোধ দিলে। সাধাৰণৰ চোৱা-পোৱাৰ বাহিৰত থকা সংস্কৃত ভাষাৰ ৰচিত শাস্ত্ৰ গ্ৰন্থবোৰৰ অলৌকিকতাৰ আৱৰণ ভেদি তাৰ ৰহস্য অৱলোকন কৰিবলৈ পাই ভকতসকল বিদ্বান আৰু শিক্ষিতৰ স্তৰলৈ উন্নীত হ'ল। এইয়া আছিল এক মহৎ উত্তৰণ। শংকৰদেৱে নতুন বৈষ্ণৱ ধৰ্ম্মক সত্য, প্ৰেম, সৌন্দৰ্য্য, মঙ্গল, অহিংসা আৰু সাম্য আৰু মানৱতাৰ ধৰ্ম্মৰূপে জনসাধাৰণৰ সন্মুখত দাঙি ধৰিলে। ইয়াক শোষিত বঞ্চিত আৰু সমাজৰ অধস্তৰৰ মানুহৰ ধৰ্ম্ম কৰি তুলিবৰ প্ৰয়াস কৰিলে। ভক্তিৰ যোগে বিশ্বনিয়ন্তাৰ ওচৰত নিঃস্বাৰ্থ আত্মসমৰ্পণ, নিষ্কাম ভক্তি আৰু যাগ-যজ্ঞ, পূজা-পাৰ্ব্বণৰ আয়োজন নকৰি হৰিনাম লোৱাৰ মাজেদি জীৱনক অৰ্থপূৰ্ণ কৰি তোলাৰ সহজ, সাৰ্ব্বজনীন ব্যৱস্থা কৰিলে শংকৰদেৱে।



দিনে দিনে ভকতৰ সংখ্যা বাঢ়িব ধৰিলে। লগে লগে বৈষ্ণৱ ভকতসকলৰ ওপৰত উৎপীড়ন অত্যাচাৰো বাঢ়িব ধৰিলে। বাটে-পথে লগ পালে ব্ৰাহ্মণসকলে ভকতসকলক গালি-শপনি পাৰি তিৰস্কাৰ কৰিয়ে সন্তুষ্ট নেথাকি তেওঁলোকৰ গালে চপৰা দলিওৱা, তেওঁলোকৰ ডিঙিৰ মালা কাঢ়ি লৈ দলিয়াই পেলাই দিয়া, ভকতৰ ডিঙিৰ জপৰ মালা কাঢ়ি আনি কুকুৰৰ নেজত পিন্ধোৱাৰ নিচিনা অপমানজনক ব্যৱহাৰো কৰিব ধৰিলে। অসহায় ভকতসকলে এইবোৰ লাঞ্ছনাৰ বশৱৰ্ত্তী হৈ নিৰৱে সকলো সহি থাকি শংকৰদেৱৰ ওচৰত জনোৱাৰ বাহিৰে অন্য একো কৰিব নোৱাৰিলে। এহাতে কেইবাজনো ব্ৰাহ্মণে শংকৰদেৱৰ ওচৰত শৰণ লৈ বৈষ্ণৱ ভকত হৈ নতুন মতবাদ প্ৰচাৰ আৰু প্ৰতিষ্ঠাত শংকৰদেৱক দেহেকেহে সহায় কৰি দিলে, আনহাতে আন এখিনি ব্ৰাহ্মণে ভকতসকলক নানাৰকমে উৎপীড়ন, নিৰ্য্যাতন কৰি হাৰাশাস্তি কৰি যাব ধৰিলে। এইসকল ব্ৰাহ্মণক নিৰস্ত কৰিবৰ কাৰণে শংকৰদেৱে প্ৰতিশোধ বা সৱল প্ৰতিবাদৰ পথ নলৈ অন্য উপায়ে তেওঁলোকৰ দুৰ্ব্বলতাক আঘাত কৰাৰ উপায় উলিয়ালে।

# তৃতীয় খণ্ড



মধ্য যুগৰ ভাৰতৰ ধৰ্ম বিপ্লৱৰ কাহিনী ক'ব লাগিলে নৱবৈষ্ণৱবাদৰ অভ্যুত্থান আৰু বিকাশৰ কথা কোৱাৰ লগতে, এটা নতুন ধৰ্মৰ আগমন, স্থিতি আৰু সম্প্ৰসাৰণৰ বুজ লোৱাৰো প্ৰয়োজন আছে। খৃষ্টীয় ষষ্ঠ শতিকাত আৰবৰ বুকত ৰূপ লৈ উঠা এইটো আছিল এটা নতুন ধৰ্ম যাৰ অভ্যুত্থানে সমগ্ৰ জগততে এক বিপ্লৱৰ সূচনা কৰিলে। এই ধৰ্মৰ নাম আছিল ইছলাম। ভাৰতত এই নতুন ধৰ্মই এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলালে। এই নতুন ধৰ্মৰ বৈশিষ্ট্যৰ সম্পৰ্কে সম্যক পৰিচিতি দাঙি ধৰাৰ প্ৰাসংগিকতা আছে। চমুকৈ সেইয়া—আৰবৰ মক্কা নগৰত হজৰত মোহম্মদৰ জন্ম হৈছিল ৫৭০ খৃষ্টাব্দত। তেওঁৰ জীৱনকালতে আশ-পাশৰ দেশবোৰত হজৰত মোহম্মদে প্ৰচাৰ আৰু প্ৰৱৰ্ত্তন কৰা ইছলাম ধৰ্ম বিয়পি পৰিছিল। হজৰত মোহম্মদৰ মৃত্যুৰ দুশ বছৰৰ ভিতৰতে ইছলাম সমগ্ৰ মধ্য এচিয়াৰ—ইজিপ্ত, ইৰাক, ইৰাণ, আফগানিস্থান, আৰ্মেনিয়া, আজাৰ বাইজান, উজবেকিস্তান, তুৰ্কীস্থান, কাজাখস্তান আদিত বিয়পি পৰে। বহুদেশত ইছলামেই ৰাজধৰ্মও হৈ পৰিছিল আৰু ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতাত ই অতি দ্ৰুতভাৱে সম্প্ৰসাৰিত হৈছিল। কিছুদিনৰ ভিতৰতে ইছলাম ধৰ্ম ইউৰোপৰ স্পেইন পৰ্য্যন্ত প্ৰায় সমগ্ৰ আফ্ৰিকা, পূবে চীন, মালয়েচিয়া, ইণ্ডোনেচীয়া, ভাৰত উপমহাদেশ, শ্ৰীলংকা আদিত বিয়পি পৰিছিল।

ইছলাম ধৰ্মৰ কেইটামান বিশেষত্ব আৰু কেইটামান নতুনত্বৰ কাৰণেই ই জনসাধাৰণৰ সহজে গ্ৰহণীয় এটা ধৰ্ম হৈ পৰাটো সম্ভৱ হৈছিল।

ইছলাম শব্দৰ অৰ্থ শান্তি। আন এটা অৰ্থ আনুগত্য বা সমৰ্পণ, স্ৰষ্টাৰ ওচৰত একান্ত আত্মনিবেদন। ইছলাম ধৰ্মাৱলম্বীক মুছলমান

( মুছলিমিন ) বোলা হয়, [illegible] । মুছলমানৰ ধৰ্মীয় গ্ৰন্থ, ইছলামৰ মূল বিশ্বাস আৰু ৰীতি-নীতি সন্নিবিষ্ট থকা গ্ৰন্থ কোৰাণক হজৰত মোহম্মদৰ যোগে অৱতীৰ্ণ হোৱা ঐশীবাণী বুলি মুছলমানসকলে বিশ্বাস কৰে। ইছলাম ধৰ্মৰ মূলনীতি আৰু পালনীয় আৰু বৰ্জ্জনীয় আদেশ-নিৰ্দ্দেশ কোৰাণতে আছে। কোৰাণ হজৰত মোহম্মদৰ যোগে অৱতীৰ্ণ হৈছিল। এই কাৰণেই হজৰত মোহম্মদক ৰছুল বা আল্লাৰ বাৰ্ত্তাবাহক বুলি গণ্য কৰা হয়। এই কাৰণেই কোৰাণৰ অন্তৰ্গত পালনীয় আদেশ-নিৰ্দ্দেশৰ লগতে, হজৰত মোহম্মদে নিজে পালন কৰা আচাৰ বিধি আৰু তেওঁ তেওঁৰ অনুগামী সকলে পালন কৰিবৰ কাৰণে দিয়া আদেশ উপদেশকো ইছলাম ধৰ্মৰ মূল নীতিৰ অন্তৰ্গত বুলি ধৰা হয়। কোৰাণ নিৰ্দিষ্ট ধৰ্মাচাৰক ফৰজ, আৰু হজৰত মোহম্মদৰ নিৰ্দ্দিষ্ট উপদেশাৱলীক চুন্নত বোলা হয়। এজন মুছলমানে ফৰজ আৰু চুন্নত সমান নিষ্ঠা আৰু শ্ৰদ্ধাৰে পালন কৰিব লাগে।

কোনো ব্যক্তি মুছলমান হ'ব লাগিলে কেইটামান মূল কথাৰ ওপৰত দ্বিধাহীনভাৱে বিশ্বাস কৰিব লাগে। এই বিশ্বাসকে বোলা হয়—ঈমান বা ধৰ্মবিশ্বাস। এজন মানুহ ইছলাম ধৰ্মাৱলম্বী বুলি পৰিগণিত আৰু স্বীকৃত হ'ব লাগিলে এই কথাখিনিৰ ওপৰত তেওঁ একান্ত দ্বিধাহীনভাৱে বিশ্বাস কৰিব লাগিব, বা ঈমান আনিব লাগিব। নহ'লে তেওঁ প্ৰকৃত মুছলমান হ'ব নোৱাৰে।

এজন ঈমানদাৰে বা মোমিনে বা মুছলমানে এই কথাখিনিক কায়মনোবাক্যে বিশ্বাস কৰিব লাগে। নিৰ্দ্দিষ্ট আদেশ অনুসৰি পালনীয়খিনি পালন কৰিব লাগে, গ্ৰহণীয়খিনি গ্ৰহণ কৰিব লাগে, আৰু বৰ্জ্জনীয়খিনি বৰ্জ্জন কৰিব লাগে। ইয়াৰ মাজত কোনো ইফাল-সিফাল বা বিকল্প থাকিব নোৱাৰে। বিশ্বাস আনিব লগা কথাখিনি হ'ল ঃ

এক—বিশ্বাস কৰিব লাগে যে এজন আল্লাহ আছে। তেওঁ স্বয়ম্ভু। তেওঁ কাৰো সন্তান নহয়। ( তেওঁৰ কোনো পিতৃ-মাতৃ নাই ) তেওঁ



কাৰো পিতৃও নহয় ( তেওঁৰ কোনো সন্তান নাই ) খৃষ্ট ধৰ্মৰ লগত এইয়ে ইছলামৰ এটা মূল পাৰ্থক্য। খৃষ্ট ধৰ্মত 'গড' খৃষ্টৰ পিতা, আৰু খৃষ্ট 'গডৰ' পুত্ৰ।

আল্লাহ নিৰাকাৰ। তেওঁ কোনো ৰূপ বা আকাৰ ধাৰণ নকৰে। তেওঁ জন্ম-মৃত্যুৰ উৰ্ধত, সেয়ে তেওঁ অনাদি আৰু অনন্ত। সেয়ে তেওঁ সৰ্ব্বজ্ঞ। স্থান আৰু কাল তেওঁৰহে সৃষ্টি। তেওঁ স্থান আৰু কালৰ সীমাৰ মাজত আৱদ্ধ নহয়।

আল্লাহ সকলো সৃষ্টিৰ স্ৰষ্টা, সকলো প্ৰাণী আৰু মানুহৰো স্ৰষ্টা। ফিৰিস্তা বা দেৱলোকৰ ( মালাইক ) লোকসকলৰ স্ৰষ্টা।

আল্লাৰ অস্তিত্ব বা স্বৰূপ ( জাত ) স্বয়ং-সম্পূৰ্ণ। বিভিন্ন মানৱীয় গুণেৰে গুণান্বিত বুলি তেওঁক পৰিচিত কৰা হলেও, বিপৰীত-ধৰ্মী সকলো গুণ তেওঁতে একীভূত হৈছে। তেওঁ এহাতে সিদৰে কৰুণাময়, দয়াশীল, আনহাতে তেওঁ ক্ৰোধান্বিতো ( কাহহাৰ )।

আল্লাহ অক্ষয় আৰু অব্যয়। তেওঁ সৃষ্টি কৰা কোনো বস্তুৰ ক্ষয়, ভগন বা পৰিৱৰ্ত্তনে, তেওঁৰ কোনো ক্ষয়ভগন বা পৰিৱৰ্ত্তন নানে। তেওঁ সৰ্ব্বশক্তিমান, আৰু সৰ্ব্বশক্তি, সৰ্ব্বজ্যোতি আৰু সৰ্ব্বজ্ঞানৰ মূল।

আল্লাৰ কোনো সমকক্ষ নাই, কোনো অংশীদাৰ নাই, অন্য ৰূপ নাই। অন্য আকাৰ নাই। তেওঁ একমেৱাদ্বিতীয়ম। চিৰজ্যোতিস্মান।

আল্লাই কোনো ৰূপ বা আকাৰতে অৱতাৰ নহয়। অৱতাৰ বাদ ইছলামত গ্ৰহণযোগ্য নহয়। যি কোনো ৰূপতে অৱতাৰ হলেই আল্লাৰ নিৰাকাৰ আৰু অসীম সত্তা সাকাৰ আৰু সসীম হৈ পৰে। আৰু অৱতাৰ জন্ম মৃত্যুৰ পাৰ্থিৱ নিয়মৰ অধীন হৈ পৰে। আৰু স্থান আৰু কালৰো অন্তৰ্গত হৈ পৰে।

কোৰাণৰ মতে ঃ—আল্লাই পৃথিৱীত এনে কোনো মানৱগোষ্ঠী সৃষ্টি কৰা নাই, যাৰ পথ প্ৰদৰ্শন আৰু উদ্ধাৰৰ কাৰণে সেই জনগোষ্ঠীৰ মাজৰ পৰাই একোজন ঐশবাৰ্ত্তাবাহী পথ-প্ৰদৰ্শক বা ৰছুল উলিওৱা নাই। এনে নেতায়েই সেই যুগৰ সেই সম্প্ৰদায়ৰ মানুহবিলাকক সত্যৰ লগত

মানুহেই। যুগ আৰু সমাজ বিশেষৰ প্ৰয়োজন অনুসৰি জনসমাজক পথ নিৰ্দ্দেশ কৰিবৰ কাৰণে, স্ৰষ্টাৰ বিশিষ্ট নিৰ্দ্দেশ পালন কৰিবৰ কাৰণে মানুহক শিকাই দিবলৈ এই নবী বা ৰছুলসকল অৱতীৰ্ণ হৈছিল বুলি বিশ্বাস কৰিব লাগে। ঈশ্বৰৰ বাৰ্ত্তাবাহী এই বায়গম্বৰ-সকলৰ মাজত কোনো ভেদাভেদ বা পাৰ্থক্য নাই। বিভিন্ন যুগত তেওঁলোকে মানুহৰ কাৰণে প্ৰৱৰ্ত্তন কৰা বিভিন্ন ধৰ্ম্ম বা মতবাদো স্বীকাৰ্য্য।

বিশ্বাস কৰিব লাগে যে হজৰত মোহম্মদেই আল্লাৰ শেষ ৰছুল বা ঐশী-বাৰ্ত্তাবাহক। ইয়াৰ পিছত আৰু আল্লাই ৰছুল প্ৰেৰণ নকৰে, কিয়নো হজৰত মোহম্মদৰ ধৰ্ম্মতে সকলো ধৰ্ম্ম সম্পূৰ্ণ আৰু পূৰ্ণাঙ্গ কৰা হ'ল।

পাঁচ :—মুছলমান হ'বলৈ হ'লে আৰু বিশ্বাস কৰিব লাগে—প্ৰলয় আৰু পুনৰুত্থানৰ ( মৃত্যুৰ পিছত ) ওপৰত। এদিন এই সৃষ্টি সম্পূৰ্ণ ধ্বংসপ্ৰাপ্ত হ'ব বা গতিস্পন্দনহীন হৈ ৰৈ যাব ( কিয়ামত ) আৰু তাৰ পিছত মানৱাত্মাৰ পুনৰুত্থান হ'ব ( হছৰ )। ঈমানৰ বা ধৰ্ম্ম-বিশ্বাসৰ উপৰোক্ত কথাখিনি অঙ্গাঙ্গীভাৱে জড়িত। নিৰাকাৰ আৰু অনাদি অনন্ত স্ৰষ্টাই সাকাৰ আৰু স্থান-কালৰ সীমাৰ মাজত আৱদ্ধ সৃষ্টিক স্ৰজন কৰিছে। স্ৰষ্টা-সৃষ্টি—নিৰপেক্ষ, সৃষ্টিৰ বৰ্ত্তমান বা অৱৰ্ত্তমানে স্ৰষ্টাৰ কোনো ক্ষয়-ক্ষতি নঘটায়। স্ৰষ্টাৰ স্বৰূপ আৰু প্ৰকৃতিৰ বিষয়ে আৰু সৃষ্টিৰ লগত তেওঁৰ সম্পৰ্ক, সম্বন্ধৰ বিষয়ে মানুহক জান আৰু জ্ঞান দিয়ে প্ৰেৰিত পুৰুষসকলে বা ৰছুলসকলে। ৰছুলসকলৰ যোগে অৱতীৰ্ণ হোৱা ঐশীবাণীসমূহ সংৰক্ষিত হৈছে অৱতীৰ্ণ গ্ৰন্থসমূহত।

মূলতঃ ওপৰত দিয়া কথা কেইটাৰ ওপৰত দ্ব্যৰ্থহীন আৰু দৃঢ়-বিশ্বাস স্থাপন কৰি চলা মানুহজনেই এজন মুছলমান বা ইছলাম ধৰ্ম্মাৱলম্বী মানুহ বুলি বিবেচিত হ'বৰ যোগ্য।

কিন্তু বিশ্বাসেই শেষ কথা নহয়। প্ৰতিটো ধৰ্ম্মৰ অনুগামীৰ কেতবোৰ কৰণীয় আৰু কেতবোৰ বৰ্জ্জনীয় কাম আছে। ইছলামত



একেশ্বৰবাদৰ ঠাইত ভুলতো বহুঈশ্বৰবাদৰ ধাৰণাক কোনোৱে মনত ঠাই দিলে, সি ধৰ্ম্মৰ পৰা পতিত হ'ব। নিৰাকাৰ আল্লাৰ ঠাইত কোনো সাকাৰ দেৱতাৰ অস্তিত্বক স্বীকৃতি দিয়াটোও অনা-ইছলামীক। এই কাৰণেই ইছলামত সকলো প্ৰকাৰৰ মূৰ্ত্তি-পূজা সম্পূৰ্ণ নিষিদ্ধ আৰু বৰ্জ্জনীয়। কোনো ৰূপতে কোনো মূৰ্ত্তিক পূজা কৰাটো স্ৰষ্টাৰ সৃষ্টিৰ সমান বুলি গণ্য কৰা। প্ৰতীক ৰূপেও কোনো ধৰণৰ মূৰ্ত্তিক পূজা কৰাটো অধৰ্ম্ম বুলি পৰিগণিত হয়।

কোনো মূৰ্ত্তি বা প্ৰতীকক ঈশ্বৰ জ্ঞান কৰি পূজা কৰাটো যিদৰে নিষিদ্ধ আৰু বৰ্জ্জনীয়, সেইদৰে কোনো মানুহক বা বস্তুক অৱতাৰ বা ঈশ্বৰ স্বৰূপ বুলি গণ্য কৰাটোও সমানে নিষিদ্ধ আৰু বৰ্জ্জনীয়। কেৱল স্তুতি আৰু প্ৰাৰ্থনাৰেহে আল্লাৰ বন্দনা কৰিব লাগে। কোনো ফল-মূল-আহাৰীয় দ্ৰব্য বা নৈবেদ্য দি নিৰাকাৰ আল্লাৰ পূজা কৰাটো সম্পূৰ্ণ নিষিদ্ধ। আল্লাৰ প্ৰতি প্ৰাৰ্থনা জনোৱাত কায়-কষ্ট কৰাৰ প্ৰয়োজন নাই। ভগৱানৰ বা আল্লাৰ সন্তুষ্টিৰ কাৰণে দেহাক কষ্ট দিয়াটো নিৰৰ্থক।

নিৰাকাৰ আল্লাৰ সম্মুখত সকলো সেৱকেই সমান, ৰজা-প্ৰজা, ক'লা-বগা, বিভিন্ন দেশবাসীৰ মাজত কোনো পাৰ্থক্য কোনো হীনদেৰী নাই। জাতিগত বৈশিষ্ট্য, সামাজিক অৱস্থান, বয়স বা আৰ্থিক অৱস্থা—একোৱেই আল্লাৰ পূজাৰীসকলৰ মাজত এক চুলিমানো পাৰ্থক্য সৃষ্টি নকৰে। যি মছজিদত ৰাষ্ট্ৰৰ ৰজাই নামাজ পঢ়ে সেই মছজিদতে একেলগে, একে শাৰীতে তেওঁৰ দৰিদ্ৰতম প্ৰজাজনেও নামাজ পঢ়ে। শুকুৰবাৰে একোটা অঞ্চলৰ সকলো মানুহ একেলগ হৈ একেটা মছজিদতে নামাজ পঢ়ে—জুমাৰ নামাজ। আকৌ মক্কাত হজ কৰিবৰ কাৰণে গোটেই পৃথিৱীৰ সকলো দেশৰ মুছলমান মানুহ একেঠাই হয় আৰু একেলগে সকলোৱে হজৰ নামাজ পঢ়ে। ৰজা-প্ৰজা, ধনী-দুখীয়া, বগা-ক'লাৰ কোনো পাৰ্থক্য নেথাকে। সকলো একে হৈ যায়, একাকাৰ হৈ যায়, বিশ্ব ভ্ৰাতৃত্বৰ ই এক অপূৰ্ব্ব আৰু অতুলনীয় নিদৰ্শন।

মানৱাত্মা সৃষ্টিৰ চৰম আৰু পৰম গূঢ় সত্য উপলব্ধি কৰাত সফল হ'ব পাৰে। উপাসনা আত্ম শুদ্ধিৰ উপায়।

আত্মা অবিনশ্বৰ। জীৱনৰ কৃতকৰ্মৰ কাৰণে এই আত্মায়েই স্বৰ্গগামী হ'ব পাৰে, নৰকৰ পথতো আগবাঢ়িব পাৰে। আত্মাৰ উৎকৰ্ষ সাধনৰ যোগেদিয়ে মানুহে আল্লাৰ বিশেষ কৰুণা লাভৰ যোগ্য হ'ব পাৰে। আল্লাৰ স্বৰূপ উপলব্ধিৰ আনন্দ লাভ কৰিব পাৰে। গভীৰতৰ আৰু চৰম স্তৰত সাধনাৰ যোগেদি মানৱাত্মাই সৃষ্টিৰ সকলো ৰহস্য ভেদ কৰি সাকাৰ নিৰাকাৰৰ সীমা অতিক্ৰম কৰি ; পৰম জ্যোতিৰ সান্নিধ্য লাভ কৰিব পাৰে। তেতিয়া আৰু জীৱাত্মা পৰমাত্মাৰ মাজত কোনো বিভেদ নোহোৱা হৈ যায়। সকলো পৰ্দা আঁতৰি যায়। আৰু সৃষ্টিৰ আঁৰত লুকাই থকা স্ৰষ্টাৰ চিৰ ৰহস্যময় স্বৰূপ সাধকৰ উপলব্ধিত প্ৰতিভাত হৈ উঠে।

মছজিদত প্ৰথা অনুসৰি ৰাজহুৱাভাৱে জামাত হৈ দিনে পাঁচ বাৰ নামাজ পঢ়িলেও, আধ্যাত্মিক সাধনা ব্যক্তিগতহে। এনেদৰে ব্যক্তিগত সাধনা কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু অধিকাৰেই যোগ্যতা পাতিপন্ন নকৰে। আৰু অতিৰিক্ত ব্যক্তিগত সাধনা নকৰাটো দোষনীয় নহয়, অপৰিহাৰ্য্যও নহয়।

নামাজ, ৰোজা, হজ, জাকাত আদি অৱশ্য কৰণীয় ফৰ্জ বা কৰ্ত্তব্যৰ লগতে আৰু এটা পালনীয় কৰ্ত্তব্য হৈছে—কলমা। আল্লাৰ নাম জপ কৰা। ইয়াৰ কোনো আনুষ্ঠানিক বিধি ব্যৱস্থা নাই। সকলো সময়তে সকলো অৱস্থাতে বহুজন লগ লাগি বা অকলে অকলে প্ৰকাশ্যভাৱে চিঞৰি চিঞৰি বা অকলে মনে মনে কলমা পঢ়ি বা আওঁৰাই যোৱাৰ নামেই জিকৰ ( স্মৰণ বা উল্লেখ বা উচ্চাৰণ কৰা )। কলমাৰ মূল বিষয় হ'ল—মই স্যাক্ষ্য দিছো আল্লাৰ বাহিৰে কোনো উপাস্য নাই। তেওঁ এক আৰু অদ্বিতীয় আৰু মোহম্মদ আল্লাৰ ৰছুল আৰু দাস। ৰোজাত ( চিয়াম ) একে লেঠাৰিয়ে গোটেই ৰমজানৰ চান্দ্ৰ মাহটোত লঘোণ দিব লাগে, হজ কৰাটো ব্যয়সাধ্য আৰু শ্ৰমসাধ্য কথা। জাকাত দিয়াটো অৰ্থবান সকলৰ ক্ষেত্ৰতহে সম্ভৱ, নামাজ বা দৈনন্দিন উপাসনা শ্ৰমসাধ্য



নহলেও ইয়াত সময় ; উপাসনা বিধি, দৈহিক শুচীতা ( ৱজু ) আদিৰ বাধ্যবাধকতা আছে। কিন্তু কলমা বা জিকৰ বা আল্লাৰ নাম স্মৰণ কৰি থকাত বা নাম লোৱাত স্থান, সময়, বা কোনো নিৰ্দ্দিষ্ট নিয়মৰ বাধ্যবাধকতা নাই। সকলোৱে সকলো সময়তে যি কোনো পুৰুষ বা তিৰোতাই মুখেৰে উচ্চাৰণ কৰি বা নকৰাকৈ আল্লাৰ নাম গুণ স্মৰণ কৰি থাকিব পাৰে। আনকি নামাজ, ৰোজা আদি নিয়মমতে সম্পন্ন নকৰা মুছলমানেও নিৰৱিচ্ছিন্নভাৱে আল্লাৰ নাম লৈ থাকিব পাৰে। ইও এক সহজ উপাসনা। ইও মানুহক বিষয়, মোহ আৰু সাংসাৰিক ক্ষুদ্ৰ চিন্তা-ভাৱনাৰ পৰা আঁতৰত ৰাখিব পাৰে। এনেদৰে নাম লোৱাকে তচবীহ লোৱা বা নাম লোৱা বোলা হয়। আৰু ইয়াৰ কাৰণে জপৰমালা বহুতেই ব্যৱহাৰ কৰে। এনে মালাত সাধাৰণতে ৯৯টা মণি বা গুটি থাকে, আৰু এই ৯৯টা গুটিৰে আল্লাৰ ৯৯টা নাম পুনঃ পুনঃ নিৰৱে স্মৰণ কৰা হয়। তচবীহ বা জপৰ মালাৰ এই গুটিবোৰ পাথৰৰ, কাঠৰ, পোৱালৰ বা কাঁচৰ মণিৰে সজা হয় আৰু এডাল ৰচিত গাঁথি থোৱা হয়। বহুতে এনে জপৰ মালা ডিঙিত আঁৰি লৈ ফুৰায়, আৰু জপ কৰিবৰ সময়ত ডিঙিৰ পৰা সোলোকাই হাতত লৈ নাম জপ কৰে। কোনোৱে আঙুলিৰ গাঁথিতো নাম জপে।

মালা জপ কৰাটো বাধ্যতামূলক ধৰ্মীয় অনুষ্ঠান নহয়। ই নামাজ বা ৰোজাৰ নিচিনা অপৰিহাৰ্য্য ধৰ্মানুষ্ঠান নহয়। কিন্তু সদা সৰ্ব্বদা আল্লাৰ নাম গুণ স্মৰণ কৰি থকাৰ ফলত মন ঈশ্বৰ চিন্তাত একীভূত হৈ ৰয়। আৰু সাংসাৰিক চিন্তা ভাৱনাই মনক বিপথগামী কৰিব নোৱাৰে বুলি সাধকসকলে বা ফকীৰ, ৱলী আউলীয়াসকলে বিশ্বাস কৰে। আৰু মালা জপ কৰাই আটাইতকৈ সহজসাধ্য উপাসনা। খৃষ্টান আৰু ইহুদী ধৰ্মাৱলম্বী সকলৰ মাজত পূৰ্ব্বৰে পৰা এনে ধৰণৰ মালা জপ কৰাৰ ৰীতি জনপ্ৰিয় আছিল। এনে মালাক ৰ'জাৰী বোলা হৈছিল।

চল্লিশ বছৰ বয়সত আৰেশৰ সাধনাৰ শেষত নুবুৱত বা আল্লাৰ প্ৰেৰিত পুৰুষ বা ৰছুল বুলি স্বীকৃতি লাভ কৰাৰ পিছত হজৰত মোহম্মদ আৰু তেইশ বছৰহে জীয়াই আছিল। কিন্তু এই তেইশ বছৰৰ

ভিতৰতে নানা বাধা বিপত্তি সত্বেও হজৰত মোহম্মদে প্ৰচাৰ কৰা আৰু প্ৰৱৰ্ত্তন কৰিবলৈ লোৱা নতুন ইছলাম ধৰ্ম্মৰ সমৰ্থক আৰু অনুগামীৰ সংখ্যা আশাতীতভাৱে বৃদ্ধি পাই গৈছিল আৰু প্ৰধানতঃ প্ৰচলিত পৌত্তলিকতাৰ বিৰুদ্ধে একেশ্বৰবাদী ইছলাম এক শক্তিশালী প্ৰত্যাহবান স্বৰূপে মূৰ দাঙি উঠিছিল। আৰু এই ধৰ্ম্ম চাৰিওফালে বিয়পি পৰিছিল।

প্ৰথম অৱস্থাৰ মুছলমানসকল অতি নিষ্ঠাবান আৰু অকপট মুছলমান আছিল। জীৱন পৰ্য্যন্ত আগবঢ়াই তেওঁলোকে ইছলামৰ প্ৰতিটো নিৰ্দ্দেশ আখৰে আখৰে পালন কৰি চলিছিল আৰু কোনো নীতি-নিয়মৰ সামান্যতম তাৰতম্যও তেওঁলোকে সহ্য নকৰিছিল। হজৰত মোহম্মদৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰী খলিফাসকলে ৰাষ্ট্ৰ আৰু ধৰ্ম্মৰ ৰক্ষক পালক ৰূপে সমানেই কঠোৰতা অৱলম্বন কৰিছিল, আৰু এওঁলোকৰ দিনতেই ইছলাম ধৰ্ম্মৰ আৰু আদৰ্শৰ ব্যাপক সম্প্ৰসাৰণ ঘটিছিল। কোৰাণৰ ব্যাখ্যা বিশ্লেষণত এই সময়ৰ সাত্বিক ধৰ্মীয় নেতাসকলে কোনো প্ৰকাৰৰ ভাববাদৰ প্ৰশ্ৰয় নিদিছিল। আৰু কোৰাণৰ বাণীক অকাট্য আৰু প্ৰশ্ন আৰু সন্দেহৰ উৰ্দ্ধৰ বুলি গণ্য কৰিবলৈ পৰামৰ্শ দিছিল। তেনেদৰে হজৰত মোহম্মদৰ জীৱনৰ কাৰ্য্যকলাপ, নিৰ্দ্দেশ-উপদেশকো দুৰ্লংঘ্য আৰু অকাট্য বুলি মানি চলিছিল আৰু আন মুছলমানেও মানি চলিবৰ কাৰণে নিৰ্দ্দেশ দিছিল। এনে সকল নৈষ্ঠিক মুছলমানকে আহ্‌লে কোৰাণ আৰু আহ্‌লে হদীছ বুলি (কোৰাণ সম্প্ৰদায় আৰু হদীছ সম্প্ৰদায়) বুলি চিনাক্ত কৰিছিল। এই সময় ছোৱাৰ ভিতৰতে কোৰাণ আৰু হদীছৰ ভিত্তিত মুছলমানী শাসন বিধি, সংবিধান আৰু আইন বিধিবদ্ধভাৱে প্ৰণয়ন আৰু প্ৰয়োগ কৰা হৈছিল। এনেদৰে খলিফাসকলৰ দিনতেই ইছলাম সমসাময়িক মুছলিম জগতৰ কাৰণে এক সাৰ্ব্বজনীন ৰাষ্ট্ৰধৰ্ম্ম আৰু ৰাষ্ট্ৰবিধিত পৰিণত হৈছিল।

ক্ৰমে মুছলিম সাম্ৰাজ্যৰ কেন্দ্ৰস্থল আৰবৰ পৰা ইৰাক-ইৰাণৰ ফালে স্থানান্তৰিত হোৱাত, ইছলাম ধৰ্ম্মৰ কাৰ্য্যকলাপো বিকেন্দ্ৰীকৃত হৈছিল।



আৰব জাতি প্ৰধানতঃ চেমিটিক গোষ্ঠীৰ লোক। ইৰাণীয়সকল ঘাইকৈ আৰ্য্য গোষ্ঠীৰ লোক। এই ইৰাণীয় আৰ্য্যসকল আৰবসকলৰ দৰে কঠোৰ নাছিল। তেওঁলোক কিছু ভাৱ-প্ৰৱণ আৰু কল্পনা-প্ৰৱণ আছিল। তেওঁলোকৰ সৰহ ভাগেই জোৰোৱাষ্টাৰৰ ধৰ্মৰীতি পালন কৰিছিল। তেওঁলোক জড়োপাসক আছিল আৰু অগ্নিয়েই আছিল প্ৰধান উপাস্য দেৱতা। অগ্নিয়েই পোহৰ আৰু উত্তাপ, গতিকে অগ্নিয়েই জীৱনৰ মূল বস্তু। গতিকে অগ্নি উপাস্য। অগ্নি বা পোহৰ আৰু উত্তাপৰ আবৰ্তমানেই আন্ধাৰ—তমসা। আন্ধাৰ পাপ আৰু মৃত্যুৰ প্ৰতীক। গতিকে আন্ধাৰ আহিব নোৱাৰাকৈ সদায় পোহৰ থকাকৈ জোৰোৱাষ্টাৰৰ ধৰ্ম্মৰ অনুগামীসকলে ঘৰত আৰু মন্দিৰত সদায় একুৰা জুই জ্বলাই ৰাখিছিল।

অগ্নি পূজাৰ বিৰুদ্ধেও অন্য মূৰ্তি পূজাৰ বিৰুদ্ধে কৰাৰ দৰেই ইছলামে যুদ্ধ কৰিবলগীয়া হৈছিল। ক্ৰমে বহু অগ্নি পূজকেই নিজ ধৰ্ম্ম এৰি নিৰাকাৰ আল্লাৰ পূজা কৰা ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিছিল। ইছলামৰ নৱ-মানৱতাবাদ, বিশ্বভ্ৰাতৃত্ব, সাম্যবাদ আৰু সহজ-সৰল আৰু অনাড়ম্বৰ জীৱন-যাপন পদ্ধতিত অগ্নি-পূজকসকলে নতুন পথৰ সন্ধান পাইছিল, আৰু জড়োপাসনাৰ সলনি একমেৱাদ্বিতীয়ম আল্লাৰ উপাসনা কৰাৰ ধৰ্ম্ম গ্ৰহণ কৰিছিল।

সমাজৰ বিভিন্ন স্তৰৰ পৰা অহা, বিভিন্ন ভাষা-ভাষী আৰু বিভিন্ন সংস্কৃতিৰ মাজেদি ভাবাদৰ্শ গঢ়ি তোলা, বিভিন্ন মানুহ আহি যেতিয়া মুছলমান সমাজখনৰ জনসংখ্যা আশাতীতভাৱে বঢ়াই তুলিলে, তেতিয়া ধৰ্মীয় গোড়ামী আৰু নৈষ্ঠিকতা স্বাভাৱিকতে কিছু শিথিল হৈ পৰিল। ধৰ্ম্মৰ মূল আদৰ্শ আৰু নীতি-নিয়ম লংঘন নকৰিও কঠোৰ নৈষ্ঠিকতাৰ পৰা কিছু অব্যাহতি পাবৰ কাৰণে কোনো কোনোৱে চেষ্টা চলালে।

হিজৰী দ্বিতীয় শতিকাৰ শেষৰফালে আৰু তৃতীয় শতিকাৰ আগছোৱাত ইছলামী ভাবাদৰ্শৰ ক্ষেত্ৰত মধ্য এচিয়াত দুটা বিপৰীত-মুখী ভাবধাৰাৰ উদ্ভৱ হয় আৰু ই ইছলামী বিশ্বাস আৰু কাৰ্য্যকলাপৰ ক্ষেত্ৰত অবিকল্প নৈষ্ঠিকতাবাদ আৰু যুক্তিবাদ—এনে দুই বিৰোধী

শিৰিৰৰ জন্ম দিয়ে। চমুকৈ ক'ব লাগিলে অৱতীৰ্ণ ঐশবাণী কোৰাণ আৰু হজৰত মোহম্মদৰ বাণী হদীছক মানুহৰ জ্ঞান আৰু যুক্তিৰে মূল্যায়ন কৰিব পৰা যায়নে নেযায়, নাইবা কোৰাণ আৰু হদীছক ব্যাখ্যা বিশ্লেষণৰ ক্ষেত্ৰত মানুহৰ জ্ঞান আৰু যুক্তিৰ কিবা ভূমিকা পালন কৰিব-লগীয়া থাকিব পাৰেনে নোৱাৰে—এইয়ে আছিল বাদানুবাদৰ মূল বিষয়বস্তু। শেষ পৰ্যন্ত মানুহৰ জ্ঞান আৰু যুক্তিৰ সীমাবদ্ধতা আৰু সম্ভাব্য অপূৰ্ণতা স্বীকাৰ কৰি লৈ কোৰাণ আৰু হদীছৰ স্বয়ংসম্পূৰ্ণতা মানি লোৱাৰ ফলত যুক্তিবাদী মো'তাজালা আৰু নৈষ্ঠিকতাবাদী আছাৰা সকল বুজাপৰালৈ আহিল যদিও, এদল মুক্ত চিন্তাৰ সমৰ্থক আৰু যুক্তি-বাদীৰ উদ্ভৱ হ'ল। এওঁলোকক আহলে আকল বুলি চিনাক্তকৰণ কৰা হৈছিল। ৰজা ঘৰীয়া সমৰ্থন পাই আহলে কোৰাণ সকলৰ স্থিতি কিছু সুস্থিৰ হ'ল যদিও, যুক্তিবাদীসকলৰ পৰা তেওঁলোক সম্পূৰ্ণ মুক্ত নহ'ল। সাধাৰণ মুছলমানসকল নৈষ্ঠিকতাপন্থী সকলৰ অনুগামী হৈয়ে থাকিল যদিও, বহুতো বিদ্বান আৰু শিক্ষিত মুছলমান যুক্তিবাদ তথা ভাববাদৰ অনুগামী হৈয়ে থাকিল। প্ৰধানতঃ ইৰাণৰ বহুকেজন প্ৰখ্যাত কবি সাহিত্যিক মুক্ত চিন্তা আৰু যুক্তিবাদৰ প্ৰবক্তা হৈ উঠিছিল। এই সকলৰ বহুতেই 'চুফী' বুলি চিহ্নিত আৰু স্বীকৃত হৈছিল আৰু এনে মুক্ত চিন্তাৰ প্ৰৱৰ্তক বুলিয়ে এওঁলোক বৰ জনপ্ৰিয় হৈ পাৰিছিল। যুক্তিবাদৰ সমৰ্থক বা মুক্ত চিন্তা কল্পনাৰ পৰিপোষক আছিল যদিও, প্ৰধানতঃ এক উচ্চ মাৰ্গৰ আধ্যাত্মিক চিন্তা আৰু সাধনাৰ পক্ষপাতী বুলিহে এই চুফীসকল সকলোৰে প্ৰিয়পাত্ৰ হৈ পৰিছিল। পোনপটীয়াকৈ গোড়া আৰু নৈষ্ঠিক মুছলমানসকলৰ বিৰোধীতা নকৰিলেও কিছু সংখ্যক চুফীয়ে গোড়া-পন্থীসকলৰ সম্পৰ্কে সমালোচনা নকৰাকৈ থকা নাছিল। মুক্ত চিন্তা আৰু মুক্ত ভাব প্ৰকাশৰ কাৰণে সমালোচনাৰ সন্মুখীন হ'বলগীয়া হোৱা কবি ওমৰ খায়ামে আত্মপক্ষ সমৰ্থন কৰি ক'বলগীয়া হৈছিল : "অন্য যিয়েই নকৰিলো লাগে, একক মই কোনোদিন দুই বোলা নাই।" অৰ্থাৎ যুক্তিবাদী বা মুক্ত চিন্তাবাদী হলেও চুফী কবি খায়াম একেশ্বৰবাদৰ পৰা আঁতৰি যোৱা নাছিল।



ফাৰ্চীভাষী মুছলমানসকল ভাৰতলৈ অহাৰ পিছত চুফীসকলৰ একাংশও দিল্লী, আজমীৰ, মুলতান, পানীপথ আদি ঠাইলৈ আহিল আৰু নিজ নিজ ঠাইত নিজৰ খানকাহ বা থান পাতি নিজস্বভাৱে আধ্যাত্ম সাধনাত লাগি থাকিল। তেওঁলোকৰ শিষ্যৰ সংখ্যাও বাঢ়িল আৰু সকলো সাধক 'ৱলীয়ে কামিল' বুলি জনাজাত হোৱাৰ পিছত বহুতে চুফী সাধকেই 'পীৰ' ৰূপে পৰিগণিত হ'ব ধৰিলে।

ইছলামত ইমাম বা ধৰ্মীয় নেতা থাকিলেও, এনে ইমামৰ দায়িত্ব হ'ল নামাজ আদি আনুষ্ঠানিক উপাসনা পৰিচালনা কৰাহে, সাধাৰণতে গুৰুগিৰি কৰা নহয়। এনে কোনো ইমাম কেতিয়াবা আধ্যাত্মিক গুৰু হোৱাৰো উদাহৰণ আছে। কিন্তু এজন বা ততোধিক মুৰীদ বা শিষ্যক গূঢ় ভগবদ্‌জ্ঞান দিবৰ কাৰণে দায়িত্ব লোৱা, তত্ত্বজ্ঞানৰ অধিকাৰী বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ সাধকক ৱলী বা পীৰ বুলি সমাজে শ্ৰদ্ধা জনাইছিল। ৰাষ্ট্ৰীয় ক্ষেত্ৰত ৰজাই পোৱাৰ দৰেই, আধ্যাত্মিক ক্ষেত্ৰত এই গুৰুসকলে জনসাধাৰণৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। মাৰিফতী সাধনাত পৰমাৰ্থ লাভ কৰিবৰ কাৰণে কামিল পীৰৰ বা সদ গুৰুৰ প্ৰয়োজন বহুতেই স্বীকাৰ কৰিব ধৰিলে। আৰু এনেকৈয়ে এনে পীৰ বা গুৰুসকলে বিৰাট প্ৰভাৱ বিস্তাৰ কৰিব ধৰিলে।

আধ্যাত্ম সাধনাত সাফল্য আৰু পূৰ্ণতা লাভ কৰিবৰ কাৰণে সাধন পথৰ মাৰ্গ দৰ্শন এজন পীৰ বা গুৰু অবিহনে সম্ভৱ নহয়—এনে এটা ধাৰণা প্ৰায় সাৰ্ব্বজনীন বিশ্বাসত পৰিণত হৈছিল। অৱশ্যে যি কোনো মানুহেই পীৰ বা গুৰু হ'বলৈ আশা কৰিব নোৱাৰিছিল। সাধনাৰ ক্ষেত্ৰত উত্তীৰ্ণ হওঁতা জনেহে পীৰ বুলি চিনাকি দিব পাৰিছিল। আৰু মুৰীদ বা শিষ্য হ'বৰ কাৰণেও কিছু যোগ্যতাৰ প্ৰয়োজন আছিল। মুৰীদ বা শিষ্যই পীৰ বা গুৰুৰ ওচৰত তত্ত্বকথাৰ জ্ঞান লাভ কৰিছিল। আৰু একান্ত আনুগত্যেৰে গুৰুৰ আদেশ নিৰ্দেশ পালন কৰি আত্মাৰ পূৰ্ণ উত্তৰণ আৰু চৰম উপলব্ধিৰ কাৰণে সাধনা কৰিছিল। গুৰু আৰু শিষ্য সাধন পথত একাত্ম হৈ নপাৰিলে সাধনাত সিদ্ধি লাভ কৰিব নোৱাৰে।

পীৰ বা আধ্যাত্মিক গুৰুৱে কিন্তু গুৰুগিৰীক জীৱিকা কৰি নলয়।
গুৰুগিৰী বৃত্তি বা ব্যৱসায় নহয়। গুৰুৰ প্ৰতি দ্বিধাহীন আনুগত্যই
হ'ল আধ্যাত্ম সাধনাৰ পথত শিষ্যৰ সাফল্যৰ একমাত্ৰ উপায়।
চুফী সাধন মাৰ্গত চাৰিটা স্তৰ থকাটো বহুতে অপৰিহাৰ্য্য বুলি গণ্য
কৰিছিল। সেই স্তৰ কেইটা হৈছে : (১) ফানা ফিচ্ছেখ (সাধন মাৰ্গৰ
গুৰুত আত্মলোপ), অৰ্থাৎ একাত্ম হোৱা (২) ফানা ফিৰ্ছুল (ৰছুলত
আত্মলোপ) অৰ্থাৎ গুৰুৱে যি ৰছুল বা প্ৰেৰিত পুৰুষৰ পৰা আধ্যাত্ম-
জ্ঞান লাভ কৰিছে সেই গুৰুত আত্মলোপ, (৩) ফানা ফিল্লাহ (আল্লাত
আত্মলোপ), যি আত্মলোপৰ পথ গুৰু আৰু ৰছুলৰ যোগেদি পোৱা
যায়, (৪) বাকা বিল্লাহ (আল্লাত, আল্লাৰ অস্তিত্বৰ মাজত (চিৰকালৰ
কাৰণে) আত্মিক অৱস্থান।) যিটো অৱস্থাই সকলো চুফী সাধকৰ
সাধনাৰ চৰম লক্ষ্য।

গুৰুৰ শিষ্যত্ব গ্ৰহণ কৰি শিষ্য বা মুৰীদে এনেদৰেই সসীমৰ পৰা
অসীম জ্ঞানৰ অধিকাৰী হোৱাৰ সাধনা তপস্যা কৰে। এনে সাধনা ধৰ্মৰ
বিধি বিধানৰ মাজেদিও কৰিব পাৰে, মাত্ৰ ইছলামৰ মূল কথাকেটাৰ
ওপৰত বিশ্বাস থাপন কৰি মুছলমান হৈ ল'ব লাগিব, এই ক্ষেত্ৰতো
অতিক্ৰম কৰিবলগীয়া স্তৰ চাৰিটা : (১) ছৰিয়ত (বিধিবদ্ধ ধৰ্মাচাৰ
পালন), (২) তৰিকত (সাধন মাৰ্গৰ বিশেষ পথ বা পন্থা অনুসৰণ),
(৩) হকিকত (সত্য উপলব্ধি বা সত্যৰ পথত সাধনাৰ কৰ্ষণ),
(৪) মাৰিফত (তত্ত্বজ্ঞান উপলব্ধি বা সত্য লাভ)।

সৰ্ব্বসাধাৰণ মুছলমানৰ কাৰণে নামাজ ৰোজা আদি নিত্য কৰণীয়
কৰ্ত্তব্যবোৰ পালন কৰাই যথেষ্ট। ওপৰন্তু আধ্যাত্ম-সাধনা অপৰিহাৰ্য্য
নহয়। সেয়ে হলেও গুৰু বা চুফী পীৰসকলৰ সান্নিধ্যলৈ অহা আৰু
তেওঁলোকৰ দোৱা বা আশীৰ্ব্বাদ লাভ কৰিবলৈ যত্ন কৰাটো বহুতৰে
কাম্য আছিল। আৰু এনেদৰে ৰাষ্ট্ৰীয় বাধ্যবাধকতাৰ সীমাৰ বাহিৰত
পীৰ বা গুৰুসকলে এক বিশেষ প্ৰাধান্য আৰু মৰ্য্যাদা লাভ কৰিছিল।

দিল্লীৰ শাসকসকল—পাঠানেই হওক বা মোগলেই হওক, মুছলমান
আছিল যদিও ধৰ্ম্ম প্ৰচাৰ তেওঁলোকৰ কাম নাছিল। প্ৰজা শাসন



কৰাটোহে ৰজাৰ দায়িত্ব। নিজৰ ৰাজ্য বিস্তাৰ আছিল সেই কালৰ ৰজাৰ শক্তি প্ৰতিপন্ন কৰাৰ উপায়। আক্ৰান্ত ৰাজ্য হিন্দু বা মুছলমান যাৰেই নহওক লাগিলে এক মুছলমান ৰজাই অন্য এক মুছলমান ৰজাৰ ৰাজ্য আক্ৰমণ কৰি জয় কৰাটো একো নতুন কথা নাছিল। ইয়াত ধৰ্ম্মৰ কথাটো আছিল গৌণ আৰু পৰোক্ষ। ৰাজ্য বিস্তাৰ কৰাটোৱেই আছিল প্ৰধান কথা। অন্য ধৰ্ম্মাৱলম্বী ৰজাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সাম্ৰাজ্যবাদী দুৰাকাংক্ষাই ধৰ্ম্মৰ কথা বিচাৰ নকৰে। একে ধৰ্ম্মৰ দুই ৰাজশক্তিৰ মাজৰ সংঘাত-সংঘৰ্ষক কোনোৱে বৰ নোহোৱা-নোপজা ঘটনা বুলি নধৰে।

এইবোৰ সংঘাত-সংঘৰ্ষ, যুদ্ধ-বিগ্ৰহৰ মাজে-মাজে বিভিন্ন ধৰ্ম্ম চলি আছিল। ভাৰতবৰ্ষলৈ আহি ইছলাম ধৰ্ম্মও কিছুমান নতুন সমস্যা আৰু পৰিস্থিতিৰ মুখামুখী হৈছিল। প্ৰধানকৈ নানা দেৱ-দেৱীৰ পূজা চলি থকা উত্তৰ ভাৰতত একেশ্বৰবাদী আৰু পৌত্তলিকতা বিৰোধী ইছলাম ধৰ্ম্মই নিজস্বতা অক্ষুণ্ণ ৰাখিবৰ কাৰণে নৈষ্ঠিকতাৰ পৃষ্ঠপোষকতা কৰিবলগীয়া হৈছিল। আনহাতে হিন্দু ধৰ্ম্ম আৰু ইছলাম ধৰ্ম্মৰ মাজৰ আচাৰ-বিচাৰৰ উৰ্দ্ধৰ মূল কথাবোৰৰ মাজত মিলৰ অনুসন্ধান আৰম্ভ হৈছিল। জাত-পাতৰ বিচাৰ নমনা, জন্মান্তৰবাদ নমনা, দেৱ-দেৱী নমনা আৰু পুৰোহিতালি নমনা মুছলমান ৰজা-প্ৰজাই হিন্দু ধৰ্ম্মাৱলম্বীৰ লগত সংঘৰ্ষলৈ নহাৰ পথ ৰচনা কৰিছিল, দুয়োটা ধৰ্ম্মৰ মূলত থকা একেশ্বৰবাদে, লোকাচাৰৰ উৰ্দ্ধৰ আধ্যাত্ম সাধনাৰ অনানুষ্ঠানিকতা আৰু ধৰ্ম্মীয় সহনশীলতা আৰু উদাৰতাই।

ইতিমধ্যে ভাৰততো নৱবৈষ্ণৱবাদ বিয়পি পৰিছিল। পূজা-পাৰ্ব্বণ, যাগ-যজ্ঞ, বলি-বিধানৰ ঠাইত নিৰাকাৰ ভগৱানৰ প্ৰতি ভক্তিয়ে প্ৰাধান্য লাভ কৰিবলৈ ধৰিছিল। কৰ্ম্মযোগ, জ্ঞানযোগতকৈ, সাধাৰণ মানুহৰ কাৰণে ভক্তিযোগ সহজসাধ্য বুলি পৰিগণিত হৈছিল।

মুছলমানসকল ভাৰতলৈ আহি ইয়াতে স্থায়ীভাৱে থাকি যোৱাৰ কাৰণে আৰু উত্তৰ ভাৰতৰ এটা ব্যাপক অঞ্চল মুছলমান শাসকৰ অধীনস্থ হোৱাৰ কাৰণে স্বাভাৱিকতে এই নতুন ধৰ্ম্মটোৰ বিশেষত্ববোৰ

আনুৰ চকুত নপৰি নাথাকিছিল। বিশেষকৈ জাতি বিচাৰ নথকাটো আৰু সকলো মুছলমানক সমান বুলি স্বীকৃতি দিয়াটো সকলোৰে চকুত পৰিছিল। হিন্দু ধৰ্মৰ অন্তৰ্গত অন্ত্যজ, অস্পৃশ্য বা নীহকুলীয়া বুলি সামাজিকভাৱে অৱহেলিত আৰু নিষ্পেষিত বহু মানুহ ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। ধৰ্মান্তৰ গ্ৰহণ কৰা এনে লোকৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই গৈছিল।

এনে ব্যাপক ধৰ্মান্তৰ ৰোধ কৰিবৰ কাৰণেও হিন্দু ধৰ্মৰ কটকটীয়া নীতি নিষ্ঠা আৰু গোড়ামী কিছু শিথিল কৰিবলগীয়া হৈছিল। শাক্ত, শৈৱ আদি আদৰ্শৰ নৈষ্ঠিক অনুগামীসকলক বিশেষ আমনি নকৰাকৈ তুলনামূলকভাৱে বহু উদাৰ আৰু সহজ বৈষ্ণৱ ৰীতি প্ৰৱৰ্তনৰ দ্বাৰা তলৰ শ্ৰেণীৰ হিন্দুসকলক ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পৰা বিৰত ৰাখিবলৈ চেষ্টা কৰা হৈছিল।

এনেদৰে ইছলাম আৰু হিন্দু ধৰ্ম উভয়ৰে এটা মিলন-বিন্দুৰ সন্ধান চলিছিল। য'ত বাহ্যিক আচাৰ-বিচাৰতকৈ ধৰ্মৰ মূল কথাত অধিক গুৰুত্ব দিয়া হৈছিল আৰু এই দুটা ধৰ্মৰ মাজৰ পাৰ্থক্য আৰু ব্যৱধানত গুৰুত্ব দিয়াতকৈ মিল আৰু সমন্বয়ত অধিক মনোযোগ দিয়া হৈছিল। হিন্দু ধৰ্মৰ অতি-নৈষ্ঠিকতা আৰু ইছলাম ধৰ্মৰ অতি-নৈষ্ঠিকতাৰ সলনি বিৰোধৰ ক্ষেত্ৰবোৰত গুৰুত্ব নিদি, দুয়োটা ধৰ্মৰ অনুগামীসকলক সহজভাৱে নিজ নিজ ধৰ্ম পালন কৰি যোৱাৰ পথ সুগম কৰিবৰ কাৰণে সন্তসকলে আৰু চুফীসকলে সাৰ্ব্বজনীনভাৱে গ্ৰহণীয় কিছুমান ধ্যান ধাৰণা আগবঢ়াইছিল। ইছলামত ই বিশেষ নতুন কথা নাছিল। চুফী সাধকসকলে প্ৰথমে ইৰাণ আদি ঠাইতে নৈষ্ঠিকতাৰ লগত পোনপটীয়াভাৱে সংঘৰ্ষলৈ নহাকৈয়ে, তত্ত্ব কথা আৰু সত্য সাধনাৰ সহজ উপায় উদ্ভাৱন কৰিছিল। ভক্তি আৰু প্ৰেমৰ মাজেদি ঐশ্বৰিক কৰুণা লাভৰ কাৰণে চুফী সাধনাৰ যোগেদি আধ্যাত্মিক সাধনা কৰাৰ ব্যৱস্থা কৰা হৈছিল। নৱবৈষ্ণৱ আন্দোলনেও প্ৰধানতঃ হিন্দু ধৰ্মৰ অপৰিহাৰ্য্য বুলি পৰিগণিত যাগ-যজ্ঞ, পূজা-বলি আদি কিছুমান আচাৰ-বিচাৰৰ ঠাইত ভগবদ প্ৰেম আৰু ভক্তিৰ যোগে মোক্ষ লাভ কৰাৰ সহজ



পথৰ ইঙ্গিত দিছিল। সাধাৰণ মানুহৰ কাৰণে কৰ্মযোগ আৰু জ্ঞান যোগতকৈ ভক্তি যোগত অধিক প্ৰাধান্য দিয়া হৈছিল। ইয়াৰ ফলত ভাৰতবৰ্ষত ভালেকেজন বিশিষ্ট ভক্ত সাধক, ভক্ত কবি ওলাইছিল। কবীৰ, নানক, সুৰদাস, মীৰাবাই আদি ভক্ত সাধকসকলৰ কোনোৱে প্ৰেমৰ কোনোৱে ভক্তিত প্ৰাধান্য দি নিজ নিজ অনুগামী শিষ্যক ঈশ্বৰ ভক্তিৰ নতুন পন্থা শিকাইছিল।

এটা কথা উল্লেখনীয় যে চুফী সাধক আৰু কবিসকলৰ প্ৰায় সকলোৰেই শিক্ষিত আৰু বিদ্বান ব্যক্তি আছিল। অন্ততঃ ইছলাম ধৰ্ম সম্পৰ্কে তেওঁলোকৰ ব্যাপক অধ্যয়ন আছিল। কিন্তু হিন্দু ভক্ত সন্ত বা কবিসকলৰ সৰহভাগৰে আনুষ্ঠানিক শিক্ষা আছিল অতি সীমাবদ্ধ। কবীৰৰ দৰে দুই এজন অতি জনপ্ৰিয় ভক্ত কবি একপ্ৰকাৰ নিৰক্ষৰ আছিল বুলি জনা যায়। তথাপি এই সন্তসকলৰ ভগবদ্ ভক্তি আৰু ভগবদ্-প্ৰেম অতি সৰল আৰু গভীৰ আছিল। আৰু তেওঁলোকৰ স্পষ্টবাদিতা আৰু সততা সকলো সন্দেহৰ উৰ্ধত আছিল। চুফী সাধকসকল আৰু হিন্দু সন্ত ভক্ত গুৰুসকলৰ এটা সকলোৱে চকুত পৰা বিশেষত্ব আছিল: তেওঁলোকে ৰাজ অনুগ্ৰহৰ প্ৰতি লালায়িত হোৱাতকৈ, সহজ সাধাৰণ মানুহৰ মাজতহে নিজৰ ঠাই কৰি লৈছিল। ৰজা সদায় ৰাজ্য শাসনৰ দৰে দায়িত্বপূৰ্ণ কাৰ্য্যত ব্যস্ত থাকিবলগীয়া হয়। কেতিয়াবা কঠোৰ হ'বলগীয়া হয়, কেতিয়াবা কোমল হ'বলগীয়া হয়, মহা প্ৰতাপশালী, মহা পৰাক্ৰমী ৰজাও কেতিয়াবা বিপন্ন হ'বলগীয়া হয়, বিপদ-বিঘিনিৰ সন্মুখীন হ'বলগীয়া হয়; কেতিয়াবা আনকি ৰাজ্য এৰি স্থানান্তৰত আশ্ৰয় লবলগীয়া হয়। অনিশ্চয়তাই সদায় ৰাজশক্তিক ঘেৰি থাকে।

সেয়েহে ঈশ্বৰ ভক্তসকলে ৰজাৰ আশ্ৰয় বিচৰাতকৈ ৰজাৰো ৰজা, ঈশ্বৰৰ, আল্লাৰ, বিধাতাৰ আশ্ৰয় বিচাৰে। ৰাইজৰ মৰম বিচাৰে। ৰজা সদায় নেথাকে, ৰাইজ সদায় থাকে। এনেবোৰ কাৰণতে চুফীসকলে সন্ত সাধু, ফকীৰ, ভক্তসকলে ৰাজ-ৰাজন্যক তেওঁলোকৰ ভাগে এৰি জনসাধাৰণৰ মাজত নিজৰ মতবাদ, ধ্যান ধাৰণা প্ৰচাৰ কৰিছিল।

তদুপৰি বহু সময়ত চুফী বা সন্ত সাধকসকলে কোনো ৰজাক তেওঁৰ

কাৰ্য্যকলাপৰ কাৰণে কঠোৰ সমালোচনাও কৰিবলগীয়া হৈছিল। কেতিয়াবা ৰাজকাৰ্য্যক তুচ্চ-তাচ্চিল্য কৰি ৰাইজৰ হাঁহিয়াতৰ বস্তু কৰি সমালোচনা কৰিবলগীয়াও হৈছিল। আৰু কেতিয়াবা ৰজাৰ স্বাৰ্থৰ অনুকূলে নহ'লে কেতিয়াবা ৰজাৰ ক্ৰোধে সন্ত সাধুসকলক চুইছিলগৈ। এনেবোৰ কাৰণতে ভগবদ-ভক্ত এই সাধুসকল ৰাজ-ৰাজন্যৰ প্ৰভাৱৰ সীমাৰ বাহিৰতে থকাৰ পক্ষপাতী আছিল। সাধাৰণ প্ৰজাৰ প্ৰীতি শ্ৰদ্ধা আৰু ভক্তিৰ মাজতে এই সন্ত-সাধু চুফীৰ জনপ্ৰিয়তা অটুত আৰু অক্ষুণ্ণ ৰৈছিল। নিড়াম্বৰ আৰু সৰল, কিন্তু নিৰ্ভীক আৰু সৎ জীৱন যাপন কৰাটোৱেই আছিল এই সকল লোকৰ আদৰ্শ। উদাৰপন্থী নতুন বৈষ্ণৱবাদীসকল আৰু চুফী সাধকসকলে সেইসময়ৰ উত্তৰ-ভাৰতত ধৰ্ম্মজীৱনৰ আৰু ব্যৱহাৰিক জীৱনৰ মাজলৈ এক নতুন আধ্যাত্ম মূল্যবোধৰ ভাব কঢ়িয়াই আনিছিল। এফালে নৈষ্ঠিক হিন্দুসকল আৰু নৈষ্ঠিক মুছলমানসকল, আনহাতে উদাৰপন্থী আৰু নতুন মানৱতাবোধৰ চেতনাৰে উদ্বুদ্ধ সাধকসকল—ইয়াৰ মাজেদি উত্তৰ-ভাৰতীয় জনসাধাৰণৰ ভাব-জগতত এক স্পষ্ট ৰূপান্তৰ সাধিত হৈছিল—যাৰ প্ৰভাৱ দেশৰ দক্ষিণ-পশ্চিম, পূব—চাৰিও দিশে বিয়পি পৰিছিল। সৰ্ব্বধৰ্ম্ম সমন্বয়ৰ প্ৰচেষ্টা জনপ্ৰিয় হৈ উঠাৰ কাৰণে গোড়া আৰু নৈষ্ঠিক আৰু আচাৰ ৰীতি সৰ্ব্বস্বতাৰ সমৰ্থক ধৰ্ম্মীয় নেতাসকলৰ প্ৰভাৱ আৰু জনপ্ৰিয়তা বহুখিনি হ্ৰাস পাইছিল। চুফীবাদ আৰু নৱবৈষ্ণৱবাদৰ প্ৰভাৱত মানৱীয় সম্পৰ্কৰ নৱ মূল্যায়ন হৈছিল আৰু তাৰ ফলত গোড়া, জাত-পাতৰ বিচাৰ ব্যৱধান বহুত শিথিল হৈ পৰিছিল। ইছলামৰ দ্ব্যৰ্থহীন আৰু কঠোৰ একেশ্বৰবাদ, জাত-কুল বিচাৰ বিহীনতা সাম্য আৰু ভ্ৰাতৃত্বই সামাজিক আৰু ধৰ্ম্মীয় ব্যৱধান বহুত শিথিল কৰিছিল। এক নতুন জনতাৰ ভাষাৰে সৰ্ব্বজনবোধ্য ৰূপক, যোজনা, উপমা আদিৰে ধৰ্ম্মৰ জটিল আৰু দুৰ্বোধ্য কথাবোৰ জনসাধাৰণৰ গ্ৰহণীয় কৰি তোলা হৈছিল।

এনে এটা পৰিমণ্ডল গঢ় উঠাত সন্ত কবি কবীৰ সুৰদাস আদিৰ বৰঙণি অতি ফলপ্ৰসূ আৰু শক্তিশালী আছিল।



কবীৰ বিধৱা ব্ৰাহ্মণীৰ পৰিত্যক্ত সন্তানেই হওক বা বাৰাণসীৰ মুছলমান তাঁতী পৰিয়াল নিমাই নিৰুৰ নিজস্ব সন্তানেই হওক, জোলা মুছলমানৰ ঘৰত ডাঙৰ-দীঘল হোৱা কবীৰ এক প্ৰকাৰ অজ্ঞাতকুলশীল আছিল যদিও, আধ্যাত্ম সাধনাৰ এজন অগ্ৰণী হিচাপে হিন্দীৰ এজন বিশিষ্ট আদি কবি হিচাপে আৰু হিন্দু ধৰ্ম্ম ইছলাম ধৰ্ম্মৰ গোড়ামী আৰু আনুষ্ঠানিকতাৰ এজন সাহসী সমালোচক হিচাপে আৰু ইছলাম আৰু হিন্দু ধৰ্ম্ম কোনোটোৰে মূল সত্যক প্ৰত্যাখান নকৰাকৈ লৌকিকতা আৰু লোক দেখনিয়াৰ অনুষ্ঠানবোৰ বাদ দিবলৈ আহ্বান জনাই তেওঁ নিৰ্গুণ, নিৰাকাৰ শাশ্বত আল্লা বা ঈশ্বৰক বিচৰাৰ আহ্বান জনাইছিল। নিৰক্ষৰেই হওক বা সামান্যভাৱে শিক্ষিতেই হওক, অজ্ঞাত কুলশীল, তাঁতী বা জোলাহাৰ নিচিনা সেই সময়ৰ সমাজৰ নিম্নস্তৰৰ মানুহ বুলি পৰিগণিত কবীৰো সংস্কাৰমুক্ত সাধনাৰ যোগেদি এক আধ্যাত্মিক গুৰুৰ মৰ্য্যাদাত প্ৰতিষ্ঠিত হ'ব পৰাটোৱে খৃষ্টীয় পঞ্চদশ শতিকা আৰু তাৰ আগে পাছে ভাৰত জুৰি হোৱা এক ধৰ্ম্মীয় বিৱৰ্ত্তনৰ প্ৰভাৱৰ নিদৰ্শন দাঙি ধৰে।

শংকৰদেৱ তীৰ্থ ভ্ৰমণলৈ যাওঁতে কবীৰৰ লগত সো-শৰীৰেৰে নহলেও কবীৰৰ অনুগামী কবীৰ পন্থীসকলৰ লগত সংস্পৰ্শলৈ আহিছিল। যুগ পৰিৱৰ্ত্তনৰ বাস্তৱক স্বীকাৰ কৰি লৈ চুফী বা সন্ত সাধকসকলে যিদৰে ধৰ্ম্মৰ প্ৰতি সাধাৰণ মানুহৰ দৃষ্টিভঙ্গী সলনি কৰিছিল আৰু তাৰ পৰিণাম স্বৰূপে ধৰ্ম্মৰ ক্ষেত্ৰত এক উদাৰ নৈতিকতাৰ প্ৰশস্ত বাতাবৰণৰ সৃষ্টি কৰিছিল, সি যে অন্য সত্য সন্ধানীৰো চকু মুকলি কৰিব, তাত সন্দেহ কৰিবলগীয়া নাই। সমকালীন আচাম দেশত বিভিন্ন গোষ্ঠী, সম্প্ৰদায়, আচাৰ-নীতি আৰু বিভিন্ন ভাষা-ভাষী জনসাধাৰণ তেনে এক পৰিবেশৰ প্ৰতি আকৃষ্ট হোৱাটো অস্বাভাৱিক নাছিল।



"মোৰ হ'লে পায় ৰাসহে ভাল লাগে।" জানকীয়ে ক'লে।

"ৰাসৰ নাচো চাব'লৈ ভাল। পিছে লোকে নাচে, আমি চাওঁ। ফাকুৱাত আৰু লোকৰ চাবলৈ নাই। নিজেই ফাকু খেলিব পাৰি।" কণমইনাই ক'লে।

ৰূপহীয়ে মাত লগালে, "তহঁতে যি কৰ, মোৰ হ'লে নাটহে ভাল লাগে। ৰজা ওলায়, মন্ত্ৰী ওলায়, দেৱতা ওলায়, ৰাক্ষস ওলায়, ৰণ লাগে, নাচে, গীত গায়, বাজনা বজায়—ভাল নেলাগেনে বাৰু? মোৰ হ'লে দিনে-ৰাতিয়ে চাই থাকিলেও আমনি নেলাগে।"

"নাটৰ কথাবোৰহে মই ভালকৈ বুজিব নোৱাৰো। আমাৰ কথাবোৰৰ নিচিনা নহয়, অলপ বেলেগ, নহয়নে বাৰু?"

"বেলেগনো নহ'ব কেলেই? জানিবা পাৰিজাত হৰণ নাট, তাত সৰগৰ দেৱতা ইন্দ্ৰ ওলায়, চাইছ নহয় তহঁতে! শচী ওলায়, সত্যভামা ওলায়, সৰগৰ দেৱী-দেৱতাই তোৰ মোৰ নিচিনা কথা কয় নেকি? অলপ সুকীয়া হ'বই।"

"মোৰ পিছে সেইখন ভাওনাত শচী আৰু সত্যভামাৰ দনখনহে ভাল লাগে। সেই যে পাৰিজাত ফুল লৈ দন লাগিছিল। হেৰ' সৰগৰ দেৱীৰ দন নহয়, সাইলাখ যেন আমাৰ পেহী জেঠাইহঁতৰহে নিতৌ লগা দনখন। আমাৰ জানিবা পাৰিজাত ফুললৈ দনখন নেলাগে, লাগে কিবা বাথৰ খটোৱা জাংফাই থুৰীয়াযোৰৰ কাৰণে, মিনা কৰোৱা বৰমণি, গামখাৰুযোৰৰ কাৰণে।"

কণমইনাই ক'লে, "আমি ক'লে বেয়া শুনি। পিছে ইন্দ্ৰই হওঁক, অইন সৰগৰ দেৱতাই হওঁক, শচীয়েই হওঁক বা অইন কোনোবাই হওঁক—



সতিনী সতিনীয়েই। সৰগতো ৰাহি নাহে, ফুল এপাহকে লৈ দন-খৰিয়াল কৰি ঘৰৰ মানুহটোৰ নাকনি-কাণনি কৰে। সতিনীয়ে সৰগৰ ইন্দ্ৰ দেৱতাকো জলা-কলা কৰে; আমাৰ আকৌ এজনী চপাই মন শাঁত নপৰেই, আৰু কেইজনীমান বুঢ়ী থেৰী গোটাই ল'বলৈ হামৰাও কাঢ়ি মৰে।"

জানকীয়ে ক'লে, "কথাতে দেখোন কয়:

কেনটোৰ কেনজনী
ফপৰীয়াটোৰ তিনিজনী,
ভালটোৰ এজনীও নাই।"

খিল্ খিল্ কৰে হাঁহি ৰূপহীয়ে ক'লে, "ফপৰীয়াটোৱে আকৌ কি বুলি যহায় জান? এজনী আনিলো তামোললৈ সলায়, ইজনী আনিলো লগত।" আমাৰ ছোৱালীবোৰৰ যেন একো মুইলই নাই।"

"হেৰ', আমাৰনো কিহৰ মুইলইটো আছে? সিহঁতে কি মন্ত্ৰ গায় ফুৰে শুনা নাইনে, কটাৰী ধৰাবা শিলে, তিৰোতা বলাবা কিলে। আমাক যেন ঈশ্বৰে কিল খাবলৈহে সৰজিলে। কথাবোৰ শুনিলে মোৰ কেতিয়াবা আপোন-ঘাটী হ'ম যেন লাগে জানিছনে। আমি গাটো অকণমান ইফাল-সিফাল কৰিলেই নগৰত জগৰ লাগে। আৰু মতাবোৰে ওভতগোৰে নাচিলেও কেৰে দায় নধৰে।"

"ধুঁৱাহাটৰ গুৰুজনাই পিছে এইবোৰ আনিয়াই গুচাইছে। মতাক যেনেকৈ নাম-ধৰ্ম শিকাইছে, তিৰোতাকো শিকাইছে। আগেনো আমাৰ আই, বুঢ়ী আইহতে ৰামায়ণ-মহাভাৰতৰ কথা, শাস্ত্ৰ ভাগৱতৰ কথা কেতিয়া শুনিবলৈ পাইছিল। তিৰোতাহে নেলাগে আমাৰ নিচিনা নীহকুলীয়া মতা মানুহবোৰেও জানো সেইবোৰ কথাৰ ভাগ পাইছিল? এতিয়াহে শাস্ত্ৰৰ কথাবোৰ সকলোৱে জানিব শুনিবলৈ পাইছে—বুজক বা নুবুজক।"

"মোৰ হ'লে সকলো বুজি পোৱা যেন লাগে জানিছনে? নামেই ধৰ্ম। হৰি নামেই হৰি। নামক পালেই ঈশ্বৰক পায়। আৰু নামটোও

একো টান নহয়—ৰাম, কৃষ্ণ, হৰি, পোপাল, গোবিন্দ—এইবোৰ নাম এবেলি আওৱালেই মনত ৰৈ যায়।” জানকীয়ে ক'লে।

কণমইনাই ক'লে, “তহঁতৰ আগতহে কৈছো, অইনক নকও, ৰামায়ণ-মহাভাৰতৰ শাস্ত্ৰৰ কিছুমান নাম মোৰ আওৱালেও মনত নেথাকে, পাহৰি পাহৰি যাও। সেইযে হিৰণ্যকশিপু, ধৃতৰাষ্ট্ৰ, প্ৰদ্যুম্ন আৰু তেনেকুৱা কিবাকিবি - তঁহতৰ বাৰু মনত ৰয়নে ?”

“সিমান বোৰ:না মনত ৰাখিব লাগিছে কেলেই ? ৰাম-কৃষ্ণ-গোপালৰ নিচিনা নাম দুটামান মনত ৰাখিব পাৰিলেই হ'ল”, জানকীয়ে ক'লে।

কণমইনাই ক'লে, “আগে আব-তাব মুখে শুনি শুনি শিৱ-পাৰ্ৱতীৰ কথা মনত ৰৈ গৈছিল। দেৱতা হ'ল কি হ'ল, তেনেই চিনাকি যেন লাগিছিল। শিৱৰ নিচিনা পগলা আমাৰ গাঁৱতো দুই চাৰিটা নাই জানো ?”

“আমাৰ পগলা পাৰ্ৱতীৰ গীত দেখোন আমি সকলোৱেই গাওঁ। যিদৰে,

“তেতেলীৰ তলতে কৰো তাঁতে বাটি,
পাহৰি আহিলো কুচি,
কুচিৰে লগতে পগলাই কিলাব,
যাও আইৰ ঘৰলৈ গুচি।”

“হেৰ' নকবি নকবি, কিলাকিলিখন আমাৰ বোৰৰে নেলাগে, মহাদেউ পাৰ্ৱতীৰো লাগে। মহাদেৱে গৰুটো ৰখে, পাৰ্ৱতীয়ে তাঁত বয়, ভাত-পানী ৰান্ধে, কাপোৰ ধোৱে—অ' কাপোৰ নো কি ধুব ? মহাদেৱে কাপোৰ নিপিন্ধেই, বাঘছালখন ককালত মেৰিয়াই থয়। আমাৰ ধৰ্মেশ্বৰ ককাৰ নিচিনাকৈ ভাং চিলিম খায়, তাৰে কেতিয়াবা ৰাগীয়ে ধৰে হ'বলা, গৈ পাৰ্ৱতীৰ লগত দনহাই কৰে।”

“এৰা, কৃষ্ণ গোসাঁইহে ভাল। গৰু চৰায়, বাঁহী বজায়, ল'ৰাৰ লগত ওমলে, ঘৰত মাকৰ লগত ঠেহপেচ লাগি ওফন্দ পাতে, চল পালে গাখীৰ মাখনো চুৰ কৰি খায়। ঈচৰ হলেও আমাৰ চিনাকি ল'ৰা এটা যেন লাগে, নহয়নে বাৰু ?”



“ৰাসত আকৌ আমাৰ কৃষ্ণই গোপিনীসকলৰ লগত জোনাক ৰাতি যমুনাৰ বালিত বাঁহী বজাই নাচে। মোৰ হলে বৰ ভাল লাগে। ঈচৰ হলে জানিছ তেনেকুৱা চিনাকি লগা হ'ব লাগে, আচহুৱা অচিনাকি যেন হ'ব নেলাগে।”

“কৃষ্ণই আকৌ ফাকুও খেলে নহয়।” কণমইনাই ক'লে।

ৰূপহীয়ে ক'লে, “ফাগুন মহীয়া এনেয়ে গা-মন উৰো উৰো লাগে, তাতে আকৌ ৰঙৰ খেলা—দোল যাত্ৰা ঈচৰ কৃষ্ণই খেলা খেল। ভাল নেলাগি পাৰেনে ?”

“এৰা শংকৰ গুৰুৱে এইবোৰ আমৰ কাৰণে বৰ ভাল বস্তু উলিয়ালে দেই। ৰাসকে বোল, ফাকুৱাকে বোল, নাটকে বোল, গীতকে বোল, খোল-তালকে বোল, নামকীৰ্ত্তনকে বোল—কোনটোক ভাল নেলাগে বুলি কবি ?”

ৰূপহীয়ে ক'লে, “পিছে কথা এষাৰ শুনিছনে নাই ?”

“কি কথা ?”

“সঁচা নে মিছা ভালকৈ নেজানো। শংকৰ গুৰুৰ ঘৰৰে ভিতৰুৱা কথা।”

“তেওঁৰ ঘৰৰ আৰু কি ভিতৰুৱা কথা আছে ? অইন কোনোবাই যদি ধৰমৰ কিবা কথা আনে জানিব নেপাই বুলি গুপুতকৈ, আচুতীয়াকৈ থৈছিল, শংকৰ গুৰুৱে কাৰো পৰা একো নুলুকুৱাই সকলো ৰাইজৰ আগত মুকলিকৈ মেলি ধৰিছে। আৰুনো কি গোপনীয় কথাৰ ভেদ পালি অ'।”

“সঁচা মিছা ঈচৰেহে জানে। শংকৰদেৱৰ গাৰ ছাঁৰ নিচিনাকৈ যে দিনে-ৰাতিয়ে লগতে থাকে মাধৱদেৱ।”

“বৰ ৰূপহ ডেকাজন দেই। মই কেইবাবাৰো দেখিছো। আৰু ইমান যে মিঠা বৰগীত গায়, শুনিলে শুনি থাকিবৰ মন যায়। বিয়া-বাৰুও কৰোৱা নাই।”

“এৰা, তাৰে কথা। শুনিছো আৰু, শংকৰদেৱৰ সৰু জীয়েক যে বুকুমিনী। ডাঙৰ জীয়েকক হৰিলৈ দিলে। এতিয়া শংকৰ গুৰুৱে

ভকতলৈ হৰিকীৰ্ত্তন কৰিয়ে নামঘৰতে দিনটো কটায়। ঘৰ-সংসাৰ হৰিয়ে চলায়। পিছে ৰুক্মিনীকো বিয়া দিয়াৰ কথা মাক-বাপেকে চিন্তা কৰিছে। মানুহ হোৱাৰ আগতে বিয়া দিব পাৰিলে ভাল। মাধৱেও বোলে ৰুক্মিনীক বৰ মৰম চেনেহ কৰে। তাকে দেখি বোলে মাকে মাধৱলৈকে ৰুক্মিনীক বিয়া দিব খুজিছিল। শংকৰদেৱেও হেনো মাধৱক বিয়া-বাৰু কৰাই সংসাৰী হ'বলৈ ধৰিছিল। মাধৱে বোলে সংসাৰত নোসোমাও বুলি আগতে মন থিৰ কৰি থৈছিল। শংকৰদেৱে বোলে ভকত হলে বিয়া বাৰু কৰাই সংসাৰী হোৱাত কোনো বাধা নাই। ভকতসকল বিয়া-বাৰু নকৰাই বৈৰাগী সন্ন্যাসী হ'লে সেইটোৱেই আকৌ নিয়ম হৈ পৰিব পাৰে। সেইটো ভাল কথা নহ'ব। ইপিনে জীয়েকৰ কাৰণে মাধৱৰ নিচিনা গুণী ডেকা ভকত এজননো সতকাই ক'ত পাবলৈ আছে।"

"পিছে কি হ'ল? বিয়াখন হ'বগৈনে কি? শংকৰ গুৰুৰ ঘৰৰ বিয়া কিন্তু এখন চাবলগীয়া বিয়া হ'ব দেই। নেমাতিলেও যাম—দুবৰ পৰাই চাম, নহয় জানো?"

হাঁহি, মুৰ জোকাৰি, জানকীয়ে ক'লে, "তাকেহে কৈছো মাধৱ-ৰুক্মিনীৰ বিয়া খাবলৈ দাঁত ধৰাব নেলাগে। ভকত হোৱাৰ আগতে হেনো মাধৱৰ অইন ক'ৰবাত বিয়াৰ কথা-বতৰা হৈ আছিল। বিয়াখন হবলৈহে বাকী আছিল। পিছে শৰণ লোৱাৰ পিছত বোলে মাধৱে সেইখন বিয়া কিবা বুধি কৰি ভাঙি পেলালে।"

"তেনেহলে ৰুক্মিনীৰ লগত হ'ব বিয়াখন?"

"সকলোৱে ভাবিছিল হ'ব। শংকৰ গুৰুৰ পত্নী কালিন্দী আয়েও হেনো ৰুক্মিনীক মাধৱলৈকে দিবলৈ যত্ন কৰিছিল। পিছে মাধৱে কি কৰিলে জানহকনে?"

বাকী কেজনীয়ে জানকীৰ মুখলৈ চালে।

"গুৰু, গুৰু পত্নীৰ কথানো পেলায় কেনেকৈ? এদিন বুধি এটা কৰিলে। শংকৰদেৱে পিছে ৰুক্মিনীক বিয়া কৰাবৰ কাৰণে মাধৱক টানি ধৰা নাছিল। কথাৰেহে সৈমান কৰাব খুজিছিল। মাধৱক হেনো



বিয়া কৰোৱা যে ভাল সেই কথা বুজাই কৈছিল। বোলে 'গড় বান্ধি যুঁজিলে ৰথী'—"

"সেইষাৰ কথাৰ অৰ্থ বা কি?"

"বিয়া-বাৰু কৰালে মন থিৰ হয়, বেয়া কামলৈ মন আগনেবাঢ়ে। তেতিয়া ভকতি ধৰম পালন কৰিবলৈ সহজ—"

"অ' কথা সেইটো? পিছে মাধৱে কি ক'লেবা?"

"এ' মাধৱে শংকৰ গুৰুক যিষাৰ কথা ক'লে, শংকৰ গুৰুৱে হেনো আৰু একো নক'লে। মাধৱে হেনো ক'লে, 'গড় বান্ধি যুঁজিলে ৰথী, গড় নবন্ধাকৈ যুঁজিলে মহাৰথী'—" জানকীয়ে ক'লে।

"সেইষাৰ বা কি কথা ক'লে। এই সকল গুৰুৰ কথা বুজিবলৈকে টান লাগে।" কণমইনাই ক'লে।

"তহঁতেযে নুবুজ, মই হ'বলা বুজো? মাধৱে কোৱা কথাষাৰৰ অৰ্থ হ'ল, যে—সংসাৰী নহলেহে ধৰমৰ কাম কৰিবলৈ বেছি সুবিধা, বিয়া-বাৰু কৰাই, সংসাৰী হৈ, তাৰেই লোভ মোহক ভেটা দি ভকত হৈ খোৱাতকৈ সংসাৰী নোহোৱাকৈ নিজৰ মনৰ বলেৰে ধৰম-কৰম কৰি খোৱাটোহে ডাঙৰ কথা। এইষাৰ পিছে কম কথা কোৱা নাই দেই মাধৱ পুৰুষে।"

"ৰুক্মিনীৰ লগত বিয়াখনৰ পিছে কি হ'ল।"

"তাকেহে ক'ব খুজিছিলো। তহঁতে আকৌ মহাদেউ পাৰ্বতী সকলো উলিয়ালি। মাধৱে কি কৰিলে জান, ৰুক্মিনীয়ে এদিন পদুলী মুৰতে উমলি আছিল। সিফালে ক'ৰবাৰ পৰা আহিছিল মাধৱ। সেইদিনাই বোলে চয় নিচয় এটা হ'ব—বিয়া কৰাব নে নকৰায়। চতুৰ মাধৱে ৰুক্মিনীক উমলি থকাৰ পৰা কান্ধৰ ওপৰত তুলি লৈ ভিতৰলৈ সোমাই আহিল।"

"ইঃ সঁচা। তেতিয়া হলে আৰু সেইজনী ছোৱালীক কেনেকৈ বিয়া কৰাব? কান্ধত তুলি লোৱা ছোৱালীজনী আৰু নিজৰ তিৰোতা হ'ব পাৰেনে?"

"বৰ মনৰ বল থকা মানুহ মাধৱদেউ—বুজিছনে? ৰুক্মিনীক

দেখিছো নহয় এলাগী নহয়, ৰূপহী ছোৱালীজনী, পাট গাভৰু হৈছে। ইপিনে শংকৰ গুৰুৰ নিচিনা এজনা ভূঞাৰ জীয়েক। তাতো নিজা মত এৰি নিদিলে মাধৱে। ভকত হ'বলৈ হ'লে এনেকুৱা মনৰ বল থাকিব লাগে তেহে।" ..

মাঘ মাহৰ শেষ। গছ পাতত ফাগুনৰ আগলি তিৰ্‌বিৰ্‌নি লাগিছে। বেছি ভাগ মানুহেই মৰণা গাঁৱৰ মানুহ খেতি-পথাৰৰ পৰা উঠিছে। মাঘবিহুও হৈ গ'ল। সৰহীয়া মাৰি ধান ভঁৰালত ভৰাই সামৰিছে। খেতি থকা খেতিয়ক বিলাকৰহে চোতালত ধানৰ ডাঙৰী এতিয়াও আছে। ফাগুনৰ পূৰ্ণিমাত ধুঁৱাহাটত দৌলযাত্ৰা হ'ব, ফাকুৱাৰ ৰং খেলা হ'ব। তাৰ কাৰণে গাঁৱৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰুৰ মন সাতখন আঠখন। ফাগুনত গাঁৱৰ কিছুমান ল'ৰা-ছোৱালীৰ বিয়াও হ'ব। মুখে মুখে তাৰো আলচ-বিলচ। জানকী, ৰূপহী, কণমইনাহঁতে ধানদোৱা সামৰি, ভোগালি বিহু সামৰি, মুকলি পথাৰৰ মাজৰ চাপৰিত বহি আগগুৰি নোহোৱা নানা কথা পাতি সময় কটাইছে। কামো নাই, আজৰিও নাই, মনৰ মাজত ফাগুনৰ উদুলি-মুদুলি। সিহঁতৰ গাঁও বিৰিঙানী ধুঁৱাহাটৰ পৰা ভালেমান নিলগত। তাৰ কথাবোৰ ইকাণ-সিকাণ বাগৰি আহি বিৰিঙানীৰ ৰাইজৰ কাণত পৰেহি। সঁচা কথাবোৰ সাধু কথা হয়। সাধু কথাবোৰ সঁচা কথা হয়। ম'হৰ শিঙৰ পেঁপাৰ মাতটোও ক'ৰবাৰ কৃষ্ণৰ বাঁহীৰ মাত যেন লাগে। মেঘ নোহোৱা উকা আকাশত কেনিবাদি মেঘে গাজিলেও ক'ৰবাৰ নামঘৰ, নাটঘৰত খোল-ঢোল, ডবা-মৃদং বজা যেন লাগে। হাবিত কেনিবাদি জিলীয়ে চিঞৰিলে দূৰৰ পৰা কোনোবাই কাৰোবাক চিঞৰি মতা যেনহে শুনি। নৈৰ ফালৰ পৰা গঙ্গাচিলনীজাক উৰি আহি মূৰৰ ওপৰেদি পাৰহৈ গ'লে সিহঁতৰ পাখীৰ মাতত ক'ৰবাৰ চিলনীৰ জীয়েকৰ সাধু শুনা যেন লাগে।

ধুঁৱাহাটত থাকিবলৈ লোৱাৰ পৰা আৰু শংকৰদেৱৰ পৰিয়াল আহি ধুঁৱাহাটত থাকিবলৈ লোৱাৰ পৰা আৰু ভকত-ভকতনী লৈ নামকীৰ্ত্তন কৰি আগৰ নিমাওমাও ঠাইবোৰ গীতে মাতে ৰজনজনা কৰি তোলাৰে পৰা অঞ্চলটোৰ ৰাইজৰ মাজত খেতি-বাতি, ৰোগ-ব্যাধি, দন-খৰিয়ালৰ কথাৰ লগতে ধুঁৱাহাট, বেলগুৰিৰ কথা, শংকৰ-মাধৱৰ আৰু ভকত ভাৱনাৰ কথাও সদায় আলোচনা হয়। ৰাসৰ কথা যেনেকৈ দেখা বিলাকে সহজে পাহৰিব যাব নোৱাৰে তেনেকৈ ফাকুৱাৰ কথাও সহজে পাহৰিব যাব নোৱাৰে। কিবা এখন ভাওনা হ'লে, তাৰ কোনোবা ভাৱৰীয়াৰ বচনবোৰ ল'ৰা-ছোৱালীৰ মুখে মুখে ভালেমান দিন পিছলৈকে চলে। তেনেকৈ বৰ সবাহ হ'লেও অন্য উৎসৱতকৈ সবাহৰ নামকীৰ্ত্তনৰ কথা, মাহ-চাউলৰ কথা বহুত দিনলৈ মানুহে সোনকালে নেপাহৰে। শংকৰদেৱৰ নাহিল যেন এজাক শান্ত ধুমুহাহে আহিল, এচেৰেঙা নতুন ৰ'দহে আহিল, একাজলি পূৰ্ণিমাৰ নতুন জোনাকহে আহিল। আগৰ গীত-মাতৰ ঠাইত নতুন গীত-মাত হ'ল, আগৰ ওজা, পালি, শুকন্নানীৰ ঠাইত নতুন বৰগীত, কীৰ্ত্তন, ঘোষা হ'ল। ৰাইজে যেন কিবা এটা কাহানিও নোপোৱা বস্তু পালে। ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৰে মুখত বৈষ্ণৱ গুৰুসকলে অনা নতুন দিনৰ কথাৰ অন্ত নাই।

জানকীহঁতে দেখিলে সিফালৰ পৰা কান্ধত কিবা এভাৰ লৈ গেন্ধাই সূত আহিছে। সিহঁতে ক'লে, "হেৰ, সৌটো গেন্ধাই হ'বলা। যাওহক ব'ল। তাৰ মুখখন লেবা-ছাগলী, লাগ-বান্ধ নাই। গাভৰু ছোৱালী দেখিলে এনেয়ে আগগুৰি নোহোৱা কথাবোৰ বলকিব। ব'ল যাওহক।"

পিছে দূৰৰ পৰাই গেন্ধায়ে চিঞৰিলে, "হেৰ' পৈয়েৰৰ মূৰখাতীহঁত, মই এই বাটে আহিম বুলি কেনেকৈ জানিলিহক? মোলৈ বাট চাই চাই ইয়াতে মুখ টপালি বহি আছ! ইপিনে যাবি কেইজনীমান, সিপিনে যাবি কেইজনীমান। মই গেন্ধায়ে আৰু কিমান কি কৰিম? ঘৰত আগেয়ে চপোৱা দুজনীমান আছেই। মূৰখাতীহঁত, কি কৰিছ ইয়াত চোপ লৈ থিয় দুপৰীয়াখন? মোৰ পিছে ৰ'বৰ সময় নাই। কিবা কথা আছে যদি লগে লগে মোৰ পিছে পিছে আহি থাকহক।"

ৰূপহীয়ে ক'লে, "বাঘে খোৱাটোলৈ বাট নেচাইহে পাৰিছো। সেই পিনেহে বাট লৈছিলি, আমাক দেখি এইপিনে পোনালি কেলেই? নিলাজৰ সঁচ। যেনি আহিছ গৈ থাক। ইয়াত ৰ'ব নেলাগে।"

"এৰা, তহঁত যাহক। এইখিনি পাওঁতেই ককালটো কেৰেচ কৰিলে। মই অলপ ইয়াতে বহো।"

ৰূপহীয়ে ক'লে, "হৰ্তাচৰি হোৱাটো, আমাক দেখিলে ককালটো কেৰেচ কৰিব, মূৰটো আচন্দ্ৰাই কৰিব, বুকুখন ধৰফৰ কৰিব, চকু দুটা জলক-তবক কৰিব। তোৰ ভাও ভেবাকুটিবোৰ বুজি নেপাও বুলি ভাবিছ। যা, যা, ককালে কেৰেচেই কৰক, মেৰেকেই কৰক, তই যোৱা মানুহ গৈ থাক।"

"সঁচাই কৈছনে তেনেকৈ? তহঁতক দেখি বোলো আবিয়ৈ ছোৱালী, কোনেনো ঘূৰি চায়? বোলো ভাৰত মালভোগ কল আছে, তাৰে দুটা মান দি থৈ যাওঁ। ভাৰখনো পাতল হ'ব, তহঁতৰো জিভাৰ পানী শুকাব। পিছে আৰু যাহে যা।"

"কলৰ ভাৰ খন থ'। আমি কল লৈ খাম। তই যা।"

"ৰাইকহনীহঁতৰ খঁকটো দেখিছা! ৰবি, ভাৰ পাচিত হাত নিদিবি। মই নিজে মুনীয়া, চেপেটা চাই আগৰ আখিৰ কল দুটামান বাচি উলিয়াই তহঁতক দিম। নহ'লে তহঁতকেজনীৰ সঁজাত নাই। চোবাবিনে কিবা, পকা মালভোগ কল পালে গিলিবিহে হ'বলা।"

সি কল ভাৰ নমাই মাটিতে থলে। জানকীয়ে অলপ গহীন আৰু শান্ত হৈ ক'লে, "ক'ৰ পৰা আহিলি গেন্ধাই? আজিকালি তোক বৰকৈ নেদেখোৱেই।"

জোকোৰা মাৰি গেন্ধায়ে ক'লে, "হ'ব দে, ভালৰি লগাব নেলাগে। মোক নেদেখি এইৰ যেন এৱাঁহে চৰিল! ও টপাটপ গিলিছ—পকা কল পাই।"

"ৰচোন পাওঁতেই দুটামান গিলি লওঁ। তই কাৰোবাৰ বাৰীৰ পৰা চুৰ কৰিহে আনিছ হ'বলা।"

"হেৰ' মোৰ নিচিনা সজ মানুহটোক চোৰহে বুলিলি, চুৰুনীহত। মই যাওঁ। সকামলৈ বুলি অনা কল বাটতে শেষ কৰিবি এতিয়া। যেনেকৈ খাইছ মোৰ মুখ লাগিব চাবি।"

"তোৰ মুখ লাগিলে বুঢ়ী বাঢ়নিৰে কোবাই মুখ ভাঙিম। তয়ো এটা খা—"



"মই যেন নোখোৱাকৈহে আহিছো। ওৰে বাটে খাই আহিছো জানিছ।"

"ভালেতোহে, সকামলৈ অনা কল। কিবা বাতৰি আছে নেকি গেন্ধাই কচোন।"

"বাতৰি? কাৰ বাতৰি? মোৰ? মই ওপজাৰ বাতৰিটো তহঁতে পোৱা নাই জানো? ইটো বাতৰি পিছে সোনকালে নেপাইছ দেই। আগে তহঁত দুজনীমানৰ মৰাৰ বাতৰি লৈহে পিছত মই যাম। পিছে, মই মৰাৰ বাতৰিটো জানো মোক কোনোবাই দিয়েনে নিদিয়ে?"

"তই চিন্তা নকৰিবি, তই নৌ মৰোতেই আমি তোৰ মৰাৰ বাতৰি সকলোকে দিম। তই মুঠেই চিতাৰ জুইৰ ওপৰৰ পৰা জাপ মাৰি উঠি নাহিবি।"

"হেৰ, চলাহী কথা কৈ মোৰ কল দুপাচি শেষেই কৰিলি। যা তহঁতৰ পেটত কল পুলি গজিব। ৰাইকহনীহঁত।"

"ভাৰখনত কল দুআখি আনোতেই ককাল কেৰেচ কৰিছে যেতিয়া তোৰ ইটো বাতৰি পাবলৈ সৰহ দিন নাই আৰু। গলে আমাক মাত লগাই যাবি।"

"নহ'ব দেই! মোৰ দহা কাজত তহঁতে খাবলৈ নেপাবি। মোৰ শৰাধ মই তহঁতক নুখুৱাও।" গেন্ধায়ে ক'লে।

"তোৰ নিচিনাটোৰ শৰাধ নেখাইহে পাৰিছো।"

"অ' তহঁত হ'বলা আটাইবোৰ শংকৰদেৱৰ ভকতনী হলি?"

"তই হোৱা নাই নেকি?"

"মই আকৌ ভকত হ'বলৈ যাম কিহৰ দুখত? পিতাইও বামুণৰ লিতিকাই আছিল, ময়ো বাপুকণ শৰ্মাৰ লিতিকাই। বামুণ নহলো কি হ'ল? বামুণৰ ঘৰৰ লগুৱা। সকামে, শৰাধে, ভোজে, বিয়াই বামুণ নহ'লে যেনেকৈ অইনুৰ নচলে, তেনেকৈ মই নহলেও বাপুকণ দেউৰ নচলে। এই পিনে বোলে গেন্ধায়, সেই পিনে বোলে গেন্ধায়। ভোজে-সকামে পাত এখন সুকীয়াকৈ পাওঁ। মই আকৌ ভকত হ'বলৈ যাম

কেলেই ? পিছে বাতৰি সুধিছিলি নহয়, কওঁ শুন। তহঁতে জানো শুনিছনে নাই—"

"কি কথানো ?"

"এলা পেচা কথা নহয় ; কথা ডাঙৰেই। কথাষাৰ শুনিলে তহঁতে বেয়া পাবি কিজানি।"

"কচোন শুনো।" আটাইকেইজনীয়ে ক'লে।

"সাতাম পুৰুষীয়া নীতি-নিয়ম এৰিব নেপায় জানিছ। বোন্দাৰ সাত পুৰুষ গ'ল কেঁচা মাছ খাই। বামুণ-গোসাঁই মানিয়ে আমাৰ অতকাল গ'ল। এতিয়া বামুণ-গোসাঁইক পেলনীয়া কৰিব পায় জানো ? শাস্ত্ৰ ভাগৱত পঢ়িব জানিলে বুলিয়ে, শুদীৰ বামুণ হ'ব পাৰে জানো ? তাতে ভকতে বামুণক দেখিব নোৱাৰে, বামুণে ভকতক দেখিব নোৱাৰে।"

"আমাৰ ভকতে কিবা সেইবোৰ কৰিছেনে ? তহঁতৰ বামুণেহে ভকতক দেখিব নোৱাৰে, দূৰ দূৰ, ছেই ছেই কৰে। ৰজাৰ ঘৰতো শংকৰ গুৰুৰ ওপৰতো গোচৰ তৰিছিল। কি কৰিব পাৰিলে, তহঁতৰ গুচৰীয়া বামুণ বিলাকহে লাজত পৰিল।"

"তহঁত তিৰীমতী মানুহ, ৰজাঘৰীয়া কথাৰ মেৰ-পেঁচ নুবুজ। বামুণ এমুঠি, আহোম, চুটীয়া, মিৰী, কছাৰীহে সৰহ। বামুণীকোঁৱৰৰ দিনৰ পৰা ৰজা ঘৰত বামুণৰ প্ৰতিপত্তিৰ কথা কোনে নেজানে ? কথাটো হৈছে কি জান ? হাবুঙীয়া ৰজাকে বোল, দিহিঙ্গীয়া ৰজাকে বোল, ৰজাৰ টান বামুণৰ ফালেহে। বামুণৰো ৰজাঘৰৰ লগত আহলাদ মিতিৰালি। পিছে বামুণ লেখত তাকৰ। সকলোৰে অৱস্থাও ভাল নহয়, ৰণ কৰিবলৈ ৰণুৱাও নহয়! দুখীয়া মিতিৰক কোনে মান কৰে ? পিছে তহঁতৰ শংকৰ গুৰুকো ৰজাঘৰে ভাল পায় বুলি নেভাবিবি। এৰি দি আলেখ-লেখ চাই আছে। কেনেবাকৈ যদি ৰজাঘৰে ভকতবোৰ ৰজাৰ দোৰোহী বুলি সন্দেহ কৰে, চাবি গুৰু-ভকত কাকো নেৰে।"

"হেৰ' এইবোৰ কি কথা কৈছ ? ক'ত শুনিলি এইবোৰ কথা ?"

"মই থাকো কাৰ লগত জান নহয় ? বামুণহঁতে কি আলচে মই নুশুনি নেথাকো। মোক সকলোৱে অকৰা বেঙা বুলি ভাৱে। মই



তহঁতৰ নিচিনা ছোৱালীৰ কথাহে আও ভাও নেপাও, বামুণ-গোসাঁইৰ কথা সকলো বুজো জানিছ! মইনো আৰু কি ক'ম ? মুঠতে ৰজাত আশ, বনত বাস। মই বামুণো নহয়, ভকতো নহয়। মোৰ নাম গেন্ধাই। যাৰ লোণ খাইছো তাৰ গুণ নেগাই নোৱাৰো। মানুহবোৰ দলে দলে গৈ তহঁতৰ গুৰুৰ ভকত হৈছেগৈ। ৰজা-মন্ত্ৰীয়ে মন কৰি আছে। জানোচা ৰজাতকৈ তহঁতৰ গুৰুকহে বেছি মানে। জানোচা আহোমৰ ৰজা ঘৰতকৈ ভূঞাবোৰহে ধনে-জনে বেছি ওপৰহতীয়া হয়। বামুণৰ লগুৱা হলো কি হ'ল ? ময়ো আমাৰ নীহকুলীয়া মানুহৰ নিচিনাই, ময়ো দুখীয়া অ'। বাহিৰতহে নেদেখুৱাও। দুখীয়াবোৰৰ কিবা এটা হ'লে বেয়া পাওঁ জানিছ। দুখীয়া বামুণে, দুখীয়া ভকতে দন-খৰিয়াল কৰিলে কাৰ লাভ ? কথাবোৰ তহঁতে ভাবি চোৱা নাই বুলিহে ক'লো আৰু। পিছত তহঁতেই কবি বুলিব এইবোৰ কথা জানিছিলি যদি আগতে আমাক নকলি কিয় ? যাওঁ, তহঁতৰ লগতে মেল মাৰি থাকোতেই বেলি ভাটি দিলে।"

"এইবেলি পাৰ যদি ফাকুৱা চাবলৈ ওলাবি।"

"ফাকুগুৰি ক'ত পাম ? বোকা পানী চটিয়ালে আকৌ তহঁতেই গালি-শপনি পাৰিবি।"

"গালি খাব লগা কাম নকৰিলেনো কেলেই গালি পাৰিম ? আজি এতিয়া তই মালভোগ কলবোৰ আমাক নুখুৱাই বাহিৰে বাহিৰে কোনিবাদি লৈ যোৱা হ'লে গালি নেপাৰিলোহেতেন কেলেই ?"

"ওঁ খাবলৈ পালে মোৰ, খাবলৈ নেপালে চোৰ। তহঁতক আৰু মই নেজানোনে ? যাও, তহঁতৰ লগত ইয়াত কথা ফেদুফেদাই থকাৰ কথা গম পালে ঘৰৰজনীয়ে ভাত খুৱাব।"

কান্ধত ভাৰ পাচি যোৰ লৈ গেন্ধাই গ'লগৈ।

জানকীহঁতো যাবলৈ উঠিল।

কণমইনাই ক'লে, "ই কোৱা কথাবোৰ সঁচানেকি বাৰু ? শংকৰ গুৰুৱে জানো আমাৰ মানুহবোৰক শৰণ দি ভকত কৰাই ৰজাই কৰাদি নিজৰ প্ৰজা কৰি ল'ব খুজিছে নেকি ? আহোম ৰজাই আমাৰ ঠাইখন

চুটীয়াৰ পৰা ল'লে। পিছে আহোম ৰজাঘৰেৰে চুটীয়াৰ ডা-ডাঙৰীয়াৰ দেখোন বৰ মিল বুলিহে কোৱা শুনিছো। আমাৰ এইফালে থকা ভুঞা, বাৰ ভুঞা, সৰু ৰজাবোৰেও নিজ নিজ ভাগে খাই-মেলি আছে। আহোম ৰজা বৰ বুধিয়ক জানিছ। আমাৰ মানুহবোৰৰ যে খেলবোৰ পাতি দিছে—কাঁড়ীৰ খেল, পাইকৰ খেল, কমাৰৰ খেল—এই যে যাৰ যি বিৰুতি সেইমতে যে মানুহবোৰ ভাগ ভাগ কৰি দিছে, সেইবোৰ খেলে খেলে বেলেগ বেলেগ। কেতিয়াবা ৰজাৰ সকলো প্ৰজা একে লগলাগি ৰজাক ভাঙে বুলি প্ৰজাবোৰ ভাগ-ভাগ কৰি থৈছে। কাঁড়ী পাইকে বছৰে চাৰিমাহকৈ ৰজাৰ ঘৰত গা-খাটনিও খাটি দিব লাগে। ৰজাৰ খাটত খেতি কৰি দিব লাগে। ৰণ হ'লে আমাৰ এইবোৰ মানুহেই ৰজাৰ ফলীয়া হৈ ৰণো কৰিব লাগে। ভুঞাহঁতৰনো ৰজাৰ লগত যুঁজিবলৈ ক'ৰ ৰণুৱাবোৰ আছে?"

ৰূপহীয়ে ক'লে, "আমাৰ পিতাইতো শংকৰ গুৰুৰ ওচৰত শৰণ লৈ ভকত হৈছে। গুৰুজনাই হেনো ৰণ-চন নকৰিব, সকলো মানুহে নিজ নিজ ভাগে খেতি-বাতি কৰি মিলিজুলি শান্তিৰে থাকিবলৈহে শিকাইছে। ৰজা ৰজাৰ ভাগে চলক, প্ৰজাৰ সুখ-শান্তিৰ কথা চিন্তা কৰক, ৰাজ্যখন অইনে কাঢ়ি ল'ব নোৱাৰাকৈ ৰাখক। প্ৰজাই যাৰ যি ধৰ্ম, যি ৰীতি-নীতি, যি মাত-কথা, সেইবোৰ ৰক্ষা কৰি চলক। ৰজাৰ বিপদত প্ৰজাই ৰক্ষা কৰক, প্ৰজাৰ বিপদত ৰজাই ৰক্ষা কৰক—তেহে ৰজাঘৰ আৰু ৰাইজ একমুঠ হৈ থাকিব পাৰিব। পিতাইক মেধী পাতিছে। এইবোৰ কথা পিতাইহঁতৰ মুখৰ পৰাই শুনিছো। গুৰুজনাই হেনো কৈছে—ঈচৰ এজনা, গুৰুও এজনা। গুৰুত শৰণ ললেহে, ভকত হলেহে মানুহে ঈচৰক জানিব-বুজিব পাৰে। শৰণ লোৱা ভকতৰ মাজত ভিন পৰ নাই। এজন ভাল ভকতৰ কাৰণে, নিজৰ পুতেক, ভায়েক, ভতিজাক, ভাগিনীয়েকতকৈ ভকতজনহে বেছি আপোন। ভাই-ককায়ে ধন-সম্পত্তি লৈ দন-খৰিয়াল কৰে, ভায়ে ভায়ে কটা-কটি হয়। ভকতে ভকতে কোনো বিবাদ নাই। কোনো জাত-পাত নাই, সকলো একে জীৱ, একে আত্মা। সেইদেখিহে ভকতলোকে ইজনে সিজনক আতৈ বোলে,



ৰাম বোলে। কৃষ্ণ বোলে। আমাৰ নামঘৰত দেখা নাইনে সকলো খেল এক খেল হৈ পৰে।—একশৰণীয়া হৰিৰ ভকতৰ খেল। সকলোৱে একেলগে নামকীৰ্ত্তন কৰে, একেলগে হৰিনাম লয়, একেলগে মাহ-প্ৰসাদ খায়। আমাৰ ভকতসকল কিবা কাৰোবাৰ লগত ৰণ কৰিবৰ কাৰণে একেলগ হয়নে? কাৰো লগত ৰণ নকৰি মিলে-জুলে থাকিবৰ কাৰণেহে একেলগ হয়। আমাৰ বৈষ্ণৱ গুৰু ভকতসকলৰ কথা যদি কোনোবা শত্ৰুৱে ৰজা ঘৰত বেয়াকৈ লগাইছে, তাৰহে বেয়া হ'ব। আমাৰ ভকতসকলৰ একো হানি নহয় চাবি।"

ৰূপহীৰ কথাবোৰ ভালকৈ শুনি থাকি জানকীয়ে ক'লে, "তহঁতৰ ঘৰতে ধৰমৰ কথা আলচ-বিলচ হয় দেখি তই বহুত কথা শিকিছ। ময়ো কেতিয়াবা বৰ পিতাইৰ ওচৰলৈ যামহে, কথাবোৰ শুনিবৰ কাৰণে। আমাকনো কি ৰাজপাটখন লাগিছে? ধনী মানুহবোৰেহে ধন ঐ ধন ঐ কৈ ধৰফৰাই মৰে। আমাৰ দুখীয়াবোৰৰ আকালো নাই ভঁড়ালো নাই। কোনোৱে আমনি নকৰাকৈ, নিজৰ ভুঁই মাটিত খেতি-বাতি কৰি দুবেলা দুমুঠি খাই, হৰিনাম লৈ দিনকেটা কটাব পাৰিলে আমাকনো আৰু কি লাগিছে, নহয় জানো?"

কণমইনাই ক'লে, "এৰা অ', ওচৰ হোৱা হ'লে মই সদায় ধুঁৱাহাটৰ গুৰুজনাৰ ওচৰলৈ গৈ সেৱা একোটা কৰি আহিলোগৈহেতেন। এবেলি যি গলো মনটো তাতে লাগি আছে। এইবেলি ফাকুৱাত পিছে যামেই। ওলাবি, একেলগে যাম। দৌলযাত্ৰাও চাম, গুৰু সকলো কেনেকৈ থাকে, কেনেকৈ চলে নিজ চকুৰে চাই আহিম। তাঁত-সূতো নাই। হলেও দুদিন খটি হ'ব আৰু।"

লাহে লাহে গাত কোমল বা লগাই জানকীহঁত তাৰপৰা গ'লগৈ।



নদী পৰ্বত অৰণ্যৰে ভৰপূৰ ; হিমালয় পৰ্বতৰ নামনিৰ পশ্চিমে আৰব সাগৰৰ পৰা পূবে প্ৰশান্ত মহাসাগৰ ব্যাপি এই বিৰাট ভূখণ্ডত বন্য জন্তু বিলাকৰ ভিতৰত হাতীয়ে প্ৰাগৈতিহাসিক কালৰে পৰা এক বিশিষ্ট মৰ্য্যাদা লাভ কৰি আহিছে। দেৱতাক হাতীৰ ৰূপত, অথবা হাতীক দেৱতাৰ ৰূপত কল্পনা কৰি সেই হাতীৰ মূৰ্ত্তি বা কোনো কোনো ঠাইত জীৱন্ত হাতীৰো পূজা কৰাৰ প্ৰচলন আজিও আছে। হাতীৰ দেৱৰূপৰ প্ৰতিকৃতি গণেশ। এই গণেশ বা গণপতি শিৱৰ বা মহাদেৱৰ পাৰিষদ বিলাকৰ বা শিৱৰ পৰিচৰ্য্যাত ৰত ক্ষুদ্ৰ দেৱতা বিলাকৰ অধিকাৰ-দেৱতা। গণেশ শিৱৰ পুতেক। গণেশৰ মূৰটো হাতীৰ মূৰটোৰ নিচিনা। শূঁৰে সৈতে মূৰত হাতী আৰু ডিঙিৰ পৰা গা ডোখৰ মানুহ, সেয়ে গণেশ।

হাতী এক বিৰাটকায় জন্তু। আৰু অন্যকোনো জন্তুৰে হাতীৰ নিচিনা হাত (শূঁৰ) নাই। সেইয়া হাতীৰ এক বৈশিষ্ট্য। হাতীৰ আন এটা বৈশিষ্ট্য বনৰীয়া জন্তুৰ ভিতৰত হাতীক যিদৰে ধৰি, ঘৰচীয়া কৰি মানুহৰ কামত খটুৱাব পাৰি, অন্যকোনো বনৰীয়া জন্তুকে তেনেকৈ খটুৱাব নোৱাৰি। আকাৰত বিৰাট হলেও, হাতী বৰ চতুৰ নহয়। তাক ধৰি যেনেদৰে শিকনি দিয়া যায়, সি তেনেদৰে শিকনি লয়। হাতীয়ে পানীতো সাতুৰিব পাৰে। যুদ্ধতো হাতীৰ পিঠিত উঠি যুদ্ধ কৰা সৈন্য সেনাপতিক ৰণ থলীলৈ লৈ গৈ যেনি তেনি লৈ ফুৰাব পাৰে। এলাপেচা অস্ত্ৰই হাতীৰ গাত সহজে আঘাত হানিব নোৱাৰে।

হাতীৰ চাল বৰ ডাঠ। জুইলৈহে হাতীয়ে ভয় কৰে আৰু ভয়



কৰে চালক মাউতটোলৈ। আগৰ কালত বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰে পৰা হাতীক ৰাজকীয় পয়োভৰ, প্ৰতিপত্তি আৰু ৰাজশক্তিৰ পৰিচায়ক ৰূপে গণ্য কৰি অহা হৈছে।

মহাভাৰতৰ কুৰুক্ষেত্ৰৰ যুদ্ধত পাণ্ডৱৰ সাত অক্ষৌহিণী সৈন্যৰ বিপৰীতে কৌৰৱৰ এঘাৰ অক্ষৌহিণী সৈন্য সমবেত হৈছিল। একোটা অক্ষৌহিণীত থাকে পত্তি, সেনামুখ, গুল্ম, গণবাহিনী পৃতনা, চমু আৰু অনাকিনী আদি সৈন্য বিভাগ। এনে দহোটা অনাকিনীৰে হয় একোটা অক্ষৌহিণী। একোটা অক্ষৌহিণীত থাকে—২১,৮৭০টা হাতী, ২১,৮৭০ খন ৰথ, ৬৫,৬১০টা ঘোঁৰা, আৰু ১,০৯,৩৫০টা পদাতিক সৈন্য।

অসমৰ ৰজা ভগদত্তয়ো নিজ ৰাজ্যৰ পৰা কিৰাট আৰু চীনা সৈন্য লৈ পাণ্ডৱৰ বিৰুদ্ধে আৰু দুৰ্য্যোধনৰ সপক্ষে যুদ্ধ কৰিছিলগৈ। লগত নিছিল বহুত হাতী—এইবোৰ হাতীৰেই ভগদত্তই পাণ্ডৱ সৈন্যৰ বিৰুদ্ধে যুঁজিছিলগৈ। ৰণৰ শক্তি হিচাপে হাতীৰ মূল্য সদায়েই স্বীকৃত হৈ আহিছে। হাতীৰ দৰেই হাতী শিকোৱা আৰু হাতীৰ পিঠিত উঠি চলাই লৈ ফুৰোৱা মাউতবোৰৰো মূল্য অস্বীকাৰ কৰিবৰ উপায় নাই। যুদ্ধক্ষেত্ৰতো অস্ত্ৰধাৰী যোদ্ধাক হাতীৰ পিঠিত তুলি লৈ ফুৰাবৰ কাৰণে হাতী মাউতটো নহ'লে নচলে।

চুটীয়া, ভূতীয়া, আহোম, কছাৰী আদি এই ভূখণ্ডৰ ৰজাসকলেও ৰাজশক্তিৰ পৰিচায়ক হিচাপে হাতীৰ অধিকাৰী হ'ব পৰাটোক মৰ্য্যাদাৰ কথা বুলি গণ্য কৰিছিল। মাওলুং এৰি কামৰূপ আহি সোমাওতে চুকাফায়ো লগত ৯০০০ সৈন্য, তিনি গৰাকী কুঁৱৰী, দেৱতা চোমদেউ, বুঢ়া গোহাঁই, বৰ গোহাঁই আৰু অন্য উচ্চ বংশীয় লোক, দুটা হাতী আৰু তিনিশ ঘোঁৰা লগত আনিছিল। এটা মাউতো লগত আনিছিল।

ৰজাই জাকে জাকে হাতী ৰখাটো এটা ৰাজকীয় পৰম্পৰা হৈ পৰিছিল। চুটীয়া ৰজাৰ পৰা ৰাজ্য হস্তগত কৰাৰ পিছত স্বৰ্গদেৱ চুহুংমুঙেও যিমান পাৰে হাতী সংগ্ৰহ কৰিবৰ চেষ্টা কৰিছিল। তেওঁ এহেজাৰ হাতীৰ গৰাকী হ'ব লাগিব। তাৰ কাৰণে ওচৰ পাজৰৰ হাবিৰ পৰা বনৰীয়া হাতী খেদাই আনি ৰজাৰ হাতীগড়ত ভৰোৱাব

ধৰিলে। গড়ৰ উত্তৰে লুইত, দক্ষিণে ব্ৰহ্মপুত্ৰ, পূবলৈ কিছুমান হাতী খেদা আৰু হাতীৰখীয়া মানুহ—ইয়াৰেই ৰজাৰ হাতীৰখা অঞ্চলটো সুৰক্ষিত কৰিবৰ ব্যৱস্থা কৰিলে।

ব্ৰহ্মপুত্ৰৰ দক্ষিণেও দিখৌ আৰু ভোগদৈ নৈৰ মাজত উত্তৰা-দক্ষিণাকৈ বন্ধালে হাতীগড়। ব্ৰহ্মপুত্ৰৰ উত্তৰে গৰমুৰৰ পৰা পশ্চিমলৈ আহোম ৰজাৰ বনৰীয়া হাতী ৰখা অঞ্চল। পশ্চিমেও ব্ৰহ্মপুত্ৰৰ পাৰলৈকে হাতীগড় আছিল। আৰু পালী-পহৰীয়াই পাল পাতি দিনে-ৰাতিয়ে বনৰীয়া হাতী ৰাখিছিল। ৰজাৰো কঠোৰ নিৰ্দেশ আছিল—গড়ৰ ভিতৰত সুমুওৱা হাতী যাতে কোনোফালে পলাই যাব নোৱাৰে। তাৰ বাবে যেন সকলো পালী-পহৰীয়া আৰু হাতীগড় ৰখীয়াই সতৰ্কভাৱে দায়িত্ব পালন কৰে।

ইতিমধ্যে শংকৰদেৱৰ অনুগামীৰ সংখ্যা বহুত বাঢ়িছিল। উত্তৰ পাৰৰ অন্যান্য ভূঞাসকলৰো বহুতকে আহোম ৰজাই নিজৰ কৰি লৈছিল। শংকৰদেৱ আহোম ৰজাৰ ৰাজ্যৰ অন্তৰ্গত ধুঁৱাহাটতে আছিল যদিও, ৰজাঘৰৰ লগত বিশেষ সম্পৰ্ক তেওঁৰ নাছিল। হয়তো ৰাজ আধিপত্যৰ প্ৰমাণ দিবৰ মনেৰেই আৰু শংকৰদেৱো যে আহোম ৰজাৰে প্ৰজা তাকে দেখুৱাবৰ কাৰণে স্বৰ্গদেউ চুহুংমুঙে শংকৰদেৱক হাতীগড় ৰখীয়া পালী-পহৰীয়া বিলাকৰ ওপৰত চকু ৰখাৰ দায়িত্ব দিলে। তাৰ যোগেদি শিৰোমণি ভূঞা, ধৰ্মগুৰু হিচাপে ইতিমধ্যে প্ৰতিষ্ঠিত হোৱা, সুপণ্ডিত শংকৰদেৱতকৈ অন্য উপযুক্ত মানুহ নিশ্চয় পোৱা গ'লহেতেন। হয়তো শংকৰদেৱৰ প্ৰতিপত্তি আৰু প্ৰভাৱ কমাবৰ উদ্দেশ্যৰেই ৰজাই শংকৰদেৱক হাতীৰখীয়াৰ মুৰব্বী পাতি দিলে। শংকৰদেৱৰো প্ৰত্যাখান কৰিবৰ উপায় নাছিল।

কিন্তু কামটো সহজ নাছিল। আৰু দায়িত্বও কম নাছিল। বনৰীয়া হাতী আছে হাবিত। অ'ৰ ত'ৰ পৰা খেদাই আনি একে ঠাইতে গোটাই থোৱা বনৰীয়া হাতীৰ পাল; দিনটো হাতীবোৰ কেনি আছে অলপ চকু পাৰিলেও ৰাতি গভীৰ অৰণ্যৰ মাজত হাতীৰ পাল ক'ৰ পৰা কলৈ যায় জানিবৰ উপায় নেথাকে। পালী-পহৰীয়াও ৰাতি ভাগৰি পৰে।



দল বান্ধি নেথাকিলে অকলে দুই চাৰিটা পালী-পহৰীয়াই হাতী ভেটিবও নোৱাৰে।

কিন্তু ৰজাৰ আদেশ হাতী ৰাখিবই লাগিব। পলাব খুজিলেও হাতী ভেটিবই লাগিব।

পলাব খুজিলে হাতী ভেটিবই লাগিব। অকলেই হওক বা লগেৰেই হওক, বনৰীয়া দঁতালেই হওক বা মখনা মাখুন্দীয়েই হওক, মতলীয়া হাতীৰ গচকত কাৰোবাৰ পেটুৱেই ওলাওক লাগিলে।

হাতী সোমাই থকা অৰণ্যৰ বাহিৰত পালী-পহৰীয়াবোৰ। হাতী হাবিৰ মাজত সোমাই থাকে—মানে ৰখীয়াহঁতৰ একো কাম নাই। কিন্তু গড় পাৰহৈ, বা গড় খাৰৈ পাৰহৈ বনৰীয়া হাতীৰ দল যেতিয়া বাহিৰ ওলাই আহিব, কলনি বিচাৰি বা তৰাণি বিচাৰি বা এনেয়ে, তেতিয়া সেই হাতীৰ দলক ভেটা দিয়াটো সহজ কথা নহয়। হাতীলৈহে হাতীক ভেটিব পাৰি। তাৰ কাৰণে শিকোৱা ঘৰচীয়া হাতীৰ দৰকাৰ।

কিন্তু ৰজাৰ হুকুম। আহোম স্বৰ্গদেউৰ নিজাকৈ এহেজাৰ হাতী থাকিব লাগিব। হাতীৰখীয়াৰ ৰখীয়া হ'ল শংকৰদেৱ।

কিছুদিন গ'ল।

বনৰীয়া কল গছ খাই, তৰাৰ গজালি খাই হাতীৰ পাল হাবিৰ মাজত ঘূৰি ফুৰে। সেইয়া ৰজাৰ সম্পত্তি। ৰাজশক্তিৰ জীৱন্ত ভাণ্ডাৰ।

শুক্লপক্ষ গৈ কৃষ্ণপক্ষ পালেহি। অৰণ্যৰ আন্ধাৰৰ ওপৰলৈ নামি আহিল আকাশৰ আন্ধাৰ। কৃষ্ণপক্ষৰ ক'লা আন্ধাৰৰ লগত ক'লা হাতীৰ গাৰ ৰং চিনিব নোৱাৰাকৈ মিলি গৈছে। চোৰে চৰ মাৰিলেও নেদেখি। দিনে-ৰাতিয়ে হাতী ৰখি ৰখি পালী-পহৰীয়াবোৰ ক্লান্ত শ্ৰান্ত হৈ ভাগৰি পৰিছে। সিহঁতক ভাগৰ আৰু টোপনিয়ে হেঁচি ধৰিছে। গড়ৰ ভিতৰত হাবিৰ মাজত আছে জাক জাক বনৰীয়া হাতী। ৰখীয়াৰ চকুত টোপনি আছে, কিন্তু বন্দী হাতীৰ চকুত টোপনি নাই। সিহঁতক গড়ৰ বাজলৈ ওলাই যাবলৈ লাগে।

মাঘ মহীয়া হাড় কঁপোৱা জাৰ। হাবি-তলীয়া সেমেকা মাটি। নৈ

পৰীয়া ফেৰ্‌ফেৰীয়া চেঁচা বতাহ। দগদগীয়া জুয়েও ৰখীয়াহঁতৰ গাৰ জাৰ কমাব পৰা নাই।

কোনোবা এফালে এটা গড়্ডা হাতী হাতত সাৰে ভৰিত সাৰে আহি বালি মাটিৰে সজা গড় ভাঙি গড়ৰ বাহিৰ ওলাল। তাৰ পিছে পিছে আৰু এদল হাতী। হাতী খোজৰ শব্দ নহয়। আন্ধাৰৰ মাজত হাতী নেদেখি। পালীবোৰৰ হাত-ভৰি জাৰত ঠেৰেঙা লগা। চকুৰ পতাত টোপনিৰ হেঁচা।

হঠাৎ কোনোবাই গম পালে। গড় ভাঙি হাতী বাহিৰ ওলাইছে। হাতত জোৰ লৈ যাঠি জোং লৈ চিঞৰ-বাখৰ কৰি গড় ৰখীয়াবোৰে বনৰীয়া হাতী ভেটিবৰ চেষ্টা কৰিলে। পলৰীয়া হাতীৰ নেতা এটা প্ৰকাণ্ড দঁতাল গড়্ডা। পিছত এদল অন্য হাতী। যাঠি জোং চিঞৰ-বাখৰলৈ কেৰেপ নকৰি হাতীবোৰ গড়ৰ বাহিৰ ওলাই হাবিৰ ফালে আগবাঢ়িল। গোঁৱাৰ গড়ভঙা হাতীৰ লগত যুঁজি পালী-পহৰীহঁত ভাগৰি পৰিল। হাতী পলোৱাৰ কাৰণে ৰজাৰ আগত কি কৈফিয়ৎ দিব? শাস্তি অনিবাৰ্য্য।



ৰখীয়া-পৰীয়া থাকোতেও গড় ভাঙি ৰজাৰ হাতী পলাল: এই বাৰ্তাৰ ৰজাৰ কাণত পৰিলগৈ। খঙত ৰজা জ্বলিপাকি উঠিল। এইয়া দেখ-দেখ ৰাজদ্ৰোহ। ৰজাৰ হুকুম অমান্য। ইমানবোৰ পালী-পহৰীয়া থাকোতে গড়ৰ ভিতৰৰ হাতী পলাল কেনেকৈ? ইহঁতৰেই অৱহেলা, ইহঁতৰেই ষড়যন্ত্ৰ; ৰজাক দুৰ্ব্বল আৰু নিশকতীয়া কৰিবৰ কাৰণে শিৰোমণি ভুঞা শংকৰৰ আৰু অন্যান্য ভুঞাবোৰৰ এইবোৰ কুট বুদ্ধি।



কৰ্ত্তব্য অৱহেলা কৰা শংকৰক ধৰি আনি শাস্তি বিহিব লাগে। শংকৰে ভালকৈ ৰখীয়া-পৰীয়াৰ ওপৰত চকু দিয়া হ'লে, গড়ৰ ভিতৰৰ হাতী গড় ভাঙি পলাব নোৱাৰিলেহেঁতেন। শংকৰ ধৰ্ম্মগুৰু, গায়ন-বায়ন যিয়েই নহওক, শংকৰ ৰজাই পতা হাতী ৰখীয়াৰ চৰ্দাৰ। শংকৰৰ অপৰাধ ক্ষমাৰ অযোগ্য।

ধুঁৱাহাটলৈ নামি আহিল এক অভাৱনীয় দুৰ্য্যোগ। বৰদোৱা গাংমৌৰ পৰা ঠাই সলাই সলাই আহি এই লুইতপৰীয়া ধুঁৱাহাটত শান্তিৰেই যোৱা ওঠৰটা বছৰ কটালে শংকৰদেৱে। ইয়াতেই গীত পদ ৰচনা কৰি, নাম কীৰ্ত্তন কৰি, ধৰ্ম্মৰ কথা ভকত সকলেৰে আলচ-বিলচ কৰি, আশ-পাশৰ সহজ-সৰল মানুহবোৰৰ মাজত ৰজাঘৰীয়া জঞ্জাল, কোচালৰ পৰা নিলগত শংকৰদেৱে, মাধৱ আৰু অন্যান্য অনুগামীসকলৰ মাজত এখন শান্তিৰ আশ্ৰম পাতি আছিল। ইয়াতেই শংকৰদেৱৰ ঘৰৰ মজিয়ালৈ আহিল—বৰদোৱা এৰাৰ পিছৰ এইকাল ছোৱাৰ ভিতৰতে—দ্বিতীয় জীয়েক ৰুক্মিণী—যাৰ অন্য নাম ৰখা হৈছিল বিষ্ণুপ্ৰিয়া, আৰু তিনিজন পুত্ৰ সন্তান—ৰমানন্দ, কমললোচন আৰু হৰিচৰণ। ইয়াতেই ৰুক্মিণীৰ বিয়াও দিয়া হ'ল। এজন পুত্ৰৰ মৃত্যুও হ'ল ইয়াতেই। এই ধুঁৱাহাটত থাকোতেই ৰাজৰোষৰ পৰা আঁতৰত থাকিবলৈ চেষ্টা কৰি থকা সত্বেও শংকৰদেৱে ৰাজচ'ৰাৰ বিচাৰৰ সন্মুখীন হ'বলগীয়া হৈছিল। বিপ্ৰই হওক, ব্ৰাত্যই হওক, ব্ৰাহ্মণসকলৰ বৈৰীতা আৰু আক্ৰোশে শংকৰদেৱৰ আৰু তেওঁৰ অনুগামীসকলৰ পিছ এৰা নাছিল। সেই সকলো বিপৰ্য্যয় আৰু দুৰ্য্যোগৰ মাজেদিও ভক্তসকলৰ শ্ৰদ্ধা আৰু চেনেহৰ মাজত ভগৱানৰ কৰুণা আৰু দয়াৰ ওপৰত নিৰ্ভৰ কৰি শংকৰদেৱে আত্মপক্ষ ৰক্ষা কৰি চলিছিল।

এইবাৰ শংকৰদেৱৰ শান্তিৰ জগতত পৰিল গড়ভঙা বনৰীয়া হাতীৰ খোজ। বনৰীয়া হাতী ভেটিব নোৱাৰাৰ কাৰণে পালী-পহৰীয়া দায়ী, নে কেঁচা মাটিৰ গড় দায়ী, নে জাৰত ঠেৰেঙা লগা, ভাগৰুৱা গড়ৰখীয়াবোৰ দায়ী, নে শংকৰদেৱ দায়ী তাৰ ভালকৈ বুজ ল'বলৈ ৰজা-ঘৰৰ আৰ্জাৰ নাছিল। ৰজাৰ হাতীতকৈ শংকৰ ডাঙৰ নহয়। বনৰীয়া

হাতীক গড়ভাঙি পলাবলৈ দিয়াতকৈ ডাঙৰ অপৰাধ নাই। তাৰ শাস্তি প্ৰাণদণ্ডতকৈ কম হ'ব নোৱাৰে। এই কথা ৰজাক কোনোৱে বুজাই ক'ব নোৱাৰে যে এহেজাৰ হাতীয়ে এজন ৰজাৰ ৰাজ্য ৰক্ষা কৰিব নোৱাৰিবও পাৰে, ন্যায় বিচাৰেহে ৰক্ষা কৰিব পাৰে। ৰাজশক্তিৰ জীৱন্ত প্ৰতীক এহেজাৰ হাতী নহয়, ক্ষমা, ন্যায় আৰু প্ৰজাৰ কল্যাণ-কামনাতহে।

ৰজাৰ দূত আৰু চাউদাং আহি ধুঁৱাহাট পালেহি। লগত ৰজা-ঘৰীয়া পৰোৱানা—শংকৰক ধৰি নিব লাগে, শাস্তি বিহিব লাগে। হাতী পলাই যোৱাৰ কাৰণে জগৰীয়া—ৰখীয়া ভুঞা শংকৰ। চাউদাঙৰ হাতত ধৰা দিয়া মানেই সিহঁতৰ হাতত প্ৰাণটি সোধাই দিয়া। সেইয়া হ'ব আত্মহত্যাৰ সমতুল্য। আত্মৰক্ষাৰ চিন্তা কৰিব লাগিব। অবশ্যে ঘাটকৰ তৰোৱালৰ আগত ডিঙি পাতি দিয়াত কোনো বীৰত্ব নাই।

কি কৰা যায় ?

কি কৰিব পৰা যায় ?

ৰজাৰ কাৰণে হাতীৰ দামতকৈ শংকৰৰ জীৱনৰ দাম বেছি নহয়। কিন্তু শংকৰৰ নিজৰ কাৰণে নিজৰ জীৱনটোৰ মূল্য আছে। তাৰ বিনাশ হ'বলৈ দিব নোৱাৰি। ৰক্ষা কৰ্ত্তা কৰুণাময় ভগৱান।

কথাবোৰ চিন্তা কৰি ইফালে-সিফালে কাৰোবাক দেখা পাইনেকি চাইছিল শংকৰদেৱে। কিছু নিলগত দেখিলে অচিনাকি আঠোটা মানুহ —বুজিবলৈ টান নেলাগিল—সিহঁত আহোম ৰজাই পঠোৱা চাউদাং। হাতত অস্ত্ৰ। সিহঁত শংকৰদেৱৰ ঘৰৰ ফালেই বেগাই আগুৱাই আহিছে।

শংকৰদেৱ খৰখেদাকৈ ভিতৰ সোমাল। চাউদাংকেটা আহি চোতালত থিয় হ'ল। শংকৰদেৱে উত্তৰীয়ৰ ওপৰত পাটৰ চেলেং এখন গাত ল'লে। আৰু ঘৰৰ বাহিৰ ওলাই আহিবৰ কাৰণে সাজু হ'ল। চাউদাংকেটা গিৰ্গিৰ কৰে ঘৰৰ ভিতৰলৈ সোমাই আহিল। চাৰি কুৰি বছৰ পাৰ হোৱা শংকৰদেৱৰ হাত-ভৰিত যেন ভৰযৌৱন পোৱা এটা পাহৱান ডেকাৰ শক্তি আৰু মনোবল ! চাউদাংকেটাই শংকৰদেৱক হাতেৰে বেৰি ধৰিব খুজিলে। এচাৰ মাৰি চাউদাংকেটাক পেলাই থৈ তেওঁ ঘৰৰ পৰা দৌৰ মাৰিলে। চাউদাংকেটাই তম্ভিবই নোৱাৰিলে।



শংকৰদেৱেও এটা ডেকা মানুহে দৌৰাদি বাৰীৰ ভিতৰ সোমাই পিছফালৰ এটা বাটেদি লৰিব ধৰিলে।

পৰিথকাৰ পৰা চাউদাংকেটাইঁ ইফালে সিফালে চাই দূৰত শংকৰদেৱক দেখি পিছে পিছে খেদি গ'ল। আগে আগে নিলগত দৌৰি যোৱা শংকৰদেৱ। পিছে পিছে চাউদাংকেটা। সন্মুখত আছিল খৰালি পানী শুকাই যোৱা মৰি নৈৰ এটা বহল, দ খাল। একেজাপে শংকৰদেৱ সেই খালটো পাৰহৈ পুনৰ দৌৰিব ধৰিলে। চাউদাংকেটা আহি খালৰ পাৰত ৰৈ গ'ল। এই বহল, দ মৰি-সুঁতিটো কেনেকৈ জাপ মাৰি পাৰ হ'ব পৰা যায় ? সিহঁতৰ সাহসে নুকুলালে। মৰি-সুঁতিৰ পাৰে পাৰে সিহঁত আগুৱাই গ'ল, কোনফালেদি পাৰ হ'ব তাৰে বাট বিচাৰি।

সিহঁত মৰি-সুঁতিটো পাৰ হয় মানে, শংকৰদেৱ দৌৰি গৈ নৈৰ পাৰ পালেগৈ। আৰু গাৰ চেলেংখন একাষে থৈ গা ধুবৰ কাৰণে নদীত নামিবলৈ সাজু হ'ল। তেওঁৰ ককালত চুৰিয়াখন আৰু গাত পাটৰ উত্তৰীয়।

চাউদাংকেটা গৈ নৈৰ গৰা পালেগৈ। তললৈ চাই দেখিলে এজন সুশ্ৰী, সুঠাম, গৌৰবৰ্ণ পুৰুষ। গাত জিলিকি আছে পাটৰ উত্তৰীয়।

চাউদাংকেটা বিবুদ্ধি হ'ল আৰু বিমোৰত পৰিল। শংকৰ কায়স্থ হে, কায়স্থৰ জানো লগুণ থাকে ? এইজন এজন বামুণ মানুহ ! সৌৱা, গাত লগুণ জিলিকি আছে। শংকৰ কেনিবা পলাল ! বিচাৰি উলিয়াব লাগিব। ব'ল ব'ল। শংকৰক বিচাৰি যাওঁ ব'ল।

চাউদাংকেটা শংকৰদেৱক নৈৰ পাৰতে এৰি ঘূৰি আহিল। যেনে-তেনে হাতী এৰি দিয়া অপৰাধীক ধৰি শাস্তি বিহিবই লাগিব। নহ'লে ৰজাই চাউদাঙকে শাস্তি দি হাৰা-শাস্তি কৰিব। শংকৰক ধৰি নিব নোৱাৰিলে, আন কাৰোবাক ধৰি নি সন্দিকৈ বৰুৱা আৰু ৰজাৰ আগত ভেটিবগৈ লাগিব।

সিফালৰ পৰা দুজন মানুহ আহি আছিল। চাউদাংহঁতেৰে ভেটা-ভেটি হ'ল।

"এই, তহঁত ক'ৰ মানুহ ? ক'ৰ পৰা আহিছ ? কলৈ যাৱ ?" চাউদাঙৰ ক্ৰুদ্ধ প্ৰশ্ন।

শংকৰদেৱৰ শিষ্য।"

"আমি ভকত। শংকৰদেৱৰ শিষ্য।"

"শংকৰৰ শিষ্য। ধৰ ইহঁতক—ব'ল। আমাৰ লগত ব'ল। তহঁতৰ বিচাৰ হ'ব।"

কি অপৰাধৰ বিচাৰ হ'ব সুধিবলৈ নাই, কাৰ কি জগৰ লগালে তাকো জানিবৰ উপায় নাই। ৰজাৰ চাউদাং সাক্ষাত যম। কলৈ নিব, কিহৰ বিচাৰ কৰিব, অপৰাধ কি, সেইবোৰ কথা পিছত হ'ব। এতিয়া চাউদাঙৰ লগত যাব লাগে। তুৰি-মুৰি কৰিবৰ উপায় নাই। বাদ-প্ৰতিবাদৰো থল নাই। ধুঁৱাহাট ৰাজৰোষত পৰিছে, ৰজাৰ হাতী হেৰাইছে। কোনো অপৰাধী সাৰি যাব নোৱাৰে। শংকৰেই হওঁক, শংকৰৰ ভকতেই হওঁক। আগে শাস্তি হ'ব, পিছত বিচাৰ।

মানুহ দুজনৰ মুখ ঘুৰাবৰ উপায় নাছিল। কাৰোবাক জনাই যাবৰো অৱকাশ নাছিল। শংকৰদেৱৰ শিষ্য, বৈষ্ণৱ ভকত, সেইয়াই অপৰাধ।

চাউদাঙৰ লগে লগে মানুহ দুজনে ঈশ্বৰৰ নাম স্মৰণ কৰি তাৰ পৰা খোজ ল'লে। শংকৰদেৱে ক'ব নোৱাৰে। মানুহে ক'ব নোৱাৰে। ৰামানন্দহতে ক'ব নোৱাৰে যে পৰম-ভকত মাধৱ আৰু শংকৰদেৱৰ জোঁৱাই হৰিক ৰজাৰ চাউদাঙে বাটৰ পৰা ধৰি লৈ গৈছে। শংকৰদেৱো তেতিয়া নিজৰ গা সৰুৱাই বাচি থকাৰ চিন্তাত ব্যস্ত। নৈৰ পাৰত গাত লগুণ দেখি বামুণ বুলি ভাবি চাউদাঙে এৰি থৈ গৈছে যদিও, সিহঁতে তেওঁৰ পিছ সতকাই নেৰে। চাউদাঙৰ হাতত ধৰা দি কটা যোৱাৰ কোনো অৰ্থ নাই।





"আমাৰ গাতেই দোষ জানিছ। আমাৰ গাতে দোষ—" মনায়ে ক'লে।

"আমাৰ গাত কি দোষ অ'? কৰো বুলি আমি কিবা কাৰোবাৰ জগৰ লগাইছোনে? বালিৰ গড় বান্ধি বনৰ বনৰীয়া হাতীক ধৰি ৰাখিব পাৰিনেকি? বনৰীয়া হাতী ধৰিলে ঘৰচীয়া কৰি ল'ব লাগে। শিকাই-বুজাই বশ কৰি ল'ব লাগে। এনেকৈ কেঁচা গড়ৰ ভিতৰত মেলি দি বান্ধ নাই, ছাট নাই, হাতী হেন প্ৰাণী এটাক কোনোবাই ধৰি ৰাখিব পাৰেনেকি? ফান্দীৰ হতুৱা গোটা বান্ধ দিয়াই বন্ধাই নথলে কিয়? গড়-ভঙা পলৰীয়া হাতীৰ গালৈ তৰাৰ ফমুঁঠি মাৰিলে কি লাভ হ'ব?"

"হেৰ বৰকৈ নিচিঞৰিবি। ৰজা ৰজাই, প্ৰজা প্ৰজাই। চুটীয়া ৰজা যি, আহোম ৰজাও সি। ৰজা কিবা প্ৰজাৰ কাৰণে আছে নে? প্ৰজাহে ৰজাৰ কাৰণে। ৰাজ্যখন ৰজাৰ, আমি প্ৰজাবোৰো ৰজাৰ। ৰজাৰ হাতী-ঘোঁৰা, গৰু-ম'হ আমিয়ে ৰাখি নিদিলে কোনে ৰাখিব? ৰজাই আৰু হাতী ৰাখিবহিনে। ৰজাক হাতী লাগে। লাগিবই। পৰ্বতৰ মানুহবোৰক নহ'লে কিহেৰে সেও মনাব? ৰণ লাগিলে ৰণৰ সা-সজুলি, ৰছদ-পাতি, কিহেৰে কঢ়িয়াব? কেতিয়াবা ৰাইজৰ মাজলৈ যাব লাগিলেও ৰজা দোলা, ঘোঁৰা, হাতীৰে নগৈ খোজকাঢ়ি তোৰ মোৰ নিচিনাকৈ যাবনে? সৌ-সিদিনালৈকে আমিবোৰ চুটীয়া ৰজাৰ প্ৰজা আছিলো। আহোম আহিল, ৰণত চুটীয়া ৰজাই আহোমক বলে নোৱাৰিলে। আমিহে চুটীয়াৰ গুচি আহোমৰ প্ৰজা হলো। আমাক এৰি চুটীয়া ৰজাৰ ডা-ডাঙৰীয়াহতে আহোম ৰজাৰ ডা-ডাঙৰীয়াৰে মিতিৰালি কৰি চলি আছে। লটি-ঘটি হৈছে কাৰ? আমাৰহে।

বাৰভূঞাৰ ঘৰৰ ভূঞাহঁত ৰণুৱা মানুহ। পিছে ভাই-ভাই, ঠাই-ঠাই নহৈ একে ঠাইতে গোট হৈ থকা হ'লে কোনোবা ৰজাই ভূঞাৰ ঘৰৰ ল'ৰাক হাতী ধৰিবলৈ, হাতী ৰখিবলৈ পাচিব পাৰিলেহেতেন নে?"

"তাকেহে ময়ো কৈছো, প্ৰজা হ'ল বুলি সকলো প্ৰজা একে মানুহ নেকি? শংকৰদেৱ হেন মানুহ এজনক বাছ নাই, বিচাৰ নাই হাতী-ৰখীয়া পাতেনে? তেওঁও বাৰু ৰজাৰ আদেশ বুলি মাত এষাৰো নেমাতি যিহকে কৰিবলৈ কয় তাকে কৰিব পায়নে? ৰজা বুঢ়াগোহাঁইৰ কোঁৱৰ এজনক কোনোবাই ম'হ-গুৱাল পাতকচোন, কোনোবাই মানিবনে?"

"এৰা অ' এই শিৰোমণি ভূঞাজনক আমি আজিলৈকে বুজিব নোৱাৰিলো। ৰজাঘৰৰ পৰা কৈ পঠিয়ালে, হাতী-ৰখীয়া পালীৰ কাম-কাজ চাবা। তাতে মান্তি হ'ল। শংকৰদেৱৰ মতে হেনো কোনো কামকে ঘিণ কৰিবলগীয়া নাই। এজনে কৰিবলৈ যদি এটা কাম বেয়া নহয়, অন্য এজনে কৰিবলৈকো সেই কাম বেয়া নহয়। লাগিলে ক'ৰবাৰ গোলাম পাইকেই হওঁক বা শিৰোমণি ভূঞাই হওঁক। ভগৱান চিৰিকিচুনই গৰু ৰখিছিল, মহাদেৱ সদাশিৱয়ো জানো গৰু চৰাই ফুৰা নাছিল? আৰু কথা হ'ল কি জান? ৰজাই জানিবা কিবা বেয়া কাম এটাকে কৰিবলৈ ক'লে, সেই কামটো কৰিলে যদি ধৰমৰ ইফাল-সিফাল নহয়, সেই কাম কৰাটো একো বেয়া কথা নহয়। সেয়েহে বোলে শংকৰদেৱে ৰজাৰ হুকুমমতেই হাতী ৰখীয়াৰ বনচোৱা কামৰ ভাৱ লৈছিল। পিছে ৰজাৰ হাতীকো ৰাখিব নোৱাৰিলে, নিজৰ জোঁৱায়েককো ৰাখিব নোৱাৰিলে। কম দুখৰ কথানে?"

কথাবোৰ নৈৰ পাৰত বহি পাতি আছিল মথাই আৰু চিৰিনাথে। আজি কিছুদিনৰ পৰা ধুঁৱাহাট আৰু ওচৰ-পাজৰৰ গাঁওবোৰত অন্য-সকলো কথাৰ আলচ তল পৰিছে। এয়াৰ কথাৰেই কোৱা-বখনা চলি আছে—ৰজা ঘৰে এনেকুৱা এটা কাম কেলেই কৰিলে? ইমান অন্যায় কেলেই কৰিলে? নিৰ্দ্দোষ মানুহক এনেকুৱা শাস্তি কেলেই দিলে? ভাল মানুহক ৰজাই ৰক্ষা কৰিব লাগে নে কাটি-মাৰি অত্যাচাৰ কৰিব লাগে?



"ধুঁৱাহাটৰ পৰা চুহুংমুং ৰজাৰ ৰাজধানী বকতানো কিমান দূৰ? মাজতে বৰনৈখন, তাৰ সিপাৰে দিচাং আৰু দিখৌ নৈ। ৰংপুৰ, গড়গাঁও, বকতা, নাজিৰা স্থৈবোৰনো কিমান দূৰৰ ঠাই? বৰনৈখন পাৰ হ'লে খোজকাঢ়ি গলে এদিনৰ বাট। তাতে শোধ নাই, পোছ নাই গোট মানুহহাল বাটৰ পৰা ধৰি নি ক'ত কি কৰিলেগৈ, ইমান দিনে তাৰ কথা কোনোবাই কিবা ভূ পালেনে? আমাৰ ইয়াৰেবা কোনে সিহঁতৰ বুজ ললেগৈ? যি-সি মানুহো নহয়, শংকৰদেৱৰ জোঁৱায়েক হৰি আৰু তেওঁৰে আটাইতকৈ মৰমৰ ভকত মাধৱ। শংকৰদেৱ নিজে সিবিলাকক বিচাৰি গ'লে তেওঁকো ধৰি নি শাস্তি দিব পাৰে। সেই দেখি জানিবা তেওঁ নিজে নগ'ল। পিছে ভকতবোৰৰ কোনোবা দুটা গৈ হৰি আৰু মাধৱৰ কি হৈছে তাৰ বুজ এটা ল'ব নেপাইছিলনে? কোন গ'ল? আৰু এতিয়া কি হ'ল? মাধৱ জীয়াই জীয়াই ঘূৰি আহিল জানিবা। পিছে কেনে মানুহজন শুকাই-খীণাই কেনে চিৰাচেপেটা হৈ আহিছে, মন নকৰিলিনে? সদায় হাঁহি থকা গোলাপ ফুল যেন মুখখন শুকাই চুণৰ টৌমটো যেন হৈ আহিছে! দেখিলেই বেজাৰ লাগে।"

"এৰা, মাধৱেহে আহি কি হৈছিল নহৈছিল কৈছেহি। তেওঁৰে জীয়াই জীয়াই ঘূৰি নহা হ'লে মানুহ দুটাৰনো কি হ'ল আমি একো গমেই নেপালোহেতেন। এইয়া ৰজাৰ বিচাৰ হ'লনে? শংকৰদেৱক জানিবা চিনিব নোৱাৰি এৰি থৈ গ'ল, অইনকে জানিবা ধৰি নিলে। সেই বুলি কোন দোষী, কোন নিৰ্দ্দোষী বিচাৰ নকৰাকৈ এনেকুৱা শাস্তি দিয়েনে? চাউদাঙে নি সন্দিকৈ বৰবৰুৱা মন্ত্ৰীৰ আগত ভেটালেগৈ। বৰবৰুৱাই মাধৱ আৰু হৰিক সুধিলে, 'তহঁত কোন? তহঁতে কি কৰ?'

এজনেও মিছা কথা নক'লে। দুয়ো ক'লে, 'আমি শংকৰদেৱৰ ভকত।'

'তহঁতে কি কৰ?'

'হৰিনাম লৈ থাকো।'

'তহঁতৰ কোন আছে?'

মাধৱে ক'লে, 'এওঁ বিয়া কৰোৱা মানুহ। তিৰোতা আৰু ল'ৰা-ছোৱালী আছে। মই অকলশৰীয়া। গুৰুজনাৰ বাহিৰে মোৰ কোনো নাই।'

তেতিয়াহেনো সন্দিকৈ বৰবৰুৱাই ক'লে, 'মাধৱৰ কোনো নাই, অকলশৰীয়া। সি মৰিলেও কোনো কান্দোতা, দুখ-বেজাৰ কৰোতা নাই। তাক কাটি লাভ নাই। হৰিকে নি কাটগৈ, তাৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী আছে। কটাটোৱে কিটো বুজ পাব? ৰজাঘৰত জগৰ লগালে কি দশা হয় জীয়াই থকাবোৰেহে বুজি পাব, ইয়াকে কাট।'

এইয়ানো বিচাৰ হ'লনে? হৰি বা মাধৱ এজনেও কোনো দোষ কৰা নাছিল। শংকৰদেৱক বিচাৰি নেপাই বাটৰ পৰা ধৰি আনিলে এওঁলোক দুজনক। আৰু শাস্তি দিলে, প্ৰাণদণ্ড দিলে হৰিক! ৰজাৰ হুকুম। যি কোনো এটাক কাটিব লাগে। দোষী হওঁকেই বা নহওঁকেই। মাধৱক নেকাটি কাটিলে হৰিক—কাৰণ হৰিৰ পৰিয়াল আৰু ল'ৰা-ছোৱালী আছে। সিহঁতে দুখ বেজাৰ কৰিব। এনেকুৱা অনিয়াই কৰিব পায়নে?"

সিফালৰ পৰা তিলেশ্বৰ আৰু মগুৰাম আহি ওলালহি। ডেকা ল'ৰা যদিও, সিহঁতো আন সময়ৰ নিচিনা প্ৰসন্ন নহয়।

"তহঁতহালে ইয়াত বহি কি কৰি আছ?" মগুৰামে সুধিলে।

"তহঁত হালনো ক'ৰ পৰা আহিলি?"

"নকবি আৰু। গৈছিলো ধুঁৱাহাটৰ ফালে। কথাবোৰ তহঁতে শুনিছছাগৈ। মাধৱ আহিছে নহয়। তেওঁক চাবলৈ মানুহেই মানুহ হৈছে। তেওঁৰ মুখৰ পৰা কথাবোৰ শুনি মানুহবোৰ তম্ভিত হৈছে।"

"তহঁতো গৈছিলিনেকি?"

"অইন কামতহে গৈছিলো। মানুহ যোৱা দেখি তাত ওলাই-ছিলোগৈ। পিছে নোযোৱা হলেই ভাল আছিল জানিছনে? হাঁহিয়ে-খিকিন্দালিয়ে ৰজনজনা হৈ থকা আগৰ সেই ধুঁৱাহাটখন নাই। বেজাৰতে জৰমাৰ দিলে। কাৰো মুখলৈ কোনেও চাব নোৱাৰে। মানুহবোৰৰ মুখবোৰ দেখিলে চকুপানী ওলাই আহিব খোজে।



শংকৰদেৱৰ ঘৰখনত কন্দা-কটা, হুৰা-দুৰা। মাধৱৰ মুখলৈ চাবৰ সত নেযায়। ইমান যে ক'লা পৰিল। অকল শংকৰদেৱেহে মানুহবোৰক দুখ-বেজাৰ নকৰিবলৈ, নেকান্দিবলৈ কৈ আছে। বুজনি দিছে বোলে সকলো ঈশ্বৰৰ ইচ্ছা। দুখ-বেজাৰ নকৰি হৰিনাম সুঁৱৰি থাকিবহে লাগে। ইপিনে জীয়েকে কান্দিছে। নাতিনীয়েকহঁতে কান্দিছে! চাই থাকিবৰ সত নেযায়। বুইছনে। আমি গুচি আহিলো।"

তিলেশ্বৰে ক'লে, "মাধৱ ঘূৰি আহি যিবোৰ কথা কৈছেহি, শুনিলেও কেনেবা লাগে। তহঁতে শুনিছই চাগৈ। ৰজাই ল'ৰা-ছোৱালী লগা হৰিকে কাটিবলৈ হুকুম দিলে। মাধৱক বন্দী কৰি থোৱালে। মূৰ কাটিবলৈ হুকুম হৈছে বুলি জানি মাধৱে হেনো হৰিক ক'লে, 'তোমাকেই কাটেনে মোকেই কাটে এতিয়াও ঠিক নাই। মোকে যদি কাটিবলৈ লয়, তুমি মোক হৰি নাম সোঁৱৰাবা, আৰু মোক এৰি তোমাক যদি কাটিবলৈ লয় তেন্তে মই তোমাক নাম সোঁৱৰাম।' কি কৰিব ৰজাৰ আদেশ। চাউদাঙে বেঢ়ি আছে। ৰক্ষা কৰোতাও কোনো নাই। পলাই সাৰিবৰো উপায় নাই। ঈশ্বৰক চিন্তা কৰাৰ বাহিৰে আৰু কি উপায় আছে?

হৰিক কাটিবলৈ লৈ গ'ল। মাধৱো লগে লগে গ'ল। চাউদাঙৰ হাতত দীঘল বলি-কটা দা। মানুহো গোট খাইছে হৰিক কটা চাবলৈ। মাধৱে হৰি নাম, ৰাম নাম সোঁৱৰাইছে। আৰু হৰিয়ে হৰি নাম লৈছে। ভয়-ভীত নাই। বলিকটা দা হাতত লৈ চাউদাং সাজু। তেতিয়া তাৰ ফালে চাই হৰিয়ে ক'লে, 'নাম লোৱা শেষ হলে মই হাতেৰে ইঙ্গিত দিম, তেতিয়া কাটিবা।'

মাধৱে নাম সোঁৱৰাইছে হৰিয়ে ৰাম নাম লৈছে। মানুহবোৰে উচু-পিচু, ইস্-আস্ কৰিছে।' তেনেকুৱাতে হৰিয়ে চাউদাঙক হাত-বাউল দি মাতিলে। চাউদাঙে ঘাপ্ মাৰি একে ঘাপে হৰিক দুচেও কৰিলে। ডিঙি সৰাক গ'ল। হৰিৰ মূৰটো উফৰি গৈ মাধৱৰ ভৰিৰ ওচৰত পৰিলগৈ। কল্ কল্ কৰে ৰঙা তেজ বৈ আহিল। মাধৱৰ দুয়োচকুৰ পৰা চকুপানীও জৰজৰ কৰে বৈ আহিল। দুডোখৰ হৈ হৰিৰ

দেহাটো মাটিতে পৰি থাকিল। তেজেৰে বননি ঢাক খালে। কথাবোৰ শুনিলেও কাঠ কঠুৰাৰো চকুপানী ওলাব হেৰ'।

ইমানবোৰ কথা হৈ গ'ল। অতদিনে এইফালে কোনেও ক'ব্ই নোৱাৰে। সকলোৱে ভাবি আছিল চাগৈ—বাটৰ পৰা ধৰি নি মাধৱ হৰি দুয়োকে বন্দীশালত বন্দী কৰি থৈছেগৈ। এতিয়া মাধৱে আহিহে গোটেই কথাবোৰ কৈছেহি।"

চিৰিনাহে কথাবোৰ শুনি ক'লে, "কাটিলেও কাটক, মাৰিলেও মাৰক নকৈ নোৱাৰো বুইছনে? চুহুংমুং ৰজায়ে জানো স্বৰ্গনাৰায়ণ নাম লোৱা নাই? হাবুঙৰ পান বাৰীৰ কোনোবা ভূঞাই বোলে ৰজাৰ দ্ৰোহ কৰিছিল। সেই ভূঞাবোৰক ৰণত ঘটুৱাই ৰজাৰ বশ কৰিলে। সেইবোৰ ভূঞাও বেলেগ, শিৰোমণি ভূঞা শংকৰো বেলেগ। শংকৰদেৱে কিবা ৰজাৰ দ্ৰোহ আচৰিছিলনে? বিনাদোষত বাৰু শংকৰদেৱৰ জোঁৱায়েকক এনেকৈ কটাব পায়নে?"

নমোৰামে ক'লে, "এনেকুৱা নীতি-নিয়ম নমনা ৰজাকো কোনোবা দিনা কোনোবাই কাটিব—চাই থাকিবি। সকলোৱে কয়, স্বৰ্গদেৱ স্বৰ্গনাৰায়ণ ভাল ৰজা, হিন্দু নাম লৈছে, বামুণ গোসাঁইক মান-সংকাৰ কৰে, ধৰম-কৰম মানে, নিজৰ ৰাজ্যখনৰ মানুহৰ পিয়ল কৰাইছে, প্ৰজাবোৰৰখেল পাতিছে, বৰ গোহাঁই, বুঢ়া গোহাঁইৰ উপৰিও এজনক বৰ-পাত্ৰ গোহাঁই পাতিছে। এইবোৰ ভাল কথা। পিছে শংকৰদেৱৰ নিচিনা মানুহ এজনকনো হাতী ৰখীয়া পাতিব পায়নে? আৰু একো জগৰ নোহোৱাকৈ হৰিক বাটৰ পৰা ধৰি নি এনেকৈ কাটিব পায়নে? আৰু শংকৰদেৱৰ পুতেকহঁতকৈও মৰমৰ মাধৱদেৱক বিনা দোষত ছমাহকৈ বন্দীশালত সুমুৱাই থব পায়নে? মানুহজন ঘূৰি আহিছে হয়, যিহে অৱস্থা হৈ আহিছে, দেখিলেই বেজাৰ লাগে।"

মগুৰামে ক'লে, "শংকৰদেৱেও বোলে ইয়াত আৰু নেথাকো বুলিছে। ইয়াত তেওঁ আৰু ভকতসকল শান্তিত থাকিব নোৱাৰিব। কেতিয়া কাক কাটে, কেতিয়া কাক মাৰে কোনেও ক'ব নোৱাৰে। ভূঞাসকলৰ ওপৰত ৰজা ঘৰৰ চকু, কিজানিবা লগ লাগি কেতিয়াবা বিদ্ৰোহ কৰে।



কিছুমান ভূঞাক নি বৰদোৱাত বহুৱাইছেগৈ—কছাৰী ভেটিবৰ কাৰণে। মুছলমানেও বাৰে বাৰে আহোম ৰাজ্য মাৰিবলৈ হুমিয়াই আছে। দুই তিনি বেলি ভিতৰ সোমায়ে আহিছিল। বলে পৰা নাই গুনেহে। সিপিনে ভাটিৰ কোচ ৰজায়ো ৰণ দিবলৈ পাঙি আছে। ইয়াত শংকৰদেৱৰ নিচিনা হৰিনাম লৈ থকা মানুহে শান্তিৰে থাকিব পাৰিব জানো?"

"পিছে তেওঁলোক কলৈ যাবগৈ খুজিছে?" চিৰিনাথে সুধিলে।

"ভটিয়াই যাব হেনো। কোচৰ ৰাজ্যলৈকে যাবগৈ বোলে। সেই ফালৰ কথা মই ভালকৈ নেজানো, যোৱা নাই।"

"এনে এজন মানুহক খেদি পঠিওৱাতকৈ নিজৰ ৰাজ্যৰ ভিতৰতে ৰাখিবহে লাগিছিল দেই। ৰজাঘৰে বামুণেৰে মিতিৰালি পাতিছে হেনো, পাতক। বামুণো হিন্দু, বৈষ্ণৱো হিন্দু। পিছে ইয়াত ধুঁৱাহাট বেলগুৰিত থান, সত্ৰ পাতি যোৱা সোতৰ ওঠৰ বছৰ ইয়াতে থাকি আমাৰ মানুহবোৰক যিদৰে ভাল কৰিছিল, সমাজখন যিদৰে ভাল কৰিছিল, সকলোকে মিলাই এক কৰিছিল, তেওঁ ইয়াৰ পৰা দূৰলৈ গুচি যোৱাৰ পিছত আমাৰ মানুহবোৰ, আমাৰ সমাজখন তেনেকৈয়ে থাকিব বুলিছনে?"

"এৰা, আৰু এই বুঢ়া বয়সত শংকৰদেৱে ঠাই সলাই ফুৰিবৰ দিন আছেনে? এতিয়া হৰিনাম, ৰামনাম লৈ, ভকত-ভকতনী, পা-পৰিয়াল লৈ শান্তিৰে থকাৰ বয়স। মাধৱকো লগত লৈ যাব বোলে। ধুঁৱাহাটখন উদং, চন পৰা হ'ব বুজিছনে?"

"মাধৱক শংকৰদেৱে এৰিব নোৱাৰে। গাৰ ছাঁটোৰ নিচিনাকৈ দিনে-ৰাতিয়ে লগতে লাগি থাকে। দুয়োজনে যে গীত-মাতবোৰ ৰচি সকলোকে শিকাইছে, গায়ন-বায়নবোৰক শিকাইছে, সেইবোৰো চেঁচা পৰি নেযাবনে—গুৰু দুজনা গুচি গ'লে?"

"এফালে বামুণৰ খোচা-খুচি, আনফালে ৰজাঘৰৰ উৎপাত অত্যাচাৰ। ইয়াতনো মানুহ কেনেকৈ শান্তিৰে থাকিব? ঈশ্বৰৰ নাম লবলৈও শান্তি অকণ নেথাকিলে হায়-হায়, খায়-খায় কৰি মানুহে দিন কটাব পাৰেনেকি? পিছে, শুনিছো বোলে কোচৰ ৰজা নৰনাৰায়ণৰ ৰাজ্যতো বামুণৰ লেখেই

সৰহ। ৰজায়ো বোলে বামুণ গোসাঁইক বৰ মানে। তাত বা শংকৰদেৱ গৈ কেনে পায়গৈ।"

"পোনে পোনে কোচবিহাৰলৈ নেযাঁবগৈ বোলে। কামৰূপতে ক'ৰবাত ৰবগৈ। পাটবাউসী নে বৰপেটা নে সুন্দৰীদিয়া ক'ৰবাত। আৰু মাধৱদেৱো বোলে আগৰ সেই ফালৰে মানুহ—বান্দুকাৰ নে ক'ৰবাৰ। শংকৰদেৱেও বোলে তীৰ্থ লৈ যাওতে সেইফালৰ দেশবোৰ দেখিছে। সেয়েহে ইয়াৰ পৰা যাবলৈ সাহ কৰিছে।"

নমোৰামে ক'লে, "কোচ, কছাৰী, মৰাণ, চুটীয়া, আহোম, জয়ন্তা বুলি কথাটো নহয়। শংকৰদেৱেই কয় বোলে জাত-পাতবোৰ কোনো লেখৰ কথা নহয়, কথা হ'ল মানুহ হোৱাটো। য'ত সঁচা মানুহ আছে, তাতেহে মানুহ থাকিব পাৰে। লাগিলে মেলেছেই হওঁক বা চণ্ডালেই হওঁক। বিৰূতিটো বেয়া হ'ল বুলি জাতিটোও বেয়া হ'লনে? কাৰোবাৰ জাতটো হীন হেন হ'ল বুলি, মানুহটোও বেয়া হ'লনে? শংকৰদেৱে মানুহ গঢ়িব খুজিছিল, পিছে শান্তিত থাকিবলৈ নেপালে কি কৰিব? যাও বুলিলে নেযাবা বুলিনো কোনে কব?"

চাৰিওটা বহাৰ পৰা উঠিল।

তিলেশ্বৰে ক'লে, "আমাৰ চিন্তা কৰি থাকিলে, দুখ কৰি থাকিলে কি লাভ হ'ব? মাধৱকে হৰিকে যে বাটৰ পৰা ধৰি নিছিল, আমাৰ কোনোবাই কেলেই নিছ বুলি মাত এষাৰ মাতিলনে? নিজগৰীয়া মানুহ এটা নি কাটিলেগৈ। কোনোবাই মুখ মেলি কথাএষাৰ ক'লেনে? এতিয়াও আমাৰ ঠাই এৰি শংকৰদেৱ হেন মানুহ এজন মনৰ দুখতে কোনোবা দূৰ দেশলৈ গুচি যাবলৈ ওলাইছে; আমাৰ কোনে নেযাবা বুলি বাট ভেটি ৰাখিব?"

চিৰিনাথে ক'লে, "শংকৰ-মাধৱক একো নেলাগে। দেশো নেলাগে, ৰাজ্যও নেলাগে, ধনো নেলাগে, সম্পত্তিও নেলাগে। ক'ৰবাত শান্তিৰে বহি হৰিনাম জপি থাকিবলৈ লাগে। মই কৈছো চাবি, শংকৰো যাব, ধুৰাহাটো যাব—বৰনৈয়ে বুকুত সামৰি ল'ব। আৰু আহোমৰ ৰাজ্যও সদায় থাকিব বুলি নেভাবিবি। অযোধ্যায়ে আছেনে? ৰাৱণৰ



লংকায়েই আছে? ৰামৰ নামহে অজৰ-অমৰ হৈ আছে। ৰাইজক হৰি নাম শিকাইছে শংকৰদেৱে। এই হৰি নামহে থাকিব। নাম শুনিও মানুহে দূৰৰ পৰাই সেৱা জনাব। পিছে আমাৰ মানুহক আমাৰ দেশতে ৰাখিব পাৰিব লাগিছিল। বিদেশলৈ গুচি গলেগৈ পিছতহে আমাৰ ৰাইজে বুজিব কোন গ'ল, কি ক্ষতি হ'ল, কোন নোহোৱা হ'ল, কি হানি হ'ল। এতিয়া বুজিব পৰা নাই। যাওহক ব'ল। মোৰ হ'লে বৰ বেয়া লাগিছে।"

সিহঁত গধূৰ মনেৰে তাৰ পৰা গুচি গ'লগৈ।



সাদিনীয়া পাল নামৰ সামৰণি পৰিল। ঘাটত নাৱত বস্তু-বেহানি, পেৰা-পেটাৰি তোলা হৈছে। চাউল-পাত, টৌ-লোটা, কাঁহী-বাতি সকলো সামৰি-সুতৰি লোৱা হৈছে। খোল-তাল-নেগেৰা সদায় নাম-কীৰ্ত্তনত লগা যিবোৰ বাদ্য আছিল, সেইবোৰো বান্ধি-কুন্ধি লোৱা হৈছে। যিখন ঠাইত পা-পৰিয়াল, লগুৱা-লিকচৌ লৈ, ভকতসকলক লৈ প্ৰায় কুৰি বছৰ কাল কটালে, তাৰ গছ-বন, ফুল-পাত সকলোৰে লগত যিটো আত্মীয়তা গঢ়ি উঠিছিল, এতিয়া সেই সকলোৰে লগত মৰমৰ সম্পৰ্ক ছেদ কৰি, চিৰদিনৰ কাৰণে আঁতৰি যাবলৈ ওলাইছে সকলো। দুটামান কঁঠাল কাঠৰ পেৰাত ভালকৈ জাপি কাপোৰেৰে মেৰিওৱা সাঁচি-পাতৰ পুথি; তাতেই আছে শংকৰদেৱৰ অতদিনৰ লেখাবোৰ। তাৰ প্ৰতিটো আখৰত লাগি আছে শংকৰদেৱৰ উশাহ-নিশাহ। তাৰ প্ৰতি শাৰী বাক্যত লাগি আছে শংকৰদেৱৰ শ্ৰম আৰু স্বপ্নৰ স্বাক্ষৰ। সাঁচি-পাতৰ এই লেখাবোৰ—শংকৰদেৱৰ নিজৰ কাৰণে লিখা নহয়; শংকৰদেৱ নিজে সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত—সৰ্ব্বশাস্ত্ৰ বিষাৰদ, কবি। নিজে বুজিবৰ

কাৰণে এইবোৰৰ নিজৰ ভাষালৈ ভাঙনি নকৰিলেও হ'লহেঁতেন। লিখিব-পঢ়িব নজনা, শাস্ত্ৰৰ কথা একো নজনা, নামত হিন্দু হৈও হিন্দু ধৰ্মৰ একো কথা নজনা সাধাৰণ মানুহবোৰৰ কাৰণে বহু শ্ৰম কৰি লিখা এইবোৰ সাঁচি-পতীয়া পুথি। এইয়া সংস্কৃত নহয়, পালি নহয়, প্ৰাকৃত নহয়, ফাৰ্চী নহয়, এইয়া লুইতপাৰৰ হজুৱা-বনুৱা-বাঢ়ৈ-কাৰিকৰ-সোণাৰি-তাঁতী-কমাৰ-কুমাৰ-মাছমৰীয়া সকলোৱে বুজিব পৰা এক স্বকীয়া মাৰ্জিত, সুললিত ভাষা। এইয়া ৰজাঘৰীয়া ভাষাও নহয়, বেপাৰী-বেহেৰুৱাৰ ভাষাও নহয়। এইটো বৰ-লুইতৰ পাৰৰ পথাৰ-বননি-মাটি আৰু আকাশৰ ভাষা। এই ভাষাৰ লিখাবোৰ কেৱল লুইত-পৰীয়াহঁতৰ কাৰণেই নহয়; কোনোবাই বিচাৰিলে ইয়াৰ মাজতেই গংগা-সিন্ধু-যমুনা-সৰস্বতীৰ পাৰৰ মাত-কথাৰ ধ্বনি-প্ৰতিধ্বনিও শুনিবলৈ পাব। এই সহজ-সৰল সাধাৰণ কথাবোৰৰ মাজতে সোমাই আছে হিন্দু শাস্ত্ৰৰ নানা তত্ত্ব-দৰ্শন, ইয়াতেই সোমাই আছে ঈশ্বৰ—কৃষ্ণ-কথা, সোমাই আছে ঋষি-মুনি, অতীতৰ ৰজা-মহাৰাজা, যুদ্ধ-শান্তি আৰু ভাৰতাত্মাৰ বাণী। এই ভাষাৰেই লিখা হৈছে বৰগীত-কীৰ্ত্তন-ঘোষা, ভটিমা; ৰচনা হৈছে প্ৰাৰ্থনা গীত—যি গীতেৰে ভগৱানৰ ওচৰত অন্তৰ উজাৰ কৰি মনৰ দুখ, মনৰ বেদনা, মনৰ আশা-নিৰাশাৰ কথা নিজৰ আপোন-জনক কোৱাদি ক'ব পাৰি। এই লিখনীৰ মাত-কথাবোৰেৰেই লুইত-পৰীয়া মানুহখিনিক একেডাল এনাজৰীৰে বান্ধি একেটা জাতি কৰি গঢ়ি তুলিব, একেটা জাতি কৰি জীয়াই ৰাখিব। সাঁচি-পাতৰ বুকৰ পৰা ওলাই গৈ এই শব্দবোৰে, এই পংক্তিবোৰে, এই পদ-পয়াৰবোৰে, এই 'আচাম দেশৰ' পৰ্ব্বত-ভৈয়ামৰ, নগৰ-গাঁৱৰ সকলোৰে বুকুৱে বুকুৱে ভাই-ভাই ভাব জগাই তুলিব। এই ভাষাৰে কথা ক'বৰ কাৰণে কওতাজন উচ্চ জাতৰ হ'ব নালাগে, ৰজা-মহাৰাজা, ডা-ডাঙৰীয়া হ'ব নালাগে, পণ্ডিত হ'ব নালাগে, ধনী-সম্পত্তিবান-ঐশ্বৰ্য্যশালী-অভিজাত হ'ব নালাগে। এই শুকান সাঁচি-পাতৰ ক'লীয়া লেখনীবোৰ হ'ব আচাম ৰাজ্যৰ সকলোৰে সম্পত্তি। এই মাত, এই ভাষা মানুহে বুজি পাব, দেৱতাই বুজি পাব, ঈশ্বৰেও বুজি পাব। এই সাঁচি-পাত কাৰোবাৰ



কাৰণে আচুতীয়াকৈ সাঁচি সামৰি লুকুৱাই থবৰ কাৰণে নহয়, সকলোৰে আগত সকলোৰে কাৰণে মুকলি কৰি দিবৰ কাৰণেহে। ইয়াত আছে মানুহে মানুহক ভাল পোৱাৰ কথা, ইয়াৰ মাজতে এই সাঁচি-পাতৰ বুকুতে আশ্ৰয় লৈছে, আশ্ৰয় ল'ব ভাৰতৰ হাজাৰ হাজাৰ বছৰৰ ভাব-চিন্তা, আশা-আকাংক্ষা-সাধনা-তপস্যা-জ্ঞান-মনীষাৰ অমূল্য মণি-মুকুতাবোৰে। বৰদোৱাৰ টেম্বুৱানীৰ পাৰত, ধুঁৱাহাটৰ সোৱণশিৰি, বৰলুইতৰ পাৰত, সাধাৰণ মানুহৰ সুখ-দুখৰ, হাঁহি-কান্দোনৰ, কথা কোৱাৰ যি মাত-কথা—সেয়ে জীয়াই থাকিব সাঁচি-পাতৰ বুকত।...

নেৰিবা, এছটা, এখিলা সাঁচিপাতো নেৰিবা। আটাইখিনি জাপি-জুপি লোৱা, লাগিলে কিবা ধন-সোণ, কাঁহী-বাটিয়েই থাকি যাওক। চাৰিকুৰি বছৰৰ উশাহ-নিশাহৰ, চকুৰে নেদেখা দাগ লাগি আছে—সেই সাঁচি-পাত কেইখিলাত। অনাদৰ নকৰিবা, সাঁচি-সামৰি লোৱা, বুকুত সুমুৱাই লোৱা!

আৰু এই খোল কেটা, ডবাকেটা, ভোৰতাল, খুটিতাল, কৰতাল কেইজোৰ, নেৰিবা; নেগেৰা-মৃদংকেটাও লোৱা; টোকাৰি, বীণ, বাঁহী—যাৰ যি আছে সামৰি সুতৰি লোৱা। সিহঁতেও আমাৰ মনৰ ভাব কথা সুৰে-তালে কয়। সিহঁতে ধ্বনি সৃষ্টি কৰে, সুৰ সৃষ্টি কৰে, তাল সৃষ্টি কৰে। সিহঁতে হঁহুৱাব পাৰে, সিহঁতে কন্দুৱাব পাৰে, সিহঁতে নচুৱাব পাৰে। সেয়া ৰাইজৰ সম্পত্তি, ৰাইজেই সৃষ্টি কৰা, ৰাইজেই সজা, ৰাইজেই বজোৱা। এই বাজনাবোৰ, সিহঁতৰ কোনো জাত নাই, ধৰ্ম নাই, দেশ নাই, কাল নাই। যিয়েই বজাব জানে, যিয়েই বজায় তাৰ হাততে বাজিব; বৰাহী-কছাৰী-আহোম-চুটিয়া-ভুটিয়া-আদি-নক্তে-বামুণ-শূদিৰ-হিন্দু-মুছলমান যেয়ে বজায় তাৰ পৰা একেই ধ্বনি ওলাব, একেই সুৰ, একেই তাল ওলাব। সিহঁতক নেৰিবা। সিহঁত নামৰ লগৰীয়া, গীতৰ লগৰীয়া, নাচৰ লগৰীয়া। সিহঁত আমাৰ লগৰীয়া। সিহঁতক এৰি থৈ নেযাবা।...

মেছাগড়ত ৰাজবোষত বন্দী দশাত থকা মাধৱদেৱো আহি ওলালহি। শুকাই-খীণাই, বিষণ্ণ-বিমৰ্ষ হৈ ধুঁৱাহাটলৈ ঘূৰি আহিছে। সদায় প্ৰফুল্ল

মনেৰে হাঁহি-মাতি গাই থকা বৈৰাগী মাধৱদেৱ। তেওঁৰ লগত জোঁৱাই হৰিক নেদেখি সকলো অধীৰ, উদ্বিগ্ন। তেওঁৰ মুখে যেতিয়া শুনিলে হৰিক শিৰচ্ছেদ কৰাৰ সেই নিষ্ঠুৰ বিষাদময় কাহিনী, সকলো মৰ্মাহত হ'ল। হৰি-পত্নী মনুৰ বুকু ভাঙি কান্দোন ওলাই আহিল। পিতৃহাৰা হোৱা ল'ৰা-ছোৱালীকেটা আৰু পৰিয়ালৰ আন সকলো দুখত ম্ৰিয়মান হৈ স্তব্ধ হৈ পৰিল। কাৰো মুখলৈ কোনেও চাব নোৱাৰা হ'ল।

স্তব্ধ হৈ ৰৈ গ'ল শংকৰদেৱ। মোৰ কাৰণেই অকালত প্ৰাণ দিবলগীয়া হ'লনেকি জোঁৱাই হৰিয়ে? হৰিয়েতো কোনো অপৰাধ কৰা নাছিল, কোনো ৰজাঘৰীয়া আদেশ-নিৰ্দেশো অৱমাননা উল্লংঘা কৰা নাছিল। এনেকৈ প্ৰাণ দিবলগীয়া হ'ল কিয় হৰিয়ে? দ্বিতীয় পুত্ৰ কমললোচনকো ইয়াতে হেৰুৱালো। তাৰ কাঠ-সংস্কাৰ কৰা হ'ল মোৰ চকুৰ আগতে। তাৰ আত্মাৰ মুক্তিৰ কাৰণে ভকত ৰাইজ গোট খাই হৰি নাম লৈ ভগৱানক প্ৰাৰ্থনা জনাবলৈ পালে। কিন্তু হৰি, জোঁৱাই হৰি—মাজবাটতে ক'ৰবাত হেৰাই গ'ল, নোহোৱা হৈ গ'ল। হৰিৰ এই কৰুণ মৃত্যুৰ কাৰণে ময়েই জগৰীয়ানেকি? এনে অন্যায়-অবিচাৰৰ বিৰুদ্ধে এই সময়তে এষাৰ মাত মাতিবলৈকো ৰাজবন্দী হৰিৰ কোনো খবৰকে নেপালো। শোক নকৰি কেনেকৈ পাৰো? মনুৰ মুখলৈ কেনেকৈ চাওঁ? কি বুলি সান্ত্বনা দিও তাইক আৰু নাতিনীকেটাক? কিন্তু মই সংযত হ'বই লাগিব, ধৈৰ্য ধৰিব লাগিব। পৰিয়াল আছে বুলি, পৰিয়ালক কন্দুৱাবৰ কাৰণেই অকলশৰীয়া মাধৱক এৰি ৰজাৰ ঘাটকহঁতে হৰিৰ শিৰচ্ছেদ কৰিলে! ন্যায়-কৰুণা-মানৱতা সকলোকে ভৰিৰে গচকি, পাষাণ বৰ্বৰতা আৰু নিষ্ঠুৰতাৰে এটা নিষ্পাপ নিৰ্দোষ জীৱন শেষ কৰি দিলে। ঈশ্বৰৰ পৰম কৰুণা যে মাধৱ বাচি আহিল!

কিন্তু অকল হৰিয়েইতো এনেদৰে অন্যায়-অবিচাৰৰ হাতত প্ৰাণ হেৰুওৱা নাই। প্ৰজাৰ আশা-আকাংক্ষা অনুভূতিৰ লগত সম্পৰ্ক নথকা অন্ধ স্বেচ্ছাচাৰী ৰাজতন্ত্ৰই এনেকৈয়ে যুগে যুগে নিৰীহ-নিৰ্দোষৰ তেজেৰে ধৰণীৰ বুকু ৰাঙলী কৰি আহিছে। নিজ ৰাজ্য ৰক্ষা কৰাৰ নামত নিজ ৰাজ্যক্ষেত্ৰ বঢ়োৱাৰ মৰ-খকত কত যে যুদ্ধ লগাইছে! কত যে



জীৱন ধ্বংশ কৰিছে! যুদ্ধ কৰি হাজাৰ হাজাৰ নিৰীহ মানুহৰ প্ৰাণ নাশ কৰা ৰজা-মহাৰাজাৰ কাৰণে এটা দুটা সাধাৰণ মানুহৰ প্ৰাণ নাশ কৰাটো একো গাত লগা কথা নহয়।

মই সন্ন্যাসী নহয়, মই বৈৰাগী নহয়। মই অন্য হেজাৰ জন সংসাৰ বন্ধনত আৱদ্ধ সংসাৰী মানুহৰে এজন। মানুহৰ মৰম-চেনেহ, সংসাৰৰ মায়া-মোহৰ সীমা পাৰ হৈ মই আজিও সুখ-দুখ, আনন্দ-বেদনা, লাভ-ক্ষতি, জীৱন-মৰণক সমানে নিৰ্বিকাৰভাৱে গ্ৰহণ কৰিব পৰা স্থিতপ্ৰজ্ঞ হ'ব পৰা নাই! হৰিৰ অকাল মৃত্যুৱে মোকো অস্থিৰ কৰি তুলিছে।

কিন্তু মই ধৈৰ্য্য ধৰিব লাগিব। মই শোকত ম্ৰিয়মান হৈ ভাগি পৰিলে, নিষ্ঠুৰ ৰাজশক্তিৰ অভিপ্ৰায়হে পূৰণ কৰা হ'ব। পৰিয়ালটোক দুখ দিবৰ কাৰণেই, আঘাত দিবৰ কাৰণেই মাধৱক জীয়াই থাকিবলৈ দি, হৰিক বধ কৰিলে। আমি শোক-বেজাৰত অস্থিৰ অধৈৰ্য্য হ'লে হত্যাকাৰীহঁতৰ দানৱী উদ্দেশ্যহে পূৰ্ণ কৰা হ'ব।

আমি ইয়াৰ পৰা, এই বিচাৰহীন বধ্যভূমিৰ পৰা দূৰলৈ আঁতৰি যাম। ৰোগ-শোক-জৰা-মৃত্যুৰ আৱেষ্টনৰ মাজৰ পৰা হাত সাৰিবলৈ বৈৰাগ্য অৱলম্বন কৰি নিৰ্বাণৰ সন্ধান কৰাৰ পথ মোৰ নহয়। ভগৱানৰ ইচ্ছাৰ ওচৰত আত্মসমৰ্পন কৰি সুখে-দুখে-বিপদে-সম্পদে পৰম পদৰ প্ৰতি সৰল ভক্তিৰ যোগেদি, ঈশ্বৰৰ কৰুণা লাভ কৰিবলৈ কৰ্ম আৰু জ্ঞানকো ভক্তিৰেই আহিলা কৰি লৈ, কৰুণাময়ৰ কৰুণাৰ কাষ চাপিবৰ কাৰণেই মোৰ সহজ সাধনা, সংগ্ৰাম।...

নিজকে বুজনি দি, শোকৰ উপশম ঘটাবৰ কাৰণে নীৰৱে নিজৰ লগতে সংগ্ৰাম কৰি শংকৰদেৱে ধুৱাঁসুঁতিৰ পৰা মেলানি মাগিবৰ সকলো প্ৰস্তুতি কৰিলে। মাধৱদেৱ আহি পোৱাৰ পিছত আৰু পলম কৰি থকাৰ হেতু নোহোৱা হ'ল।

এটা চিনাকি বৰ্ত্তমানৰ পৰা, এটা অচিনাকি ভৱিষ্যতৰ বুকুলৈ, এটা নিশ্চিতৰ পৰা এটা অনিশ্চিতৰ বুকুলৈ আগবাঢ়ি যোৱাৰ আয়োজন। গুৰিয়ালজন এজন সাতাসৰৈ বছৰীয়া বৃদ্ধ—যাৰ শৰীৰ আৰু মনত এক অটল শক্তি আৰ দৃঢ়তা অক্ষুণ্ণ হৈ আছে।

…এতিয়াও মোৰ বহুদূৰ যাবলগা আছে। এতিয়াও মোৰ বহুত কাম কৰিবলগীয়া আছে। জীৱনৰ পৰা বিদায় লোৱাৰ আগতে মই পূৰণ কৰি যাব লাগিব—ভগৱানে মোক যি উদ্দেশ্যে এই পৃথিৱীলৈ, এই ভাৰতবৰ্ষলৈ, এই কলিযুগত, নৰ তনু দি ধন্য কৰি পঠিয়াইছিল, সেই মহান উদ্দেশ্য। মৃত্যু ডাঙৰ কথা নহয়, মৃত্যু শেষ কথা নহয়। মৃত্যুৰ মুখামুখি হোৱাৰ যোগ্যতা আৰ্জন কৰিবলৈ এতিয়াও মোৰ বাকী আছে, নহ'লে হৰিৰ অকাল মৃত্যুৱে মোক ইমান হতাশ কৰি পেলাইছে কিয়? দেহাৰ অৱশিষ্ট শক্তি আৰু মনৰ শক্তি একেঠাই কৰি মই আগবাঢ়ি যাম, মোৰ অনুগত ভকতসকলক লগত লৈ, হৰিনাম বুকুত লৈ, চকুত স্বপ্ন লৈ, মাটি আৰু আকাশৰ উদাৰ আশীৰ্বাদ লৈ, কৃষ্ণৰ ৰূপ আৰু গৌৰৱ মনত ৰাখি। হে কৃষ্ণ

ঘাটত নাৱৰ শাৰী। কিন্তু বস্তুৱে-বাহানিয়ে, গুৰুৱে-ভকতে সকলোকে নাৱত নধৰে। আৰু নাও থিতাতে পাবলৈকো নাই। ভুৰ সাজি তাতো মানুহ উঠিল।

শংকৰদেৱ আৰু মাধৱদেৱ ধুৱাহাটৰ সেই বহাৰ পৰা বাহিৰ ওলাই আহিল।

এটা বিষণ্ণ গধূৰ পুৱা। আকাশখনত এটা বিষণ্ণতাৰ আৱৰণ। বতাহজাক গধূৰ। গোহালিত দুজনীমান খীৰতী গাই বন্ধা আছিল। সিহঁতে গোট খোৱা মানুহবোৰৰ ফালে অবুজ নিৰ্বাক চাৱনিৰে চাই আছে। সিহঁতৰ চকুৰ পৰা লোতক বাগৰি আহিছে। সকলোৰে চকু বাষ্পাকুল। ঘৰৰ আগৰ ফুলনিখনো যেন অকাৰণতে জঁয় পৰিছে।

শংকৰদেৱৰ গাত শুধ বগা পাটৰ মীৰ্জাই চোলা, মূৰত পাটৰ পাগুৰি, ডিঙিত তুলসীৰ মালা। মুখখন শান্ত।

তেওঁ সমবেত সকলোৰে ফালে এবাৰ চালে। শংখ বাজি উঠিল; খোল-তাল-ডবা-বৰকাঁহ বাজি উঠিল। মুহূৰ্ত্তৰ কাৰণে ঠাইখনৰ বিষণ্ণতা যেন বহুত কমি গ'ল। এয়া যেন ধুৱাহাটৰ ৰাইজে তেওঁলোকৰ প্ৰিয় গুৰুজনাক চিৰদিনৰ কাৰণে বিদায় দিবলৈ কৰা আয়োজন নহয়, এয়া যেন নিতৌ হোৱা নাম-কীৰ্তনহে।



মতা-তিৰোতা, ল'ৰা-ছোৱালীবোৰেৰে ঠাইখন ঠাহ খাই পৰিছে। শংকৰদেৱক আৰু ওচৰৰ পৰা এবাৰ চাই এটা সেৱা জনাবৰ কাৰণে তাত থকা সকলোৱে ঠেলা-হেঁচা লগাইছে।

খোল-তালৰ মাত শাম কাটিলে।

নৈৰ গৰাৰ অলপমান ওখ ঠাই এডোখৰত থিয় হৈ ৰাইজৰ ফালে চাই গলগলীয়া থোকাথুকি মাতেৰে শংকৰদেৱে ক'লে: "হৰিভকতসকল, তোমালোকক এৰি থৈ যাবলৈ মোৰ বেয়া লাগিছে। বহুত দিন থাকিলো তোমালোকৰ মাজত, তোমালোকৰ মৰম-চেনেহৰ মাজত, তোমালোকৰ সহায়-সহানুভূতি, দিহা-পৰামৰ্শৰ মাজত। আজি তোমালোকক এৰি দূৰলৈ আঁতৰি যাবলৈ ওলাইছো। সেয়া ভগৱানৰ ইচ্ছা। আকৌ তোমালোকৰ মাজলৈ কেতিয়াবা আহিব পাৰিমনে নোৱাৰিম, একো নাজানো। আয়ুস কিমান দিন আছে সেই কথাও নেজানো।"

মানুহবোৰে উচুপিছিল। দুজনীমান তিৰোতাই হুকহুককৈ কান্দি পেলাইছিল। ল'ৰা-ছোৱালীবোৰে একেথৰে চাই আছিল।

শংকৰদেৱে আকৌ ক'লে, "ইয়াত তোমালোকৰ মাজত ওঠৰ বছৰ কাল কটালো। বহুত মৰম-চেনেহ পালো তোমালোকৰ। তাৰ সলনি মই তোমালোকক কি দিলো, কি দিব পাৰিলো মই ক'ব নোৱাৰো। মই যি শিকিছিলো, মই যি জানিছিলো, মই যি বুজিছিলো, মই যি পাইছিলো, সেই সকলোখিনিকে তোমালোকক দিলো। একো নিদিয়াকৈ ৰখা নাই। গীত ৰচিলো, তোমালোকক শিকালো, ময়ো গালো, তোমালোকেও গালা। কীৰ্ত্তন-ঘোষা-বৰগীত-ভটিমা-টোটয়-খোল-তাল—সকলো তোমালোকলৈ থৈ গ'লো। সেইবোৰ তোমালোকে হয়তো কেতিয়াবা পাহৰি যাবা, কেতিয়াবা কামত নহা বস্তু বুলি এৰি দিবা। পিছে আৰু এটা বস্তু তোমালোকক দিলো। তেনেই সৰু এটা বস্তু—সেই বস্তুটো পাহৰি নেযাবা। সেই বস্তুটোক অনাদৰ নকৰিবা। তোমালোকক মই এষাৰ নাম শিকাই গ'লো, এষাৰ হৰিৰ নাম। সেই নামষাৰ নেপাহৰিবা। কৃষ্ণ বোলা, ৰাম বোলা, হৰি বোলা,

মুছুলমান সেনাপতি তুৰ্বকে। আহোমৰ সেনাপতি চুহুংমুঙৰ বৰপুত্ৰ চুক্লেনমুং। এইবাৰ আহোমসকল মুছলমানৰ হাতত বেয়াকৈ হাৰিল। আঠজন আহোম সেনাপতি ৰণত পৰিল। মুছলমানে আহি কলিয়াবৰত চাউনি পাতিলেহি। কেইবাখনো যুদ্ধ লাগিল। প্ৰথমতে মুছলমান জিকিছিল। পিছত দুইমুনি শিলাৰ যুদ্ধত আহোমৰ জয় হ'ল। মুছলমানৰ দুজন সেনাপতিও ৰণত পৰিল। তুৰ্বক পিছ হুঁহকি নগ'ল। বংগৰ পৰা অহা হুছেন খাঁ সদলবলে তুৰ্বকৰ লগ লাগিলহি। মাজতে কেইবামাহৰো বিৰতি। তাৰ পিছত আহোম পক্ষই আক্ৰমণ আৰম্ভ কৰিলে। ভৰলীৰ পাৰত লাগিল শেষকথন যুদ্ধ। ইয়াতেই তুৰ্বকৰ লগত নিজে যুঁজ দিবলৈ হাতত অস্ত্ৰ লৈ ৰণথলীত নামিছিল নিহত ফ্ৰাচেনমুং গোহাঁইৰ বিধৱা পত্নী মুলা গাভৰু। ৰণত তুৰ্বক পৰিল। মুছলমান সৈন্য পিছুৱাই গৈ কৰতোয়া নৈ পালেগৈ। সেয়ে হ'ল আহোম ৰাজ্যৰ পশ্চিম সীমা।

বিশ্বসিংহ নতুনকৈ কোচ ৰাজ্যৰ ৰজা হৈছিল। তুৰ্বকক হৰুৱাই উভতি আহোঁতে আহোম সেনাপতি চন্‌খাম বৰগোহাঁয়ে বিশ্বসিংহৰ ৰাজ্য আক্ৰমণ কৰিলে। ৰণত হাৰি কোচ ৰজা বিশ্বসিংহই আহোম ৰজাৰ কৰতলীয়া হৈ থাকিবলৈ মান্তি হ'ল।

ইতিমধ্যে ( ১৫৩৯ খৃঃ ) স্বৰ্গদেউ চুহুংমুঙক পুতেক চুক্লেনমুঙে ষড়যন্ত্ৰ কৰি হত্যা কৰালে আৰু নিজে আহোম ৰাজপাটত বহিল। নাম পালে গড়গঞা ৰজা। এওঁ বকতাৰ পৰা ৰাজধানী তুলি আনি গড়গাঁৱত পাতিলেহি—সেই কাৰণে।

গড়গঞা ৰজা প্ৰথমতে সন্মুখীন হ'ল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ভূঞা-সকলৰ এক বিদ্ৰোহৰ। ৰজাই তেওঁলোকক দমন কৰিলে। চুটিয়াইও বিদ্ৰোহ কৰিবৰ চেষ্টা কৰিছিল ; তাকো দমন কৰিলে। কিন্তু তাৰ পিছত আৰম্ভ হ'ল কোচ ৰজাৰ লগত সংঘৰ্ষ। ব্ৰহ্মপুত্ৰৰ উত্তৰৰ মৰা ধনশিৰিৰ পাৰত লগা আহোম আৰু কোচৰ এখন ডাঙৰ যুদ্ধত প্ৰথমতে কোচৰ জয় হৈছিল। আহোম সৈন্য পিছুৱাই আহি চাহিনী মুখত ৰৈছিলহি। তাতে আহোম সৈন্যই কোচ সৈন্যক আক্ৰমণ কৰিলে।



ইতিমধ্যে বিশ্বসিংহৰ মৃত্যু হৈছিল। কোচ ৰাজ্যৰ অধিপতি হৈ সিংহাসনত বহিছিল নৰনাৰায়ণ। নৰনাৰায়ণৰ ভায়েক যুৱৰাজ চিলাৰায়। কোচ ৰজাৰ নিৰ্দেশক্ৰমে চিলাৰায়ে আহোম ৰাজ্যৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিলে। শক্তিশালী অভিযান। আহোমো সকলো শক্তি সংগঠিত কৰি কোচ সৈন্যৰ সন্মুখীন হ'ল। দিকৰাই নৈৰ পাৰৰ ৰণত হাৰি আহোম সৈন্য ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ এৰি দক্ষিণ পাৰৰ কলিয়াবৰ পালেগৈ। চিলাৰায়ে তাতো তিষ্ঠিবলৈ নিদিলে। আহোম সৈন্য তাৰ পৰাও আতৰি গৈ সলাত ৰবগৈ লগীয়া হ'ল।

কোচ সৈন্য উত্তৰে আগুৱাই আহি নাৰায়ণপুৰত ( লক্ষীমপুৰ ) কোঠ মাৰিলেহি। আহোম সৈন্য পিচলা নদীৰ পাৰলৈ পিছুৱাই গ'ল। ইয়াতে আহোমেও কোঠ মাৰি কোচ সৈন্যৰ মুখামুখি হ'ল। তাতে ৰণ লাগিল।

পিচলাৰ যুদ্ধত কোচ হাৰিল। আহোমৰ জয় হ'ল। কোচৰ বহু হেজাৰ সৈন্য মৰা পৰিল। স্বৰ্গদেউ চুক্লেনমুং গড়গঞা ৰজাই নিজৰ সমগ্ৰ ৰাজ্য ঘূৰাই পালে। আহোম ৰজাই নিজ নামত মোহৰ মৰালে।

এইবোৰ সেই যুগত চলি থকা সংঘাত-সংঘৰ্ষ, যুদ্ধ-বিগ্ৰহ, অশান্তি আৰু ৰাষ্ট্ৰীয় বিপৰ্য্যয়ৰ কথা, এইবোৰ চলি থকাৰ মাজতে জনসাধাৰণৰ মাজত চলি আছিল, এক ৰূপান্তৰৰ প্ৰক্ৰিয়া, পূৰ্ব্ব ভাৰতৰ এই ভূখণ্ডত এটা মিশ্ৰিত জাতি গঢ়ি উঠাৰ, এখন নতুন দেশ গঢ় লৈ উঠাৰ এক শান্তি-পূৰ্ণ প্ৰক্ৰিয়া। আহোম-চুটিয়া ; মটক-মৰাণ, কছাৰী-কোচ সকলোকে খুকুত সামৰি লৈ এখন নতুন দেশত—আচাম দেশত—এটা নতুন জাতি, এখন নতুন সমাজ গঢ়ি উঠাৰ সূত্ৰপাত হৈছিল। ইয়াৰ নিৰ্মাতা আছিল শংকৰদেৱ আৰু তেওঁৰ দূৰদৰ্শী স্বপ্ন।

# চতুর্থ খণ্ড



“আমাৰ আগত ভাও-ভেঙুচালি কৰি হুঁহুৱাই কন্দুৱাই পেটৰ নাড়ী ছিঙিব, আৰু গুৰুৰ ওচৰ পালে যেন পানীত তিতা মেকুৰীটোহে, সেও হৈ আঠু কাঢ়ি বহি শাস্ত্ৰৰ আলাপ কৰিব।”

“গুৰু চৰ্চা কৰিব নেপায়, পিছে নকৈও নোৱাৰি। জাত-পাতবোৰ নোহোৱা কৰিলেই, এতিয়া আমাৰ ধৰম কৰমবোৰো সানমিহলি কৰি পেলাইছে। মছলমানো ক'ৰবাত হিন্দু গুৰুৰ ভকত হ'ব পাৰেনে? সিহঁতৰ আল্লা, আমাৰ ঈশ্বৰ, একেজন বুলি ক'লেই একেজন হ'ব পাৰেনে?”

“ৰ'বাহে বৰকৈ নিচিঞৰিবা, সৌটো, সেইয়া চান্দ আহিছে হ'বলা। লগত সেইটো সৰ্বানন্দ নহয়নে?”

“সেইটো সনাতন যেনহে পাইছো। তাঁতীকুচিৰ ল'ৰা এগালে আকৌ চান্দকে গুৰু হেন মানে। ফকৰা গাই ফুৰা, ফটা কাপোৰ সীয়া দৰ্জীওনো ক'ৰবাত গুৰু হ'ব পাৰেনে? তাক আকৌ শংকৰদেৱে বৰ মৰম কৰে, বিশ্বাসো কৰে। কিহৰনো ভকতৰ আকাল পৰিছে? কমাৰকুচিৰ কমাৰ, তাঁতীকুচিৰ তাঁতী, নাওশলীয়াৰ নাৱৰীয়া সেইবোৰ দলে দলে ভকত হৈছেই। এতিয়া আকৌ গৰিয়াআটিৰ মছলমানো ভকত হোৱাত লাগিল। ধৰ্ম ধৰাটো ইমান উজু কথানে? বাপুসকলৰ কথা বাৰু স্বকীয়া।”

“আমি যাওঁৱেই ব'লাহঁক। ভাওনা বুলিলে গাঁৱৰ মানুহৰ গাত গোসাঁই নাইকিয়া হয়, মতাই-তিৰোতাই, ল'ৰাই-ছোৱালীয়ে হিলদল ভাঙি চাবলৈ আহে। সোনকালে গৈ পাত পাৰি বহি নললে ভালকৈ দেখিবলৈকে নেপায়।”

"এ' বোলি লহিয়াইছেহে। এতিয়াৰ পৰা বহি থাকি কঁকালৰ বিষ উঠিব। সন্ধিয়া হ'বলৈও এপৰ বাকী। আমি আৰু চোৱাহে। আন কিবা কৰিবলৈ আছেনে? ভাওনা গধূলিতে নহয়।"

"ভাওনা চাই থাকিলে, ক'ৰবাত থকা, ক'ৰবাত থকা যেনহে লাগে। ভোক-পিয়াহ, ঘৰ-বাৰীৰ কথা মনত নপৰে।"

"ৰবিচোন সিহঁতহাল আহিছে। সিহঁতো ভাওনা চাবলৈকে আহিছে খাটাং। ই চান্দ গৈ ওলালে তাক আকৌ গুৰুজনাৰ ওচৰতে চৰা পাৰি বহুৱাব। লগতে গ'লে আমিও আগত বহিবলৈ অকণমান ঠাই পাওঁ কিজানি।"

পুখুৰীৰ পাৰৰ বননিতে বহি ভীম, ৰত্নেশ্বৰ আৰু বাখৰে কথা পাতি আছিল। আজি ৰাতি পাটবাউসীত ভাওনা আছে। নাটক হ'ব ৰুক্মিণীহৰণ। নতুন নাট মেলাব। কেনেকুৱা হ'ব এতিয়াও ইহঁতে ক'ব নোৱাৰে। কেইমাহমানৰ আগতে পাৰিজাত হৰণ নাট হৈছিল। বৰ ভাল পাইছিল সকলোৱে। শচী-সত্যভামা, নাৰদ-কৃষ্ণ-ইন্দ্ৰ আটাইবোৰকে নিজৰ চিনাকি মানুহ যেন লাগিছিল।

মুখত আধাপকা এমুখ দীঘল দাড়ি, মূৰত এটা কপাহী কাপোৰৰ টুপি, গাত এটা কপাহী কুৰ্ত্তা আৰু পোন্ধ মাৰি পিন্ধা এখন কপাহী চুৰিয়া। আঁটিল গাৰে ওখ-পাখ, দেখাত শুৱনি এজন আঢৈ কুৰি বছৰ পাৰ হোৱা সুশ্ৰী মানুহ, নাকটো জোঙা, কপালখন বহল, ওপৰ পাৰিৰ দাঁত এটানে দুটা পৰিছে, কিন্তু মুখখন পুৰঠ, চকুহাল উজ্জ্বল, হাঁহি থকা। দেখিলেই মানুহজন ৰঙিয়াল আৰু বুদ্ধিয়ক যেন লাগে। খোজবোৰ দীঘল। কান্ধত কিবা টোপোলা এটা, পিঠিত পেলাই আনিছে। পিছে পিছে এটা ডেকা ল'ৰা, তাৰ কান্ধতো এটা কাপোৰৰ টোপোলা। ডাঙৰেই।

বাখৰহঁতৰ ওচৰ পাই চান্দে মাত লগালে, "আও, মোৰ কিযে ভাইগ। হেৰ' সনাতন, তই হ'বলা পিতলৰ টৌটো নানিলি?"

"পিতলৰ টৌ? আনিবলৈ ক'লে আনিলোহেঁতেন। টৌনো কেলেই?"



"উধান তিনটা আছিলেই। টৌটো হোৱা হ'লে ইহঁতৰ মূৰতে দি চাউল একঠা সিজাই খাব পাৰিলোহেঁতেন।" হাঁহি চান্দসাঁইয়ে ক'লে, "হেৰ' তিনি উধানে ইয়াত এইদৰে বহি কি আলচিছ? মোৰ টুপিটোকে ওপৰলৈ মুকৈ তিনিওৰে মাজত বহুৱাই দিম যেনহে লাগিছে। তাত চাউল সিজাব নোৱাৰিলেও, পানী তপতাব পাৰিম হেন লাগিছে। পিছে তহঁত তিনিজন আছ, নিৰঞ্জন ক'লৈ গ'ল?"

"ক'ৰ নিৰঞ্জন?"

"কেলেই তিনিজন য'ত, নিৰঞ্জন ত'ত। তহঁতেই দেখোন কৱ। ইয়াত তহঁতকহে দেখিছো, নিৰঞ্জন বোলাজন শহুৰেকৰ ঘৰলৈ গ'লনেকি?"

"অকণ নবহা জানো আতৈ? ভাওনালৈকে নেযাবা জানো? টোপোলা-টাপলি লৈ ওলালা, অইন ক'ৰবালৈ যাবানেকি?"—ৰত্নেশ্বৰে সুধিলে।

ভীমে ক'লে, "পকাভকতে মূৰৰ টুপিতো পানী তপতাব পাৰে। ভকতৰ মুখত শুনিছিলো বোলে বৰদোৱাত ৰাধিকা শান্তী নামে কৈৱৰ্ত ছোৱালী এজনীয়ে গুৰুজনাৰ কথামতে এটা পলৰে পানী তুলি আনিছিল টেম্বুৱানী জানৰ বান্ধ দিবলৈ। এতিয়া চান্দসাঁই আতৈয়ে আমাৰ মূৰতে টুপিত পানী তপতাব নোৱাৰিবৰ কি কথা আছে?"

"পিছে শুদা পানী তপতাই কি হ'ব? সান্দহ-চিৰা কিবা এটা লগত থকা হ'লেহে তাতে তিয়াই গলিয়াবলৈ। তহঁতৰ লগত বহিলেনো কি হ'ব? তিনিজন বহি আছ, নিৰঞ্জনক লগত বহুৱাই ৰাখিব নোৱাৰিলিহক। ক'লি যোতিয়া অকণমান বহি ভৰি হাতকে পোনাও দে।"

চান্দসাঁই আতৈ কান্ধৰ টোপোলাটো কোলাতে লৈ সিহঁতৰ লগতে বহিল, "হেৰ' তহঁতকেটাই এনেকৈ আঠুপিঠু কাঢ়ি বহিছ কেলেই? ভকত কেনেকৈ বহিব লাগে নেজান জানো? কয় নহয় বোলে,

'দেউলৰ দুৱাৰত বান্ধিবা জেং,
গুৰুলৈ মেলিবা ঠেং।
বধিবা সোদৰৰ ভাই,
তেহে পাবা বৈকুণ্ঠত ঠাই'॥"

“কিযে ওভোতা কথাবোৰ কোৱা আতে? এই ফকৰাটোযে গাল্লা, আমাৰ নিচিনা নজনা-নবুজা মানুহে এইবোৰৰ পোনপটিয়াকৈ অৰ্থ কৰিবলৈ হ'লে দেখোন কথা বিষমেই।”—ভীমে ক'লে।

চাংদসাঁয়ে হাঁহি হাঁহি ক'লে, “মোৰ সকলো কথা-কামকে তহঁতে ওলোটাকৈ বুজ। মই তহঁতৰ লগত নিমিলো। তহঁতে ফাল', মই জোৰা দিওঁ। তহঁতৰ কাম ফালি চিৰি ভাল কাপোৰকো ফটাকানি কৰা, মোৰ কাম ফটা কাপোৰ জোৰা দি সীয়া, জোৰা লগোৱা। গুৰুজনায়ো তাকে কৰা নাই জানো? কোনোবা কোনোবাই আমাৰ সমাজখনক ফালিবহে জানে, জোৰা লগাব নেজানে। গুৰুজনা আকৌ সকলোকে লগ লগাই সমাজখন এখন কৰাত লাগি আছে। জানহক নহয়?”

“পিছে আতে, গুৰুজনাকো এতিয়া দৰ্জীহে পাতিলা?”

“তহঁতে যেনেকৈ লৰ ল। মই লোৰ বেজীৰে ফটা কাপোৰ ফটা কেঠা সীও, গুৰুজনাই নামধৰ্মৰ সুতাৰে কথাৰ বেজীৰে সীয়ে। কয় নহয়, বোলে,

‘বাঁহৰে আগতে ৰঙাকৈ চিলনী
তাইহতে কিনো খাই জীয়ে,
বেজীৰে মুৰতে বান্ধনে বাঢ়নে
উধানে কি কাপোৰ সীয়ে’।”

ৰত্নেশ্বৰে ক'লে, “তোমাৰ আৰু সদায় উধান আৰু বেজীৰ কথা। অইন কথা আৰু নোকোৱাই। পিছে সেই যে দেউলৰ দুৱাৰত দাং দিবলৈ কৈছিলা সেইটোনা কি কথা আতে?”

“সেইয়া, নক'লেও নোৱাৰো ফটা মুখ,
ক'লেও লাগে ভকতৰ দোষ।

এইবোৰ কথা তহঁতৰ আগত নুলিয়ালেই ভাল। সকলো কথাৰে উৰহী গছৰ ওৰটো তহঁতক লাগে। হেৰ' শুনহঁত—এই, দেউল হ'ল দেহাটো; গুৰু হ'ল দৰ্প অহংকাৰ; সোদৰৰ ভাই হ'ল কাম, ক্ৰোধ, লোভ, মোহ। বুজিলিহকনে?”



“কিটো বুজিলো? বুজাই নক'লে আমি তোমাৰ এই ওভতা কথাবোৰ কেনেকৈ বুজি পাম?”

“হেৰ' দেহাটোৰ কাৰণেই আমাৰ কম লটিঘটি, কম বিলৈনে? তেল টেঙা ঘঁহি দেহাটোক কম আলপৈচান ধৰোনে আমি? এই মাটিৰ দেহাটো নপৰাকৈ ৰাখিবলৈকে আমাৰ কম যতননে? যেন মাটিৰ দেহা নহয়, কোনো দেৱতাৰ দেউলহে, মন্দিৰহে, মই কওঁ শুন—দেহাটোৰ চিন্তা ইমান নকৰিবিহক, অলপ পিঠি দেচোন দেহাটোৰফালে। মনৰ মাজত দৰ্প-অহংকাৰ গুৰু হৈ বহি আছে। দেহাৰ সকলো দাবী নেমানিবি। জেং বান্ধ দেহাৰ প্ৰবৃত্তিৰ বাটত। মনৰ গৰ্ব-অহংকাৰ দমন কৰহক। ওপজোতে লগতে অহা ৰিপুবোৰ, সেইবোৰ সহোদৰ ভাই যেন নহয় জানো? কাম-ক্ৰোধ-লোভ-মোহ এইবোৰ সহোদৰ ভাইক বধ নকৰিলে, সিহঁতৰ দাঁত ভাঙিব নোৱাৰিলে, আত্মাৰ উদ্ধাৰ হ'ব কেনেকৈ? বৈকুণ্ঠ পাবলৈ হ'লে কি কৰিব লাগে বুজিলিহকনে এতিয়া?”

“ভালকৈ বুজা নাই যদিও এতিয়া অলপ অলপ বুজা যেন লাগিছে।”

“পিছে যাওঁহক ব'ল। তহঁতৰ আজি ভাওনা চাবৰ মন নাইনৌকি? মোৰ বাৰে-ভচহু কথা শুনি থাকিলেই পেট ভৰিবনে? বেলি কাটি হ'লেই দেখোন।”

“তোমাৰ কথাবোৰ বেয়া লগা নাই। পিছে সদায় ওলোটা ওভোতাকৈ কথাবোৰ কোৱা। প্ৰথমতে আমি বুজিবই নোৱাৰো। টোপোলাত এইবোৰ কি আনিছা?”

“শুনিলে তহঁতে কেনে পাৱ জানো? ভাওনাত ভাৱৰীয়াই পিন্ধিবলৈ পোছাক সী আনিছো। সুত্ৰধাৰলৈ লাগে মোগলৰ নৱাব-উজীৰে পিন্ধাৰ নিচিনা চাপকন জামা পাগ। নিসীলে চোলা হ'ব কেনেকৈ?”

“ভাওনাৰ কাৰণে পাগজামা তুমিয়ে কৰানৌকি?”

“গুৰুজনাই শিকাই-বুজাই দিয়ামতে ময়ে সী পুটকি সাজো।

জামাটো সাজিবলৈ সিমান টান নহয়, পাগটো বান্ধি উলিউৱাহে টান। পিছে মই দৰ্জীৰ বংশৰ মানুহ। আগে আমাৰ পৰিয়ালৰ কোনোবা দিল্লী, লক্ষ্মৌৰ ফালে ৰজা-ৰাণীৰ সাজ-পোছাক সীয়া ৰাজদৰ্জীয়েই আছিল বোলে। ৰণৰ চিপাহিৰ লগত আহিছিল কোনোবা মোগলনে পাঠান সেনাপতিৰ কাপোৰ সীয়া দৰ্জী হৈ। ৰণ-চন ভাগিল। আমাৰ পৰিয়াল ইয়াতে ৰৈ গ'ল। সৰহ নহলেও পৰিয়ালৰ একোটাই তে এই বৃত্তিটো আজিও চলাই খাই আহিছে। পিছে আমাৰ দৰ্জীৰ কাম কৰি পেট পুহিব নোৱাৰি।"

"কিয় ?"—বাখৰে সুধিলে।

"আমাৰ ইয়াৰ তিৰোতাবোৰে সীয়া চোলা-কাপোৰ নিপিন্ধেই বুলি ধৰচোন। মেখেলাখনৰ ওপৰতে ৰিহাখন, গাত মেখলি খন, তাৰ ওপৰত চেলেংখন আৰু আমাৰ মতাবোৰৰো কিমানে সীয়া চোলা পিন্ধে ? কঁকালত চুৰিয়াখন নহলে নহয়। জহকালি গাত কাপোৰ নহলেও হয়। জাৰকালি খনিয়া, বৰ কাপোৰেৰেই চলি যায়। গামোচা, দুকঠীয়া, চাৰিকঠীয়া, ছকঠীয়া—গা ঢাকিবলৈ আৰুনো কিমান লাগিছে ? তাঁতীয়েই হওক অইনেই হওক, কপাহৰেই হওক, মুগাৰেই হওক, এইবোৰকে বয়। চোলা নিসীওৱা দেশত সোণৰ বেজী লৈ ফুৰিলেও কোনে ঘূৰি চাব ? ৰজা-মহাৰাজা, ডা-ডাঙৰীয়াই সীওৱা চোলা পিন্ধে, তাকো সদায় নিপিন্ধে। পাৰোতেনো কাপোৰ সীবলৈ নোপোৱা কোনোবাই ফটা চোতাল সীবলৈ ওলায়নে ?"

"চোতাল সীবলৈ আকৌ ওলাল কোন ?"

"কেলেই নেজানহকনে ?

'ক'ৰপৰা আহিলা, ক'ত দিলা ভৰি,
চোতালখন ফাটি গ'ল চেৰচেৰ কৰি।
চিৰা দিয়া, দৈ দিয়া, মিঠৈ দিয়া খাওঁ,
বেজী দিয়া, বটিয়া দিয়া,
চোতালখন সী যাওঁ।'

হেৰ' ভাওনালৈ যাব্ৰ যদি যাওহক ব'ল। মোৰ ভাৱৰীয়াৰ সাজ



দিবলগীয়া আছে। সী আনিছো হয়, জোৰাই-জোখাই হয় বা নহয় নেচালে হ'বনে ?"—চান্দসাঁয়ে ক'লে।

"তোমাৰ আকৌ কিহৰ চিন্তা আতৈ, সোনকালেই যোৱা বা পলমকৈয়ে যোৱা আগত ঠঙা পাবি বহুৱাব। আমি ভকত-অভকতবোৰহে থানথিত নাই। ইপিনে নাট-ভাওনা বুলিলে ৰ'বই নোৱাৰো। লাগিলে শাওন মহীয়া দোপালপিটা বৰষুণেই হওক বা মাঘমহীয়া বনৰ বাঘ-কঁপা জাৰেই হওক।"

"তহঁতৰনো ভাওনা চাবলৈ ইমান ধাউতি হ'ল কেলেই ?"—চান্দসাঁয়ে সুধিলে।

"নহবনে আৰু ? শাস্ত্ৰ-ভাগৱতৰ কথাবোৰ আগে কাণেৰেহে শুনিছিলো, নাট-ভাওনাত চকুৰ আগতে সোঁ শৰীৰেৰে দেখিবলৈ পাওঁ। চকুৰ আগতে যুধিষ্ঠিৰ, ভীম, অৰ্জুন, আনকি স্বয়ং ঈশ্বৰ কৃষ্ণ, গোপ-গোপী সকলকো দেখিবলৈ পাওঁ, কেলেই চাবৰ মন নাযাব ?"

"হেৰ' ভাওনাৰ কৃষ্ণ গোসাঁইক দেখোতেই ইমান, ক'ৰবাত আচল কৃষ্ণ জনাক দেখিবলৈ পোৱা হ'লে কি কৰিলিহকহেঁতেন মই হ'লে বুজিব পৰা নাই।"—চান্দসাঁয়ে ক'লে।

"সঁচাসচি ঈশ্বৰ কৃষ্ণক কোনোবাই দেখে জানো ? কাহানিবা দেখিছে জানো ?" বাখৰে সুধিলে।

"আচল ঈশ্বৰ বা আল্লাজনাক আকৌ কেনেকৈ দেখিবি ? তেওঁ নিৰাকাৰ নহয়নেকি ? পিছে সঁচা ভকতি কৰিব জানিলে হিদয়ৰ মাজতে ঈশ্বৰ আল্লা থকাৰ উমান পাব পাৰি। ভকতি কৰিব জানিব লাগে। সেয়েহে ভকতি কেনেকৈ কৰিব লাগে শিকাবলৈ এজন সত গুৰু লাগে। পিছে যেই কোনো গুৰুক গুৰু মানিব নেপায়—খালে-দোঙে পেলাবগৈ। কথাতে কয় বোলে,

'সকলো হস্তীতে মুকুতা নেথাকে,
সৰ্ব্ব কাষ্ঠ নহয় চন্দন,
সকলো ভকতত ভকতি নিসিজে
সৰ্ব্ব সাধু নহয় মহাজন'।"

"কথা এটা সোধো আতৈ, তুমি বোলে শংকৰ গুৰুৰ শিচ, ভকত। পিছে এতিয়াও যে তোমালোকৰ মছলমানৰ ঈশ্বৰ, আল্লাৰ নাম লৈ থাকা, কথাযাৰ কেনে?"

'হেৰ' শংকৰ গুৰুৰ ভকত হ'ব লাগিলে মছলমান হৈ থাকিলেও পাৰি। গুৰুজনাই মোক নিজ ধৰ্ম এৰি হিন্দু হ'বলৈ কোৱা নাই। ভকত হ'বলৈহে নাম ধৰ্ম দিছে। বেলিটোক যিয়ে যি বুলিয়ে মাতক, পোহৰ নিদি থাকিবনে? তাপেই বা নিদি থাকিব? চকুৰ আগতে দুপৰৰ বেলিটো ওলাই থাকিলেও, তহঁত যদি গাঁতত সোমাই থাক, নাইবা চকু মুদি থাক, তেতিয়া বেলিৰ গাত দায়নে তহঁতৰ গাত দায়? সূৰুয বুলিলেও বেলিটোৱে লাজ নেপায়, দিবাকৰ বুলিলেও বেজাৰ নেপায়, কোনোবাই দিনমণি বুলিলেও দায় নধৰে, আৰু তোৰ-মোৰ নিচিনা মানুহে আমাৰ কথাৰে 'বেলি' বুলি ক'লেও বেলিটো ক'লা পৰি নেযায়। বেলিক বেলি বুলি চিনি পাব লাগে।"

"আতৈ তুমি বোলে শংকৰ গুৰুৰ কাৰণে চোলা এটা সীছিলা, তাত বোলে চাৰিখন হাত দিছিলা, কথাযাৰ সঁচানেকি?"

চান্দসাঁয়ে ক'লে, "আজি তহঁতমখাই মোৰহে কিবা পৰীক্ষা লবলৈ ওলাইছ যেন পাইছো। হেৰ' একেজন মানুহেই যদি শংখও বজাব পাৰে, চকৰি ঘূৰাবও পাৰে, গদাৰে ক্ৰাৰোবাক টঙনিয়াবও পাৰে আৰু নজহা নপমাকৈ পদুম ফুল এপাহো লৈ ফুৰাব পাৰে, তেওঁৰ দুখন হাত হ'লেও চাৰিখন হাতৰ সমান নহ'লনে? তেওঁৰ কাৰণে সীয়া চোলাটোত চাৰিখন নহয় জানিবা দহখন হাতকে দিলো, একো কম বেছি নহয়। সেইবোৰ কথা আৰু মোক নুসুধিবি। চোলাটো ডাঙৰ কথা নহয়, পিন্ধোতাৰ গাটোহে ডাঙৰ কথা। কোনো কোনো চোলা-কাপোৰ নিপিন্ধা দিগম্বৰ সাধু সন্যাসীও জানো তহঁতে দেখা নাই? কয় নহয় বোলে, 'মুখে মাতেনে মোখোৰাই মাতে?' কবীৰে নে কোনোবা সাধু এজনে কৈছিল নহয়, বোলে, 'পথুথৰ পূজকৈ হৰি মিলে তো মই পূজো পাহাৰ।' হেৰ' 'শিলটো পূজা কৰিলে যদি হৰিক পায়, মই গোটা পৰ্ব্বতটোকে পূজিলোহেঁতেন।' পিছে আজি তহঁতৰ ভাওনা চোৱাৰ



মন নাই যেন পাইছো। যাৱ যদি ব'লহক, কথা কৈ থাকিলে অন্ত নহয়। কথা নহয়, লেজুৱা গুৰু। এবেলি মুখত দিলে এৰিব নোৱাৰি, একে শোহাই খাই শেষো কৰিব নোৱাৰি। গুৰুজনাৰ ওচৰলৈ যাবি, তেৰা কথাৰ সাগৰ, গিয়ানৰ সাগৰ, আমাৰ নিচিনা আগগুৰি নোহোৱা কথা মুখত নানে।"

চান্দসাঁই বহাৰ পৰা উঠিল।

অতপৰ টোপোলাটো কোলাত লৈ বহি থকা সনাতনো উঠিল। সি কথাবোৰ শুনিহে আছিল, এযাৰো মতা নাছিল। এইবাৰ সি ক'লে, "পলম হৈছে আমাৰ, যাবহে লাগিছিল আতৈ।"

তাৰ পৰা কিছু নিলগতে থকা চান্দসাঁয়ে তাৰ ফালে ঘূৰি চাই ক'লে, "কয় বোলে, 'তিনি মোল্লা থাকিল চাই,

খোদাই ওলাল ভোৰোকাই।'

অতপৰে ইহঁতকেইটাৰ লগত কথা পাতিলো, তয়ো যে ইয়াতে আছ পাহৰিছিলোৱেই। তোৰ মুখখন যে অতপৰে সী থৈছিলি কবই নোৱাৰো। তহঁত বহ, আমি অলপ আগবাঢ়ো।"

বাখৰে মাত লগালে, "আতৈ, কথা এযাৰ শুনিছিলো, সঁচা-মিছা তুমিহে জানিবা। গুৰুজনাৰ সাক্ষাততে বোলে কেইজনমান বামুণ পণ্ডিতৰ লগত তোমাৰ কিবা উথনা উথনি লাগিছিল হয়নে বাৰু?"

"তহঁতেনো এইবোৰ কথা ক'ত শুন? মোৰ নিচিনা ফটা-কানি সীয়া দৰ্জী এটাই বামুণ পণ্ডিতৰ লগত কোন সতেৰে তৰ্কবাদ কৰিম? ধৰ্ম্মৰ কথা জানোৱেই বা কিটো? তাতে জনমত হ'লো মছলমান। সেইকাৰণে বামুণসকলে মানুহ বুলি গণিতাই নকৰে, হীন মেলেছ বুলি দূৰতে ছেই ছেই কৰে। গুৰুজনাই নিজৰ ওচৰতে বহুৱাই মেলি লৈ মৰম কৰা দেখিও হিংসাত চটফটাই মৰে।"

"ঘটনাটোনো আচলতে কি হৈছিল?"

"ঘটনা বুলিবলৈ একো নাই। নিৰাকাৰ ঈশ্বৰ কেতিয়াবা ৰূপ ধৰি সাকাৰ হ'ব পাৰেনে নোৱাৰে তাৰে আলচ হৈছিল। মইনো সাকাৰ-নিৰাকাৰ কি বুজো? মছলমানে নিৰাকাৰ আল্লাকহে পূজা



ৰত্নপীঠ। সৰলভাঙা আৰু চম্পাৱতী নৈৰ মাজৰ এখন গাঁও। গাঁওখনৰ নাম আছিল চিকনাগ্ৰাম। পৰগনা খুণ্টাঘাট। জিলা আজিকালিৰ গোৱালপাৰা। বিজনীৰ কিছু উত্তৰ-পশ্চিমে চিকনাগ্ৰাম। বাসীন্দাসকলৰ সৰহভাগ মেচ বা কোচ মানুহ, মংগোলীয় মূলৰ পৰা অহা। তেতিয়াৰ পশ্চিম কামৰূপৰ এটা বহল অঞ্চল জুৰি এই গোষ্ঠীৰ লোকৰ বসবাস। কিছু সংখ্যকে নিজস্ব ধৰ্ম আৰু আচাৰ-নীতি মানি চলিলেও বহুতেই হিন্দু ধৰ্ম লৈ হিন্দু হৈছিল। তেতিয়াৰ উচ্চ হিন্দু-বিলাকে এওঁলোকক মেচ বা ম্লেচ্ছ বুলি কিছু অৱজ্ঞাৰ চকুৰে চাইছিল। কিন্তু এই মেচ বিলাকৰ নিজস্ব সংস্কৃতি আৰু নিজস্ব এটা ভাষাও আছিল। এই জনগোষ্ঠীটোৱে নিজৰ ঠাইত স্বতন্ত্ৰীয়া হিচাপেই বসবাস কৰি আছিল। মানুহবোৰ বলিষ্ঠ আৰু স্বাধীনমনা আছিল। চিকনাগ্ৰামত আছিল বাৰ ঘৰ কোচ মানুহৰ ছৰ্দাৰ হাড়িয়া মণ্ডল। মণ্ডল, মড়ল বা মোড়ল—গাঁওবুঢ়া বা মাতব্বৰ। হাড়িয়াই বিয়া কৰাইছিল হাজো নামৰ এটা মানুহৰ দুজনী জীয়েকক—হীৰা আৰু জীৰাক। হীৰাৰ সন্তান বিশু, জীৰাৰ সন্তান শিশু—হাড়িয়া মণ্ডলৰ পুত্ৰদ্বয়।

ভাটিৰ ভূঞাৰ ৰাজ্য ফুলগুৰি। যুঁজাৰু কায়স্থ। হাড়িয়া মণ্ডলে এবাৰ আৰু পুতেক বিশুৱে এবাৰ ফুলগুৰিৰ ভূঞাৰ লগত যুঁজি জিকিব নোৱাৰিলে। ইতিমধ্যে হাড়িয়া মণ্ডলৰ মৃত্যু হ'ল। বিশু হ'ল চিকনাগ্ৰামৰ মণ্ডল। এইবাৰ ডেকা বিশুৱে ফুলগুৰিৰ ভূঞাক আক্ৰমণ কৰি জয়ী হ'ল। সেই অঞ্চলৰ আটাইকেইখন ভূঞা ৰাজ্যৰ অধিপতি হ'ল বিশু। কেইজনমান কায়স্থ ভূঞাৰ লগতে তিনিজন বামুণ ভূঞাও আছিল—বৰ ভূঞা, ঔগুৰিৰ ভূঞা আৰু সৰু ভূঞা। বিশুৱে জয়কৰা আনকেইখন ভূঞাৰ ৰাজ্য হ'ল: দীঘলা ভূঞা, কলীয়া ভূঞা, চুঁটি ভূঞা,



কুসুম ভূঞা, কবিলাস ভূঞা, ডৰেগঞা ভূঞা আৰু কৰ্ণপুৰ ভূঞা। এই খণ্ড ৰাজ্য নিজৰ তলতীয়া কৰাৰ পিছত বিশুৱে প্ৰথমে বিজনী দখল কৰিলে, তাৰ পিছত পাণ্ডু আৰু চাৰু ভূঞাৰ ৰাজ্য গুৱাহাটী পৰ্য্যন্ত জয় কৰিলে।

বিশুৱে অলপ দিনৰ ভিতৰতে ইখনৰ পিছত সিখনকৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ভূঞা ৰাজ্যবোৰ কোচ ৰাজ্যৰ অধীন কৰি, উত্তৰ পাৰে থকা ক্ষেত্ৰী, বাউসী আৰু বজালীৰ ভূঞা শাসকসকলক ৰণত হৰুৱাই সেইবোৰ ঠায়ো কোচ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে।

ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক বিৰাট ভূখণ্ড কোচ ৰাজশক্তিৰ অধীন হ'ল। বিশুৱে চিকনাগ্ৰামৰ পৰা ৰাজধানী তুলি নি কমতাপুৰত পাতিলে আৰু নাম ল'লে বিশ্বসিংহ। শিশুৰ নাম হ'ল যুৱৰাজ শিৱসিংহ। অন্যান্য সৰু সুৰা ৰাজ্যবোৰ নিজৰ ৰাজ্যৰ অধীনস্থ কৰাৰ উপৰিও বিশ্বসিংহই ভূটান পাহাৰৰ নামনিৰ ভৈয়াম অঞ্চলতো আধিপত্য কৰিছিল, আৰু তেওঁৰ কোচ ৰাজ্য পুবে মৰা ধনশিৰিৰ পৰা পশ্চিমে কৰতোৱালৈকে বিস্তৃত হৈ পৰিছিল।

এনে এজন শক্তিশালী আৰু পৰাক্ৰমী ৰজাৰ অভ্যুত্থানৰ পৰা নিজস্ব লাভ আদায় কৰাৰ মানসেৰে সেই ৰাজ্যৰ ব্ৰাহ্মণ পণ্ডিতসকলে বিশ্বসিংহৰ নানাপ্ৰকাৰে প্ৰশংসাবাদ কৰি গুণগান গাব ধৰিলে। ৰজা এনে তোষামোদত সন্তুষ্ট হ'ল। তেওঁ হিন্দু ধৰ্মৰ প্ৰতিষ্ঠা আৰু বিকাশত ৰজাঘৰীয়া সহায়-সহযোগ আগবঢ়ালে। ব্ৰাহ্মণ, দৈৱজ্ঞ, বৈষ্ণৱ সকলোকে দান-দক্ষিণা দি নানা প্ৰকাৰে পৃষ্ঠপোষকতা আগবঢ়ালে, কামাখ্যা মন্দিৰ নতুনকৈ সজালে, কনৌজ-কাশীৰ পৰা পূজাৰী ব্ৰাহ্মণ আনি নিজ ৰাজ্যত বহুৱালে আৰু দুৰ্গা পূজা আৰু শিৱ পূজাৰ প্ৰচলন কৰিলে। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বৰনদী মৰিধনশিৰি পৰ্য্যন্ত এখন বিস্তৃত শাক্ত হিন্দু ৰাজ্যই ঠন ধৰি উঠিল।

এইবাৰ ৰাজধানী হ'ল কোচবিহাৰ। নতুনকৈ সাজি উলিউৱা এখন ধুনীয়া চহৰ।

বিশ্বসিংহই নিজৰ ৰাজ্যৰ শাসন কটকটীয়া কৰিবৰ কাৰণে কিছুমান

নৰনাৰায়ণৰ লগত সন্ধি কৰিলে। আহোম ৰজা কোচ ৰজাৰ কৰতলীয়া ৰজা হ'ল। আৰু কোচ ৰজা ব্ৰহ্মপুত্ৰৰ উত্তৰৰ সমগ্ৰ ৰাজ্যখণ্ডৰ অধিপতি হ'ল। সন্ধিসূত্ৰে আহোম ৰজাই বহুত সোণ-ৰূপ-হাতী আদি কোচ ৰজাক দি তলতীয়া ৰজা হৈ থাকিবলগীয়া হ'ল। এইয়া ১৫৬২ খৃষ্টাব্দৰ কথা।

মধ্যযুগৰ ৰজাৰ পৰৰাজ্য আক্ৰমণ কৰা বা আন ৰজাৰ দ্বাৰা আক্ৰান্ত হোৱাটো এটা সাধাৰণ কথা আছিল। এয়া আছিল ৰণ—বিগ্ৰহ অশান্তিৰে জৰ্জৰিত এক অশান্ত আৰু অস্থিৰ সময়। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ইখনৰ পিছত সিখন ৰণ লাগি আছে। নিশকতীয়া হৈ পৰা ভূঞাসকলো ৰজাঘৰৰ সন্দেহৰ পাত্ৰ। জানোচা সংঘঠিত হৈ আহোম ৰাজশক্তিৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। কায়স্থ ভূঞাসকল ভাল ৰণুৱা, কিন্তু আহোমৰ বিৰুদ্ধে ৰণ দিবৰ কাৰণে আৱশ্যকীয় সৈন্য-সামন্ত নাই, আয়োজনো সীমিত।

চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰাৰ সময়তে শংকৰদেৱ ধুঁৱাহাট এৰি ভাটিমুৱা হৈছিল, কোচ আৰু আহোম ৰাজশক্তিৰ সংঘৰ্ষ চলি থকাৰ সময়তে। কোচ আহি নাৰায়ণপুৰত কোঠ মাৰি বহিছিলহি।

নাৰায়ণপুৰৰ পৰা ধুঁৱাহাট বেছি নিলগত নাছিল। হৰিনাম লৈ শান্তিৰে দিন কটোৱাৰ সময় এইটো নাছিল। শংকৰদেৱ আৰু বৈষ্ণৱ ভকতসকলক তেতিয়া লগা হৈছিল এক নিৰাপদ আশ্ৰয়ৰ স্থল। দক্ষিণ-পশ্চিমে গৌড়, মাজত কোচবিহাৰ, তাৰ পূবে কামৰূপ, তাৰ পূবলৈ আহোম ৰাজ্য—আচাম, আসাম।

কোচৰজা বিশ্বসিংহই কামৰূপ আক্ৰমণ কৰিবৰ সময়ত তাৰ প্ৰতাপৰায় আৰু গাভৰুখাঁ গৌড়লৈ পলাই গৈ তাতে আছিলগৈ। নৰনাৰায়ণ কোচ সিংহাসনত বহিলত তেওঁলোক নিজৰ ঠাইলৈ ঘূৰি আহি, নৰনাৰায়ণৰ সৈন্য বাহিনীত যোগ দিলেহি।

নৰনাৰায়ণ আৰু চিলাৰায় দুয়ো ককাই-ভাই বিদ্বান আৰু বিদ্যোৎসাহী আছিল। তাতে চিলাৰায় এজন বিচক্ষণ যোদ্ধা আৰু সেনাপতি। তেওঁৰ নাম-যশ চাৰিওফালে ফাটিফুটি গৈছিল। কায়স্থ হিচাপে ভূঞা-



সকলৰ প্ৰতি নৰনাৰায়ণ আৰু চিলাৰায় সদয় আছিল। তাৰ ফলত অসমত থকা ভূঞাসকলেও নৰনাৰায়ণৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছিল।

অৱশ্যে নৰনাৰায়ণৰ ৰাজসভাত সদা ব্ৰাহ্মণ সকলো মান-মৰ্য্যাদাৰে আছিল। শাস্ত্ৰজ্ঞ পণ্ডিত বুলি, সুশিক্ষিত লোক বুলি আৰু ধৰ্মৰ কামত সদায় লাগি থকা লোক বুলি ব্ৰাহ্মণসকল নৰনাৰায়ণ ৰজাৰ আস্থাভাজন আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈছিল।

আহোমৰ অধীনত ভূঞাসকল সন্দেহ আৰু অবিশ্বাসৰ পাত্ৰ হৈছিল। ইটো-সিটো অজুহাতত আহোম ৰজাঘৰ আৰু ৰাজবিষয়াই সুবিধা পালেই ভূঞাসকলক বিপৰ্য্যস্ত কৰিছিল। শংকৰদেৱৰ কাৰণে আত্মৰক্ষাৰ কাৰণে কোচ ৰাজ্যত আশ্ৰয় লোৱাটোৱেই আছিল একমাত্ৰ সহজ উপায়। নৰনাৰায়ণে গাভৰু খাঁক আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ পাচিলে। গাভৰু খাঁ আহি বিশ্বনাথ ঘাটৰ পূবে থকা সলাত চাউনি পাতি ৰলহি। সেই সময়তে আৰু সেই সুযোগতে শংকৰদেৱ আৰু তেওঁৰ লগৰীয়া সকলে ধুঁৱাহাট এৰি কোচ ৰাজ্যলৈ, কামৰূপলৈ গতি কৰিলে, নৰনাৰায়ণৰ ৰাজ্যত আশ্ৰয় আৰু শান্তি পোৱাৰ আশাত। ধুঁৱাহাট পিছলৈ থাকিল। শংকৰদেৱৰ নাও ব্ৰহ্মপুত্ৰই দি ভটিয়ালে। নাও আৰু কলৰ ভুৰত শংকৰদেৱ সংগীসকল, পৰিয়ালৰ মানুহ আৰু বয়-বস্তুবোৰ। মাজুলীৰ কলাকাটি, সাধনাঘাট, খাগৰীকটা, কলিয়াবৰ, শিঙৰী, বৰদোৱা, দৰং, কোঁৱৰগাঁও, বনভাগ, বৰভাগ···ঘাটে ঘাটে বৈ বৈ, পাৰত টৌ খুটি মাৰি ৰান্ধি খাই, অকাই-পকাই এই দুৰণীয়া যাত্ৰা। এইয়া যেন এখন চিনাকি তীৰ্থক্ষেত্ৰলৈ শান্তিযাত্ৰা।

বৰ নৈখন বৈ আছে—অবিৰাম। বাৰিষা-খৰালিৰ মাজেদি ইয়াৰ নিছিগা সোঁত। উন্মুক্ত, প্ৰশস্ত, উদাৰ। ইতিহাসে ঢাকি নোপোৱা কোন সুদূৰ অতীততে হিমালয়ৰ এই পানী সোঁতাই এইপিনে বাট বিচাৰি লৈছিল—সাগৰলৈ। তাৰ পৰা বৈ আছে, বৈয়েই আছে। নৈখনক শংকৰদেৱৰ বৰ আপোন যেন লাগিল। এইজনী যেন কোনো-দিনেই বুঢ়ী নোহোৱা এজনী বুঢ়ী আই। যাৰ বুকুত সোমাই আছে হেজাৰ হেজাৰ যুগৰ সাধুকথা—সুখৰ, দুখৰ, আনন্দৰ, বেদনাৰ, যুদ্ধৰ, শান্তিৰ।

কৰিব পৰা ভাষা-সাহিত্য-দৰ্শন-তত্ত্বকথাৰ জ্ঞান বা জগদীশ মিশ্ৰৰ যোগে হস্তগত কৰা ভাগৱত-পুৰাণৰ মাজতেই লভা ; বা বৰদোৱা, গাংমৌ, ধুঁৱাহাট, পাটবাউসীৰ সংস্পৰ্শই দিয়া অভিজ্ঞতাইতো শেষ কথা নহয়। অধ্যয়নে পৰোক্ষ জ্ঞান দিয়ে, ভ্ৰমণে দিয়ে প্ৰত্যক্ষ জ্ঞান। প্ৰায় সত্তৰ বছৰ আগৰ সেই ভ্ৰমণে কলা-শিল্প-সংগীত-বাদ্য-নাট্যাভিনয়ৰ যি বৈচিত্ৰ্যময়, অফুৰন্ত ভঁড়ালৰ দুৱাৰ মুকলি কৰি দিছিল, তাৰে সৈতেই কবি-শিল্পী-স্ৰষ্টা-সাধক শংকৰে নিজৰ কাব্য-সাহিত্যৰ জগতখনক, নিজৰ নৃত্য-বাদ্য-সুৰ-সংগীতৰ জগতখনক সমৃদ্ধ কৰি তুলি আজিও শেষ কৰিব পৰা নাই।

বিশ্বৰ সৌন্দৰ্য্যত মুগ্ধ, অভিভূত হোৱা ভলগাৰ পাৰৰ সেই গুহাবাসী আদিম মানুহৰ কণ্ঠৰ পৰা আপুনি নিগৰি অহা ঋকবোৰ, স্তুতিবোৰ ; তাৰ মাজেদি অভিব্যক্ত হোৱা জ্ঞানৰ সেই বেদবোৰ, সুৰ আৰু কথাৰ সমন্বয়েৰে বাঙ্ময় হৈ উঠা সেই সামগীতবোৰ—কণ্ঠৰ পৰা কণ্ঠলৈ, দেশৰ পৰা দেশলৈ বাগৰি আহি আছে ; যুগৰ পৰা যুগলৈ বাগৰি আহি আছে। গিৰিৰাজ হিমালয়ে বাধা দি ৰাখিব পৰা নাই ; যুদ্ধ-বিগ্ৰহ, সাম্ৰাজ্যৰ উত্থান-পতনে নিস্তব্ধ কৰি পেলাব পৰা নাই। সিন্ধুৰ বুকুৰেদি, গঙ্গাৰ বুকুৰেদি, ব্ৰহ্মপুত্ৰৰ বুকুৰেদি, মানুহৰ বুকৰ মাজেদি অবিৰাম বৈ আহিছে সেই স্তুতিগীতৰ গুৰুগম্ভীৰ ধ্বনি, প্ৰাণ-সঞ্চাৰি নিনাদ। বিভিন্ন ভাষাৰে, বিভিন্ন নামেৰে সম্বোধন কৰা সেই এক ভাষাৰ অতীত, নামৰ অতীত নাম :—

‘একং সৎ ৱিপ্ৰাঃ বহুধা বদন্তি

অগ্নিং, যমং, মাতৰিশ্বানং আহুঃ…’

শাশ্বত আৰু অবিনশ্বৰ সত্যৰ মহান উপলব্ধিৰ নিশ্বাসৰ লগত আহি মিলি পৰিছিল আৰু এক উপলব্ধিৰ নিশ্বাস। লোহিত সাগৰৰ পূব প্ৰান্তৰ বালিময় মৰুভূমিৰ বুকুৰ মাজত যাৰ হৈছিল জন্ম আৰু অভ্যুত্থান। সেই নিশ্বাসো মৰু প্ৰান্তৰৰ বুকুত শীতল শান্তিৰ নিজৰা বোৱাই, টাইগ্ৰীচ, ইউফ্ৰেটিছৰ সোঁতৰ তৰংগৰ সৃষ্টি কৰি বৈ আহিছিল আৰব-ইৰাক-ইৰাণ-আফগানিস্থান-চফেদকোহ-চিয়াহকোহ পৰ্ব্বতৰ গা বগাই, একেই সিন্ধু দেশলৈ। মৰুৰ বুকুৰ ‘জমজম’ৰ শীতল নীৰ ধাৰা আহি



মিলি পৰিছিল স্ৰোতস্বিনী সিন্ধুৰ সোঁতৰ লগত, গঙ্গাৰ সোঁতৰ লগত, ব্ৰহ্মপুত্ৰৰ সোঁতৰ লগত। উঠি আহিছিল কথা, উঠি আহিছিল গীত-গজল, ৰাগ-ৰাগিনী, আহিছিল বাদ্য ৰবাব, নাক্কাৰা, সৰোদ, দোতাৰা, চিতাৰা, ইৰাণী, ইমনী, মুলতানী, গান্ধাৰ ৰাগ-ৰাগিনী, উঠি আহিছিল মানৱতাৰ নতুন মূল্যায়ন, সাম্য, মৈত্ৰী, বিশ্বভাতৃত্ব আৰু ন্যায়ৰ বাণী! মানুহৰ মুখৰ ভাষা নহয়, হৃদয়ৰ ভাষা ; গাৰ ছালৰ ৰং নহয়, তেজৰ ৰং ; দেহাৰ শক্তি নহয়, আত্মাৰ শক্তি ; যুদ্ধ নহয় শান্তি ; মৃত্যু নহয়, মহা-জীৱনৰ অমৃততাৰেই মৰ্ম্মবাণী বহন কৰি আহিল এক নতুন সভ্যতা, নতুন সংস্কৃতি আৰু নতুন জীৱনাদৰ্শৰ প্লাৱন। ইছলাম। বুদ্ধৰ নিৰ্ব্বাণ, বেদ-উপনিষদৰ মোক্ষ, ইছলামৰ নাজাত, মুক্তি—সকলোৰে শান্তিপূৰ্ণ অৱস্থানে সাধাৰণ মানুহৰ মনকো আকাশমুখী কৰিলে, এক নতুন সমাজৰ ভিত্তি ৰচনা কৰিলে। মানুহৰ এই আকাশমুখী অভীপ্সা বাঙ্ময় হৈ সাধাৰণ মানুহৰ সহজ ভাষাত প্ৰকাশি উঠিল। সন্ত-সাধু-চুফী, লোক-কবিৰ সুৰীয়া গীত-পদ, দোহা-পদাৱলী, মৰমী গীতৰ সুৰৰ সাৰ্ব্বজনীন আবেদন লৈ নানক, কবীৰ, ৰমানন্দ, নামদেৱ, তুকাৰাম, চৈতন্যদেৱ, চণ্ডীদাস, সুৰদাসৰ কণ্ঠৰ মাজেদি ধ্বনিত-প্ৰতিধ্বনিত হৈ উঠিল নৱ মানৱতাবাদৰ জয়গাঁথা! মানুহৰ চিন্তাই মুক্তি লাভ কৰিছে, অকাৰণ পাপবোধ আৰু অপৰাধবোধৰ ঠাইত, পতন আৰু স্খলনৰ ভিত্তিহীন আশংকাৰ ঠাইত, এক শক্তিশালী আত্মপ্ৰত্যয় আৰু মানৱ জীৱনৰ গৰিমা আৰু মহত্বৰ চেতনাই কবি-গায়কৰ স্বতন্ত্ৰ আত্মপ্ৰকাশক সাৰ্ব্বজনীন উত্তৰণৰ আহিলা কৰি তুলিলে। চিন্তা আৰু আত্মিক অন্বেষাৰ এই বাতাবৰণৰ বন্ধনমুক্ত স্ফূৰণৰ মাজলৈ সোমাই গৈছিল সত্যসন্ধানী কবি-শিল্পী ডেকা শংকৰ—এজন সংস্কাৰমুক্ত, স্বাস্থ্যবান, বত্ৰিশ বছৰীয়া ডেকা—আজিৰ পৰা সত্তৰ বছৰৰ আগতে। হিন্দু আৰু ইছলাম ধৰ্ম্মৰ সাৰবস্তু একেঠাই কৰি তেতিয়া গুৰু নানকে গাই উঠিছিল :

“আদি সচ্ যুগাদি সচ্

হে' ভী সচ্ নানক,

হোসি ভী সচ্ !”

—আস্থাৰে 'সত নাম' স্মৰণ কৰা, কীৰ্ত্তন কৰা, 'সবদ' পাঠ কৰা নিগুৰ্ণ নিৰাকাৰ ভগৱানৰ নাম লোৱা—

"থাপিয়া ন জাই কীতা না হোই,
আপে আপী নিৰঞ্জনো সোই,
যিনি সেবীয়া তিনি পাইআ মানু,
নানক গাৱে এ গুণী নিধানু।"

গুৰুদ্বাৰৰ মজিয়াত সকলো একেলগে বহি একেস্বৰে গুৰুগ্ৰন্থ চাহেবৰ সৰল ৰচনাবোৰ ভক্তি আৰু আস্থাৰে কীৰ্ত্তন কৰা। এক পৰম-পদত বিনীত আত্ম সমৰ্পণ—সকলো শিখ ( শিষ্য ), সকলো একে শিখ, সকলো সমান শিখ। মানুহ মানুহৰ মাজত অকপট ভাতৃত্ব, উদাৰ সৌহাৰ্দ্দ্য। নানকৰ মৰ্ম্মবাণী।

* * *

বিধৱা বামুণীয়ে এৰি থৈ যোৱা নিৰু আৰু নিমাইৰ কোলাত ডাঙৰ হোৱা কবীৰ। মুছলমান জোলা-তাঁতীৰ পৰিয়াল, সমাজত নীহ বুলি বিবেচিত পৰিয়াল নিৰু আৰু নিমাই। তাঁত বৈ, সংগ্ৰাম কৰি জীৱন-নিৰ্ব্বাহ কৰা তাঁতী কবীৰ ; সন্ন্যাসী নহয়, সংসাৰী। দুজনী ঘৈনীয়েক, এহাল ল'ৰা-ছোৱালী—কামাল আৰু কামালী। বৃত্তিত জোলা, কপাহৰ সুতা কাটি তাঁত লগাই বৈ, কাপোৰ বেচি জীৱিকা নিৰ্ব্বাহ কৰা, এক সাধাৰণ নিৰক্ষৰ মানুহ কবীৰ। হিন্দুৰেই হওক বা মুছলমানৰেই হওক, গোড়ামি আৰু আচাৰ-সৰ্ব্বস্ব নৈষ্ঠিকতাৰ ঘোৰ বিৰোধী। অথচ ধৰ্ম্মৰ মাজত লুকাই থকা সত্যৰ স্বৰূপ বুজিবৰ কাৰণে আগ্ৰহী। সংস্কৃত, ফাৰ্চী উৰ্দ্দু আদি অভিজাত সমাজৰ ভাষাৰে নহয়, সাধাৰণ জোলা, তাঁতী, কৃষক, বেহেৰুৱাৰ মাত-কথাৰে নিজৰ উপলব্ধিক প্ৰকাশ কৰিবৰ কাৰণে উদগ্ৰীৱ। সত্যৰ লগত পৰিচিত হ'বৰ কাৰণে বছৰৰ পিছত বছৰ ধৰি ঘূৰি ফুৰিলে ভাৰতবৰ্ষৰ বিভিন্ন ঠাই, ঘূৰিলে জগন্নাথ পুৰী, দিল্লী, পানিপথ, আজমীৰ আৰু নানা তীৰ্থক্ষেত্ৰ। ভ্ৰমণ কৰিলে বোখাৰা, বাগদাদ, চমৰকন্দ। সো-শৰীৰেৰেই হওঁক, বা মানসিকভাৱে কল্পনাৰেই হওঁক, বহুবাৰ মক্কালৈ গ'ল হজ কৰিবৰ কাৰণে। হিন্দু



সাধক ৰমানন্দ আৰু মুছলমান চুফী সাধক ছেখ টাকীৰ কাষত ধৰ্ম্ম-তত্ত্বৰ শিক্ষা লৈ তেওঁ দুয়োটা ধৰ্ম্মৰ মাজৰ বিৰোধ-বিবাদৰ অৱসান ঘটাই ইছলামৰ তওহীদ আৰু উপনিষদৰ একেশ্বৰবাদ—দুয়োটাৰে সাৰ বস্তুৰ সমন্বয় ঘটাই সাধাৰণ মানুহৰ সহজবোধ্য ভাষা 'হিন্দী'ত ৰচনা কৰি গালে—এক সাম্য আৰু ভাতৃত্বৰ নতুন গীত। শক্তিশালী প্ৰত্যয়েৰে তেওঁ ঘোষণা কৰিলে ৰাম আৰু ৰহিমৰ মাজত কেৱল নামৰ পাৰ্থক্য, স্বৰূপৰ কোনো পাৰ্থক্য নাই। নিগুৰ্ণ, নিৰাকাৰ, অনন্ত ব্ৰহ্ম বা আল্লাৰ পূজা নকৰি মূৰ্ত্তি পূজা কৰাৰ অসাৰ্থকতাৰ কথা চিঞৰি ক'লে কবীৰে :

"লোগ এইচা বাৱৰে, পহন পূজন যাই,
ঘৰকি চকীয়া কাহে না পূজে
জেহিকা পিসা খায়।"

( —কিযে মূৰ্খ এই মানুহবোৰ, সিহঁতে শিলৰ পূজা কৰিবলৈ যায়, ঘৰত থকা যাঁতখনৰ ( শিল দুচটাকে ) সিহঁতে পূজা নকৰে কিয়? সিহঁতেতো সেই যাঁতৰ শিলেৰে পিহা আটা খায়। )

প্ৰতিটো ধৰ্ম্মৰ ভিতৰতে যি অন্তৰ্নিহিত সনাতন সত্য আছে, তাক নিজৰ কৰি ল'ব পাৰিলে, ধৰ্ম্মবোৰৰ ব্যৱধান নোহোৱা হৈ যায়।

কবীৰে গালে :

"হৰি উত্তৰত থাকে,
আৰু আল্লাৰ ঘৰ পশ্চিমত!
( তাত নিবিচাৰি ) তোমাৰ অন্তৰৰ মাজত হৰিক বিচাৰা।
ৰাম আৰু ৰহমান দুয়ো তাতেই থাকে।"

* * *

"মুছলমানৰ আল্লা মছজিদত থাকে,
হিন্দুৰ ৰাম মন্দিৰত থাকে,
পিছে য'ত মন্দিৰ আৰু মছজিদ নাই,
তাত বাৰু কোনে শাসন কৰে?"

* * *

মাধুৰ্যক ঘৰ-বাৰীত চকু দিয়াৰ দায়িত্ব সোধাই শংকৰ বাহিৰ ওলাইছিল—
কেৱল দেশ চাবৰ কাৰণে নহয়, কেৱল তীৰ্থ কৰিবৰ কাৰণে নহয়।
ওলাই গৈছিল বিশাল ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ মানুহৰ সংস্পৰ্শলৈ
আহি উত্তৰ ভাৰতৰ জনসাধাৰণৰ ভাষাৰ লগত ঘনিষ্ঠভাৱে চিনাকি
হ'বৰ কাৰণে, বিভিন্ন ঠাইৰ নৃত্য-গীত-বাদ্য-যাত্ৰা-নাট-অভিনয়ৰ বৈশিষ্ট্য-
বোৰ শিকি বুজি আয়ত্ব কৰি লবৰ কাৰণে, আৰু নতুন ৰূপ আৰু
আবেদন লৈ প্ৰৱাহিত হোৱা নৱ-বৈষ্ণৱবাদ, চুফীবাদ, নানক, কবীৰ আদি
কবি-গায়ক-সংস্কাৰক-সাধকৰ অভ্যুত্থানৰ ফলত উদ্ভৱ হোৱা নতুন
ভাৱাদৰ্শৰ মূল্যায়ন কৰিবৰ কাৰণে। এটা উন্মুক্ত মনলৈ, শিকিব-
লগীয়াখিনি শিকিবৰ কাৰণে আৰু শিকাবলগীয়াখিনি শিকাবৰ কাৰণে
জলে-স্থলে অবিৰাম ভ্ৰমণ কৰি ঘূৰিলে—জগন্নাথ ক্ষেত্ৰ, বাৰাণসী, প্ৰয়াগ,
বৃন্দাবন, মথুৰা, কুৰুক্ষেত্ৰ, সেতুবন্ধন আৰু বদৰিকাশ্ৰম—আৰু ইয়াৰ মাজে
মাজে কত নগৰ-চহৰ, গাওঁ-জনপদ, নদী-হ্ৰদ-সৰোবৰ, অৰণ্য। বাৰটা দীঘল
বছৰ। প্ৰতিটো মাহৰ, প্ৰতিটো দিনৰ, প্ৰতিটো ৰাতিৰ তাৎপৰ্য্যপূৰ্ণ
নতুন নতুন অভিজ্ঞতা।

মন্দিৰ, মছজিদ, গুৰুদ্বাৰ, বিহাৰ, মঠ, আৰু যে কত প্ৰাচীন আৰু
সমসাময়িক ধৰ্মক্ষেত্ৰ, তীৰ্থক্ষেত্ৰ, উপাসনাগৃহ, পূজাঘৰ, দেৱস্থান।
বিচিত্ৰ ভাস্কৰ্য্য, বিভিন্ন গঠন ৰীতি। মন্দিৰৰ ভিতৰত দেৱ-দেৱীৰ
বিগ্ৰহ, প্ৰতিমা, মূৰ্ত্তি। তাতো দিনে-ৰাতিয়ে মানুহৰ ভিৰ। ক'ৰবাত
মূৰ্ত্তি-প্ৰতিমা একো নাই। একোটা মুকলি আহল-বহল উপাসনা-গৃহ।
তাতো দিনে-ৰাতিয়ে সেই ধৰ্মাৱলম্বীৰ ছেদ-ভেদ নোহোৱা সমাগম,
ভক্তৰ আৰাধনা-উপাসনা গৃহ—এবাদতগাহ। কোনো মূৰ্ত্তি নাই,
বিগ্ৰহ নাই। চাৰিখন বেৰৰ মাজৰ মুকলি মজিয়া—প্ৰশস্ত দুৱাৰ, উন্মুক্ত
খিড়িকি। কোনো মছজিদৰ লগত আছে ওখ মিনাৰ, ক'ৰবাত নাই।
তাৰ পৰাই সূৰ্য্যোদয়ৰ পূৰ্বৰ পৰা, ৰাতিলৈকে দিনে পাঁচ বাৰকৈ আজান
দিয়া হয়, ভক্তসকলক আহ্বান জনোৱা হয় সমূহীয়া প্ৰাৰ্থনাত, নামাজত
সমবেত হ'বৰ কাৰণে। ৰজা-প্ৰজা নাই, ধনী-দুখীয়া নাই, বগা-ক'লা
নাই, এক নিৰাকাৰ আল্লাৰ সন্মুখত নতশিৰে আত্মনিবেদন কৰিবৰ



কাৰণে শাৰী শাৰীকৈ, বাহুত বাহু লগাই, নামাজীসকলে নামাজ পঢ়ে—
প্ৰাৰ্থনা কৰে—সৰল, বিনীত প্ৰাৰ্থনা :

"আলহামদু লিল্লাহে ৰব্বীল আ'লামীন..."

—"সকলো সৃষ্টিৰ প্ৰভু আল্লাৰেই প্ৰাপ্য সকলো প্ৰশংসা। তেওঁৱেই
পৰম কৰুণাময়, পৰম দয়ালু। তেওঁৱেই (শেষ) বিচাৰৰ দিনৰ
গৰাকী। আমি কেৱল তোমাৰেই উপাসনা কৰো আৰু তোমাৰেই
সাহায্য প্ৰাৰ্থনা কৰোঁ। আমাক সেই পথেদি পৰিচালিত কৰা, যি
পথেদি যাওঁতা সকলক তুমি পুৰস্কৃত কৰিছা। যি সকল অভিশপ্ত নহয়,
যিসকল পথভ্ৰষ্ট নহয়। আ'মীন।"

অসহায় ভক্তৰ সৰল প্ৰাৰ্থনা—তুমি আমাক পথ চিনাই দিয়া, তুমি
আমাক পথ চিনি পাওঁতা সকলৰ অনুগামী কৰা। আমি কেৱল
তোমাৰেই উপাসনা কৰোঁ, কেৱল তোমাৰেই...

সৰ্ব্বব্যাপী, সৰ্ব্বদ্ৰষ্টা, নিৰাকাৰ আল্লাৰ ওচৰত এইয়া কৰুণাপ্ৰাৰ্থী
ভক্তৰ সৰল নিবেদন। কোনো নৈবেদ্য নাই, ফল-মূল নাই, দান-দক্ষিণা
নাই—কেৱল বিশুদ্ধ প্ৰাৰ্থনা—কোৰাণৰ বুকুৰ সহজ আত্ম নিবেদন।
একেলগে, একেস্বৰে ৰজা আৰু মগনীয়া, পণ্ডিত আৰু নিৰক্ষৰ,
ল'ৰা আৰু বুঢ়া, কাটোৱাল আৰু আচামীয়ে একেই প্ৰাৰ্থনা কৰে।...

মছজিদ কেৱল চিজদাৰ ঠাই, সেৱাৰ ঠাই, আত্ম নিবেদনৰ ঠাই।
সকলো জাতৰ, সকলো বৰ্ণৰ, সকলো ভক্তৰ কাৰণে মছজিদৰ দুৱাৰ সদায়
মুকলি। জাতি-বিজাতি নাই, স্পৃশ্য-অস্পৃশ্য নাই ; দেশী-বিদেশী
নাই—কেৱল মুক্তিকামী ভক্তৰ মিলনৰ থলী। হিন্দু, ইহুদী, খৃষ্টান,
বৌদ্ধৰো মছজিদত সোমোৱাৰ বাধা নাই। আল্লাৰ ঘৰক কোনোৱে
অপবিত্ৰ কৰিব নোৱাৰে। আল্লাৰ সৃষ্টি পৃথিৱীখনত বসবাস কৰিবৰ
কাৰণে সকলো মানুহৰ যিদৰে সমান অধিকাৰ আছে, সেই পৃথিৱীৰ
চুকৰে অকণমান ঠাইত অকণমান ঘৰ এটা সাজিলে তাতে সমূহীয়া
প্ৰাৰ্থনা কৰিবলৈ লোৱাত, তালৈ অন্যৰ প্ৰৱেশ-নিষেধৰ প্ৰশ্ন উঠিব
নোৱাৰে। সকলোৰে অবাধ অধিকাৰ আছে নিৰাকাৰ বিশ্বপ্ৰভুৰ
ওচৰত আত্মনিবেদন কৰাৰ।

বাৰ বছৰ নগৰে-চহৰে ঘূৰি ফুৰোতে শংকৰদেৱৰ চকুত পৰিছিল মছজিদ, চকুত পৰিছিল মছজিদত সমৱেত হোৱা নামাজী,—চকুত পৰিছিল সাম্য আৰু ভাতৃত্বৰ এক জীৱন্ত দৃশ্য।

স্ৰষ্টাৰ সন্মুখত সকলো মানুহ মানুহ, সকলো ভক্ত ভক্ত; কোনো জাতিভেদ নাই, কোনো বৰ্ণভেদ নাই, কোনো উচ্চ-নীচ নাই, কোনো স্পৃশ্য-অস্পৃশ্য নাই···আদমৰ সন্তান মানুহৰ কোনো জাত নাই। ধৰ্মই মানুহক মানুহৰ পৰা আঁতৰাই নিনিয়ে, মানুহক মানুহৰ কাষ চপাই নিয়ে। নামাজে, উপাসনাই মানুহক কৰুণাময় স্ৰষ্টাৰ কৰুণাৰো কাষ চপাই নিয়ে। দেৱ-মন্দিৰ সাজি দেৱতাক মন্দিৰৰ ভিতৰত সুমুৱাই মানুহৰ পৰা আঁতৰাই ৰাখি, কিহৰ পূজা হ'ব? ভগৱান সৰ্বভূতত বিৰাজমান। কোনে ক'ব পাৰে যে মন্দিৰ মছজিদৰ বাহিৰত ভগৱান নাই? অস্পৃশ্য অন্ত্যজৰ ঘৰৰ মজিয়াত ভগৱান নাই?

মানুহৰ কাৰণেই ধৰ্ম। সকলো ধৰ্মৰ মৰ্মবাণী একেই—মানুহক মহত্তৰ কৰা, মানুহক ক্ষুদ্ৰতাৰ গণ্ডীৰ পৰা মুক্ত কৰা, মানুহক জীৱনৰ মাজেদি মহাজীৱনৰ অধিকাৰী হোৱাৰ পথৰ সন্ধান দিয়া। যিবোৰ বিধানে মানুহক জাতিত বিভক্ত কৰে, শ্ৰেণীত বিভক্ত কৰে, মানুহ আৰু মানুহৰ মাজত ব্যৱধানৰ প্ৰাচীৰ গঢ়ি তোলে সেইবোৰ বিধান কোনো ধৰ্মীয় বিধান হ'ব নোৱাৰে। ধৰ্মই একীভূত কৰে, সমন্বিত কৰে, বিচ্ছিন্ন নকৰে।

ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ফুৰি ঘূৰি ডেকা শংকৰৰ এই উপলব্ধিয়েই বদ্ধমূল হৈছিল।···প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পৰা।

এতিয়া আকৌ এবাৰ তীৰ্থ ভ্ৰমণ কৰিবৰ মন গ'ল বৃদ্ধ শংকৰদেৱৰ। অতদিনে যিমান দেখিলো, তাতকৈ শতগুণ বাকী আছে দেখিবলৈ। যিমান শিকিলো, জানিলো, বুজিলো, তাৰ সহস্ৰগুণ বাকী আছে, শিকিব-জানিব-বুজিবলৈ। যি সামান্য কৰিলো মানুহৰ কাৰণে তাতকৈ লক্ষগুণ বাকী আছে কৰিবলৈ।

মৃত্যু পৰ্যন্ত মানুহে শিকে, জ্ঞান-আহৰণ কৰে; কিন্তু সেই জ্ঞানৰ পোহৰ কেৱল আহৰণ কৰোঁতাজনৰ কাৰণেই নহয়, সেই জ্ঞানৰ পোহৰ



আনৰ মাজত বিলাই দিবৰ কাৰণেহে। এটা চাকিৰ জুইৰে সহস্ৰ চাকি জ্বলাই তোলা, তেতিয়াহে চাকিৰ চাকি হোৱাৰ সাৰ্থকতা। তেতিয়া প্ৰথম চাকিটো তেল শেষ হৈ নুমাই গ'লেও, আনবোৰ চাকি জ্বলি থাকিব। চাকি জ্বলি থাকিব, পোহৰ জীয়াই থাকিব—পোহৰৰ পৰা পোহৰ···

* * * *

মাধৱদেৱ, ৰামৰাম গুৰু, নাৰায়ণ ঠাকুৰ, ৰামৰায়কে ধৰি ছকুৰি ভকত লগত লৈ দ্বিতীয় বাৰ শংকৰদেৱ তীৰ্থযাত্ৰাত বাহিৰ ওলাল। খৰখেদা নাই, নতুন নতুন ঠাইৰ, নতুন নতুন মানুহ, ক'ৰবাত শাস্ত্ৰজ্ঞ পণ্ডিত, ক'ৰবাত দোকানী-পোহাৰী, ক'ৰবাত ঢুলীয়া-কালিয়া, ক'ৰবাত কৃষক—এইবোৰ মানুহৰ মাজে মাজে, চা-চিনাকি হৈ, সিবোৰ মানুহৰ জীৱনৰ ৰেহৰূপ বুজি মেলি বৈষ্ণৱৰ দল খোজকাঢ়ি আগবাঢ়িল তীৰ্থ দৰ্শনৰ কাৰণে। বাটে বাটে চলিল ধৰ্মশাস্ত্ৰৰ চৰ্চা, কাব্য-সাহিত্য সম্পৰ্কে আলাপ-আলোচনা।

তীৰ্থযাত্ৰীৰ দল গৈ গঙ্গাৰ পাৰ পালেগৈ। পৰিক্ৰমাৰ এটা স্তৰৰ সামৰণি পৰিল। শংকৰদেৱে গৈ বিচাৰি উলিয়ালে বিপ্লৱী, চুফী, সাধক কবীৰৰ গাঁও আৰু তেওঁৰ পৰিয়ালৰ ঘৰ। ইতিমধ্যে কবীৰৰ মৃত্যু হৈছে। উত্তৰ ভাৰতত এজন মহান সাধক হিচাপে কবীৰ স্বীকৃত আৰু পৰিগণিত হৈছে। কবীৰ পন্থী ভকতৰ দলৰ উদ্ভৱ হৈছে। কবীৰৰ দোহা আৰু বাণী নগৰীয়া, গাঁৱলীয়া, চহা-পণ্ডিত সকলোৰে মুখে মুখে হৈছে। কবীৰৰ জীৱন এক জীৱন্ত কিম্বদন্তীত পৰিণত হৈছে। ধৰ্মৰ গোড়ামিৰ বিৰুদ্ধে সৰৱ বিদ্ৰোহ ঘোষণা কৰা কবীৰৰ জীৱনৰ মাজত যেন শংকৰদেৱেও আহি আৰু প্ৰেৰণাৰ থলৰ সন্ধান পাইছিল। মানুহক মানুহ বুলি স্বীকৃতি দিয়া, মানুহক মানুহৰ মৰ্যাদা দিয়া, সেয়ে ধৰ্ম—কবীৰে চিঞৰি কৈছিল। শংকৰদেৱেও মানুহৰ এই পৰিচয়ৰে প্ৰতিষ্ঠাৰ সংগ্ৰাম কৰি গৈছিল সমগ্ৰ জীৱন। কেৱল মানুহ কিয়?

'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥'

—বুলি পৰুৱা একোটাকো দয়া কৰিছিল।

কবীৰৰ নাতিনীয়েকৰ পৰা শংকৰদেৱে কবীৰ সম্পৰ্কে নানান লৌকিক-অলৌকিক কাহিনী শুনিলে। হিন্দুৰ ঘৰত জন্ম লৈ, মুছলমানৰ ঘৰত ডাঙৰ-দীঘল হৈ, তাঁতীৰ বৃত্তি অৱলম্বন কৰি, জীৱন কটাই কবীৰে, ৰচনা কৰিবলৈ বিচাৰিছিল জাত-পাতহীন এখন মুক্ত মানৱ সমাজ, আনিবলৈ বিচাৰিছিল এটা 'নতুন যুগ, নতুন মানৱতাৰ যুগ। হিন্দুৱে ক'লে, কবীৰ সন্ত-সাধু; মুছলমানে ক'লে, কবীৰ চুফী।

মৃত্যুৰ পিছত কবীৰক কবৰ দিয়া হ'ল, এজন মুছলমানক কবৰ দিয়াৰ দৰে। কোনো কোনো হিন্দুৱে আপত্তি কৰিলে, সন্ত কবীৰক কিয় কবৰ দিয়া হ'ল। কোনোবাই কবীৰৰ কবৰ খানি চালে, কোনো মানুহৰ অস্থি-মাংস নাই, আছে এডাল সুগন্ধি চন্দন কাঠ। কবৰত কবীৰৰ ৰূপান্তৰ ঘটিছে এক পবিত্র সুগন্ধি চন্দন কাঠলৈ।

সন্ত, চুফী, সাধক কবীৰৰ সমাধি ক্ষেত্রকো শংকৰদেৱে এক তীৰ্থক্ষেত্র বুলিয়ে গণ্য কৰিছিল। গঙ্গাৰ পাৰৰ কবীৰৰ কবৰত প্ৰণাম জনাই শংকৰদেৱ তীৰ্থৰ যাত্রা-পথত আগুৱাই গৈছিল। নিজে প্ৰণাম জনোৱাৰ উপৰিও শিষ্য-ভকত সকলকো কবীৰৰ কবৰত প্ৰণিপাত জনাবৰ কাৰণে শংকৰদেৱে নিৰ্দ্দেশ দিছিল। সকলোৱে এই সন্ত গৰাকীৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰণিপাত কৰি বিদায় লৈছিল। মানুহৰ ভাৱ জগতত আলোড়নৰ সৃষ্টি কৰা এজন সাহসী লোক-কবি আৰু সমাজ সংস্কাৰকক জাতি ধৰ্ম্মৰ বিচাৰেৰে বিচাৰ নকৰি সমাধিতো প্ৰণিপাত জনাই শংকৰদেৱে মনৰ উদাৰতাৰ জীৱন্ত আদৰ্শ দাঙি ধৰিলে। মহাবৈষ্ণৱ শংকৰদেৱে সন্ত-সাধক কবীৰৰ মাজত যেন এজন সহযোগীৰ অস্তিত্বৰ সন্ধান পাইছিল।

তীৰ্থযাত্রীসকল আগবাঢ়িছিল।

নাভিগঞ্জা, মহানদী, আঠাৰ নলা—তাৰ পিছত পুৰীৰ জগন্নাথ ক্ষেত্র।

বৈষ্ণৱসকলৰ বহু স্বপ্নৰ, বহু আকাংক্ষাৰ জগন্নাথৰ মূৰ্ত্তি দৰ্শন—এইয়াই যেন সকলো তীৰ্থৰ চৰম বিন্দু। শ্ৰম সাৰ্থক, জীৱন ধন্য, সাধকৰ শিৰ আপোনা-আপুনি অৱনত হৈ যায় জগন্নাথৰ বেদীৰ সন্মুখত। কথাবোৰ আপোনা-আপুনি প্ৰাৰ্থনা হৈ যায়, বাঙ্ময়তা



আপোনা-আপুনি তন্ময়তা হৈ পৰে। মহাভক্ত মাধৱদেৱৰ কণ্ঠৰ পৰা নিগৰি ওলাল নিবেদন আৰু সমৰ্পণৰ গভীৰ গীত :

“মোক দেখনা কেনে ওহে জগন্নাথ
মই বৰ পাপীৰ পাপী।
সংসাৰ কুপত পৰিয়া তোমাৰ
চৰণে নধৰো চাপি॥
দেৱে নাহি পায় মানৱী হৈবাক
মই পাপী আসিয়া পাইলো।
তোমাৰ ভকতি অমিয়া ত্যজিয়া
বিষয় গৰল খাইলো॥
কত তপসাই নৰ তনু পাই
গোৱাইলো বিষয় ভোলে।
যেন চিন্তামণি অমূল্য ৰতনি
বিকাইলো কাঞ্চন মোলে॥...
আয়ু হালে জালে গৈল পাইলে কালে
প্ৰাণ কোন দিনা পৰে।
যমৰ যাতনা শুনিয়া হৃদয়
কম্পিত ভৈ গৈল বৰে॥...”

ভজন-কীৰ্ত্তন, আলাপ-আলোচনাৰ মাজেদি পবিত্র জগন্নাথ ক্ষেত্রত দিন-ৰাতিৰ পৰিক্ৰমা চলি থাকিল। ৰমানন্দ, হৰিব্যাস আদি অন্যান্য ভক্তসকলৰ লগ লাগি ভকতসকলৰে সৈতে শংকৰদেৱেও হৰি কীৰ্ত্তনৰ আনন্দ-উন্মাদনাৰ মাজেদি দিনবোৰ পাৰ কৰি দিলে। বৃন্দাবনলৈ আকৌ এবাৰ যাবৰ ইচ্ছা আছিল শংকৰদেৱৰ। মাধৱদেৱে তালৈ যোৱাৰ প্ৰয়োজন নোহোৱা বুলি গুৰুজনাক নিৰস্ত কৰিলে।

ক্ৰমে তীৰ্থ ভ্ৰমণৰ সময় উকলি আহিল, আৰু কামৰূপীয়া তীৰ্থযাত্রী-সকল ঘৰমুৱা হ'ল। লগৰ ৰছদ-পাতিও শেষ হৈ আহিছিল, তীৰ্থ-যাত্রীসকল ক্লান্ত-শ্ৰান্তও হৈ পৰিছিল, বহুতকে ঘৰ-বাৰীৰ চিন্তায়ো কিছু বিহ্বল কৰি তুলিছিল। তথাপি তেওঁলোকৰ মনত আছিল আনন্দ—

শংকৰ-মাধৱৰ লগত দেশ-বিদেশ ভ্ৰমণ কৰা, তীৰ্থ ভ্ৰমণ কৰা, অন্য ঠাইৰ ভক্ত-সজ্জনৰ লগত লগলাগি হৰিকীৰ্ত্তন কৰা—এইবোৰ অভিজ্ঞতাই ভকতসকলৰ মনবোৰ বহল আৰু প্ৰশস্ত কৰি তুলিছিল। ভাগৰি-জুগৰি হ'লেও সকলোৱেই আনন্দ মনেৰে তীৰ্থ ভ্ৰমণৰ সামৰণি মাৰি নিজ নিজ ঠাইলৈ উভতি আহিল। মাধৱদেৱ গ'ল গনককুচিলৈ, শংকৰদেৱ ঘূৰি আহিল পাটবাউসীলৈ; অন্যান্য ভকতসকলো ঘৰাঘৰি গ'ল। দ্বিতীয়বাৰ তীৰ্থযাত্ৰাৰ সামৰণি পৰিল।

এৰাএৰি হোৱাৰ সময়ত শংকৰদেৱে লগৰ তীৰ্থযাত্ৰী সঙ্গীসকলক বুজনি দি ক'লে, "ধৰ্ম-জীৱন যাপন কৰিবৰ কাৰণে সংসাৰ ধৰ্ম ত্যাগ কৰাৰ প্ৰয়োজন নাই, সেয়েহে আমি নিজ নিজ ঘৰলৈ উভতি আহিছো। মানুহৰ সংসৰ্গ ত্যাগ কৰি, মানুহৰ মুক্তি চিন্তা কৰি, সমাজ-সংসাৰ এৰি সন্ন্যাসী হৈ বাহিৰ ওলাই গ'লে, সাধাৰণ সংসাৰী মানুহৰ জীৱনৰ সমস্যাবোৰ বুজি পাম কেনেকৈ। সংসাৰ জানিবা এটা খঙাল তেজপিয়া বনৰীয়া বাঘ। বাঘটোৰ লগত নুযুঁজি, ঘৰ-বাৰী এৰি ক'ৰবালৈ পলাই গলেই জানো বাঘটো নোহোৱা হৈ যাব? কন্দলিৰ পাঠশালাত শাস্ত্ৰ ভাগৱত যেনেকৈ পঢ়ালে, পঢ়িলো, যেনেকৈ বুজালে বুজিলো। পিছে দুবাৰ তীৰ্থভ্ৰমণ কৰিবলৈ গলো কিয়? পুথিৰ বিদ্যাই সম্পূৰ্ণ জ্ঞান নিদিয়ে। নিজ চকুৰে নানা তীৰ্থক্ষেত্ৰত ফুৰি আমি বহুত কথা নিজ চকুৰে দেখিলো, বুজিলো।

কোনো কোনো ব্ৰাহ্মণে আমাৰ বিৰোধীতা কৰিলেও, আমাৰ বিৰোধীতা কৰিবলগীয়া নাই। হিন্দু ধৰ্মশাস্ত্ৰবোৰ জানো হেজাৰ হেজাৰ বছৰৰ মাজেদি এই ব্ৰাহ্মণ পণ্ডিত সকলেই বুকুত বান্ধি দেশৰ পৰা দেশান্তৰলৈ কঢ়িয়াই ফুৰা নাই? এই ধৰ্মক অবিকৃত ৰাখিবৰ কাৰণে তেওঁলোকেই জানো নানা বিপৰ্যয়ৰ মাজেদি যুঁজ কৰি অহা নাই? হিন্দু হলেই সকলো হিন্দু ধাৰ্ম্মিক হ'ব বুলি যিদৰে আশা কৰিব নোৱাৰি তেনেকৈ সকলো ব্ৰাহ্মণেই শাস্ত্ৰজ্ঞ পণ্ডিত হ'ব বুলিও আশা কৰিব নোৱাৰি। আমাৰ ব্ৰাহ্মণসকলে ধৰ্ম ৰক্ষা কৰাত নিজক ব্যস্ত ৰাখিছে। ধৰ্ম যে মানৱ সমাজৰ ৰূপান্তৰৰ এক অব্যৰ্থ



আৰু শক্তিশালী অস্ত্ৰ হ'ব পাৰে, সেই কথাও ভাবি চোৱা দৰকাৰ। মানুহ ধৰ্মৰ কাৰণেই জীয়াই নথাকে, ধৰ্মহে মানুহৰ মানুহ হৈ থাকিবৰ কাৰণে প্ৰয়োজনীয় বস্তু। ধৰ্মই মানুহক পিছলৈ টানিলে, ধৰ্মহে পিছ পৰি ৰৈ যাব। মানুহ ৰৈ নথাকে, ধৰ্মক মানুহৰ আগবাঢ়ি যোৱাৰ আৰু নিজকে সলনি কৰাৰ আহিলা কৰি তুলিব নোৱাৰিলে, মানুহ আৰু ধৰ্মৰ মাজৰ সম্পৰ্ক নোহোৱা হৈ যাব। ধৰ্মক সাধাৰণ মানুহে বুজিব নোৱাৰা কিবা যাদু মন্ত্ৰী কৰি ৰাখিলে, সাধাৰণ মানুহ ধৰ্মৰ পৰা আঁতৰি আহিব। ধৰ্মৰ সত্যক কেৱল জ্ঞানী-পণ্ডিত ব্ৰাহ্মণ-সজ্জনৰ মাজতে আৱদ্ধ কৰি ৰাখিলে, ধৰ্মৰ পৰা যাক আঁতৰাই ৰখা যায়, সি আৰু আঁতৰি যাব। ধৰ্মৰ সত্যক ঠেক বন্ধ খালৰ পানী কৰি নৰাখি, পাৰ ভাঙি বোৱাই দিব লাগিব। তেতিয়াহে ই সকলোকে চুই যাব, সকলোকে ঢৌৱাই যাব। হিন্দু ধৰ্ম কেৱল হিন্দুৰ ধৰ্ম হৈ থাকিব, নে মানুহৰ ধৰ্ম হ'ব? ঈশ্বৰ মোৰ আচুতীয়া সম্পত্তি নহয়, ঈশ্বৰ সৰ্ব্বজনৰ আকাঙ্ক্ষাৰ বস্তু। সেই ঈশ্বৰৰ পথ সৰ্ব্বজনৰ জীৱনৰ পথহৈ উঠক, তাৰেই তপস্যা কৰিছো মই। আতৈসকল, আত্মাৰ পথেই ভগৱানৰ পথ—কৃষ্ণ-কৃষ্ণ..."



"তহঁতে মানিবলৈ টান পালে কি হ'ব? মুঠতে ৰজা ৰজাই; মূৰ্খ ৰজাই হওঁক, পণ্ডিত ৰজাই হওঁক। ৰজাৰ সঁজাত নাই। কথাতে কয় বোলে— 'মৰে উৰুলি পুঙা

মৰে পদুলি শুঙা

মৰে অলপ পানীৰ মাছ

মৰে নদীকুলৰ গাছ।'

মই কৈছো তাৰ লগতে তহঁতে ক'ব পাৰ—

'মৰে ৰজাৰ লগা হোৱা
মৰে ৰণৰ আগত য়োৱা'।"

বৃকোদৰ পাঠকে ক'লে। দেখাতে কিবা কথাত পাঠকৰ কোনোবা ৰজাৰ ওপৰত বৰ খং উঠি আছিল। জন্মেজয় দাসে পাঠকৰ খঙৰ কাৰণটো বুজা নাছিল। সেই দেখি সুধিলে, "হেৰা পাঠক, অকল তুমি নামলোৱা বোৰহে মৰেনে, অইনো মৰে। কয় নহয় বোলে—

'মৰে গাঁতৰ বাজৰ কেচু
মৰে খোৰোঙৰ বাজৰ ফেঁচু'।"

"হেৰা, খোৰোঙত ফেঁচু থাকেনে ফেঁচা থাকে? আচল কথা জুইতো সজাঁত নাই, চল পালেই পোৰে; পানীতো সজাঁত নাই, ঢল আহিলেই বুৰে। বায়ুত সঁজাত নাই, হেঁচি ভাঙে বাসা; ৰজাত সঁজাত নাই, সদা সৰ্ব্বনাশা"—বৃকোদৰে ক'লে।

"কথাবোৰ সাজি কৈছাহে। কোন ৰজাইনো তোমাৰ কি কি কৰিলে? ইমান যে শাওপাত দিছা?" জন্মেজয়ে ক'লে।

"আমি শাওপাত দিলে কি হ'ব? নেফাপে, যি শাও দিব লাগে সি আকৌ দিয়ে আশীৰ্ব্বাদ। শিচ-ভকত লৈ শংকৰ গুৰু তীৰ্থভ্ৰমণ কৰি আহিল। হৰি নাম লৈ নিজৰ ভাগে আছে। কাৰনো পানীখোৱা পুখুৰীত বিহ ঢালিছে? চকু চৰহাহঁতে গুৰুজনাৰ সেইকণ সুখো চকু পাৰি দেখিব নোৱাৰে। কোচৰ ৰজাক গোচৰ দিছেগৈ বোলে শংকৰদেৱে ধৰ্ম্ম নষ্ট কৰিছে, ধৰ্ম্মৰ বিপৰীত কথা মানুহবোৰক শিকাইছে, বিচাৰ হ'ব লাগে। নৰনাৰায়ণ ৰজাও পণ্ডিত মানুহ, শাস্ত্ৰত কি আছে নাছে, নিজেই জানে। তথাপি গুৰুজনাৰ সুখ-শান্তি সহ্য কৰিবলৈ টান পোৱা এদলে দিনে-ৰাতিয়ে লগাই আছে, বোলে শংকৰদেৱে বেদ নামানে, গীতা-ভাগৱত নামানে, যাগ-যজ্ঞ, পিতৃ-শ্ৰাদ্ধ কৰিব নালাগে বুলি কয়। এনেকৈ শংকৰদেৱে বোলে ধৰ্ম্ম নষ্ট কৰিছে, ৰাইজখনক বিপথে নিছে, অধৰমী কৰিছে। সেইদেখি বোলে ৰাজচ'ৰাত বিচাৰ কৰিব লাগে। ৰজাও দেৱী পূজা কৰা শাক্ত মানুহ। লগনীয়াহঁতৰ এনেবোৰ কথাতে পতিয়ন



গৈ বোলে খণ্ডত একো নাই হৈ ৰজাই শংকৰদেৱৰ বিচাৰ কৰো বুলি কোচবিহাৰৰ ৰাজসভালৈ মতাই পঠিয়াইছে। প্ৰজাৰ ধৰ্ম্ম নষ্ট হ'লে ৰজাক পাপে চুব, সেয়েহে বোলে শংকৰদেৱে কি শিকাইছে, কি বুজাইছে সেই কথা ৰাজসভাত জনাবৰ কাৰণে ৰজাৰ আগত হাজিৰ কৰিবলৈ হুকুম দিছে। লগনীয়াহঁতৰ কথাতে হঁয়ভৰ দি নৰনাৰায়ণ ৰজাই বোলে গুজৰি আছে: 'শংকৰক মোৰ আগত হাজিৰ কৰ। সি মোৰ প্ৰজাৰ ধৰ্ম্ম লোপ পোৱাইছে। মোৰ ৰাজ্যত এনেবোৰ অনাচাৰ হ'বলৈ দিব নোৱাৰো। দোষী বুলি প্ৰমাণ হ'লে মই শংকৰক শুদাই নেৰো। কাটি হেঙাল কুকুৰক খুৱাম। তাৰ গাৰ মঙহ ডামামা ছোৱাম, তাৰ হাড় ঢোলৰ মাৰি কৰি তাৰে ঢোল-বজোৱাম।'—কোনো বিচাৰ নৌ লওঁতেই টুটকীয়াৰ কথাতে নৰনাৰায়ণ হেন এজন জনাবুজা ৰজাই শংকৰদেৱ হেন এজন বৃদ্ধ জ্ঞানী ধৰ্ম্মপ্ৰাণ গুৰুৰ বিষয়ে এনেদৰে ক'ব পায়নে?"

জন্মেজয়ে ক'লে, "এৰা, কথাবোৰ আমিও শুনিছো। এইবোৰ ভাল কথা নহয়। ৰজাৰ মুখত এনে কথা শোভা নেপায়। সঁচা হয় যদি আহোমৰ দেশত থাকিল, তাতো সেই। কোচৰ দেশলৈ আহিল ইয়াতো সেই। যিবোৰে ধৰ্ম্মৰ বেপাৰ কৰে, সিহঁতৰ বেপাৰত কেনিবা লোকচান হয় বুলি এইবোৰ টুটকীয়া কথা লগায়। পিছে মই কৈছো শংকৰ গুৰুৰ ভয় কৰিবলগীয়া নাই। ৰাইজখন তেওঁৰ লগত আছে, সত্য তেওঁৰ লগত আছে। হাতীৰ গালৈ তৰাৰ ফমুঠি মাৰি একো কৰিব নোৱাৰে চাবা।"

"নাই নাই, ৰজাত সঁজাত নাই। কিমান দিননো হৈছে এবেলি মতাই নিয়াই শোধ-পোচ নাই কৰানে কিবা? তেওঁৰ হতুৱাই বৃন্দাবনী কাপোৰ বোৱাই লোৱা নাইনে কিবা? বৃন্দাবনী কাপোৰখনতো চকু চৰহাহঁতে খুট উলিয়াইছিল। পিছে নৰ্ব্বাজল। সেই একেজনেই মানুহ শংকৰদেৱ। এই বুঢ়া বয়সত দ্বিতীয় বাৰলৈ তীৰ্থও কৰি ঘূৰি আহিলগৈ। তেওঁনো গুৰুজনালৈ ইমান ভয়নে? গুৰুজনাই ৰজাৰ ৰাজপাটৰ ভাগ বিচাৰিবনেকি? এবেলি পাটবাউসীৰ বাৰভূঞাৰ পদ যাচিলে, এতিয়া আকৌ ধৰাই নি গাৰ ছাল বখলিয়াই বোলে ডামামা

ৰাজ্যৰ অন্তৰ্গত কামাখ্যা মন্দিৰৰ মূৰ্ত্তি আৰু হাজোৰ মন্দিৰৰ মূৰ্ত্তি-বোৰ ভাঙি খান্তা কৰিলে। এইটো অঞ্চল তেতিয়া আছিল কোচ ৰাজ্যৰ অন্তৰ্গত।

কালাপাহাৰ কিন্তু কামৰূপত ৰাজ্য পাতি স্থায়ীভাৱে নৰ'ল। উৰিষ্যাত হোৱা বিদ্ৰোহ দমন কৰিবৰ কাৰণে কোচ ৰাজ্য এৰি সসৈন্যে কালাপাহাৰ গৌড়লৈ ঘূৰি গ'ল।

ইতিমধ্যে চিলাৰায় গৌড়ৰ ৰজাৰ বন্দীশালৰ পৰা মুক্ত হৈ আহিল। ১৫৭৬ খৃষ্টাব্দত আকবৰৰ মোগল সৈন্যই চুলেইমান কাৰ্ৰাণীৰ মৃত্যুৰ পিছত ৰজা হোৱা দাউদৰ গৌড় ৰাজ্য আক্ৰমণ কৰিলে। এইবাৰ নৰনাৰায়ণে নিজৰ ফালৰ পৰা গৌড়ৰ বিৰুদ্ধে চিলাৰায়ক পঠিয়ালে যুদ্ধ কৰিবলৈ। মোগল আৰু কোচৰ যুটীয়া আক্ৰমণত গৌড়ৰ অধিপতি দাউদ তিষ্ঠিব নোৱাৰিলে। তেওঁ পৰাস্ত হ'ল। বিজয়ী মোগল সৈন্যই দাউদৰ শিৰচ্ছেদ কৰিলে।

এই সূত্ৰতে দিল্লীৰ মোগল সম্ৰাটৰ লগত কোচ ৰজা নৰনাৰায়ণৰ মিত্ৰতা গঢ়ি উঠিল। বন্ধুত্বৰ চিন স্বৰূপে মহাৰাজ নৰনাৰায়ণে সম্ৰাট আকবৰলৈ চৌৱন্নটা হাতীৰে সৈতে বহুত মূল্যবান উপহাৰ-বস্তু পঠিয়াই মিত্ৰতা দৃঢ় কৰিলে।

প্ৰথমবাৰ গৌড় জয়ৰ অভিযান কৰি চিলাৰায় বন্দী হৈছিল। দ্বিতীয় বাৰ জয়ী হৈছিল, আকবৰৰ সৈন্যৰ লগলাগি যুদ্ধ কৰাৰ ফলত। কিন্তু ইয়াৰ পিছত চিলাৰায় বেছি দিন জীয়াই নাথাকিল।

শংকৰদেৱৰ ভতিজা জীয়েক ভুবনেশ্বৰীৰ উপৰিও চিলাৰায়ৰ আৰু কেইবাগৰাকীও ৰাণী আছিল। গৌড়ৰ নৱাবৰ মাকক আৰোগ্য কৰি বন্দীশালৰ পৰা মুক্তি পোৱাৰ লগতে নৱাবৰ ছোৱালী এজনীও চিলাৰায়ে লাভ কৰিছিল। এই নবাবজাদীৰ যৌতুকত ছেৰপুৰ, ভিতৰবন্দ, বাহিৰবন্দ আদি কিছুমান ঠায়ো লাভ কৰিছিল।

দেখদেখ কথা, মহাৰাজ নৰনাৰায়ণৰ ৰাজ্যবিস্তাৰ আৰু প্ৰতিষ্ঠাৰ মূলত আছিল ভায়েক সেনাপতি চিলাৰায়। বিশ্বসিংহৰ দিনতে ব্ৰহ্মপুত্ৰৰ উত্তৰৰ ভূঞাসকলৰ সৰু সৰু ৰাজ্যবোৰ কোচ ৰাজ্যৰ অধীনস্থ



হৈ পৰিছিল। বিবাহ-সূত্ৰে চিলাৰায় এহাতে বৈষ্ণৱ গুৰু শংকৰদেৱৰ আত্মীয় আৰু শৰণ লৈ ভকত হোৱাৰ পিছত নিজ গুৰুৰ ৰক্ষকৰ দায়িত্বও চিলাৰায়ে কৰ্ত্তব্য বুলিয়ে লৈছিল। আনহাতে, গৌড়ৰ নবাব পৰিয়ালৰ লগতো বৈবাহিক সম্পৰ্ক প্ৰতিষ্ঠিত হোৱাত সেই ফালৰ পৰাও বিবাদ বিৰোধৰ পৰিমাণ কমি আহিছিল। মোগল-সম্ৰাটৰ লগত নৰনাৰায়ণৰ মিত্ৰতাৰ ফলস্বৰূপেও বৃহত্তৰ ৰাজশক্তিৰ পৰা ক্ষতিৰ আশংকা নোহোৱা হৈছিল।

কিন্তু দিগ্‌বিজয়ৰ অভিযানত ব্যস্ত থকাৰ কাৰণে চিলাৰায় ৰাজ্য শাসনৰ দায়িত্ব ককায়েক নৰনাৰায়ণৰ ওপৰতে ন্যস্ত কৰিবলগীয়া হৈছিল। আৰু কোচ ৰাজ্যৰ অধিপতি হিচাপে আৰু প্ৰশাসক হিচাপে প্ৰজা পালন আৰু ৰাজ্যৰ সমস্যাবোৰৰ সমাধান ৰজা নৰনাৰায়ণেই কৰি যাবলগীয়া হৈছিল। অৱশ্যে চিলাৰায়ৰ দিহা-পৰামৰ্শক ৰজা নৰনাৰায়ণে অগ্ৰাহ্য কৰিব নোৱাৰিছিল, কাৰণ চিলাৰায় এজন বিচক্ষণ সেনাপতি আৰু যোদ্ধাই নাছিল, তেওঁ এজন শিক্ষিত আৰু ধৰ্মপ্ৰাণ পুৰুষো আছিল আৰু এই কাৰণেই শংকৰদেৱক ৰক্ষণাবেক্ষণ দি মানে-সন্মানে ৰখাটো নিজৰ কৰ্ত্তব্য বুলি বিবেচনা কৰি কৰিছিল। চিলাৰায়ৰ ওপৰত শংকৰদেৱৰো সম্পূৰ্ণ আস্থা আছিল। নৰনাৰায়ণে শংকৰদেৱক ৰাজ-সভালৈ মতাই পঠিয়ালে। যাবলৈ শংকৰদেৱ মান্তি হ'ল। তথাপি, নিজৰ ককায়েক যদিও, নৰনাৰায়ণৰ হাতত কিবা প্ৰকাৰে শংকৰদেৱৰ কিবা ক্ষতি হয় বুলি চিলাৰায়ে শংকৰদেৱক ৰাজসভালৈ পঠোৱাৰ পূৰ্ব সৰ্ত হিচাপে ৰজাৰ স্নেহভাজন এজন লোকক চিলাৰায়ৰ ওচৰত জামিন ৰাখিবলৈ ক'লে। নৰনাৰায়ণে তাত সন্মতি নজনাই নোৱাৰিলে। আৰু ৰজাৰ ঠাইলৈ গৈ শংকৰদেৱে কেনে ব্যৱহাৰ পাইছে বা তাত তেওঁৰ কি হৈছে নহৈছে খবৰ দি থাকিবৰ কাৰণে ঘোঁৰাৰ ডাকৰ ব্যৱস্থা কৰিলে। কোনোপধ্যে চিলাৰায়ে শংকৰদেৱৰ প্ৰতি থকা তেওঁৰ দায়িত্ব আৰু কৰ্ত্তব্য লাঘৱ আৰু ক্ষুণ্ণ হ'বলৈ নিদিলে।

যিজন মানুহৰ কাৰ্য্যকলাপক বিৰোধীসকলৰ প্ৰৰোচনাত নৰনাৰায়ণে সন্দেহৰ চকুৰে চাবলৈ লৈছিল, সেইজন মানুহকে নিজ ভায়েক চিলাৰায়ে

হিংসা থাকে তাত প্ৰেম থাকিব নোৱাৰে, য'ত ভক্তি-শ্ৰদ্ধা, সকলোৰে প্ৰতি সমভাব নেথাকে, তাত প্ৰেম আৰু ন্যায় থাকিব নোৱাৰে। য'ত গৰ্ব্ব অহংকাৰ থাকে, তাত সমতা আৰু মৈত্ৰী থাকিব নোৱাৰে। য'ত অনুষ্ঠানহে আছে, আন্তৰিকতা নাই তাত প্ৰকৃত ধৰ্ম্ম নাই। দেৱ-দেৱীৰ মূৰ্ত্তি, জড়-বস্তুৰ পূজা বহু দেৱতাৰ পূজাৰ মাজত সাধাৰণ মানুহে একমেৱাদ্বিতীয়ম পৰম ঈশ্বৰৰ একত্বৰ ধাৰণা হেৰুৱাই পেলায়।

এই সৃষ্টি বিষ্ণুময়। ইয়াকে বুজি, উপলব্ধি কৰি সেই নিৰাকাৰ, নিৰ্গুণ, অনন্ত আৰু শাশ্বত ভগৱানৰ পূজা-আৰাধনা কৰাই ধৰ্ম্ম। ভগৱানে ভক্তৰ অন্তৰৰ ভক্তিহে বিচাৰে, ভোগ-নৈবেদ্য নিবিচাৰে।

মই সকলো মানুহৰ এখন সমাজ বিচাৰিছো, এখন বৈষ্ণৱ সমাজ বিচাৰিছো, এখন মানুহৰ সমাজ বিচাৰিছো। বেদ-পুৰাণৰ, গীতা-ভাগৱত, বেদান্ত দৰ্শনৰ জটিল কথাবোৰ সাধাৰণ মানুহে সহজে বুজিব পৰাকৈ তেওঁলোকৰ ভাষাতেই ৰচনা কৰি সকলোৰে আগত দাঙি ধৰিছো। মোৰ সহযোগী মাধৱ, দামোদৰ, অনন্ত কন্দলি আদি পণ্ডিত সকলেও নিজৰ নিজৰ ভাগে তেনে কাম কৰাত লাগি আছে। জানোতাই অজ্ঞনা-জনক জনোৱাটো ধৰ্ম্ম। ভুলকৈ জনোৱাটো বা বেয়াকৈ বুজোৱাটো অধৰ্ম্ম, আনক শুদ্ধকৈ বুজাব-শিকাব লাগিলে, শিকাওঁতাজনে নিভুৰ্লকৈ জানিব লাগে। জ্ঞানৰ শত্ৰু কাহানিও জয়ী হ'ব নোৱাৰে, সত্যৰ শত্ৰু কাহানিও জয়ী হ'ব নোৱাৰে। প্ৰেমৰ শত্ৰুও কাহানিও জয়ী হ'ব নোৱাৰে। মোৰ ধৰ্ম্ম আনৰ বিৰুদ্ধে যুঁজাৰ ধৰ্ম্ম নহয়, আনক বাধ চপাই আনি নিজৰ কৰি লোৱাৰ ধৰ্ম্ম। ঘৃণাই ঘৃণাৰ জন্ম দিয়ে, প্ৰেমে প্ৰেমৰ জন্ম দিয়ে। হিংসাক প্ৰেম আৰু অহিংসাৰেহে নিবৃত্ত কৰিব পাৰি, হিংসাৰে নোৱাৰি।

মহাৰাজ আৰু সজ্জনসকল! মোৰ এটা সৰু স্বপ্ন আছে: মোৰ জন্মভূমি এই ভাৰতবৰ্ষক এক প্ৰেমৰ ৰাঙ্গোনেৰে বান্ধি, ভাতৃত্বৰ দোলেৰে বান্ধি এখন সুন্দৰ, ঐক্যবদ্ধ, প্ৰেমময় দেশ কৰি গঢ়ি তোলা। মোৰ এই পৰ্ব্বত-নৈ-অৰণ্যৰ মাজত শান্তিৰে জীৱন নিৰ্ব্বাহ কৰি থকা সমগ্ৰ মানুহ খিনিক এক সহজ আধ্যাত্মিক আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰি মানৱ জীৱনৰ মহত্ব হৃদয়ঙ্গম কৰাত সহায় কৰা। তাৰ কাৰণে লাগে



এটা শান্তিপূৰ্ণ পৰিৱেশ, লাগে এটা সকলোৱে বুজিব পৰা ভাষা, লাগে এক শক্তিশালী ঐক্য আৰু সমন্বয়, আৰু লাগে এক বিষ্ণুময় চেতনা।

তাকে সফল কৰি তুলিবৰ কাৰণেই সাধাৰণ মানুহে সহজে পালন কৰিব পৰা একশৰণ নাম ধৰ্ম্ম ৰাইজলৈ আগবঢ়াইছো। ঈশ্বৰৰ নাম লোৱাত জাতি বিচাৰৰ ঠাই নাই, উচ্চ-নীচৰ ঠাই নাই, ধনী-দুখীয়াৰ ঠাই নাই। ভক্তিভাৱেৰে হৰিনাম ল'লে নামৰ মাহাত্ম্য উপলব্ধি হয়, নামকে, হৰিৰ নাম কীৰ্ত্তনকে পূজা বুলি ললে তাতে ভক্তি ওপজে। মানৱ-প্ৰেম বাদ দি ভগৱদ প্ৰেমৰ কথা ভাবিব নোৱাৰি। সমগ্ৰ বসুধাখনকে নিজৰ আপোন কৰি ল'ব পাৰিলে হাই-খৰিয়াল, কটা-মৰা, যুদ্ধ-বিগ্ৰহ নোহোৱা হ'ব। দেশত, সমাজত শান্তি নেথাকিলে, মানুহ শান্তিত থাকিব নোৱাৰে। মানৱ প্ৰেমে শান্তিৰ পথ ৰচনা কৰে। জনা বুজা হোৱাৰে পৰা মোৰ ক্ষুদ্ৰ শক্তিৰে মই যি সংগ্ৰাম কৰি আহি জীৱনৰ শেষ প্ৰান্তত বৈছোহি, সেই সংগ্ৰাম হ'ল সমাজৰ নীহ বুলি, পতিত বুলি, অস্পৃশ্য, অন্ত্যজ বুলি যিখিনি মানুহ যুগে যুগে বঞ্চিত, উপেক্ষিত, অৱহেলিত আৰু লাঞ্ছিত হৈ আহিছে, মানুহ হৈও যিখিনি মানুহে মানুহৰ মৰ্য্যাদা আৰু অধিকাৰ পোৱা নাই সেইখিনি মানুহক তেনে অৱস্থাৰ পৰা উদ্ধাৰ কৰা, তেওঁলোকক আনৰ সমানে মৰ্য্যাদা দান কৰা, তেওঁলোকক মানুহৰ প্ৰিয়পাত্ৰ আৰু ভগৱানৰ প্ৰিয়পাত্ৰ কৰি তোলা। তাৰেই সংগ্ৰাম আৰু সাধনা কৰি মই জীৱনৰ দিনবোৰ কটালো আৰু যিকদিন এই পৃথিৱীত থাকো, মোৰ জীৱনৰ, মোৰ জীৱনৰ সেই সৰু স্বপ্নটি সফল কৰি তুলিবৰ কাৰণেই সংগ্ৰাম কৰি যাম। দোষ হ'লে ঈশ্বৰ আৰু মানুহে ক্ষমা কৰিব, ভুল হ'লে শুধৰাই দিব আৰু কাৰোবাৰ যদি কিবা অপৰাধ লগাইছো তাৰ কাৰণে জগৰ নধৰি মোৰ দেহ-মনত লগা বালি-ধূলি ধুই মচি নিকা কৰিবলৈ শুদ্ধ সৎ ভকতসকলৰ মৰমৰ মাজত অকণ ঠাই দিব। সদৌ নৰৰূপী নাৰায়ণলৈ মই প্ৰণাম আৰু সেৱা জনাইছো।"

কথাখিনি শান্তভাৱে কৈ শংকৰদেৱে সকলোৰে ফালে এবাৰ চকু ফুৰাই চালে। উপস্থিত সকলোৱে তেওঁৰ কথা নীৰৱে শুনি আছিল, কোনেও

মুখেৰে এষাৰ মাতো মতা নাছিল, লৰচৰো কৰা নাছিল। আনকি
অভিযোগকাৰী ব্ৰাহ্মণসকলেও মনোযোগেৰে শংকৰদেৱৰ কথাখিনি শুনি
আছিল এই বয়সস্থ, আত্মস্থ মানুহজনক অপদস্থ কৰিবৰ চেষ্টা কৰি তেওঁ-
লোক যেন নিজেই অপৰাধী হৈছে, তেনে অনুভৱ কৰিছিল তেওঁলোকে।

শংকৰদেৱে আসন লোৱাত মহাৰাজ নৰনাৰায়ণে ৰাজকীয় গাম্ভীৰ্য
ৰক্ষা কৰি গহীনকৈ ক'লে, "শংকৰদেৱৰ সম্পৰ্কে অন্যান্যৰ পৰা আৰু
মোৰ ভাই চিলাৰায়ৰ পৰা মই যিবোৰ কথা অতীদনে শুনি আহিছিলো,
আজি তেওঁৰ নিজ মুখৰ পৰা শুনি তেওঁৰ বিষয়ে মোৰ ধাৰণা আৰু মুকলি
হ'ল। মই জানো শংকৰদেৱ এজন বিদগ্ধ শাস্ত্ৰজ্ঞ পণ্ডিত, এজন কবি,
এজন গীতিকাৰ, গায়ক, এজন নৃত্য-গীত-বাদ্যৰ কুশলী শিল্পী, এজন
নাট্যকাৰ, এজন অভিনেতা, এজন চিত্ৰশিল্পী, এজন বয়ন শিল্পৰো ওজা।
আপুৰুগীয়া নাট-গীত-বাদ্যেৰে তেওঁ আমাৰ সাধাৰণ মানুহৰ মনতো
ভগবদ্ প্ৰেমৰ জোৱাৰ তুলিছে। এইবোৰ ব্যক্তিগত গুণৰ উপৰিও তেওঁ
এখন নতুন সমাজ গঢ়িবলৈ চেষ্টা কৰি থকাৰ কথা নিজ মুখেৰেই এতিয়াই
ব্যক্ত কৰিলে। এনে এজন সৰ্বগুণী ধৰ্মগুৰু আৰু সমাজ সংস্কাৰকক
আমাৰ মাজত পাই আমি আনন্দ আৰু গৰ্ব অনুভৱ কৰিছো।

শংকৰদেৱক আমাৰ ইয়াতে সসম্মানে ৰখা হ'ব। যিসকলে তেওঁৰ
লগত ধৰ্ম আলোচনা কৰিব খোজে, কিবা তৰ্কবাদ কৰিব খোজে
মুকলিভাৱে ৰাজসভাতে কৰিব পাৰিব। আমিও পৰাপক্ষত তেনে
আলোচনাত ভাগ ল'ম। শংকৰদেৱ আমাৰ ৰাজসভাৰ প্ৰধান ৰাজকবি
হ'ব। নাট্য-কাব্য ৰচনাত তেওঁক সকলো প্ৰকাৰে সহায় আগবঢ়োৱা হ'ব।
কোনোবাই শংকৰদেৱৰ বিষয়ে মিছা অপপ্ৰচাৰ চলালে দণ্ডণীয় হ'ব।
আজিলৈ সভা সামৰা হ'ল। কালিলৈ আকৌ আলোচনা হ'ব।"
নৰনাৰায়ণ যাবলৈ উঠিল। হঠাৎ বাহিৰত ৰৈ থকা ভকতসকলে হৰি-
ধ্বনি দি উঠিল, "জয় ৰাম বোলা, জয় হৰি বোলা !"

বেৰৰ সিপাৰে থকা নাৰীসকলৰ কণ্ঠৰ পৰাও একেই সুৰৰ হৰিধ্বনি
শুনা গ'ল, "অ' হৰি, অ' ৰাম।"...

ৰজা নৰনাৰায়ণ ভিতৰলৈ সোমাই গ'ল। লাহে লাহে ভেটিৰ পৰা



এখোজ এখোজকৈ নামি শংকৰদেৱো আহি সমতল পালেহি, আৰু 'কৃষ্ণ
কৃষ্ণ' বুলি তাৰ পৰা লাহে লাহে বাহিৰ ওলাই আহিল।

এখন যুদ্ধত যেন সত্য আৰু ন্যায়ৰ জয় হ'ল, হিংসা, ঈৰ্ষা আৰু
বৈৰিতাৰ পৰাজয় হ'ল। শংকৰদেৱৰ চকু মুখত এটা সৌম্য, শান্ত
হাঁহিৰ ৰেখা বিয়পি পৰিল।...



পিছদিনাও ৰাজসভাত শংকৰদেৱৰ ধৰ্ম লৈ কামৰূপীয়া পণ্ডিত-
সকলৰ বাদানুবাদ হ'ল, তৰ্ক হ'ল।

তাৰ পিছদিনাও।

তাৰ পিছদিনাও।

নিতৌ আলোচনা হ'ব ধৰিলে। যুক্তি তৰ্কত হৰুৱাবৰ কাৰণে
ভাটিৰ পৰাও শাস্ত্ৰজ্ঞ পণ্ডিতৰ দলক অনা হ'ল। নানান পুথি-পাঁজি
অনা হ'ল। একালে বৃদ্ধ শংকৰদেৱ, আনফালে যুদ্ধং দেহি মনো-
ভাবেৰে তৰ্কবাদ কৰিবলৈ সাজু থলুৱা আৰু পৰুৱা পণ্ডিতসকল।
মাজে মাজে যুক্তি তৰ্কেৰে নোৱাৰি, পণ্ডিতৰ দলৰ কোনো কোনোৱে
হাত কোচাই কঁকালত টঙালি টানকৈ বান্ধি লম্ফ-জম্ফ কৰি শাৰীৰিকভাৱে
যুঁজিবলৈকে আহিল শংকৰদেৱৰ লগত। ৰজাই তেওঁলোকক বাধা দি
নিৰস্ত কৰে, শংকৰদেৱ শান্ত, স্থিৰ নিৰ্বিকাৰ। তেওঁ সৰ্বশাস্ত্ৰজ্ঞ।
তেওঁৰ যুক্তিৰ আগত প্ৰতিপক্ষৰ দাম্ভিক পণ্ডিতসকলে হাৰ মানে।
নৰনাৰায়ণৰ ৰাজসভা নিতৌ আবেলি এক ধৰ্মসভালৈ পৰিৱৰ্ত্তিত হয়।

এনে আলোচনা তৰ্ক যুদ্ধৰ মাজেদি তিনিমাহ পাৰ হৈ গ'ল।

অৱশেষত ভাটিৰ আৰু কামৰূপৰ পণ্ডিতসকলে শংকৰদেৱৰ ওচৰত
পৰাজয় স্বীকাৰ কৰিলে। একশৰণ ভাগৱতী ধৰ্মৰ, নামধৰ্মৰ যথাৰ্থতা
আৰু বৈশিষ্ট্য স্বীকৃত হ'ল। শংকৰদেৱৰ শাস্ত্ৰজ্ঞান, যুক্তি, বুদ্ধি আৰু

বিচাৰক অন্যসকলে স্বীকাৰ কৰিলে। সনাতন বৈদিক হিন্দু ধৰ্মৰ নতুন মূল্যায়ণ আৰু গণতান্ত্ৰিক নব্য মানৱতাবাদৰ শ্ৰেষ্ঠতা স্বীকৃত হ'ল।

মহাৰাজ নৰনাৰায়ণ শংকৰদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্বত মুগ্ধ হ'ল। পণ্ডিতসকলৰ আস্ফালন উত্তেজনাৰ অন্ত পেলাই নৰনাৰায়ণে শংকৰদেৱক বহু মূল্যবান উপহাৰ আৰু মাননি দি, সোণৰ গুণাৰে ফুলবছা এটা মূল্যবান চোলাও মাননি হিচাপে দি অৱশেষত সসম্মানে নিজ বাসস্থান পাটবাউসীলৈ ঘুৰাই পঠিয়ালে। তেওঁ পৰিয়াল আৰু ভকতসকলৰ মাজলৈ আকৌ ঘূৰি আহিল—এক দীঘলীয়া ৰণৰ বিজয়ী যোদ্ধা হিচাপে।

নৰনাৰায়ণৰ ৰাজসভাত ধৰ্মচৰ্চা আৰু বাদানুবাদ কৰি কটোৱা সময়খিনি অথলে যোৱা বুলি তেওঁ নধৰিলে। বহু কথা আলোচনা কৰাৰ আৰু বহু কথা যুক্তিৰে নতুনকৈ জুখি চোৱাৰ সুযোগ দিলে এই তৰ্ক-বিতৰ্ক আৰু আলোচনা-সমলোচনাবোৰে। আৰু তেওঁ প্ৰৱৰ্ত্তন কৰা মতবাদৰ শক্তি আৰু যুক্তিযুক্ততা অপ্ৰমাদী আৰু অকাট্যভাবে প্ৰমাণিত হোৱাত তেওঁৰ মনোবল আৰু বৃদ্ধি পালে। শংকৰদেৱৰ জয়ে ভকতসকলৰ মনলৈ আত্মবিশ্বাস আৰু মনোবল ঘূৰাই আনিলে।

কিন্তু পাটবাউসীলৈ ঘূৰি আহি শংকৰদেৱ বহি নেথাকিল। এতিয়া ৰাজৰোষৰ অন্ত পৰিছে। ৰজাঘৰ এতিয়া তেওঁৰ প্ৰতি সদয়। প্ৰতিদ্বন্দ্বী আৰু বিৰোধীসকলৰ হিংসা-ঈৰ্ষা-বৈৰিতাইও শাম কাটিছে। নতুন নতুন লোক আহি নামধৰ্মত দীক্ষিত হৈছেহি। ভকতৰ সংখ্যা দিনে দিনে বাঢ়িছে। চিলাৰায়ৰ পৰা পাইছে ৰক্ষণাবেক্ষণ আৰু পৃষ্ঠপোষকতা। লগত এদল নিষ্ঠাবান ভকত আৰু কবি-সাহিত্যিক-গায়ক-গীতিকাৰ—মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী, দামোদৰদেৱ, হৰিদেৱ, নাৰায়ণ ঠাকুৰ, চান্দসাঁই, কোৱোলা বাঢ়ৈ, বুঢ়া দলৈ আদি অনেক বিশিষ্ট লোক।

ভয়-শংকা-মুক্ত এটা বাতাৱৰণত পাটবাউসীয়ে এসময়ৰ বৰদোৱাৰ দৰে সাহিত্য কৰ্মৰ গীত-নাট ৰচনাৰ এক নতুন ক্ষেত্ৰ আগবঢ়ালে। ইয়াতেই শংকৰদেৱে তেওঁৰ কাব্য-নাট আদি ৰচনাৰ কামত আত্মনিয়োগ কৰাৰ শেষ সুযোগ গ্ৰহণ কৰিলে। তেওঁ মাজে-মাজে কোচবিহাৰলৈ গৈ থাকে, মাজে মাজে চিলাৰায়ৰ বাসস্থান ফুলবাৰীলৈও যায়। বাকী চোৱা সময়



পাটবাউসীত থাকে। ইয়াতে কীৰ্ত্তন-ঘোষাৰ শেষ ভাগ, দশম স্কন্ধ ভাগৱতৰ আদি ভাগ অসমীয়ালৈ কাব্যানুবাদ কৰিলে শংকৰদেৱে। ইয়াতেই কেইবাখনিও অংকীয়া নাটো ৰচনা কৰিলে। এই সময় চোৱাৰ ভিতৰতে পাটবাউসীতে ৰচিত হয় ভাগৱতৰ প্ৰথম, দ্বিতীয়, নৱম, একাদশ আৰু দ্বাদশ স্কন্ধ। ৰচনা কৰা হয় অনাদিপাতন, বলিছলন, নিমিনৱসিদ্ধ সংবাদ, কুৰুক্ষেত্ৰ, ৰামায়ণৰ উত্তৰাকাণ্ড। ইয়াৰ উপৰিও ভক্তিৰত্নাকৰ এইসময়ৰে ৰচনা। গণককুচিত থাকি কিন্তু নিতৌ পাটবাউসীলৈ আহি গুৰুজনাৰ লগত আলাপ-আলোচনা কৰি মাধৱদেৱেও গীত-নাট ৰচনা কৰি যাব ধৰিলে। এক নতুন প্ৰেৰণা আৰু নতুন উদ্যমেৰে সকলোৱে একশৰণ নামধৰ্মক শক্তিশালীভাৱে প্ৰচাৰ-প্ৰতিষ্ঠা কৰাৰ কামত সানন্দে আত্মনিয়োগ কৰি গ'ল।

আঢ়ৈ বছৰ কাল এনেদৰে ধৰ্ম আৰু সাহিত্য চৰ্চাত কাটি গ'ল। অৱশেষত মাধৱদেৱক 'শক্তি-ভক্তি-বল-পৰাক্ৰম' আৰু মালা দি পন্থৰ উত্তৰাধিকাৰী পাতি, শংকৰদেৱে পাটবাউসীত পত্নী-পুত্ৰ আৰু পৰিয়াল-পৰিজনক থৈ গনককুচি হৈ বিহাৰলৈ নাৱেৰে যাত্ৰা কৰিলে। চিলাৰায়ৰ ঘাটত নাও বান্ধিলে আৰু ব্যৱস্থা কৰি দিয়া মতে চিলাৰায়ৰ ফুলবাৰীতে বাসা বান্ধি থাকিবলৈ ললে। তাৰে পৰা মাজে মাজে ৰজা নৰনাৰায়ণৰ লগত সাক্ষাৎ কৰেগৈ। শংকৰদেৱৰ গুণ-গৰিমাৰ কথা নৰনাৰায়ণে ভালকৈ উপলব্ধি কৰিছিল। এতিয়া তেওঁ শংকৰদেৱৰ ওচৰত ভক্তি-ধৰ্ম গ্ৰহণ কৰাৰ, শৰণ লোৱাৰ ইচ্ছাৰ কথা শংকৰদেৱক ব্যক্ত কৰিলে।

ৰাজ-অনুৰোধ প্ৰত্যাখান কৰাটো সহজ কথা নহয়; তথাপি শংকৰদেৱে ৰজা নৰনাৰায়ণক সম্ভ্ৰমেৰে বুজাই ক'লে, "মহাৰাজ আপোনাৰ প্ৰজাসকলৰ মাজত বহু ধৰ্ম-মতাৱলম্বী প্ৰজা আছে। বিভিন্ন দেৱ-দেৱীৰ পূজাৰ প্ৰচলন-প্ৰাদুৰ্ভাৱ আছে। একশৰণ নাম ধৰ্মত দীক্ষিত হ'লে আপুনি প্ৰজাৰ ধৰ্মকাৰ্য্যৰ লগত যোগাযোগ কৰাত অসুবিধা হ'ব। আৰু মযো ৰজা, যাজক, ব্ৰাহ্মণ, স্ত্ৰী আৰু সূচকৰ গুৰু নহও বুলি কৈছো।"

ৰজা নৰনাৰায়ণে তথাপি খাটনি ধৰিলে যেন শংকৰদেৱে তেওঁক শৰণ দিয়ে। ৰাজ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি শংকৰদেৱে নৰনাৰায়ণ

পৰা। আকৌ অনুভৱ কৰোঁ যেন দুখ-বেদনাৰ মাজেদিয়েই তুমি মোক তোমাৰ কাষ চপাই লৈ গৈ আছা। মোৰ হৃদয়ৰ অন্ধকাৰৰ মাজত মই তোমাৰ অনন্ত পোহৰৰ জগতৰ অকণমান এটি ফিৰিঙতি বিচাৰিছিলো, সেই পোহৰৰ লগত মোৰ চিনাজনা হ'লনে নাই মই নেজানো। এতিয়া যেন সকলো ধুঁৱলি-কুঁৱলি লাগিছে।

তুমি মোক ধন্য কৰিলা মানৱ জীৱনৰ দুৰ্মূল্য আশীৰ্বাদেৰে। মোৰ জীৱনত পোৱা প্ৰতিটো আঘাতে, প্ৰতিটো দুখ-বেদনাই, প্ৰতিটো ক্ষতিয়ে মোক বাৰে-বাৰে সোঁৱৰাই দিলে তোমাৰেই কৰুণাৰ ঐশ্বৰ্য্যৰ কথা। প্ৰতিটো আঘাতে, ঘাত-প্ৰতিঘাতে মোক তোমাৰেই কাষ চপাই নিলে। সিবোৰে মোৰ জীৱনক ধন্য কৰিলে। জীৱনৰ পথে-পথে তোমাৰ সহস্ৰ কৰুণাৰ সুগন্ধি ফুল। শিৰিষ-সেউতী-তমাল-মালতীৰ অম্লান ৰেণু। সেই ৰেণুৰ সৌৰভেই মোক চিনাই দিলে তোমাৰ অমৃত লোকৰ সোণালী পথ। জীৱনত যিমানে দুখ পালো, যিমানে বেদনা পালো, সিমানে উপলব্ধি কৰিলো দুৰ্লভ মানৱ জীৱনৰ মূল্য। সেইবোৰে মোক তোমাৰেই কাষ চপাই নিলে—ক্ষণে ক্ষণে মুহূৰ্ত্তে মুহূৰ্ত্তে। যাক তুমি ভাল পালা, যাক তুমি কৰুণা কৰিলা, তাকেইতো তুমি দুখৰ ৰক্তিম ঐশ্বৰ্য্যৰে সমৃদ্ধ কৰি তোলা। তুমি মোৰ জীৱনক ধন্য কৰিলা দুখৰ লগত চিনাকি কৰি দি।

জীৱনত বহুত জীৱন দেখিলো, বহুত মৃত্যু দেখিলো—মাতৃৰ, পত্নীৰ, পুত্ৰৰ, জোঁৱাইৰ, বন্ধুৰ, আত্মীয়ৰ, যুৱক-যুৱতীৰ, বৃদ্ধ-বৃদ্ধাৰ, কোলাৰ শিশুৰো মৃত্যু দেখিলো। বিয়োগৰ মৰ্ম্মদাহী যন্ত্ৰণাই ম্ৰিয়মান কৰিলে। শোকত অন্তৰ ভাগি গ'ল। প্ৰতিটো মৃত্যুৱে দেৱ-দুৰ্লভ মানৱ জীৱনৰ মূল্য শতগুণে বঢ়াই তুলিলে। হেজাৰ কোটি মৃত্যুৰ মাজত অক্ষয়, অমৃতৰ অনন্ত সম্পদ! বুজি পালো, জীৱন সেয়েহে ইমান সুন্দৰ, মধুময়। হে অনন্ত সুন্দৰ!

বেলিৰ পোহৰটো কমি আহিছেনেকি? নে মই চকুৰে ধুঁৱলি-কুঁৱলি দেখিছো? আজি শুক্লা দ্বিতীয়া। গধূলিৰ আকাশত সৰু অকণমানি কাচি জোন এটি ওলাব। তাৰ সোণালী-ৰূপালী পোহৰত পৃথিৱীখন ৰহস্যময় হৈ উঠিব। আকাশৰ নীলাবোৰ মোৰ কৃষ্ণৰ মোহন ৰূপেৰে ভৰি উঠিব।

বিপদ-সংকুল জীৱনৰ অৰণ্য পথ; জয়াৰ, গভীৰ, ভয়াল, বিশাল অৰণ্য! অৰণ্যনে সংসাৰ? সংসাৰনে বিষয়? বিষয়নে মোহ? সংসাৰ অৰণ্যৰ মাজেদিয়েই অনাবিষ্কৃত, দুৰ্গম, অচিনাকি পথ। সিপাৰে অৰণ্যৰ মাজৰ পৰা, নেজানো ক'ৰ পৰা, কোনোবাই যেন মাতিছে, কোনোবাই যেন মাতে—"আহা, আহি থাকা, মোৰ কাষলৈ আহা, মই আছো, মই ইয়াতে আছো..." এইয়া অৰণ্যৰ সিপাৰৰ পৰা অহা কাৰোবাৰ আহ্বান। চিনাকি বাঁহীৰ সুৰ!

এতিয়াও মোক ঘেৰি চৌদিশে গভীৰ অৰণ্য। গভীৰ, নিবিড়, নিৰন্ধ্ৰ আন্ধাৰ! নেজানো কোন পিনে যাব লাগে। 'অৰণ্যৰ মাজৰ পৰা বাহিৰলৈ ওলাই আহা—' শাশ্বত নিমন্ত্ৰণ, মৰমী আহ্বান, চিৰন্তন, মধুৰ আহ্বান।

বাট বিচাৰি নোপোৱাকৈয়ে, কৈনি ক'লৈ গৈছো নজনাকৈয়ে গৈ আছো। কৰবালৈ গৈ আছো ক'ব নোৱাৰাকৈয়ে গৈ আছো।...

ক'ৰবাত অৰণ্য শেষ হ'ব। আন্ধাৰ শেষ হ'ব। আন্ধাৰৰ সিপাৰে ক'ৰবাত এটা বহল, সোণালী পথ আছে। সেই পথৰেই আহ্বান পৰিছেনেকি মোৰ কাণত? এইয়া মই আন্ধাৰৰ মাজে মাজে গৈ আছো। হাবিখন মোৰ লগে লগে আহি আছেনেকি? মই হাবিখনৰ মাজত ঘূৰি ফুৰিছোনেকি?

...'আহাঁ, হাবিখন পাৰ হৈ আহা, মই ইয়াতে আছো, তোমাৰ কাৰণেই ৰৈ আছো—আহাঁ মোৰ কাষলৈ আহাঁ।...' সেইয়া বাঁহীৰ সুৰ? মাতটো কাষৰ পৰা আহিছেনে বহুত দূৰৰ পৰা আহিছে? এই মাতটো যেন মই চিনি পাওঁ। এই সুৰটো...

—মই গৈছো, মই গৈ আছোঁ—মোৰ ক'বৰ মন গৈছে। মোৰ মাতটো ডিঙিৰ পৰা ওলোৱা নাই। মই চিঞৰিব নোৱাৰা হৈছোনেকি? তথাপি মাত নোহোৱা মাতেৰেই মই চিঞৰি ক'ব খুজিছো—মই গৈ আছো, মই তোমাৰ ফাললৈকে গৈ আছো, মই তোমাৰ ওচৰলৈকে গৈ আছো।

তোমাৰ মাতটো মোৰ চিনাকি চিনাকি লাগিছে। বাঁহীৰ মাতটো চিনাকি!

মই আহি আছো, আহি আছো।

কি কৰিবলৈ আহিছিলো মই? কি কৰিলো মই? কি কৰিব পাৰিলো মই? কিবা কৰিব পাৰিলোনে?

যি ভূমিখণ্ডৰ বুকুত মই জীৱনৰ মহা অমৃতৰ সংস্পৰ্শলৈ আহিলো, য'ত উশাহ লৈ মই মাটিৰ শৰীৰক জীৱন্ত আৰু চেতনাময় কৰিলো, সেই উশাহ-নিশাহৰ বিনিময়ত মই কি দিলো? কি দিব পাৰিলো? কি দিলো মই লুইত-গঙ্গাৰ পাৰৰ জন্ম-দায়িনী এই মাটি-বালি-পানী-অৰণ্য আৰু শ্যামল উপত্যকাক? দিব পাৰিলোনে এটা শব্দ, যিটো শব্দৰ বুকুত সোমাই আছে পৃথিৱীৰ সকলো শব্দকোষৰ সকলো শব্দ? দিব পাৰিলোনে এনে এটা স্বপ্ন, যিটো স্বপ্ন এজনৰ নহয়, দুজনৰ নহয়, সৰ্ব্বজনৰ সৰ্ব্বকালৰ স্বপ্ন, যি স্বপ্ন জীৱনতকৈও মহান, মৃত্যুতকৈও সুন্দৰ? মই কিবা সম্ভেদ, কিবা আস্বাদ দিব পাৰিলোনে মাটিৰ সন্তানক —আকাশৰ আৰু আকাশৰ সিপাৰৰ অনন্তলোকৰ? দেশৰ সন্তানহঁতক দিব পাৰিলোনে মাতৃভূমিক লৈ অনুভৱ কৰা গৰ্ব্বৰ চেতনা? সিহঁতৰ অন্তৰত দিব পাৰিলোনে এই পৃথিৱীৰ সকলো দেশৰ, সকলো মানুহৰ বংশধৰ বুলি, অমৃতৰ পুত্ৰ বুলি উপলব্ধি কৰাৰ আনন্দ? সম্ভেদ দিব পাৰিলোনে মৃত্যুৰে মৃত্যুক জয় কৰাৰ অভ্ৰান্ত আস্বাদ?

কি দিলো মই?

কি দিব পাৰিলো মই?

সন্ধান দিব পাৰিলোনে সেই প্ৰেমৰ যি প্ৰেমে জীৱনক কৰে মহীয়ান, কৰে অপাৰ্থিব? যি প্ৰেমে সমগ্ৰ বিশ্বৰ সকলো প্ৰাণীক সামৰি লয়? যি প্ৰেমে সহস্ৰ ধাৰা হৈ অমৃতৰ ধাৰা নমাই আনে তৃষ্ণাতুৰা পৃথিৱীৰ বুকুলৈ? যি প্ৰেম শিশুৰ কণ্ঠৰ এটা প্ৰাৰ্থনাৰ দৰেই পবিত্ৰ!

মই ৰচনা কৰিব পাৰিলোনে এটা গীত, এটা সুৰ, যি গীত আৰু সুৰে স্বৰ্গ, মৰ্ত্য আৰু পাতালক একে ঠাই কৰে? যি গীতে ৰচনা কৰে জীৱনৰ পৰা মহাজীৱনলৈ এক অদৃশ্য সোণালী সেতু? যি সাজে



ভূমিৰ পৰা ভূমালৈ এক পৰীসুতাৰ সোণালী জখলা? যি মাটিৰ মানুহক লৈ যায় ভগৱানৰ কাষলৈ, আৰু ভগৱানক নমাই আনে মাটিৰ মানুহৰ কাষলৈ?

দিনৰ পোহৰবোৰ কম হৈ আহিছেনেকি? বেলিৰ পোহৰৰ বুকুত লুকাই থকা ক'ৰবাৰ তৰা এটাৰ পোহৰ নামি আহিছেনেকি মাটিৰ বুকলৈ?

মই গোটেই জীৱন জুৰি এটা শব্দ বিচাৰিছিলো। মই বিচাৰি পালোনে সেইটো শব্দ, যিটো শব্দৰ মাজত সোমাই আছে আন সকলো শব্দ? যিটো শব্দৰ অৰ্থ কোনেও নেজানে; যিটো শব্দৰ অন্য নাম প্ৰেম, যিটো শব্দৰ অন্য নাম কৃষ্ণ, যিটো শব্দৰ অন্য নাম ঈশ্বৰ, ভগৱান, আল্লা, বিষ্ণু, হৰি, ওংকাৰ ধ্বনি। যিটো শব্দৰ অৰ্থ সেই শব্দটোৱেহে জানে, আন কোনোৱে নেজানে, নুবুজে!

মই জানো গোটেই জীৱনত সেই বিচাৰি নোপোৱা শব্দটোকেই বিচাৰিলো?

…তুমি চিত্ত বৃত্তি মোৰ
প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত…

—সেইয়া ক'ত গাইছে? কোনে কাক নাথ বুলি সম্বোধন কৰিছে? নাৰায়ণ বুলি মাতিছে? আৰু কোন এই নাথৱন্ত?…

মানুহক মানুহ বুলি প্ৰতিষ্ঠা কৰিব পাৰিলোনে মই? মানুহক মানুহৰ মহান পৰিচয়েৰে, স্বীকৃত কৰিব পাৰিলোনে মই? মোৰ চিনাকি জগতখনৰ এই ব্ৰাহ্মণ; ক্ষত্ৰিয়, শূদ্ৰ, বৈশ্য, কলিতা, কোচ, কছাৰী, খৈৰামী, গাৰো, ম্লেছ, যৱন, মিচিং, কৈৱৰ্ত্ত, আহোম, মৰাণ, মটক, চুটিয়া, লালুং, ডিমাছা, কাৰ্বি, চিংফৌ, নক্তে, আৰ্য-অনাৰ্য—সকলোকে মানুহৰ সন্মানিত মৰ্য্যাদাৰে সাদৰি ল'ব পাৰিলোনে? সকলোকে ন্যায়, সাম্য, ভাতৃত্বৰ দোলেৰে বান্ধিব পাৰিলোনে? সকলোকে একেখন সমাজৰে নানা বৰণীয়া মাণিক-মুকুতা বুলি জপৰ মালাৰ মণিৰ দৰে গাঁথিব পাৰিলোনে? স্পৃশ্য-অস্পৃশ্য, জাতি-জনজাতি, উচ্চ-নীচ, বৈষ্ণৱ-শাক্ত-শৈৱ, বৌদ্ধ, মুছলমান আৰু নিজ নিজ মতে নিজৰ নিজৰ ধৰ্মৰ আচাৰ-

নীতি পালন কৰি থকা নানা ধৰ্মৰ মানুহৰ মাজৰ সৰু সৰু পৰিচয়ৰ ব্যৱধানবোৰ নোহোৱা কৰি এক মহামানৱতাৰ মহত্বৰ আৰু বৃহত্ত্বৰ পৰিচয়েৰে চিনাকি হোৱাৰ চেতনা দিব পাৰিলোনে? ভগৱানৰ মধুময় সৃষ্টি, ৰূপে-ৰসে ধন্যা এই ভাৰতবৰ্ষত অমূল্য নৰতনু ধাৰণ কৰি সত্য-ত্ৰেতা-দ্বাপৰৰ শেষত কলিযুগক অৰ্থময় কৰি, সাৰ্থক কৰি মানুহ জন্ম ধাৰণ কৰাৰ অতুল মহত্বৰ পবিত্ৰ চেতনা মই পাৰিলোনে সকলো মানুহৰ হৃদয়ে হৃদয়ে জাগ্ৰত কৰি তুলিব?

পাৰিলোনে এই পৃথিৱীৰ নশ্বৰ মানুহৰ মনত জগাই তুলিব অবিনশ্বৰ আত্মাৰ অনিৰ্ব্বান জ্যোতিৰ একান্ত প্ৰত্যয়?...

সেউজীয়া ধানৰ পাতত এইয়া সমাগত শৰৎ ঋতুৰ মৃদু পদধ্বনিৰ স্পন্দন!

বসন্ত কালৰ ৰাতি-শেষৰ ফেহুজালিত হিৰণ্যগৰ্ভা প্ৰভাতে যি স্বৰ্গীয় সোণালী আভাৰে পৃথিৱীখনক অপাৰ্থিৱ ৰূপেৰে উদ্ভাসিত কৰি তোলে, জীৱনক সুন্দৰৰ অবৰ্ণনীয় সুষমাৰে, উজলাই তোলে, সেই সৌন্দৰ্য্যৰ সংস্পৰ্শলৈ অহাৰ অপাৰ্থিৱ সম্পদৰ বিনিময়ত মই কি দিলো সৌন্দৰ্য্যৰ মহান স্ৰষ্টাক? সেই চিৰ সুন্দৰক? পাৰিলোনে কিবা দিব? এপাহি ফুল, এটি পাত? এপাহি সৰু সুন্দৰ ভাষাৰে ৰচনা কৰিব পাৰিলোনে এটি প্ৰাৰ্থনাগীত?

আলিপুৰদুৱাৰ, বৰদোৱা, গাংমৌ, ধুবুৰীহাট, পাটবাউসী, বৰপেটা, কোচবিহাৰ, মধুপুৰ—নৈ-নগৰ-চহৰ-গাঁও-অৰণ্য, লুইত, গঙ্গা, কলং, কপিলী, সোৱনশিৰি, মানাহ, তিস্তা, সকলো মিলি হ'লনে এখন বিষ্ণুপুৰ, এখন মথুৰা, এখন বৃন্দাবন, এখন কামৰূপ, এখন অসম, এখন ভাৰতবৰিষ; এখন সৰু, সুন্দৰ, মনোৰম, সুখৰ পৃথিৱী; হৃদয়ৰ লগত হৃদয় যোগ কৰি, আত্মাৰ লগত আত্মা যোগ কৰি, জীৱনৰ লগত জীৱন যোগ কৰি গঢ়িব পাৰিলোনে এখন অখণ্ড, অবিনাশী, অক্ষয়, অব্যয়, নৰ-দেৱতাৰ শাশ্বত বাসভূমি; এখন সত্য, অহিংসা, ন্যায়, প্ৰেম আৰু মানৱতাৰ অমৃতময় ধাম? কোন মুহূৰ্ত্তৰ বুকুত জন্ম হৈছে মুক্তি আৰু স্বাধীনতাৰ ৰ'দেৰে উজ্জ্বল ভৱিষ্যতৰ এখন স্বৰ্ণময় পৃথিৱী?



মই জীয়াই তুলিলোনে মানুহৰ বুকুৰ মাজত আহিনৰ কোমল বতাহে ঢউ তোলা এখন বিস্তীৰ্ণ সেউজীয়া পথাৰ? আকাশৰ বুকুৰ পৰা নমাই আনিলোনে এনে একাজলি মুকলি ৰ'দ, যাৰ উত্তাপে মচি দিয়ে সকলো হতাশা-নিৰাশা আৰু ব্যৰ্থতাৰ চকুপানী?

ফলৰ আশা নকৰাকৈয়ে যি সামান্য কাম মানুহৰ কল্যাণৰ কাৰণে কৰিবলৈ লৈছিলো, তাৰ পৰিণতি কি হ'ল মই ক'ব নোৱাৰো। এতিয়া যেন জানিবৰ মন গৈছে: মোৰ প্ৰতিটো নিশ্বাস হ'লনে একোটা অৰ্থবহ, ৰসাল শব্দ? হ'লনে প্ৰতিটো শব্দ একোটা নিটোল বৰগীত? একোটা ভটিমা, একোটা অংকৰ গীত? এফাকি কীৰ্ত্তনৰ পদ? মোৰ প্ৰতিটো বৰগীত হ'লনে একোটা ভক্তিময় প্ৰাৰ্থনা? হ'লনে একোটা সকলো মানুহৰ আকাশমুখী আকাংক্ষা-অভীপ্সাৰ বিনীত অভিব্যক্তি? মোৰ শব্দহীন নিশ্বাসৰ কম্পনিত ব্যক্ত হ'লনে তোমাৰ মহিমাৰ স্তুতি?

তোমাৰ উদ্দেশ্যে বিনীতভাৱে উছৰ্গা কৰিছিলো মোৰ প্ৰতিটো কৰ্ম্ম আৰু চিন্তা। সেয়ে আছিল মোৰ উপাসনা, আৰাধনা, পূজা। এক দীনৰো দীন দাসৰূপে, দাসৰো দাসৰূপে তোমাৰ ইচ্ছা, তোমাৰ ইচ্ছাকে পূৰণ কৰিবৰ কাৰণে মই কৰিলো তপস্যা।

মোৰ সামান্য জ্ঞানেৰে মই তোমাক নেপালো। অহংকাৰ, অহমিকা, কাম-ক্ৰোধ, বুদ্ধি, গৰ্ব্বই আৱৰি ৰাখিলে তোমাৰ সত্যৰ পথ! জ্ঞানেৰে নহয়, ভক্তিৰেহে তোমাৰ কৃপা পাৰ্থী হ'লো। নামেৰে তোমাক বিচাৰিলো। তোমাৰ এক নামক সহস্ৰ নাম কৰিলো, তোমাৰ সহস্ৰ নামক এক নাম কৰিলো। যি নামেৰে তোমাক মাতিলো, সেই নামে দেখা পালেনে তোমাৰ কৰুণাৰ জগতৰ দুৱাৰদলি?

বেলিটো বাঁহনিৰ সিপাৰে ঢলি পৰিছেনেকি? আকাশখন আৰু নীলা হৈছেনেকি? ক'ৰবাত দ্বিতীয়াৰ জোনৰ জান-নেজান ৰূপালী পোহৰ ওপঙি আহিছেনেকি? মোৰ চাৰিওফালৰ পৃথিৱীখন ক'ৰবালৈ দূৰলৈ আঁতৰি গৈ আছেনেকি?

মই পৃথিৱীলৈ অহা নাছিলো কোনো ঈশ্বৰ, কোনো দেৱতা বা কোনো অতিমানৱক ৰক্ষা কৰাৰ, উদ্ধাৰ কৰাৰ দায়িত্ব লৈ। মোৰ

সামান্য মানৱী শক্তিৰে মই দৰিদ্ৰ, নিঃস্ব, নিৰক্ষৰ, অসহায়, পতিত, অৱহেলিত মানুহৰ উদ্ধাৰৰ চিন্তা-চেষ্টা কৰিছিলো, তোমাৰে সহায় লৈ। মই নেজানো মই কি কৰিলো, কি কৰিব পাৰিলো। এইবোৰ মানুহে মোক বুকুৰ কাষ চপাই লৈছিল, মই কিমানক বুকুৰ কাষ চপাই ল'ব পাৰিলো মই নেজানো।

—আহা, তুমি আহাঁ—

কাৰ মাত সেয়া ?

কোনোবা চিনাকি কণ্ঠৰ মাতনেকি ? কোনোবাই বাঁহী বজাইছেনেকি ? —'তুমি নেযাবা, তুমি আমাক এৰি নেযাবা'—কাৰ মাত সেইয়া ? কোনে মোক নেযাবলৈ কৈছে—আশাৰে, হেঁপাহেৰে, মৰমেৰে ?

ফোঁহাটোৰ বিষ নোহোৱা হৈ গৈছে। মই একো অনুভৱ নকৰা হৈ আহিছো। মই ক'ব নোৱাৰো, মোৰ চকু দুটা মুদ খাই আছে নে মেল খাই আছে ? মোৰ চকুৰ মণিত লাগিছে কোনোবা বহু দূৰণিৰ নক্ষত্ৰ-লোকৰ এক নিবিড়, কোমল স্পৰ্শ। এটা ভাষাহীন প্ৰাৰ্থনাৰ দৰে গভীৰ ; গভীৰ টোপনিত দেখা এটা সপোনৰ দৰে মিঠা, জীৱনৰ দৰে মিঠা, মৰণৰ দৰে শীতল, শান্ত, মৰমী···বাঁহীৰ সুৰটো···

বতাহজাক কোমল। নীলা···

এই কোমল বতাহজাকৰ বুকুত, ক'ৰবাত মোৰ বুকুৰ মাজৰ তপত মৃদু নিশ্বাসকণ মিলি গৈছে !

ইমান মিঠা আন্ধাৰ !

ইমান শান্তি, ইমান গভীৰ শান্তি। ইমান নীলা—কৃষ্ণ···

ই—মা—ন—শা—ন্—তি—

শা—ন্—তি—কৃ—ষ্ণ—·····



'আলো, মঞি কি কহিবো দুখ।
পৰাণ নিথৰে নেদেখিয়া চান্দমুখ ॥'

---

ৰচনা কাল : বহাগৰ পৰা আহিন, ৫৩৭—৩৮ শংকৰাব্দ
( এপ্ৰিল—চেপ্তেম্বৰ, ১৯৮৬ )

আজি অসমৰ সকলোৱে জ্যোতি প্ৰসাদৰ নামটো জানে। বৈপ্লৱিক কিবা এটা কৰিব খুজিলে জ্যোতি প্ৰসাদৰ দোহাই দিয়ে।

বহুতে নেজানে যে জ্যোতি প্ৰসাদে গানেৰে জুই জ্বলাবলৈ বিচাৰিছিল, ফুলেৰে শিল কাটি নিজৰা বোৱাই আনিবৰ চেষ্টা কৰিছিল, জীৱনক নতুনৰ পদূলিমুখ চিনাই দিবৰ যত্ন কৰিছিল।

মোৰ 'ধন্য নৰ তনু ভাল' অৰ্পণ কৰিলো জ্যোতি প্ৰসাদৰ পবিত্ৰ সোঁৱৰণত।

Paschim Guwahati Mahavidyalaya
Guwahati 17
Date.........
Dharapur, Chandali

প্ৰকাশক ঃ
শ্ৰীনৰেন্দ্ৰ চন্দ্ৰ দত্ত
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড্
গুৱা

মেট্ৰ
বেণ

প্ৰথ
দো

©

মু

মু
সাৰ
১০
কা

PASCHIM GUWAHATI MAHAVIDYALAYA
Dharapur, Guwahati - 781133
DATE DUE
The book taken from the Library is to be returned within 15 (fifteen) days. A fine of Rs. 0.25 paise will be charged under the rules of the library for each day the book in kept beyond time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

1995

Paschim